কেৱল কাহিনীটো, ৰ

সম্পর্কে মানুহে কি কয়

"*কেৱল কাহিনীটোৰ* পদ্ধতি ফলপ্রসু, কিয়নো ই কাহিনীটো উপভোগ কৰাত সহায় কৰে। শাস্ত্রাংশ সক্রীয় হৈ পৰে আৰু ইয়াৰ পৰা উদ্ঘাটন কৰা প্রতিটো সম্পদেই সতেজ আৰু শক্তিশালী হয়। অনেক ঠাইত এই পদ্ধতি অৱলম্বন কৰি মই সন্তুষ্টি লাভ কৰিছো আৰু ইয়াৰ পৰা ইতিবাচক সঁহাৰি লাভ কৰিছোঁ।"

বাবু গান্টা- কমিউনিকেচন অফিচাৰ, বাইবেল ছছাইটি ইন দি গল্ফ

পৰিচর্যাৰ পৰিসৰ বৃদ্ধিকৰাৰ উদ্দেশ্যলৈ ঘুৰি ফুৰোতে যোৱা ৩০ বছৰ ধৰি গোটেই বিশ্বই মোৰ ঠিকনা হৈ পৰিল। পৰিসৰ বৃদ্ধিকৰাৰ সন্তুষ্টি হঠাত এজন ৭৯ বছৰীয়া কানাডালৈ অহা চীনা অনুপ্রৱেশকাৰীৰ পৰা আহিল। তেওঁ কৈছিলঃ

> "কেৱল কাহিনীটো" যদি মই যোৱা ৪০ বছৰৰ আগতে পালো হয়! আলোচনাৰ শেষত বাইবেলৰ প্রতি বিবেচনাযুক্ত প্রশ্নঃ সুধিবলৈ আমি খ্রীষ্টীয়ান হিচাপে তেনে পৰিবেশত ডাঙৰ হোৱা নাছিলো। সেই কাৰণে বাইবেল খন মোৰ বাবে নতুন কিতাপৰ দৰে হৈ পৰিছে।

"যি পৰিচর্যা কর্ম্মই ঈশ্বৰৰ বাক্য ঠিকৰূপে বিভাগ কৰাত নিপুন কৰি তুলিব নোৱাৰে, তেনে পৰিচর্যা এক ভুৱা পৰিচর্যা মাথোন। ঈশ্বৰৰ মহান আজ্ঞা পালন কৰাত, "কেৱল কাহিনীটো, ৰ পৰিচর্যাই এক গুৰুত্বপূর্ণ নেতৃত্ব গ্রহণ কৰিছে।"

জিম থাৰবাৰ- চেমিনেৰী শিক্ষক, মিচনচ্ ট্রেইনাৰ, গ্ল'বেল

"কেৱল কাহিনীটো" ৰ প্রশিক্ষণ মোৰ জীৱনলৈ কিছুবছৰৰ আগতে আহিছিল, আৰু এইটো মোৰ প্রার্থনাৰ উত্তৰ আছিল বুলি মই বিশ্বাস কৰো। যোৱা ৩৫ বছৰ ধৰি কেইখন মান মহাদেশত মিছনেৰীৰূপে, পৃথিৱীৰ প্রধান তিনিটা অখ্রীষ্টীয়ান সম্প্রদায়ৰ মাজত যীচুৰ পৰিচর্যা কৰি আহিছো। কিন্তু ঈশ্বৰে বিচৰাৰ দৰে স্বচ্ছলতাৰে মোৰ বিশ্বাসৰ সাক্ষ্য দিয়াত মই সদায়ে সংগ্রাম কৰিব লগীয়া হৈছিল।

"এই প্রশিক্ষণে মোৰ জীৱন সম্পূর্ণ ৰূপে সলনি কৰি দিলে আৰু বাক্য ঘোষণা কৰা কার্য্য আৰু শিষ্য গঢ়া কার্য্য মোৰ বাবে স্বাভাবিক আৰু আমোদ জনক হৈ পৰিল! পবিত্র আত্মাৰ সহযোগত পৰিচর্যা কৰিবলৈ মই এতিয়া মুকলি আৰু আনন্দৰে কার্য্যকৰিলো আৰু এতিয়া নিয়মিত ৰূপত ঈশ্বৰৰ বাক্যই মানুহৰ হৃদয় স্পর্শ কৰা দেখিবলৈ পাওঁ। ঈশ্বৰৰ পৰিচর্যা কৰি মই সঁচাকৈয়ে আনন্দ উপভোগ কৰিছো, আৰু এই পৰিচর্যাৰ ফল যিটো আগেয়ে কেতিয়াও দেখা নাছিলো, তেনে ফল দেখিবলৈ পাইছো।"

ব্রাইন থমচন – মণ্ডলী প্রতিষ্ঠাপক, মিচনেৰী, সাধু কথা কওঁতা আৰু ষ্টৰী ফ'ৰ অলৰ পৰিচর্যাকাৰী,ইউ.কে

নিজে বাইবেল অধ্যয়ন কৰি শিক্ষা আহৰণ কৰা পদ্ধতিটো সকলো বাইবেল স্কুলত আৰু খ্ৰীষ্টীয়ান অনুষ্ঠানত এটা প্ৰধান বিষয় হিচাবে থাকিব লাগে। "কেৱল কাহিনীটো" এক শক্তিশালী আহিলা আৰু ই যি কোনো বিশ্বাসীকেই শুভবার্তা বিলোৱা কার্য্যত অধিক ফলপ্রসু কৰিব। "

ৰেজীনা মেনলী- মৌখিক যোগাযোগৰ বিশেষজ্ঞ, মিচন এবিএচন ফেলচিপ, গ্লবেল।

প্রথম প্রশিক্ষণৰ পাছৰ পৰাই, "কেৱল কাহিনীটোৱেই শুভবার্তা প্রসাৰিত হোৱাত উত্তম উপায় হৈ পৰিছে। এই হাতপুঠি খনেই, অসংখ্য শিষ্য গঢ়ি তোলাত, এক শক্তিশালী কৌশলৰূপে পৰিগণিত হৈছে। আৰু ইয়ে আমাক নতুন উদ্দীপনাৰে ঈশ্বৰৰ বাক্য অতি মূল্যবান ৰূপে বিবেচনা কৰিবলৈ পুনৰ উজ্জীৱিত কৰিলে। আমি বাইবেলৰ কাহিনীবিলাক আহৰণ কৰিছো আৰু আমাৰ অন্তৰত সাঁচি ৰাখিছো। "কেৱল কাহিনীটো" আবিষ্কাৰ কৰিবলৈ এই হাতপুথি খন পঢ়ক আৰু এক বৃত্তিধাৰী লোক হবলৈ সু-সজ্জিত হওঁক। এইটো কৰিলে আপোনাৰ প্রভুৰ সৈতে যি আত্মিক যাত্রা, সি সম্পূর্ণ সলনি হৈ যাব।

ৰেভাঃ এপ'ল'চ ডিজিব- সঞ্চালক ফুফুলড মিনিষ্ট্রিচ ট্রেইনিং চেন্টাৰ, নিগেৰ

"কেৱল কাহিনীটো" ৰ এক বিশেষ গুণ এই যে, কাহিনী কওঁতা জনে নিজৰ ভাষাৰে কাহিনীটো কব পাৰে। কিন্তু শাস্ত্র বাক্যৰ লগত কিবা যোগ নকৰিবলৈ বা কিবা নুগুচাবলৈ কওঁতা জনে বেছি মনোযোগ দিব লগীয়া হয়। ইয়াৰ আৰু এটা বৈশিষ্ট মূলক গুণ এইযে কাহিনীটোৰ লগত থকা প্রশ্ন সমূহে ইয়াক বুজিবলৈ সহজ কৰি তোলে। ইয়াৰ দ্বাৰাই পবিত্র আত্মাই শিক্ষার্থী সকলক কাহিনীত থকা সম্পদৰাজি প্রকাশ কৰি দিয়ে, লগতে ইয়াক আত্মিক জীৱনত কি দৰে প্রয়োগ কৰিব লাগে, তাকো দেখুৱাই দিয়ে। এই পদ্ধতিটো শিক্ষার্থীৰ বাবে বৰ উৎসাহজনক। এই পদ্ধতিৰে ঈশ্বৰৰ বাক্য, তেওঁলোকেও যে ঘোষণা কৰিব পাৰে, সেইকথা বুজিবলৈ সক্ষম কৰে। আৰু এই কার্য্যই নির্ভুলভাৱে আৰু যিদৰে ঈশ্বৰৰ গৌৰৱ হব পাৰে, সেইদৰে কবলৈ শক্তি দিয়ে।

"মৌখিক বাইবেলক স্কুল সমূহৰ বিপ্লবীক ধাৰণাটোৱে গোটেই" বিশ্বতেই, সংকটজনক অৱস্থাত থকা মণ্ডলীৰ নেতাৰ সংখ্যা বৃদ্ধি কৰিছে। "

মাইক হ'লমেন – এম.এ.এফ লাৰনিং টেকন'লজি, গ্লবেল।

"মই চৰকাৰী সাংবাদিক হিচাপে পৰিচর্যা কৰি আছো। মই টি.জি.এচ.পি আৰু এচ.টি.এচ কর্ম্মী দলে কর্ণাটকত শ শ নেতাক প্রশিক্ষণ দিয়া কার্য্যত অংশীদাৰ হবলৈ সুবিধা পোৱাৰ বাবে ঈশ্বৰক ধন্যবাদ দিওঁ। "কেৱল কাহিনীটো" ৰ পদ্ধটিৰে ঈশ্বৰৰ বাক্য অধ্যয়ন কৰি মই আৰু মোৰ পৰিয়ালে ঈশ্বৰৰ বাক্য বুজিবলৈ,

তেওঁৰ বাক্য অন্তৰত সাঁচি ৰাখিবলৈ আৰু চৰকাৰী ব্যক্তি হিচাবে য'লৈকে যাওঁ, তাতে বাক্য কবলৈ সক্ষম হৈছো। "

এম. কৃচনা, এম.এ- সংবাদিক, পাল ভইচ পাব্লিচাৰ, ভি.জে পুৰ, কার্ণাটাকা, ভাৰত

মই থাই মানুহ বিলাকৰ মাজত যোৱা ৩০ বছৰকাল পৰিচর্যা কৰি আহিছো। মই যেতিয়া এচ.এচ.টি পালো, তেতিয়া অনুভৱ কৰিলো যে এই পুস্তক খনি এই দেশৰ লোক সকলৰ বাবে এক উত্তম মাধ্যম।

এই দেশত আটাইতকৈ প্রয়োজনীয় কথাটো হৈছে এক মণ্ডলী প্রতিস্থাপনৰ আন্দোলন। অর্থাৎ বাইবেল সম্বন্ধীয় সত্য নির্ভুল ভাৱে অথচ সামাজিক ভাৱেও খাপখোৱাকৈ অতি ক্ষিপ্রতাৰে হস্তান্তৰ কৰাৰ এক কৌশল। এচিয়াৰ বেলেগ বেলেগ দেশত আৰু থাইলেণ্ডৰ সকলো অঞ্চলতে, "কেৱল কাহিনীটো" পদ্ধটিৰে শিক্ষা দিয়াৰ পাচত, মই দেখিবলৈ পাইছো, এই পদ্ধতিটো কেৱল গাঁৱলীয়া সম্প্রদায়ৰ মৌখিক, শিক্ষার্থী সকলৰ মাজতেই নহয় আনকি বেছি শিক্ষিত চহৰীয়া অঞ্চলতো ই এক উপযুক্ত পদ্ধতি।

ল'ৰি ডিংকিনচ, টি.এম-পিএইডি- বাইবেল শিক্ষক, অ.এম.এফ থাইলেণ্ড।

আমাৰ ৬০ গৰাকী অনাথলোক আছে। এওঁলোকক নিয়ন্ত্রনত ৰাখিবলৈ যথেষ্ঠ কষ্ট হয়। কাৰণ প্রতি গৰাকী ব্যক্তিয়েই ভিন্ন সামাজিক পৰিবেশ আৰু ভিন্ন ঠাইৰ পৰা আহিছে। "কেৱল কাহিনীটো" ৰ পদ্ধটিৰে তেওঁলোকক ঈশ্বৰৰ বাক্য শিকোৱাত সহায়ক হৈছে, আৰু এতিয়া তেওঁলোক পঢ়াত বৰ ভাল হৈছে, আৰু তেওঁলোক আত্মিকতাত বৃদ্ধি পাইছে। তেওঁলোকে এতিয়া ঈশ্বৰৰ কাহিনী সমূহ স্কুলত আনকো বিলাইছে।

ৰেভাঃ বিজয় ৰাজ- একজিকিউটিভ ডাৰেক্তৰ হেপী হোম, কর্ণাটক, ভাৰত

"আফ্রিকান মিছনেৰী, মণ্ডলী প্রতিষ্ঠাপক আৰু মোৰ নিজ দেশৰ বাইবেল স্কুল-শিক্ষক হিচাবে এই হাতপুথি খন খ্রীষ্টীয়ান পৰিচর্যাত থকা সকলো কর্ম্মীৰ বাবে অনুমোদন জনাইছো। যি সকলে শিকিবলৈ বিচাৰে আৰু মৌখিক ভাৱে বাইবেল খন শিকাবলৈ ইচ্ছা কৰে তেওঁলোকৰ বাবে ই পুংখানুপুংখ ভাবে বর্ণনা কৰা এক আহিলা। মোৰ মতে "কেৱল কাহিনীটো" ঘৰতেই আৰম্ভ হয়। প্রতিনিশাই শোৱাৰ আগতে, আমি বাইবেলৰ কাহিনী পঢ়ো আৰু শিকো, আৰু এই হাতপুথিত থকা কৌশল সমূহ কেনেকৈ প্রয়োগ কৰিব লাগে, তাক আলোচনা কৰো। "

ৰেভাঃ যাকুব অচিৱেং অকথ্- ছাৱার্ছ অৱ ৱেছিংচ্ চার্চ-মিনিষ্ট্রি-প্রতিস্থাপক, কেনিয়া

দৰদী মিলাৰ আৰু "কেৱল কাহিনীটো" ৰ গোটটো, বাইবেল কাহিনী কোৱা আন্দোলনৰ পথদর্শক। মই "কেৱল কাহিনীটো" ৰ এগৰাকী কার্য্যকর্ত্তা আৰু শিক্ষিত

আৰু মৌখিক শিক্ষার্থী সকলৰ আগত “কেৱল কাহিনীটো” উপস্থাপন কৰিছো আৰু এনে কৰাত বাইবেলৰ কাহিনীসমূহ প্ৰাণবন্ত হোৱা নিজেই দেখিবলৈ পাইছো।

ছার্লছ চিবেনী- চিইঅ, মেগাভইচ, গ্লোবেল

ইথিওপিয়া আৰু আন আন অঞ্চলতো, পৰিচর্যাত যি অভাৱ আছিল, তাক “কেৱল কাহিনীটো” ৰে পূৰ কৰিলে। তেওঁলোকৰ, শাস্ত্ৰৰ বাক্য নিৰ্ভুলভাবে দাঙিধৰাৰ যি অংগীকাৰবদ্ধতা, সেইটোৱেই ইথিওপিয়াত এনেদৰে মতবিনিময় পদ্ধতিৰে বাইবেলৰ কথা কবলৈ আমাক অনুপ্ৰাণিত কৰিলে। কাহিনীকওঁতা সকলৰ যোগেদি অনেক লোক খ্ৰীষ্টলৈ আহিছে, আৰু তাতোতকৈও গুৰুত্বপূৰ্ণ কথাটো হল যে “কেৱল কাহিনীটো” ৰ পদ্ধতিয়ে কাহিনীকওঁতা সকলৰ জীৱন সলনি কৰি দিছে। ঈশ্বৰৰ বাক্যৰ গভীৰতালৈ সোমাইযোৱাত, পবিত্ৰ আত্মাই তেওঁলোক সকলো সত্যলৈ চলাই নিয়ে।

জুলী কেইফিল্ড পাৰাক্লেত মিছন গ্ৰুপ এছাচিয়েত, গ্লবেল

মই হিমালয়ৰ জনজাতীয় লোক সকলৰ মাজত কাম কৰোঁ। আৰু আমাৰ জনজাতীয় লোক বিলাকৰ পৰম্পৰা বিধি সমূহ, মৌখিক ভাৱে চলি অহা প্ৰথাৰ ওপৰতেই নিৰ্ভৰ কৰে। যিহেতু এনে বিধি সমূহৰ কোনো লিখিত নথি-পত্ৰ নাই। সেই কাৰণে তেওঁলোকৰ মাজত শুভবার্তা দিয়াৰ উত্তম পথটো হল কাহিনী কোৱাৰ যোগেদি। কাহিনী কোৱা (কেৱল কাহিনীটো) টোৱে আমাৰ পাহাৰীয়া ৰাজ্যত শুভবার্তা উপস্থাপন কৰাৰ এটা উত্তম আৰ্হি।

ৰেভাঃ তিনুইয়াংবা ইমছেন- চিনিয়ৰ পাষ্টৰ-বাইবেল টিছাৰ, অৰুণাচল প্ৰদেশ, ভাৰত।

“কেৱল কাহিনীটো” ৰে ঈশ্বৰৰ বাক্য বুজিবলৈ আমাক সহায় কৰিলে। কাৰণ এই পদ্ধতি বুজিবলৈ আৰু গোটেই কাহিনীটো মনত আৰু হৃদয়ত ৰাখিবলৈ সহজ। ই আমাৰ স্থানীয় মণ্ডলীৰ অশিক্ষিত বৃদ্ধ সকলক ঈশ্বৰৰ বাক্য আহৰণ কৰিবলৈ, আৰু তেওঁলোকৰ চুবুৰীয়া পৰিয়াল আৰু গাওঁ সমূহত বাক্য ঘোষণা কৰিবলৈ প্ৰশিক্ষণ দিয়াত সহায়ক হৈছে। “কেৱল কাহিনী” ৰ পদ্ধতিটোৱে আমাক আগত কৈ অধিক মণ্ডলী প্ৰতিষ্ঠা কৰাত সহায় কৰিছে।

ৰেভাঃ দেৱাস্যায়ম- চিনিয়ৰ পাষ্টৰ-চার্চ প্লান্টাৰ, এফ, এল, চার্ছ অন্ধ্ৰপ্ৰদেশ, ভাৰত

বাইবেলৰ সত্যতা নিৰীক্ষণ আৰু প্ৰয়োগৰ বাবে, কাহিনী সমূহ পুনঃ পুনঃ কওঁতে আৰু মূল্যায়ন কৰোঁতে, যি নিখুঁত ব্যৱস্থা অব্যাহত ৰাখিছে, সেইটোৱে মোৰ মনত গভীৰ সাঁচ বহোৱালে। এনে ভাৱবিনিময়ৰ জৰিয়তে যেতিয়াই কোনো জনে কিবা এটা ইয়াৰ পৰা পায় কাহিনী কওঁতা জনে মাত্ৰ কব কাহিনীটোত ইয়াক আমি বিচাৰি পামনে? লগে লগেই দলটোৱে ঈশ্বৰৰ বাক্যলৈ ঘূৰি আহে, আৰু ইয়াক সহজে সমাধান কৰে।

বাইবেল পণ্ডিত আৰু ধর্মতত্ব অধ্যয়নৰ কর্ত্তা হিচাবে, বাইবেল ব্যাখ্যা কৰা আটাইতকৈ ফলপ্রসু পদ্ধটি হল -"কেৱল কাহিনীটো" ৰ পদ্ধতিটো। মোৰ দেশত যোৱা ২৪ বছৰ ধৰি শিষ্য গঢ়া পৰিচর্য্যাত থাকি এতিয়া মই উপলব্ধি কৰিছো যে, লিখিব আৰু পঢ়িব নজনা কোনো ব্যক্তিকেই মই শিষ্য ৰূপে গঢ় দিব নোৱাৰিলো। "কেৱল কাহিনীটো" ৰ হাতপুথিত থকা দক্ষতাৰে, এই বৃহৎ কামটো আৰম্ভ কৰিবলৈ মোক সমর্থবান কৰিলে। ধর্মতত্ব অধ্যয়নত থকা সকলো লোককেই, বিশেষকৈ সতীর্থ সকলক "কেৱল কাহিনীৰ" প্রতিটো পৃষ্ঠাকেই অনুমোদন জনাইছো।

ৰেভাঃ লুভাঅ- জেৰুচালেম নিউ লাইফ পেন্টিকষ্টেল চার্চ ইন্টাৰনেছনেল, ডি.আৰ. কঙ্গো।

"ঈশ্বৰৰ কাহিনী প্রকল্প, ভাৰত" ৰ বৃদ্ধি, ইয়াৰ জন্মলগ্নৰে পৰাই মই দেখি আহিছো। বাইবেলৰ কাহিনী সমূহৰ সৰলতা আৰু অনুকৰণ কৰিব পৰা শক্তিৰ জৰিয়তে অনেকলোকৰ জীৱন সলনি হোৱা মই দেখিবলৈ পাইছো। মই নিশ্চিতযে, এই দেশত প্রভুৰ বার্তা প্রসাৰিত হবলৈ হলে, লোকবিলাকে বুজিব পৰাকৈ শিকাব লাগিব, প্রশিক্ষণ দিব লাগিব আৰু শিষ্য গঢ়িব লাগিব। প্রতিগৰাকী মণ্ডলী স্থাপন কৰোতাক, এই প্রশিক্ষণক গ্রহণ কৰিবলৈ আৰু বাইবেলৰ কাহিনী ব্যৱহাৰ কৰি, খ্রীষ্টৰ নিমিত্তে শিষ্য গঢ়িবলৈ, দৃঢ়ভাৱে অনুমোদন জনাইছো।

ৰেভাঃ ড0 চাম আব্রাহাম- ডাৰেক্তৰ হিমাচল বাইবেল কলেজ, বেৰাছাহ মিনিষ্ট্রি'চ, ভাৰত

“কৱল কাহিনীটো” মৌখিক ভাবে কৰা অধ্যয়

কেৱল কাহিনীটো হাত পুথি

আলোচনা কৰা, মনোযোগ দি শুনা আৰু সঁহাৰি জনোৱাৰ জৰিয়তে

বাইবেল শাস্ত্র অনুসন্ধান কৰা

দৰদী এ. মিলাৰ

ঈশ্বৰৰ কাহিনী প্রকল্প

*Simply The Story Handbook, 6*th edition

Copyright © 2006, 2012, 2014 by The God's Story Project

Published by The God's Story Project
PO Box 187, Hemet, California 92546
(951) 658-1619
info@SimplyTheStory.org | info@Gods–Story.org

www.SimplyTheStory.org|www.Gods–Story.org
Listen to live stories told in multiple languages.

All rights reserved. No part of this publication may be reproduced, stored in a retrieval system, or transmitted in any form or by any means—electronic, mechanical, photocopy, recording, or any other—except for brief quotations in printed reviews, without the prior permission of the publisher.

Let us know if you wish to translate this document. We will be most happy to work with you on permission to translate and to make certain that all is done using TGSP guidelines.

Dorothy A. Miller
Executive Director, The God's Story Project

All Scripture quotations in this publication are taken from King James Version of the Bible.

You are encouraged to look up the Scripture references contained in this handbook. If various Bible versions show differences in content that mightchange the meaning of the story, study the story itself and seek God to determine how you will tell the story.

ISBN 978-0-9855206-0-1

সূচীপত্র

আগকথাঃ আফ্রিকা ... ১০

আগকথাঃ আমেৰিকা যুক্তৰাষ্ট্ৰ ... ১১

প্রথম অধ্যায়ঃ মৌখিক ৰণনীতিৰ আৱশ্যকতা ... ১৩

দ্বিতীয় অধ্যায়ঃ প্রশ্ন আৰু কাহিনীসমূহ – বাইবেল উদাহৰণ ... ২১

তৃতীয় অধ্যায়ঃ "কেৱল কাহিনীটো" সম্বন্ধীয় পূর্বদৃষ্টান্ত সংক্ষেপে এক পৃষ্ঠা ... ২৯

চতুর্থ অধ্যায়ঃ "কেৱল কাহিনীটো" ৰ নিচিনাকৈ কেনেকৈ এটা কাহিনী যুগুত কৰিব লাগে ... ৩১

দক্ষতা ১: কেনেকৈ এটা কাহিনী ভালদৰে বাছি লব লাগে, আহৰণ কৰিব লাগে আৰু কব লাগে ... ৩১

দক্ষতা ২: কাহিনীটোত থকা সম্পদ ৰাজি কেনেকৈ বিচাৰি পাব ... ৪৪

আত্মিক জ্ঞান নিৰীক্ষণৰ সম্পদ ৰাজি কেনেকৈ বিচাৰি পাব ... ৪৫

আত্মিক ভাৱে প্রয়োগ কৰিব পৰা যি সম্পদ তাক কেনেকৈ বিচাৰি পাব ... ৫০

দক্ষতা ৩: আপোনাৰ প্রশ্নঃ সমূহ কেনেকৈ সাজিব? ... ৫৫

কাহিনীটোৰ আগকথা কেনেদৰে লিখিব? ... ৫৯

পঞ্চম অধ্যায়ঃ আমাৰ প্রস্তুতি আৰু উপস্থাপনৰ দক্ষতা প্রয়োগ কৰিবলৈ চেষ্টা কৰো আহক... ৬৩

প্রস্তুতিঃ আত্মিক সম্পদ আবিষ্কাৰ কৰা ... ৬৩

উপস্থাপনৰ প্রথম পর্যায়ঃ কাহিনীটো তিনিবাৰকৈ কোৱা ... ৬৬

উপস্থাপনৰ দ্বিতীয় পর্যায়ঃ আত্মিক জ্ঞান নিৰীক্ষণৰ ওপৰত আলোচনা ... ৭৩

উপস্থাপনৰ দ্বিতীয় পর্যায়ঃ আত্মিক জীৱনত প্রয়োগ কৰিব পৰা বিষয়ৰ আলোচনা ... ৮২

ষষ্ঠ অধ্যায়ঃ আলোচনা আগবঢ়াই নিবলৈ সাধাৰণ সংকেত ... ৮৯

সপ্তম অধ্যায়ঃ নির্ভুল প্রয়োগ- হাতীটো আৱিষ্কাৰ কৰা ... ১০৩

অষ্টম অধ্যায়ঃ অশিক্ষিত সকল আৰু মৌখিক বাইবেল স্কুলসমূহ ... ১১১

নৱম অধ্যায়ঃ পাখি আৰু কাঁইট বিলাক উঘালি পেলোৱা ... ১১৯

দশম অধ্যায়ঃ "কেৱল কাহিনীটো" চিন্তা ধাৰা সলনি শ্রেণী ভুক্তকৰণ ... ১৩৯

একাদশ অধ্যায়ঃ ব্যৱহাৰ কৰা স্থান- শিক্ষা আহৰণ কৰা পদ্ধতি আৰু "কেৱল কাহিনীটো" প্রসাৰ - ... ১৪৫

সংযোজন-কঃ পর্য্যালোচনা কৰা প্রু পত্রবিলাকৰ সম্পর্কে শিক্ষা- ... ১৫৩

সংযোজন- খঃ নিদর্শন মূলক কাহিনীৰ জৰিয়তে যাত্রা - ... ১৫৭

সংযোজন- গঃ ব্যৱহাৰ কৰোতাৰ প্রভাৱৰ প্রতিবেদন দিহা-পৰামর্শ আৰু বৃদ্ধি – ... ১৮৭

সংযোজন –ঘঃ এগৰাকী নেতাৰ আৱিস্কাৰ – ... ১৯০

ঈশ্বৰৰ কাহিনীঃ সৃষ্টিৰ পৰা অনন্ত কালৈকে- ১৯৭

যোগাযোগৰ ঠিকনাঃ ১৯৯

আগকথাঃ আফ্রিকা

কিছুবছৰৰ আগতে মই দৰদী মিলাৰক উপসাগৰত এক আলোচনাত লগ পাইছিলো। তাতেই তেওঁ মোৰ পৰিবাৰক আৰু মোক "কেৱল কাহিনীটো" কোৱাৰ আনন্দ-কথা সূচনা কৰিলে। এনে কাহিনী বিপদজনক অঞ্চলতো বাক্য ঘোষণা কৰাৰ এক উত্তম ৰণ-নীতি। আমি প্ৰথমে মৰিময় আৰু মার্থাৰ কাহিনীটোৰ জৰিয়তে আৰম্ভ কৰিলো। এই সহজ কাহিনীটোত কিমান যে সম্পদ লুকাই আছিল, তাক জানি আমি আচৰিত হলো।

পাচত, এই ধাৰণাটো মই হৃদয়ঙ্গম কৰিলো আৰু নাইজেৰিয়াৰ কেইটামান কালবাৰী মিনিষ্ট্ৰীত পাতনি মেলিলো আৰু ইয়াৰ প্ৰভাৱ সাংঘাটিক ফলপ্ৰসু বুলি জানিব পাৰিলো। কালবাৰী মিনিষ্ট্ৰী (CAPRO) এক স্বদেশীয় প্ৰচাৰ বিভাগ হয়। আৰু এই প্ৰচাৰ বিভাগে আফ্রিকাৰ ৩০ খন দেশত ভিতৰুৱা শুভবার্তা নোপোৱা অঞ্চলত মণ্ডলী স্থাপন কৰা কার্যত মনোনিবেশ কৰে। আমাৰ মণ্ডলী স্থাপনৰ কার্য্যঃ ৬৫ খন ইউ.পি.জি.এচ আৰু এম.ইউ.পি.জি.এচ ত চলি আছে।

যি কোনোৱে আবিষ্কাৰ কৰিব পাৰিব যে, ঈশ্বৰে এক পুৰুষৰ পৰা তাৰ পাচৰ পুৰুষলৈ ভিন্ন ভিন্ন প্ৰকাৰে লোকবিলাকৰ আগত নিজকে প্ৰকাশ কৰে। এই সাক্ষ্য বিলাক, আমাৰ কাহিনী বিলাকত আমি ধৰি ৰাখিছো। খ্ৰীষ্টত আৰু পবিত্ৰ আত্মাৰ জৰিয়তে ঈশ্বৰে দিয়া দর্শনে, চমুকৈ, মানৱজাতিৰ প্ৰতি থকা তেওঁৰ প্ৰেমৰ কথাকে বুজায়। আৰু এই সম্পদটো যেন মানুহে বিচাৰি পায় ঈশ্বৰৰ এনে ইচ্ছা।

"কেৱল কাহিনীটো" হৈছে এনে এক উপায় যাৰ দ্বাৰাই প্ৰণালী বদ্ধভাৱে বাইবেলখন অনুসন্ধান কৰিব পাৰি। ই শিক্ষিত, অশিক্ষিত দুয়োকো ঈশ্বৰৰ বাক্য খৰচি মাৰি পঢ়ি, মূল কথা বুজি, উপভোগ কৰিবলৈ সক্ষম কৰে।

আফ্রিকাৰ কাহিনী কোৱা বিধিটো, মূল্যবোধ জগাই তুলিবলৈ আৰু জীৱন সলনি কৰা জ্ঞান সমূহ উত্তৰ পুৰুষলৈ এৰি যোৱাৰ এক শক্তিশালী উপায়। ইয়াৰ পৰিণম স্বৰূপে শুনোতা সকলৰ বাবে এক পৰিচিত পৰিবেশ গঢ়ি উঠে। বিশেষকৈ অধিক সংখ্যক লোকে বসবাস কৰা গাৱলীয়া অঞ্চলত আৰু যত মৌখিক পৰম্পৰাত আনন্দ উপভোগ কৰে।

এই সমন্বয় ৰক্ষা কৰাৰ উপৰিও "কেৱল কাহিনীটো" ৰে স্বাধীন ভাবে সিদ্ধান্ত উপনীত হবলৈ শুনোতা সকলক সহায় কৰে। এইটো বিশেষকৈ নির্ভৰ কৰে কাহিনী কওঁতা জনৰ আচৰণবিধি আৰু একাধাৰে শ্ৰোতা সকলক সোধা প্ৰশ্নঃ বিলাকৰ ওপৰত। এই বিলাকে সংস্কৃতিৰ দেৱাল ভেদ কৰি আত্মিক বাইবেল সম্বন্ধীয় সত্যক নির্ভুল ভাৱে বিনিময় কৰাত সমল যোগায়।

আত্মিক শিক্ষা নিৰীক্ষণ আৰু আত্মিক জ্ঞান প্ৰয়োগ এই দুয়োটা পথেই শ্ৰোতা সকলক অনুসন্ধান কৰিবলৈ অনুপ্ৰেৰণা যোগায়। এই প্ৰণালীয়ে শ্ৰোতা সকলক,

কাহিনীবিলাকত নিহিত হৈ থকা বাইবেল সংক্রান্ত সত্যক বুজিবলৈ আৰু সোঁৱৰণত ৰখাবলৈ সমর্থবান কৰে। আৰু এনে সত্যই বাইবেলত এক গুৰুত্বপূৰ্ণ অংশ অধিকাৰ কৰিছে।

ইয়াৰ ওপৰিও, "কেৱল কাহিনীটো" ৰে কাহিনী কওঁতা সকলক, উপাদান সমূহৰ ওপৰত সাৱধানতা অৱলম্বন কৰিবলৈ অৰিহণা যোগায়। ই পটভূমি, অন্তর্বস্তু আৰু শুনা কাহিনীটোত নিজকে সাঙোৰ খাই থকা কার্য্যত গুৰুত্ব দিয়ে।

"কেৱল কাহিনীটো" ৰ দ্বাৰা প্রশিক্ষণ প্রাপ্ত হৈ উপকৃত হোৱা ব্যক্তিসকলৰ আকর্ষনীয় মন্তব্যৰ উপৰিও, এই কিতাপ খনত প্রশ্নঃ আকাৰে অনেক সংকেত দিয়া হৈছে, যিবিলাকে বাইবেলৰ কাহিনীবিলাক ব্যক্তিগত ভাৱে অনুসন্ধান কৰাত সহায়ক হব।

"কেৱল কাহিনীটো" নামৰ কিতাপখন মই সেইসকল ব্যক্তিলৈ আগবঢ়াইছো যি সকলে সকলো জাতিৰ মাজৰ পৰা শিষ্য গঢ়িবলৈ আহ্বান পাইছে, বিশেষকৈ লিখা-পঢ়া নকৰা সম্প্রদায় বিলাকৰ মাজত, আৰু সেই সকল ব্যক্তিলৈ যি সকলে ঈশ্বৰে সৈতে পুনৰ মধুৰ সম্বন্ধ ৰাখিব খোজে।

আমোচ এদাৰণমো-ইন্টাৰনেচনেল ডাৰেক্তৰ, কালবাৰী মিনিষ্ট্রিছ (CAPRO)

আগকথাঃ আমেৰিকা যুক্তৰাষ্ট্ৰ

যোৱা ৪০ বছৰো ওপৰ ধৰি, দৰদী আৰু টম মিলাৰক আমি জানি আহিছো আৰু আমাৰ মাজত অতি ভাল বন্ধুত্ব আছে। "ঈশ্বৰৰ কাহিনী" নামৰ প্রথম চলচ্চিত্র খনৰ জন্ম আৰু খৰটকীয়া বৃদ্ধি, আৰু তাৰ পাছত "কেৱল কাহিনীটো" ৰ প্রশিক্ষণ অতিকৈ মন কৰিব লগীয়া।

খ্রীষ্টীয়ানে কেনেকৈ হেৰোৱা লোক বিলাকৰ মাজত খ্রীষ্টক প্রকাশ কৰিছে, অনেক শিষ্য গঢ়িছে আৰু এই পৰিচর্যায়ে কেনেকৈ দৃশপট সলনি কৰিছে, ইয়াক দেখি আমি আনন্দ কৰিছো।

এই ৰণনীতিয়ে গাওঁ আৰু পৃথিবীৰ চাৰিওফালে জাতিবিলাকৰ মাজত সুদূৰ প্রসাৰী প্রভাৱ পেলাইছে, ঈশ্বৰৰ বাক্যৰ প্রতি নতুন অনুপ্রেৰণা আৰু আলোড়ণ আনিছে। ইয়াকে দেখি আমি বৰ উৎসাহিতহৈ পৰিছো। কাহিনীকোৱা পদ্ধতিয়ে সকলোকে, সকলোঠাইতে মানুহক আকর্ষিত কৰে।

"কেৱল কাহিনীটো" ৰ নিজে অনুসন্ধান কৰি বাইবেল অধ্যয়ন কৰা প্রণালীটোৱে (The inductive Bible Study Methos of STS) অংশ গ্রহণকাৰী সকলৰ

অর্ন্তদৃষ্টি আৰু গ্রহণ কৰিব পৰা জ্ঞান আৰ্কষণ কৰে। আৰু ইয়ে সাধাৰণ ভাবে অধ্যয়ন কৰা নিয়মতকৈও এই পদ্ধটিয়ে অধিক গভীৰ অভিজ্ঞতা যোগায়।

প্রকৃততে, ইয়াৰ যোগেদি যীচু খ্রীষ্টৰ শুভবার্তা বহুল ভাবে প্রচাৰিত হৈছে, আৰু সকলো বয়স, জাতি, ধর্ম্ম, শিক্ষা নির্বিশেষে আৰু শিক্ষিত, অশিক্ষিত সকলোৰে মাজত সত্যৰ শুভবার্তা বিয়পি গৈছে। “কেৱল কাহিনীটো”, সম্পূর্ণ অদ্বিতীয় আৰু অসাধাৰণ ভাৱে ফলপ্রসু।

এই পৰিচর্যাই আমাৰ হৃদয় স্পর্শ কৰিছে কিয়নো এনে পৰিচর্যাৰ যোগেদি দক্ষতাহীন, উপায়হীন আৰু প্রভাৱহীন লোকবিলাকৰ মাজত খ্রীষ্টৰ শুভবার্তা প্রচাৰিত হৈছে, যিসকলক সাধাৰণতে সততে অৱজ্ঞা কৰা যায়। এই পৰিচর্যাৰ শক্তিশালী প্রভাবে যি কোনোৰ অন্তৰ- শিক্ষিত হওক বা অশিক্ষিত হওক, ধনী হওক বা দুখীয়া হওক, বিশেষ সুবিধা ভোগকাৰী সকলোৰে অন্তৰ স্পর্শ কৰিব পাৰে। ই ঈশ্বৰৰ ৰাজ্য বৃদ্ধিৰ বাবে এক উত্তম আৰু অতি ফলপ্রসু আহিলা হিচাপে পৰিগণিত হৈছে।

ডন আৰু চন্দ্রা টিপটন- ফাউন্দাৰ আৰু ডাৰেক্তৰ, ফ্রেণ্ডশ্বিপচ আনলিমিটেদ।

ঈশ্বৰৰ পৰা অহা গভীৰ সত্য বা নিগূঢ় তত্ব বিলাক বাইবেলৰ সৰল কাহিনী বিলাকতেই পঞ্জীভূত হৈ আছে।

ঈশ্বৰৰ বাক্যই সতর্ক কৰি কৈছে যে "খ্ৰীষ্টৰ যি সৰলতা" সিয়ে আমাৰ মন ভ্রষ্টটালৈ আঁতৰাই লৈ যাব পাৰে। (২কৰিঃ১১:৩)

স্বীকাৰোক্তি

বাইবেলত, আমাৰ প্রভু ঈশ্বৰে নিজকে, আৰু তেওঁৰ ইচ্ছা আমালৈ প্রকাশ কৰিলেঃ তেওঁৰ বাক্যৰ বাবে আমি ঈশ্বৰক ধন্যবাদ কৰো। তেওঁক সেৱা কৰিবৰ বাবেই ঈশ্বৰে আমাক গঢ় দিলে। আৰু তেওঁৰ বাক্য বিলাবৰ বাবেই নির্মাণ কৰিলে। এই বিশেষাধিকাৰৰ নিমিত্তে আমি ঈশ্বৰক ধন্যবাদ দিওঁ আৰু পৰিচর্যা ফলপ্রসু হোৱা বাবে সকলো গৌৰৱ তেওঁকেই দিওঁ।

'ঈশ্বৰৰ কাহিনী প্রকল্প' ৰ বাবে ঈশ্বৰে বহু হাজাৰ সেচ্ছা সেৱক পঠালে। আৰু তেওঁলোকে শ শ ভাষাত "ঈশ্বৰৰ কাহিনীটো" সংস্কৰণ কৰিলে। আমি সুৰৰচনাকাৰী, অনুবাদক, বিৱৰণকাৰী, বাণীবদ্ধ কৰোতা, পুজিৰ যোগান ধৰোতা আৰু 'ঈশ্বৰৰ কাহিনীটো' ব্যৱহাৰ কৰোতা সকলোকে ধন্যবাদ কৰো। এই সকলোবিলাক লোক মিছনেৰী, দেশীয় কর্ম্মী যিয়ে যীচুক অতিকৈ প্রেম কৰে।

কার্য্যালয়ৰ কর্ম্মচাৰী আৰু সংগঠক সকলৰ বাবে আমি ঈশ্বৰৰ প্রশংসা কৰো। তেওঁলোকে অতি উৎসাহেৰে, ঈশ্বৰৰ বাহিৰে, আন কোনেও নেদেখাকৈ পৰিচর্যা কৰি আছে। এই হাতপুথিত থকা সকলকো তেওঁলোকৰ কার্য্য, বুদ্ধি আৰু কাহিনী এই সকলো বিলাকক আমি সাঙুৰি লৈছো। 'কেৱল কাহিনীটো'ৰ সাৰ অংশ বৃদ্ধিপোৱা বাবে, পৰিচালক আৰু নির্দ্দেশক সকলৰ প্রতি আমাৰ ভক্তিপূর্ণ নমস্কাৰ আৰু ঈশ্বৰক ধন্যবাদ জনাওঁ। যি সকলোকে সাহসেৰে আৰু নির্ভীক ভাবে তেওঁৰ কাহিনীবিলাক পৃথিবীজুৰি ঘোষণা কৰি আছে, তেওঁলোকৰ হৈ, (বর্ত্তমান লাখ লাখ ব্যক্তি) আমি ঈশ্বৰৰ প্রশংসা কৰো।

১৯৯৪ চনত শিল্পী নর্ম মেকগেৰী য়ে 10 খন বাইবেল সম্বন্ধীয় ছবি অঙ্কন কৰিলে। তেওঁ দক্ষতাৰে যীচুক 'মই হওঁ' জনা ৰূপে বর্ণণা কৰিলে। তেওঁৰ এনে কৰাৰ কাৰণ হল যাতে তেওঁৰ বৃদ্ধা মাতৃয়ে যীচুক যেন ঈশ্বৰ আৰু ত্রাণকর্তাৰূপে ভাৰসা কৰিব পাৰে। নর্ম মেকগেৰী ২০১২ চনত যীচুৰ ওচৰলৈ গল আৰু তেওঁৰ মাতৃৰ লগ ললেগৈ। তেওঁৰ যি কলা-কৌশল, সেয়েই "ঈশ্বৰৰ কাহিনীটো" হল। আৰু ইয়েই "কেৱল কাহিনীটো" বিকাশ কৰিবলৈ উদগণি যোগালে। আমি নর্ম মেকগেৰী ক তেওঁৰ সেৱাৰ মনোভাৱৰ বাবে প্রেম কৰো। এজন ব্যক্তিৰ, যীচুৰ প্রেমৰ বাবে, আৰু মাতৃৰ উদ্ধাৰৰ বাবে থকা বাঞ্ছাই, যি দৰে পৃথিবীৰ

চাৰিসীমালৈকে শুভবার্তা প্রচাৰ কৰা কার্য্যত বিস্ফোৰণ ঘটালে, তাৰ বাবে প্রভুৰ ধন্যবাদ কৰো।

টম আৰু দৰদী মিলাৰ

ঈশ্বৰৰ কাহিনী প্রকল্প

প্রথম অধ্যায়ঃ মৌখিক ৰণকৌশলৰ আৱশ্যকতা

শিক্ষক হিচাবে পশ্চিমীয়া দেশৰ ধর্ম্ম নিৰপেক্ষ আৰু খ্রীষ্টীয়ান পৰিবেশতো বাইবেল খন আনে বুজিব পৰাকৈ, আৰু বুজি, জীৱন সলনি কৰিব পৰাকৈ, উপস্থাপন কৰিবলৈ মোৰ এক ইচ্ছা আছিল।

বংশানুক্রমে উপস্থাপন আৰু কাহিনীৰ শাস্ত্রাংশ আলোচনা কৰাৰ যোগেদি সেই ইচ্ছা পূৰ হল। লোকবিলাকক নিজে নিজেই আবিস্কাৰ কৰিবলৈকো অনুমতি দিয়া হৈছিল। ইয়াৰ দ্বাৰাই তেওঁলোকে বুজিব পাৰিছিল আৰু ব্যক্তিগত জীৱনতো তাক ব্যবহাৰ কৰিছিল।

“ঈশ্বৰৰ কাহিনী: সৃষ্টিৰ পৰা অনন্ত কাললৈ,” এই চলচিত্র খন সৃষ্টি কৰিবলৈ ঈশ্বৰে মোলৈ দুৱাৰ মুকলি কৰি দিলে। জগতৰ দর্শক সকলৰ আগত বাইবেল খন উপস্থাপন কৰিবলৈ সেই চলচিত্র খনিক বংশানুক্রমে, কাহিনী কোৱাৰ ধৰণে ব্যৱহাৰ কৰিছিল। ৮০ মিনিটৰ, সংক্ষেপে কাহিনীকোৱাৰ প্রভাব আমি দেখিবলৈ পালো, যেতিয়া ইয়াক শ শ ভাষাত ঘোষণা কৰা হল। ঘোষণা কৰা কার্য্যত আৰু শিষ্যগঢ়া কার্য্যত, কাহিনী কোৱাটোৱে যে অতি গুৰুত্বপূর্ণ ভুমিকা পালন কৰে, তাক এই চলচিত্র খনে আৰু শ্রৱণ-ৰেকর্ডৰ উপকাৰিতাই আমাক বেছি সজাগ কৰি দিলে।

পাচত, আমি অন্য মিছনৰ নেতৃবর্গৰ লগত যোগাযোগ কৰিলো। তেওঁলোকেও এটা কাহিনীতেই গুৰুত্ব আৰোপ কৰাত জোৰ দিলে। তেওঁলোকেও শুভাবার্তা খন ঘোষণা কৰাৰ পদ্ধতি উন্নত কৰাৰ আৱশ্যকতা উফলব্ধি কৰিলে। সেই কাৰণে, যি সকলে নিজে পঢ়ি শিকিব নোৱাৰিছিল, সেই সকলৰ কাৰণেও তেওঁলোকে চিন্তা কৰিলে। আৰু প্রচাৰ-পদ্ধতিত তেওঁলোককো অন্তর্ভুক্ত কৰিলে। অন্য মিছনৰ নেতৃবর্গৰ পৰা আমি যি বুদ্ধি জ্ঞান পালো, সেইটোৱে আমাক আলোচনা পদ্ধটিৰে শিক্ষাদিয়া, আৰু একে সময়তে এটা কাহিনীতে মনোযোগ দিয়া, এই দুয়োটা পদ্ধতি একেলগ কৰিবলৈ অনুপ্রেৰণা পালো। এই সংযোজনাটোৱেই “সম্পূর্ণ কাহিনীটো” টোৰ ৰূপ ললে।

কেৱল কাহিনীটো” একেটা সময়ত এটা কাহিনীতেই সীমাবদ্ধ থাকে আৰু ই বাক্যৰ গভীৰতালৈ সোমাই যায়। নির্দিষ্ট কৈ আলোচনা কৰিব লগা প্রশ্ন সমূহৰ জৰিয়তে, লোক সমূহে নিজৰ বাবে নিজেই আবিস্কাৰ কৰিলব পাৰে। বুজিপোৱা আৰু নিজৰ জীৱনত ব্যৱহাৰ কৰাৰ ওপৰিও, তেওঁবিলাকে মনতো ৰাখিব পাৰে।

যিজনে গাড়ী চহৰলৈ চলাই নিয়ে

পৰৱর্তী কালত সি ঘুৰি অহা পথটো চিনি পায়

ইয়াৰ উপৰিও, লোকবিলাকে শক্তিমন্ত হোৱা, আৰু সাহসেৰে সাক্ষ্য দিয়া আমি দেখিবলৈ পাইছো।

“কেৱল কাহিনীটো” ৰে বাইবেল বার্তাবাহক সকলক, কাহিনীবিলাক ঈশ্বৰে দিয়াৰ দৰেই সদব্যৱহাৰ কৰিবলৈ অনুপ্রেৰণা দিয়ে। কাহিনীবিলাক বুলি কলে বাইবেলৰ বিভিন্ন শাস্ত্রাংশকো সামৰি লোৱা হয়। এনেকুৱা শাস্ত্রাংশ যিবিলাক প্রথম দেখাত কাহিনী নহয় যেন লাগে। এই হাতপুথি খনে সেই কাহিনীবিলাক আমোদজনক আৰু নির্ভুল ভাৱে কবলৈ অৰিহনা যোগায়, লগতে আলোচনাৰ মাধ্যমেৰে শিকাবলৈকো তথ্য অৱগত কৰে। এই হাতপুথি আৰু অন্য গণমাধ্যমৰ সামগ্রীৰ উপৰিও ‘কেৱল কাহিনীটোৰ’ কর্ম্মশালাত দিয়া প্রশিক্ষণে লোকবিলাকৰ দক্ষতা বৃদ্ধি কৰাত সহায় কৰে।

এই পদ্ধতিৰে শাস্ত্রজ্ঞান আহৰণ কৰা কাৰ প্রয়োজন?

আমেৰিকাত “কেৱল কাহিনীটো” ৰ কর্ম্মশালালৈ অহা এজন ব্যক্তিয়ে কৈছেঃ

মই পালকৰ দায়িত্ব লোৱাৰ এবছৰৰ পাছত এটা ডাঙৰ সমস্যাৰ সন্মূখীন হোল। মোৰ চাৰলটন চাউডার্ণ ইউনিভাৰচিটি ৰ পৰা চাৰিবছৰীয়া বাইবেল ডিগ্রী আছিল আৰু গৰডন-ক’নৱেল থিয়লজিকেল চেমিনেৰীৰ পৰা সন্মান সহকাৰে এম.এ. ডিগ্রী লৈছিলো। মই আনক শিকাবৰ বাবে আৰু প্রশিক্ষণ দিবৰ বাবে যুগুত আছিলো। ঈশ্বৰে পৰিচর্যা কৰিবলৈ দিয়া নির্দিষ্ট ঠাইতে থাকি ঈশ্বৰৰ মহান আজ্ঞা পালন কৰিবলৈ বিচাৰিছিলো। শিক্ষা-দীক্ষাই সকলো ফালৰ পৰা ঠিকেই চলি গৈছিল। লোকবিলাকে শিক্ষা শুনি ভাল পাইছিল আৰু ধন্যবাদ দি কৈছিল, “ভাল শিক্ষা, শিক্ষক মহোদয়। ”

কেইমাহ মানৰ ভিতৰতে ভালেমান নতুন বিশ্বাসী আহি দেওবৰীয়া স্কুলত গোট খালেহি। এনে ব্যৱস্থা তেওঁলোকৰ বাবেই কৰা হৈছিল। তেওঁলোকে বিশ্বাস কৰিছিল, কিন্তু অধিক বৃদ্ধি পাবলৈ বিচাৰিছিল। তেওঁলোকক আমাৰ মিচনৰ পৰা প্রকাশিত “সপ্তাহিক” নামৰ পুস্তিকা খন যোগন ধৰিলো। মই তেওঁলোকক উদগণি দি কৈছিলো, “ঘৰলৈ গৈ ইয়াক পঢ়ক, আপুনি যেতিয়া পুনৰ আহিব, আমি এই বিষয়ে আলোচনা কৰিম। ”

সপ্তাহৰ পাছত সপ্তাহ ধৰি তেওঁলোকক মই সুধিছিলো, “আপুনি যি পঢ়িল, তাৰ পৰা কি শিকিলে? আপোনাৰ সুধিব লগীয়া কিবা প্রশ্ন আছে নেকি? আমোদজনক কিবা কথা পালে নেকি? কিন্তু এই সকলো প্রশ্নৰ উত্তৰ এটাই আছিল– “নীৰবতা। ”

এইটো স্পষ্টহৈ পৰিল যে তেওঁলোকে পাঠবিলাক পঢ়া নাছিল। অৱশেষত, নিৰাশ হৈ এদিন শ্রেণীতে এজনক ডাঙৰ ডাঙৰকৈ পঢ়িবলৈ কলো। বহু সময় বিৰক্তিকৰ অপেক্ষাৰ পাছত এজনে পঢ়িবলৈ আগবাঢ়িল। তেওঁ বহু কষ্টেৰে কেইশাৰী মান বাক্য বৰ লাহে লাহে পঢ়িল আৰু বহুত শব্দ ভুলকৈ উচ্চাৰণ কৰিছিল। তেতিয়াহে মই জানিছিলো যে এই লোকবিলাকে পাঠবিলাক ঘৰত নপঢ়ে– কাৰণ তেওঁলোকে পঢ়িবই নোৱাৰে।

এই বিষয়টো মই অধিক অনুসন্ধান কৰি জানিব পাৰিলো আৰু পৰিসংখ্যাই তাক নিশ্চিত কৰিলে যে আমাৰ মণ্ডলীৰ চৌপাশে বসবাস কৰা এক তৃতীয়াংশ বয়স প্রাপ্ত লোকেৰেই হাইস্কুলীয়া শিক্ষা পোৱা নাছিল। এজন ডেকা পালক হিচাবে মোৰ সম্মুখত এক জটিল প্রশ্ন আহিলঃ যিবিলাক ব্যক্তিয়ে পঢ়িব নোৱাৰে বা পঢ়িবলৈ ইচ্ছা নকৰে, তেওঁলোকৰ আগত কি দৰে বাক্য ঘোষণা কৰা হব, আৰু কি দৰে তেওঁলোকক শিষ্যৰূপে গঢ় দিব পৰা হব?

দুর্ভাগ্যক্রমে, এই প্রশ্নৰ উত্তৰ মোৰ ওচৰত নাছিল। আনকি পৰিচর্যাৰ বাবে ৭ বছৰকৈ দুখন শুভবার্তা প্রচাৰ কৰিবলৈ প্রশিক্ষণ দিয়া অনুষ্ঠানত অধ্যয়ন কৰিও মই মৌখিক শিক্ষার্থীৰ কথাটো কেতিয়াও শুনা নাছিলো। নিম্ন শিক্ষাই যে মোৰ পৰিচর্যাত প্রত্যাহ্বান ৰূপে থিয় দিব মই ভাবিবই পৰা নাছিলো। এই মৌখিক শিক্ষার্থী সকলৰ লগত কাম কৰিবলৈ মোৰ আন কোনো আহিলা নাছিল। সেই কাৰণে মই নিজকে প্রশিক্ষণ প্রাপ্ত হবলৈ ইয়ালৈ আহিলো।

“কেৱল কাহিনীটো” ৰ কর্ম্মশালালৈ অহা সেই পালকজন আৰু আন লোক সকলে তিনিটা সার্বজনীন অন্তর্নিহিত গুণৰ কথা অৱগত কৰিছিলঃ তেওঁলোকে ঈশ্বৰৰ বাক্য সাঁচি ৰাখে, তেওঁলোকে বুজিবলৈ হেপাহ কৰে, আৰু বাক্য মনত ৰাখি নিজৰ জীৱনত প্রয়োগ কৰিবলৈ ইচ্ছা কৰে। আৰু তেওঁলোকে সেই সকলোৰ দ্বাৰাই আনকো প্রতিপালন কৰিবলৈ বিচাৰে।

মৌখিক ভাৱবিনিময়ৰ আৱশ্যকতা কিমান গুৰুত্বপুর্ণ?

‘মৌখিক শিক্ষার্থীৰ শ্রেণীবিভাগ কৰা মানে কি বুজায় আৰু “মৌখিক শিক্ষার্থী” সকলে কেনেকৈ বার্তা লাভ কৰে, এই কথাটো উপলব্ধি কৰিলে বাইবেলৰ কাহিনী বিলাক উপস্থাপন কৰাটো কিমান গুৰুত্ব পূর্ণ তাক বুজিব পাৰি।

যিলোকে পঢ়িব নোৱাৰে শুনিবলৈ অসমৰ্থ, তেওঁলোকেই “মৌখিক শিক্ষার্থী”। অনুসন্ধান কৰি জানিব পৰা গৈছে যে বহুতো দেশে শিক্ষিতৰ হাৰ বঢ়াই কয়

নাইবা নিম্নমানৰ জোখমাখৰ বাবে এনে হয়। উদাহৰণ স্বৰূপে, “আপুনি যদি নিজৰ চহী কৰিব পাৰে, আপুনি শিক্ষিত!”

বহু অংশ বিশিষ্ট পৰীক্ষা আৰু গবেষণা, যেনে ‘নেচনেল এচেছমেন্ট অৱ এডাল্ট লিচাৰেচী ষ্টাডী, ৰ দ্বাৰাই জানিব পাৰি যে আমেৰিকা যুক্তৰাষ্ট্ৰৰ ৪৩'' শতাংশ লোকে পঢ়িব নোৱাৰে বা ভালদৰে পঢ়িব নোৱাৰে আৰু গোটেই অংশটো পঢ়ি অর্থ বুজিব নোৱাৰে। অতিৰিক্ত ভাৱে, আন ৪৪' শতাংশ আমেৰিকা যুক্তৰাষ্ট্ৰৰ লোকে শুনি আৰু আলোচনা কৰি, বার্তাৰ লাভ কৰাটো বেছি পচন্দ কৰে। আন উন্নত দেশ বিলাকতো একেটা কথাই সত্য হব বুলি এই আচৰিত পৰিসংখ্যাই ধাৰণা দিয়ে। এইটোৱে এটা কথা প্রতিপন্ন কৰে যে উন্নত জাতিবিলাকে ৮৭' শতাংশ লোকেই শিক্ষিতক শিকোৱা পদ্ধিটিৰে শিক্ষা লাভ কৰিব নোৱাৰে। তেওঁলোক মৌখিক শিক্ষার্থী।

উন্নয়নশীল দেশবিলাকত স্কুলীয়া শিক্ষা ব্যৱস্থা সীমিত। তেনে দেশবিলাকত শিক্ষিতৰ হাৰ বহু নিম্ন। সেই কাৰণে, সেই দেশবিলাকত অশিক্ষিত বা মৌখিক শিক্ষার্থীৰ হাৰ আৰু অধিক বেছি।

মৌখিক শিক্ষার্থী সকলে লিখি নাৰাখে বা লিখিব নোৱাৰে। সেই কাৰণে, তেওঁলোকে গল্প আকাৰে কাহিনী কলেহে মনত ৰাখিব পাৰে। মৌখিক শিক্ষার্থী সকলক ধাৰণা, চিন্তা, বিষয়-বস্তু বা চমু বিবৰণ দি বার্তাৰ দিলে তেওঁলোকে মনত ৰাখিব নোৱাৰে। কাৰণ সেইবোৰত কাহিনী নাই।

বাইবেলত ঈশ্বৰে কেনেদৰে কাহিনীৰ ওপৰত গুৰুত্ব দিছে, মন কৰক। বাইবেল খনঃ

১০' বাখ্যা

১৫' কবিতা আৰু

৭৫' বর্ণনা(কাহিনী)

আন কাৰোবাৰ লগত কিবা ঘটনাৰ কথা কেতিয়াবা কবলৈ চেষ্টা কৰিছেনে? ঘটনাটো কৈ যাওঁতে আপোনাক বাৰে বাৰে সোধাত প্রশ্ন বা কিবা মন্তব্য দিয়াত বাধা প্রাপ্ত হৈছেনে? আপোনাৰ কাহিনীটো কৈ শেষ কৰে মানে, বাৰে বাৰে বাধা প্রাপ্ত হোৱা হেতুকে, ইয়াৰ প্রভাৱ নাইকীয়া হৈ গল। যিদৰে লিখা আছে, সেইদৰে গোটেই কাহিনীটো উপস্থাপন কৰিলে, বাইবেলৰ কাহিনীবিলাকে সর্ব্বাধিক শক্তিশালী ৰূপে কার্য্য কৰে। ঈশ্বৰে বাইবেলৰ ৭৫' শতাংশই আমাক কাহিনী ৰূপে দিলে। সেই কাৰণে আমিও কেৱল কাহিনীটো ঈশ্বৰক কবলৈ দিব লাগে।

বর্ত্তমান বেছি প্রচলিত পদ্ধটিৰ খুঁত বিলাক

ধৰি লওক, আপুনি এটা উপহাৰ ভালদৰে মেৰিয়াই এজন বন্ধুলৈ বুলি পঠালে। কিছুদিনৰ পাছত সেইটো একেদৰেই আপোনালৈ ঘুৰি আহিল। আপুনি ধৰি লব নেকি

যে বন্ধুজনে টোপোলাটোৰ ভিতৰত থকা বস্তুটো লবলৈ ইচ্ছা নকৰিলে? এইটোও হব পাৰে নেকি যে যিজন ব্যক্তিক উপহাৰটো পঠাইছিল, তেওঁ টোপোলাটো খুলিব নেজানিলে?

বাইবেল সম্বন্ধীয় সত্যক ধাৰণাত্মক নাইবা বিশ্লেষনাত্মক শিক্ষাৰে মেৰিয়াই থলেও, মৌখিক শিক্ষার্থী সকলে ইয়াক খুলিব নোৱাৰে।

আমি যি সকলে বাইবেল সম্বন্ধীয় সত্য অৱগত কৰিবলৈ বাঞ্ছা কৰো, 'কাহিনীটো' হেৰাইযোৱাৰ পৰিণাম কি হব পাৰে, তাক বিবেচনা কৰি চোৱাৰ সময় আহিল। শুভবার্তা শুনিব লগীয়া আৰু শিষ্য গঢ়িব লগীয়া অধিকাংশ লোকেই মৌখিক শিক্ষার্থী। আমি বার্তা দিওঁতা সকলে কাহিনীটোৰ পৰা আঁতৰি থাকিলে আৰু বার্তাবিলাক পুনৰ গঠন, পুনৰ সংগঠিত কৰি প্রদান কৰিলে, মৌখিক শিক্ষার্থী সকলে মনত ৰাখিব নোৱাৰিব, আৰু বহুতে আমি কোৱা সত্যটো বুজিবই নোৱাৰিব।

কিয় *কেৱল কাহিনীটো* ব্যৱহাৰ কৰিব লাগে

পৰস্পৰাগত ভাৱে চলি অহা বিষয় বস্তুৰ ওপৰত শিক্ষা দিয়া, আৰু 'কেৱল কাহিনীটোৰ' দৰে কাহিনী কোৱা ধৰণৰ গুৰুত্বপূর্ণ পার্থক্যটো এই বিশেষ প্রশ্নটোত প্রতিফলিত হৈছেঃ কোনে বা কি শিকাবলৈ গৈছে? শিক্ষকৰ ছাত্র-ছাত্রীৰ শাস্ত্রৰ আৰু পবিত্র আত্মাৰ ভূমিকা কি, তাক চাওঁহক আহকঃ

কোনো এটা বিষয়-বস্তুৰ ওপৰত শিক্ষা দিবলৈ যাওঁতে বার্তাবাহকে সময়ৰ আগতেই, কি শিকাবলৈ গৈছে, তাক সিদ্ধান্ত কৰে। পদ আৰু বাক্যাংশ বিলাকো শিক্ষকেই বাছি লয় আৰু শ্রোতা সকলক, শিক্ষকৰ দৃষ্টিভঙ্গিৰ সৈতে শুদ্ধতা প্রমাণ কৰিবলৈ আৰু বাখ্যা কৰিবলৈ দিয়া হয়। এই পদ্ধটি ভুল নহয়। কিন্তু শিকাবলৈ ইয়েই একমাত্র পথ নহয়।

'বিষয় বস্তু' শিক্ষাই কাহিনীটো খণ্ড-বিখণ্ড কৰে, আৰু বার্তাটো মনত ৰখাত বেছি কষ্টকৰ হয়। বাইবেলৰ কাহিনীবোৰে আমাৰ আত্মা, প্রাণ আৰু শৰীৰটোক কথা কয়। শিক্ষকে যিমানেই কাহিনীটো ভাগ ভাগ কৰিব, আৰু বার্তা বিভক্ত কৰি উপস্থাপন কৰিব, সিমানেই বার্তাটো কেৱল মনলৈহে যাব, ই প্রাণ ও আত্মাত কাম নকৰিব।

বিষয় বস্তুৰ ওপৰত শিক্ষা দিওঁতে, বার্তাবাহকে বাইবেলৰ বিভিন্ন অংশৰ পৰা তেঁও বাছিলোৱা মূলকথাৰ সত্যা সত্য নিৰূপন কৰিবলৈ বাক্য লয়। গোটখোৱা লোকবিলাকে মনোযোগেৰে শুনে আৰু হয়তো টোকাও লিখিব পাৰে। কিন্তু এই পদ্ধটিত কোনো কাহিনী নথকাত টোকা লিখিব নোৱাৰে, আৰু বার্তাটো ধৰি ৰাখিব নোৱাৰে। তেওঁলোকৰ বাবে ই হাড় নাইকীয়া মানুহৰ শৰীৰটোৰ দৰে হয়!

গোটখোৱা লোকবিলাকৰ মাজৰ, মৌখিক শিক্ষার্থী সকলে শিক্ষাটো মনত ৰাখিবলৈ কোনো পথ নাই, সেই কাৰণে বার্তাটো আনলৈ এৰি যাবলৈও তেওঁলোক সমর্থবান নহয়। কাহিনী অবিহনে বার্তাটো অর্থপুর্ণ নহয়।

আৰু শিক্ষিত শিক্ষার্থী সকলেও, তেওঁলোকে লিখি ৰখা টোকাৰ সহায় নোলোৱাকৈ, বার্তাটো বিলাই দিবলৈ সক্ষম নহয়। খোলাখুলিকৈ কবলৈ গলে, তেওঁলোকে লিখি ৰখা টোকা বহীখন বজাৰলৈ যাওঁতে লগত লৈ নাযায়। কিন্তু শিক্ষিত আৰু মৌখিক, দুয়ো শ্রেনীৰ শিক্ষার্থীয়েই, যিকোনো ভাল সাক্ষ্য আৰু কাহিনী আৰু দৃষ্টান্ত বিলাক আগলৈ আগবঢ়াই দিব পাৰে।

তাৰোপৰি, সৰহসংখ্যক শ্রোতাৰ তেনেধৰণৰ বিষয়বস্তুৰ ওপৰত দিয়া বার্তা নিজৰ চেষ্টাৰে আয়ত্ব কৰাৰ উপায় নাই। সেই কাৰণে শিক্ষকজনৰ ওপৰতেই সদায় নির্ভৰ কৰি থাকিব লগীয়া হয়। চৰাই জনীয়ে নিজৰ বাহত মুখমেলি ৰৈ থকা পোৱালি বিলাকৰ মুখত খুদকণ পেলাই দিয়াৰ দৰে, বিষয় বস্তুৰ ওপৰত দিয়া শিক্ষাইও শ্রোতাসকলৰ বাবে তেনে হয়। প্রতিটো সপ্তাহতে শ্রোতাসকলে পৰৰ্বতী সাজৰ নিমিত্তে বাট চাই থাকে। অতিৰিক্ত ভাৱে বিষয়বস্তুৰ ওপৰত দিয়া শিক্ষাই নিজৰ বাহটোতে বহি থকা পঞ্চাচ বছৰীয়া চৰাই পোৱালি সৃষ্টি কৰে।

অতিৰিক্ত ভাৱে বিষয় বস্তুৰ ওপৰত দিয়া শিক্ষাৰ আৰু এটা খুঁত হলঃ শিক্ষক সকলে নিজৰ মনতে ভাবি বিষয়বস্তু বাছি লয়। তেওঁলোকে ভাৱে এই বিষয়েই শ্রোতা সকলে শুনাদৰকাৰ। সেই বিষয়টো প্রতিপন্নকৰিবলৈ শিক্ষকে বাইবেলৰ বিভিন্ন অংশৰ পৰা তেওঁজনা পদবিলাক বাছি লয়। বিষয়বস্তুক লৈ শিক্ষা দিয়া পদ্ধতিয়ে, শিক্ষক সকলক, কম পৰিচিত শাস্ত্রাংশ বিলাকৰ পৰা বার্তা লবলৈ মনোযোগ আকর্ষণ নকৰে।

সৰহ সংখ্যক খ্রীষ্টীয় বিশ্বাসীয়েই খ্রীষ্টীয়ান সভালৈ যায়। তেনে সভাবিলাকত সাধাৰণতে প্রচাৰকার্য্য, অখ্রীষ্টীয়ান সম্প্রদায়ৰ মাজত শুভবার্তা প্রচাৰ, পৰিয়াল, বিত্ত, প্রার্থনা, ঈশ্বৰৰ গুণসমূহ, সুস্থতা, ব্যৱসায়ত সততা, ভাৱবাণীত সততা ইত্যাদি বিষয় বস্তু বিলাকৰ ওপৰত শিক্ষা হয়। এই সকলো বিলাকেই দৰকাৰী বিষয়। কিন্তু এই সকলো বিলাক বিষয় বস্তু, কাহিনীবিলাকৰ আলোচনা ও উপস্থাপনৰ দ্বাৰাই শিকাব পৰা যায়।

মৌখিক ভাবে কাহিনী কোৱাপদ্ধতিত, শিক্ষকে সম্পূর্ণ কাহিনীটো ব্যৱহাৰ কৰে, আৰু কাহিনীত থকা কথাখিনিৰ পৰাই শিক্ষা লোৱা হয়।

বিশেষ এটা শাস্ত্রাংশ বা কাহিনীৰ পৰা শিক্ষকে আগতীয়াকৈ কোন বিষয় বস্তুৰ ওপৰত শিক্ষা দিব তাক বাছি ললে, সেই শাস্ত্রাংশত বা কাহিনীত থকা আন বার্তা সমূহ চকুত নপৰে। কিন্তু এটা কাহিনী প্রশ্ন ও আলোচনাৰ জৰিয়তে পুংখানুপুংখ

ভাৱে অনুসন্ধান কৰিলে, অসংখ্য বিষয়বস্তু বিচাৰি পোৱা যাব। পবিত্র আত্মাই যাক যি প্রয়োজন সেই মতে প্রতিজনকেই বার্তা প্রদান কৰিব।

সাধাৰণতে, বিষয় বস্তু লৈ, আৰু সেই বিষয়বস্তুৰ সত্যাসত্য নিৰূপণ কৰিবলৈ শাস্ত্রাংশ আৰু পদবিলাক বাছিদিলে, বাইবেল সম্বন্ধীয় বার্তা শুনাটো নজনাকৈয়ে এটা নীতিত পৰিণত হয়। কিন্তু কাহিনীৰ জৰিয়তে দিয়া শিক্ষাই, কাহিনীটোৰ চিন্তাধাৰাই শ্রোতাসকলক কথা কয়।

কেতিয়াবা শিক্ষক সকলে ভাৱে যে তেওঁলোকে "কৈৱল কাহিনীটো" ৰ পদ্ধটি অনুকৰণ কৰিছে। কিন্তু 'কেৱল কাহিনী' টোৰ পদ্ধটিয়ে শিক্ষা দিয়া বা মূল উপাদান, যি উপাদানে অনেকৰ জীৱন সলনি কৰে, তাক পৰিহাৰ কৰে। শিক্ষকে কাহিনীটো কয় ঠিকেই, কিন্তু সেই কাহিনীটোৰ যোগেদি এটা 'বিষয় বস্তুক' লৈহে কথা কয়, যিটোৰ বিষয় বস্তু কাহিনীটোৱে হয়তো কবই খোজা নাই।

কাহিনীটোৰ এনেদৰে কোৱা হয়, যাতে শিক্ষকৰো বার্তাটোৰ লগত খাপ খাই পৰে। আচলতে শিক্ষকেহে কাহিনীটোৰ অনুযায়ী কথা কব লাগে। কাহিনীটোৰ যোগেদি কি বুজাব খুজিছে, তাকেহে কব লাগে। সঁচা অর্থত "কেৱল কাহিনীটো" ৰ পদ্ধতি মতে চলিবলৈ হলে আপুনি যি শিক্ষা বা অন্তদৃষ্ট দিবলৈ বিচাৰে, সেইটো কাহিনীটোত থাকিব লাগিব।

শিক্ষক সকলে,তেওঁলোকে ইতিমধ্যেই জানি থোৱা আৰু বিশ্বাস কৰা বিষয়ে শিক্ষাদিবলৈ কোনো এটা কাহিনী যদি ব্যৱহাৰ কৰে, তেন্তে পবিত্র আত্মাই তেওঁলোকক যি নতুন বার্তাৰ দিব খুজিছে, তাক হেৰুৱায় পেলায়। বাইবেলৰ কাহিনীবিলাকৰ পৰা বা শাস্ত্রাংশৰ পৰা ন ন সম্পদ আবিস্কাৰ কৰিব পৰাটো শিক্ষকৰো বাবে ৰোমাঞ্চকৰ কথা। নকৈ উদঘাটন কৰা সম্পদ ৰাজি কেনেকৈ বিনম্র ভাৱে ও প্রশ্নকাৰে শ্রোতা সকলৰ আগত দাঙি ধৰিব পাৰে, সেইটো কাহিনীকওঁতা জনৰ বাবে এক প্রত্যাহ্বান। ইয়াকে কৰিব পাৰিলে শ্রোতা সকলেও নতুন আৱিস্কাৰৰ আনন্দ লাভ কৰিব পাৰিব।

অতি গুৰুত্বপূর্ণ সিদ্ধান্ত। বাইবেল সম্বন্ধীয় সত্যক উন্নতশীল জাতিবিলাকক নিভাজ ভাবে বিনিময় কৰাটো আৰু পৃথিবীৰ চুকে-কুনে থকা নানা ফৈদৰ মাজত শুভবার্তা ঘোষণা কৰাটো যদি আমাৰ লক্ষ্য হয়, তেন্তে আমাৰ বাইবেল শিক্ষা বা বাইবেলৰ বার্তাৰ ঘোষণা কৰা পদ্ধতিৰ আমোল পৰিৱর্তন আহিবই লাগিব। আমি সঁহাৰি জনামনে? (চাওঁকঃ Making Disciples of Oral Learners, it is available for download in print and audio format a www.oralbible.com.)

দ্বিতীয় অধ্যায়ঃ প্রশ্ন আৰু কাহিনী সমূহ-

বাইবেল সম্বন্ধীয় পূর্ব-দৃষ্টান্ত

যীচু-আৰ্হিঃ কাহিনীটো কওঁক, প্রশ্ন সোধক

যীচুৱে কেনেকৈ শিক্ষা দিছিল? ২০০ বাৰতকৈ অধিক প্রশ্ন যীচুক সুধিছিল। কিন্তু যীচুৱে খুউব কমেইহে চিধাচিধিকৈ প্রশ্নৰ উত্তৰ দিছিল। প্রায় সৰহভাগ প্রশ্নৰ সমিধান স্বৰূপে যীচুৱে এটা প্রশ্ন সুধিছিল, নাইবা এটা কাহিনী বা দৃষ্টান্ত দিছিল। যীচুৱে কেৱল কাহিনীটোৰ কৈয়েই ক্ষান্ত আছিলনে? নহয়, সাধাৰণতে কাহিনীটো কোৱাৰ পাছত, তেওঁ এটা প্রশ্ন সুধিছিল আৰু আলোচনা বিচাৰিছিল।

যীচুৱে এইবাবেই কাহিনী ব্যৱহাৰ কৰিছিল নেকি যে তেওঁ "ট'ৰাহ স্কুল"ৰ পৰা ডিগ্রী লোৱা নাছিল? নাইবা তেওঁ কেৱল এজন বাঢ়েহে আছিল? নহয়, অৱশ্যে সেইটো নহয়। তেনেহলে বোধহয় যীচুৰ সময়ৰ লোকবিলাক শিক্ষিত নাছিল, হয়তো শতকৰা ১১ জনহে শিক্ষিত আছিল। সেই কাৰণে যীচুৱে বাধ্য হৈ কাহিনীকৈ বুজাব লগীয়া হৈছিল, যাতে অশিক্ষিত লোকেও যেন বুজিব পাৰে। হব পাৰে...কিন্তু ৰব। যীচুৱে ফৰীচি বিলাকক কেনেকৈ কৈছিল? তেওঁলোকক কওঁত, কাহিনী ব্যৱহাৰ কৰিছিলনে? হয়, কৰিছিল। আৰু তেওঁলোকে যীচুৱে দিয়া বার্তাটো বুজিব পাৰিছিল আৰু কিছুমানে বিশ্বাসো কৰিছিল।

আমি নিজকে নিশ্চয় সুধিব লাগিব, যীচুৱে সেই সময়ৰ আটাইতকৈ নাটকীয়, মনত সাঁচ বহোৱাই যোৱা শব্দ ব্যৱহাৰ কৰি, হতভম্ব শিক্ষা দিব পাৰিলেহেঁতেন নে? হয়, তেওঁ তেনেদৰে শিক্ষা দিব পাৰিলে...। কিন্তু যীচুৱে এনেকুৱা শব্দ বা বাক্য বিলাক বাচি লৈছিল, যিবিলাক সাধাৰণ শ্রেনীৰ মানুহে বুজিব পাৰে, মাত্র তেওঁৰ দিনৰ উচ্চ শিক্ষিত সকলেহে বুজিব পৰাকৈ নহয়।

যীচুৱে আমাক ইতিহাস শিকাবলৈ অহা নাছিল। তেওঁ এটা আধ্যাত্মিক বার্তা আনিছিল- যাতে যি সকলে মনোযোগদি শুনিব, তেওঁলোকেহে বুজিব পাৰিব। "কেৱল কাহিনীটো" ত যোগদান কৰোতা সকলে এই আত্মিক বার্তাটো (সম্পদৰাজি) কেনেকৈ বিচাৰি উলিয়াব লাগে তাক আহৰণ কৰে। ইয়াৰ বাবে আলোচনাকাৰে কেনেকৈ প্রশ্ন গঠন কৰিব লাগে আৰু কেনেকৈ প্রশ্ন সুধিব লাগে তাক শিকে। আৰু এনে ধৰণৰ প্রশ্ন আৰু আলোচনাই শ্রোতা সকলক কাহিনীত থকা সম্পদৰাজি বিচাৰিবলৈ সক্ষম কৰে।

এই হাতপুথিত পোৱা নাইবা "কেৱল কাহিনীটো" ৰ কর্ম্মশালাত আয়ত্ব কৰা নীতিগত নির্দেশাৱলী যি সকলে অনুকৰণ কৰে, তেওঁলোক একোজন ফলপ্রসু

বৃত্তিধাৰী লোক হব পাৰিব। এনেলোক সকলৰ যোগেদি ঘোষিত, তেওঁৰ বাক্যৰ ওপৰত প্ৰভুৱে আশীৰ্বাদ কৰক।

আৰু কিছু অধিক বাৰ্তাৰ, অভ্যাস আৰু অন্তদৃষ্টি হলে এই বৃত্তিধাৰী লোক সকলে অস্থায়ী প্ৰশিক্ষক হব পাৰিব। সময়ত, সেই অস্থায়ী প্ৰশিক্ষক সকলক "কেৱল কাহিনী" টোৰ প্ৰশিক্ষক হিচাবে প্ৰমান পত্ৰ দিব পাৰিব। এই সকলো কেনেকৈ হব পাৰে, এই কিতাপ খনে দেখুবাব। এনে দৰে নেতা বৃদ্ধি হোৱা দেখিলে আমি ভাল পাওঁ।

বাইবেল সম্পদ ৰাজি কি? *পথটো*

এসময়ত এজন মানুহে নিজৰ গাঁৱখন এৰি চহৰত কাম কৰিবলৈ গল। বহুতবছৰ তাত কাম কৰি তেওঁ ভালেমান টকা অৰ্জন কৰিলে। অৱশেষত তেওঁ ঘৰলৈ ঘুৰি আহিল। আৰু সকলোৱে তেওঁক পৰম বন্ধুৰূপে আদৰণি জনালে।

এই নতুন ধনী মানুহজনে তেওঁৰ কিছুটকা, তেওঁৰ প্ৰকৃত বন্ধুকেইজনক উপহাৰ স্বৰূপে দিবলৈ ইচ্ছা কৰিলে। সেই কাৰণে তেওঁ এটা পৰিকল্পনা কৰিলেঃ তেওঁ এদিনৰ বাবে গাওঁখন এৰি গল, তাৰ পাছত আকৌ ঘুৰি আহিল। তাৰ পাছত তেওঁ 'মই আপোনাৰ বন্ধু' বুলি কোৱা প্ৰতিজন ব্যক্তিক, ওচৰতে থকা পাহাৰটোৰ আনফালে তেওঁক লগ কৰিবলৈ অনুৰোধ জনালে।

সেই ধনী মানুহজনে তালৈ অহা সকলোকে একগোট কৰি এইদৰে ঘোষণা কৰি কলে, "নদী খনলৈ যোৱা এই পথটোত, মই শ্ৰম কৰি আহিছো আপোনালোকে এই পথেৰে গলে, কিছু সম্পদ বিচাৰি পাব। আপোনালোক যাওঁক। আপোনালোকৰ বাবে সাঁচি ৰখা উপহাৰখিনি অনুসন্ধান কৰি বিচাৰি লওঁক। "

সেই কথা শুনি, লোক বিলাকে সেই ঠাই এৰি, নিৰ্দিষ্ট পথেৰে যাত্ৰা কৰিলে। কোনো কোনো লোক কিছুদূৰলৈ গল। "হুঁ" সিহঁতে কলে, "এইটো এটা আমোদজনক পথ। আহা ইয়াক আমি চাপৰি চাওঁ। " এইবুলি তেওঁলোকে চাপৰি চালে আৰু সেই পথটোত থকা অলপ বালি বুটলি ললে আৰু সেই বালিখিনি ঘৰতগৈ খৰচি মাৰি পৰীক্ষা কৰি চাবলৈ লৈ গল।

আন কিছুমানে, নদীখনৰ অভিমুখে সেই পথেৰে গৈ থাকিল। সেই পথটোৰ শেষ মূৰত যেতিয়া উপস্থিত হলগৈ, তেওঁলোকে ভোৰভোৰালে, আৰু কলে, "এইপথটো আমি ভালদৰে জানো। ইয়াত কোনো নতুনত্ব নাই। ইয়াত কোনো সম্পদ আমি বিচাৰি নেপালো। "

সেই পথেৰে গমন কৰা বাকীলোক সকলে, সেই পৰিচিত পথেৰে খোজ কাঢ়ি গৈয়েই থাকিল। সেই পথেৰে গৈ থাকোতে, তেওঁলোকে ইজনে সিজনে কোৱাকুই কৰিলে, "পৰি থকা এই বুঢ়া গছজোপালৈ চোৱা, এই পথত চলিবলৈ যেন কোনো অসুবিধা

নহয়, তাৰ বাবে আমাৰ বন্ধুৱে পথৰ পৰা এই গছজোপা আতঁৰাই দিলে।” আন পদযাত্রী সকলেও লক্ষ্য কৰিলে যে পথটো নিৰাপদ কৰিবলৈ কাইটীয়া বনবোৰ কাটি পেলালে।

উপহাৰখিনি পাবলৈ দৌৰি যোৱাৰ সলনি, এই লোকসকলে আগতকৈয়ো বেছি লাহে লাহেহে খোজ কাঢ়ি যাবলৈ ধৰিলে। তেওঁলোকৰ ধনী বন্ধুৱে তেওঁলোকৰ বাবে কৰা কঠোৰ পৰিশ্রমৰ ফল উপভোগ কৰিবলৈ ইচ্ছা কৰিলে। তেওঁলোকে উপলব্ধি কৰিলে যে এই পথটোৱেই তেওঁলোকৰ বাবে বন্ধুৰ পৰা পোৱা এক উপহাৰ।

হঠাত, এজন পদযাত্রী ৰৈ গল আৰু প্রতিজনকে মাতিকলে, “চোৱা এই পথটোৰ কাষত এই জোপোহা গছজোপাৰ তলত। তাতে চাউলৰ বস্তাসমূহ আছে।

পাছে আন এজন পদযাত্রীয়ে চিঞৰী কলে, “ইয়ালৈ চাওঁক, এই পথৰ কাষত জোপাহা গছৰ তলত, মই একেবাৰে নতুন ভালেমান ৰন্ধাৰ পাত্র পালো!”

ধীৰ গতিৰে আগবঢ়াই পদযাত্রী সকলে, বাৰে বাৰে পথৰ কাষত লুকুৱাই ৰখা গুপুত ধন আবিস্কাৰ কৰিবলৈ ধৰিলে। তেওঁলোকে উপলব্ধি কৰিলে যে এই উপহাৰ সমূহ তেওঁলোকৰ ধনী বন্ধু জনেই তেওঁলোকৰ বাবেই ৰাখিছিল। ধনী বন্ধুজনে জানিছিল যে তেওঁৰ যিসকল প্রকৃত বন্ধু, তেওঁলোকে নিশ্চয়ে তেওঁত আস্থা ৰাখিব, আৰু তেওঁ দেখুৱা পথটোৰ বাবে তেওঁক প্রশংসা কৰিব। তেনে লোকেই তেওঁলোকৰ বাবে যুগুতাই ৰাখি থোৱা উপহাৰ সমূহ আবিষ্কাৰ কৰিব।

ধনী মানুহজনে স্নেহতে যুগুতোৱা পথেৰে, যি সকলে হৰমুৰকৈ আগবাঢ়ি গল, তেওঁলোকে সাঁচি থোৱা সম্পদৰাজি পাবলৈ ব্যর্থ হল। তেওঁলোকে পথটো নির্মাতাজনক আৰু পথটোৰ বাবে ধন্যবাদ দিবলৈ ধীৰ-সুস্থিৰে নগল। (যিবিলাকে পথৰ ওপৰৰ বালি লৈ, খৰচি মাৰি পৰীক্ষাৰ কৰিম বুলি মন কৰিলে, তেওঁলোকে এতিয়াও পৰীক্ষাৰ কৰিয়েই আছে। তেওঁলোক এতিয়াও সেই পথটোত যাত্রা কৰা নাই!)

বাইবেলৰ প্রতিটো কাহিনীয়েই আমাৰ বাবে ঈশ্বৰে যুগুত কৰি থোৱা এটা পথ। বাইবেলৰ কাহিনীৰ জৰিয়তে দেখুওৱা পথেদি যি সকলে, ধীৰ-সুস্থিৰে আগবাঢ়িব, তেওঁলোকেই লুকুৱাই থোৱা গুপুত ধন, যি ঈশ্বৰৰ উপহাৰ স্বৰূপে সত্য, বিচাৰি পাব। “কৱল কাহিনীটো”ত ইয়াকেই প্রস্তুতকৰি দেখুওৱা হৈছে।

নাথনৰ আর্হি অনুসৰণ কৰি

দ্বিতীয় চমূৱেল ১২:১-১৪ পদত, আত্মা সম্বন্ধীয় সত্য কেনেকৈ বিনিময় কৰিব লাগে, ঈশ্বৰে তাৰ এটা বিশেষ পদ্ধতি ব্যৱহাৰ কৰিছে। দায়ূদ এগৰাকী বিশ্বস্ত লোক আছিল। ঈশ্বৰে তেওঁক ৰজা হবলৈ মনোনীত কৰিছিল। সেই দায়ূদ ৰজাই শেষত

ব্যভিচাৰ কৰি আৰু তিৰোতা গৰাকীৰ স্বামীক সেনাধ্যক্ষৰ হতুৱাই বধ কৰাই মহাপাপ কৰিলে।

সেই কাৰণে, নাথন ভাৱবাদী, দায়ুদৰ ওচৰলৈ আহিল আৰু এটা কাহিনী কলেঃ এখন নগৰত দুজন মানুহ আছিল। এজন ধনী আনজন দুখীয়া। সেই ধনবান জনৰ গৰু, মেৰ আদিৰ বহুত জাক আছিল। পাছে সেই ধনবান জনৰ ঘৰলৈ এজন পথিক আহিলত দৰিদ্রজনৰ মেৰ পোৱালিটিকে চুৰ কৰি লৈ, নিজৰ ওচৰলৈ অহা মানুহটোৰ নিমিত্তে ৰান্ধিলে।

ৰজা দায়ুদে, নাথন ভাৱবাদীৰ কাহিনীটো শুনি অতিশয় খং কৰিলে। উক্ত কাহিনীটোত দায়ুদে নাথনক কলে, "যিহোৱাৰ জীৱনৰ শপত যি মানুহে সেই কাম কৰিলে, তেওঁ মৃত্যুৰ যোগ্য। আৰু তেওঁ একো দয়া নকৰি এনে কাম কৰাত, তেওঁ সেই মেৰ পোৱালিৰ চাৰিগুন ওভোটাই দিব।"

তেতিয়া নাথনে দায়ুদক কলে, "তুমিয়েই সেই মানুহ।"

নাথনৰ কাহিনীটো শুনাৰ আগতে, যি দায়ূদে ঈশ্বৰৰ আজ্ঞাৰ বশৱৰ্তী আছিল, তেওঁ ব্যভিচাৰ, ভ্রষ্টাচাৰ, হত্যা আদি কার্য্য যে অনৈতিক বা অসৎ, তাক জানিছিল নে?হয়! দায়ুদে জানিছিল যে তেওঁ পাপ কৰিলে?...হয়। দায়ুদে পাপ স্বীকাৰ কৰিলে নে? ...ঠিক। তেওঁ পাপৰ সম্পূথীন নহল।

ঈশ্বৰৰ ভাৱবাদী এজনে, ব্যভিচাৰ আৰু হত্যাৰ বিৰুদ্ধে কেনেদৰে ঈশ্বৰৰ বাক্য দিয়াতো আশা কৰে? নাথনে কেনেধৰণৰ ধর্ম্মশিক্ষা প্রয়োগ কৰিছিল?... ঠিক প্রত্যক্ষভাৱে দায়ুদৰ বিৰুদ্ধীতা নকৰি, নাথনে এটা কাহিনী কলে।

কি ঘটিল, তালৈ মন কৰক। দায়ুদে কেনেদৰে প্রতিক্রিয়া প্রকাশ কৰিলে? হয়, দায়ুদে ধনী মানুহ জন দোষী বুলি ঠিকেই ৰায় দিলে আৰু ধনী মানুহ জনে কি দৰে ক্ষতি পূৰণ কৰিব লাগে তাকো কলে? আৰু কিহৰ যোগ্য?...ঠিক। দায়ুদে কৈছিল যে ধনী মানুহ জনে চাৰিগুণ ওভোটাই দিব লাগে চুৰি কৰা মেৰ পোৱালিটোৰ সলনি। আৰু মানুহ জনৰ মৃত্যুদণ্ড হব লাগে!

দায়ুদে কাহিনীটো অনুভৱ কৰিব পাৰিলে-ধনী মানুজনৰ পাপটো দেখা পালে- আৰু পাছে এটা শুদ্ধ আত্মিক জ্ঞান নিৰীক্ষণ কৰিলে।

দায়ুদে, যি শুদ্ধ তাক মৌখিক ভাৱে সিদ্ধান্ত দিয়াৰ পাছত, নাথনে দায়ুদক কাহিনীটোৰ ভিতৰলৈ লৈ গল আৰু দায়ুদৰ ক্ষেত্রত আত্মিক ভাৱে প্রয়োগ কৰিলে। "তুমিয়েই সেইজন, দায়ুদ। দায়ুদে কেনেকৈ ঈশ্বৰৰ বিৰুদ্ধে পাপ কৰিছিল, তাক হুবহু বর্ণনা কৰিলে।

পাছে, দায়ুদে নাথন ভাৱবাদীক কলে, “মই যিহোৱাৰ বিৰুদ্ধে পাপ কৰিলো।” সেই কাহিনীটোত আমি দেখিবলৈ পাওঁ, যি মৃত্যুৰ শাস্তি ধনী মানুহজনলৈ আহিব লাগিছিল, সেয়া দায়ুদৰ নিজৰ পৰিয়াললৈ আহিল।

দায়ুদৰ সম্পর্কে লিখা বাইবেলৰ এই কাহিনীটোৱে, “কেৱল কাহিনীটো”ৰ বৈশিষ্টপূর্ণ গুণ সমূহ দাঙি ধৰে। বাইবেলৰ কাহিনী এটা শুনি সেই কাহিনীত থকা ঘটনাবিলাক অনুভৱ কৰাৰ পাছতহে, অর্ন্তনিহিত বিষয় বিলাক আলোচনা কৰিবলৈ ইচ্ছুক হয়। কাহিনীটোৰ অর্ন্তৰ ভাগত সোমাই তেওঁলোকে আত্মিক শিক্ষা আৱিস্কাৰ কৰে আৰু তাক পালন কৰিবলৈ প্রতিশ্রুতিবদ্ধ হয়। আমি এই আৱিস্কাৰ সমুহক “আত্মিক জ্ঞান নিৰীক্ষণ” বুলি কওঁ।

আলোচনাৰ সময়ত শ্রোতা সকলে, সকলোৱে, শুনাকৈ কোৱাৰ পাছত, আৰু কাহিনীত থকা ব্যক্তিসকলৰ জীৱনত কথাবিলাকত ভাগ লোৱাৰ পাছত, কাহিনী কওঁতাজনে লোকবিলাকক কাহিনীটোৰ ভিতৰত নিজকে ব্যক্তিগতভাৱে সুমুৱাই লয়, আৰু, আজিৰ দিনত তেনে প্রত্যাহ্বান আৰু সুযোগ আহিলে কেনেকৈ সন্মূখীন হব, সেই কথা বিবেচনা কৰে। কাহিনীকওঁতা জনে প্রশ্ন সুধি শ্রোতা সকলক অনুপ্রাণিত কৰে, আৰু তেওঁলোকে কি নিৰীক্ষণ কৰিলে বা শিকিলে আৰু সেই শিক্ষা তেওঁলোকৰ নিজৰ জীৱনত কেনেদৰে প্রয়োগ কৰিব, তাক বিবেচনা কৰিবলৈ উদগনি দিয়ে।

“কেৱল কাহিনীটো” ত নিজৰ জীৱনত প্রয়োগ কৰিব পৰা সত্য সমূহক “আত্মিক ভাৱে প্রয়োগ কৰা শিক্ষা” বুলি কোৱা হৈছে। আমোদজনক ভাৱে, আমি দেখা পাইছো যে “আত্মিক জ্ঞান নিৰীক্ষণ” ৰ বিষয়ে আলোচনা কৰা সময়ত, পবিত্র আত্মাই শ্রোতাসকলক সকলক ব্যক্তিগত ভাৱে কথা কয়, আৰু সেইমতে কাহিনীটোৰ পৰা পোৱা শিক্ষা নিজৰ জীৱনত প্রয়োগ কৰে।

কিহে বা কোনে এই কার্য্য কৰে?

ব্যক্তিগতভাৱে প্রভুক আপুনি যিমান বছৰৰ আগতেই নাজানক কিয় বা যিমানেই আনুষ্ঠানিক বা অনানুষ্ঠানিক বাইবেল শিক্ষা নাথাকক কিয়, বাইবেল খন বুজিবলৈ মাত্র এটাহে উপায় আছে, সেইটো হৈছেঃ ঈশ্বৰৰ লগত আমাৰ আত্মিক সম্বন্ধ। শাস্ত্রত ঈশ্বৰৰ আত্মিক বার্তা বা আত্মাৰ সম্বন্ধীয় বার্তাসমূহ আছে। এই বার্তা সমূহ গোটেই মানৱ জাতিটোৰ বাবেই হয়। সেই কাৰণে আত্মা-সম্বন্ধীয় সত্য সমূহ কেৱল পবিত্র আত্মাৰ দ্বাৰাইহে বুজিব পাৰি।

যীচু খ্রীষ্টত বিশ্বাসী অনেক লোকে, ঈশ্বৰৰ বাক্য বুজিবলৈ আন মানুহৰ ওপৰত নির্ভৰ কৰা দেখা যায়। উপাসনা গৃহলৈ যোৱা সকলে আত্মিক শিক্ষাৰ বাবে পালকৰ বাবে বাট চাই থাকে। কোন কোনো অধ্যয়নশীল শিকাৰুৱে অধিক জানিবৰ বাবে বাইবেল স্কুললৈ যায়। পালক বিলাকেও অধিক শিকিবৰ বাবে

বাইবেল স্কুল আৰু চেমিনাৰ বিলাকত যোগদান কৰে। তেওঁলোকে উদগণি পাবৰ বাবে কমেন্টেৰী বিলাক লয় আৰু নতুন বার্তা পাবৰ বাবে সভা-সমিতি বিলাকত যোগদান কৰে। চেমীনেৰী শিক্ষক সকলেও আৰু আন বহুতেও, বেলেগ বেলেগ শিক্ষকে ৰচনা কৰা পুথিবোৰ পঢ়ে-জ্ঞান বৃদ্ধিৰ বাবে।

এই সকলো উৎস সমূহ বহুমূলীয়া। কিন্তু ঈশ্বৰৰ বাক্য ভালদৰে বুজিবলৈ যিটো আটাইতকৈ শ্রেষ্ঠ উৎস, তাক, প্রায়ে অৱজ্ঞা কৰা হয়। এই উৎস, আমালৈ ঈশ্বৰে 'বৰ' স্বৰূপে দিছে। কি সেই উৎস? তলত দিয়া কাহিনীটো বিবেচনা কৰকঃ-

যীচুৰ পৰা ব্যক্তিগত ভাৱে তিনিবছৰতকৈ বেছি সময় শিক্ষা পোৱাৰ পাছত, শিষ্য সকলে তেওঁৰ পৰা এক গা-মন জিকাৰ খাই উঠা বার্তা পালে। যীচুৱে তেওঁলোকক এৰি আঁতৰি যাব! তেওঁ শিষ্যসকলক কলে, "তোমালোকৰ হৃদয় ব্যাকুল নহওক, তোমালোক নির্ভয় হোৱা।"

যীচুৱে যি কথা কৈছিল, তাকে শুনি শিষ্যসকলৰ মনত কেনে ভাৱৰ উদয় হৈছিল, তাক জানিব পাৰোনে? ...হয়, তেওঁলোক শঙ্কিত হৈছিল। তেওঁলোকৰ আশর্য্যকৰ, আপোন শিক্ষক জন আৰু তেওঁলোকৰ লগত নাথাকিব। তেওঁলোকক কোনে শান্তনা দিব? তেওঁলোকক কোনে শিক্ষা দিব? যীচুৱে শিষ্য সকলক দিয়া শেষ বার্তাত, যীচুৱে তেওঁলোকক প্রতিশ্রুতি দিছিল যে তেওঁলোকক তেওঁ অকলশৰীয়াকৈ এৰি নাযাব। তেওঁলোকৰ লগত সদায় থাকিবলৈ এজন সহায়কর্তা দিম বুলি অঙ্গীকাৰ কৰিছিল। সেইজন শিক্ষক, প্রতিগৰাকী শিষ্যৰ লগত, দিনে-নিশাই, সপ্তাহৰ সাত দিনেই থাকিব।

"কিন্তু পিতৃয়ে মোৰ নামেৰে যি জনক পঠাব, সেই সহায়কর্তা অর্থাৎ পবিত্র আত্মাই তোমালোকক সকলো কথা শিকাই, মই কোৱা আটাই কথা, তোমালোকক সোঁৱৰাব।" (যোহন১৪:২৬)।

কিন্তু সেই সত্যৰ আত্মা যেতিয়া আহিব তেতিয়া তেওঁ আটাই সত্যলৈ তোমালোকক পথ দেখুৱাই নিব। কিয়নো তেওঁ নিজৰ পৰা নকব, কিন্তু যিহকে শুনিব, তাকে কব, আৰু তোমালোকক ভৱিষ্যত কথা জনাব।"(যোহন ১৬:১৩)।

ঈশ্বৰৰ বাক্য বুজিবলৈ শ্রেষ্ঠ উৎস হল, তেওঁৰ পবিত্র আত্মা এক বৰ, যি বৰ তেওঁ আমাক দি গল।

পবিত্র আত্মাই কেনেদৰে আত্মিক শিক্ষা প্রদান কৰে, তাক ঈশ্বৰে বুজাই কৈছে।

কিন্তু সেই গুপ্তজ্ঞানৰ বিষয়ে এইদৰে লিখা আছে, চকুৱে যি যি নেদেখিলে কাণে যি যি নুশুনিলে আৰু মানুহৰ হৃদয়তো যি যি নোসোমাল, ঈশ্বৰে তেওঁক প্রেম কৰোতা বিলাকৰ নিমিত্তে যি সকলো যুগুত কৰিলে,

কিন্তু ঈশ্বৰে আত্মাৰ দ্বাৰাই তাক আমাৰ আগত প্ৰকাশ কৰিলে, কাৰণ আত্মাই সকলোকে, এনেকি ঈশ্বৰৰ গভীৰ কথাকো অনুসন্ধান কৰে। কিয়নো মানুহৰ মনৰ কথা মানুহত থকা নিজৰ আত্মাত বাজে, মানুহ বিলাকৰ মাজৰ কোনে জানে? সেই দৰে ঈশ্বৰৰ কথাও ঈশ্বৰৰ আত্মাত বাজে, আন কোনেও নামানে। ঈশ্বৰে অনুগ্ৰহ কৰি আমাক যি যি দিলে, সেইবোৰ জানিবলৈ আমি জগতৰ আত্মা নাপাই ঈশ্বৰৰ পৰা অহা আত্মা পালো। সেইবোৰক মানুহৰ জ্ঞানেৰে শিকোৱা বাক্যৰে আমি নকৈ, আত্মাই শিকোৱা বাক্যেৰে, আত্মিক বিষয়ত আত্মিক বক্য লগাই কওঁ। কিন্তু স্বাভাবিক মানুহে ঈশ্বৰৰ আত্মাৰ কথা গ্ৰাহ্য নকৰে, কিয়নো তেওঁৰ মানত সেয়ে মুৰ্খতা, আৰু তেওঁ সেই কথাৰ তত্বও পাব নোৱাৰে, কিয়নো আত্মিক ৰূপেহে তাৰ বিচাৰ কৰা হয়, কিন্তু আত্মিক জনে আটাইৰে বিচাৰ কৰে, তথাপি সেই জনৰ বিচাৰ কৰো দ্বাৰাই কৰা নাযায়। কিয়নো প্ৰভুক শিকাবলৈ, তেওঁৰ মননো কোনো জানে? কিন্তু খ্ৰীষ্টত মন আমাৰ আছে।”(২কাৰি২:৯-১৬)।

বহু সময় ধৰি পবিত্ৰ আত্মাৰ শ্ৰেনীকোঠাটো খালী হৈ পৰি আছে। আহক, আমি তেওঁৰ শ্ৰেণী কোঠাত সোমাও, আমাৰ হাত দাঙি প্ৰশ্ন সমুহ সোধা- আমি কাহিনী অধ্যয়ন কৰোতে, আমি বুজিবলৈ ঈশ্বৰৰ পৰা জ্ঞান খুজিব পাৰো- যাতে তাত থকা বিষয় বস্তুবোৰ বুজিব পাৰো আৰু বিশ্বাস কৰক যে তেওঁ আমাক তাৰ উত্তৰ সমুহ দিব।

তৃতীয় অধ্যায়ঃ

কেৱল কাহিনীটো সংক্ষেপে এক পৃষ্ঠা

প্রস্তুতি

"কেৱল কাহিনীটো" ৰ দক্ষতাৰ লগত সহজে বাইবেলৰ কাহিনীটো আহৰণ কৰা, আৰু "আত্মিক সম্পদ সমুহ" আবিস্কাৰ কৰা, এই দুয়োটা কথাই অন্তভুক্ত আছে। লগতে কাহিনীটো আলোচনা কৰিবলৈ সুবিধা হবৰ বাবে মৌখিক পদ্ধতিৰে সোধা প্রশ্ন যুগুত কৰা কথাটোও আছে।

উপস্থাপন

ইয়াতে দুটা পর্য্যায় আছেঃ প্রথম, কাহিনীটো কোৱা, পাছে, সম্পদৰাজি আৱিস্কাৰ কৰা।

প্রথম পর্য্যায়ঃ কাহিনীটো তিনিবাৰকৈ কোৱা হয়, যাতে শ্রোতা সকলে কাহিনীত থকা অর্ন্তবস্তু খিনি ৰসাল ভাৱে পুনৰাবৃতি কৰিব।

১. কোৱা – কাহিনীকওঁতা জনে কাহিনীটো কব। প্রথমে কওঁতে শ্রোতা সকলে কাহিনীটোৰ ছবিখন দেখাত সহায় পাব আৰু ইয়াৰ চাঁপ অনুভৱ কৰিব পাৰিব।

২. স্বেচ্ছাসেৱী – কাহিনীকওঁতাজনে কোনোবা ইচ্ছুক এজনক কাহিনীটো পুনৰ কবলৈ অনুৰোধ কৰে। নাইবা দুজনৰ ভিতৰতে, ইজনে আনজনক কবলৈ কয়। তেওঁলোকৰ লগৰ বিলাকে কাহিনীটো কলে আৰু তাক ঠিকমতে কলে, শ্রোতাসকলে সোঁৱৰণত ৰাখিব পাৰিব।

৩. নেতৃত্ব দিয়ে- কাহিনী কওঁতা জনে সকলো শ্রোতাকেই তৃতীয়বাৰ কাহিনীটো কৈ নেতৃত্ব দি চলাই নিয়ে। এই শেষবাৰ কওঁতে তেওঁ কাহিনীটোত প্রত্যেককেই ব্যস্ত ৰাখে। সম্পূর্ণকৈ আৰু নির্ভুল ভাৱে কাহিনীটো পুনৰ কবলৈ ভিন্ন ভিন্ন মূখস্থ পদ সমূহ ব্যৱহাৰ কৰা হয়।

দ্বিতীয় পর্য্যায়

কাহিনীকওঁতা জনে শ্রোতা সকলক আত্মিক সম্পদৰাজি বিচাৰি উলিওৱাত সহায় কৰে। এতিয়া কিন্তু , শ্রোতা সকলক কাহিনীটো পুনৰ কবলৈ নকয়। তাৰ সলনি, কাহিনী কওঁতা জনে, সম্পদ ৰাজি বিচৰা আগতে, কাহিনীটোৰ এটা সৰু অংশ পুনৰাবৃত্তি কৰে- আৰু অনুসন্ধান কৰিবলৈ কয়।

১. আত্মিক জ্ঞান নিৰীক্ষণ- প্রথমে, কাহিনীকওঁতা জনে প্রশ্ন সমূহৰ জৰিয়তে শ্রোতা সকলক আত্মিক বার্তা আৱিস্কাৰ কৰিবলৈ উদগণি দিয়ে। কাহিনীত থকা চৰিত্র বিলাকৰ কার্য্যকলাপ লক্ষ্য কৰিবলৈ শ্রোতা সকলক আমন্ত্রণ জনোৱা হয়। পাছে, প্রশ্নৰ সঁহাৰি জনাই শ্রোতা সকলে, কাহিনীত থকা লোকবিলাকৰ বিষয়ে, ঈশ্বৰে কেনেকৈ লোকবিলাকৰ লগত আৰু ঘটনাৱলীৰ জৰিয়তে কার্য্য কৰে, তাক ইজনে সিজনৰ আগত মত বিনিময় কৰে।

২. আত্মিক শিক্ষা প্রয়োগ কৰা- দ্বিতীয়তে, আত্মিক জ্ঞান নিৰীক্ষণৰ ওপৰত ভিত্তি কৰি, তাক কেনেকৈ আজিৰ লোকবিলাকৰ জীৱনত প্রয়োগ কৰিব পৰা হয়, তালৈ দৃষ্টি ৰখা হয়। (কাহিনীকওঁতা জনে আৱিস্কাৰ কৰিবলৈ আৰু মত বিনিময় কৰিবলৈ শ্রোতাসকলক নেতৃত্ব দি চলাই নিবৰ বাবে, প্রশ্ন সমুহ ব্যৱহাৰ কৰে। সেই আৱিস্কাৰ সমূহক আমি "আত্মিক শিক্ষা প্রয়োগ" বুলি কওঁ।)

৪র্থ অধ্যায়ঃ ‘কৱল কাহিনীটো’ৰ পদ্ধতিৰে কেনেকৈ এটা কাহিনী যুগুত কৰিব

‘কৱল কাহিনীটো’ৰ পদ্ধতি ব্যৱহাৰ কৰি শিক্ষা দিবলৈ তিনিটা দক্ষতাৰ প্রয়োজনঃ

১. কেনেকৈ এটা কাহিনী ভালদৰে বাছনি কৰিব, আহৰণ কৰিব আৰু শুৱলাকৈ কব।

২. কেনেকৈ কাহিনীটোত সম্পদ বিচাৰি পাব।

৩. কেনেকৈ অর্ন্তদৃষ্টি থকা প্রশ্ন গঠন কৰিব আৰু সুধিব-

দক্ষতা ১: কেনেকৈ এটা কাহিনী বাছনি কৰিব, আহৰণ কৰিব আৰু শুৱলাকৈ কব

‘কৱল কাহিনীটো’ৰ পদ্ধতিৰে আগবঢাৰ লগে লগে, এটা নির্দ্দেশ আপুনি মানিব লাগিব আৰু সেয়ে হৈছে আপুনি ঈশ্বৰৰ বাক্যত ভাৰসা কৰিব লাগিব। ভাৰসা ৰাখক যে বাইবেলৰ কাহিনী সমূহ সম্পূর্ণ ৰূপে, অতি উত্তমৰূপে আমাক কোৱা হৈছে যি দৰে ঈশ্বৰে লিখিছিল। বাইবেলৰ কাহিনী কওঁতে কোনো বার্তা তাত যোগ নিদিব, কোনো বার্তা এৰিও নাযাব। আৰু কাহিনীটো কৈ থকা সময়ত শিক্ষা নিদিব বা ব্যাখ্যাও নকৰিব।

বাইবেলৰ কাহিনী সমুহৰ বাছনি কার্য্য

কোনো কোনো পৰিস্থিতিত, চলাওঁজনে আপোনাক এটা বিশেষ কাহিনী বা এটা শাস্ত্রাংশ বাছি দিব পাৰে। কিন্তু আপুনি যদি নিজেই কাহিনী সমুহ বাছি লব বিচাৰে, তেন্তে তলত কেইটামান নির্দ্দেশাৱলী দিয়া হলঃ

১. আপুনি যদি বাইবেলৰ কাহিনী কোৱাৰ সুযোগ এবাৰহে পাইছে বা খুউব কম সুযোগহে পায়, তেন্তে আপুনি এনে এটা কাহিনী বাছিলওক যিটো শ্রোতা সকলৰ বয়সৰ বাবে উপযুক্ত। লগতে আপোনালৈ দিয়া সময়ছোৱাৰ ভিতৰতে শেষ কৰিব পাৰিব। প্রার্থনা কৰক যেন পবিত্র আত্মাই আপোনাক পৰিচালনা কৰে আৰু বাইবেলৰ সত্যসমূহ নিহিত থকা, আৰু শ্রোতা সকলৰ বাবে প্রয়োজনীয়, তেনে কাহিনী বাছি লওক।

২. ঈশ্বৰে আমাক বাইবেল খন দিয়াৰ সময়ত, অসংখ্য ইতিহাস প্রসিদ্ধ ঘটনা ঘটিছিল। কিন্তু ঈশ্বৰে, তেওঁৰ জ্ঞানেৰে, মানব জাতিৰ বাবে প্রয়োজনীয়, সিদ্ধ কাহিনী সমূহ হে বাছি ললে। ঈশ্বৰেই সকলো মানুহক দৃষ্টি কৰিছিল, সেই কাৰণে তেওঁ মানুহৰ বাবে কি প্রয়োজন, তাক জানিছিল। সর্ব্বজ্ঞানী ঈশ্বৰে বিকাশ হব লগীয়া প্রতিটো কৃষ্টি, সংস্কৃতি, সমাজ ব্যৱস্থা বা বিশ্বাসৰ পদ্ধতি জানিছিল।

বাইবেলখন সকলো কৃষ্টি সংস্কৃতিৰ উর্দ্ধত। ইয়াৰ অর্ন্তবস্তু সকলো কৃষ্টি-সংস্কৃতিৰ উর্দ্ধত। ইয়াৰ দ্বাৰা কাহিনীকওঁতা সকলক আমি কব খুজিছো যে প্রতিটো কাহিনীতেই প্রভু ঈশ্বৰে সকলো মানুহৰ বাবে আত্মা সম্বন্ধীয় গুৰুত্বপূর্ণ শিক্ষা ৰাখিছে।

আপোনাৰ গোটখোৱা সমাজক কবলৈ, হৰমূৰকৈ কিবা ‘ভুল’ কাহিনী এটা বাছি নলব। আপুনি বাছিলোৱা কাহিনীটো কওঁতে, আপুনি জানিব যে পবিত্র আত্মাই তেওঁৰ বার্তা, উপস্থিত প্রতিজন ব্যক্তিক প্রদান কৰিব।

৩. “কেৱল কাহিনীটো” ৰ পদ্ধতি মতে, আমি আগতীয়াকৈ কিছুমান কাহিনী শুভবার্তা বিলোৱাত, আৰু কিছুমান শিষ্য গঢা কার্য্যত, ব্যৱহাৰ হব বুলি বাছি নলওঁ। এই পুথি ব্যৱহাৰ কৰা সকলৰ পৰা আমি নিয়মিত ৰূপে সাক্ষ্য পাই আহিছো যে কাহিনী বিলাকৰ যোগেদি শিষ্য গঢা আৰু বিশ্বাসলৈ অনা কার্য্য কৰিবলৈ পবিত্র আত্মা সমর্থ।

৪. একেখিনি শ্রোতাকেই যদি কবলৈ অনেক সুযোগ পায়, তেন্তে আপুনি বাইবেলৰ আৰম্ভনীৰ পৰা কাহিনীবিলাক কওঁক। সৰহ সংখ্যক বাইবেলৰ কাহিনীয়েই, আগতে ঘটিযোৱা কাহিনীৰ আধাৰত গঢলৈ উঠিছে। সেই কাৰণে সম্ভৱ হলে, কালক্রমানুযায়ী কাহিনী সমূহ বাছি লওক আৰু কওক।

৫. কাহিনী কওঁতে বা বাণীবদ্ধ কৰোতে, আপুনি কিছুমান কাহিনী বাদ দিব পাৰে। আপুনি কাহিনী বাদ দিলেও, পাছৰ কাহিনীটো কোৱাৰ আগতে আপুনি নিশ্চয়ে নিশ্চয়ে আগকথা বা পাতনি হিচাবে দুটামান কথা কব। সেই কথাই আগতে কোৱা কাহিনীটোৰ লগত সম্বন্ধ স্থাপন কৰাত সহায় কৰিব। আপুনি কাহিনী বাদ নিদিলেও, শ্রোতা সকলক আগতে কোৱা কাহিনীটো সোঁৱৰণ কৰাই দিয়ক, এই ক্ষেত্ৰত আনকো জটিত কৰক। উপস্থিত কোনো এজন শ্রোতাক যোৱাবাৰৰ কাহিনীটো কবলৈ দিয়ক। এনে কৰিলে, শ্রোতা সকল সজাগ হৈ পৰিব।

৬. কাহিনীটো দীঘলীয়া হলে, হয়তো ১৫টা মান পদ থাকিলে, শিকাবলৈ সুবিধা হবৰ বাবে, কাহিনিটো দুভাগত বিভক্ত কৰিব। শ্রোতাই তেতিয়া খৰচি মাৰি শিকব পাৰিব। য’তে স্বাভাবিক ভাৱ, এটা চিন্তা শেষ হৈছে, তাতে ভাগ কৰক। ঠিক সমানে সমানে দুভাগ নহবও পাৰে।

উদাহৰণস্বৰূপে, ২ ৰাজাৱলী৫:১-২৭ পদত থকা নামানৰ কাহিনীটো। “কেৱল কাহিনীটো” ৰ পদ্ধতিৰে কবলৈ ই এটা অতি সুন্দৰ কাহিনী- ইয়াৰ বাবে আপোনাক তিনিঘন্টা সময়ৰ প্রয়োজন হব। এই নামানৰ কাহিনীটো তিনিটা পৃথক পৃথক কাহিনী সোমাই আছে। ইয়াৰে ডাঙৰটো কাহিনী এনেদৰে ভাগ কৰা হৈছেঃ ১-৫, ৬-১৪, ১৫-১৯, আৰু ২০-২৯ পদলৈ।

৭. কিছুমান কাহিনীত একোখনকৈ দীঘলীয়া তালিকা থাকে, কেতিয়াবা নগৰ সমূহৰ তালিকা, কেতিয়াবা মানুহৰ তালিকা থাকে। যদি কাহিনীটো দীঘলীয়া হয়, দুটা ভাগত ভগাই লওক। এটা কাহিনী তালিকাখন য’ৰ পৰা আৰম্ভ হৈছে তাৰ পৰাই কৰক।দ্বিতীয়, কাহিনীটোৰ আৰম্ভণিতেই দুৱাষাৰ কৈ তালিখনৰ কথা উল্লেখ কৰক। হয়তো আপুনি এনেদৰে, “চৌধখন, ভিন্ন ভিন্ন দেশৰ নাগৰিক সকল আহি আমি একগোট হৈছোহি।” পাছে তালিকাখন শেষহোৱাৰ পাছতেই দ্বিতীয় কাহিনীটো কওক।

এই পদ্ধতিত বার্ত্তাটো উপস্থাপন কৰাৰ দ্বাৰাই, শাস্ত্রসম্মত দুটা বাইবেলৰ কাহিনী নির্ভুল ভাৱে আপুনি দাঙি ধৰিব পাৰিলে। এনেদৰে কাহিনীটো, দুটা অংশত ভগাই ললে, কাহিনীকওঁতা আৰু

শিকোতা, দুয়োপক্ষই সহজে মনত ৰাখিব পাৰিব। কাহিনীকওঁতা সকলৰ দক্ষতা বৃদ্ধি হোৱাৰ পাছত, তেওঁলোকে দুয়োটা কাহিনীয়েই একলগ কৰি কব পাৰিব।

কেনেকৈ কাহিনীটো বাছিল'ব লাগে,তাক আপুনি জানিলে, ইয়াক কেনেকৈ কব লাগে, সেই পদ্ধতি সমূহ শিকো আহক।

১. কাহিনীটো বুজিবলৈ আৰু সোঁৱৰণত ৰাখিবলৈ আৰু নিৰ্ভুলভাৱে কবলৈ শক্তি পাবৰ কাৰণে **প্ৰাৰ্থনা** কৰক।

২. **কাহিনীটো প্ৰথমৰ পৰা শেষলৈকে ডাঙৰ কৈ এবাৰ পঢ়ক।** (বা আনে কোৱাটো বা পঢ়াটো মনযোগদি শুনক)। পঢ়ি যাওঁতে, আপুনি কিছুমান শব্দ বিশেষভাবে বাছি লব, তাৰ অৰ্থ ভাঙনি দিবৰ বাবে, আৰু কিছমান শব্দ বাছিলওক যিবিলাক শব্দ আপোনাৰ শ্ৰোতাসকলে নিজকে প্ৰকাশ কৰিবৰ কাৰণে ব্যৱহাৰ কৰিব পাৰে। উদাহৰণ স্বৰূপে, 'শংকিত' ৰ সলনি 'আতংকিত' বা 'ভয়খোৱা'। আপুনি কথোপকথন বা আলোচনাৰ মাধ্যমেৰে শিকাব বিচাৰিব পাৰে। কিন্তু সাৱধান হব লাগিব যেন কাহিনীটোৰ অৰ্ন্তবস্তু বাইবেলত থকাৰ দৰেই হয়।

আপুনি এটাতকৈও অধিক ভাষাত পঢ়িব আৰু কব পৰা ব্যক্তি যদি হয়, তেন্তে আপুনি সৌভাগ্যবান। আপুনি কোনো এটা কাহিনী এককভাবে আয়ত্ব কৰিব পাৰিব। এটা ভাষাত কাহিনীটো ডাঙৰকৈ পঢ়ক, পাছে আনটো ভাষাত যিটো ভাষাত আপুনি কাহিনীটো কব, সেই ভাষাত কাহিনীটো পুনৰাবৃতি কৰক।

উদাহৰণ স্বৰূপে, আপুনি যদি হিন্দী পঢ়িব পাৰে, আৰু কাহিনীটো ইংৰাজীত কব খোজে, তেন্তে 'হিন্দী' লৈ চাওঁক আৰু ইংৰাজীত কাহিনীটো ডাঙৰকৈ কওঁক। এইটো কৰোতে আপুনি হুবহু শব্দ কেইটা মনত পেলাবলৈ চেষ্টা নকৰিব। তাৰ পৰিবৰ্তে আপুনি অৰ্ন্তবস্তু মনত ৰাখিব আৰু স্বাভাবিক ভাৱে তেতিয়া কাহিনীটো কব পাৰিব। আৰু সেই দৰে বেছি সহজে মত বিনিময় কৰিবলৈ শব্দ বিলাক বাছি লব পাৰিব।

৩. বাইবেল খন বন্ধ কৰক আৰু চকুকেইটও বন্ধ কৰক! কাহিনীটো মনৰ পৰা ডাঙৰকৈ পুনৰাবৃত্তি কৰক। অৰ্থাৎ মুখষ্ট মাতক। কাহিনীটো মনত পেলাবলৈ চেষ্টা কৰক। মানসপটত কাহিনীটো, যিদৰে ঘটিছিল, সেইদৰে, অঙ্কন কৰক। কৈ যাওঁতে কোনো অংশ পাহৰি গলেও, চিন্তা নকৰিব,ৰৈ নাযাব। কৈয়েই যাওক। পাহিৰযোৱা অংশটো মনত পৰিলে আপুনি পুনৰ কব পাৰিব। সোঁৱৰণ কৰক, ভাটৌৰ দৰে মুখষ্ট কৰা নহয়।

উদাহৰণস্বৰূপে, বাক্যত কৈছে, "যীচুৱে পিতৰ, যাকোব আৰু যোহনক লগত ললে..." কিন্তু সেই মূহুৰ্তত সেই তিনিজনৰ নাম পাহৰি যাব পাৰে, আপুনি এইদৰে কৈয়েই যাব, "যীচুৱে তিনিজন শিষ্যক লগত ললে।" কৈ যাওঁতে, মনত পৰিলে নাম কেইটা কৈ দিব। 'সিঁহত' বুলি নকৈ "পিতৰ, যাকোব আৰু যোহন" বুলি কৈ দিব। (এই দৰে আপুনি কাহিনীটো সজাই পৰাই লৈছে। কাহিনীটো পঢ়িযোৱা আৰু পনুৰাবৃত্তি কৰাৰ প্ৰক্ৰিয়াৰে আগবাঢ়ি যাওঁতে নামকেইটা কবলৈ নিশ্চয় মনত পৰিব!)

৪. আকৌ এবাৰ কাহিনীটো ডাঙৰকৈ পঢ়ক। এইদৰে পঢ়ি যাওঁতে এৰিযোৱা বা লগাই দিয়া বাৰ্ত্তাখিনি আপুনি দেখা পাব। কাহিনীটোৰ কিমান অংশ আপুনি মনত ৰাখিব পাৰিলে, তাক দেখি হয়তো আচৰিত হব।

আপুনি যুগুত কৰা কাহিনীটো যদি দীঘলীয়া হয়(১২-১৫ পদতকৈও যিদ বেছি হয়) ইয়াক দুভাগ কৰি শিক্ষাটো আহৰণ কৰিব পাৰি। দীঘলীয়া কাহিনীবিলাক স্বাভাবিক ভাৱেই ভাগ ভাগ কৰা থাকে।আপুনি কাহিনীটো দুটা দৃশ্য বা দুখন ছবি হিচাবে মনত ৰাখিব পাৰে। আপুনি শব্দবোৰ মুখষ্ট নকৰে, **আপুনি সঠিক কাহিনীটো হে, আপোনাৰ মানসপটত থকা ছবি খনৰ মতে, মনত ৰাখিব।**

৫. **আকৌ, বাইবেলখন বন্ধ কৰক, চকু বন্ধ কৰক আৰু কাহিনীটো ডাঙৰকৈ কওঁক।** ডাঙৰকৈ পঢ়িলে, বিৰক্তিজনক শব্দ বা কোহালৰ পৰা আপুনি ৰক্ষা পাব, সেইবোৰ কাণত নোসোমাব। আৰু কাহিনীটো সোঁৱৰণত ৰাখিবলৈ সক্ষম হব। চকু বন্ধ কৰি কাহিনীটো কলে, আপুনি কাহিনীটোৰ ছবি খন দেখা পাব। ছবিত থকা লোকবিলাক ও পৰিবেশটো আপোনাৰ মনত অঙ্কন কৰক। এনে কৰাৰ পাছত, আপুনি জানিব পাৰিব যে প্ৰথম বাৰতকৈ এইবাৰ কাহিনীটো বেছি ভালদৰে সোঁৱৰণত ৰাখিব পাৰিছে। আকৌ এবাৰ কাহিনীটো উলিয়াই ডাঙৰকৈ পঢ়ক, আৰু চাওক, আপুনি কিবা এৰি গৈছিল নেকি বা যোগ দিছিলনেকি। সৰু কিবা এটা হলেও, তাকো শুদ্ধ কৰি লব। কাৰণ, ঈশ্বৰে আমাক দিয়া, কাহিনীটোৰ প্ৰতিটো অংশই, অতি গুৰুত্বপূৰ্ণ।

৬. **আৰম্ভণী আৰু সামৰণিৰ বাক্যকেইটা ঠিক কৰি লওক।** কাহিনীটো কবলৈ পথটো যুগুত কৰক, কত আৰম্ভ কৰিব আৰু কেনেদৰে সামৰণি মাৰিব। আপুনি বাছিলোৱা কাহিনীটো মনত ৰাখিবলৈ হয়তো সহজ হব, মানে আৰম্ভনিৰ পৰা শেষলৈকে এটা সৰল পথৰ দৰে হব।

৭. **মৌখিক চিনসমূহ।** বহুত সময়ত আপোনাৰ কাহিনীত কিছুমান জাটিলতা থাকিব পাৰে। সেই জটিল কথা বিলাক কওঁতে বাদ পৰি যাব পাৰে যদিহে আপুনি মনতে সেই কথা আগতীয়াকৈ চিন দি নাৰাখে। কাহিনীটো কেইবাৰ মান পুনৰাবৃত্তি আৰু পৰীক্ষা কৰাৰ পাচত আপুনি দেখা পাব যে কোনো কোনো বাৰ্তা মনত ৰাখাটো বৰ কষ্টকৰ। নামবিলাক বা কাহিনীটোৰ আন প্ৰয়োজনীয় অংশ বিলাক বাৰে বাৰে বাদ পৰি গৈছে, তেন্তে জানিব যে আপোনাৰ বাবে এটা মৌখিক চিন, সেই খিনিতে প্ৰয়োজন হৈ পৰিছে।

ক) শব্দসমূহ, নামবিলাক বা হুবহ বৰ্ণনা, মনত ৰখাটো যদি কষ্টকৰ হৈছে, তেন্তে এটা হাঁহিউঠা ছবি, আপোনাৰ মনতে অঙ্কন কৰক। (জেৰী লুকাছ, যি গৰাকী ব্যক্তিক “স্মৃতি চিকিৎসক” বুলি জনা যায়, তেখেতে এই পদ্ধতিটো জনপ্ৰিয় কৰি তুলিছিল।)

উদাহৰণ স্বৰূপে, যোনা ভাৱবাদীৰ কাহিনীটো কওঁতে, যোনাৰ পিতৃৰ নাম, “অমিতাই” এই নামটো মনত ৰখাটো আপোনাৰ বাবে কষ্টকৰ হব পাৰে। এনেকুৱা এটা শব্দ, আপোনাৰ নিজৰ ভাষাত ভাৱিলওক, যিটো শব্দ সেই নামটোৰ নিচিনাই উচ্চাৰণ হয়। ইংৰাজী ভাষাত

কাহিনীকওঁতাজনে এজন মনুহৰ এটা হাস্যকৰ নক্সা আঁকি লব পাৰে। যেনেকা এজন মানুহে “নেকটাই” দালৰ সলনি বেচবল খেলোতে পিন্ধা মোজাজোৰ নেকটাই হিচাবে ব্যৱহাৰ কৰা। ‘নেকটাই’- অমিতাই।

আপুনি দেখিব যে যিমানেই ছবিখন হাস্যকৰ হয়, সিমানেই সেই টান শব্দবোৰ মনত ৰাখিবলৈ সহজ হৈ পৰে। যিকোনো ভাষাতেই নকওক, আপুনি ধ্বনি বা উচ্চাৰণৰ মিল থকা শব্দ নাইবা হাস্যকৰ এখনি ছবি বাছিলব, যিটোৱে আপোনাৰ মনলৈ টান শব্দ বা বিষয়টো মনত পেলাই দিব।

কোনো কোনো কাহিনীকওঁতাই বিশেষ বিশেষ নামবোৰ মনত ৰখাত গুৰুত্ব আৰোপ নকৰে। যিমানেই কষ্টকৰ নহওক কিয়, নামবোৰ মনত ৰাখিবলৈ আপোনাক আমি উদগণি দিব খোজো। প্ৰভুৱে জানে নাম উচ্চাৰণ কৰাত বহুতৰ কষ্ট হয়। কিন্তু, যিহেতু প্ৰভুৱে নিজেই চৰিত্ৰৰ নাম বা ঠাইৰ নামবোৰ, কাহিনীবিলাও দিছে, গতিকেই আমি সেই বাৰ্ত্তাটোও কাহিনী কোৱাৰ সময়ত অন্তৰ্ভুক্ত হোৱাটো বিচাৰো।

৮. নিৰ্ভুল ভাৱে কব নোৱাৰলৈকে কৈ থাকক, পৰীক্ষা কৰি থাকক। ওপৰত উল্লেখ কৰাৰ দৰে প্ৰতিটো পদক্ষেপ পুনৰাবৃত্তি কৰক, যেতিয়ালৈকে কাহিনীটো ভালদৰে নাজানে। চকুমুদি ডাঙৰ ডাঙৰকৈ নিৰ্ভুল ভাৱে কব নোৱাৰালৈকে কাহিনীটো কবলৈ অভ্যাস কৰিয়েই থাকক।

কাহিনীটোত নথকা কথা যেন যোগ নিদিয়ে তাৰ বাবে সদায়েই সজাগ হৈ থাকিব। বাইবেলৰ আন ঠাইত থকা সেই একেটা কাহিনীতেই আন কিছু সত্য থাকিব পাৰে, তথাপি সেই কাহিনীৰ সত্যসমূহ আনি আপুনি কোৱা কাহিনীৰ লগত যোগ নিদিব। বাইবেলৰ কিছুমান কাহিনী এবাৰতকৈ বেছি কবৰ বাবে প্ৰভুৱে, সিদ্ধান্ত ললে। প্ৰতিবাৰেই কোৱাটোত সামান্য ভাৱে হলেও প্ৰাৰ্থক্য আছে। ঈশ্বৰে যদি কাহিনীবিলাক বেলেগে বেলেগে ৰাখিবলৈ মনস্থ কৰিলে, তেন্তে আমিও তেনে কৰা উচিত। একেটা সময়ত এটা বিবৰণীতে অধ্যয়ন সীমাৱদ্ধ ৰাখিলে, বেছি গভীৰতালৈ যাব পৰা হয়। এনেদৰে মনোযোগ দিলে, সেই বিশেষ বিৱৰণীত থকা একক সত্যসমূহ মুকলি কৰিবলৈ উদগণি পায়। যেতিয়া একেধৰণৰ কাহিনীসমূহ পাছত অনুসন্ধান কৰা হব, কেনেদৰে প্ৰতিটো বৰ্ণনাই ইটোৰ লগত সিটো খাপ খাব, তাক আবিষ্কাৰ কৰিব পৰা হব।

অপৰিচিত স্থানত খোজদিয়া

আমি নতুন নতুন দক্ষতা আয়ত্ব কৰাৰ পাছত, আমি যি আহৰণ কৰিলো, তাক যুক্তিপূৰ্ণ বুলি জনাৰ পাছতো, এই প্ৰক্ৰিয়াটোত আৰু কিছুঅংশ সন্নিবিস্ত কৰাৰ প্ৰৱণতা হয়। এটা উদাহৰণ দিব খোজো। “কেৱল কাহিনীটো” ৰ উদ্দেশ্যে মই লিখা এটা শিক্ষা, আমাৰ কিছুসংখ্যক কৰ্ম্মচাৰীয়ে শুনিবলৈ সন্মত হল। মোৰ উদ্দেশ্য আছিল সেই খণ্ডটো কিমান স্পষ্ট,তাক জনাৰ। কিন্তু ঈশ্বৰে ইয়াৰ যোগেদি এটা বহুমূলীয়া শিক্ষা মোক দান কৰিলে।

খণ্ডটো ভালদৰে বুজি পাবলৈ হলে, তেওঁলোকে কাহিনীটো জানিব লাগিব। সেই কাৰণে দুজন ব্যক্তিক প্ৰথমে কাহিনীটো জানি লবলৈ অনুৰোধ জনালো। তাৰে এগৰাকী ভদ্ৰমহিলাই, "কেৱল কাহিনীটো" ৰ চাৰিটা কৰ্ম্মশালাত উপস্থিত আছিল আৰু কামো কৰিছিল। আন গৰাকী, এজন সত্তৰ বছৰৰ অধিক বয়সৰ পু�ৰুষে (তেওঁ ২০ বছৰীয়া ডেকাৰ দৰে কাম কৰে) আজি পৰ্য্যন্ত কাহিনী কোৱাৰ পৰা বিৰত আছে।

মই তেওঁক কলো, "তুমি যদি নিৰ্দ্দেশাৱলী অনুকৰণ কৰা, তেনেহল এই ১০টা পদ থকা কাহিনীটো ১০ মিনিটত তুমি আহৰণ কৰিব পাৰিব।" "কেৱল কাহিনিটো" ৰ পদ্ধতিয়ে কাহিনী এটা কেনেকৈ শিকিব পাহি সেই কথা তেওঁক মনত পেলাই দিলো। "গোটেই কাহিনীটো প্ৰথমৰ পৰা শেষলৈকে এবাৰ ডাঙৰকৈ পঢক। পঢি যাওঁতে, কাহিনীটো সচৰাচৰ কোৱাৰ দৰে, কথিত ভাষাৰে কওক। উদাহৰণ স্বৰূপে, এই কাহিনীটোত "লক্ষ্য কৰক" বুলি নকৈ, "চোৱা" বুলি কব পাৰে। আপোনাৰ মনৰ চকুৰে চাওঁ কাহিনীটোত কি ঘটিছে। এবাৰ পঢাৰ পাছতেই, লগে লগেই চকু বন্ধ কৰক আৰু ডাঙৰ কাহিনীটোৰ যিমান অংশ মনত আছে, তাক কওক।

"আপোনাৰ লক্ষ্য হল অবিকল কাহিনীটো মনত ৰখা, হুবহু শব্দবোৰ নহয়। পাছে আকৌ এবাৰ ডাঙৰকৈ পঢক। তেতিয়া এৰি যোৱা অংশ, আপুনি দেখা পাব। আকৌ চকু মুদি ডাঙৰকৈ কৈ যাওক। এনেদৰে চাৰিবাৰ কৰক।"

এই সহযোগ কৰিব বিচৰা সেৱাৰ মনোভাৱ থকা লোকবিলাকে মোৰ আগতে পৰামৰ্শ দিয়া মতে পুনৰাবৃত্তি কৰিলে। "স্বাভাবিক ভাৱে, কথিত ভাষাৰে, ডাঙৰকৈ পঢো, মোৰ বাইবেল খন বন্ধ কৰি লওঁ আৰু কাহিনীটো কওঁ" তেওঁবিলাকে কোৱাৰ দৰে পুনৰাবৃত্তি কৰিলে।

এইদৰে তেওঁলোকে আৰম্ভ কৰিলে। সিহঁতে নীৰৱে-পঢ়েলে! তেওঁলোকে কোনো শব্দ উচ্চাৰণ নকৰিলে নাইবা ডাঙৰকৈও নপঢিলে। মই তেওঁলোকৰ অধ্যয়নত বাধা দি কলো, "এইখিনি আপোনালোকে কেনেদৰে পঢা উচিত আছিল?"

তেওঁক দুটো উত্তৰ দি কলে, "ডাঙৰ কৈ।"

"কিন্তু মই যে একো শুনি নেপালো," মই কলো।

পুৰুষ জনে কলে, "হয়, মই নিজৰ বাবে পঢিছো।"

"কিন্তু তুমি কৈছিলা যে তুমি ডাঙৰকৈ পঢিব জানা। তুমি সহযোগ কৰি, কাম কৰি ভালপোৱা ব্যক্তি। তেন্তে তুমিনো পৰামৰ্শৱলী কিয় মানি চলা নাই?" মই সুধিলো।

তেওঁ হতবুদ্ধি হৈ কলে, "মই নাজানো। মই ভাবো মই তেনে কেতিয়াও কৰা নাই।"

তাৰ পাচত মহিলা গৰাকীলৈ চাই কলো, "আৰু আপুনি, আপুনি নেজানিছিল নেকি যে এইখিনি ডাঙৰকৈ পঢিব লাগিছিল?" "হয়"।

"মই বুজি পোৱা নাই, আপুনি কিয় ডাঙৰকৈ পঢা নাই?" তেওঁ আত্মাবিশ্বাসহীন ভাৱে কলে, "এনে কৰাটো মই মুৰ্খামি বুলি ভাবিলো।"

আমি সকলোৱে হাঁহিলো। বিশেষকৈ, উক্ত কাহিনীটো “চক্কেয়” ৰ বিষয়ে আছিল বুলি যেতিয়া জানিব পাৰিলো। ‘চক্কেয়’ এনে এজন ব্যক্তি আছিল, যি যীচুক চাবলৈ বৰ হেপাহ কৰিছিল। যীচুক চাবৰ বাবে চক্কেয়ই যি কৰিলে, সেয়া দেখাত মুৰ্খামি যেন বিবেচিত হয়। কাহিনীটোৰ আন এটা সত্য এই যে চক্কেয়ই সম্পূৰ্ণৰূপে পৰামৰ্শৱলী মানি চলিছিল।

অৱশেষত, কিছসময় খোলামনেৰে কথা বতৰা হোৱাৰ পাছত, তেওঁলোকে, “মই এনেকুৱা আগতে কেতিয়াও কৰা নাই” আৰু “এনে কৰিলে মুৰ্খামি কৰা বুজাব” আদি বন্ধনৰ পৰা মুক্ত হলো। তেওঁলোকে কাহিনীটো ডাঙৰকৈ পঢিলে, চকু বন্ধ কৰিলে আৰু কাহিনীটো যিমান বাৰ পাৰে সিমানবাৰ পুনৰাবৃতি কৰিলে।

চাৰিবাৰ সম্পূৰ্ণ কৰাৰ পাছত, মই তেওঁলোকক সুধিলো, “আপোনাৰ কাহিনীটো এতিয়া মোক কবনে?”

আচৰিত ধৰণে, মাত্র ১০ মিনিট ডাঙৰকৈ পঢাৰ পাছত আৰু পুনৰাবৃতি কৰাৰ পাছত, তেওঁলোক দুয়োয়েই কাহিনীটো সুন্দৰ ভাৱে কব পাৰিলে।

আশীবছৰ ওপৰ পুৰুষজনক ধেমালি কৰি কলো, “আপুনি সদায় ১০ টা পদ ১০ মিনিটত মুখস্ত কৰেনে?” তেওঁ মাত্র হাঁহিলে।

ভদ্রমহিলা গৰাকীয়ে চিঞৰি কলে, “আগতে মই এই বাইবেলৰ কাহিনী বিলাক কেতিয়াও আহৰণ কৰিব পৰা নাছিলো। মই চেষ্টা কৰিছিলো। মই আহৰণ কৰিব বিচাৰিলো, কিন্তু মই নোৱাৰিছিলো।”

“এই সকলো নিদ্দেৰ্শনা সমূহ মানি চলিছিলনে?” ‘নাই’ তাই হাঁহিলে, “এই মূহুৰ্তলৈকে মানা নাই।”

এই ঘটনাতো আপোনালোকৰ লগত আলোচনা কৰিলো, যাতে, আপোনালোকে উদগণি পায় আৰু “কেৱল কাহিনীটো” ত দিয়া সকলো উপাদান সমূহ চেষ্টা কৰি চাব।আপুনি যদি এই বাক্যবিলাক পঢিছে, তেন্তে আপুনি শিক্ষিত ব্যক্তি। কিন্তু যিহেতু “কেৱল কাহিনীটো” আহৰণ কৰা আৰু মতবিনিময় কৰা প্রক্রিয়াটো সম্পূৰ্ণৰূপে মৌখিক, সেই কাৰণে, অন্য এখন পৃথিবীত খোজ দিবলৈ আপোনাক অনুৰোধ জনাইছো যাতে মৌখিক প্রক্রিয়াটো সম্পূৰ্ণৰূপে অভিজ্ঞতা লাভ কৰিব পাৰে।

যি দৰে “কেৱল কাহিনীটো” ত পদক্ষেপ বিলাক দিয়া হৈছে, বিশ্বাসেৰে সেই সকলোকে চেষ্টা কৰক।সেই কার্য্যালয়ৰ ঘটনাটো প্রায়েই ঘটি থকা ঘটনা, আৰু ইয়াৰ পৰা জানিব পাৰিছো যে “কেৱল কাহিনীত” উল্লেখিত নিদেৰ্শনা সমূহ আংশিকভাৱে পালন কৰিলে, আপুনি বিচাৰা দৰে ফল নেপাব। আপুনি “কেৱল কাহিনীটো” ৰ নিদেৰ্শনা সমূহ ইয়াত দিয়াৰ দৰে, চেষ্টা কৰাৰ পাছত, প্রভুৱে আপোনাক অনেক ব্যৱহাৰ যোগ্য সালসলনি কৰিব পৰা উপায় দিব, যিয়ে আপোনাৰ অধ্যয়নত আৰু “কেৱল কাহিনীটো” উপস্থাপন কৰাত অধিক সহায় কৰিব।

গভীৰতালৈ সোমাই যোৱা আৰু কাহিনীটো শুনি আমোদ পোৱা

১. **কাহিনীটোৰ পৰিবেশটোলৈ চাওঁক**। এনে শাস্ত্ৰ বাক্য পঢ়ক নাইবা শুনক যিয়ে কাহিনীটো কোৱাৰ পৰিবেশ সৃষ্টি কৰিব। কাহিনীটো আৰম্ভ হোৱাৰ ঠিক আগতে কি ঘটি গল, তাক জানিলে, আপুনি কবলৈ লোৱা কাহিনীটো বুজিবলৈ অধিক জ্ঞান পাব। আপোনাৰ কাহিনীটো যুগুত কৰাৰ পাচত, কাহিনীটোৰ বাবে এক আগকথা বা পাতনি দৰকাৰ হবনেকি, তাক চিন্তা কৰিব, যাতে শ্ৰোতা সকলে সহজে কাহিনীটো বুজিব পাৰে। এনে আগকথা বা পাতনি কেনেকৈ যুগুত কৰিব লাগে, সেই বিষয়ে পাছত আলোচনা কৰিম।

২. **সৰ্ব্বনাম পদবোৰ বাদ দিয়ক!!!** কাহিনীটোত থকা মানুহৰ নাম সমূহ আৰু বিশেষ বিশেষ স্থান বা বস্তুৰ নামবোৰ ব্যৱহাৰ কৰিলে শ্ৰোতা সকলে অধিক ভালদৰে কাহিনীটো অনুসৰণ কৰিব পাৰিব। ‘এইটো’ ‘সেইটো’, সি-তেওঁ, তাই-তেওঁ, সিহঁত-ইহঁত, আদি সৰ্ব্বনাম পদবোৰৰ সলনি ওপৰত কোৱাদৰে নামবোৰহে উল্লেখ কৰিব। সম্ভৱ হলে কৰিব(আৰু নিজৰ ভাষাত গ্ৰহণ যোগ্য হোৱাকে কৰিব)।

৩. **কাহিনীটো ঘটিযোৱাৰ সময়টোলৈ মন কৰিব।** (কাহিনীটো কোন সময়ত, কেতিয়া ঘটিছিল, আৰু ইয়াৰ পাছৰ মূল বিষয়- “কাহিনীটো সজীৱ কৰক”, এই দুয়োটা মূখ্য বিষয়। কাহিনীটো ভালদৰে বুজিবলৈ আৰু ভালদৰে কবলৈ হলে এই দুয়োটা বিষয়ৰ ওপৰতেই নিৰ্ভৰ কৰে)।

ক. বাইবেলৰ কাহিনীটো, প্ৰয়োজনীয়তকৈ কম সময়ৰ ভিতৰতে, খৰকৈ পঢি আমি শেষ কৰিব পাৰো। সেই কাৰণে কাহিনীটো খৰচি মাৰি বুজিবলৈ হলে, আমি লাহে লাহে পঢিহে শেষ কৰিব লাগে। আগতে কৈ যোৱা “পথটো” ৰ কাহিনী মনত ৰাখিব। যি সকলে লাহে লাহে গতি কৰিলে, তেওঁলোকেহে লুকুৱাই থোৱা সম্পদ সমূহ বিচাৰি পালে।

খ. কাহিনীটোৰ প্ৰতিটো খণ্ডই মানসপটত অঙ্কণ কৰক। কাহিনীটোৰ বাৰ্ত্তাসমুহক কাহিনীৰ ভিতৰ ভাগত সোমাই যাবলৈ আপোনাক সহায় কৰক!কাহিনীটোৰ প্ৰতিটো চৰিত্ৰই কি ভাৱিছে, আৰু কি অনুভৱ কৰিছে, আৰু তাৰ যোগেদি কি বুজাব খুজিছে তাক বিবেচনা কৰক।

গ. এটা কথা মনত ৰাখিব যে যদিও বাইবেলৰ কাহিনীবিলাক বহুহেজাৰ বছৰৰ আগতেই ঘটিছিল, কাহিনীবিলাকত থকা লোক বিলাকে, প্ৰথম বাৰৰ বাবে, সেই ঘটনাৱলীৰ মাজত জীৱন নিবাস কৰিছিল। আমি শিকা কাহিনীসমূহ আমাৰ বাবে পৰিচিত হলেও, এটা কথা মনত ৰাখকঃ কাহিনীত থকা কোনো ব্যক্তিয়েই কেতিয়াও এনে ঘটনা, ইয়াৰ আগতে পোৱা নাছিল। আপোনাৰ মনতে এই ঘটনাৱলীৰ মাজেৰে লাহে লাহে গতি কৰক, যাতে কাহিনীটোত থকা লোক বিলাকে পোৱা অভিজ্ঞাতৰ দৰে আপুনি ঘটনাৱলীৰ মাজত নিজকে পুৰ্ণজীৱিত কৰক।

৪. কাহিনীটো সজীৱ কৰক। প্ৰতিটো চৰিত্ৰই কি কৰে, আৰু কি কয়, লক্ষ্য কৰক, আৰু কাহিনীত থকা আন চৰিত্ৰ বিলাকে কেনে প্ৰতিক্ৰিয়া কৰে, মন কৰক। আমি মনোযোগেৰে

শুনিলে, তেওঁলোকৰ কর্ম্ম ও কথাই আমাক তেওঁলোকৰ আত্মিক জীৱনৰ বিষয়ে বহু কথাই আমি জানিব পাৰিম। যত্নেৰে নিৰীক্ষণ কৰিলে, কাহিনীকওঁতা বিলাকে কাহিনীটো ভালদৰে বুজিব পাৰিব, যুক্তি সহকাৰে, নিভুর্ল ভাৱে অর্থ প্রকাশ কৰিব পাৰিব।

এই কথা সদায়েই মনত ৰাখিব যে বাইবেলত উল্লেখ কৰা ব্যক্তিবিলাক, যিবিলাকৰ বিষয়ে আমি পাচিছো, নেতা সকলেই হওক বা ভাৱবাদী সকলেই হওক, তেওঁলোকো আমাৰ দৰেই মানুহ। অৱশ্যে তেওঁলোকৰ অনেকেই ঈশ্বৰৰ বাধ্য আছিল আৰু জটিল সমস্যাৰ মাজতো বিশ্বাসত দৃঢ হৈ আছিল। প্রতিটো ক্ষেত্রতেই প্রতিজন ব্যক্তিয়েই সিদ্ধান্ত লব লগীয়া হৈছিল আৰু সেই মতে বিশ্বাস আৰু ভাৰসা কৰিছিল।

৫. **কাহিনীটো থকা সকলো উদ্ধৃতি ব্যক্ত কৰক**। কাহিনীটোত বক্তা জনৰ আবেগ-অনুভূতি যদি বর্ণানা কৰা আছে, তাক ব্যৱহাৰ কৰক। ক্রোধ, বেজাৰ, শংকা, নিৰাশ আদি বিচাৰক। চৰিত্রটোৰে কোৱা কথাবিলাক কওঁতে যিমান পাৰে সিমান নাটকীয়া ভঙ্গিৰে কওক। যদি আবেগ-অনুভূতি তাত প্রকাশ কৰা নাই, তথাপি আপুনি সেই লোকবিলাকে কেনে দৰে কৈছিল, তাক মনতে ভাৰি সেইদৰে ভাৱটো প্রকাশ কৰিব পাৰে। কিন্তু এইটো কৰিবলৈ যাওঁতে আপুনি নিশ্চিত হব লাগিব যে আপুনি কাহিনীটোৰ বিপক্ষে যোৱা নাই। চৰিত্রবিলাকে যি কৈছে, তাক আবেগ সানি কব পাৰিলে কাহিনীটো প্রাণবন্ত হৈ উঠে।

কাহিনীটো পঢি, কি অনুভূতি বক্তাজনে প্রকাশ কৰিছে, সেইটো নিশ্চিত নহলে, নিজৰ মনতে ভাবিলৈ অনুভূতি প্রকাশ নকৰিব। সেইটো কৰিলে কাহিনীটোত কথা যোগদিয়া বুজাব আৰু সেইটো নকৰিবলৈ ঈশ্বৰে আমাক সাৱধান কৰি দিছে!

মই তোমালোকক যি যি আজ্ঞা কৰিছো, তোমালোকে “সেই সকলোকে পালন কৰি সেই মতে কার্য্য কৰা। তোমালোকে তাত কোনো কথা যোগ নকৰিবা বা তাৰ পৰা কোনো কথা কম নকৰিবা”(দ্বিতীয় বিৱৰণ ১২:৩২)

“ঈশ্বৰৰ প্রত্যেক বচন শুদ্ধ, তেওঁ তেওঁৰ আশ্রয় লোৱাবিলাকৰ ঢাল স্বৰূপ। তেওঁৰ বাক্যৰ লগত আন কথা নলগাবা লগালে তেওঁ তোমাক দুষীব, তাতে তুমি মিছলীয়া হব।”(হিতোঃ ৩০:৫,৬)।

৬. **কাহিনীটো ব্যক্ত কৰক**। কাহিনীটো কবলৈ অভ্যাস কৰোতে, আপোনাৰ কণ্ঠস্বৰত, কাহিনীটোত থকা মনৰ ভাৱ আৰু অনুভূতি প্রতিফলিত হব লাগে।

ক. কাহিনী কবলৈ আৰম্ভ কৰোতে, বহুতে কেতিয়াবা নাটকীয় ভঙ্গিমাৰে কথা কবলৈ চেষ্টা কৰে। সেইটো কৰিবলৈ উত্তেজনা পূর্ণ স্বৰেৰে কথা কয়। আৰু এইদৰে একে উত্তেজনাৰে গোটেই কাহিনীটো শেষ কৰে- কিন্তু এনে উত্তেজনাৰে, একে অনুভূতিৰে, বহু সময় কথা কৈ থাকিলে দর্শক সকল ভাগৰি যায় আৰু শ্রোতা সকলে মনোযোগ দিব নোৱাৰে। বাস্তৱ জীৱনত, কোনো কাহিনীয়েই এনে প্রবল উত্তেজনাৰে, নির্ভুল ভাৱে, উপস্থাপন কৰিব পৰা নাযায়।

খ. প্রকৃততে, কাহিনীৰ কোনো কোনো অংশ, শোক, শংকা, দয়া, নিৰাশা বা আন অনুভূতিৰে পৰিপূর্ণ হব পাৰে। উত্তেজনাপূর্ণ স্বৰেৰে, সেই সকলো ভাৱ সঠিক ভাৱে প্রতিনিধিত্ব কৰিব নোৱাৰে। আপোনাৰ স্বৰ সলনি কৰক। কোনো কোনো সময়ত স্বৰ উচ্চ কৰি আৰু কোনো কোনো সময়ত কোমল স্বৰেৰে কাহিনীটো কওক। এনে কোমল ও নিম্ন স্বৰেৰে কওক যাতে শ্রোতা সকলে শুনিবলৈ পায়। কোনো কোনো অংশ গুৰুত্ব দিবৰ বাবে লাহে লাহে পঢক বা এটা খৰতকীয়া কার্য্য বুজাবলৈ খৰকৈ পঢক। আপোনাৰ কণ্ঠৰ স্বৰ কাহিনীটোৰ সমপর্য্যায়ত ৰাখক। আপোনাৰ কণ্ঠৰ স্বৰ ও সুৰৰ জৰিয়তে কাহিনীটোৰ ভিন্ন ভিন্ন আৱেগ- অনুভূতিবোৰ আপুনি দেখুৱাব পাৰে।

গ. প্রতিটো ভাষাতেই, মানুহে কথোপকথন কৰা- সময়ত, কিছুমান ধ্বনি শুনিবলৈ পোৱা যায়, কিন্তু প্রকৃততে সেইবোৰ শব্দ নহয়। সেইবিলাক মূখৰ পৰা আপোনা আপোনি ওলাই যায়। বহুত কৃষ্টি-সংস্কৃতিতেই, জিভাৰ টিক্ বা কিটিক্ ধ্বনিয়ে আৱেগ-অনুভূতিৰ ইংগিত বহন কৰে। এনে ধ্বনিবোৰ প্রতিটো কৃষ্টি-সংস্কৃতিৰ বাবে সুকীয়া আৰু একক।

এইটো হব পাৰে যে এটা হুমুনিয়াহে- ভাগৰ বুজায়, নাইবা দীঘলীয়া নিশ্বাসে হতাশ বুজায়। এটা খৰকৈ লোৱা উশাহ বা হেপঢোকা কার্য্যই ভয় বা আচৰিত হোৱা বুজায়। এটা হাঁহিৰ শব্দই অনুভূতি প্রকাশ কৰিব পাৰে। এই সকলো কথিত বা উচ্চাৰিত ধ্বনিবোৰ সমাজত থাকে। আমি পৰিবেশৰ লগত ডাঙৰ হোৱাৰ লগে লগে এইবোৰ শিকো।

আনৰ সৈতে আলোচনা বা কথোপথন কৰাৰ যোগেদি এনে ধ্বনিবোৰ শিকক, মনোযোগ দিয়ক আৰু বাইবেলৰ কাহিনী স্বাভাৱিক ও আমোদজনক ভাৱে কবলৈ দক্ষতা বঢাওক। এনে নতুন নতুন ধ্বনিবোৰ শুনি, ৰাখি লওক আৰু তাক বাইবেলৰ কাহিনী কোৱাৰ সময়ত ইচ্ছাকৃত ভাৱে ব্যৱহাৰ কৰক।

ঘ. বাক্য কৈ যাওঁতে, মাজে মাজে এটা যতি বা অলপ সংকোচেও বাইবেলৰ কাহিনী কোৱাত নাটকীয় ভঙ্গিমা আৰু আমোদ আনি দিব পাৰে। উদাহৰণ স্বৰূপে, কুষ্ঠৰোগীৰ কাহিনীটোত, বনর্ণাদিওতাজনে কৈছে, “যীচুৱে তেওঁৰ হাত মেলিলে আৰু কুষ্ঠৰোগীজনক চুলে।” কাহিনীকওঁতাজনে যদি সংকোচ নোহোৱাকৈ এই কথা কয়, তেন্তে তেওঁ এটা ডাঙৰ সুযোগ হেৰুৱালে।

কাৰণ, যীচুৱে এজন কুষ্ঠৰোগীক চুই দিয়া কার্য্যটো বৰ বিস্ময়কৰ কথা। এই কার্য্যই মহান প্রেমৰ কথা বুজায়। কাহিনীকওঁতাজনে, ধীৰে সুস্থিৰে, সংকোচ ভাৱ দেখুৱাই, এই বাক্য কোৱাৰ প্রয়োজন, কেনেকৈ হাত মেলিলে আৰু কুষ্ঠৰোগীজনক চুলে। যীচুৰ আৰু কুষ্ঠৰোগীজনৰ এই মধুৰ মূহুৰ্ত্তটো দেখিব, শুনিব আৰু অনুভৱ কৰিব যদিহে কাহিনী কওঁতাজনে ক্রমে ক্রমে আৰু লাহে লাহে আৰু অধিক বিস্ময়কৰ ধ্বনিৰে কয়, “-যীচুৱে-হাত মেলিলে-আৰু – চুলে-কুষ্ঠৰোগীজনক।”

ঙ. কাহিনীটোৰ ভিতৰত থকা নাটকীয় মূহুর্ত্ত বোৰ বিচাৰক। সুস্থতা পালে, কিবা অসাধাৰণ ঘটনা বা এক গুৰুত্বপূর্ণ কথা কাহিনীত থকা চৰিত্রটোৱে কলে, ক্ষন্তেক বিৰতি বা থমকি ৰৈ

যোৱা কথা ভাবিব। এনে কৰিলে সেই নাটকীয় ঘটনাটো উন্মোচিত হবলৈ সময় পাব আৰু শ্রোতা সকলে অনুভৱ কৰিব পাৰিব।

চ. সৰহ সংখ্যক কাহিনীতেই কিছুমান সাধাৰণ বিৱৰণী আছে। আৰু এই বিৱৰণীয়ে বক্তা সকলৰ বাক্যৰ লগত সম্বন্ধ ঘটায়। তেনে সংখ্যা বিলাক স্বাভাৱিক স্বৰেৰে কব পাৰি।

ছ. কেতিয়াবা কেতিয়াবা বিৱৰণী দিওঁতা জনৰ কথাইও কাহিনীটো আমোদজনক কৰি তোলে। বিৱৰণী দিওঁতাজনৰ বিৱৰণীয়ে স্থান সলনি হোৱা দেখুৱাব পাৰে নাইবা কাহিনীটোৰ এক বিস্ময়কৰ অংশলৈও মন আকর্ষণ কৰিব পাৰে। এনে বাক্যবোৰ গভীৰ আৱেগপূর্ণ ভাৱে কোৱা হয়। এনে ভাৱ হয় যেন বিৱৰণ দিওঁতাজনে শ্রোতাসকলৰ সৈতে কিছু গোপন, উত্তেজনাপূর্ণ বার্ত্তা যেন বিনিময় কৰিব বিচাৰিছে। এন বাক্যবোৰ ডাঙৰকৈ ফুচফুচাই কোৱা ধৰণে কোৱা হয়।

এনেধৰণৰ কথাই লোকবিলাকক বিশেষভাৱে আমোদজনক বাক্যবোৰলৈ মনোযোগ আকর্ষণ কৰে। আনকি দেখাত সাধাৰণ যেন লগা শব্দবিলাকো যেনে- "ইতিমধ্যে," বা "একেসময়তে" বা "তেওঁলোক আহি পোৱাৰ পাছত," আমোদ সৃষ্টি কৰিবলৈ কব পৰা যায়।

৭. অঙ্গি-ভঙ্গি, ব্যৱহাৰ কৰি কাহিনীটো প্রদর্শণ কৰক। কাহিনীটোৰ লগত খাপ খুৱাই ব্যৱাহৰ কৰা অঙ্গি-ভঙ্গিৰে শংকা, লোভ-প্রলোভন, আক্রমণ, পলায়ন, বিস্ময়, সাহস, প্রজ্ঞা, হতাশা আৰু আন আন অনুভূতি সমূহ প্রদর্শন কৰিব পাৰে। মনৰ আবেগ-অনুভূতি বিলাক সামান্য অঙ্গি-ভঙ্গিৰেও প্রদর্শন কৰিব পৰা হয়। আপুনি থিয়হৈ থকা, চাই থকা বা অঙ্গি-ভঙ্গি দেখুওৱাৰ পৰাই কাহিনীত থকা লোকবিলাক, সমাবেশবিলাক বা ঠাইবিলাকৰ অৱস্থান স্থাপ কৰিব পাৰে।

কোনো এজন ব্যক্তিয়ে ভাষ্য কওঁতে, সামান্য ৰূপে আপোনাৰ স্থিতি সলনি কৰক, আৰু ব্যক্তিজন যি স্থানত আছে, তালৈ চাই অনুকৰণ কৰক। উদাহৰণ স্বৰূপে, সুস্থহোৱা ব্যক্তিজনে আচৰিতহৈ নিজৰ নতুনকৈ সুস্থহোৱা শৰীৰটো লাহে লাহে লৰচৰ কৰিব পাৰে। নাইবা উত্তেজিতহৈ আনন্দত জাঁপ মাৰিব পাৰে। বাক্য কওঁতে আৰু গতিকৰোতে থমকি থমকি ৰলে, কাহিনী কোৱাতো নাটকীয় আৰু বস্তুৰ যেন লাগে।

এক সতর্কবাণী। আপুনি কাহিনীটো কোৱাৰ পাছত, শ্রোতা সকলে আপোনাৰ ওচৰলৈ আহি যদি কয়, "আপুনি এক মহান কাহিনীকওঁতা" নাইবা "আপোনাৰ নাটক কৰাৰ দক্ষতা দেখিবৰ ভাল লাগিল।" তেনে হলে আপোনাৰ কাহিনী উপস্থাপন কৰাৰ প্রক্রিয়াটো পুনৰ ভাৱি চাওক। কাৰণ কাহিনীকওঁতা জন লক্ষণীয় বা প্রধান নহয়। ঈশ্বৰ বাক্যহে মূল লক্ষ্যনীয় বিষয় হব লাগে। অতিমাত্রা নাটকীয় ভঙ্গিমাৰে ঈশ্বৰৰ বাক্যৰ পৰা মনোযোগ আঁতৰাই নিব পাৰে। তেনে কৰিলে লোকবিলাকে আপোনাৰ বাক্য নুশুনি, আপোনাৰ নাটকীয়া অঙ্গি-ভঙ্গি বোৰলৈহে চাব। আপুনি কোৱা বাক্যৰ বণর্না দিবৰ বাবে কম পৰিমানে অঙ্গি ভঙ্গি কৰাহে অতি উত্তম। শ্রোতা সকলে কি কোৱাটো বিচাৰেঃ "সেই কাহিনীটোৰ যোগেদি ঈশ্বৰে মোক কথা কলে।" নাইবা "কাহিনীটোৰ ব্যক্তিজন ময়েই।"

৮. **কাহিনী এটা কওঁতে থিয় হবনে বহি বহি কব?** অনেক সমাজত আৰু পৰিবেশত, কাহিনীকওঁতা জনে শ্রোতা সকলৰ লগতে বহি কোৱাতো বেছি উপযুক্ত বুলি বিবেচনা কৰে। আমি আপোনাক থিয়হে কবৰ বাবে অভ্যাস কৰিবলৈ পৰামর্শ দিওঁ। থিয়হৈ কলে শাৰীৰিক অঙ্গি-ভঙ্গি দেখুবাৱলৈ আৰু অৱস্থান লবলৈ সুবিধা হয়। এটা বৃহৎ সমাজৰ আগত কাহিনী কবলৈ সুযোগ পালে, থিয়হৈ কোৱটোৱেই আটাইতকৈ সুবিধাজনক হব।

আমি কোৱা কাহিনীসমূহ শ্রোতাসকলে বুজি পোৱাতো আৰু মনত ৰখাটো বিচাৰো। কওঁতাজনৰ অঙ্গি-ভঙ্গি, প্রকাশ ভঙ্গিৰে কাহিনীটো আমোদজনক কৰাৰ উপৰিও কাহিনীটোৰ অন্তর্বস্তু বুজিপোৱাত আৰু মনত ৰখা দক্ষতা বৃদ্ধি কৰে। যদি বহি বহি কাহিনীকোৱাটোৱেই সুবিধাজনক হয়, তেন্তে বহিয়েই কওঁক। তথাপিও, আপুনি অভ্যাস কৰা কিছুমান অঙ্গি ভঙ্গি, নিশ্চয়ে ব্যৱহাৰ কৰিব পাৰিব।

৯. **কাহিনীটোৰ আৰম্ভন।** কাহিনীটো আৰম্ভ কৰি এইদৰে কওক "এইটোৱেই কাহিনী" নাইবা "এইটো বাইবেলৰ কাহিনী"। কাহিনীটো কবলৈ আৰম্ভ কৰোতে খোলা বাইবেল খন হাতত লওক, ইয়াক একমূহুর্তৰ বাবে চাওঁক যেন আপুনি ইয়াক পঢিছেহে। এইটোৱে শ্রোতাসকলক জনাই দিব যে আপুনি যি কব, সেয়ে বাইবেলৰ পৰাহে কব। আপুনি কাহিনীটোকোৱাৰ আগতে, যদি পৰিচয় হিচাবে দুটামান কথা কবলগীয়া আছে, তেন্তে বাইবেল খন বন্ধ কৰি লওক। কাৰণ এই আনুষ্ঠানিক পৰিচয়, আপোনাৰ নিজৰ কথা, এই কথা কাহিনীটোৰ নহয়।

কাহিনী কৈ যাওঁতে, আপুনি দুয়োখন হাতেই অঙ্গি ভঙ্গি দেখুৱাবলৈ বিচাৰিব পাৰে। আপুনি কথা কৈ থকা অৱস্থাতেই লাহেকৈ আপোনাৰ খোলা বাইবৱেখন ওচৰতে থকা টেবুলৰ ওপৰত বা মঞ্চত ৰাখক। থোৱাৰ সময়তো কথা কৈয়েই থাকক, তেতিয়া শ্রোতাসকল জানিব যে আপুনি বাইবেলৰ পৰাই কাহিনীটো কৈ আছে। আপুনি কাহিনী শেষ কৰিবলৈ লোৱাৰ আগতেই হাতমেলি বাইবেল খন বুটলি লওক আৰু সেই সময়তো কাহিনীটো কৈয়েই থাকক।

(আপুনি যদি খ্রীষ্ট-বিৰোদ্ধী অঞ্চলত কাহিনী কৈছে, আপুনি হাতত বাইবেল নলবও পাৰে নাইবা এইটো বাইবেলৰ কাহিনী বুলি নকবও পাৰে। এনে অৱস্থাত, আপুনি মাত্র কাহিনীটো কওক। কাহিনীৰ অন্তর্বস্তু আৰু আলোচনাই শ্রোতাসকলৰ অন্তৰ স্পর্শ কৰিবলৈ দিয়ক।)

১০. **মাজে মাজে সকলোৰে ওপৰত চকু ফুৰাওক**! "কেৱল কাহিনীটো" ৰ প্রশিক্ষণতে আমি যোগদানকাৰী সকলো ব্যক্তিকেই কাহিনীকোৱাৰ সময়ত, আটাইৰে ওপৰত দৃষ্টি ৰাখিবলৈ কওঁ। আমোদজনক ভাৱে, এটা কর্ম্মশালাত, নতুনকৈ কাহিনীকওঁতা জনে, কাহিনী কোৱাৰ গোটেই সময়ছোৱাত মোলৈকে চাই থাকিল। এটা নতুন কথা আবিস্কাৰ কৰা হল। তেওঁক শুধৰাই দিয়াৰ আগতে, মই সুধিলো, তোমালোকৰ সমাজব্যৱস্থাত, বার্তা দিয়াৰ সময়ত কেৱল বৃদ্ধজনলৈ বা উপস্থিত শ্রেষ্ঠ জনৰ মুখলৈ চাইহে বার্তা দিয়াটো আশাকৰে নেকি? তেওঁ উত্তৰ দিলে, "হয়, এইটো সত্য"।

অহ, সেইটো হব নেলাগে। এয়া সংস্কৃতিৰ সংঘাট। "কেৱল কাহিনীটো" ৰ প্রক্রিয়াৰ জৰিয়তে, আমি প্রতিগৰাকীৰেই দৃষ্টি আকর্ষন কৰিব বিচাৰো আৰু উপস্থিত সকলোকে উদগণি দিব

বিচাৰো। আৰু সকলোৱে প্ৰশ্নৰ সহাঁৰি দিয়াতো বিচাৰো। সেই সন্ধ্যা, আমি স্থানীয় প্ৰশিক্ষক সকলৰ লগত এই সংঘাটৰ বিষয়ে খৰচিমাৰি আলোচনা কৰিলো। আমি এই কথাত সন্মত হলো যে, বৃদ্ধ সকলক আৰু নেত সকলক আমি সমাদৰ কৰিব লাগিব, কিন্তু অন্য সকলকো অৱজ্ঞা কৰিব নোৱাৰো। আমি সন্মত হলো, যে কাহিনীকওঁতা সকলে প্ৰথমে বৃদ্ধ-বৃদ্ধা সকলক বা নেতা সকলক চিনাক্ত কৰি সমাদৰ কৰিব। কিন্তু প্ৰতিজন শ্ৰোতালৈ চাই কথা কোৱাৰ প্ৰয়োজন আছে। তেওঁলোকৰ, সমাজত যেনেকুৱাই স্থান নহওক কিয়। কাহিনী উপস্থাপন কৰা গোটেই সময়ছোৱাত, কওঁতাজনে উষ্কখাপৰ লোকবিলাকক কেন্দ্ৰ কৰি কৈ থাকিব। কিন্তু, লগতে, সেই জুমটোত থকা আন ব্যক্তি সকলকো চাব ও কব। আৰু এইদৰে কাহিনীকওঁতাজনে (চমৰীয়া তিৰোতাগৰকীৰ দৃষ্টান্তটোৰ দৰে) আজিৰ দিনত আমাৰ চুবুৰীয়া কোন- তাৰ নিদৰ্শন দাঙি ধৰিব।

এই যুগৰ দেৱতাই সকলো মানৱ জাতিৰ সমাজব্যৱস্থাত সবল সকলক ওপৰলৈ তোলা আৰু দৰ্ব্বলবিলাকক হেয় জ্ঞান কৰাৰ মনোবাৱ সোমোৱাই দিছে। বাইবেলে স্পষ্টকৈ প্ৰতিজনকেই সমানে গুৰুত্ব আৰোপ কৰা কথা কৈছে। যীচুৱে এইটো কৰিছিল। তেওঁৰ দিনৰ সমাজে সাধাৰণ বুলি গণ্য কৰা লোক সকলৰ লগতেই সময় অতিবাহিত কৰা বাবে আৰু তেওঁলোকৰ প্ৰতি মনোযোগ দিয়াৰ বাবেই যীচুক কটু সমালোচনা কৰিছিল।

“কেৱল কাহিনীটো” ৰ কৰ্মশালাত আমি জানি শুনি সামাজে অৱহেলা কৰা লোক সকলক সাঙোৰি লৈছোঃ যেনে-তিৰোতা, শিশুবিলাক, সহজ-সৰল, সমাজৰ দ্বাৰা বহিস্কৃত, অশিক্ষিত, সাধাৰণ গোষ্ঠী আদি সমাজে অযোগ্য বুলি অভিহিত কৰা সকল।

সমাজব্যৱস্থা বা সংস্কৃতিৰ লগত, শাস্ত্ৰৰ বাক্যৰ সংঘাত হলে, খ্ৰীষ্ট বিশ্বাসী সকলে এক সিদ্ধান্ত লব লাগিবঃ

আপোনাৰ কৰ্ম্ম আৰু বিশ্বাস সমাজ ব্যৱস্থাৰ দ্বাৰা পৰিচালিত হবলৈ দিবনে ঈশ্বৰৰ বাক্যৰ দ্বাৰাই পৰিচালিত হৈ উষ্ক পৰ্য্যায়লৈ আগবাঢি যাবলৈ দিব- তাক প্ৰতিগৰাকী বিশ্বাসীয়েই সিদ্ধান্ত লব লাগিব।

১১. কাহিনীটো সমাপ্ত কৰক। কাহিনীটো শেষ কৰি আপুনি শ্ৰোতাসকলক কওক, “কাহিনীটো ইমানতেই সমাপ্ত” আৰু বাইবেলখন বন্ধ কৰক।

১২. আপোনাৰ নিৰ্ব্বাচিত কাহিনী, শুনিবলৈ ইচ্ছুক সকলক সঘনাই কওক। যেতিয়ালৈকে সাৱলীলভাৱে কব নোৱাৰে, কোনো মানুহ বা নহলে, ওচৰতে থকা পশু বা গছৰ আগত কওক। মনত ৰাখিব, আপুনি সঠিক বাক্যবোৰ নহয়, কিন্তু সঠিক কাহিনীহে কৈছে।

সাহসী হওক- ভাৰসা কৰক- নিলিখিব!

পৰ্ব্বতৰ ওপৰত যীচুৱে শিক্ষা দিয়াৰ আগতে, তেওঁ প্ৰথমে কথাখিনি লিখি লৈছিল, আৰু মেজৰ ওপৰত মেলি চাই চাই কৈ গৈছিল- এনে কৰিছিল নেকি? নিশ্চয়ে নহয়। কোনোবাই আপোনাক সাক্ষ্য দিবলৈ কলে, বা আপোনাৰ স্বামী বা ভাৰ্য্যাক কেনেকৈ লগ পালে বা আপোনাৰ জীৱনৰ

আটাইতকৈ ভাল লগা অভিজ্ঞতাৰ কথা সুধিলে, আপুনি লিখি থোৱা টোকা বহীৰ পৰা চাই চাই কবনেকি? কোনো কোনো শিক্ষা, আমি অভিজ্ঞতাৰ পৰা পাওঁ- আমি তাক মনত ৰাখো। আমি তাক নিজৰ কৰি লওঁ। বন্ধুৰ লগত, আমাৰদিনৰ কথা কলেও, সোঁৱৰণ কৰি কওঁ। কাৰণ বার্তাটো আমি নিজৰ কৰি লওঁ, আৰু যিহেতু ই এটা কাহিনী, সেইকাৰণে সহজে ইয়াক পুনৰাবৃত্তি কৰিব পাৰো।

আমি জানো, “কেৱল কাহিনীটো” ৰ পদ্ধতিৰে আপোনাৰ পৰা নতুন নতুন দক্ষতা বিচাৰে। অতীততে, আপুনি শিক্ষক হিচাবে বা বক্তা হিচাবে, শিক্ষাতো উপস্থাপন কৰিবলৈ, নিশ্চয়ে লিখিত টোকা বহী ব্যৱহাৰ কৰিছিল। আপুনি ভাষণ দিলে বা নতুন জ্ঞান আহৰণ কৰিলে- টোকা লিখি লোৱাৰ প্রয়োজনীয়াতা আছে। কিন্তু, কাহিনীৰ বাবে কোনো টোকাৰ প্রয়োজন নাই।

আপুনি কাৰোবাৰ ঘৰত বনোৱা ‘চকলেট কেক্’ জুটি লৈ খুউব ভাল পালে, তেতিয়া আপুনি ‘ৰন্ধনবিধি’ খন নিশ্চয়ে বিচাৰিব। আপুনি নিজৰ ঘৰলৈ গৈ নিজৰ বাবে তেনে এটি কেক্ বনাবলৈ ইচ্ছা কৰিলে, তেতিয়া আপুনি ‘চকলেটৰ’ সলনি সুগন্ধী দ্রব্য আৰু মৈদাৰ সলনি চাউল দিলে, তেনে ধৰণৰ চকলেট কেক্ হব জানো? অৱশ্যে নহব। সেই কেক্ টোৰ বৈশিষ্টতা ৰন্ধনবিধিৰ ওপৰত নির্ভৰ কৰে।

“কেৱল কাহিনীটো” ৰ বিধি অনুকৰণ কৰক, আৰু ভাৰসা ৰাখক যে “কেৱল কাহিনীটো” ৰ পদ্ধতিৰ প্রতি পদক্ষেপতেই এটা উদ্দেশ্য আছে।

“কেৱল কাহিনীটো” ৰ আধাৰত, আপুনি কাহিনী যুগুত কৰিলে, কাহিনীটো আৰু প্রশ্নসমূহ আপোনাৰ মনত ভৰাই ৰাখিব, কোনো টোকা বহীত নহয়। কাৰণ বহুপৰিমানৰ বাক্য পটি, তাক লিখি ৰখা সম্ভৱ নহয়। আগতে উল্লেখ কৰা দৰে, যিবিলাকে পঢে, তেওঁবিলাকে লিখিত টোকাৰ ওপৰত নির্ভৰ কৰিব লগীয়া হয়। কিন্তু “কেৱল কাহিনীটো” ৰ প্রক্রিয়াৰে চলিলে, টোকা লিখিবৰ প্রয়োজন নাই। কিন্তু সাধাৰণতে নকৰা কাম এটা কৰিবলৈ কওঁ। সেইটো হলঃ অধ্যয়ন কৰক আৰু এটা পাঠ যুগুত কৰক আৰু একো নিলিখিব! হয়, আমি গুৰুত্ব সহকাৰে কথাটো কৈছো- কোনো টোকা নিলিখিব।

“কেৱল কাহিনীটো”ৰ এক কর্ম্মশালাত যোগদান কৰিবলৈ আমি আপোনাক অনুৰোধ জনাইছো। তাতে আপুনি দহমিনিটত ১০টা পদ আহৰণ কৰাৰ অভিজ্ঞতা লাভ কৰিব। লগতে, “কেৱল কাহিনীটো” ৰ প্রশ্নসমূহ কেনেকৈ সজাব লাগে তাকো ব্যক্তিগত ভাৱে সহায় কৰিব। এই সকলোবিলাক কোনো টোকা নিলিখাকৈ আপুনি কৰিব পাৰিব।

দক্ষতা ২: কাহিনীটোত সম্পদ কেনেকৈ বিচাৰিব

আপুনি আয়ত্ব কৰিব লগীয়া দ্বিতীয় দক্ষতাটো হলঃ আপুনি কবলৈ যুগুত কৰা, কাহিনীৰ পৰা, সম্পদৰাজি কেনেকৈ বিচাৰি পাব।

বাইবেলৰ কাহিনীত ‘সম্পদ ৰাজি’ মানে কি বুজাইছে? প্ৰতিটো বাইবেল কাহিনীত সোমাই থকা আত্মিক সত্যসমূহক আমি ‘সম্পদৰাজি’ বুলি কওঁ। “আত্মিক জ্ঞান নিৰীক্ষণ” আৰু “আত্মিক জ্ঞান প্ৰয়োগ” এই দুয়োটা একেলগ হৈ “সম্পদৰাজি” হৈছে।

কাহিনীত থকা লোকবিলাকৰ জীৱনত ঈশ্বৰে কি প্ৰকাৰে কাৰ্য্য কৰিছিল, সেই বিলাকেই হল “আত্মিক জ্ঞান নিৰীক্ষণ”। যি বিলাক আত্মিক সত্য আজি আমাৰ জীৱনত প্ৰয়োগ কৰিব পাৰো, সেইবিলাকেই হৈছে, “আত্মিক জ্ঞান প্ৰয়োগ”।

অনুসন্ধানকাৰী সকলক বুজি পোৱাত সহায় কৰা। পাচনিৰ কৰ্ম্মত লিখা ফিলিপ আৰু নপুংসক জনৰ কাহিনীটো মনত পেলাওক। ইয়াত আমি দেখা পাইছো এজন কুচ-দেশীয় নপুংসক। তেওঁ ৰথত বহি যিচয়া ভাৱবাদীৰ পুস্তক পঢি গৈছিল। প্ৰভুৱে ফিলিপক, শাস্ত্ৰাংশ বুজাই দিবলৈ নপুংসকৰ ওচৰলৈ পঠালে। কাহিনী শুনিবলৈ ভাল, কিন্তু কাহিনীটোৰ অৰ্থ বুজাই দিয়াটো বাইবেল সন্মত। বাইবেলত ইয়াৰ পূৰ্ব-দৃষ্টান্ত আছে।

“আত্মিক জ্ঞান নিৰীক্ষণ” বুলি কোৱা সম্পদৰাজি কেনেকৈ বিচাৰি পাব

কাহিনীটোত, ইতিহাসৰ দৰে এটা ঘটনা অনুসন্ধান কৰাই নহয়, আত্মিক ভাৱে কি ঘটিছিল, তাকো আপুনি বিচাৰি আৱিস্কাৰ কৰিব লাগিব। বাইবেলৰ প্ৰতিটো কাহিনীত, প্ৰতিজন ব্যক্তিৰ বাবে, ঈশ্বৰৰ এক পৰিকল্পনা আছে। সেই কাহিনীৰ নায়ক-নায়িকা সকলে কি শিকিলে (বা শিকিব নোৱাৰিলে), ঈশ্বৰে তাৰ পৰা কি শিক্ষা আহৰণ কৰাতো বিচাৰে, তাক আমি আৱিস্কাৰ কৰিব লাগিব। আগতে কোৱাৰ দৰে, বাইবেলৰ কাহিনী সোঁৱৰণত ৰখা, আৰু বুজিপোৱাৰ এক প্ৰক্ৰিয়া হল, সেই কাহিনীটো জীৱিত কৰি ৰখা।

কাহিনীটোৰ প্ৰতিটো চৰিত্ৰই কি কৈছে, আৰু কৰিছে, তাৰ মাজত সোমাই কাহিনীটো প্ৰাণবন্ত কৰি ৰাখি আৰু ঈশ্বৰে কাহিনীটোত কি দৰে কাৰ্য্য কৰিছ, তালৈও লক্ষ্য ৰাখক। এনেদৰে কাহিনীটোৰ মাজত সোমাই পৰিলে, কাহিনীটোৰ কিছু সম্পদ আৱিস্কাৰ কৰিবলৈ সক্ষম হব।

এই আত্মিক সম্পদৰাজি আৱিস্কাৰ কৰিবলৈ, কাহিনীটো প্ৰথমৰ পৰা শেষলৈকে ভালদৰে পঢক। আৰু কাহিনীত থকা প্ৰতিজন ব্যক্তি বা ব্যক্তিসকলৰ বিষয়ে কি কৈছে, অলপ সময়লৈ চাওক। কাহিনীত থকা প্ৰতিজনৰ লগত থাকি কিবা এটা শিকাবলৈ ঈশ্বৰে কাৰ্য্য কৰিব।

আপুনি বাছিলোৱা কহিনীটোৰ আগৰ শাস্ত্ৰাংশত কি কৈছে, যদি ছপা কৰা বা বাণীবদ্ধ শাস্ত্ৰ আছে, তেন্তে সেই অংশত কি বাৰ্ত্তা আছে তাক অনুসন্ধান কৰাটো দৰকাৰী কথা। আপোনাৰ কাহিনীটোৰ ঠিক আগৰ শাস্ত্ৰাংশত কি কৈছে, জানি লওক। আপোনাৰ কাহিনীত থকা নায়ক-নায়িকা সকলৰ বিষয়ে তাৰ পৰা কিবা জানিব পাৰি নেকি, তেওঁলোকে কি জানে, আৰু তেওঁলোকে কি অভিজ্ঞতা পাইছিল তাক চাওক। এইটোৱে আপোনাক সহায় কৰিব।

‘আত্মিক জ্ঞান নিৰীক্ষণ’ বিচাৰি-সংক্ষেপে পুৰ্নবিবেচনাঃ জ্ঞানী পৰামৰ্শদাতা জন

কিছুসংখ্যক গাওঁবাসীয়ে, এটা নাদ আৰু পানীৰ অধিকাৰ বিচাৰি, বহুতদিন ধৰি বাদানুবাদ কৰি আছিল। তেওঁলোকে, সেই কাৰণে পৰামৰ্শ বিচাৰি এজন জ্ঞানী পৰামৰ্শদাতাৰ ওচৰলৈ

গল। পৰামৰ্শদাতা জনে বহুত প্ৰশ্ন সোধে বুলি জনাজাত আছিল। কাৰণ তেওঁ বিষয়টো খৰচি মাৰি জানি লব বিচাৰে যাতে এটা ভাল পৰামৰ্শ দিব পাৰে।

সেইকাৰণে পৰামৰ্শ দাতাজনে প্ৰথমে সুধিলে, অৱস্থাটো ভালদৰে বুজাই দিব পাৰিবনে? খুউব চমুকৈ কওঁক, কিহে আপোনালোকক অশান্তি দিছে?

গাওঁবাসীয়ে বাদানুবাদৰ কাৰণটো চমুকৈ কোৱাৰ পাছত, পৰামৰ্শদাতাজনে বুদ্ধিৰে সুধিলে, এই সমস্যাটো আৰম্ভহোৱাৰ আগতে কিবা ঘটিছিল নেকি? তাক জানিলে সমস্যাটো বুজাত সহায় হব? গাওঁবাসীয়ে সেই কাজিয়া কেনেকৈ হবলৈ পালে তাক কোৱাৰ পাছত পৰামৰ্শদাতা জনে কলে, এতিয়া মোক কেৱল কাহিনীটো কওঁক, কিন্তু অনুগ্ৰহ কৰি লাহে লাহে কওঁক। সেই কাৰণে, মানুহবিলাকে কাহিনীটো কবলৈ আৰম্ভ কৰিলে।

গাওঁবাসীয়ে কাহিনীটোৰ এটা অংশ কোৱাৰ পাছত, পৰামৰ্শদাতা জনে, তেওঁলোকক ৰবলৈ কলে, আৰু সুধিলে, “এতিয়া মোক কওঁক, কাজিয়াৰ এই মূহুৰ্ত্তত, আপোনালোকৰ কোনোবাই কিবা কৈছিল নেকি বা কিবা কৰিছিল নেকি? কাৰণ সেইটো জানিলে সমস্যাটো আৰু ভালদৰে বুজাত সহায় হব।

গাওঁবাসীয়ে উত্তৰ দিয়াৰ পাচত, পৰামৰ্শদতা জনে আকৌ সুধিলে, “সেই সময়ত, তোমালোকৰ কোনোবাই কিবা সিদ্ধান্ত লৈছিল নেকি? যদি সিদ্ধান্ত লৈছিল, সেই সিদ্ধান্তটোৰ বাহিৰেও আৰু কিবা সিদ্ধান্ত লব পৰা গলহেতেন নেকি?” যেতিয়াই কিবা সিদ্ধান্তৰ কথা কৈছিল, পৰামৰ্শদাতাজনে সুধিছিল, “এনে সিদ্ধান্তৰ কিবা ফল পালেনে? আৰু ইয়াৰ দ্বাৰা কাৰ ওপৰত প্ৰভাৱ পৰিছিল?”

পৰামৰ্শদাতাজনে এইদৰে পুনৰাবৃত্তি কৰি থাকিল, তেওঁ কৈছিল, “আপোনালোকৰ কাহিনীটোৰ বিষয়ে মোক আৰু কওঁক।” তেওঁলোকে অলপ কোৱাৰ পাছত, পৰামৰ্শদাতাজন্ কয়, “অলপ ৰব।” তাৰ পাছত তেওঁ একে প্ৰশ্নসমূহকেই সুধিছিলঃ গাওঁবাসীয়ে কি কৈছিল আৰু কি কৰিছিল, কি সিদ্ধান্ত লৈছিল, তাৰ পৰিমনাম কি হল ইত্যাদি।

অৱশেষত. তেওঁলোকে কাহিনীটো কৈ শেষ কৰিলে। যিহেতু জ্ঞানী পৰামৰ্শদাতাজনে গাওঁবাসীৰ উত্তৰ বিলাক মনোযোগেৰে শুনিছিল, সেই কাৰণে, তেওঁ কাজিয়াৰ কাৰণটো ভালদৰে বুজি পালে আৰু এক সুন্দৰ পৰামৰ্শ দিব পাৰিলে।

“কেৱল কাহিনীটো” ত আমি ব্যৱহাৰোপযোগী বাৰ্তা সমূহ আৱিস্কাৰ কৰিব বিচাৰো যি বিলাক প্ৰতিটো কাহিনীতেই অৰ্ন্তনিহিত হৈ থাকে। এই সম্পদটো নিৰূপন কৰিবলৈ, জ্ঞানী পৰামৰ্শদাতা জনে সোধাৰ দৰে, আমিও প্ৰশ্ন সোধো। কাহিনীটো এটা ইতিহাস। প্ৰতিটো কাহিনীৰ গভীৰতালৈ আমি যাওঁ। সেই কাহিনীৰ যোগেদি আমি কি আত্মিক আহাৰ আহৰণ কৰিব পাৰো, তাক আমি চাব বিচাৰো।

মনত ৰাখিব, সেই জ্ঞানী পৰামৰ্শদাতা জনে গাওঁবাসীক কেনেকৈ অৱস্থাটো চমুকৈ কবলৈ অনুৰোধ কৰিছিল। সৰহ সংখ্যক বাইবেলৰ কাহিনীত আৰু শাস্ত্রাংশতেই উদ্বেগ জনক কথা বা

সমস্যা থাকে। আমি সেইটোকেই “পৰিস্থিতি” বুলি কওঁ। বাইবেলৰ কাহিনীটো পঢ়া আৰু প্ৰশ্নসোধাৰ আগতে আমি ইয়াৰ পৰিস্থিতিটো জানিব বিচাৰো। কাহিনীটোত থকা লোকসকল ভোকত আছেনে, বিপদত পৰিছে? তেওঁলোক দোধোৰ-মোধোৰ অৱস্থাত আছেনে আতংকিত হৈ আছে? বা কিবা মনোমালিন্য ঘটিছেনেকি?

কাহিনীটোত থকা পৰিস্থিতিয়ে, লোকবিলাকক আমাৰ আগত আচল ৰূপত দেখা দিয়াই। আৰু এনে পৰিস্থিতিৰ অভিজ্ঞতা পোৱা লোকবিলাক কেনে হব পাৰে বুলি আবেগিক হৈ কাহিনীটোৰ ভিতৰ ভাগত আমি সোমাই পৰো।

গাওঁবাসীক কাহিনীটো কবলৈ দিয়াৰ আগতে, সেই পৰামৰ্শদাতা জনে গাওঁবাসীক, সেই সমস্যাই দেখা দিয়াৰ আগতে কি ঘটিছিল তাকো সুধিছিল। সেইদৰে, বাইবেলৰ কাহিনী এটাৰ সম্পদৰাজি বিচাৰোতে আমি কাহিনীটোৰ পটভূমিটো চাওঁ।

কিন্তু এটা কথা মনত ৰাখিব, যদিও বাইবেলৰ কাহিনীত ইতিহাসৰ পটভূমি জনাতো সহায়ক হয়, আমি তাতেই ক্ষান্ত নাথাকো। আনকি সেই জ্ঞানী পৰামৰ্শদাতা জনে কৰাতকৈ বেছি গভীৰতালৈ আমি যাওঁ। তদুপৰি আমি আত্মিক পটভুমিটোও চাওঁ। সেই লোকবিলাকৰ জীৱনত ঈশ্বৰে কি দৰে কার্য্য কৰিছিল, সেই ধাৰণটোও চাওঁ।এনে পৰিস্থিতিৰ ভিতৰত তেওঁলোক কেনেকৈ সোমাই পৰিল বা কিমান সময় ধৰি তেওঁলোকে সংগ্ৰাম কৰিবলগীয়া হৈছিল, বা তেওঁলোকে ঈশ্বৰ যিহোৱাৰ আৰাধনা কৰিছিল নেকি, এই সকলোবিলাক কথা জানিবলৈ আমি চেষ্টা কৰো। আত্মিক পটভূমি জানিব পাৰিলে, কাহিনীটোৰ আত্মিক অর্ন্তবস্তু ভালদৰে বুজিপোৱাত সহায়ক হয়।

মনতৰাখিব, কি দৰে জ্ঞানী পৰামৰ্শদাতা জনে গাওঁবাসীক তেওঁলোকৰ কাহিনীটো লাহে লাহে কবলৈ অনুৰোধ জনাইছিল, আৰু প্ৰতিটো অংশৰ পাছত, গাওঁবাসীয়ে কি কৈছিল, আৰু কি কৰিছিল,তাক সুধিছিল।

“কেৱল কাহিনীটো” ত আমি কাহিনীটোৰ প্ৰথমৰ পৰা আৰম্ভ কৰো আৰু লাহে লাহে আৰু সযত্নে প্ৰতিটো অংশকেই মনোযোগেৰে শুনো। আমি নিজকে প্ৰশ্ন কৰো- বাইবেলৰ কাহিনীটোৰ পৰা, তেওঁলোকৰ কর্ম্ম আৰু বাক্যৰ পৰা আমি কি আত্মিক জ্ঞান পাব পাৰো?

সেই অংশটোত উল্লেখ কৰা প্ৰতিজন ব্যক্তিৰ কথা আমি বিবেচনা কৰো, যীচু আৰু পিতৃঈশ্বৰৰ কথাও। আমি সোধো, “যি কোৱা হৈছিল আৰু কি কৰা হল, যিটো মনোনীত কৰিলে (বা মনোনীত কৰিব পাৰিলেহেতেন), মনোনীত কৰাৰ প্ৰত্যক্ষ পৰিনাম কি আৰু ইয়াৰ প্ৰভাৱ কাৰ ওপৰত পৰিল-এই সকলো বিষয়বিলাকৰ পৰা আত্মিক ভাবে মই কি আহৰণ কৰিলো?” এই সকলো প্ৰশ্নৰ উত্তৰত যি আমি পাওঁ, সেইবোৰক “আত্মিক নিৰীক্ষণ” বুলি আমি কওঁ।

এই ধৰণে আৰু স-যত্নে সম্পদ অনুসন্ধান কৰা কার্য্যই, আমাক, আমাৰ দৰে জীৱিত লোকবিলাকে, বাস্তৱ-জীৱন সংগ্ৰামত, কি কৈছিল আৰু কি কৰিছিল তাক বুজিবলৈ সক্ষম কৰে। তেওঁলোকে কৰা কার্য্যৰ পৰিনাম আৰু তেওঁবিলাকে লোৱা সিদ্ধান্তবিলাকৰ প্ৰভাৱ বা

তেওঁবিলাকে আৰু কি কৰিব পাৰিলেহেতেন, এই কথাবোৰ বিবেচনা কৰিলে, আমি বহু কথা শিকিব পাৰো।

সেই জ্ঞানী পৰামৰ্শদাতাজনে সোধাৰ বহু ওপৰত আমি প্ৰশ্নসোধো। বাইবেলত আমি ঈশ্বৰৰ অনুসন্ধান কৰো, যদিও সেই কাহিনীটোত ঈশ্বৰৰ নাম উল্লেখ নাথাকে। সেই পৰিবেশত, আৰু সেই লোকবিলাকৰ জীৱনত, ঈশ্বৰে কিদৰে কাৰ্য্য কৰিছিল, তাক আমি সদায় জানিব বিচাৰো, আৰু লগতে ঈশ্বৰৰ সম্পৰ্কে আমি কি জ্ঞান আহৰণ কৰিব পাৰো সেইটোও বিবেচনা কৰো।

বাইবেলৰ কাহিনীসমূহত উল্লেখিত লোকবিলাক সঁচা মানুহ আছিল

যিসকলে প্ৰকৃততে এনে পৰিস্থিতিৰ অভিজ্ঞতা লাভ কৰিছিল, সেই সময়ৰ সেই জীৱিত ব্যক্তি সকলৰ বিষয়ে ভাবিবলৈ আৰম্ভ কৰক। উপলব্ধি কৰক যে আপোনাৰ দৰে তেওঁলোকৰো আবেগ-অনুভূতি আছিল। তেনেকুৱা এটা পৰিবেশত, তেনে মূহুৰ্ত্তত কেনে অনুভৱ কৰিছিল তাক ধাৰণা কৰক। তেওঁলোকে যে তেনে দৰে ভবাটো অণিবাৰ্য্য আছিল, এনে নহয়। তাৰ পাছত কাহিনীটোৰ বিষয়ে অধিক জানিবলৈ ইয়াত থকা বেলেগ বেলেগ চৰিত্ৰ বিলাকলৈ চাওক। এবাৰত এটা খণ্ড চাওক।

কাহিনীটোৰ প্ৰথম অংশটো চাওক আৰু যত্নেৰে নিৰীক্ষণ কৰক আৰু মনোযোগেৰে শুনক। নিজকে প্ৰশ্ন কৰকঃ লোকবিলাকে কৰা কৰ্ম্ম ও কথাৰ পৰা আত্মিক জীৱনৰ বিষয়ে মই কি শিকিব পাৰো? তেওঁবিলাকক ভয়াতুৰ নে সাহসী দেখা যায়, বা দুখী নে সুখীযেন অনুভৱ হয়, নে অন্য কিবা আবেগ-অনুভূতি থকা ব্যক্তিযেন দেখা যায়? তেওঁবিলাকক তেনে দৰে ভাবিবলৈ বা কৰ্ম্ম কৰিবলৈ কিহে বাধ্য কৰাইছে, তাক জানিব পাৰিছোনে?

প্ৰতিটো খণ্ডতেই সিদ্ধান্ত বিলাক চাওঁক। হয়তো সেইব্যক্তিজনে বেলেগ এটা সিদ্ধান্ত লব পাৰিলেহেতেন? উপলব্ধি কৰক যে বাইবেলৰ প্ৰতিটো কাহিনীতেই, প্ৰত্যেকৰ বাবে আনকি পিতৃ ঈশ্বৰ আৰু যীচুৰ বাবেও তেওঁলোকে লব পৰা অনেক সিদ্ধান্ত বা উপায় আছিল।

আপুনি যেতিয়া দেখিব যে বেলেগ বেলেগ সম্ভাব্য সিদ্ধান্ত বিলাক কাহিনীত থকা চৰিত্ৰবিলাকে লব পাৰিলেহেতেন, তেনেহলে আপুনি সত্যটো আবিস্কাৰ কৰিলে। আপুনি জানক যে এই সিদ্ধান্ত বিলাক তেওঁলোকে প্ৰথমে মনত স্থিৰ কৰি লৈছিল। তাৰ পিছতহে সিদ্ধান্ত মতে তেওঁলোকে কাৰ্য্য কৰিছিল। আপুনিহে কাহিনীটো অনুসন্ধান কৰিছে, গতিকে সিদ্ধান্তটো আপুনিহে দেখিব।

ভাবিলৈ আৰম্ভ কৰকঃ *ইয়াতকৈ আন কি সিদ্ধান্ত লব পাৰিলেহেতেন, যিটো তেওঁলোকৰ বাবে আৰু অধিক মঙ্গলজনক হলহেতেন?*

হয়তো সিদ্ধান্তটো ভুল আছিল, আৰু সেইবাবেই ইয়াৰ ফলো নেতিবাচক হল। হয়তো সিদ্ধান্তটো শুদ্ধ আছিল আৰু সেইবাবেই ইতিবাচক ফল পোৱা গল। বোধহয় কিবা আচৰিত কাৰ্য্য ঘটিল। হয়তো প্ৰথমে দেখাত বেয়াফল যেন দেখা গৈছিল, কিন্তু পাছত ই মঙ্গলজনক হল। আপুনি ভাবক। সেই কাহিনীটোত কোন প্ৰভাম্বিত হৈছিল তেনে সিদ্ধান্তলোৱাৰ বাবে, আৰু কেনেকৈ প্ৰভাম্বিত হৈছিল?

নিজকে প্ৰশ্ন কৰকঃ *এই কাহিনীটোত ঈশ্বৰক মই কেনে দেখিছো? ঈশ্বৰে যি যি কৰিলে, আৰু কলে, তাৰ পৰা মই ঈশ্বৰৰ বিষয়ে কি শিক্ষা আহৰণ কৰিব পাৰো?*

হয়, এইদৰেই আমি আত্মিক নিৰীক্ষণ(শিক্ষা) আৱিস্কাৰ কৰো। কাহিনীৰ প্ৰতিটো অংশই আমি চাওঁ, আৰু সেই একে ধৰণৰ প্ৰশ্নকেই সোধো। আমি শব্দবিলাক, কৰ্ম্মবিলাক আৰু সিদ্ধান্ত বিলাকচাওঁ, আৰু ইয়াৰ পৰিনাম চাওঁ, আৰু তেনে সিদ্ধান্তৰ প্ৰভাৱ কি দৰে আনৰ ওপৰত পৰিছে, তাকো চাওঁ। আৰু তাৰ পাছত আমি সদায়ে এটা প্ৰশ্ন সোধোঃ ঈশ্বৰে সেইলোক সকলৰ জীৱনত কি কৰিছে, মই কি দেখিছো?

এইদৰে প্ৰতিটো কাহিনীত, আত্মিক সম্পদ বিচাৰোতে, জ্ঞানী পৰামৰ্শ দাতাজনৰ প্ৰশ্নাৱলীতকৈও কিছুক্ষেত্ৰত বেলেগ হব পাৰেঃ

কাহিনীত এই চৰিত্ৰটোৱে কি কৰিছিল, আৰু কি কৈছিল?

তেওঁৰ কৰ্ম্ম ও বক্তব্যই, সেই ব্যক্তিজনৰ আত্মিক জীৱনৰ বিষয়ে কি কয়?

কাহিনীটোৰ পৰা, সেই ব্যক্তিজন এজন বিশ্বাসী, এজন যীচুৰ অনুসন্ধানকাৰী, সন্দেহকাৰী, নাইবা গ্ৰহণ কৰিবলৈ অস্বীকাৰ কৰা ব্যক্তি, বুলি জানিব পাৰোনে?

বিশ্বাস নে সন্দেহ দেখুওৱা হৈছিল?

কাহিনীটোত ঈশ্বৰে, সৰ্তক কৰিবলৈ, শিকাবলৈ বা উদগণি দিবলৈ, পৰিস্থিতিক কি দৰে ব্যৱহাৰ কৰিছে?

যিবিলাকে বিতংভাৱে জানিবলৈ বিচাৰে, তেওঁলোকৰ বাবে কিছুমান প্ৰশ্ন নমুনা হিচাবে দিয়া হল। আত্মিক সম্পদ বিচাৰিবৰ বাবে ইয়াক ব্যৱহাৰ কৰিব পাৰে। এইয়া পৰামৰ্শ হিচাবেহে আপোনালৈ দিয়া হল।

নিজকে আপুনি প্ৰশ্ন কৰকঃ

- কাহিনীটোত মোক আচৰিত কৰি তোলাৰ কিবা কথা বা কৰ্ম্ম আছে নেকি? ঈশ্বৰৰ কাৰ্য্য, নাইবা লোকবিলাকৰ, নাইবা লোকবিলাকৰ আচৰণৰ পৰিনাম? ঈশ্বৰে আমালৈ দিয়া বাইবেলৰ কাহিনীটো মনোযোগেৰে শুনক, আৰু আচৰিত কৰি তোলাৰ কাৰণটো আবিস্কাৰ কৰক।
- এই ঘটনাটো ঘটাৰ আগতে কি হৈছিল, সেই উল্লেখিত চৰিত্ৰ বিলাক কোন, আৰু তেওঁলোকে কিয় তেনেদৰে আচৰণ কৰিছে, সেই বিষয়ে কিছু জ্ঞান পাব পাৰোনেকি?
- ঈশ্বৰৰ বৈশিষ্ট্যসূচক গুণ সমূহ, যেনেঃ সহনশীলতা, চিৰসহিষ্ণুতা, ক্ৰোধ, জ্ঞান, ন্যায়, মৰম, অনুগ্ৰহ,দয়া, দুৰ্ব্বলৰ প্ৰতি চিন্তা, সকলো লোকৰ প্ৰতি সম-মৰ্য্যদা নাইবা প্ৰেম আদিৰ কিবা গুণ ইয়াত দেখা পাওঁনে?
- সেই গুণ সমূহ ঈশ্বৰে কালৈ প্ৰদৰ্শণ কৰিছে, আৰু তাৰ পৰা মই কিবা শিকিব পাৰোনে?

- কাহিনীটোৰ পৰা মই জানিব পাৰোনেকি যে তাত উল্লেখিত ব্যক্তি সকল বিশ্বাসী নে অবিশ্বাসী লোক?
- কাহিনীটোত থকা কোনো ব্যক্তিৰ কিবা সমস্যা আছেনে? সেই সমস্যাটো কিমান গভীৰ?
- সমস্যাত পৰি থকা লোকজনে যদি ঈশ্বৰলৈ সহায় বিচাৰি গৈছে, তেন্তে তেওঁ কি দৰে সহায় বিচাৰিছে?
- সেই লোকজনে ভয়-ভক্তিৰে, নে অহংকাৰভাৱেৰে ঈশ্বৰৰ কাষ চাপিছে?
- ঈশ্বৰে তেনে জনলৈ কি দৰে সঁহাৰি দিছে, আৰু সেইটোৱে আমাক কি দেখুৱাব খুজিছে?
- সেই কাহিনীটোত ঈশ্বৰৰ আজ্ঞা পালনকাৰী কোনো নেতা আছেনে, আৰু ঈশ্বৰৰ বাধ্যহৈ চলাৰ পৰিনাম কি হল?
- সেই কাহিনীটোত ঈশ্বৰৰ আজ্ঞা নমনা কোনো নেতা আছেনে? আৰু আজ্ঞা নমনাৰ বাবে তেওঁৰ কি পৰিনাম হল?
- কাহিনীটোত থকা কোনো লোকে তেওঁলোকৰ বিশ্বাস বা দৃষ্টিভঙ্গি সলনি কৰিছেনে?
- কাহিনীত থকা কোনো চৰিত্রই বিশ্বাস, প্রেম, দয়া, ক্রোধ, ভয়, আশা, পক্ষপাতিতা, সন্দেহ, লোভ, বিভ্রান্তি, অজ্ঞতা, প্রজ্ঞা, সমাদৰ, অসন্মান, অন্ধবিশ্বাস বা আন দৃষ্টিভঙ্গি দেখুৱাইছেনে?
- সেই লোকবিলাকৰ বিশ্বাস, অনুভৱ, কথা বা কর্ম্ম সমূহৰ প্রতি ঈশ্বৰে কেনে প্রতিক্রিয়া প্রকাশ কৰিছে, আৰু ঈশ্বৰৰ সেই প্রতিক্রিয়াই আমাক কি বার্তা দিয়ে?
- কাহিনীটোত থকা কোনো চৰিত্রই তেওঁলোকৰ আচৰণ সলনি কৰিছেনে?
- কিহে তেওঁলোকৰ জীৱন সলনি কৰিলে?
- তেওঁলোক সলনি হোৱাৰ পাচত, তেওঁলোকৰ কি অৱস্থা হল? তাৰদ্বাৰা আমি কি শিক্ষা পালো?
- কাহিনীটোত কিবা আচৰিত বা অলৌকিক ঘটনা আছেনে? আৰু যদি আছে, সেই ঘটনা সমূহে লোকবিলাকৰ জীৱনত কেনেদৰে প্রভাৱন্বিত কৰিছিল?

"আত্মিক প্রয়োগ" বুলি কোৱা সম্পদ সমূহ কেনেকৈ আবিস্কাৰ কৰিব

আত্মিক প্রয়োগ বিচাৰি।কোনো এটা কাহিনী যত্নেৰে চোৱাৰ পাছত, এই কাহিনীটোৰ যোগেদি মই কি শিকিব পাৰো, তাক জানিব বিচাৰো। এই সময়ছোৱাতেই আমি আত্মিক জ্ঞান বিচাৰো। কাহিনীটোৰ মাজত আমি নিজে সোমাই পৰিলে আমি এই আত্মিক জ্ঞান আমাৰ জীৱনত প্রয়োগ কৰিব পাৰিম। কাহিনীটোত থকা লোকবিলাকৰ দৃষ্টিৰে আমি চাব লাগিব। তাৰ পাছত এটা এটাকৈ অংশ অধ্যয়ন কৰি 'আত্মিক নিৰীক্ষণ' সমূহ উলিয়াব লাগিব।

"কেৱল কাহিনীটো" ৰ কৃতকার্য্যতাৰ ছবি হল- আত্মিক জ্ঞান প্রয়োগ কৰিব পৰাতো আৰু কাহিনীটোত থকা আত্মিক নিৰীক্ষণৰ ওপৰত ই নির্ভৰ কৰে।

এই প্রশ্ন সমূহ নিজকে সোধকঃ

১. হুহ?... কাহিনীটোত দেখা পোৱা সেই পৰিস্থিতিটো...সেই দৰে আজিও ঘটে নেকি?

২. যদি ঘটে, কি দৰে সেই একে ধৰণৰ ঘটনা ঘটিব পাৰে?

৩. তেনে ঘটনা মোৰ জীৱনত ঘটিছিলনে- নাইবা মই জনা কোনোবা লোকৰ জীৱনত?

৪. এইটো এতিয়াই ঘটিছেনে? তেন্তে এইটো কেনেকৈ ঘটিছে, আৰু কাহিনীত যি আছে, তাৰ দ্বাৰা কেনেকৈ সহায় পাব পাৰি?

ব্যক্তিগত জীৱনত আত্মিক জ্ঞান প্রয়োগৰ বাবে এনে ধৰণৰ প্রশ্নসমূহ ব্যৱহাৰ কৰক। এইবোৰো সুধিব পাৰেঃ

হয়, সেইটো মোৰ জীৱনত ঘটিছিল। মই কি কৈছিলো? মই কি কৰিছিলো?

- মোৰ অন্য উপায় আছিলনে? মই কি সিদ্ধান্ত ললো?
- মই কি কৰিব পাৰিলোহেতেন? মোৰ এনে সিদ্ধান্তৰ পৰিনাম কি হল?
- মোৰ এনে সিদ্ধান্তৰ ফলত কোন কোন প্রভাবান্বিত হল? আৰু কেনে দৰে প্রভাৱন্বিত হল?
- এনে ধৰণৰ সমস্যাত যদি মই এতিয়া ভূগিব লগা হয় মোৰ প্রতিক্রিয়া কেনে হব?
- কাহিনীটোত যি যি ঘটিল তাৰ পৰা মই কি শিক্ষা পালো আৰু সেই শিক্ষাই মোৰ এনে পৰিস্থিতিত কি কৰিব লাগিব তাক জানিবলৈ সহায় কৰিবনে?

অৱশেষত, কাহিনীটোত, নিজকে সোধকঃ

- ঈশ্বৰে মোৰ জীৱনত নাইবা মোৰ দৰে অৱস্থাত থকা লোকৰ জীৱনত কেনে দৰে কার্য্য কৰিছে?
- ঈশ্বৰৰ সম্বন্ধে আৰু তেওঁৰ প্রকৃতিৰ সম্বন্ধে মই কি শিকিলো নাইবা মই কি শিক্ষা লোৱা উচিত আছিল?

প্রথমবাৰ কাহিনী এটা পঢি যাওঁতে ইয়াৰ অর্ন্তবস্তু দেখি, আপোনাৰ মনত খেলিমেলি লাগিব পাৰে। কাহিনীটোত থকা লোকজনক ঈশ্বৰে এনে দৰে প্রতিক্রিয়া কিয় কৰিলে বুলি ভাৰি আপুনি আচৰিত হব পাৰে। কেতিয়াবা আপোনাৰ এনে ভাৱ হয় যে হয় এইটো এটা সুন্দৰ কাহিনী,কিন্তু ইয়াত কোনো আত্মিক জ্ঞান পাবলৈ নাই। আৰু মোৰ জীৱনৰ লগত ইয়াৰ কোনো সম্বন্ধ নাই এনে ভাৱ হব পাৰে।

এইটো বিবেচনা কৰক। বাইবেলৰ প্রতিটো কাহিনীতেই অনেক আত্মিক জ্ঞান থাকে। সেইবোৰ আমি আজিও ব্যৱহাৰ কৰিব পাৰো। তলত দুটা শাস্ত্রাংশ দিয়া হল। ঈশ্বৰে বাইবেলত দিয়া বার্তা সমূহৰ কার্য্যকাৰিতাৰ বিষয়ে আপুনি কিবা আৱিস্কাৰ কৰিব পাৰিব নেকি চাওক। এই আত্মিক জ্ঞান বা অর্ন্তদৃষ্টিয়ে আপোনাক উদগনি দিব আৰু আপুনি জানিব ঈশ্বৰে তেনে দৰে কার্য্য কৰে। আৰু জানিবলৈ সক্ষম হব যে “আত্মিক জ্ঞান নিৰীক্ষণ” আৰু “আত্মিক জ্ঞান প্রয়োগ” ৰ শিক্ষা বাইবেলৰ প্রতিটো শাস্ত্রাংশতেই নিহিতহৈ আছে।

“গোটেই শাস্ত্র ঈশ্বৰৰ নিশ্বাসিত, আৰু যাতে ঈশ্বৰৰ মানুহ সিদ্ধ আৰু সকলো সৎকর্ম্মৰ নিমিতে সুসজ্জিত হব পাৰে, তাৰ কাৰণে শিক্ষাৰ, অনুযোগৰ, শুদ্ধৰণি আৰু ধার্ম্মিকতা সম্বন্ধীয় শাসনৰ অর্থে লাভজনক।”(২তীমঃ৩:১৬,১৭)।

“তেওঁবিলাকলৈ আৰ্হি স্বৰূপে এইবোৰ ঘটিছিল, আৰু শেষযুগৰ মানুহ যি আমি, আমাক চেতনা দিবলৈ লিখা আছে। এই কাৰণে যি কোনোৱে থিৰে আছো বুলি ভাবে, তেওঁ যেন নপৰে তাৰ নিমিত্তে সাৱধান হওক। যি যি পৰীক্ষা মানুবিলাকত চলে তাৰ বাহিৰে তোমালোকলৈ আন পৰীক্ষা ঘটা নাই। কিন্তু ঈশ্বৰ বিশ্বাসী, তেওঁ তোমালোকলৈ শক্তিৰ অতিৰিক্ত পৰীক্ষা ঘটিবলৈ নিদিব। কিন্তু যাতে তোমালোকে সহিব পাৰিবা, তাৰ কাৰণে পৰীক্ষাই সৈতে সাৰিবৰ উপায়ো কৰিব।”(১কৰিঃ১০:১১-১৩)।

এই পদবোৰৰ পৰা জানিব পৰা হয় যে বাইবেলৰ সকলো বাক্যই, আনকি কাহিনীত থকা কথাবোৰো, আমালৈহে আৰু আমাৰ বাবেহে লিখা হৈছে। ঈশ্বৰে, কাহিনীটো সুন্দৰ হওক বুলিয়েই বাক্যবোৰ তেনেদৰে লিখা নাই। সেইবাবে, বাইবেলৰ কাহিনী সমূহত কি আছে তাক যত্নেৰে চাব লাগে, আৰু সেই বার্তা সমূহৰ যোগেদি আমাক কি কবলৈ বিচাৰিছে, তাক আৱিস্কাৰ কৰিব লাগে।

কাহিনীকওঁতা ও প্রশ্ন কৰোতা হিচাবে আপুনি লবলগীয়া কিছুমান পদক্ষেপ আছে। এই বিলাকে শ্রোতা সকলক সত্যসমূহ নিজে নিজেই বিচাৰি পোৱাত সহায় কৰিব।

যেতিয়ালৈকে আপুনি নিজে সম্পদ সমূহ আৱিস্কাৰ কৰিব নোৱাৰে, যেতিয়ালৈকে শ্রোতাসকলক সম্পদসমূহ বিচাৰি উলিওৱাত আপুনি সাহয় কৰিব নোৱাৰে

কাহিনীকওঁতা হিচাবে আপুনি যদি কাহিনীটোৰ দ্বাৰা অনুপ্রাণিত হোৱা নাই, তেন্তে পুনৰ প্রভুৰ কাষ চাপক আৰু আপুনি পাবলৈ ব্যর্থহোৱা সত্যসমূহ যেন বিচাৰি পায় তাৰ বাবে প্রার্থনা কৰক।সম্পদ বিচাৰি পাবলৈ যিবিলাক নিদ্দেৰ্শনা দিয়া হৈছে সেই সকলো অনুকৰণ কৰাৰ পাছতো যদি আপুনি আত্মিক জ্ঞান লাভ কৰা নাই, তেতিয়া হলে আনক শিকাবলৈ আপুনি এতিয়াও যুগুত হোৱা নাই।

আপুনি কাহিনীত থকা কিছুসম্পদ বিচাৰি পাবলৈ সক্ষম হোৱাৰ পাছতেই, আপুনি প্রশ্ন সমুহ যুগুত কৰিব পাৰিব। আৰু এই প্রশ্ন সমূহে শ্রোতাসকলক কাহিনীটোত থকা সম্পদ সমূহ নিজে নিজেই বিচাৰি উলিয়াবলৈ সক্ষম কৰিব।

কিয় প্রশ্ন সুধিব লাগে-ইয়াৰ গুৰুত্বতা

আপুনি খোজকাটি ফুৰিবলৈ যাওঁতে যদি এক সম্পদ আৱিস্কাৰ কৰে, তেন্তে আপুনি ৰোমাঞ্চিতহৈ পৰিব। আপুনি সেই সম্পদলৈ ঘুৰি আহি বন্ধুবর্গৰ লগত বিনিময় কৰিলে, তেওঁবোৰে তাক পাই অতি আনন্দিত হব। কিন্তু তেওঁলোকৰ সেই আনন্দ আপুনি নিজে বিচাৰি

পোৱা যি আনন্দ, তাৰ লগত তুলনা নহব। নিজে আৱিস্কাৰ কৰি পোৱাটো এটা বেলেগ আনন্দ।

সহজে উত্তৰ দিব পৰা প্ৰশ্ন সোধক। বিশেষকৈ আলোচনা প্ৰক্ৰিয়াৰে শিক্ষা দিয়াৰ আৰম্ভনিতে "কেৱল কাহিনীটো" ৰ পদ্ধতিৰে অধ্যয়নৰ ধাৰণাটো কৃতকাৰ্য্য হবলৈ হলে এইটো অতি গুৰুত্ব দিব লগীয়া কথা।

বাইবেলত আত্মা সম্বন্ধীয় সত্যসমূহ যে আছে অনেক মানুহে তাক নাজানে। আন কিছুমানে জানে যে বাইবেলত অনেক আত্মিক সম্পদ আছে, কিন্তু সেইবিলাক যে বিচাৰি উলিয়াবলৈ তেওঁলোক সমৰ্থ, তাক নেজানে। সাধাৰণ এটা বাৰ্ত্তা যদি তেওঁলোকে আবিস্কাৰ কৰিব পাৰে আৰু তাৰ বাবে তেওঁলোকক যদি উদগণি দিয়া হয়, তেন্তে তেওঁলোকে আৰু অধিক সত্য উদঘাটন কৰিবলৈ অনুপ্ৰেৰণা পাব।

বহুত বিশ্বাসীয়েই বাইবেলৰ বাক্য আৰু অৰ্থ মনোযোগেৰে শুনাত অভ্যস্ত নহয়। উদ্দেশ্যপূৰ্ণ প্ৰশ্ন সমূহ (যদিও সেইবিলাক হয়-নহয় প্ৰশ্ন হব পাৰে) 'আত্মিক নিৰীক্ষণ' কৰিবলৈ আগবঢাই নিয়াত উপযুক্ত ও ব্যৱহাৰ যোগ্য।

"কেৱল কাহিনীটো" ৰ পদ্ধতিত, আমি নতুন শিকাৰো বিলাকৰ লগত প্ৰথমে কাম কৰোতে, তেওঁলোকক পোনপটীয়াকৈ সম্পদ বিচাৰি উলিয়াবলৈ নেতৃত্ব দিওঁ। আৰু সম্পদটো তেওঁলোকৰ হাতত গতাই দিওঁ। দক্ষ শিক্ষকজনে আনে গম নোপোৱাকৈয়ে প্ৰশ্নৰ সহাঁৰি দিওঁতা সকলক নেতৃত্ব দি চলাই নিয়ে। শিকাৰো সকলৰ এনে ভাৱ হয় যেন সম্পদ আৱিস্কাৰ কৰাত তেওঁলোকৰহে অৰিহনা অধিক! শিকাৰো সকলে নিজৰ প্ৰচেষ্টাৰে সম্পদৰ এটা সৰু অংশও যদি উন্মোচিত কৰিবলৈ সক্ষম হয়, তেতিয়া তেওঁলোকে আৰু অধিক সম্পদ বিচাৰিবলৈ অনুপ্ৰাণিত হয়।

বাইবেল স্কুলৰ শিক্ষাপ্ৰাপ্ত সকলে সাধাৰণতে কেনেকৈ শাস্ত্ৰাংশ বিশ্লেষণ কৰিব লাগে তাক জানে, কিন্তু শাস্ত্ৰাংশ সমূহ কাহিনী হিচাপে মনোযোগেৰে শুণাত হয়তো সময় দিয়া নাই। "কেৱল কাহিনীটো" ৰ পদ্ধতিয়ে কাহিনীটো এক কৰা ৰখাৰ আৰু অকলশৰীয়াকৈ সত্যৰ আধাৰ হিচাবে অনুসন্ধান কৰিবলৈ দক্ষতা বঢায়।

এটা গাঁতত খোজদিয়া

কেতিয়াবা কেতিয়াবা আপুনি এনে ব্যক্তি নিশ্চয়ে লগ পায় (যি বিলাকৰ কোনো ধৰ্ম্ম সম্বন্ধীয় শিক্ষা হয়তো নাই)তেওঁলোকে ভাৱে যে বাইবেল সম্বন্ধে জানিৱলগীয়া সকলো কথা জানে। তেওঁলোকক সহায় কৰিবৰ কাৰণে আপুনি এটা প্ৰশ্ন কৰিব পাৰে। এই প্ৰশ্নৰ দ্বাৰাই এই অহংকাৰী লোকবিলাক আপোনা-আপোনি এটা "গাঁতত" সোমাই পৰিব। 'গাঁত' মানে এটা ত্ৰুটিপূৰ্ণ ধাৰণা। যিটো ধাৰণা কাহিনীটোৰ তথ্য সহকাৰে প্ৰতিপন্ন কৰিব পৰা নাযায়। আপুনি প্ৰশ্ন সুধিব, কিন্তু তাৰ উত্তৰ প্ৰকাশিত নহয়। আপুনি ত্ৰুটিপূৰ্ণ উত্তৰটো শুনি 'হূহ' ই আমোদজনক বুলি প্ৰতিক্ৰিয়া প্ৰকাশ কৰি, নিজৰ কাৰ্য্যত আগুৱাই যাওক।

এইদৰে আলোচনা চলি থাকিলে শুদ্ধ উত্তৰটো জল-জল পট-পট কৈ ওলাই পৰিব। বিবেচনা নকৰাকৈ উত্তৰ দিওঁতা সকলে নিজৰ ভুল নিজেই উপলব্ধি কৰিব। আপুনি তেওঁলোকক শুধৰাই দিয়া নাই, কিন্তু তেওঁলোকে কৰা ভুলটোৱে তেওঁলোকক প্ৰকাশ কৰি দেখুৱাই দিব যে, তেওঁলোকে প্ৰথমে ভাবাৰ দৰে সিমান জানো বুলি ভাবিছিল, সিমান নাজানে। বুদ্ধিৰে সজা ফান্দত পৰা সেই অভিজ্ঞাতাই অংহকাৰী অংশগ্ৰহণকাৰী সকলক শিক্ষা আহৰণ কৰিবলৈ আৰু মনোযোগ দিবলৈ অধিকভাৱে অনুপ্ৰাণিত কৰিব।

সময়ে সময়ে লোকবিলাকে আৱিস্কাৰ কৰে, যে তেওঁলোকে আগতে শুনা কাহিনীটো(যিটো নিৰ্ভুল বুলি ভাবিছিল) প্ৰকৃততে অথ্যৰ ওপৰত প্ৰতিষ্ঠিত নহয়। আৰু তেওঁলোকে কাহিনীটোৰ অনেক কথাই বুজা নাছিল। তেওঁলোকে উপলব্ধি কৰে যে তেওঁলোকে অধিক দায়িত্বশীল হব লাগিব আৰু কাহিনীত থকা সত্যটো জানিবলৈ অধিক মনোযোগ দি শুনিব লাগিব।

পবিত্ৰ আত্মা- মহান শিক্ষকজনা

আমি বিশ্বাসী সকলে, পৰিত্ৰাণ প্ৰাপ্ত নোহোৱা লোকৰ আগত কেৱল যোহন ৩:১৬ পদটোৰ কথাহে কওঁনে? তাৰ পাছত সেই পদটোৰ কথা আলোচনা নকৰোনে? তেওঁক পবিত্ৰ আত্মাইহে শিকাব বুলি ভাবি সেই শাস্ত্ৰপদ আলোচনা নকৰাকৈ থাকোনে? নহয়, যতদূৰ সম্ভৱ হয় আমি সেই পদটো আলোচনা কৰো। বাইবেলে কৈছে যে পবিত্ৰ আত্মাই আমাক সকলো সত্যলৈ পথদেখুৱাই নিব। কিন্তু পৃথিবীৰ বিভিন্ন ঠাইত "কেৱল কাহিনীটো" মতবিনিময় কৰি জানিব পাৰিছো যে, অনেক বিশ্বাসীয়ে, বাইবেলৰ কাহিনী বিলাকত যে সম্পদ সমূহ গুপ্তহৈ আছে,তাক নাজানে। ঈশ্বৰে যে তেওঁলোকক শিকাব এই কথাটো বাদেই দিয়ক

এটা শূণ্য শ্ৰেনীকোঠাৰ সন্মূখত থিয়হৈ পবিত্ৰ আত্মাই এতিয়াও শিকাবলৈ বাটচাই আছে।

"কেৱল কাহিনীটো" ৰ মতে কোনো এটা কহিনী যুগুত কৰা সময়ত, সেই কাহিনীটোত থকা সম্পদ সমূহ আমাক দেখুৱাই দিবলৈ আমি প্ৰভুক কওঁ। আৰু যিবিলাক প্ৰশ্নই আনক সম্পদ সমূহ বিচাৰি উলিওৱাত চলাই নিব, তেনে প্ৰশ্নসমূহ যুগুত কৰিব যেন পাৰো, তাৰ বাবে তেওঁৰ পৰা সহায় বিচাৰো। শ্ৰোতা সকলে সেই সম্পদ আবিস্কাৰ কৰিলে, পবিত্ৰ আত্মাই যে শ্ৰেণীকোঠাত থকা প্ৰতিজনৰ অন্তৰত কথা কলে, তাক আমি স্বীকাৰ কৰো।

মাজে সময়ে আপোনাৰ শ্ৰোতাসকলৰ পৰা প্ৰশ্ন আহিব পাৰে। তাৰ উত্তৰ নিশ্চয়ে বাইবেলত থকা অন্য কাহিনী আৰু বাৰ্ত্তা সমুহৰ পৰাই দিব লাগিব। আপুনি উত্তৰটো আৰু ইয়াৰ উৎসটো জানিলে, সম্পূৰ্ণ উত্তৰটো তেতিয়াই দিবনে, সংক্ষেপে সঁহাৰি জনাব, তাৰ বাবে জ্ঞান বিচাৰি ঈশ্বৰৰ কাষ চাপক।নাইবা এইদৰে কব, "সুন্দৰ প্ৰশ্ন ইয়াৰ বাবে আমি বাট চাম। কিয়নো এইটো সম্পূৰ্ণ নতুন দিশ। আপোনাৰ এই সুন্দৰ প্ৰশ্নটোৰ লগত সম্পৰ্ক ৰাখি, মই বেলেগ সময়ত কেৱল কাহিনীটো কবলৈ পৰিকল্পনা কৰিছো।"

শ্ৰোতাসকলৰ প্ৰতি সংবেদনশীল হব। পবিত্ৰ আত্মা নাইবা ব্যক্তিৰ আত্মিক আহাৰৰ প্ৰতি থকা ভোকটোৱে, তেনে অপ্ৰত্যাশিত প্ৰশ্ন কৰিবলৈ তেওঁক অনুপ্ৰাণিত কৰিব পাৰে। কাহিনীটোৰ

বাহিৰৰ প্ৰশ্ন আহিলে, জানিবলৈ প্ৰাৰ্থনা কৰক- কিবা সত্য আৱিস্কাৰ কৰিবলৈ ঈশ্বৰৰ দ্বাৰা পৰিচালিত এটা সুযোগ দিয়া হৈছে নেকি। এনে সুযোগ নেহেৰুৱাব, সেই প্ৰশ্নৰ উত্তৰ দিয়ক!

"কেৱল কাহিনীটো"ৰে দেখুওৱা পদ্ধতি, কাহিনীকওঁতা সকলে ব্যৱহাৰ কৰি, ক্ৰমান্বয়ে উন্নত মানৰ প্ৰশ্ন সোধাৰ দক্ষতা অৰ্জন কৰে। লোকবিলাকে নিজে সম্পদৰাজি বিচাৰি পাবলৈ সক্ষমহোৱাৰ লগে লগে, জ্ঞানী নেতা সকলে জানে যে তেওঁলোকে স্পষ্ট ইংগিত দিয়াৰ পৰা বিৰত থাকিব, আৰু লোকবিলাকক ক্ৰমে অধিক আৱিস্কাৰ কৰিবলৈ সুযোগ দিব। আৱিস্কাৰ চিন্তাধাৰা ঈশ্বৰৰ যি বৰ, তাক লোকবিলাকৰ অন্তৰত জগাই তোলাটো এক শিহৰণকাৰী আনন্দ।

প্ৰেম প্ৰদৰ্শণ কৰক

এই আলোচনা প্ৰক্ৰিয়াটো ব্যৱহাৰ কৰিলে, কৃতকাৰ্য্যতাৰ ছাবি কাঠি, ১কৰিঃ১৩:১ পদত উল্লেখিত কথাটোও ব্যৱহাৰ কৰিব লাগিব। আমি প্ৰেম দেখুৱাব লাগিব। "যদিও মই স্বৰ্গদূতৰ ভাষাৰে কথাকওঁ, মোৰ অন্তৰত প্ৰেম নাথাকিলে, মই মাথো বাজি থকা কাঁহ।"

এইটো জানি লওক

বহুত মানুহে সমাজৰ আগত থিয়হৈ কথা কবলৈ আতংকিত হৈ পৰে। গতিকে, সেই সকলৰ আগত কথা কওঁতে আপুনি অধিক প্ৰেৰণাদায়ক হব লাগিব। কেতিয়াবা কেতিয়াবা আপুনি হয়তো নেতা বা পালক সকলকো শিক্ষা দিয়ে। তেওঁলোক সমাজৰ আগত নিঃসন্দেহে সহজভাৱে থাকিব পাৰে। তথাপি তেঁলোকৰ বহুতকেই ৰাজহুৱা ভাৱে শুধৰোওৱা হোৱা নাই! সেইকাৰণে, আপুনি আলোচনা মাধ্যমেৰে শিক্ষাদিওঁতে আতংকিত হোৱা আৰু যিবিলাকক ৰাজহুৱা ভাৱে শুধৰোৱা হোৱা নাই , বা শুধৰায় দিয়া কাৰ্য্যত অভ্যস্ত নহয়, এই দুয়ো বিধ লোকৰ প্ৰতি সংবেদনশীল হব লাগিব। শ্ৰোতাসকলে কাহিনীটো পুনৰ কওঁতে, বা প্ৰশ্নোত্তৰ দিওঁতে, বা নিজক নিৰীক্ষণ কৰি পোৱা কথা কওঁতে, এইটো মনত ৰাখিব। লোকবিলাকে সামান্যভাৱে বা সাধাৰণভাৱে উত্তৰ দিলেও কাহিনীকওঁতা জনে বা শিক্ষকে বিনয়ীভাৱে শুধৰণী কাৰ্য্য কৰাতো অতি প্ৰয়োজন।

সদায় মনত ৰাখিব, উগ্ৰভাৱে শুধৰণি কৰাতকৈ নম্ৰতাৰে হাঁহিমূখে শুধৰাই দিলে ব্যক্তিজনে সহজভাৱে গ্ৰহণ কৰিব পাৰে।মনত ৰাখিব, কাহিনীকওঁতা হিচাবে দলটোৰ পৰিবেশ আপুনিয়েই নিয়ন্ত্ৰণ কৰিব লাগিব। আপুনি কিবা এটা মনোনীত কৰিব পাৰে। আপুনি শ্ৰোতাসকলক অনুপ্ৰাণিত কৰি এটা অনুসন্ধান আৰু আৱিস্কাৰ কৰা মনোবৃত্তি গঢ দিব পাৰে যাতে তেওঁলোকৰ ধাৰণা আৰু ভাৱধাৰা দাঙি ধৰিব পাৰে, নাইবা আপুনি এক উদ্বেগ আৰু নিৰাশৰ পৰিবেশ সৃষ্টি কৰি অংশগ্ৰহণ কাৰীসকলক এনে ভাব আনি দিব পাৰে যেন গোটেই আলোচনা সময়টো এটা পৰীক্ষাহে আৰু এই পৰীক্ষাত তেওঁলোকে শুধ উত্তৰটোৱেই দিব লাগিব।আপোনাৰ কাহিনীটো মনত ৰাখিবলৈ আৰু প্ৰশ্ন সুধিবলৈ কষ্ট কৰি থকা সময়ত, লোকবিলাকৰ কথা ভাবিব যিসকল লোকক আপুনি পৰিচালনা কৰিছে। তেওঁলোকক সহঁৰি

দিয়ক আৰু সদায় মনত ৰাখিব যে আপোনাৰ দক্ষতা নহয়, কিন্তু তেওঁলোকৰ প্ৰতি দেখুওৱা প্ৰেমহে সাৰ কথা।

দক্ষতা ৩: কেনেকৈ প্ৰশ্ন সাজিব লাগে

প্ৰধান উদ্দেশ্য আৰু বাইবেলৰ কাহিনী কোৱা ফল, আৰু তাৰ পাছত এইবোৰৰ আলোচনাঃ

ঈশ্বৰৰ লক্ষ্যন সমুহৰ সম্পৰ্কে শিক্ষা আহৰণ কৰা

ঈশ্বৰে মানুহৰ বাবে আৰু মানবজাতিৰ পৰা কি বিচাৰে-তাক শিকা

সত্যটোক আমাৰ নিজৰ বাবেই জানিলোৱা আৰু মানিলোৱা।

“কেৱল কাহিনীটো” ৰ কেনীয়াৰ এটা কৰ্ম্মশালাত যোগদান কৰাৰ পাছত এগৰাকী মণ্ডলী প্ৰতিষ্ঠাপকে এটা নিৰীক্ষণৰ কথা কৈছিল। এওঁ ঈশ্বৰ সম্বন্ধীয় প্ৰশিক্ষণৰ কথাত বৰ দৃঢ আছিল, তেওঁ পৰিচৰ্যাৰ বাবে নিজৰ ব্যৱসায়ও বাদ দিছিল। কিন্তু চাৰিবছৰৰ পাছতো তেওঁ, গাওঁখনত পৰিচৰ্যা কৰি কোনো ফল দেখা নেপালে।

এই কৰ্ম্মশালালৈ আহিবলৈ তেওঁ দুদিন উটৰ পিঠিত, এদিন ‘এয়াৰ বাচত,’ আৰু এদিন বাচত উঠি আহিব লগীয়া হৈছিল। ‘কৰ্ম্মশালাটো’ ত যি শিকাইছিল তাক তেওঁ ভাল পাইছিল, আৰু নিজকে শক্তিশালী যেন অনুভৱ কৰিছিল। তেওঁ কৈছিল, “আজিপৰ্য্যন্ত, আনে মোক যি শিকাইছিল, তাকহে শিকাইছিলো, কিন্তু বাইবেলৰ পৰা নিজে কেনেকৈ শিক্ষা আহৰণ কৰিব লাগে তাক জনা নাছিলো।”

“এতিয়া মই জানিছো যে যি ঠাইলৈ মই নিজে যোৱা নাই, তালৈ আনলোককো চলাই নিব নোৱাৰো”

এই কাৰণেই আমি প্ৰশ্ন ব্যৱহাৰ কৰো। প্ৰথমে কাহিনীকওঁতা সকলে ঈশ্বৰৰ বাক্যৰ পৰা নতুন বাৰ্ত্তা আহৰণ কৰে আৰু তাৰ পাছত, প্ৰশ্ন সমূহৰ দ্বাৰাই আনকো নিজেশিকা অমূল্য সত্যসমূহলৈ পথ দেখুৱাই নিয়ে।

“ৰুটি টোকোৰা”ৰ দ্বাৰা পথদেখুৱাই নিয়াটো এটা দক্ষতা, যিটো আমি “কেৱল কাহিনহীটো”ৰ কৰ্ম্মশালাত শিকাওঁ। “কেৱল কাহিনহীটো” ৰ পৰা শিকোৱা সকলে, প্ৰথম অৱস্থাত, এটা “শুধ”প্ৰশ্ন শুধিয়েই লোকবিলাকক সম্পদ বিচাৰিবলৈ দিব খোজে। এনে পদ্ধতিৰে কাৎচিতহে কাম কৰে। এটা চৰাইক, সজাটোলৈ ফুচুলাই নিবলৈ সন্মুখত এখন ৰুটী থৈ দিলেই নহব। তাৰ সলনি, সজাটোলৈ যোৱাৰ পথত, সৰু সৰু ৰুটিৰ টোকোৰা লানি নিছিগাকৈ থওক। সেই সৰু সৰু টোকোৰাবোৰ খাই খাই চৰাইটো সজাটোৰ ভিতৰত সোমাবগৈ। সেইদৰে আপুনিও, আত্মা সম্বন্ধীয় সম্পদ আৱিস্কাৰ কৰিবলৈ,কেইবা লানিও প্ৰশ্ন কৰাৰ আৱশ্যকতা আছে।

অনুগ্ৰহ কৰি মন কৰক।এতিয়া “আব্ৰাম আৰু চাৰী” ৰ কাহিনীটো অভ্যাসৰ বাবে দিয়া হৈছে। ইয়াত আৰু ইয়াৰ পাছত উল্লেখ কৰা এই হাতপুথিৰ কাহিনীবোৰতো অনেক আত্মিক জ্ঞান নিৰীক্ষণ, আত্মিক জ্ঞান প্ৰয়োগ আৰু প্ৰশ্ন সমূহ আপোনাৰ বাবে লিখা হৈছে। কিন্তু “কেৱল

কাহিনহীটো”ৰ কর্ম্মশালাত আমি আপোনাক প্রশ্নসমূহ লিখি লবলৈ কেতিয়াও নিশিকাওঁ। আপুনি প্রশ্নসমূহ লিখিলোৱাৰ কোনো প্রয়োজন নাই। এই হাতপুথিত লিখিতভাবে প্রশ্নসমূহ দিয়া হৈছে যাতে শিক্ষিত সকলে, থিতাতে পোৱা কর্ম্মশালাত শিকিব নোৱাৰা কথাখিনি, ইয়াৰ যোগেদি নিজকে মানসিক ভাবে প্রস্তুত কৰিব পাৰে। এই প্রশ্নসমূহ নমুনা হিচাবেহে দিয়া হৈছে। সময়ত নিজৰ অধ্যয়ন আৰু আনক শিকোৱাৰ জৰিয়তে, আপুনি নিজেই প্রশ্নকৰাৰ দক্ষতা অর্জন কৰিব পাৰিব।

কাহিনীকওঁতা হিচাবে, কাহিনীবিলাকৰ আলোচনা কৰি যাওঁতে, শিকাৰো সকলে, নিৰীক্ষণ আৰু প্রয়োগ সমূহ আপুনি প্রশ্ন কৰাৰ আগতেই, আৱিস্কাৰ কৰিবলৈ সক্ষম হব পাৰে। এনেদৰে আগতীয়াকৈ সম্পদসমূহ শিক্ষার্থী সকলে বিচাৰি পোৱাতো বাঞ্ছনীয়। লোকবিলাকে কেনেকৈ শাস্ত্রৰ গভীৰতালৈ গৈ নিজে নিজেই সম্পদ আৱিস্কাৰ কৰিবলৈ সক্ষম হৈছে, ই তাকেই বুজায়।

আনক সম্পদ সমূহলৈ পৰিচালিত কৰিবৰ বাবে প্রশ্ন সমূহ বিকশিত কৰা

আপুনি উদঘাটন কৰা সম্পদ সমূহ আনেও বিচাৰি পোৱাত সহায় কৰিবৰ বাবে প্রশ্ন যুগুত কৰিবলৈ কাহিনীটোৰ আৰম্ভনীলৈ যাওঁক। আপুনি আত্মিক জ্ঞান নিৰীক্ষণৰ বাবে নিজে ব্যৱহাৰ কৰা প্রশ্ন সমূহ মনত পেলাওক। সেই একেখিনি প্রশ্নকেই আনৰ ক্ষেত্রতো পুনৰ ব্যৱহাৰ কৰিব পাৰে। মনতে কাহিনীটো সোঁৱৰণ কৰক। আপুনি আবিস্কাৰ কৰা আত্মিক জ্ঞান নিৰীক্ষণৰ কথা ভাৱক। মনত ৰাখিব কাহিনীটোৰ প্রতিটো অংশতে জ্ঞানী পৰামর্শদাতা জনে অনেক প্রশ্ন সোধাৰ প্রয়োজনীয়তা কেনে দৰে দেখু�ৱাইছিল। এনেদৰেহে আপুনি আত্মিক জ্ঞান সমূহ নিৰীক্ষণ কৰি আৱিস্কাৰ কৰিছিল।

জ্ঞানী পৰামর্শদাতা জনে সোধাৰ দৰেই আপুনিও শ্রোতা সকলক এলানি প্রশ্ন কৰিব পাৰে যাতে আপোনাৰ দৰে, তেওঁলোকেও আৱিস্কাৰ কৰিবলৈ সমর্থ হব পাৰে।

উদাহৰণ স্বৰূপে, আপুনি যদি আদিঃ ১২:১০-২০ পদত থকা কাহিনীটো কৈছে, আপুনি যুগুত কৰি থাকোতেই প্রথম পদকেইটাতেই অনেক কথা নিৰীক্ষণ কৰিব।

পাছে সেই দেশত আকাল হল আৰু আকাল অতিশয়ৰূপে বৃদ্ধি পাইযোৱাত অব্রামে মিচৰ দেশত প্রবাস কৰিবলৈ নামি গল। তেওঁ মিচৰ দেশত সোমাবলৈ ধৰোতে তেওঁৰ ভার্য্যা চাৰীক কলে, চোৱা তুমিযে সুন্দৰী তিৰোতা তাক মই জানো। এই কাৰণে মিচৰীয়া বিলাকে তোমাক দেখি, তুমি মোৰ ভার্য্যা বুলি মোক বধ কৰি তোমাক জীয়াই ৰাখিব। মিনতি কৰো, তোমাৰ দ্বাৰাই মোৰ মঙ্গল, আৰু তোমাৰ পৰাই মোৰ প্রাণ ৰক্ষা পৰিবৰ নিমিত্তে তুমি, মই তেওঁৰ ভনীয়েক বুলি কবা।” (আদিঃ১২:১০১-২০)।

কাহিনীটো জানি আপুনি নিশ্চয়ে মন কৰিছে যে, অব্রামে আৰম্ভণীতেই এটা পথ বাছি ললে। তেওঁ ঈশ্বৰত ভাৰসা কৰিব পাৰিলেহেতেন, কিন্তু তাৰ পৰিবর্তে তেওঁ শংকিত হল। অঙ্গীকৃত দেশৰ পৰা তেওঁ আঁতৰি গল, আকাল হোৱাৰ বাবে তেওঁ মিচৰ দেশলৈ নামি গল, আৰু অব্রামে নিজৰ নিৰাপত্তাৰ বাবে চাৰীক মিছা মাতিবলৈ কলে।(কোনো কোনোৰ মনত এইটো দেখি সংঘাত হব, কাৰণ মিচৰলৈ নামি যোৱাতো ভুল আছিল, পাচত যাকুবৰ আৰু তেওঁৰ

পৰিয়ালৰজীৱনতো তেনে এটা ঘটনা ঘটা দেখা পাওঁ। অৱশ্যে যাকোবৰ ক্ষেত্রত কৈছে যে ঈশ্বৰে তেওঁলোকক পথদর্শক হৈ চলাই নিলে। সেই কাৰণে, "ঈশ্বৰে চলাই নিলে" এই দুটা পৰিবেশৰ প্রার্থক্যটো ইয়াতে দেখা যায়।)

এনে ধৰণৰ আৰু অনেক আৱিস্কাৰৰ পাছত, এই নিৰীক্ষণৰ ওপৰত ভিত্তিকৰি আপুনি হয়তো কিছুমান আত্মিক জ্ঞান প্রয়োগৰ বিধি প্রস্তুত কৰিলেহেতেন। আপুনি দেখা পাইছে যে ঈশ্বৰে তেওঁৰ বাক্য পালন কৰোতা আৰু তেওঁৰ ইচ্ছাৰ দৰে চলোতা সকলোকে প্রতিশ্রুতি দিছে। আপুনি আৰু দেখিব যে মানুহৰ জীৱনত 'হেঁচা' পৰা সময়ত আমি ভুল সিদ্ধান্ত লব পাৰো আৰু ঈশ্বৰৰ ওচৰলৈ যোৱাৰ পৰিবর্তে মানুহত আশ্রয় লওঁ। আত্মিক জ্ঞান প্রয়োগৰ সময়ত এনে ভুল বিচাৰ লোৱা হব পাৰে। লগতে আপুনি এইটোও উপলব্ধি কৰিছে যে কেতিয়াবা জীৱনত খৰখেদাকৈ লোৱা সিদ্ধান্তৰ বাবে আমি অধিক পাপ কৰো- হয়তো মিছা কথাকৈ বা অভিসন্ধি কৰি আৰু আমাত ভাৰসা কৰোতা সকলকো পাপত সাঙুৰি লৈ আমি পাপৰ উপৰি পাপ কৰো।

এতিয়া আপোনাৰ নিৰীক্ষণ, প্রশ্নলৈ ৰূপান্তৰ কৰক

কাহিনীটোৰ পৰা প্রশ্ন যুগুত কৰক। আপুনি শ্রোতাসকলক আত্মিক সম্পদ আৱিস্কাৰ কৰিবলৈ প্রশ্নসমূহ বিকশিত কৰাৰ লগে লগে, প্রশ্নসমূহ ঠিক কৰি লওঁক।

ইয়াত কিছুমান প্রশ্ন দিয়া হল। আত্মিক জ্ঞান নিৰীক্ষণৰ ওপৰত ভিত্তি কৰি, এইবিলাক ব্যৱহাৰ কৰিলে অনেক আৱিস্কাৰৰ পথ মুকলি কৰি দিব।

১. এই কাহিনীটোৰ আগতে, ঈশ্বৰে অব্রামক কলৈ যাবলৈ কৈছিল আৰু তেওঁৰ কাৰণে ঈশ্বৰে কি কৰিম বুলি কৈছিল?

২. আমি দেখিলো যে আকাল হোৱাৰ কাৰণে অব্রামে অঙ্গীকৃত দেশখন এৰি সহায় বিচাৰি মিচৰলৈ গৈছিল। তাকে নকৰি অব্রামে আন কি কৰিব পাৰিলেহেতেন?

৩. অব্রামে কৈছিল যে মিচৰীয়া বিলাকে তেওঁক বধ কৰিব বুলি ভয় কৰিছিল-কাহিনীটোত এই কথা পাওঁ। অব্রামৰ ভয়টোৰ বিষয়ে আপুনি কি ভাৱে? তাৰ পৰা অব্রামৰ বিষয়ে আমি কি শিকাব পাৰো?

৪. ইয়াৰ আগৰ কাহিনীটোৰ বিষয়ে আমি একেলগে আলোচনা কৰিছিলো। ঈশ্বৰে অব্রামক কিবা প্রতিশ্রুতি দিছিল বুলি মনত পৰেনে? আৰু সেইটোৱে অব্রামক শংকিত নহৈ সাহসী হবলৈ সহায় কৰিলে হেঁতেনে?

৫. অব্রামৰ ঘনিষ্ট কোনোবাই অব্রামৰ অবিশ্বাসৰ ফল ভোগ কৰিছিল নে? আপুনি ইয়াত কি দেখা পাইছে?

৬. তেওঁৰ পাপৰ প্রভাৱ দেখা পাইছেনে?

তলত নমূনা হিচাবে কিছু প্রশ্ন দিয়া হল। ইয়াৰ দ্বাৰা আত্মিক জ্ঞান প্রয়োগ কৰিবলৈ পথ মুকলি কৰি দিব

১. ঈশ্বৰে অব্ৰামক এটা ঠাইৰ সম্পৰ্কে নিৰ্দেশণা দিছিল, যি ঠাইত থাকিলে তেওঁ আশীৰ্বাদ কৰিব। কিন্তু পৰিস্থিতি জটিল হোৱা বাবে অব্ৰামে সেই ঠাই এৰিলে। আপুনি ভাবেনে যে ঈশ্বৰে আজিও তেওঁৰ অনুকৰণ কাৰী সকলক এনে এক ঠাই বা স্থানলৈ নিব পাৰে, কিন্তু জটিল পৰিস্থিতি হলে লোকবিলাকে, আগতে ঈশ্বৰে কেনেকৈ চলাইছিল,তাক পাহৰি যাব? সেইটো কি প্ৰকাৰে ঘটিব পাৰে? আপোনাৰ জীৱনত তেনে ঘটিছিলনে? বা আপুনি জনা কোনো ব্যক্তিৰ জীৱনত?

২. আমি দেখা পাইছো যে যদিও ঈশ্বৰে মনোনীত কৰা ঠাইতেই অব্ৰামে বসবাস কৰিছিল,তথাপি অব্ৰামে এক ভয়ংকৰ পৰিস্থিতিৰ সন্মূখীন হল। আজিৰ দিনতো, ঈশ্বৰৰ অনুকৰণকাৰী সকলে এনে বিপদজনক পৰিস্থিতিৰ মূখামুখি হব লগীয়া হয়নে? তেওঁলোক কেনে ধৰণৰ বিপদৰ সন্মুখীন হব পাৰে? আপুনি কোনো ব্যক্তিক জানেনে যি জনে জীৱনৰ প্ৰতি এনে ভয়ংকৰ পৰিস্থিতিৰ মুখামুখি হৈছিল? অব্ৰামৰ সিদ্ধান্তত এনে কিছুকথা আছে যিটোৱে আমাক কঠিন পৰিস্থিতিত ইয়াতকৈ ভাল সিদ্ধান্ত লোৱাত সহায় কৰিব?

৩.অব্ৰাম আৱেগৰ দ্বাৰা পৰিচালিত হৈছিল আৰু ঈশ্বৰৰ বাক্যৰ প্ৰতি বিশ্বাসৰ অভাৱ প্ৰদৰ্শণ কৰিছিল। আজিও লোকবিলাকে আবেগৰ দ্বাৰা পৰিচালিত হয়নে? আৰু ঈশ্বৰে বাইবেলত কি কৈছে তাক পাহৰি যায়নে? সেইটো কেনে দেখায়? এই কাহিনীত থকা কি কথাই, বিপদৰ সময়ত বেছি সাৱধানেৰে চিন্তা কৰিবলৈ আমাক সহায় কৰে?

৪.অৱস্থা যেতিয়া বেয়া হল, অব্ৰামে ঈশ্বৰে যাবলৈ কোৱা স্থান এৰি মিচৰলৈ নামি গল। আজিৰ দিনত কাৰোবাৰ জীৱনত এনে ঘটিছেনে? আপোনাৰ জীৱনত এনে ঘটিছেনে? নাইবা আপুনি চিনি পোৱা কোনো ব্যক্তিৰ জীৱনত?

৫. যদি কোনো কঠিন পৰিস্থিত আমাৰ জীৱনলৈ আহে, অব্ৰামে যি কৰিলে, তাৰ পৰা, আমি কি কৰা উচিত বা অনুচিত, তেনে কিবা ধাৰণা দিব পাৰেনে? কেনে ধাৰণা দিব পাৰে?

৬. আজিৰ দিনত তেনে সময় আছেনে যে আমি আমাৰ ভুল আৱেগৰ বশৱৰ্তী হৈ সিদ্ধান্ত সমূহ লম? যেতিয়া বিপদ আহে, কেনে ধৰণৰ আৱেগে লোকসমূহক পৰিচালিত কৰে? আপুনি বা আন কোনোবাই আবেগৰ বশবৰ্তীহৈ অসফল সিদ্ধান্ত লব লগীয়া হৈছিল নে? সেই অভিজ্ঞতাৰ কথা আমাৰ আগত কবনে?

৭. মনত ৰাখিব, অব্ৰামাৰ অবিশ্বাসৰ গুণে কিমানলোকে ভূগিব লগা হৈছিল? আজিও ঈশ্বৰত আমাৰ ভাৰসা নথকাৰ বাবে আনে ভূগিব লগীয়া হৈছেনে? সেইটোৱে কি বুজায়? আপোনাৰ জীৱনত বা আপুনি জনা কোনো ব্যক্তিৰ জীৱনত তেনে ঘটিছেনে?

এইয়া কেইটামান মাথোন নিৰীক্ষণ আৰু প্ৰয়োগৰ প্ৰশ্ন। আদিপুস্তকত থকা সেই কাহিনীটোৰ প্ৰথম অংশটোৰ পৰা সুধিবপৰা প্ৰশ্ন।

মন কৰক।আপোনাৰ মনত কাহিনীত থকা লোকবিলাকে কি কৈছিল, কি কৰিছিল আৰু তেওঁলোকে যি সিদ্ধান্ত ললে বা লব পাৰিলেহেতেন, এই প্ৰশ্নসমূহ থাকিব পাৰে। তথাপিও আপুনি

আপোনাৰ শ্ৰোতা সকলৰ প্ৰশ্ন সমূহৰ প্ৰতি নিৰীক্ষণ আৰু উত্তৰসমূহৰ প্ৰতি সদায় সহাঁৰি জনাব লাগিব। আপুনি আলোচনা কৰা কাহিনীটোত তেওঁলোকে আন কিবা সম্পদ দেখা পাব পাৰে নাইবা কিবা প্ৰশ্নও থাকিব পাৰে। জ্ঞানী পৰামৰ্শদাতা জনে যি সুধিছিল তাৰ ওপৰত ভিত্তিকৰি প্ৰশ্নসমূহ সোধক। লোকবিলাকে বেলেগ কিবা সম্পদ পালে, আলোচনাটো চলায়েই থাকিব। সেই সময়ছোৱাত আপোনাৰ প্ৰশ্নও আৱিস্কাৰ সমূহ হয়তো একাশৰীয়া কৰি থব লগীয়া হব পাৰে, আৰু কাহিনীত থকা আন সম্পদৰ সম্পৰ্কে আলোচনা কৰিব লাগিব। পবিত্ৰ আত্মাই, শ্ৰোতা সকলক পোনপটীয়াকৈ কথা কলে, তাক দেখিবলৈ কিমান সুন্দৰ।

কাহিনীটোৰ আগকথা কেনেকৈ যুগুত কৰিব

কাহিনীটোত থকা আত্মিক সম্পদ সমূহ অনুসন্ধান কৰি শেষ কৰাৰ পাছত, কাহিনীটোৰ বাবে কিবা আগকথা প্ৰয়োজন হবনেকি আপুনি বিবেচনা কৰিব। সকলো নিৰীক্ষণ আৰু প্ৰয়োগ সমূহ আৱিস্কাৰ কৰাৰ পাছতেহে আমি আগকথা যুগুত কৰো। কাৰণ আগকথাত সেই সকলো কথা সন্নিবিষ্ট কৰাৰ প্ৰয়োজনীয়তা আছে।

‘আগকথাই শ্ৰোতাসকলে শুনিব লগীয়া কাহিনীটোৰ পটভুমি আগতীয়াকৈ যুগুত কৰে। শাস্ত্ৰত, এই কাহিনীটোৰ আগছোৱাত কি ঘটি গল, তাৰ পৰিপ্ৰেক্ষিতত শ্ৰোতাসকলক কাহিনীটো বুজি গ্ৰহণ কৰিবলৈ যুগুত কৰে।

আগকথাত কি বিষয় সমূহ থাকে?

১. আগকথাত কেইটামান বাক্যহে থাকিব লাগে। ই তথ্যচিত্ৰৰ দৰেহে, কাহিনীৰ দৰে নহয়। শ্ৰোতাসকলৰ মনোযোগ আকৰ্ষণ কৰিবৰ বাবে ইয়াক চমুকৈ ৰখা উচিত। কাৰণ কাহিনীত দিয়া বাৰ্তাতকৈও, তথ্যচিত্ৰত থকা কথাবিলাক মনত ৰখা বেছি টান।

আগকথাত ব্যৱহাৰ কৰিব পৰা তিনিটা কাৰণ দিয়া হলঃ

ক. কাহিনীটো যথাস্থানত ৰাখিবৰ বাবে আগকথা ব্যৱহাৰ কৰক। আৱশ্যক হলে পৰিস্থিতিৰ লগত সঙ্গতি ৰাখি কাহিনীটো উপস্থাপন কৰক।

খ. কেতিয়াবা এটা কাহিনীৰ ভিতৰত পৰিভাষা থাকে, যিটো শ্ৰোতা সকলৰ বাবে নতুন বা বিভ্ৰান্তিকৰ হব পাৰে। তেনেকুৱা পৰিভাষা থাকিলে ‘আগকথাত’ বাখ্যা কি বুজাই দিব পাৰে। শব্দ বা পৰিভাষা, যিবিলাকৰ ব্যাখ্যাৰ প্ৰয়োজন আছে সেইবোৰ এনে হব পাৰেঃ ‘নামঘৰ’, ‘মানুহৰ পুত্ৰ’ ‘ভাৱবাদীৰ সন্তান বিলাক’ ইত্যাদি।

গ. প্ৰশ্নকালত, শ্ৰোতা সকল কাহিনীটোৰ পৰা সম্পদ আৱিস্কাৰ কৰাতো আপুনি আশা কৰিব পাৰে। এইটো পুৰণি নিয়মৰ বার্তা জানিলে তেওঁলোকে কব পাৰিব। উদাহৰণ স্বৰূপে, আপুনি, যোহন ১ অধ্যায়ৰ কাহিনীটো কব পাৰে। ইয়াত কৈছে, “জগতৰ পাপ নিওঁতা মেৰ পোৱালীক চোৱা।” আগকথাত আপুনি উল্লেক কৰিব পাৰে যে বাইবেলত অনেক বাৰ ঈশ্বৰে তেওঁৰ অনুকাৰী বিলাকক তেওঁলোকে পাপ কৰিলে এটা মেৰ বলিস্বৰূপে আগবঢাবলৈ কৈছিল।

২. আপোনাৰ শ্ৰোতাসকলে কাহিনীটো বুজিবৰ বাবে বা প্ৰশ্নৰ সহাঁৰি জনাবৰ বাবে যি যি বাৰ্তা জানিব লাগে বুলি ভাৱে, সেই সকলো বিলাক 'আগকথাত' সামৰি লব।

৩. মনত ৰাখিব, কেতিয়াবা কেতিয়াবা 'আগকথা'ৰ কোনো প্ৰয়োজন নহব পাৰে।

৪. "কেৱল কাহিনীটোত" আমি কেৱল বাইবলত পোৱা বাৰ্ত্তাহে ব্যৱহাৰ কৰো। বাইবেলৰ বাহিৰৰ বাৰ্ত্তা নহয় বা গ্ৰীক বা হিব্ৰু শব্দৰ অৰ্থও ভাঙনি নকৰো। কাৰণ তেনেধৰণৰ শিক্ষা খুউব কম সংখ্যক লোকৰ বাবেহে প্ৰয়োজন। আমি সকলো বিশ্বাসীকেই অনুপ্ৰাণিত আৰু শক্তিমন্ত কৰিব বিচাৰো, যাতে সকলোৱে কাহিনীসমূহৰ জৰিয়তে, শাস্ত্ৰৰ কথা আনৰ আগত ভাগ লব পাৰে। আমি নিজে আৰ্হিস্বৰূপহৈ, আমি শিকাৰো সকলক প্ৰদৰ্শণ কৰিব লাগিব কেনেকৈ ঈশ্বৰৰ বাক্যত লুকাই থকা গভীৰ সত্যসমূহ আৱিস্কাৰ কৰিব পাৰি। কাহিনীটোত বিশ্বাস ৰাখিবলৈ শিকাওক।

৫. 'আগকথা' হল আপুনি সংকলন কৰা বাইবেলৰ বাৰ্ত্তা। 'আগকথা' কৈ শেষ কৰাৰ পাছত এই দৰে কৈ সমাপ্ত কৰকঃ "এতিয়া এইটোৱেই কাহিনীটো" নাইবা "এইটোৱেই বাইবেলৰ কাহিনীটো।" ইয়াতকৈ বেছি কোৱাৰ প্ৰয়োজন নাই কাহিনীটোৱে নিজেই লোকবিলাকক কওক, এই কাহিনীত কাৰ বিষয়ে কোৱা হৈছে।

পঞ্চম অধ্যায়ঃ আমাৰ প্ৰস্তুতি আৰু উপস্থাপন কৰাৰ

দক্ষতা সমূহ- আহক, চেষ্টা কৰি চাওঁহক

প্ৰথমে, এই নমূনাৰূপে দিয়া কাহিনীটো শিকক

পাছে তেওঁলোকে যাওঁতে যাওঁতে তেওঁ এখন গাঁৱত সোমাল, তাতে মাৰ্থা নামেৰে এজনী তিৰোতাই তেওঁক নিজৰ ঘৰত আলহীকৈ ৰাখিলে। আৰু মৰিময় নামেৰে তেওঁৰ ভনীয়েকে , প্ৰভুৰ চৰণৰ ওচৰত বহি, তেওঁৰ বাক্য শুনি থাকিল। কিন্তু মাৰ্থাই অনেক আলপৈচান ধৰি ব্যাকুল হৈ তেওঁৰ ওচৰলৈ আহি কলে, হে প্ৰভু, আলপৈচান ধৰিবলৈ মোৰ ভনীয়ে যে মোক অকলেই এৰিলে ইয়ালৈ আপুনি মন নকৰেনে? এতেকে মোক সহায় কৰিবলৈ তাইক আজ্ঞা দিয়ক। তাত প্ৰভুৱে উত্তৰ দি তেওঁক কলে, মাৰ্থা,মাৰ্থা, তুমি অনেক বিষয়ত চিন্তিত আৰু ব্যস্ত হৈ আছা, কিন্তু প্ৰয়োজনীয় এটাহে। কিয়নো মৰিময়ে সেই উত্তম ভাগ মনোনীত কৰিলে, তাক তেওঁৰ পৰা নিয়া নহব। (লুক১০:৩৮-৪২)

প্ৰস্তুতিঃ আত্মিক সম্পদ বিচাৰি

সম্পদ অনুসন্ধান ১- আত্মিক নিৰীক্ষণসমূহ

কাহিনীটো জানিবলৈ অধ্যয়ন কৰা সময়ত আপুনি হয়তো কিছুমান মূল্যবান সম্পদ দেখা পাব। পুনৰ কাহিনীটোলৈ চাওক আৰু লাহে লাহে এটা এটা অংশ মনোযোগ দি চাওঁক, আৰু জ্ঞানী পৰামৰ্শদাতাজনৰ প্ৰশ্নসমূহ ব্যৱহাৰ কৰক। তেতিয়া আপুনি আৰু অধিক সম্পদ বিচাৰি পাব।

জ্ঞানী পৰামৰ্শদাতাজনৰ প্ৰতিটো প্ৰশ্নই চেষ্টা কৰি চাওঁকঃ এই কাহিনীটোৰ পৰিস্থিতি কেনে? ইতিহাসত বা আত্মিক জীৱনত এই কাহিনীটোৰ আগতে কিবা ঘটিছিল নে? যিটোৱে এই কাহিনীটো ভালদৰে বুজি পোৱাত সহায় কৰিব? লোকবিলাকৰ কথা আৰু কামৰ পৰা আত্মিক জীৱনৰ বাবে কি শিকিব পাৰো? কিবা সিদ্ধান্ত লৈছিলনে? আন কিবা সিদ্ধান্ত লব পাৰিলেহেতনে? সেই সিদ্ধান্ত বিলাকৰ পৰিনাম কি হল? আৰু সেই সিদ্ধান্ত সমূহৰ প্ৰভাৱ কাৰ ওপৰত পৰিল? জ্ঞানী পৰামৰ্শদাতা জনে ব্যৱহাৰ কৰা আহিলা পাতি ব্যৱহাৰ কৰক- মানে বহুতো প্ৰশ্ন সোধক। তেওঁ সোধা প্ৰশ্নবিলাকৰ উপৰিও, আমি আৰু এটা প্ৰশ্ন লাগে- এনে পৰিস্থিতিত আৰু লোকবিলাকৰ জীৱনত ঈশ্বৰে কি দৰে কাৰ্য্য কৰিছিল?

এনে বিলাক প্ৰশ্নই আপোনাক আত্মিক জ্ঞান নিৰীক্ষণ কৰিবলৈ সহায় কৰিবঃ

১. মাৰ্থাই অকলে কামবিলাক কৰিবলৈ অসমৰ্থ হৈ কিছু দুৰ্ব্বল সিদ্ধান্ত ললে। যদিও মাৰ্থাই যীচুক নিমন্ত্ৰণ কৰিছিল, তথাপি মাৰ্থা নিজৰ দুদৰ্শাৰ বাবে আনক দোষাৰোপ কৰিলে। মাৰ্থাই যীচুক জগৰীয়া কৰিলে। তেওঁ যীচুৰ ওপৰত প্ৰভুত্ব চলালে। তেওঁ যীচুক সহায় খুজিবলৈ ব্যৰ্থ হল।

২. মার্থাই যীচুক প্রভু বুলি সম্বোধন কৰিছে, কিন্তু তেওঁ এনেদৰে আচৰণ কৰিছে যেন যীচু নহয় তেওঁহে গৰাকী।

৩. মার্থাই দেখুওৱা অশ্রদ্ধা বা অৱমাননাৰ প্রতি যীচুৱে কোনো প্রতিক্রিয়া প্রকাশ নকৰিলে।

৪. যীচুৱে মৰমেৰে মার্থাক শুধৰায় দিলে।

৫. মার্থাই ভাবিছিল তেওঁ তেনে কৰাটো অতি প্রয়োজনীয় আছিল। কিন্তু যীচুৱে কলে যে মৰিয়মে যি ভাগ মনোনীত কৰিলে সেইটোহে অতি প্রয়োজনীয়।

৬. মার্থাৰ আগত দুটা মনোনীত কৰিব পৰা পথ আছিল।

৭. মৰিময়ে যীচুক মনোনীত কৰিলে। এইটো তেওঁৰ সমাজ ব্যৱস্থাৰ বিৰুদ্ধে, আৰু তেওঁৰ প্রতি আনৰ যি আশা আছিল, তাৰ বিৰুদ্ধে কৰা সিদ্ধান্ত।

৮. মৰিয়মে যি ভাগ মনোনীত কৰিলে, যীচুৱে তাক কেতিয়াও তেওঁৰ পৰা নিবলৈ নিদিব।

সম্পদ অনুসন্ধান-২ আত্মিক জ্ঞান প্রয়োগ

আমি তালিকা ভুক্ত কৰা আৰু আপুনি নিজে বিচাৰিপোৱা আত্মিক জ্ঞান নিৰীক্ষণৰ ওপৰত ভিত্তি কৰি আপুনি আত্মিক জ্ঞান প্রয়োগৰ সম্পদ বিচাৰি কাহিনীটোলৈ উভতি চাওঁক।

প্রথমে, আপুনি নিজে বিচাৰি পোৱা আত্মিক জ্ঞান নিৰীক্ষণ এটা মনত পেলাওক, পাছে, কেইটামান মূল প্রশ্নসোধক, যেনেঃ আজিও এনে ঘটনা ঘটেনে? কি প্রকাৰে ই ঘটিব পাৰে?মোৰ নিজৰ জীৱনত বা মই জনা আনকোনো ব্যক্তিৰ জীৱনত এনে ঘটিছেনে? মোৰ নিজৰ জীৱনত যদি ই কেতিয়াবা ঘটে, এই কাহিনীটোত কি আছে যিটোৱে মোৰ সহায় কৰিব পাৰে?

তলত কিছুমান আত্মিক জ্ঞান প্রয়োগৰ প্রশ্ন দিয়া হল- এনে প্রশ্নই আপোনাক এই ক্ষেত্রত সহায় কৰিব পাৰেঃ

১. আপুনি কামত অতি ব্যস্ত নহব। এনে ব্যস্ততাই আপোনাক ঈশ্বৰৰ বাক্য শিকাত বাধা দিব।

২. এইটো বৰ পৰিতাপৰ বিষয় যে, আমাৰ জীৱনত সমস্যা আহিলে আমি ঈশ্বৰক কওঁ, “আপুনি মোৰ কথা চিন্তা নকৰেনে?”

৩. আমি আমাৰ শক্তিৰ অতিৰিক্ত কাম হাততলৈ তাক সম্পন্ন কৰিব নোৱাৰি, ঈশ্বৰক দোষ দিয়াটো কিমান মুর্খামী।

৪. আমাৰ সমস্যা সমূহ কেনেকৈ সমাধা কৰিম বুলি ঈশ্বৰক কৈ থাকিম নেকি?

৫. আমি নিজে কৰিব পৰাতকৈ, অধিক কাম আমি হাতত লওঁনেকি? আনকি ঈশ্বৰৰ বাবেও যিটো কাম হয়তো ঈশ্বৰে আমাক কৰিবলৈ আজ্ঞা কৰা নাই।

৬. পৰিস্থিতি যেতিয়া আমি ভৱাৰ দৰে নহয়,তেতিয়া কিমানবাৰ যে ঈশ্বৰৰ প্ৰেমৰ প্ৰতি আমি সন্দিহান হৈ পৰো।

৭. যীচুৱে ধৈর্য্যৰে আৰু চিৰসহিষ্ণুতাৰে মাৰ্থাক শুধৰায় দিছিল। অনেক সময়ত আমি ঈশ্বৰক হেয় জ্ঞান কৰিলেও, ঈশ্বৰ ধৈর্য্যশীল আৰু আমাক কোমল মাতেৰে কথা কয়।

৮. যীচুৱে মাৰ্থাৰ নামধৰি মাতিছিল। ইয়াতে মাৰ্থাৰ লগত যীচুৰ ব্যক্তিগত সম্বন্ধ, আৰু মাৰ্থাৰ প্ৰতি থকা সঁচা চিন্তাৰ কথা জানিব পৰা যায়। সেইদৰে যীচুৱে আমাৰ নাম জানে, আৰু আমাক ব্যক্তিগত ভাৱে কথা কয়।

৯. ৰন্ধাবঢা কৰি বা অন্য পৰিচর্যা কৰি সময় কটোৱা কোনো ভুল নহয়। কিন্তু আমাৰ কর্ম্মই যদি ঈশ্বৰৰ বাক্য শুনাৰ পৰা আমাক বঞ্চিত কৰে, তেন্তে আমি উত্তম ভাগ বাছিলোৱা নাই।

১০.যীচুৱে মাৰ্থাৰ আচৰণৰ বিষয়ে এক নির্ণায়ক বিবৃতি দি কৈছে, যে মৰিয়মেহে উত্তমভাগ মনোনীত কৰিলে। যি প্ৰকাৰে মাৰ্থাই মৰিয়মৰ কার্য্য বন্ধ কৰি তেওঁক সহায় কৰাতো বিচাৰিছিল, তালৈ চাই বুজা যায় যে মাৰ্থাইহে উত্তম ভাগ মনোনীত কৰা বুলি ভাবিছিল।

কেতিয়াবা কেতিয়াবা আমি ভাৱি লওঁ যে আমি যি কৰি আছো, সিহে আটাইতকৈ প্ৰয়োজনীয়। হয়তো, ঈশ্বৰৰ দৃষ্টিত সেয়া প্ৰয়োজনীয় নহবও পাৰে।

১১. কেতিয়াবা কেতিয়াবা আমি নিজেই পৰিস্থিতি নিয়ন্ত্রন কৰিব বিচাৰো, ঈশ্বৰৰ কি ইচ্ছা তাক জানিবলৈ আমি ঈশ্বৰৰ কাষ নাচাপো। আমি নিজে নিজেই আমাৰ কাৰণে কি ভাল ও প্ৰয়োজন, তাক সিদ্ধান্ত কৰো। হয়তো আমাৰ সিদ্ধান্তই লোকবিলাকক ঈশ্বৰৰ কাষৰ পৰা আঁতৰায় আনে, আৰু ঈশ্বৰৰ ইচ্ছা সিদ্ধ কৰাত বাধাস্বৰূপ হওঁ।

১২. যীচুৱে কলে যে মৰিয়মে যি উত্তম ভাগ মনোনীত কৰিলে, তেওঁৰ পৰা তাক নিবলৈ নিদিব।

শেষ বিচাৰত, ঈশ্বৰে আমি কৰা কর্ম্ম চাই হয়তো দেখিব যে আমি ঈশ্বৰৰ নামত যি উত্তম কর্ম্ম বুলি কৰিলো সেয়ে হয়তো উত্তম নহল। কিন্তু, উত্তম যদি হয়, তেন্তে আমাৰ পৰা তাক কেতিয়াও কাটি নিনিব।

১৩. বহুত সময়ত হয়তো আমি আমাৰ পৰম্পৰা বা পৰিয়ালৰ ইচ্ছাৰ বিৰুদ্ধেও সিদ্ধান্ত লব লাগিব।

এতিয়া আপুনি সম্পদবিলাক লাভ কৰিলে। আপুনি এতিয়া কাহিনীটোৰ আৰম্ভনীলৈ ঘুৰি যাওঁক আৰু প্ৰশ্ন সমূহ এনেদৰে যুগুত কৰক যিয়ে শ্রোতাসকলক সম্পদ বিলাক নিজে আৱিস্কাৰ কৰিবলৈ পথ দেখুৱাব। ইয়াৰ পাছত “কেৱলকাহিনীটো” ৰ কর্ম্মশালাত উপস্থাপন কৰা কার্য্য আমি চাম। তাত আপুনি যুগুত কৰা কিছু প্ৰশ্নও হয়তো ব্যৱহাৰ কৰা দেখিবলৈ পাব।

আহক, আমি পুনবিবেচনা কৰো প্ৰকৃতে আপুনি কাহিনী এটা কলে কি কৰে...

উপস্থাপন কৰা কার্য্য প্রথম পর্যায়ঃ

কাহিনীটো তিনিবাৰকৈ কোৱা

কাহিনীটো তিনিবাৰকৈ শুনিবলৈ দিলে, শ্রোতাসকলে ভালদৰে জানিবলৈ আৰু প্রশ্নসমূহৰ উত্তৰ নির্ভুল ভাৱে দিবলৈ সহায়ক হব।

১. **আপুনি কাহিনীটো কওঁক**

২. কোনো এজনক কাহিনীটো পুনৰ কবলৈ কওক।

৩. কাহিনীটোৰ জৰিয়তে আগবাঢি যাওক। (আচলতে কাহিনীটো আপুনি পুনৰ কৈ গৈছে, কিন্তু শ্রোতাসকলক মাজে মাজে কবলৈ সাঙুৰি লওক, তেওঁলোকেও কাহিনীটো আপুনি কৈ যাওঁতে আপোনাক সহায় কৰিব)।

প্রথমবাৰ-আপুনি কাহিনীটো কওক

নির্ভুলভাৱে আৰু খুউব আমোদজনক ভাৱে কাহিনীটো কওক। কাহিনীটো কৈ যাওঁতে, হাত আৰু শাৰীৰিক অঙ্গি-ভঙ্গি বর্ণনা কৰক।

দ্বিতীয়বাৰ- ইচ্ছুক কোনো এজনক কাহিনীটো কবলৈ অনুৰোধ কৰক

ইচ্ছুক ব্যক্তি সকলক পুনৰ কবলৈ অনুৰোধ কৰাৰ মূল উদ্দেশ্য হল- সমাজৰ আগত লোকবিলাকক ডাঙৰ কৈ কবলৈ অনুপ্রেৰণা দিয়া। স্বেচ্ছাই কথা কোৱাৰ দ্বাৰাই দলটোৱে, এই প্রক্রিয়াটোত, প্রথমে নিজকে জটিত কৰে। স্বেচ্ছাই কাহিনী কোৱাজনক ভালব্যৱহাৰ দিলে আৰু সন্মান দেখুৱালে তেঁৱেই যে কেৱল উদগণি পাব এনে নহয় দলটোৰ আন ব্যক্তি সকলেও ডাঙৰকৈ কথা কবলৈ অনুপ্রাণিত হব।

“কেৱল কাহিনীটো” ৰ প্রক্রিয়াত, এই অংশতেই লোকবিলাকে কাহিনীটো আহৰণ কৰি লব পাৰিব বুলি আমি আশা নকৰো। আগতে উল্লেখ কৰা দৰে স্বেচ্ছাই কাহিনীটো পুনৰ কোৱাৰ আগতে উল্লেখ কৰা দৰে স্বেচ্ছাই কাহিনীটো পুনৰ কোৱাৰ ডাঙৰ গুণটো হল যে ই লোকবিলাকক ডাঙৰকৈ কবলৈ উদগণি দিয়ে।

ইচ্ছুক ব্যক্তিক আহ্বান কৰাৰ বহুত উপায় আছে।

প্রথম উপায়। এনেদৰে কওক, “আপুনি আপোনাৰ কাষতে থকা ব্যক্তিজনৰ ফালে মুখ ঘু�ৰাওক। আপোনালোকৰ এজনে কাহিনীটো আনজনক কওক।” আগতে উল্লেখ কৰা দৰে, এনেদৰে স্বেচ্ছাই কাহিনীকোৱাৰ ডাঙৰ গুণটো হল যে এই প্রচেষ্টাই লোক বিলাকক ডাঙৰকৈ কথা কবলৈ অনুপ্রাণিত কৰে। বহুতলোকে সমাজৰ আগত উঠি কথা কবলৈ সংকোচ কৰে। লোকবিলাকক স্বেচ্ছাই কথা কবলৈ উদগণি দিবৰ বাবে এইটো এটা বন্ধুত্বপূর্ণ উপায়। লোকবিলাকে সাধাৰণতে নিজৰ চিনাকি জনৰ কাষতে বহে। সেইকাৰণে তেনে জন ব্যক্তিৰ আগত কাহিনীটো কবলৈ নিশ্চয় সাহস পাব।

খ্ৰীষ্টীয়ান সমাজতো সাধাৰণতে ভাষণ দিয়া নিয়মেৰে শিক্ষা দিয়া হয়।আমি লোকবিলাকক এনে এটা পৰিবেশ দিবলৈ চেষ্টা কৰিব লাগে, য'ত নিজৰ মনৰ ভাৱ প্ৰকাশ কৰিব পাৰিব আৰু শিক্ষা আহৰণ উপায় বৃদ্ধি পাব। ইজনে সিজনৰ আগত কাহিনীটো কবলৈ অনুৰোধ জনোৱাটো স্বেচ্চাই কাহিনী কবলৈ সহায় কৰাৰ এটা উত্তম উপায়।

এইখিনিতে এটা সংকেত দিব খুজিছো! আপুনি কাহিনীটো কৈ যাওঁতে যদি কোনো এটা অংশ বাদ পৰি গল বুলি ভাৱে, তেন্তে এই সময়ছোৱাতেই কাহিনীটো নিৰ্ভুল ভাৱে কবলৈ পুনৰ নিৰীক্ষণ কৰক। আন লোক বিলাকে ইজনে সিজনৰ আগত কাহিনীকোৱাত ব্যস্ত থাকিব। সেই কাৰণে আপুনি কি কৰি আছে, তালৈ কেতিয়াও লক্ষ্য নকৰিব।

দ্বিতীয় উপায়। ভবিষ্যতেও এই উপায়টো অৱলম্বন কৰক। প্ৰথম উপায়টো অভ্যাস কৰাৰ পাছত, তেওঁলোক সাহসীহৈ উঠিব। কাৰণ, তেওঁলোকে "কেৱল কাহিনীটো" যৌথভাবে কোৱাৰ কাৰ্য্য ইতিমধ্যে সম্পন্ন কৰিছে।

আপুনি সোধক, গোটেই দলটোৰ আগত কাহিনীটো কোনোবাই কবলৈ ইচ্ছা কৰেনে? খৰকৈ লগতে কওক, "আপুনি যিমান জানে, সিমানেই কওক।" হাহি মুখে দলটোক অনুপ্ৰাণিত কৰক। আপুনি পাছলৈ গৈ একাষৰীয়া হওক, যাতে ইচ্ছুক ব্যক্তিজনে আগলৈ আহি আপোনাৰ ঠাইত থিয় হবহি পাৰে।

স্বেচ্ছাই কোনো ব্যক্তি কবলৈ আহিলে, তেওঁৰ বাবে বাতচাপৰি দি প্ৰশংসা কৰক। আকৌ হাঁহি মাৰি এনেদৰে কওঁক, "আপুনি কেৱল কাহিনীটো কওক। আগকথা খিনি কব নালাগে, কিবা পাহৰি গলেও চিন্তা নকৰিব, কাৰণ আপুনি কাহিনীটো এবাৰহে শুনিছে। মাত্ৰ সেই অংশৰ পৰা আৰম্ভ কৰক," আৰু তাৰ পাছত কাহিনীটোৰ প্ৰথম শাৰী আপুনিয়েই পুনৰাবৃত্তি কৰি দিয়ক।

স্বেচ্ছাই কবলৈ অহাজনৰ পৰা কমেও ১০ ফুট আঁতৰত থাকক। ব্যক্তি জনৰ একেবাৰে ওচৰতে থিয় হলে, তেওঁ দলটোলৈ নেচাই, আপোনালৈহে অনুমোদন পাবৰ বাবে চাই থাকিব। তেওঁৰ পৰা অধিক দূৰৈত থাকিলেও, তেওঁ অকলশৰীয়া অনুভৱ কৰিব। তেওঁ কাহিনীটো কৈ থাকোতেও, আপুনি তেওঁলৈ চাই থাকিব, আৰু তেওঁত যে আপুনি আমোদ পাইছে আৰু তেওঁৰ কথাত হয়ভৰ দিছে, তাক দেখুৱাব। আপোনাৰ মুখ আৰু শৰীৰৰ অঙ্গি-ভঙ্গিৰ দ্বাৰাই তাক দেখুৱাব, এই কথা পাহৰি নাযাব।

আপোনাৰ দৃষ্টি, স্বেচ্ছাই কাহিনীকবলৈ অহা ব্যক্তিজনৰ ওপৰত ৰাখক। এই সময়ছোৱাত, আপুনি কাৰো লগত কথা নেপাতিব। আপোনাত ভাৰষা কৰি তেওঁ আহিল। সেই ভাৰসা, তেওঁলৈ মনোযোগ দি অটুত ৰাখক।

কাহিনীটো ভালদৰে কৈ শেষকৰাৰ পাছত, তেওঁক ধন্যবাদ দিয়ক, আৰু সেই কাহিনীটো তেওঁ পুনৰ কোৱাত, আপুনি যে কিমান সুখী,তাক জানিবালৈ দিয়ক। আপুনি যে তেওঁলৈ মনোযোগ দি শুনি আছিল, তাৰ প্ৰমাণ দিবলৈ তেওঁ কোৱা দুই এটা বাক্য কওঁক বা অঙ্গি-ভঙ্গি দেখুৱাওক।

কেতিয়াবা কেতিয়াবা,কাহিনীটো পুনৰ কওঁতে কওঁতে, তেওঁ কিছুমান পাহৰিও যাব পাৰে, নাইবা অস্পষ্ট ভাৱে কব পাৰে। তেনে ঘটিলে, আপুনি আন শ্ৰোতাসকলক ভুলটো শুধৰায় দিবলৈ নকব। আপুনিয়েই হওক বা আন কোনোবাই হওক, তেনে কৰিলে, কাহিনী কওঁতা জনে অশান্তি পাব আৰু নিৰুৎসাহী হব।

তাৰোপৰি, ভুলকৈ কোৱা কাহিনীটোৰ ভুলঅংশবোৰ শুধৰাবলৈ গলে, শ্ৰোতাসকলৰ মনত অধিক খেলিমেলিৰ সৃষ্টি হব। এনেদৰে ভুলবোৰকৈ শুধৰাবলৈ যোৱাতকৈ, তেওঁকোৱা কিছু ভাল কথা বা ভাল কামৰ কথা উল্লেখ কৰক। এনে কৰিলে বাকী শ্ৰোতাসকলে উদগণি পাব।

যেনেঃ “তোমাৰ সাহসটো দেখি মই বৰ ভাল পাইছো।” “তুমি যি ধৰণে নাটকীয় ভাৱে উদ্ধৃতি দি কথা কেইটা কলা, তাক মই ভাল পাইছো।” এনেদৰে তেওঁক বিশেষভাবে মন্তব্যদি অনুপ্ৰাণিত কৰক।

যদি কাহিনীটো দীঘল হয় নাইবা কাহিনীটো কবলৈ কোনো ইচ্ছুক নহয়, তেন্তে আপুনি এটা কাম কৰিব পাৰে। আপুনি এই দৰে কব পাৰে, কওঁক, “মোৰ এটা কথা মনত খেলাইছে।” কাহিনীটো ভালে কেইজন ব্যক্তিয়ে পুনৰ কব লাগিব, পাৰিবনে? আপোনালোকৰ কোনোবা এজনে আৰম্ভ কৰক, তাৰ পাছত আন এজনে তাৰ পাছৰ খিনি কওঁক। তাৰ পাছত আন এজনে, এইদৰে প্ৰতিজনে অলপ অলপকৈ কাহিনীটো কৈ শেষ কৰক। আৰু আপোনাৰ যি মনত আছে, তাকেহে কওঁক।”

ভালে সংখ্যক লোকক এইদৰে কাহিনীটো কবলৈ অনুমতি দিলে, তেওঁলোক সাহসী হৈ উঠিব।

২৫ খন দেশত কাহিনীকোৱাৰ অভিজ্ঞতাৰ পৰা কব পাৰো যে নিজ ইচ্ছাৰে কাহিনীকবলৈ অহা লোক থাকেই। যদি কোনো ব্যক্তিয়েই নিজ ইচ্ছাৰে ওলাই নাহে, তেন্তে মই নিজকেই “দোষাৰোপ” কৰো। আৰু মই কম, “আপোনালোকে জানে, মই হয়তো কাহিনীটো, আকৌ এবাৰ চোৱাৰ প্ৰয়োজন আছে, তেতিয়া আমাৰ বাবে ই আৰু আৰামদায়ক হব।” তাৰ পাছত মই নিজেই আগভাগলৈ কাহিনীটো আৰম্ভ কৰো।

নিজ ইচ্ছাৰে কাহিনী কবলৈ অহাজনে যদি কাহিনীটো বিশেষনেৰে অলঙ্কৃত কৰে বা নতুন বাৰ্তা যোগ দিয়ে, সেই কথা উল্লেখ কৰাৰ প্ৰয়োজন আছে। শ্ৰোতাসকলে কাহিনীটোত কি নতুন বাৰ্তা যোগদিয়া হল, তালৈ লক্ষ্য কৰিব, লগতে আপুনি সেইবিলাক কেনেদৰে গ্ৰহণ কৰে, তাকো চাব। এনেদৰে অলঙ্কৃত কৰা কাৰ্য্যক যদি সাধাৰণ কথা বুলি ভাৱি আওকাণ কৰে, অৰ্থাৎ সেইবিলাক কথা উল্লেখ নকৰে, অৰ্থাৎ “অনুমোদন” নকৰে তেন্তে আপুনি সোনকালেই তাৰ বাবে অনুতপ্ত হব লাগিব।

আওকান কৰা ভাৱ এৰাই চলাৰ পৰিনাম। ঈশ্বৰৰ বাক্যৰ লগত নতুন বাৰ্তা যোগদিয়া কাৰ্য্যটোক, “কৱল কাহিনীটো” ৰ প্ৰক্ৰিয়াত অনুমিত দিয়া হয় বুলি কলে, বাইবেল বিশাসী সকলে নিশ্চয়ে নিৰাশ হব। (আমি অৱশ্যেই অনুমতি নিদিওঁ)। এইদৰে হলে আনলোকেও ধৰি লব যে ঈশ্বৰৰ বাক্যৰ লগাত, নতুন বাৰ্তা সংযোগ কৰিব পাৰি।

প্রকৃতত, এনে কার্য্যক সহানুভুতিশীল দৃষ্টিৰে সামাধা কৰিব পাৰি। এনে কৰিলে আপুনি মাত্র এটা বন্ধুত্বপূর্ণ হাঁহি মাৰক আৰু অতি হেপাহেৰে কওক, “আপুনি ইমান ইচ্ছুক! আপুনি অতিৰিক্ত বার্তা আমাৰ আগত শুণালে, সেই কথা মই ভাৱো কাহিনীটোত নাই! বাইবেলৰ কেৱল এই কাহিনীটোত থকা কথাখিনিকে কোৱাতো আমাৰ বাবে সঁচাই এটা প্রত্যাহ্বানমূলক কার্য্য।”

আটাইতকৈ গুৰুত্বপূর্ণ কথাটো এইযে, কাহিনীটো যিমানেই সুন্দৰ কৈ বা বেয়াকৈ নকওক কিয়, আপুনি ধন্যবাদ দিবৰ বাবে, বিশেষ কিবা এটা কথা বিচাৰি লব।

মনত ৰাখিব যে, নিজ ইচ্ছাৰে কাহিনীটো পুনৰ কবলৈ দিয়াৰ মূল উদ্দেশ্য হল, তেওঁলোকক ডাঙৰকৈ কবলৈ উদগণি দিয়া। এই সময়ৰ ভিতৰতে, কোনো এজন কাহিনী কওঁতাই যে শুধকৈ কব পাৰিব, সেইটো আমি আশা নকৰো। কাহিনীটো ভালদৰে শিকিবৰ বাবে একেৰাহে কেইবা বাৰো কৈ থকাটো ও আমি অনুমোদন নকৰো। যিহেতু এবাৰহে অংশগ্রহকাৰীসকলে কাহিনীটো শুনিছে, গতিকে, প্রথমে কবলৈ অহাজনে, ভুল কৰাটো স্বাভাৱিক। পাছে, আৰু অধিক ইচ্ছুক ব্যক্তিয়ে কাহিনীটো কব, আৰু অধিক ভুল তেওঁলোকে কৰিব, আৰু সেই ভুলবিলাক লোকবিলাকে মনত ৰাখিব।

ইচ্ছুক ব্যক্তি সকলক একেৰাহে বাৰে বাৰে কাহিনীটো কবলৈ দিলে, আৰু ভুলবোৰ সমাজৰ আগতে শুধৰায় থাকিলে, তেওঁলোকৰ আত্মবিশ্বাস হেৰাই যাব, যিটো আত্মবিশ্বাস গঢাৰ আপোনাৰ লক্ষ্য। তেনে কৰিলে কেৱল অতি সাহসী কেইজনেহে চেষ্টা কৰিব আৰু আনবিলাক পিছ হুহঁকি যাব আৰু সমাজৰ আগত লজ্জিত হোৱাৰ ভয়ত, ডাঙৰকৈ কবলৈ সহাঁৰি নিদিব।

বাৰে বাৰে কাহিনীটো কৈ থাকিলে শুধকৈ কব পৰা অৱস্থা হবগৈ যদিও বাইবেলৰ কাহিনীসমূহ আনলোকক শিকাবলৈ, একেটা কাহিনীকে বাৰে বাৰে কবলৈ আমি অনুমোদন নকৰো। ভাটৌৰ দৰে নুবুজাকৈ মূখস্থ কৰা, একেটা বার্তাকে পুনঃ পুনঃ কৈ শিকাটো আমোদজনক নহব আৰু ই আমনিদায়ক হব পাৰে।

কেৱল কাহিনীটোৰ প্রক্রিয়াত লোকবিলাকক কাহিনীটো সম্পূর্ণৰূপে শিকোৱাটো আমাৰ উদ্দেশ্য নহয়। আমাৰ উদ্দেশ্য হল – যে লোকবিলাকে কাহিনীটো ভালদৰে বুজি পাওক, আলোচনা কৰক আৰু নিজৰ জীৱনত প্রয়োগ কৰক ।

সম্পূর্ণ কাহিনীটোৰ পদ্ধতিৰে উপস্থাপন কৰা কাহিনীবোৰ চোৱাৰ পাছত আৰু সম্পূর্ণ আলোচনা কৰাৰ অন্তত, এটা সময়ত আমি নিশ্চিত হব পাৰিম যে কাহিনীটো তেওঁলোকে নিভূর্লভাৱে শিকিলেনে নাই, শেষৰ ফালে এই বিষয়ে অধিক বর্ণনা কৰা হৈছে।

সম্পূর্ণ কাহিনীটো উপস্থাপনৰ পাছত দুটা পদক্ষেপে, স্বাভাৱিক ভাৱেই, কাহিনী শিকাৰ প্রত্যাহ্বান সমাধান কৰে। পুনঃ পুনঃ কোৱাৰ জটিয়তে সেইটোৱে লোক সকলৰ মনত কাহিনীটো ছাপ মাৰি দিয়ে। তাৰ উপৰিও কাহিনী কওঁতাজনে কাহিনীটোৰ আত্মিক নিৰীক্ষণৰ প্রশ্নসমূহ যেতিয়া সোধে, তেতিয়া তেওঁলোকে কাহিনীটোৰ প্রতিটো খণ্ডৰ প্রশ্নসমূহৰ ওপৰত নির্ভৰ কৰে । এইদৰে শ্রোতাসকলে কাহিনীটোৰ এটা এটা অংশ কালানুক্রমে শুনে । এইটোৱে কাহিনীটোক শক্তিশালী কৰে ।

পৃথিৱীৰ কোনো এক নতুন ঠাইলৈ কৰ্মশালা চলাবলৈ গলে স্থানীয় নেতাসকলে আমাক একাষৰীয়াকৈ লৈ যায়। তেওঁলোকে ব্যক্তিগত ভাৱে আমাক কয়, “আমি আপোনালোকক নিৰাশ কৰিব খোজা নাই, এই লোক বিলাকে আপোনালোকৰ প্ৰশ্নৰ উত্তৰ নিদিব।” এই কথা কোৱাত আমি অতি আন্তৰিকতাৰে কলো, ‘ধন্যবাদ, কি ঘটে আমি চাম।”

প্ৰতিটো ঠাইতে প্ৰতিটো কৰ্মশালাতেই লোক বিলাকে প্ৰশ্নৰ উত্তৰ দিছিল, আৰু অৰ্থপূৰ্ণভাৱে আলোচনাত ভাগ লৈছিল। (এই কথাই স্থানীয় নেতা সকলক স্তম্ভিত কৰিছিল।) অংশ গ্ৰহণ কাৰীসকলৰ এনে সক্ৰীয় সঁহাৰি দিয়াৰ কাৰণ হ’ল, “সম্পূৰ্ণ কাহিনীটোৰ প্ৰক্ৰিয়াৰ ধীৰে ধীৰে আগুৱাই যোৱাৰ অৱস্থান আৰু উদগনি দিয়া কাৰ্য্য, যি এই প্ৰক্ৰিয়াটোৰ মূল কথা ।

ডাঙৰকৈ প্ৰশ্নোত্তৰ দিবলৈ সাহসগোটাবৰ বাবে কোনো কোনো লোকৰ বেছি সময়ৰ প্ৰয়োজন হয়। খ্ৰীষ্টীয়ান শিক্ষাৰ পৰিবেশত তেওঁলোকক ডাঙৰকৈ নকবলৈ হয়তো শিকোৱা হৈছিল। আন কিছুমানে সমাজৰ আগত ভুল হব বুলি ভয় কৰি ডাঙৰকৈ কথা নকয়। আন কিছুমানে ভাৱে তেওঁলোকৰ আত্মা সম্বন্ধীয় কোনো যুক্তিপূৰ্ণ বৰঙনি দিবলৈ নাই। প্ৰকৃততে আমি ভিন্ন ভিন্ন পৰিবেশত দেখিবলৈ পাইছো যে, দকৈ চিন্তা নকৰিবলৈ আৰু নতুন ধাৰণা সৰ্ম্পকে আলোচনা নকৰিবলৈ মানুহৰ এটা নিয়মত পৰিণত হৈ পৰিছে। সেই অৱস্থাৰ আমি পৰিবৰ্ত্তন বিচাৰো।

অৱস্থা পৰিবৰ্ত্তনৰ উদাহৰণ সমূহ

সম্পূৰ্ণ কাহিনীটো প্ৰদৰ্শনৰ দিনকেটাৰ শেষত এগৰাকী শিক্ষিত ৭০ দশকৰ ওপৰ ব্যক্তিয়ে কৈছিল, এইটো মোক চল্লিশ বছৰৰ আগতেই প্ৰয়োজন আছিল। আমি চীনা সকলে কেতিয়াও আলোচনাই নকৰো। আমি কি কৰিব লাগিব আৰু কি বিশ্বাস কৰিব লাগিব তাকো আমাক কোৱা হয়। এইটো ভাল কথা । প্ৰথমবাৰৰ বাবে আমি নিজকে আৱিষ্কাৰ কৰিব পাৰিছো।

নেপালত অশিক্ষিত গাঁৱলীয়ালোকসকলে এটা কৰ্মশালাত ডাঙৰকৈ প্ৰশ্নোত্তৰ দিবলৈ কিছু সময় লৈছিল। কিন্তু তেওঁলোকৰ সঁহাৰিৰ প্ৰতি আগ্ৰহ দেখুৱাত তেওঁলোক জাগ্ৰত হৈ উঠিল। অৱশেষত, প্ৰতেকেই সক্ৰীয় আলোচনাত জটিত হৈ পৰিল। এজন অশিক্ষিত ব্যক্তিয়ে এনেদৰে কৈছিল, “অশিক্ষিত লোককো যে ঈশ্বৰে কথা কৈছিল, তাক মই জনা নাছিলো।”

থাইলেণ্ডৰ এখন গাঁৱত এটা কৰ্মশালাৰ অন্তত এগৰাকী প্ৰশিক্ষকে জনাইছিল,“প্ৰথম অৱস্থাত মহিলাবিলাকে একেবাৰে উত্তৰ

দিয়া নাছিল। ভালেমান দিনৰ পাছতহে তেওঁলোকে জানিব পাৰিলে যে তেওঁলোকেও কথা কব পাৰে, আৰু তেওঁলোকৰ কথাৰো মূল্য আছে। এই কথা জনাৰ পাছত আমি তেওঁলোকক উত্তৰ দিয়াত বাধা দিব নোৱাৰা হলো।

তৃতীয়বাৰ – কাহিনীটো প্ৰথমৰ পৰা শেষলৈকে নেতৃত্ব দি চলাওক ।

প্ৰথমবাৰ আপুনি কাহিনীটো কলে । তাৰ পাছত ইচ্ছুক ব্যক্তিজনে কলে ।এতিয়া তৃতীয়বাৰ আপুনি কাহিনীটো কৈ যাওঁতে প্ৰত্যেককে,আপোনাৰ লগতে কাহিনীটো চাবলৈ কওক ।

এইবাৰ কাহিনীটো কৈ যাওঁতে মাজে মাজে মনত নপৰাৰ দৰে ৰৈ যাব, যেন কাহিনীকওঁতাক , কোনোবা এটা অংশ মনত পেলাবলৈ সহায়ৰ প্ৰয়োজন হৈছে। তাৰমানে এইটো নহয় যে শ্ৰোতাসকলে মনত পেলাব পাৰেনে নোৱাৰে, তাক পৰীক্ষা কৰাতো। তাৰ সলনি কাহিনীকওঁতা জনে আশাৰে শ্ৰোতাসকলৰ মুখলৈ চাব, যেন ইয়াৰ পাছৰ বাক্যকেইটা কোনোবা এজনে কৈ দিব। মনত ৰাখিব, এইয়া দ্বিতীয়বাৰ শ্ৰোতাসকলে সম্পূৰ্ণ কাহিনীটো শুনিছে। সেই কাৰেণ কিছু অংশহে পুনবিবেচনা কৰা নুবুজায়। আপুনি সকলোকে কাহিনীটো সঠিক ও নিভূলভাৱে কবলৈ সহায় কৰক।

এই কাহিনীটো আগবঢাই নিওঁতে , এনেদৰে আৰম্ভ কৰক যেন কাহিনীটো আপুনিহে কৈছে। প্ৰতিটো বাক্যত, আপুনি আৰম্ভ কৰক, পাছে নজনাৰ দৰে ৰৈ দিয়ক, লগতে আপুনি নোকোৱাখিনি শ্ৰোতাসকলক কবলৈ দিয়ক।

উদাহৰণস্বৰূপে, আপুনি কব পাৰে “যীচুৱে কোনো এখন নগৰলৈ গৈছিল আৰু তেওঁ অকলে গৈছিল যে...? আপুনি ৰৈ দিয়ক, আৰু এনে ভঙ্গীমা দিয়ক যেন আপোনাক সহায়ৰ প্ৰয়োজন হৈছে আৰু আশাৰে বাট চাওঁক। বাকী অংশ লোকবিলাকক কবলৈ দিয়ক। সিহঁতে যেতিয়া কব , “তেওঁৰ শিষ্যসকল লগত আছিল, তেতিয়া আপুনি কব , ‘হয়’ নাইবা ‘বৰভাল’ বুলি কব । এইদৰে ,গোটেই কাহিনীটো কৈ প্ৰশ্নকৰি উত্তৰ আশাকৰি চলাই নিয়ক ।

সাধাৰণতে লোকসমূহে নাম ও পৰিমাণ মনত ৰাখিবলৈ টান পায়। এনেদৰে নেতৃত্ব দি সহজভাৱে পৰিচালিত কৰিবলৈ, আমি সাধাৰণতে মানুহৰ নামবোৰ মনত পেলাবলৈ নকওঁ।

কেতিয়া নামটো উচিত তাক বিবেচনা কৰি কব লাগিব। এই চমু কাহিনীটোত মাৰ্থা মৰিয়ম আৰু যীচুৰ নাম বাৰে বাৰে উল্লেখ কৰা হৈছে, সেইকাৰণে শ্ৰোতাসকলে সহজে তেওঁলোকৰ নামবোৰ মনত পেলাব পাৰে। প্ৰজ্ঞা ব্যৱহাৰ কৰক। সহজ প্ৰশ্ন সোধক। এইটোৱে তেওঁলোকক সাহসী কৰিব। এইদৰে কাহিনীটো আলোচনা কৰি থাকিলে, বেছি মুক্ত ভাৱে আপোনাৰ প্ৰশ্নাৱলীৰ উত্তৰ দিব।

আপুনি সোধক, ‘মাৰ্থাই কাক নিমন্ত্ৰণ কৰিছিল আৰু কি কৰিবলৈ নিমন্ত্ৰণ কৰিছিল?’ সিহঁতে কোৱাৰ পাছত, ‘মাৰ্থাই যীচুক তেওঁৰ ঘৰলৈ আহিবলৈ নিমন্ত্ৰণ কৰিছিল।” তেতিয়া আপুনি কব,‘ঠিক’।

কেতিয়াবা কাহিনী কওঁতাজনে, মাজতে ৰৈ শ্ৰোতাসকলক বাকী থকা অংশ কবলৈ দিব, কাহিনীটো এনেদৰে কব পাৰে, “মাৰ্থাৰ এগৰাকী আপোন মানুহ আছিল বুলি কাহিনীটোত কৈছে। তেওঁকোন হয়, আৰু তেওঁৰ বিষয়ে আমাক কি কোৱা হৈছে?আৰু যেতিয়া তেওঁবিলাকে উত্তৰ দি কব “মৰিয়ম, মাৰ্থাৰ ভনীয়েক আছিল আৰু মৰিয়মে প্ৰভূৰ চৰণত বহি তেওঁৰবাক্য শুনি আছিল।” তেতিয়া আপুনি কব, “শুধ উত্তৰ”।

আপুনি কওক,“মাৰ্থাৰ এটা সমস্যা আছিল বুলি তেওঁ ভাৱিছিল। মাৰ্থাৰ সমস্যাটো কি আছিল?”

শ্রোতা সকলৰ পৰা সহাঁৰি পাবৰ বাবে, আপুনি মাজে মাজে থমকি ৰ'ব যেন কাহিনীটোৰ বাকী অংশ আপুনি পাহৰি গ'ল! বাকী থকা অংশ ক'বলৈ দিয়া প্ৰণালীটো ব্যৱহাৰ কৰি থাকক। ইয়াৰ দ্বাৰা আপুনি তেওঁবিলাকক কাহিনীটো আপোনাক সোঁৱৰাই দিবৰ বাবে সুযোগ পাব আৰু তথাপি যদি শ্রোতাসকলে সহাঁৰি নজনালে, আপুনি নিজেই কাহিনীটো লাহে লাহে ক'বলৈ আৰম্ভ কৰিব, ইয়াৰ দ্বাৰাই তেওঁবিলাকে কাহিনীটো মনত পেলাবলৈ সুযোগ পাব আৰু বাকী থকা অংশ পূৰণ কৰিবলৈ সক্ষম হ'ব।

কাহিনীটোত থকা মূল শব্দকেইটা কৈয়ো লোকিবলাকক বাকী অংশ ক'বলৈ সোঁৱৰণ কৰাই দিব পাৰে। আপোনাৰ প্ৰশ্নসমূহত, মূল শব্দ থকাতো নিতান্তই প্ৰয়োজন, কাৰণ এনে শব্দই ইংগিত বহন কৰে, আৰু তাৰ দ্বাৰাই শ্রোতাসকলে কোনো বাৰ্তা বাদ নপৰাকৈ কাহিনীৰ বাকী অংশ ক'ব পাৰিব।

মূল শব্দৰ অবিহনে। উদাহৰণস্বৰূপে, আপুনি কাহিনীটো পুনবিবেচনা কৰোতে যদি কয়, আৰু মাৰ্থাই কৈছিল? কোনোবাই হয়তো শুদ্ধকৈ কব পাৰে, মাৰ্থাই কৈছিল, মৰিয়মক সহায় কৰিবলৈ আজ্ঞা কৰক।" এইটো শুদ্ধ উত্তৰেই হয়। কিন্তু এই কথা কোৱাৰ আগতে মাৰ্থাই আৰু এটা কথা কৈছিল, 'প্ৰভু আলপৈচান ধৰিবলৈ মৰিয়মে মোক অকলেই এৰিলে, ইয়ালৈ আপুনি মন নকৰেনে?' এই উত্তৰটো বাদ পৰি গ'ল। প্ৰশ্নটো নিৰ্দিষ্ট কৰি নক'লে, শ্রোতাসকলে বহু অংশ বাদ দি উত্তৰ দিব পাৰে। গতিকে মূল বা গুৰুত্বপূৰ্ণ শব্দবোৰ লৈহে, প্ৰশ্নসমূহ সুধিব লাগে।

মূল শব্দ সহঃ আপুনি বিচৰা উত্তৰটো পাবলৈ এনে এটা প্ৰশ্নসোধক যিটোৱে কাহিনীটোৰ অন্তবস্তুৰ কথা শ্রোতাসকলক মনত পেলাই দিয়ে। উদাহৰণ স্বৰূপে "মাৰ্থাই যীচুক, কি অনুৰোধ কৰিছিল? " আপোনাৰ প্ৰশ্নত "অনুৰোধ কৰা" শব্দ কেইটা ব্যৱহাৰ কৰি আপুনি শ্রোতাসকলক মাৰ্থাই যীচুক কি অনুৰোধ কৰিছিল, তাক মনত পেলাবলৈ প্ৰভাৱিত কৰিলে।"

উত্তৰ বিচাৰি পোৱাত অধিক সহায়ক হবলৈ শ্রোতাসকলক, উত্তৰটো সিমান শুদ্ধ নহলেও, আপুনি ইতিবাচক সঁহাৰি দিয়ক। এই কাৰ্য্যই তেওঁলোকক অধিক মুকলি মনেৰে কথা কবলৈ উদগণি দিব। উদাহৰণস্বৰূপে এই প্ৰশ্নটো সুধি চাওক। "মাৰ্থাই যীচুক কি বুলি সম্বোধন কৰিছিল, তেওঁ কি উপাধি ব্যৱহাৰ কৰিছিল ?" তেওঁলোকে কব পাৰে,'ৰব্বি' নাইবা 'প্ৰভু'। যদি 'প্ৰভু' বুলি কয়, আপুনি শুদ্ধ বুলি কওক। যদি 'ৰব্বি' বুলি কয়,আপুনি কব পাৰে, "ঠিক, মাৰ্থাই যীচুক 'প্ৰভু' বুলি সম্বোধন কৰিছিল। যদিও শ্রোতাজনে কোৱাৰ দৰে 'ৰব্বি' উত্তৰটো সঠিক উত্তৰ নাছিল, তথাপি সেই ব্যক্তিজনৰ ঠিক ধাৰণাটো আছিল। ইয়াৰ দ্বাৰা আপুনি উদগণিমূলক সঁহাৰি দিলে আৰু আপোনাৰ বিনম্ৰ উত্তৰটোৱে কাহিনীটো নিভূল কৰি ৰাখিলে।

এইদৰে কাহিনীটো প্ৰথমৰ পৰা শেষলৈকে কৈ যাওঁতে, আপুনি এনেধৰণৰ প্ৰশ্নসমূহ সুধিব *পাৰে, কোনে যীচুক ঘৰলৈ নিমন্ত্ৰণ কৰিছিল ? কাহিনীটোত, মৰিয়মে কি কৰ্ম্ম কৰিছে। মাৰ্থাই কি কাৰ্য্যত নিজকে ব্যস্ত কৰিছিল? তাতে এটা সমস্যা হল? সমস্যাটো বৰ্ণনা কৰক। মাৰ্থাই কেতিয়া যীচুক কথা কলে আৰু কি বুলি সম্বোধন কৰিলে? মাৰ্থাই যীচুক কি কৰিবলৈ কলে ? মাৰ্থাই সমস্যাটো কেনেদৰে সমাধা কৰিব বিচাৰিছিল? যীচুৱে কি বিষয়ত মাৰ্থাক অতি চিন্তিত বুলি কৈছিল? যীচুৱে কলে নেকি,"মৰিয়ম কোঠাটোৰ পৰা ওলাইযোৱা।" হয়নে? নহয়।*

আপুনি ঠিক কৈছে, যীচুৱে সেইটো কোৱা নাছিল। মার্থা আৰু মৰিয়মৰ সিদ্ধান্তৰ বিষয়ে যীচুৱে কি কলে?

মন কৰিব আমি সহজে চকুত পৰা কিছু **ভুল পৰামর্শ** দিছিলো । সৰলমনে, এনে ধৰণৰ চকুত পৰা ভুল কথা কলেও, লোকবিলাকে আপোনাক সহায় কৰিবলৈ বিচাৰিব। এনে প্ৰচেষ্টাই শ্ৰোতাসকলক আচৰিত কৰিব আৰু ব্যস্ত ৰাখিব। কিন্তু ইয়াক খুওব কমেহে ব্যৱহাৰ কৰিব, হয়তো এবাৰহে।

তৃতীয়বাৰ কোৱাৰ সময়ছোৱাত, কাহিনীটো শ্ৰোতাসকলৰ মনত সাঁচ বহি যায়। তদুপৰি, এনেধৰণৰ সহজ প্ৰশ্নসমূহে শ্ৰোতাসকলক ডাঙৰকৈ উত্তৰ দিবলৈ উদগনি দিয়ে। আগতে কোৱাৰ দৰে, এনে সহজ প্ৰশ্নৰ উত্তৰ দিলে আৰু নিশ্চত হলে তেওঁলোকৰ আত্মবিশ্বাস বাঢি. যায়। ইয়াৰ পাছত দিয়া "কেৱল কাহিনী"ৰ দুটা অংশত, এই আত্মবিশ্বাসৰ প্ৰয়োজন হব। কাৰণ সেইকেইটা কিছু প্ৰত্যাৱহানমূলক । আলোচনাৰ গোটেই সময়ছোৱাত, শ্ৰোতা সকলে সম্পদ বিচাৰি থাকিব আৰু তাক ডাঙৰকৈ কৈ জনাব ।

আপুনি যুগুতনে? আহক, উপস্থাপন কৰাত আমাৰ দক্ষতা কেনে তাক চেষ্টা কৰি চাওঁ।

উপস্থাপনৰ দ্বিতীয় পর্য্যায়ঃ আত্মিক জ্ঞান

নিৰীক্ষণৰ আলোচনা

আত্মিক জ্ঞান নিৰীক্ষণ। এই কাহিনীটো যুগুত কৰোতে, আমি অনেক আত্মিক জ্ঞানৰ সম্পদ আৰু আত্মিকজ্ঞান প্ৰয়োগৰ সম্পদ পালো। এই কাহিনীটো শিকাওঁতে ইয়াতৰ আৱিষ্কাৰ কিছু অংশ বা গোটেইখিন আপুনি উপস্থাপন কৰিব পাৰে।

কাহিনীটো প্ৰথমৰ পৰা শেষলৈকে নেতৃত্ব দি চলাইনিয়াৰ পাছত, কাহিনীটো উপস্থাপন কৰোতে, আপুনি কোন অংশ আলোচনা কৰিব প্ৰথমে তাক কওক। এইদৰে কব পাৰে, "কাহিনীটোৰ প্ৰথম অংশত..." আৰু তাৰ পাছত গোটেই অংশটোকেই কওক। যিটো কাহিনীত ৭ ৰ পৰা ১৪ পদকৈ আছে, তাক ৩-৪ টা ভাগত ভাগ কৰক। স্বাভাৱিকতে য'ত শেষ হৈছে, সেইটো চাওক। তথ্যচিত্ৰৰ দৰেই কোনো অঙ্গিভঙ্গি নেদেখুৱাকৈয়ে কওক।

কাহিনীটো ভাগ ভাগ কৰি, বেলেগ বেলেগ ধৰণেৰে কথা কোৱাৰ কাৰণে, শ্ৰোতাসকলে গমেই নেপাব। তেওঁলোকে কাহিনীটোৰ কোনো কোনো অংশ আলোচনা কৰিছে বুলি ভাবিব আৰু এই কার্য্যই কাহিনীটো আকৌ এবাৰ শুনাৰ সুযোগ পাব আৰু ইয়ে কাহিনীটো মনত ৰাখিবলৈ সহায় কৰিব।

নমুনা হিচাবে তলত দিয়া প্ৰশ্নসমূহে, আপুনি আৱিষ্কাৰ কৰা কিছুমান সম্পদলৈ পথ দেখুৱাই নিব । লগতে মার্থা মৰিয়মৰ কাহিনীটোৰ কর্ম্মশালাত সংখ্যানুসাৰে দিয়া নিৰীক্ষণ সমূহত

যিবিলাক বেঁকা আখৰেৰে লিখা হৈছে সেই বিলাক কাহিনীকওঁতাজনে দলটোক সুধিব পাৰে। যিবিলাক শব্দ বেঁকা আখৰেৰে লিখা নাই, সেইবিলাক সম্ভাব্য উত্তৰ বা সম্পদ হব পাৰে । আৰু সেইবিলাক দলটোৱে ডাঙৰকৈ কব পাৰে।

১. (১ আৰু ২ নং প্রশ্নৰ যোগেদি কাহিনীত থকা অৱস্থাটো বুজিবলৈ লোকবিলাকক আহ্বান জনাব লাগে। আৰু আবেগিকভাৱে আকর্ষণ কৰিব লাগে) এই কাহিনীটোত যীচুৱে যেন মৰিয়মৰ আচৰণক শলাগিছে, আৰু মার্থাৰ আচৰণক সমালোচনা কৰিছে। মই শুদ্ধনে ?(উত্তৰৰ বাবে ৰওক) মোৰ খেলিমেলি লাগিছে। অতিথি পৰায়ণতা ভালনে ? (উত্তৰৰ বাবে অপেক্ষা কৰক) ঘৰতে অতিথৰ বাবে ৰান্ধি-বাঢি.খুউৱাটো ভাল কথানে ? (উত্তৰ বাবে অপেক্ষা কৰক) মই বেছি অনুসিন্ধৎ হৈ পৰিছো এইকাৰণে-যীচু, মৰিয়মৰ বাবে সুখী আৰু মার্থাক শলাগ লোৱা নাই ।

২) ইয়াৰ উপৰিও, এই কাহিনীটোৱে দেখুৱাইছে যে ৰন্ধা-বঢা কৰাতকৈ বাইবেল অধ্যয়ন কৰাটো ভাল এই বুলি যদি আমি সিদ্ধান্ত কৰো। তেনেহলে, ভদ্রলোক সকল, আপোনালোকৰ বাবে কোনে বন্ধা-বঢা কৰিব? (উত্তৰ বাবে অপেক্ষা কৰক) ভদ্রলোক সকল আৰু এটা কথা হল আপোনালোকৰ ভার্য্যা সকলক অতিথিৰ বাবে আহাৰ যুগুত কৰিবলৈ কোৱাটো ভাল কথানে? কাৰণ তেনে কৰিলে বাইবেল অধ্যয়ন কৰিব নোৱাৰিব আৰু তেওঁলোকক কব যে এই কাহিনীটোৱে শিকায় যে সিহঁতৰ এই কার্য্য সিমান মূল্যৱান নহয়?(উত্তৰৰ বাবে ৰওক)

যীচুৱে কি দেখুৱাইছে? হয়তো এই কাহিনীটো আমি আকৌ অধ্যয়ন কৰাৰ প্রয়োজন আছে?

৩) *মনত ৰাখিব মার্থাই কেনেকৈ যীচুক নিজৰ ঘৰলৈ নিমন্ত্রণ কৰিছিল? এই কাহিনীটোত এনে কিছু কথা আছেনে যিটোৱে আমাক দেখুৱায় যে, যীচুৱে এজন বিশেষ ব্যক্তি আছিল, তাক মার্থাই জানিছিল?* (উত্তৰৰ বাবে অপেক্ষা কৰক)

শ্রোতাসকলে উল্লেখ কৰিব পাৰে যে, মার্থাই যীচুক "প্রভু" বুলি কৈছিল, যে মৰিয়মে, যীচুৰ শিক্ষা শুনিছিল, নাইবা মার্থাই লগ কৰা সময়ত যীচুৰ লগত শিষ্যসকল আছিল আৰু এই সকলোবোৰে তেওঁক সর্ব্ব সাধাৰণতকৈ ওপৰত ৰাখিছিল। এই সকলো বিলাকেই যুক্তিপূণ প্রতিক্রিয়া বা সহাঁৰি।

৪) *আমি এই কাহিনীটোত দেখিবলৈ পাইছো যে মার্থাৰ ভনীয়েক মৰিয়মে যীচুৰ চৰণৰ ওচৰত বহি যীচুৰ বাক্য শুনি আছিল। "যীচুৰ চৰণৰ ওচৰত বহি" এই কথাই কি বুজায়?(উত্তৰৰ* বাবে অপেক্ষা কৰক)।আপুনি সন্মতনে! কাৰোবাৰ চৰণৰ ওচৰত বহি থকা মানে, গুৰু-শিষ্যৰ ভিক্তপূর্ণ সম্বন্ধৰ কথাকে কোৱা হৈছে। আপোনালোকে কোৱাৰ দৰে, এই কার্য্যই বাধ্যতা আৰু একাত্মতা থকা বুজায়।

৫) *মার্থাই যীচুক কি বুলি সম্বোধন কৰিছিল?(উত্তৰৰ* বাবে অপেক্ষা কৰক) *প্রভূ মানে কি বুজায়?* (মই হাত দাঙি কব খুজিছো, ই উচ্চস্থান দিয়াতো বুজায়, লোক বিলাকে ভবা নাছিল "প্রভূ" মানে যে মার্থাই যীচুৰ বিষয়ে জানিছিল তাক কিহে আমাক দেখুৱায়? (উত্তৰৰ বাবে অপেক্ষা কৰক)। গতিকে মর্থাই যীচুক এজন বিশেষ ব্যক্তি বুলি জানিছিল, যিজনক তেওঁ শ্রেষ্ঠ

হিচাবে গণ্য কৰিব পাৰে। মাৰ্থাই কৈছিল, "তেওঁ প্ৰভূ" এই কথা জানিও, তেওঁ পাকঘৰতে ব্যস্ত থাকিল আৰু যীচুৰ বাক্য শুনা নাছিল। *ইয়াৰ পৰা, মাৰ্থাৰ আচৰণৰ বিষয়ে আপুনি কি ভাৱে।* (উত্তৰৰ বাবে অপেক্ষা কৰক) *তেওঁৰ কথা আৰু কামৰ মিল থকা দেখা পাইছেনে? কাহিনীটোৰ এই অংশৰ পাৰ আপুনি কি দেখা পাইছে?*

৬) *কাহিনীটোত কোৱা হৈছে যে – মাৰ্থাই অত্যাধিক কামৰ বোজাত আছিল আৰু অকলেই আলপৈচান ধৰিছিল। মাৰ্থাই কিমান ডাঙৰ ভোজৰ বা খোৱা বস্তুৰ আয়োজন কৰিছিল। কাহিনীটোৰ পৰা জানিব পাৰোনে?* (উত্তৰৰ বাবে অপেক্ষা কৰক)। *যীচুক আমন্ত্ৰণ কৰাতো কাৰ পৰিকল্পনা আছিল?* (উত্তৰৰ বাবে অপেক্ষা কৰক)

মোৰ এটা প্ৰশ্ন আছে। যীচুৱে কিবা গুৰুত্বপূৰ্ণ উপদেশ দিব বুলি জানিও, তেওঁ ইমান বেছি সময় খৰচ কৰি কিবা এটা বিশেষ আয়োজন কিয় কৰিবলৈ লৈছিল? মাৰ্থাৰ সিদ্ধান্তটোৰ বিষেয় আপুনি কি ভাৱে? (উত্তৰ বাবে অপেক্ষা কৰক) *আমি দেখা পাইছো যে মাৰ্থাই অকলেই বহুতবেছি কাম কৰিব লগীয়া হৈছে বুলি যীচুক আপত্তি দৰ্শাইছে, কিন্তু তাই নিজেহে তেওঁৰ সকলো সময় ৰন্ধাবঢাত ব্যৱহাৰ কৰিবলৈ সিদ্ধান্ত কৰিছিল। মাৰ্থাৰ যুক্তিৰ বিষয়ে আপুনি কি ভাৱে?* (উত্তৰৰ বাবে অপেক্ষা কৰক)

৭) হূঁম? মাৰ্থাই **প্ৰকৃততে** যীচুৰ পৰা কি বিচাৰিছিল? (উত্তৰৰ বাবে অপেক্ষা কৰক, কোনোবাই উত্তৰ দিলে তেওঁলৈ আচৰিতহৈ চাওক) তাই কি কৈছিল?(ইয়ালৈ আপুনি মন নকৰেণ?) মোৰ মনত সন্দেহ হয়। মাৰ্থাৰ কথাৰ পৰা, যীচুৰ ওপৰত তেওঁ ভাৰষা কৰা কিবা কথা বুজা যায়নে ? (উত্তৰৰ বাবে অপেক্ষা কৰক)

৮) *মাৰ্থাই তেওঁৰ সমস্যা কেনেদৰে সমাধা কৰিবলৈ বিচাৰিছিল? কাৰণ মাৰ্থাই কৈছিল?* "যীচু, আপুনি মৰিয়মক কওক, তেওঁ যেন মোক সহায় কৰে।"(উত্তৰৰ বাবে অপেক্ষা কৰক) মাৰ্থাই যীচুক কেনে ব্যৱহাৰ দিছে? প্ৰভূক সন্মান দিয়াৰ দৰে দিছেনে?(উত্তৰৰ বাবে অপেক্ষা কৰক)। মই সন্মত । তেওঁ এনে ব্যৱহাৰ দিছে যেন তেওঁহে যীচুৰ প্ৰভু আৰু যীচু তেওঁৰ সেৱক । মাৰ্থাই তেওঁৰ ব্যৱহাৰৰ দ্বাৰাই অন্যৰ প্ৰতি কেনেভাৱ আছে, তাকেই প্ৰকাশ কৰিছে নেকি? কি প্ৰকাৰে ? (উত্তৰৰ বাবে অপেক্ষা কৰক)।

৯) *মাৰ্থাই কোৱা কথা শুনাৰ পাছত,আমি দেখা পাওঁ যে যীচুৱে তেওঁক উত্তৰ দিছে, আপুনি কিবা যুক্তি বিচাৰি পাইছেনে যীচুৱে কিয় মাৰ্থাক শুধৰাই দিছে আৰু মৰিয়মক প্ৰশংসা কৰিছে।" যীচুৱে কোৱা সেই প্ৰয়োজনীয় এটা বিষয় কি?*(উত্তৰৰ বাবে অপেক্ষা কৰক)।

১০) নিজে অনেক কাম কৰিব লগীয়া হোৱাৰ বাবে, মাৰ্থাই কোন দুজন ব্যক্তিক দোষাৰোপ কৰিছে? (উত্তৰৰ বাবে বাট চাওক)। হয়। মৰিয়ম আৰু যীচুক। মাৰ্থাই তেওঁলোকক দোষাৰোপ কৰাটো কেনেদৰে কৈছে ? (উত্তৰৰ বাবে বাট চাওঁক) মাৰ্থাই কৈছিল, "যীচু, আলপৈচান ধৰিবলৈ মোৰ ভনীয়ে যে মোক অকলেই এৰিলে, ইয়ালৈ আপুনি মন নকৰেনে?" আৰু মন কৰক, মাৰ্থাই কৈছিল যে মৰিয়মে সকলো কাম তেওঁৰ ওপৰতে এৰিলে, কথাটো মনত

ৰাখিব, যীচুক কোনে নিমন্ত্রণ কৰিছিল? (উত্তৰৰ বাবে বাট চাওক) ইমান ডাঙৰ ভোজ দিবলৈ কোনে সিদ্ধান্ত লৈছিল? (উত্তৰৰ বাবে বাট চাওক)

এই কাহিনীটোত কাৰ নাম উল্লেখ কৰা নাই যিয়ে মার্থাৰ বাবে এনে অশান্তিৰ অৱস্থা কৰিছিল? (উত্তৰৰ বাবে বাট চাওক) হয়, মার্থাই নিজাকৈ, এই অশান্তিৰ কাৰক হিচাবে গণ্য কৰা নাছিল।

১১) মন কৰক যে মার্থাই এনে সিদ্ধান্ত লৈছিল যিয়ে তেওঁক যীচুৰ উপদেশ শুনাৰ পৰা বঞ্চিত কৰিছিল। মার্থাই সমস্যাটো সমাধান হোৱা হলে (যিটো সমস্যা তেওঁ নিজেই সৃষ্টি কৰিছিল) আন কাৰোবাৰ ওপৰত প্ৰভাৱ পাৰিলহেতেন?(উত্তৰৰ বাবে অপেক্ষা কৰক) হয়, মৰিয়মে যীচুৰ উপস্থিতি ত্যাগ কৰিব লগীয়া হলহেতেন । মার্থাৰ সমস্যাটো কেনেদৰে সমাধান হব পাৰে বুলি আপুনি ভাৱে ? (উত্তৰৰ বাবে বাট চাওক)

১২) মার্থাই যীচুক কেনে সন্মান দেখুৱাইছে (উত্তৰৰ বাবে বাট চাওক) যি ধৰণে মার্থাই যীচুক কথা কৈছে,তাৰ দ্বাৰা অসন্মান কৰাহে বুজাইছে। প্ৰথমতে, মার্থাই তেওঁৰ সমস্যাটোলৈ মন নকৰা কাৰণে যীচুক দোষ দিছে, আৰু তাৰ পাছত যীচুক এনেদৰে কথা কৈছে যেন যীচু, মার্থাৰ সেৱক।

১৩) মার্থাৰ কথালৈ প্ৰতিক্ৰিয়া প্ৰকাশ কৰাৰ সময়ত যীচু আবেগিক হৈছিল নে? (উত্তৰৰ বাবে অপেক্ষা কৰক)। আমোদজনক কথা। সকলোৰে আগত মার্থাই যীচুক দোষী সাব্যস্ত কৰা আৰু যীচুক আজ্ঞা কৰা – এনে পৰিস্থিতিত যীচুৱে আৰু কিদৰে সহাঁৰি জনাব পাৰিলেহেতেন? (উত্তৰৰ বাবে অপেক্ষা কৰক) মই সেইটোও দেখা পাইছো। এনেদৰে অসন্মান প্ৰদৰ্শন কৰা বাবে যীচুৱে খং কৰিব পাৰিলেহেতেন। নাইবা তেওঁ লজ্জিত হৈ কোঠাটোৰ পৰা ওলাই এৰি যাব পাৰিলেহেতেন। কিন্তু যীচুৱে সেইদৰে প্ৰতিক্ৰিয়া প্ৰকাশ নকৰিলে। যীচুৱে মার্থাক কেনেকৈ কথা কৈছিল- বৰ্ণনা কৰা (উত্তৰৰ বাবে অপেক্ষা কৰক) যীচুৱে মৰমেৰে মার্থাক বুজাই দিলে যে- তাই বহুত কথাত চিন্তিত হৈ আছে, যে মৰিয়মে যি মনোনীত কৰিলে তাক তেওঁৰ পৰা নিয়া নহব।

১৪) *অন্য প্ৰকাৰেও মার্থাই যীচুক অৱমাননা কৰিছে বুলি আপুনি ভাৱেনে?* (উত্তৰৰ বাবে অপেক্ষা কৰক) যীচু এৰগাকী সন্মানীয় শিক্ষক আছিল। মন কৰক যে মার্থাই কেৱল যীচুকহে সমালোচনা কৰিছিল এনে নহয়। এনে কার্য্যৰ দ্বাৰাই যীচুক সম্পূৰ্ণ অৱমাননা কৰিছিল। *মার্থাৰ প্ৰশ্নৰ উত্তৰ দিওঁতে, যীচুৱে অহঙ্কাৰ নে নম্ৰতা প্ৰদৰ্শন কৰিছিল? কেনেকৈ?* (উত্তৰৰ বাবে অপেক্ষা কৰক)

১৫) যীচুৱে মার্থাক কি বুলি মাতিছিল আৰু কেনেকৈ তেওঁৰ চিন্তাৰ কথা উল্লেখ কৰিছিল, যীচুৱে তেওঁক জানিছিলনে? (উত্তৰৰ বাবে অপেক্ষা কৰক)। হয়, যীচুৱে মার্থালৈ অকৃত্ৰিম আগ্ৰহ দেখুলাইছিল। তেওঁ নামধৰি মার্থাক মাতিছিল। যীচুৱে এবাৰ নহয়, দুবাৰকৈ তেওঁৰ নাম লৈছিল!

১৬) মার্থাই যি ধৰণে চিন্তিত হৈ আছিল, সেইটো তেওঁৰ বাবে নতুন কথা আছিল নেকি? নে এইটো তেওঁৰ অভ্যাস আছিল? (উত্তৰৰ বাবে অপেক্ষা কৰক) যীচুৱে উল্লেখ কৰিছিল যে মার্থাই

অনেক বিষয়ত চিন্তিত আছিল- ইয়াৰ মানে, এইটোৱে বুজায় যে মাৰ্থাৰ এটা অভ্যাসহে আছিল।

১৭) কাহিনীটোত এনে ইংগিত পাওঁনে, যিটোৱে আমাক দেখুৱায় যে মাৰ্থাই পাকঘৰত আহাৰ যুগুত কৰি, নাইবা যীচুৰ চৰণৰ ওচৰত বহিও উপদেশ শুনিব পাৰিলেহেন? এই দুটাৰ ভিতৰত যিকোনো এটা পথ মনোনীত কৰিব পৰা অৱস্থা আছিল নেকি?(উত্তৰৰ বাবে অপেক্ষা কৰক) হয় মই ভাৱো। যীচুৱে আমাক জানিবলৈ দিছে যে মাৰ্থাই তেনে এটা পথ মনোনীত কৰিব পাৰিলেহেতেন। যীচুৱে এনেদৰে কৈছিল, "মৰিয়মে সেই উত্তমভাগ মনোনীত কৰিলে।" এই বাক্যৰ দ্বাৰাই মাৰ্থাই কি মনোনীত কৰিলে বুলি যীচুৱে কৈছে? (উত্তৰৰ বাবে অপেক্ষা কৰক)

১৮) যীচুৱে কৈছিল,"মাৰ্থা, মাৰ্থা, তুমি অনেক বিষয়ত চিন্তিত আৰু ব্যস্তহে আছা, কিন্তু প্রয়োজনীয় এটাহে।" মৰিয়মৰ দৃষ্টিভঙ্গী আৰু মনোনীত কৰা কার্য্য আৰু মাৰ্থাৰ দৃষ্টিভঙ্গী আৰু মনোনীত কৰা কার্য্যৰ সৰ্ম্পকে যীচুৱে কি কৈছে? (উত্তৰৰ বাবে অপেক্ষা কৰক) মৰিয়মে প্রয়োজনীয়টো মনোনীত কৰিলে।

১৯) মাৰ্থাই ভাৱিছিল নেকি যে তেওঁ যি মনোনীত কৰিলে সেইটোহে প্রয়োজনীয়?(উত্তৰৰ বাবে অপেক্ষা কৰক) মাৰ্থাই যি কৰিছিল, সেইটো যীচুৱে প্রয়োজনীয় বুলি ভাৱিছিলনে ? (উত্তৰৰ বাবে অপেক্ষা কৰক) খোৱাটো প্রয়োজনীয়নে?(উত্তৰৰ বাবে অপেক্ষা কৰক) এটো বুজিবৰ বাবে মোক সহায় কৰক। যীচুৱে উচিত আৰু অনুচিত সম্বন্ধে এই কাহিনীটোৰ যোগেদি কি কব বিচাৰিছে বাৰু?

২০) যি সমাজ ব্যৱস্থাত অতিথি সেৱাক অগ্রাধিকাৰ দিয়া হয়, তাত মৰিয়মৰ পৰা কি আশা কৰিব বাৰু? (উত্তৰ বাবে অপেক্ষা কৰক)মৰিয়মৰ সিদ্ধান্ত লোৱাত অসুবিধা হৈছিল নেকি? মৰিয়মে নিজৰ ইচ্ছা পালন কৰিবৰ বাবে আন বিষয় বিলাকৰ বিৰুদ্ধে যাব লগা হল হয় নেকি?(উত্তৰৰ বাবে অপেক্ষা কৰক)অহ, হয়, তাইৰ সমাজ আৰু তাইৰ পৰিয়ালৰ ইচ্ছাৰ বিৰুদ্ধে।

২১) আমি দেখিবলৈ পালো যে মাৰ্থাই যেতিয়া উপলব্ধি কৰিলে যে তাইৰ কাম খিনি তাই সম্পূর্ণ কৰিব নোৱাৰিব তেতিয়া তাই কি কৰিলে। অলপ সময়ৰ বাবে চিন্তা কৰি চাওঁক। মাৰ্থাই তাইৰ কাম খিনি সম্পূর্ণ কৰিবৰ বাবে আন কিবা উপায় আছিল নেকি? (উত্তৰ বাবে অপেক্ষা কৰক)। মাৰ্থাৰ বাবে আন বহু বিলাক সমাধান থকা যেন দেখা যায়। (মাৰ্থাই তাইৰ কার্য্য সম্পূর্ণ কৰিবৰ বাবে আন কি কি উপায় অৱলম্বন কৰিব পাৰিলে হয় তাক বিচাৰি উলিয়াবৰ বাবে মানুহ বিলাক উৎসাহীত কৰক।)

২২) মাৰ্থাৰ বাবে সম্ভাব্য আন কি উপায় আছিল? (উত্তৰৰ বাবে অপেক্ষা কৰক) সহায়ৰ বাবে মাৰ্থাই আন কোন ব্যক্তিৰ ওচৰলৈ যাব পাৰিলেহেন? (উত্তৰৰ বাবে অপেক্ষা কৰক) এই কাহিনীটো শুনি আৰু আলোচনা কৰি এনে সিদ্ধান্তত উপনীত হয় যে, মাৰ্থাই যীচুৰ ওচৰলৈ গৈ যীচুক অনুৰোধ কৰিব

লাগিছিল, “প্রভূ খোৱাৰ এই সকলো আয়োজন মই অকলেই কৰিব নোৱাৰো। মই কি কৰিম, প্রভূ?’
২৩) লাজকুৰীয়া স্বভাৱৰ বাবে মার্থাই যীচুৰ ওচৰলৈ যাব নোৱাৰিলে আৰু সহায় খুজিব নোৱাৰিলে নেকি ? (উত্তৰৰ বাবে অপেক্ষা কৰক) মার্থাৰ দৃষ্ট ভঙ্গিৰ বিষয়ে আপুনি কি কব? (উত্তৰৰ বাবে অপেক্ষা কৰক) মার্থাৰ দৃষ্টভঙ্গিৰ লগত যীচুৰ দৃষ্টভঙ্গী তুলনা কৰি চাওক ।
২৪)মার্থাৰ সিদ্বান্তৰ লগত মৰিয়মৰ সিদ্ধান্ত তুলনা কৰক। এই দুয়োটা সিদ্ধান্ত একে নে, বেলেগ বেলেগ? (উত্তৰৰ বাবে অপেক্ষা কৰক) কোন গৰাকী ভদ্র মহিলাই যীচুক দিছে আৰু কোন গৰাকীয়ে যীচুৰ পৰা গ্রহণ কৰিছে? (উত্তৰৰ বাবে অপেক্ষা কৰক) কোনটো কর্ম্ম যীচুৱে অধিক গুৰুত্ব দিছে ? (উত্তৰৰ বাবে অপেক্ষা কৰক) ইয়াৰ পৰা আমি কিবা বুজিব পাৰোনে?(উত্তৰৰ বাবে অপেক্ষা কৰক)
শ্রোতাসকলে দেখা পাব যে মার্থাই যীচুৰ বাবে কিবা কৰিছে আৰু মৰিয়মে যীচুৰ পৰা গ্রহণ কৰিছে। ইয়াত যীচুৱে কব খুজিছে যে অন্তঃত এই মুহুর্ত্তত, কাম কৰাটো প্রয়োজনীয় নহয়। এইটোৱে কর্ম্ম আৰু অনুগ্রহ’ৰ বিষয়ে এটা ডাঙৰ আলোচনাৰ পথ মুকলি কৰি দিব পাৰে।

আপোনাৰ প্রশ্নসমূহে আপোনাৰ শিক্ষা দিয়াৰ ধৰণটো দেখুৱাবঃ

আপুনি অনুসন্ধান কৰি পোৱা আচৰিত নিৰীক্ষণ সমূহ লোক সমূহে বিচাৰি পোৱাত সহায় কৰিবলৈ, কেনে ধৰণৰ প্রশ্নৰ অৱতাৰণা কৰিব, তাক সিদ্ধান্ত কৰাৰ আগেতে, শিক্ষক সকলে প্রশ্নকৰাৰ ধৰণবিলাক আমি জনাটো প্রয়োজন।
কাহিনী কওঁতা সকলৰ প্রশ্ন সোধাৰ ধৰণটোৰ ওপৰতেই শ্রোতাসকলে কেনেদৰে বুজে, সেই কথা প্রতিপন্ন কৰে। কাহিনীকওঁতাজনৰ কথা কোৱাৰ সুৰ ভঙ্গিমা,শৰীৰৰ অঙ্গি-ভঙ্গি,আৰু প্রশ্নসোধাৰ ধৰণ, ইত্যাদি বিলাকে আপুনি এজন উগ্র-শিক্ষক, দয়ালু শিক্ষক বা একেপথৰ যাত্রী, তাক দেখুৱাই দিব।
উগ্র-শিক্ষকৰ ধাৰণটো ‘সম্পূর্ণ কাহিনীটো’ৰ পদ্ধতিৰ লগত ভালদৰে মিল নেখায়। উগ্র ধৰণটোৱে, অংশ গ্রহণ কাৰী সকলক ভাৱিবলৈ বাধ্য কৰে – ‘কেৱল এটাহে শুদ্ধ উত্তৰ আছে, আৰু মই যদি ভুল উত্তৰ দিওঁ, তেন্তে মোক সমাজৰ আগতে লজ্জিত কৰা হব।” সেইকাৰণে লোক বিলাকে উত্তৰ দিবলৈ ভয় কৰে আৰু সঁহাৰি নজনায়।অংশগ্রহণকাৰী সকলে উপলব্ধি কৰে, যেন কাহিনীকওঁতা জনে কৈছে, “মই জ্ঞানৰ উচ্চ শিখৰত থিয়হৈ আছো।” আপোনালোক এই উচ্চ শিখৰত উঠিবলৈ জাগ্রতহৈ, মোৰ যি জ্ঞান আপোনালোকেও যে আয়ত্ব কৰিলে, তাক দেখুৱাবনে?

শিকাৰো সকলে এনে আলোচনাত অংশ গ্রহণ কৰিব। কিন্তু আপুনি মনদি চালে দেখিব যে খুউব কম সংখ্যক অংশ গ্রহণ কাৰীয়েহে, যি সকল তীক্ষ্ণবুদ্ধি সম্পন্ন আৰু শুদ্ধ উত্তৰ দিয়াত অভ্যস্ত,

সঁহাৰি জনাইছে। কম সংখ্যক বচা বচা লোকেহে এই ধৰণাটো ভাল পায়। তেওঁলোকে এই বাছকবনীয়া শ্রেণীৰ অংশীদাৰ হব পৰাতো উপভোগ্য কথা বুলি ভাৱে কাৰণ এই বাৰেবৰণীয়া শ্রেণীৰ লোকে অন্য অধিকাংশ লোকতকৈ অনেক বেছি কথা তেওঁলোকে জানে।

দুর্ভাগ্যক্রমে, সমাজৰ এই বাছকবনীয়া শ্রেনীটোৱে, অংশ গ্রহণ নকৰা অধিকাংশ লোকৰ কল্যানৰ কথা চিন্তা নকৰে। সেই এৰি যোৱা লোক সকলে কেতিয়াও নিজকে বুদ্ধিয়ক বুলি নেভাৱিব। তেওঁলোক নিজৰ সম্পর্কে অনিশ্চিত। তেওঁলোকে আগবটি ওপৰলৈ উঠি যাব পাৰিব বুলি নেভাৱে।

সতীর্থ-আৰোহনকাৰী, কাহিনীকওঁতা সকলে দক্ষতাৰে সকলো শ্রোতাকে উপলব্ধি কৰিবলৈ সহায় কৰিব যে তেওঁলোকে একেলগে পর্ব্বত- আৰোহন কৰিছে আৰু আত্মিক জ্ঞান আৱিস্কাৰ কৰিছে।

সতীর্থ-আৰোহণকাৰী ভূমিকা গ্রহণ কৰাটো এক অতি প্রত্যাহ্বানমূলক ব্যক্তিত্ব, যিটো কাহিনীকওঁতাজনে গ্রহণ কৰিব পাৰে। কিন্তু এনে ভূমিকা প্রত্যেকৰ বাবেই বৰ তৃপ্তিদায়ক। ই স্বাভাৱিক ভাৱেই প্রত্যেকেই অংশ গ্রহণ কৰিবলৈ আকর্ষিত কৰে। এনে ভূমিকাই অংশ গ্রহনকাৰী বা কাহিনীকওঁতা সকলৰ মনত অহংকাৰ নজন্মায়।

এবাৰ এটা কর্ম্মশালাত, খোৱাৰ ছুটী সময়ত, এগৰাকী উপস্থিত থাকোতাই, কাহিনীকওঁতা বিলাকে সতীর্থ-আৰোহনকাৰী হোৱা বিষয়টো মূল্যাংকন কৰিছিল। এই ভদ্রমহিলাগৰাকীয়ে কৈছিল, “মই মার্থা-মৰিয়মৰ কাহিনীটো সচাঁকৈয়ে ভাল পাইছিলো। ই মোক বহুকথা ভাবিবলৈ বাধ্য কৰালে। আপুনি জানেনে এই কাহিনীটোৰ মই আটাইতকৈ কি ভাল পাইছিলো?” হাঁহি মাৰি মই সুধিলো, “কি?”

“সেই সময়ছোৱাত, যেতিয়া আপুনি উত্তৰ সমূহ নিজে নামানিছিল আৰু আপোনাৰহে উত্তৰ বিচাৰিবলৈ আমাক কৈছিল।”

“অহ!”মই কলো। “এইটো ভাল কথা।” “কেৱল কাহিনীটো” ৰ কর্ম্মশালাত মই যি শিকাইছো তাৰ আৰ্হি হব পাৰিলো। প্রকৃততে পৃথিবীৰ বিভিন্ন ঠাইত এই কাহিনীটো অনেকবাৰ কৈছিলো, সেই কাৰণে মই প্রশ্নসোধাৰ আগতেই লোকবিলাকে কোৱা সৰহ ভাগ উত্তৰ জানিছিলো। কিন্তু মই আপোনালোকক এটা সুযোগ দিব বিচাৰিছিলো। সেই কাৰণে মই ৰৈ গৈছিলো।”

তেওঁ মূৰ দুপিয়ালে। “অহ, সেইটো মই জানো, মই কব খুজিছো যি যি সময়ত আপুনি উত্তৰ সমূহ নাজানিছিল আৰু আমাক আৱিস্কাৰ কৰিবলৈ কৈছিল সেই বিষয়েহে কৈছো। মই এইটো ভাল পাইছিলো যে, আপুনিও যে সকলো কথা নেজানে, তাক আমাক জনাবলৈ , শঙ্কাবোধ কৰা নাছিল।”

“হূহ!” মই মনতে ভাৱিলো। মই মোৰ কাম কৰিলো। আমি অনুসন্ধান কৰা আৰু দলটোৱে আবিস্কাৰ কৰা সৰহ ভাগ কথাই যে মই জানো, সেইটো কথাত জোৰ দি থকাৰ মোৰ কোনো প্রয়োজন নাই। তেওঁ আৰু আন উপস্থিত থাকোতা সকলোৱে অন্তঃকৰণেৰে সৈতে অংশ গ্রহণ

কৰিলে। তেওঁলোকে ভাবিবলৈ আৰু অনুসন্ধান কৰিবলৈ স্বাধীনতা পালে। আমি আক্ষৰিক ভাৱে একেলগে পৰ্ব্বতটো আৰোহণ কৰিলো।

অনুগ্রহ কৰি মনত ৰাখিব মোৰ পৰিচিত কাহিনীসমূহ উপস্থাপন কৰাৰ সময়তো, অংশ গ্রহণকাৰী সকলে মই নজনা আত্মিক জ্ঞান নিৰীক্ষণ আৰু আত্মিক জ্ঞান প্রয়োগ আৱিস্কাৰ কৰিয়েই থাকে। সেই নতুন 'তথ্য' সমূহ মই প্রশ্ন সুধি পোৱা প্রত্যক্ষ ফল নহয়। সেই সম্পদ সমূহ পবিত্র আত্মালৈ মনোযোগ দিওঁতা সকলৰ বাবে পবিত্র আত্মাই দান কৰা আত্মিক জ্ঞান আৰু প্রাণবন্ত আলোচনাৰ সময়ত উদঘাটন কৰা সম্পদ। 'কেৱল কাহিনীটো'ৰ আলোচনা চক্ৰই ব্যক্তি সকলক আৱিস্কাৰ কৰিবলৈ প্রজ্বলিত কৰে, ই লোকসকলৰ বাবে মতবিনিময় কৰিবলৈ এক সুযোগও দিয়ে।

কেনেকৈ সতীর্থ আৰোহণ কাৰী হব পাৰি

প্রশ্নসমূহৰ গাঠনিয়ে, অংশগ্রহণ কাৰী সকলক হয় উদগণি দিব নহয় নিৰুৎসাহ কৰিব। উদাহৰণ স্বৰুপে, যদি কাহিনীকওঁতা জনে সোধে, "আব্রাহামে কিমান উট আনিছিল?" শ্রোতা সকলে জানে যে ইয়াৰ এটা সঠিক উত্তৰ আছে। তেওঁলোকে ভাবিব, মই নিশ্চয় শুদ্ধ উত্তৰটো দিব লাগিব। এনেধৰণৰ প্রশ্নই শ্রেনীকোঠাত সোমাই থকা অনুভৱ আনি দিয়ে আৰু আলোচনা বন্ধহৈ যায়।

তাৰ সলনি, আপুনি কথা কোৱাৰ সুৰটো এনেদৰে ব্যৱহাৰ কৰক যেন আপুনি অনুসন্ধিৎসু হৈছে আৰু সুধিছে, "বাৰু, আব্রাহামৰ কিমান উট আছিল?..." আপোনাৰ ভঙ্গিমা, মুখৰ প্রকাশভঙ্গি আৰু কথাৰ সুৰটোৱে বুজাব যে আপুনি সংখ্যাটো নিজেই মনত পেলাবলৈ চেষ্টা কৰিছে। সেইটোৱে ইচ্ছুক ব্যক্তিসকলক সহায় আগবঢাবলৈ উদগণি দিব। কোনোবাই যদি কয় "১২", তেতিয়া আপুনি কব, "আহক, আমি চাওঁ, ১২টাই আছিলনে অলপ অধিক আছিল...? তাৰ মাজতে কোনোবাই যদি কয় "১৪টা আছিল," তেতিয়া আপুনি কব পাৰে, আহ, মই সন্মত, মই ভাবো ১৪ টাই আছিল। ধন্যবাদ, ভাল উত্তৰ।"

আপোনাৰ যেন সহায়ৰ প্রয়োজন হৈছে, এনে ভাৱ দেখুৱালে, লোকে মুকলি মনেৰ সহাঁৰি দিব। কাহিনীটো কৈ নেতৃত্ব দিয়া সময়তেই হওক বা নিৰীক্ষণ আৰু প্রয়োগৰ ক্ষেত্রতেই হওক, লোকবিলাকে সহায় কৰিবলৈ আগবাঢি আহিব, আৰু অংশ গ্রহণ কৰিবলৈ আৰু ভাৱবিনিময় কৰিবলৈ আনন্দ পাব।

আপোনাৰ প্রশ্নসমূহ সোধাৰ চানেকিটোৱে, লোকসমূহৰ বাবে এক পৰিবেশৰ সৃষ্টি কৰে। শিক্ষক ও পালক সকলে শিক্ষা দিলে, লোকসমূহে উপলব্ধি কৰে যে তেওঁলোক পণ্ডিত আৰু তেওঁলোকে সকলো উত্তৰ জানে। পৃথিবীৰ সৰহ সংখ্যক লোকেই আলোচনা এক শিক্ষা আহৰণৰ পথ হিচাবে কেতিয়াও অভিজ্ঞতা পোৱা নাই।

কাহিনীকওঁতা জনে, সমালোচনা মূলক চিন্তাধাৰাৰ প্রশ্নসমূহ সঁহাৰি জনোৱা নতুন ব্যক্তিসকলক অংশগ্রহণ কৰাবলৈ যত্নবান হব পাৰে। এইটো কৰিবলৈ উগ্র স্কুল

শিক্ষকজনৰ দৰে যি জনে কৰল ‘শুদ্ধ’ উত্তৰটোহে বিচাৰে, নিজকে তেনেদৰে প্রদর্শণ কৰিব নেলাগিব। তেনে আচৰণ কৰিব নেলাগিব।

আনকি আত্মিক জ্ঞান আৱিস্কাৰ কৰাৰ পাছতো কাহিনীকওঁতা জনে আনন্দ ও বিস্ময়েৰে সহাঁৰি জনাব পাৰে। আপুনি এনেদৰে কব পাৰে, “অহ, মই সেইটো পছন্দ কৰো।” “মই ভাবো আপুনি কিবা এটা পাইছে।” নাইবা “সেইটো প্রকৃততে অতি উত্তম।”

মাজে সময়ে কাহিনীটোৰ লগত খাপনোখোৱা বা শুদ্ধযেন নলগা কথাৰ তেওঁলোকে আপোনাৰ সৈতে বিনিময় কৰিব পাৰে। সতীর্থ আৰোহণকাৰী হিচাবে, কাহিনীকওঁতাজনে নম্রতাৰে শুধৰাই দিব পাৰে বা স্পষ্টীকৰণ বিচাৰিব পাৰে। এনেদৰে স্পষ্টীকৰণ দি শুধৰাই দিলে উত্তৰ দিওঁতাজনে বিমোৰত নপৰিব।

উদাহৰণ স্বৰূপে, কোনোবা এজনে এটা বিবৃতি দিছে, আৰু তেওঁ এইটো যুক্তিপূর্ণ বুলি ভাৱিছে,কিন্তু আপুনি নিশ্চিত যে কাহিনীটোত এই কথাটো নাই। তেতিয়া আপুনি কব, “অহ, কাহিনীটোৰ কোন ঠাইত এই কথাটো আছে, বিচাৰি উলিওৱাত মোক সহায় কৰক চোন?” তেওঁৰ বিবৃতিটো, কাহিনীটোত নাই বুলি আপুনি যদিও জানে, আপোনাৰ মৃদুশীল প্রতিক্রিয়াৰ বাবে সমাজৰ আগত তেওঁ লজ্জিত নহব। আৰু সেই ব্যক্তিজনৰ মন মুকলিহৈয়ে ৰব আৰু অনুসন্ধানত লাগি থাকিবলৈ উদগণি পাব।

যদি কিবা এটা ধাৰণাৰ সম্পর্কে আপোনাৰ লগত মতবিনিময় কৰে, যদি আপুনি ভাৱে যে সেইটো অশুদ্ধ বা সন্দেহৰ অৱকাশ আছে, তেন্তে এইদৰে আপুনি সমস্যাটো সমাধান কৰিবঃ আপুনি দলটোক এই সম্পর্কে কিছুকথা সংযোগ কৰিবলৈ অনুৰোধ কৰিব। আপুনি এনেদৰে কব পাৰেঃ “হূহ, আমোদজনক, আন বিলাকে কি ভাৱে? কাহিনীটোত আমি কি দেখা পাইছো?” এইদৰে গোটেই দলটোক আলোচনাত লগাই দিলে, আপুনি নিজকে ডাঙৰ কৰা নুবুজাব বা উগ্র-স্কুল শিক্ষক জনৰ নিচিনা নহব। পবিত্র আত্মাক মহান শিক্ষক হিচাবে গ্রহণ কৰক আৰু ঈশ্বৰৰ বাক্যই শেষ কথা হওক।

মনত ৰাখিব, আপুনি যিমানেই কিবা এটা নজনাৰ ভাও ধৰিব, সিমানেই লোকসমূহ আপোনাৰ সহায়ক হব। তেনে এজন ব্যক্তিৰ ছবিকেই আপুনি প্রশ্নসমূহ সুধি আৰু আলোচনত নেতৃত্ব দি লোক সমূহৰ আগত প্রদর্শণ কৰিবলৈ চেষ্টা কৰিব। আগতে কৈ অহাদৰে, শ্রেণী কোঠাৰ দৰে এটা পৰিবেশ সৃষ্টি কৰিবলৈ নাচাব। কাৰণ তেনে পৰিবেশত লোকসূহে ভুল হব বুলি কোনো উত্তৰ দিবলৈ সংকোচ কৰে।

আপোনাৰ প্রশ্নসমূহ চর্তযুক্ত শব্দেৰে আৰু বাক্যাংশৰে দাঙি ধৰক। এইদৰে, “মই আচৰিত হওঁ যদিহে...?” “এইটো হব পাৰে...?” “এইটোৱে কিবা সম্ভাৱনা থকা বুজায়নেকি?” “এইটো দেখা যায়নে...?” “আপুনি কি দেখিছে?” “এইটোৱে কি

বুজায়?” সেই সকলো সম্ভাব্য, বিস্তৃত ধৰণৰ বাক্যাংশই কাহিনীকওঁতাজনক একেলগে আৱিস্কাৰ কৰাৰ এটা পৰিবেশ যোগান ধৰাত সহায় কৰে।

“কেৱল কাহিনীটো” ৰ প্রক্রিয়াত, আটাইতকৈ প্রত্যাহ্বান মূলক দক্ষতাটো, যিটো আহৰণ কৰিবলৈ বহুত অভ্যাসৰ প্রয়োজন, হৈছে প্রশ্ন সমূহ-সোধাৰ দক্ষতা। আপুনি নিজকে অজ্ঞ দেখুৱাবলৈ চেষ্টা কৰা নাই, বা আপুনি যিটো প্রকৃততে জানে, তাক নাজানো বুলি কব খোজা নাই। বৰঞ্চ এইটো প্রশ্নসোধাৰ এটা ধৰণ(চানেকি)। ইয়াৰ দ্বাৰা ইয়াকে বুজায় যে আপুনিও এগৰাকী সতীর্থ শিকাৰো। এনেধৰণৰ বাক্যাংশৰে গঠিত প্রশ্নসমূহে লোগসমূহক তেওঁলোকৰ উত্তৰ সমূহ বিনিময় কৰিবলৈ উদগণি দিব।

উপস্থাপন দ্বিতীয় পর্য্যায়ঃ আত্মিক জ্ঞান প্রয়োগ সম্পর্কে আলোচনা

আত্মিক জ্ঞান প্রয়োগ। ইয়াৰ আগতে, **মার্থা-মৰিয়মৰ** কাহিনীটো চাওঁতে আমি বিস্ময়কৰ আত্মিক জ্ঞান প্রয়োগ সমূহ পালো। ঈশ্বৰৰ বাক্যৰ পৰা আমি কিছুমান গুৰুত্বপূর্ণ কথা আৱিস্কাৰ কৰিলো। আৰু সেই আৱিস্কাৰ সমূহ আজি আমাৰ জীৱনত কেনেকৈ ঈশ্বৰে প্রয়োগ কৰিব বিচাৰে, সেই বিষয়েও আমি চিন্তা কৰিলো।

“কেৱল কাহিনীটো”ৰ প্রক্রিয়াৰ পাছৰ অংশতো হৈছে প্রশ্ন সোধা। এই কার্য্যই শ্রোতাসকলক আলোচনালৈ আৰু আপুনি আৱিস্কাৰ কৰা আত্মিক জ্ঞান প্রয়োগ সমূহ পাবলৈ আগুৱাই লৈ যাব।এই দক্ষতা প্রত্যাহ্বানমূলক, আৰু ই আমাক পুৰস্কৃত কৰে। আপুনি নিজে আৱিস্কাৰ কৰা সম্পদ সমূহ পোনপটীয়াকৈ শ্রোতাসকলক হস্তান্তৰ কৰি দিয়াৰ লোভটো প্রতিৰোধ কৰিব লাগিব। তাৰ সলনি, শ্রোতাসকলক নিজে সম্পদ সমূহ আবিস্কাৰ কৰিবলৈ সহায় হবৰ বাবে, আপুনি প্রশ্নসমূহ প্রস্তুতকৰণৰ দক্ষতা বৃদ্ধি কৰক।

তলত আর্হিস্বৰূপ কিছুমান প্রশ্ন দিয়া হল। এইবিলাকে মার্থা-মৰিময়ৰ কাহিনীটোত থকা আত্মিক জ্ঞান প্রয়োগ সমূহ বিচাৰি উলিওৱাত ব্যৱহাৰ কৰিব পাৰিব। আগৰ দৰেই, আত্মিক জ্ঞান প্রয়োগ সমূহ আৱিস্কাৰ কৰাৰ পাছত, কাহিনীটো প্রথমৰ পৰা শেষলৈকে নিৰীক্ষণ কৰা হয়। লক্ষ্য কৰিব যে প্রতিবাৰেই প্রশ্নটো সোধাৰ আগতে, কাহিনীটোৰ এটা সৰু অংশ আৰু এটা আত্মিক জ্ঞান নিৰীক্ষন, প্রথমে পুনৰায় ব্যাখ্যা কৰা হয়। তাৰ পাছত কিছুমান প্রশ্ন সোধা হয়। এই প্রশ্নসমূহে শ্রোতাসকলৰ আত্মিক জ্ঞান প্রয়োগ সমূহ বেছি নির্দিষ্ট কৰি দিয়ে, আৰু ব্যক্তিগত জীৱনত প্রয়োগ কৰিব পৰা অৱস্থালৈ লৈ আহে।

১) কাহিনীটোৰমতে, মৰিয়মে আলপৈচান নধৰিলে, তাৰ সলনি যীচুৰ চৰণৰ ওচৰত বহি যীচুৰ উপদেশ শুনিবলৈ মনোনীত কৰিলে। যীচুৱে কোৱা বাক্য বাইবেলত আছে। আজি আমিও মৰিয়মৰ দৰে যীচুৰ চৰণৰ ওচৰত বহিবলৈ মনোনীত কৰিব পাৰোনে? (উত্তৰৰ বাবে অপেক্ষা কৰক।)

আমি আশাকৰো, শ্ৰোতাসকলে তলত দিয়া দৰে আত্মিক জ্ঞান সমূহ প্ৰয়োগ কৰিব। আজি, ঈশ্বৰৰ বাক্য অধ্যয়ন কৰা বা ঈশ্বৰৰ ভজনা কৰা মানে যীচুৰ চৰণৰ ওছৰত বহি উপদেশ শুনাৰ দৰেই। যীচুৰ চৰণৰ ওচৰত বহি থকা কাৰ্য্যটোৱে ঈশ্বৰৰ বাক্যত আন্তৰিকতাৰে মনোযোগ দিয়াতো বুজায়।

২) মাৰ্থাই যীচুক অনেক আলপৈচান ধৰিবলৈ মনোনীত কৰিলে আৰু ব্যাকুল হৈ পৰিল। আজিও আমাৰ তেনে সমস্যা হব পাৰেনে? আপুনি কি ভাৱে? (উত্তৰৰ বাবে অপেক্ষা কৰক) আজিও লোকে খ্ৰীষ্টীয়ান পৰিচৰ্যাত বা কাৰ্যালয়ত বা ঘৰত, নিজে কৰিব পৰাতকৈ অধিক দায়িত্ব লয়নে? কি দৰে এইটো হব পাৰে? (উত্তৰৰ বাবে অপেক্ষাকৰক)। কেতিয়াবা খ্ৰীষ্টীয়ান পৰিচৰ্যাত নাইবা আন ক্ষেত্ৰতো আমি কৰিবলৈ বিচৰা কৰ্ম্মৰাজিয়ে আমাক ব্যাকুল কৰি তুলিলে, আৰু প্ৰভুৰ চৰণৰ ওচৰত বহি উপদেশ শুনাৰ পৰা বঞ্চিত কৰিলে, আপুনি কেনে প্ৰতিক্ৰিয়া প্ৰকাশ কৰিব? (উত্তৰৰ বাবে অপেক্ষা কৰক)।

৩) মাৰ্থাই নিজৰ মতে ভাল কৰ্ম্মকৰিবলৈ মনোনীত কৰাৰ দৰে, সেইটো যীচুৰ ইচ্ছা নাছিল, আজিও লোকে ভাল কৰ্ম্ম কৰিবলৈ মনোনীত কৰেনে? (উত্তৰৰ বাবে অপেক্ষা কৰক) আজিও লোকে দেখাত ভাল কৰ্ম্ম মনোনীত কাৰণে? ঈশ্বৰৰ কাৰণে বুলি লোকে কি দৰে কিবা এটা কৰিবলৈ মনোনীত কৰে, প্ৰকৃততে সেয়া ঈশ্বৰে বিচৰাই নাই? আপুনি নিজে তেনে কৰিছেনে? বা আনৰ জীৱনত তেনে কৰিছেনে? এই বিষয়ে কব পাৰেনে?

ঈশ্বৰৰ কাৰণে কিবা এটা কৰিবলৈ মনোনীত কৰা কাৰ্য্যই, কিদৰে আমাক ঈশ্বৰৰ ওচৰৰ পৰা আঁতৰাই লৈ যায়? আৰু আমি ঈশ্বৰৰ লগত সময় দিব নোৱাৰা হওঁ? (উত্তৰ বাবে অপেক্ষা কৰক) ঈশ্বৰৰ পৰা শিক্ষা আহৰণ কৰাৰ সময়খিনি, আমি মনোনীত কৰা পৰিচৰ্যা কাৰ্য্যই, আমাক অতি ব্যস্ত কৰি ৰাখিছে বুলি উপলব্ধি কৰিলে, আমি কি কৰিব পাৰো? (উত্তৰৰ বাবে অপেক্ষা কৰক)

৪) মাৰ্থাই মৰিয়মক, আলহী আলপৈচান ধৰা কাৰ্য্যত সহায় নকৰা বাবে দোষাৰোপ কৰিছিল, যদিও দিনটো কাৰ্য্যসূচী তেওঁৰ নিজৰ আছিল যদিও যীচুৱে মৰিয়মক আলপৈচান ধৰিবলৈ কোৱা নাছিল। আজিও, লোকে যেতিয়া নিজে নিয়ন্ত্ৰণ কৰিব পৰাতকৈ অধিক দায়িত্ব হাতত লয়, তেতিয়া তেওঁলোকে কাক দোষাৰোপ কৰে? মই কব খুজিছো, লোকে খৰখেদাকৈ অধিক দায়িত্ব গ্ৰহণ কৰে আৰু অতি ব্যস্ত হৈ পৰে, তাৰ বাবে তেওঁলোকে আনক দোষ দিয়েনে? আপুনি কি লক্ষ্য কৰিছে? (উত্তৰৰ বাবে অপেক্ষা কৰক)।

৫) আমি দেখা পাইছো যে মাৰ্থাই তেওঁৰ সমস্যালৈ চিন্তা নকৰা কাৰণে সাহেৰে যীচুক দোষাৰোপ কৰিছে। আজিকালিও, পৰিস্থিতিৰ বাবে বা নিজে মনোনীত কৰা কাৰ্য্যৰ বাবে, লোকে আজিও আনক দোষাৰোপ কৰেনে? (উত্তৰৰ বাবে অপেক্ষা কৰক)।নিজে মনোনীত কৰা সিদ্ধান্তৰ বাবে আৰু সেই সিদ্ধান্তৰ বাবে আৰু সেই

সিদ্ধান্তৰ ফলত পৰিস্থিতি বেয়া হোৱা বাবে, আনকি ঈশ্বৰকো তেওঁৰ সমস্যালৈ মন কৰা নাই বুলি লোকে দোষাৰোপ কৰেনে?

৬) আমি দেখিলো যে মাৰ্থাই জানিছিল যীচু এগৰাকী গুৰু আছিল আৰু তেওঁৰ শিষ্যসকল আছিল। তেওঁ যীচুক প্ৰভু বুলি কৈছিল, ইয়াৰ অৰ্থ হল, তেওঁ যীচুক নেতাৰূপে গ্ৰহন কৰিছিল, যি জন তেওঁতকৈ শ্ৰেষ্ঠ আছিল।তাৰ পাছত তেওঁৰ সমস্যাটো সমাধান কৰিবলৈ কি কৰিব লাগিব সেই বিষয়ে যীচুক আজ্ঞা কৰিছিল। আমিও, নিজে সৃষ্টি কৰা সমস্যাৰ বাবে লোকে বিশ্বব্ৰহ্মাণ্ডৰ ঈশ্বৰৰ ওচৰত প্ৰাৰ্থনা কৰেনে? আৰু কেনেকৈ সমস্যা সমাধান কৰিব লাগে তাক কয়নে?(উত্তৰৰ বাবে অপেক্ষা কৰক)

এইটো, লোকবিলাকে কেনেকৈ কৰিব পাৰে?(উত্তৰৰ বাবে অপেক্ষা কৰক)আমি ঈশ্বৰক "প্ৰভু" বুলি কওঁ আৰু তাৰ পাছত আমি নিজে সৃষ্ট কৰা সমস্যা সমূহ কেনেকৈ সমাধা কৰিব লাগে, তাক কওঁ, ইয়াৰ কিবা অৰ্থ আছেনে? আপুনি কি ভাৱে?(উত্তৰৰ বাবে অপেক্ষা কৰক)

৭) দোষী কৰাটো আমোদজনক কথা। লোকে নিজেই নিয়ন্ত্ৰণৰ বাহিৰত দায়িত্বলৈ যদি ঈশ্বৰক কয়, "অন্যলোকে মোক সহায় কৰা নাই, ইয়ালৈ আপুনি মন নকৰণে?" এই বুলি কলে ঈশ্বৰৰ কেনে অনুভৱ হব? (উত্তৰৰ বাবে অপেক্ষা কৰক)

৮) আমি দেখিলো যে মৰিয়মে উত্তম ভাগ মনোনীত কৰিলে, তথাপিও বায়েক মাৰ্থাই মৰিয়মক সেই সিদ্ধান্তৰ বাবে দোষ দিছে। আজিও এনে ঘটনা ঘটেনে? লোকে উত্তম সিদ্ধান্ত মনোনীত কৰে, তাৰ পাচত তেওঁলোকক হেয়জ্ঞান কৰা হয় আৰু কোনো কোনোৱে তেওঁক আন কিবা এটা কৰিবলৈ কয়? (উত্তৰৰ বাবে অপেক্ষা কৰক)কেনে ধৰণেৰে, কেনেকুৱা ঠাইত, এইটো ঘটিব পাৰে? হয়তো ঘৰত কৰ্ম্মথলীত, বিদ্যালয়ত, পৰিচৰ্যাত নাইবা আমি পৰিচৰ্যা কৰা লোকবিলাকৰ ভিতৰতো ঘটিব পাৰে?(উত্তৰৰ বাবে অপেক্ষা কৰক)

৯) এটা উত্তম সিদ্ধান্ত লোৱাৰ পাছত, নিৰ্লজ ব্যৱহাৰ দিলে, কেনে অনুভৱ হব?(উত্তৰৰ বাবে অপেক্ষা কৰক)যীচুৱে তেনে অনাদৰ ব্যৱহাৰক কেনেদৰে নিয়ন্ত্ৰণ কৰিছিল, সেইটো দেখিলো। তেওঁ যিদৰে প্ৰতিক্ৰিয়া ব্যক্ত কৰিলে, তাৰ পৰা আমি কি শিক্ষা আহৰণ কৰিব পাৰো?

১০) আপুনি, মাৰ্থাৰ দৰে শাৰীৰিক ভাৱে ব্যস্ত থাকিও, একেটা সময়তে ঈশ্বৰৰ পৰা শিক্ষা আহৰণ কৰা আৰু ঈশ্বৰৰ ভজনা কৰাটো সম্ভৱ বুলি ভাবানে? এইটো কেনেদৰে হব পাৰে বৰ্ণনা কৰক।(উত্তৰৰ বাবে অপেক্ষা কৰক)

১১) আন হাতেদি, আপুনি ভাৱেনে যে কোনো এজন ব্যক্তিয়ে এনে একস্থানত থাকে, য'ত সেই ব্যক্তিজনক, মৰিয়মৰ দৰে উপদেশ শুনি, বাইবেল অধ্যয়ন কৰি

থকা দেখা যায়, কিন্তু সেই ব্যক্তিৰ চিন্তা, প্ৰকৃততে আন কোনো কাম বা প্ৰকল্পৰ ওপৰত মনোনিবেশ কৰে? (উত্তৰৰ বাবে অপেক্ষা কৰক)আপুনি কেতিয়াবা তেনে অৱস্থাত নিজকে থকা পাইছেনে? বা আপুনি জনা কোনো ব্যক্তিক?(উত্তৰৰ বাবে অপেক্ষা কৰক)।

১২) মই সেই সময় বিলাকৰ কথা ভাৱিছো, যেতিয়া মই বাইবেল পঢি আছিলো বা প্ৰাৰ্থনা কৰি আছিলো, তেতিয়া মোৰ মনটো ভ্ৰমি ফুৰিছিল, আৰু মই আন কথা চিন্তা কৰি আছিলো। মই কৰিব লগীয়া কাম বিলাকৰ কথা চিন্তা কৰিছিলো। আপোনালোকৰ কাৰোবাৰ জীৱনত এনে ঘটিছেনে?(অলপ সময় ৰওক।) মাৰ্থা-মৰিয়মৰ কাহিনীটোৰ আধাৰত, এই মন ভ্ৰমনৰ কথাটো কেনেদৰে বনৰ্ণা কৰিব? (উত্তৰৰ বাবে অপেক্ষা কৰক)

১৩) যীচুৱে মাৰ্থাক কলে যে মৰিয়মে যি মনোনীত কৰিলে, তাক তেওঁৰ পৰ নিয়া নহয়। আজিও, যীচুৰ লগত সম্বন্ধৰ বাবে লোকে এনে সিদ্ধান্ত লয়নে? যেনে, যীচুত বিশ্বাস ৰখা, গভীৰ সম্বন্ধ ৰখা প্ৰতিশ্ৰুতি বা সম্পূৰ্ণ সময় দি পৰিচৰ্যালৈ বাহিৰলৈ ওলাই যোৱা, যাৰ বাবে তেওঁলোকৰ পৰিয়াল বা সমাজে সমালোচনা কৰিব পাৰে? (উত্তৰৰ বাবে অপেক্ষা কৰক)কেনেকুৱা ধৰণৰ সিদ্ধান্তই এনে সংঘাত আনিব পাৰে?(উত্তৰৰ বাবে অপেক্ষা কৰক)

মৰিয়মৰ সিদ্ধান্তৰ বাবে যীচুৱে কলে আৰু তেওঁৰ সিদ্ধান্ত সস্থক্ষেপ নকৰাৰ বিষয়েও যি কলে, সেই কথা আমাৰ বাবে কিমান অৰ্থপূৰ্ণ হব? যদি হয়, কেনেদৰে? (উত্তৰৰ বাবে অপেক্ষা কৰক)

১৪) যিকোনো ধৰ্মৰ বিষয়ে ভাৱক। (ৰওক) সেই ধৰ্ম্মটোত, সেৱক বিলাকে উপাস্য দেৱতা বা দেবীবিলাকৰ বাবে, তেওঁবিলাকে সন্তুষ্টকৰিবলৈ বা তেওঁলোকক আকৰ্ষণ কৰিবলৈ কাৰ্য্য কৰিছেনে? সেই ধৰ্ম্মত, বিনামূল্যে উপাস্য দেৱ-দেৱীৰ পৰা কিবা পাইছেনে? এই কাহিনীটোৰ পৰা, কেনে আচৰণ যীচুৱে অধিক গুৰুত্ব দিয়ে তাক জানিবলৈ কিহে আমাক সহায় কৰে?(ৰওক)

১৫) আমি দেখিলো, যে মাৰ্থাই নিজে নিয়ন্ত্ৰণ কৰিব পৰাতকৈ অধিক কাম তেওঁৰ হাতত আছিল, তেতিয়া তেওঁ মৰিয়ম আৰু যীচুক দোষাৰোপ কৰিলে, কিন্তু নিজকে দোষ দিয়া নাই। যেতিয়া মাৰ্থাই নিজে কৰিব লগীয়া কাম বিলাক সম্পূৰ্ণ কৰিবলৈ অসমৰ্থ হল, তেতিয়া তেওঁ কি কৰা উচিত, তাক আশ্ৰয়দাতা যীচুক সুধিবলৈ আওকান কৰিলে। এই কথাটো মনত ৰাখি আপুনি ভাৱি চাওঁক আমি অধিক প্ৰতিশ্ৰুতি সমূহ কেনে দৰে নিয়ন্ত্ৰণ কৰো। এই কাহিনীটোৱে জ্ঞানযুক্ত সিদ্ধান্তৰ বিষয়ে আমাক কি শিক্ষা দিয়ে?(উত্তৰৰ বাবে অপেক্ষা কৰক)

১৬) যীচুৱে মৰিয়মক সমাদৰ কৰিলে। কাৰণ তেওঁ যীচুৰ পৰা উপদেশ শুনিবলৈ মনোনীত কৰিলে। এই সিদ্ধান্তৰ বাবে মৰিয়মে তেওঁৰ সমাজ ব্যৱস্থা আৰু তেওঁৰ

চাৰিও কাষে থকা লোকবিলাকৰ প্ৰত্যাশাৰ বিৰুদ্ধে থিয় হব লগীয়া হৈছিল। এইটোৱে আমাক কি শিকায়? (উত্তৰৰ বাবে অপেক্ষা কৰক)ঈশ্বৰক অনুসন্ধান কৰিবলৈ বা ঈশ্বৰৰ সৈতে সময় কটাবলৈ, আমিও কেতিয়াবা সমাজ ব্যৱস্থা বা লোকবিলাকৰ আমাৰ প্ৰতি থকা আশাৰ বিপৰীতে সিদ্ধান্ত লব লগীয়া হয়নে? কেনেকৈ?

আপুনি এই মাত্ৰ মাৰ্থা-মৰিয়মৰ কাহিনীটো, "কেৱল কাহিনীটো"ৰ প্ৰক্ৰিয়াৰে উপস্থাপন কৰা কাৰ্য্য সমাপ্ত কৰিলে। আপুনি আপোনাৰ সময়খিনি বিভিন্ন উপায়েৰে পৰিচৰ্যা কৰি শেষ কৰিব পাৰে। আপুনি প্ৰাৰ্থনাৰে সামৰণি মাৰিব পাৰে, তলত দিয়া দৰে কিছুমান প্ৰশ্নও সুধিব পাৰে। যেনেঃ

- এই কাহিনীটোৰ পৰা কি শিকিলে?
- এই কাহিনীটোৰ যোগেদি ঈশ্বৰে আপোনাক কি দেখু�ৱালে?
- ঈশ্বৰৰ সম্বন্ধে আপুনি কি শিকিলে?
- অহা সপ্তাহত সহায়ক হবলৈ আপুনি কি আৱিস্কাৰ কৰিলে?

সংযোগ ঃ এটা আৰ্হিস্বৰূপে কাহিনী মাজেৰে যাত্ৰা, অধিক অনুশীলন যোগান ধৰে।

সৃজনশীল সৱলীকৰণ

কাহিনীটোৰ বিতং অনুসন্ধানৰ এটা উপৰিঞ্চি লাভ এই যে অংশগ্ৰহণকাৰী সকলে কাহিনীটো শুদ্ধকৈ সুন্দৰভাৱে শিকিব পাৰিব। এটা কাহিনী সম্পূৰ্ণ ভাৱে অনুসন্ধান কৰাৰ পাছত আৰু আত্মিক জ্ঞান প্ৰয়োগ কৰি, কাহিনীকওঁতাজনে কাহিনীটো মানুহৰ মনত দকৈ সুমুৱাই দিবলৈ নতুনকৈ সমল যোগাব লাগিব।

উদাহৰণ স্বৰূপে, পাচঁদিনীয়া এটা কৰ্ম্মশালাত, উপস্থিত থকা ব্যক্তি সকলক ২১ টা বাইবেলৰ কাহিনী গভীৰ ভাৱে বাখ্যা কৰি দেখুওৱা হল। পাছত, ইমানবিলাক বাইবেলৰ কাহিনী মনত ৰাখিবলৈ তেওঁলোকক, পুনৰ সমল যোগাব লাগিব। তেওঁলোকে পুনৰ পৰ্য্যালোচনা কৰিব লাগিব, তেওঁলোকে অভ্যাস কৰি থাকিব লাগিব। তেতিয়াহে তেওঁলোকে সেইবিলাক মনত ৰাখিব পাৰিব।

তেওঁলোকে ইজনে সিজনৰ আগত কাহিনীটো কবৰ বাবে কাহিনীটো এটা গান বা গীতৰ ৰূপত লিখিবলৈ অনুৰোধ কৰিব পাৰে। কিন্তু নিৰ্ভুল হব লাগিব। মৌখিক ভাৱে কোৱা যিকোনো পদ্ধতি, যিটোৱে লোকবিলাকক কাহিনীটো নিৰ্ভুল ভাৱে মনত ৰাখিবলৈ সহায় কৰে, সেয়ে উত্তম।

এই সৃজনশীল সৱলীকৰণ লোকবিলাকৰ বাবে বৰ লাভজনক, বিশেষকৈ যিবিলাকে পঢিব নোৱাৰে, বা নিজৰ ভাষাত বাইবেল নাই আৰু তেওঁলোকে বুজিব পৰা ভাষাত কাহিনীসমূহ বাণীবদ্ধ কৰা নাই। যিবিলাক অংশগ্ৰহনকাৰী শিক্ষিত নহয়

আৰু যি লোকবিলাকৰ নিজৰ ভাষাত বাণীবদ্ধ কৰা বাইবেল বা বাইবেলৰ কাহিনী নাই, তেওঁলোকৰ বাবে যিমান সম্ভৱ সিমান সহায়ৰ প্ৰয়োজন।

এইটো আমোদজনক কথা। সমস্যাৰ সমাধান সদায়েই স্পষ্ট-আপুনি সেইবিলাক পোৱাৰ পাছত। এই দোধোৰ-মোধোৰ অৱস্থাই আমাক এক উন্নত ফলপ্ৰসু সমাধান আৱিস্কাৰ কৰিবলৈ সক্ষম কৰিলে। যিবিলাক লোকৰ বাণীবদ্ধ বাইবেলৰ কাহিনী নাই, কৰ্ম্মশালাত থাকোতে তেওঁলোকে যদি নিজৰ মাতৃ ভাষাত কাহিনী কৈছে, তেন্তে, সময় উলিয়াই সেই কাহিনীবিলাক বাণীবদ্ধ কৰিব লাগে।

"কেৱল কাহিনীটো" ৰ কেইবছৰ মানৰ ভিতৰত, আমি এটা বাক্যংশ নিৰ্ম্মাণ কৰিলো সেয়ে হল-"হৃদয়ৰ মোনা" আমি কৈছিলো, আপুনি কাহিনীটো শিকাৰ পাছত, কাহিনীটো আপোনাৰ হৃদয়ৰ মোনাত থাকে।

পাছত, শশ কাহিনী আহৰণ কৰাতো,অশিক্ষিত বিলাকৰ মাজত আমি এটা সমস্যা দেখিলো। তেওঁলোকে কাহিনীবিলাক জানিছিল, কিন্তু তেওঁলোকে কাহিনীবিলাকৰ এখন তালিকা লিখি ৰাখিব নোৱাৰিছিল। কোনবিলাক কাহিনী জানিছিল তাক তেওঁলোকে মনত ৰাখিব নোৱাৰিছিল।

সেইটোৱেই আমাক "হৃদয়ৰ মোনাত" থোৱা কিতাপ বৃদ্ধি কৰিবলৈ তৎপৰ কৰিলে। কিছুমান কার্ড বনোৱা হল, আৰু প্ৰতিখন কার্ডত এখন ছবি আঁকি দিয়া হল। সেই ছবিখন চোৱাৰ লগে লগেই বিশেষ এটা কাহিনীলৈ মনত পেলাই দিয়ে। এই ছবিবোৰ ধৰ্ম্মমূলক নহয়। সেইবিলাক কিছুমান ছবিৰ ৰেখা মাথোন। সেইটোৱে এককভাৱে সেই বিশেষ কাহিনীটোলৈহে মনত পেলায় দিয়ে। সেই কার্ডৰ পৃষ্ঠাবিলাকৰ ওপৰত ধাতুৰ প্ৰলেপ দিয়া হয়, অৰ্থাৎ 'লেমিনেচন' কৰি দিয়া হয়। আৰু সেইবিলাক এটা ডাঙৰ চাবি সোমোৱা বিন্ধাত গাঁঠি দিয়া হয়।আৰু সেই বিলাকেই কাহিনীকওঁতাজনৰ ব্যক্তিগত হৃদয়ৰ মোনাত থোৱা কিতাপ হৈ পৰে। (শিক্ষিত সকলেও এইবিলাক ভাল পায়।)

ষষ্ঠ অধ্যায়ঃ আলোচনাত আগভাগলৈ নেতৃত্ব দিবৰ বাবে,

সাধাৰণ ইঙ্গিত সমূহ

আলোচনাত আগবঢাৰ লগে লগে, ঈশ্বৰে আপোনাৰ অতীতৰ অভিজ্ঞতাক আৰু বাইবেলৰ জ্ঞানক, প্রশ্নসমূহ গঢিবলৈ ব্যৱহাৰ কৰিব পাৰে। আপুনি কি বিষয়ে আলোচনা কৰিব তাক পবিত্র আত্মাই জানে, আৰু আপোনাক শিকাবলৈ পবিত্র আত্মাই পৰিচালনা কৰিব আমি আপোনাক হস্তান্তৰ কৰিব পৰা এটা গুৰুত্বপূর্ণ দক্ষতা, যিটোৱে আলোচনাচক্র কৃতকার্য্যতালৈ আগুৱাই নিব, সেইটোৱেই হল- "মনোযোগ দি শুনা আৰু সঁহাৰি দিয়া।" কাহিনী এটা যুগুত কৰোতে, আপুনি ঈশ্বৰৰ বাক্যলৈ ভালদৰে মনোযোগ দিয়ক, আৰু কাহিনীকওঁতা হিচাবে, কাহিনীটোত ঈশ্বৰেদেখুওৱা আত্মিক জ্ঞান প্রয়োগ সমূহৰ প্রতি সঁহাৰি দিব লাগিব।সেই একে দৰেই, আলোচনা চলি থকা সময়ত আপুনি মনোযোগ দিয়ক আৰু সঁহাৰি দিয়ক- অর্থাৎ লোকসমূহে কোৱা কথালৈ কাণ পাতি শুনিব আৰু সেইদৰে উত্তৰ দি সঁহাৰি জনাব।

প্রিয় বৃদ্ধজন

দিনটোৰ এক নিদিষ্ট মূহূর্ত্বত, এখন বিশেষ গাঁৱৰ লোক সমূহে বেলেগ বেলেগ বৃদ্ধলোকৰ চাৰিওফালে বার্ত্তালাপ কৰিবৰ বাবে গোট খালে।কোনো কোনোৱে জ্ঞানৰ বার্ত্তা দিওঁতা বৃদ্ধজনৰ লগত বহিল। আনকোনোৱে এনে এজন বৃদ্ধলোকৰ লগত বহিল, যিজনে সকলো লোকে কোৱা কথা মনোযোগেৰে শুনে আৰু লগত বহে বুলি জনাজাত আছিল। কিন্তু সৰহ সংখ্যক গাওঁবাসীয়েই এগৰাকী বিশেষ বৃদ্ধলোকৰ লগত সময় কটাবলৈ ইচ্ছা কৰিলে। প্রকৃতত্বে গাওঁবাসীসকলে মৰমতে তেওঁক "প্রিয় বৃদ্ধজন" বুলি অভিহিত কৰিছিল।

এই প্রিয় বৃদ্ধজনে অনেক জ্ঞানদায়ক বার্তা দিয়াৰ উপৰিও তেওঁ খুব মনোযোগেৰে আনৰ কথাও কাণ পাতি শুনে। সেই দক্ষতা সমূহৰ উপৰিও, এই প্রিয় বৃদ্ধজনে অতিৰিক্ত অর্ন্তদৃষ্টি প্রদর্শন কৰে। তেওঁ তেওঁৰ জ্ঞান কেনেকৈ নৱপ্রজন্মক দি যাব লাগে,তাক জানে। এইটো কাম তেওঁলোক সমূহক চিন্তা কৰিবলৈ আৰু আৱিস্কাৰ কৰিবলৈ সুযোগ দিয়াৰ যোগেদি কৰে। তেওঁৰ সমসাময়িক লোকসমূহতকৈও যদিও অধিক জ্ঞান তেওঁৰ আছে, তথাপি তেওঁৰ ওচৰলৈ অহা লোকসকলক, তেওঁলোকৰ চিন্তাধাৰা ও ধাৰণা বিলাক বিনিময় কৰিবলৈ উদগণি দিয়ে। এই বৃদ্ধজনে প্রায়ে কথা নকয়-যদিও তেওঁলৈ সোধা প্রশ্নসমূহৰ উত্তৰ তেওঁ জানে, এইটো কৰা কাৰণে তেওঁৰ ওচৰলৈ অহা লোকবিলাকে ভাৱিবলৈ আৰু সমস্যা সমাধান কৰিবলৈ সুযোগ পায়।

এই প্রিয় বৃদ্ধজনে, তেওঁৰ পুত্র বিলাকক, আনকি তেওঁৰ ভার্য্যা ও জীয়েক সকলকো তেওঁলোকৰ মনৰ ভাৱ প্রকাশ কৰিবলৈ উদগণি দিয়ে। আনক কোৱাৰ সুযোগ

দিবলৈ তেওঁকোনো ভয় নকৰে, কাৰণ, তেওঁ জানে যে তেওঁ গভীৰ জ্ঞানৰ গৰাকী। তেওঁ জানে যে তেওঁ যিমানেই সাহস তেওঁৰ অনুগামী সকলক দিব পাৰে, সিমানেই তেওঁক নেতৃত্বক সম্পদ বুলি গ্রহণ কৰিব।

সেইদৰে, তেওঁৰ অনুগামী সকলেও তেওঁৰ নেতৃত্বৰ আৰ্হি গ্রহণ কৰে, আৰু তেওঁলোকেও আনক আত্মিক জ্ঞান আৱিস্কাৰ কৰিবলৈ উদগণি দিয়ে। এই বৃদ্ধজনৰ সন্তানবিলাক, জ্ঞানী আৰু সাহসী হিচাবে বৃদ্ধি পাইছে আৰু তেওঁলোকে এই বৃদ্ধ জনৰ পথৰ অনুগামী হৈছে। বাইবেলে কয়, পৃথিবীত থাকোতে যীচুৰ পৰিচর্যাৰ প্রথম ছোৱাত, ৫০০০ হেজাৰতকৈ অধিকলোকে তেওঁৰ উপদেশ শুনিবলৈ আহিছিল। কিন্তু এই লোকসমূহক আহাৰৰ প্রয়োজন হৈছিল।

যীচুৱে প্রথমে এটা প্রশ্ন সুধিলে আৰু ফিলিপক আৰু তেওঁৰ শিষ্য সকলক, কেনেকৈ সমস্যাটো সমাধা কৰিব, সেই বিষয়ে ভাবিবলৈ এটা সুবিধা দিলে। কিন্তু যীচুক এটা আচৰিত কার্য্য কৰি দেখুৱাবৰ বাবে অনুৰোধ কৰিবলৈ কোনো জনেই পৰিপক্কতা দেখুৱাব নোৱাৰিলে। সেই কাৰণে যীচুৱে এটি সৰু লৰাৰ হাতত থকা অলপ আহাৰকেই বৃদ্ধি কৰি উপস্থিত সকলোৰে বাবে আহাৰ যোগালে। আৰু এই আচৰিত কর্ম্মৰ দ্বাৰাই শিষ্য সকলৰ উত্তৰটো প্রদর্শণ কৰিলে।

বাৰে বাৰে যীচুৱে, তেওঁৰ শিষ্যসকলক, আৰু আনকো ভাৱিবলৈ আৰু উত্তৰ দিবলৈ এটা সুযোগ দিছিল। তাৰবাবে তেওঁ ভক্তিপূর্ণ দৃষ্টিভঙ্গি ব্যৱহাৰ কৰিছিল। তিনি বছৰ ধৰি যীচুৱে তেওঁৰ শিষ্যসকলক প্রশিক্ষণ দি আছিল। তেওঁলোকক মনোযোগ দি তেওঁৰ বাক্য শুনিবলৈ আৰু চিন্তা কৰিবলৈ আৰু বিশ্বাস কৰিবলৈ আৰু সেইজ্ঞান প্রয়োগ কৰিবলৈ উদগণি দিছিল। যীচুৱে তেওঁলোকক পৰিচর্যা কৰিবলৈ আৰু নেতৃত্ব দিবলৈ যুগুত কৰি আছিল।

আজি, বাইবেল শাস্ত্রাংশ “কেৱল কাহিনীটো”ৰ আৰ্হিৰে যেতিয়া আলোচনা কৰা হয়, বহুতো মণ্ডলীৰ নেতৃবর্গ আৰু মিচনৰ পৰিচর্যাকাৰী সকলে যোগদান কৰে। যি সকলে শিক্ষা দিয়ে আৰু নেতৃত্ব দিয়ে, তেওঁলোকতকৈ এই সকলৰ অধিক জ্ঞান আছে, আনকি তেওঁলোকৰ পৰিয়ালৰ লোকতকৈও। আমি তেওঁলোকক প্রশংসা কৰো। আলোচনা চক্রত তেওঁলোকেই প্রথমে সদায় উত্তৰ নিদিয়ে। ধৈর্য্যেৰে তেওঁলোকে নিজৰ আত্মিক জ্ঞান বিনিময় কৰিবলৈ বাট চাই থাকে।

আনক সঁহাৰি দিবলৈ সুযোগ দিয়া, এই জ্ঞানী আত্মবিশ্বাসী নেতৃবৃন্দক লক্ষ্য কৰি কিমান যে আনন্দ লাগে। লোকবিলাকক ভাবিবলৈ আৰু নিজৰ ভাৱৰাজিক গুৰুত্ব দিবলৈ উদগণি দিয়াৰ মূল্য এই নেতা সকলে বুজি পায়।সেই প্রিয় বৃদ্ধজনৰ দৰে আৰু যীচুৰ দৰে, এই নেতা সকলে আনক বিশ্বাসী হবৰ বাবে উদগণি দিবলৈ জানে। এই নেতা সকলে এইটোও জানে, তেওঁলোকৰ গভীৰ জ্ঞানৰ প্রয়োজন কেতিয়া হব, তেওঁলোকে উপযুক্ত সময়ত তেওঁলোকৰ আত্মিক জ্ঞান মুক্তভাৱে বিনিময় কৰে।

মনোযোগদি শুনা আৰু সহাঁৰি দিয়াৰ প্ৰত্যাহ্বান সমূহ

'কেৱল কাহিনীটো' আৰিয়ে শিক্ষাদানৰ বাবে দক্ষতা সমূহ আয়ত্ব কৰিবলৈ চেষ্টা কৰি থকা অৱস্থাত অনেক কথা মনত ৰাখিব লাগিব। নতুনকৈ এই পদ্ধটিত কাম কৰিবলৈ অহা সকলে বিশেষকৈ "কেৱল কাহিনীটো"ৰ উপস্থাপন, কাহিনীটো কোৱা, প্ৰশ্নসোধা আদিত দৃষ্টি নিক্ষেপ কৰে। আমোদজনক ভাৱে তেওঁলোকে এই প্ৰক্ৰিয়াটোত ইমানেই কেন্দ্ৰীভুত হৈ থাকে যে তেওঁলোকে অতি গুৰুত্বপূৰ্ণ অংশ এটা এৰি থৈ যায়- সেয়ে হৈছে-লোকসমূহ!আপোনাৰ কামটো হল বাইবেলৰ কাহিনীটো আনৰ লগত আলোচনা কৰা। তেওঁলোকৰ কথাৰ প্ৰতি মনোযোগ নিদিলে আৰু যি সোধে তাৰ সঁহাৰি নিদিলে আৰু তেওঁলোকৰ পৰা অহা অৱদান সমুহত গুৰুত্ব নিদিলে আলোচনাই নহব।

চিন্তা কৰিবলৈ উদগণি দিয়াৰ এটা উত্তম পথ হল- বাৰ্ত্তালাপ কৰা। এটা কাহিনীৰ পৰা অমূল্য সম্পদৰাজি আৱিস্কাৰ কৰিবলৈ সময় কটোৱাৰ পাছত, আনৰ লগত কাহিনীটোৰ সম্পৰ্কে আলোচনা কৰিবলৈ আনন্দৰ বিষয়হৈ পৰে। সেই কাৰণে আপুনি কেৱল উপস্থাপনৰ কথা নাভাবি আৰু আপুনি কম বুলি আঁচনি কৰা কথা নাভাবি, প্ৰশ্নসোধক আৰু লোকসমূহে কি কয় তালৈ মনোযোগ দিয়ক। কাহিনীটোৰ সম্পৰ্কে তেওঁলোকৰ সৈতে কথা পাতক। তেওঁলোকৰ লগত বাৰ্তালাপ কৰক।

বাৰ্তালাপৰ সময়ত আপুনি যুগুত কৰি ৰখা কিছুমান প্ৰশ্ন ব্যৱহাৰ কৰিব পাৰে। এই প্ৰশ্নসমূহে, আপুনি কাহিনীটো কৈ যাওঁতে তেওঁলোকক অনুপ্ৰেৰণা দিব। আশা কৰা হওক, আপুনি যুগুত কৰোতে বিচাৰি পোৱা কিছুসম্পদ, আপুনি সোধা প্ৰশ্নসমূহৰ জৰিয়তে, লোক সমূহেও বিচাৰি পাব। আমি প্ৰায় সকলোৱেই, প্ৰতিদিনেই আনৰ সৈতে কথা পাতো। আৰু এই কথা পাতিবলৈ আমি লিখিত টোকা ব্যৱহাৰ নকৰো।আমাৰ ভাল লগা কথাবিলাক আমি আলোচনা কৰো। সেই কাৰণে উদ্বিগ্ন নহব আৰু আৰামেৰে বাইবেলৰ কাহিনী আলোচনা কৰক। এই প্ৰক্ৰিয়াত যিহেতু মনোযোগদি শুনা আৰু সঁহাৰি দিয়াতো মূল কথা, সেই কাৰণেই আমি কওঁ, "সম্পূৰ্ণ কাহিনীটোৰ" মূল সূত্ৰ হল-মনোযোগদি শুনা আৰু সঁহাৰি জনোৱা।

কাৰ্য্যক্ষেত্ৰত মনোযোগদি শুনা আৰু সঁহাৰি জনোৱা

"কেৱল কাহিনীটো"ৰ আধাৰত অনুসন্ধান কৰা অনেক কাহিনীৰ ভিতৰত এটা হৈছে, গীতমালা ২৩। যি সকলে বাইবেল জানে, তেওঁলোকৰ বাবে এই শাস্ত্ৰাংশ পৰিচিত। কিন্তু ইয়াক লাহে লাহে পঢি গলে আৰু প্ৰশ্নসমূহ সুধি গলে সেই গীতমালাটো ঈশ্বৰে আমালৈ কি দিছে, তাক জানিলে আচৰিত হব লগীয়া হব পাৰে।

কিছুদিনৰ আগতে, আমাৰ ডাৰেক্তৰ ৰমেশে, বৌদ্ধ ধৰ্মাৱলম্বী দেশত, মোক কৈছিল যে তেওঁ গীতমালা ২৩ অধ্যায়টো "কেৱল কাহিনীটো''ৰ আৰ্হিত শিক্ষা দি আহিছে।

(মনত ৰাখিব, নেপালত বাস কৰা এই মানুহজনক 'কৈৰল কাহিনীটো'ৰ আৰ্হিত কেনেকৈ শিকাব লাগে, তেওঁক ময়েই শিকাইছিলো।) তেওঁ যে এটা গীতমালাকলৈ কৈৰল কাহিনীটো আৰ্হিত শিকাব, এইটো এটা ধেমেলীয়া বিষয় যেন দেখা গৈছিল। সেই কাৰণে মই সুধিছিলো, "এইটো মোক শিকাবনে?" সেইদিনৰ সেই সময়টোৰ কথা মই কেতিয়াও পাহৰি নাযাম।

এই প্ৰতিবেদনত কাহিনীটোৰ, আৰু কাহিনীকওঁতা জনৰ প্ৰতি মোৰ অমনোযোগিতাটো চাওক। লগতে ৰমেশে কি দৰে ৰুটী টোকোৰা দি সম্পদৰ কাষলৈ মোক চলাই আনিছিল, আৰু নিজে থমকি কৈছিল, আৰু মোক সম্পদটো আৱিস্কাৰ কৰিবলৈ সুযোগ দিছিল,তাকো মন কৰক।

তেওঁ গোটেই কাহিনীটোৰ বিষয়ে অৱশ্যে প্ৰশ্ন সুধিছিল,কিন্তু এক বিশেষ বাৰ্তাৰ আঁত দিয়া বাবে ৰমেশ আজিও জিলিকি আছে। কাহিনীটো বৃদ্ধিৰ বাবে সোধা অনেক প্ৰশ্নই মই বাদ দিম, মাত্ৰ সেই আঁতটোৰ কথাটোহে মই উনুকিয়াইছো।

ৰমেশে সুধিছিল, "প্ৰথম, মেৰটোক, মেৰ ৰখীয়াৰ লগত কেনে সম্বন্ধ দেখুৱাইছে?"

বহুবছৰৰ আগতে শিকি থোৱা উত্তৰটো মই দিলো। "মোৰ ৰক্ষক। ইয়াৰ অৰ্থ হল যে আমি প্ৰভু যীচুক ব্যক্তিগত হিচাবে জানিব পাৰো।"

কিন্তু ৰমেশে মোক তেনেদৰে চিধাই ওপৰলৈ যাব দিয়া নাই। "কৈৰল কাহিনীটো"ৰ পদ্ধতিত আমি প্ৰথমে কাহিনীটোৱে কি কৈছে তাক মনোযোগেৰে শুনিব লাগিব। আৰু তাৰ পাছতহে, আমি আত্মিক জ্ঞান আমাৰ জীৱনত প্ৰয়োগ কৰিব লাগিব।

ৰমেশে মোক ধীৰ গতিৰে যাবলৈ আৰু কাহিনীটোৱে কি কৈছিল, তাক মনোযোগেৰে শুনিবলৈ আৰু পৰিচিত শাস্ত্ৰাংশ সাৱধানেৰে চাবলৈ বাধ্য কৰিলে। তেওঁ কাহিনীটো মনোযোগেৰে শুনিবলৈ মোক ব্যস্ত কৰি ৰাখিলে।

মই মনোযোগদি শুনিবলৈ সন্মত হলো এই ভাবিয়েই যে তেনে কৰিলে মই তেওঁৰ কৌশলটো পৰীক্ষা কৰিব পাৰিম। স্পষ্ট ভাৱে কবলৈ গলে মই আচৰিত হৈছিলো যে মোৰ ছাত্ৰ জনে এই শাস্ত্ৰাংশৰ পৰা মোক নো কি শিকাব। কাৰণ এই অংশটো মই ইমান ভালকৈ জানো আৰু ইয়াক অনেকবাৰ শিকাইছো, আনকি এই বিষয়ে প্ৰৱন্ধও লিখিছো। ` সুধিলে, "এইখিনি মেৰটোৱে কৈছে, নহয় জানো?"

মই সন্মতি জনাই মূৰ দুপিয়ালো।

"বাৰু মেৰটোৱে ৰক্ষকৰ বিষয়ে কেনেকৈ কৈছে? মেৰটোৱে ৰক্ষক জনক কেনেদৰে উল্লেখ কৰিছে?"

মই সুধিলো, "মেৰটোৱে ৰক্ষকক "তেওঁ"বুলি কেনেকৈ কৈছে, এইটো কব খুজিছেনেকি?"

“হয়, ঠিক সেইটোৱেই,” ৰমেশে কলে। “কিন্তু আপুনি দেখা নাইনে মেৰটোৱে ৰক্ষকক কত দেখা পাইছে?”

“অহ? কি?”মই সেইটো দেখাই নাছিলো।

“মেৰটো ক’ত আৰু ৰক্ষক জন কত? ইয়াক চাওঁক?”

ৰমেশে মোক আগ্রহেৰে চাই আছিল, কাৰণ তেওঁ মোক কিবা এটা দেখাটো বিচাৰিছিল যিটো মই দেখা পোৱা নাছিলো। (“কেৱল কাহিনীটো”ৰ প্রক্রিয়াত আমি লোক বিলাকক আমি আবিস্কাৰ কৰি পোৱাটো বিচাৰি পাবলৈ জোৰ নকৰো) কিন্তু ৰমেশে জোৰকৈ মোৰ লগত কিবা এটা বিনিময় কৰিবলৈ বিচাৰিছিল।এই বিশেষ মূহূৰ্ত্বটোত, ৰমেশে মোক ধীৰ সুস্থিৰে কাহিনীটোৰ বিষয়ে চিন্তা কৰিবলৈ জোৰ দিয়াটো গ্রহণীয় আছিল বুলি জানিছিল, কাৰণ আমি দুয়ো ইজনে সিজনক ভালদৰে জানিছিলো।)

“হূহ, মই ভাবো যদি মেৰটোক চলাই নিছে, তেন্তে মেৰ ৰক্ষক জন, মেৰটোৰ আগত থাকিব?”

“হয়! সেইটোৱেই,”ৰমেশে কলে। “এতিয়া কাহিনীটোলৈ যাওঁ-মৃত্যুছাঁয়াৰ উপত্যকাৰ অংশলৈ। ইয়াত মেৰটোৱে, ৰক্ষকক কেনেদৰে উল্লেখ কৰিছে?”

“তেওঁ” বুলি উল্লেখ কৰিছে, মই উত্তৰ দিলো।

“অহ! আকৌ চাওঁক,”ৰমেশে কলে। “কাহিনীটোৱে কৈছে, আৰু মই কোনো আপদলৈ ভয় নকৰো কাৰণ-মোৰ লগত কোন আছে?” মেৰটোৱে ৰক্ষকজনক কি কলে? মেৰটোৱে ৰক্ষক জনক কি বুলি উল্লেখ কৰিছে?

“ৰব,”মই চিঞৰি কলো, “তুমি” বুলি কৈছে। আও। ইয়াত এটা পৰিবর্তন দেখা পাইছো। মই এইটো আগতে কেতিয়াও লক্ষ্য কৰা নাছিলো। এতিয়া মেৰটোৱে ৰক্ষকজনক কথা কৈছে, ৰক্ষকজনৰ বিষয়ে নহয়। এইটো সুন্দৰ।”

“হয়, লক্ষ্য কৰিয়েই থাকক। এতিয়া ৰক্ষকজন কত আছে, দেখা পাইছেনে? কি সলনি দেখিলে? লক্ষ্য কৰক।”

“কি লক্ষ্য কৰিম?” মই সুধিলো।

“লক্ষ্য কৰক কি সলনি হল। ইয়াক লক্ষ্য কৰক। প্রথম অৱস্থাত মেৰৰক্ষকজন মেৰটোৰ আগে আগে গৈছিল। এতিয়া মেৰটো ক’ত?”

“বৰ ভাল কথা, মই এতিয়া বুজিলো।” মই চিঞৰি কলো। প্রথম অৱস্থাত মেৰ ৰক্ষক জন মেৰটোৰ আগত আছিল, এতিয়া মেৰৰক্ষক জন মেৰটোৰ কাষত আছে।”

“হয়, প্রথমে তেওঁ আগত আছিল, তেওঁ এতিয়া কাষত আছে, ৰমেশে মিচিকিয়াই হাঁহিলে। “কিন্তু অকল সেয়াই নহয়। লক্ষ্য কৰিয়েই থাকক। কাহিনীটোৱে কৈছে, “তুমি” আকৌ এবাৰ। মেৰটোৱে কৈছে, “তুমি মোৰ মূৰ তেলেৰে তিয়াইছা।” যদি মেৰ ৰক্ষকে তেল ঢালিছে মেৰটোৰ মূৰত, তেতিয়াহলে মেৰৰক্ষক জনক এতিয়া কত দেখা পাইছা?

“মই দেখা পাইছো! মেৰতকৈ অধিক উচ্চতাত।”

“লক্ষ্য কৰিয়েই থাকক,” ৰমেশে উদগালে। “কাহিনীটোৱে কৈছে, “অৱশ্যে মঙ্গল আৰু দয়া আয়ুসৰ সকলো কালত মোৰ পাছত যাওঁতা হব। মেৰটোৱে কৈছে তেওঁ আৰু ক’ত ৰক্ষক জনৰ উপস্থিতি অনুভৱ কৰে। সেইটো দেখা পাইছেনে?”

“হয়, মই দেখা পাইছো। সেইটো কি আচৰিত।”

ইতিমধ্যে ৰমেশেৰ মুখমণ্ডল পোহৰিত হৈ পৰিল। “মেৰৰক্ষকজন আগত আৰু কাষত আৰু ওপৰত আৰু পাছত। তেওঁ মেৰটোৰ চাৰিওফালে আছে।”

যিহেতু আমি কাহিনীটোৰ শেষ অংশত আহি পালোহি, সেই কাৰণে আত্মিক জ্ঞান প্রয়োগৰ বাবে আহিলো। আমি এইটো নকৰাকৈ কেনেকৈ থাকিম? কাহিনীটোত একেলগে অধ্যয়ন কৰি আমি যি দেখিলো তাৰ পৰা পোৱা আত্মিক জ্ঞান প্রয়োগৰ বিষয়ে আমি দুয়ো কথা পাতিলো, আলোচনা কৰিলো। কিন্তু আৱিস্কাৰৰ নতুন যি আঁত পালো, ৰক্ষক যীচু কেনেকৈ আমাৰ আগত, কাষত, ওপৰত আৰু পাছত আছে, এই কথাই আলোচনাত প্রধান স্থান পালে।

ইযে কেনে এটা শান্তিৰ উপলব্ধি আছিল!

অতিৰিক্ত মন্তব্য। কিছুসময়ৰ পাছত কার্যালয়ত, কর্ম্মচাৰী সকলে আমাৰ এই পৰিচর্যাত কৰিযোৱা ভুলবোৰৰ বিষয়ে আৰু ঈশ্বৰে কেনেকৈ বাৰে বাৰে সেইবোৰ অতিক্রম কৰি যাবলৈ দয়া দেখুৱাইছিল, এই বিষয়ে আলোচনা কৰি আছিল। মই কলো, “ঈশ্বৰ প্রকৃততে আমাৰ পাছত আছে। প্রতিদিনে, আমাৰ দৈনন্দিন জীৱনৰ প্রত্যাহ্বান বিলাক সমাধান কৰিবলৈ যাওঁতে, ঈশ্বৰ আমাৰ দৃঢ় দূর্গ। তেওঁ কৈছে, “আগুৱাই যোৱা, চিন্তিত নহবা। মই তোমাক ঢাকি ৰাখিম। মই তোমাক নিশ্চিত কৰিম যাতে কোনেও পাছফালে আহি গুপুতে তোমাক আঘাত কৰিব নোৱাৰে।”

তাৰপাছত, গীতমালাৰ কাহিনীটো পুনৰ মনলৈ আহিল। “অহ, মোৰ সেইটো গীতমালা, ২৩ অধ্যায়টোৱেই হয়। ঈশ্বৰে আমাৰ পাছফাল ঢাকি ৰাখিছো, এইটোৱে আজি আমি এইদৰে কব পাৰো, ‘মঙ্গল আৰু দয়া মোৰ আয়ুসৰ সকলো কালত মোৰ পাছত যাওঁতা হব।”

‘হূহ? শিক্ষকে ছাত্রলৈ মনোযোগ দি শুনিছে–দুয়ো একেটা পৰিচিত শাস্ত্রাংশৰ পৰাই শুনিছে।’

আমাৰ স্থানীয় বিশ্বাসী সকলে, ইউৰোপ আৰু পশ্চিমীয়া দেশৰ পৰা অহা নেতাসকলক এনেধৰণৰ মতবিনিময় কৰি শিক্ষা দিয়া কার্য্য বেচি প্রচলিত হৈছে। ভাৰতবর্ষ, ট'গ মোজাম্বিক, নাইগাৰ, আৰু ফিলীপাইন আদি বেলেগ বেলেগ দেশৰ পৰা মিছনেৰী সকল আহি এই স্থানীয় প্রশিক্ষক সকলৰ দ্বাৰা "কেৱল কাহিনীটো"ৰ পদ্ধতিত প্রশিক্ষণ প্রাপ্ত হব লাগিছে।

সর্ব্বশেষত, "কেৱল কাহিনীটো" মানে ঠিক লোকসমূহক বুজায় – যি লোকসমূহে ঈশ্বৰৰ বাক্যলৈ মনোযোগ দিয়ে। মনযোগদি শুনা আৰু সঁহাৰি দিয়া প্রত্যেকৰ বাবেই সহজলভ্য। ইয়াৰ ফলাফল সমূহে প্রদর্শণ কৰেযে কেৱল উচ্চখাপৰ নেতাসকলেই নহয়, যি নেতা সকলে ঈশ্বৰৰ পৰা শুনি তেওঁলোকৰ জ্ঞান আনক প্রদান কৰে। প্রকৃততে, সেই স্থানীয় প্রশিক্ষক সকল যি সকলে, অনুৰোধ ক্রমে মিছনেৰী সকলক প্রশিক্ষণ দি আছে, তেওঁলোক ৩য় আৰু ৪র্থ পুৰুষৰ 'কেৱল কাহিনীটোৰ' আধাৰত শিক্ষা আহৰণ কৰা লোক।

হুবহু বনর্ণা যিয়ে কৃতকার্য্যতালৈ নিয়ে

আমি আশাকৰো ওপৰত দিয়া প্রতিবেদন সমূহে আপোনাক "কেৱল কাহিনীটো"ৰ সম্পর্কে জানিবলৈ আৰু ইয়াৰ কিছু নতুন দক্ষতা আহৰণ কৰিবলৈ আপোনাক অনুপ্রাণিত কৰিছো।শিক্ষিত শিকাৰো সকলক সম্প্রসাৰণ কৰিব পৰা এটা অংশৰ পৰা আৰম্ভকৰো, আহক। লিখি নললে প্রশ্নবিলাক মনত ৰাখিবলৈ অসম্ভৱ যেন যদিও আপুনি ভাৱে, তথাপি আপুনি প্রশ্নবিলাক নিলিখিব। এইটো গুৰুত্বপূর্ণ কথা। প্রশ্ন সমূহ মনত পেলাবলৈ কাহিনীটো প্রথমৰ পৰা শেষলৈকে মনতে ভাৱক। কাহিনীটোৱে নিজে ইয়াৰ অর্ন্তবস্তু মনলৈ আনি দিব, আৰু আপুনি জ্ঞানী পৰামর্শদাতাজনৰ দৰে কিছুমান প্রশ্ন সুধিব পাৰিব। কাহিনীটো আপোনাৰ মতে মনত ৰাখিব, কাহিনীটোৱেই আপোনাৰ টোকা হৈ পৰিব।

আপোনাৰ পৰিচয় মূলক আৰম্ভনীটো পুনৰ বিবেচনা কৰক। এতিয়া আপুনি কাহিনীটোত গুপ্তহৈ থকা সম্পদ সমূহ আৱিস্কাৰ কৰিলে। আপুনি যুগুতোৱা পৰিচয়মূলক আৰম্ভণীটো অলপ দীঘলীয়া বা চুটি কৰিব, পাৰে। আপোনাৰ কাহিনীটোত থকা বার্ত্তা যদি 'আৰম্ভনীটো'ত সোমাই আছে, তেন্তে, তেনে বার্ত্তা সমূহ 'পৰিচয়মূলক' আৰম্ভণীটোৰ পৰা বাদ দিয়াতো জ্ঞানী লোকৰ কাম হব।

উদাহৰণ স্বৰূপে, প্রথম অৱস্থাত আপুনি হয়তো আব্রামৰ কাহিনীটো পৰিচয় কৰাই দিব বিচাৰিছিল–আদি১২:১–৯ পদলৈ, এইদৰে কৈ, "এইটো এনে এজন মানুহৰ কাহিনী, যিজনক ঈশ্বৰে তেওঁৰ নিজলোক, নিজ দেশ ত্যাগ কৰি, এটা নতুন জাতি প্রতিষ্ঠা কৰিবলৈ মাতিছিল।" তাৰ পাছত আত্মিক সম্পদ বিচাৰি সেই শাস্ত্রাংশ চাওঁতে দেখিলে যে আব্রামৰ সম্পর্কে বিশেষ বার্তা কাহিনীটোত সোমাই আছে। তেনে ক্ষেত্রত সেই বার্তাটো পৰিচয় মূলক আৰম্ভনীটোৰ পৰা বাদ দিব।

যদি আপুনি কাহিনীটোত কিছু আত্মিক জ্ঞান পালে, অলপ বার্ত্তা সংযোগ কৰি দিলে, সেইটো অধিক ভালদৰে বুজিব পাৰিব বুলি ভাৱে, তেন্তে, পৰিচয় মূলক আৰম্ভনীত তাক কওক।

উদাহৰণ স্বৰূপে, মার্থা-মৰিয়মৰ কাহিনীত এটা সম্পদ, মার্থাই অনেক অতিথিৰ বাবে এটা ডাঙৰ ভোজ আয়োজন কৰিবলৈ মনোনীত কৰা কথাৰ ওপৰত প্রতিষ্ঠিত। আন এটা সম্পদ হল যিটো মার্থাই শিষ্যসকলৰ সাক্ষাতে যীচুক সমালোচনা কৰি আৰু যীচুৰ ওপৰত প্রভুত্ব দেখুৱাই আৰু তাচিল্য জ্ঞান কৰি দেখুওৱা আশ্চর্য্যজনক কথাটো। যীচু আৰু তেওঁৰ শিষ্য সকলে কোনো এখন নগৰত প্রৱেশ কৰাৰ পৰাই কাহিনীটো আৰম্ভ হয়। কাহিনীটোত আমাক মাত্র কোৱা হৈছে যে মার্থাই যীচুক নিজৰ ঘৰলৈ আমন্ত্রণ কৰিছিল। কাহিনীটোত এইটো কোৱা হোৱা নাই যে শিষ্যসকলো যীচুৰ লগত আহিছিল। আলোচনাটো স্পষ্ট হবৰ বাবে, কাহিনীটোৰ এটা পৰিচয় মূলক আৰম্ভণী দিয়াতো জ্ঞানৰ কথা হব। এনেদৰে কব পাৰি "যীচু পৃথিবীত থাকোতে, তেওঁ কিছুলোকক তেওঁৰ লগত ফুৰিবলৈ মনোনীত কৰিছিল। এই লোকবিলাক অর্থাৎ শিষ্য বিলাক সদায় যীচুৰ লগত ফুৰিছিল।" আমাক কোৱা হৈছে যে কম সময়ৰ বাবেহে যীচু অকলে গৈছিল নাইবা যীচুৱে কেইজন মান শিষ্যক লগত লৈছিল কিন্তু খুউব সময়ৰ বাবেহে। উল্লেখিত সময়ৰ বাহিৰে বাকী সকলো সময়তে শিষ্যবিলাক যীচুৰ লগতে ফুৰিছিল। এই বার্তাটোৱে শ্রোতাসকলক জানিবলৈ দিব যে যীচু যোৱা মানে শিষ্য সকলো লগত গৈছিল।

কাহিনীকওঁতা ব্যক্তি হিচাবে, আপুনি এটা কথা সদায় ধৰি লব লাগিব যে, আলোচনা চক্রত উপস্থিত থকা এজন বা তাতোকৈ বেছি সংখ্যক লোকৰেই কাহিনীটোত যি কব আৰু পৰিচয় মূলক আৰম্ভণীত যি কব, তাৰ বাহিৰে বাইবেলৰ আন জ্ঞান নাথাকে। সেই কাৰণে "কৱল কাহিনীটো" ফলপ্রসু আলোচনা কৰিবলৈ হলে, প্রশ্নসমূহৰ উত্তৰ দিবলৈ সমর্থ হবৰ বাবে, প্রয়োজনীয় বার্তাসমূহ আগতীয়াকৈ পৰিচয়মূলক আৰম্ভনীত বা কাহিনীটোও থাকিব লাগিব।

উপস্থিত থকা প্রতিজনকেই যদি আপুনি কিছুমান কাহিনী শিকাইছে, তেওঁলোকক আপুনি এনে ধৰণৰ প্রশ্ন সুধিব পাৰে, যিবোৰে, আগতে একেলগে শিকি লাভ কৰা বার্ত্তা সমূহক গঢ দিব পাৰে। মনত ৰাখিব যে সৰহ সংখ্যক কাহিনীতেই যথেষ্ঠ বার্ত্তা গুপ্তহৈ থাকে। সেই কাৰণে, সাধাৰণতে বাইবেলৰ আন ঠাইলৈ কাহিনীটো ভালদৰে শিকাবৰ বাবে, যাবৰ প্রয়োজন নাই।

মাজে সময়ে, পৰিচয়মূলক আৰম্ভনীত বাইবেলৰ পৰা অতিৰিক্ত বার্ত্তা যোগান ধৰিব পাৰে, যেনে কুষ্ঠৰোগী, বিশ্রামদিন, খোৱাবোৱা আদিৰ বাবে ঈশ্বৰৰ বিধানকি বা চমৰীয়া বিলাকৰ প্রতি যীচুৰ ভাৱ-এইবিলাক বার্ত্তাই কাহিনীটোৰ ঘটনাৱলীৰ গভীৰতালৈ সোমাইলৈ যাব পাৰে।

সেয়ে যি নহওক, পৰিচয়মূলক আৰম্ভণীত আমি যি যি অৰ্ন্তভুক্ত কৰো, সেই সকলো বাইবেলৰ পৰাই হব লাগিব। বাইবেলৰ বাহিৰৰ কোনো উৎসৰ পৰা নহয়। আমি জানো যে বাইবেলেই হৈছে একমাত্ৰ অপৰিবৰ্তনশীল, নিখুঁত নিৰ্ভৰযোগ্য উৎস। তাৰোপৰি, বাইবেলৰ বাহিৰৰ উৎস ব্যৱহাৰ কৰিলে, বাইবেল প্ৰশিক্ষণ নথকা বা ঈশ্বৰতত্ব বিষয়ক প্ৰশিক্ষণ প্ৰাপ্ত নোহোৱা বা বাইবেলৰ লিখা কিতাপ নথকা ব্যক্তি বিলাকে ভাৱিব যে তেওঁলোকে বাইবেলৰ কাহিনীবিলাক আনৰ লগত ভাগলব নোৱাৰিব-এনে নেতীবাচক ভাৱ আহিব।

কাহিনীটো আলোচনা কৰি শেষ কৰাৰ পাছত, আপুনি হয়তো কাহিনীটোৰ ভিতৰৰে স্পষ্ট প্ৰতীক থকা বিষয়এটা পৰিচয় কৰাব বিচাৰিছে। শ্ৰোতাসকলক এই প্ৰতীকটোৰ অৰ্থ উলিয়াবলৈ সহায় কৰিবৰ বাবে আপুনি আন এটা "কাহিনী" কওঁক। আপুনি এই নতুন কাহিনীলৈ তেওঁলোকক লৈ যাওঁক বা বাইবেলৰ অন্য শাস্ত্ৰাংশলৈ যাওঁক। এইটো, "কেৱল কাহিনীটো"ৰ আৰ্হিৰে কওঁক। এইটো কৰক, যদিহে আপুনি যিটো কাহিনী উপস্থাপন কৰিছে, তাৰ গভীৰ আত্মিক বিষয়বোৰ শ্ৰোতা সকলে উপলব্ধি কৰিব পাৰিছে, বুলি ভাৱিছে। নাইবা যদিহে পবিত্ৰ আত্মাই আপোনাক এইটো কৰিবলৈ উদগণি দিয়ে।

কাহিনীটোৰ সম্পৰ্কে আপুনি দিয়া অতিৰিক্ত বাৰ্ত্তাটো যথেষ্ঠ স্পষ্ট হব লাগিব যাতে শ্ৰোতা সকলে সহজে ইয়াক প্ৰয়োগ কৰিব পাৰে। এই ধৰণে কৈ আৰম্ভ কৰিব পাৰেঃ "আন এটা কাহিনী আছে, যিটো এই কাহিনীটো ঘটিযোৱাৰ বহুত দিনৰ পাছত ঘটিছিল।" তাৰ পাছত তেওঁলোকক এটা শাস্ত্ৰাংশলৈ লৈ যাওঁক, যত কিছু প্ৰতীকচিহ্ন অৰ্ন্তনিহিত হৈ আছে। এই দ্বিতীয় কাহিনীটো নিশ্চয়ে বাইবেলৰ 'নতুন নিয়মত' থাকিব।

উদাহৰণ স্বৰূপে, আপুনি যদি মোচি আৰু পিতলৰ সাপটোৰ কাহিনীটো কলে, যিটো গণনাঃ২১:৪-৯ পদত আছে, আৰু আপোনাৰ দলটোৱে যদি আত্মিক জ্ঞান আৱিস্কাৰ কৰিলে আৰু প্ৰয়োগ কৰিলে, তেন্তে আপুনি এনে দৰে কবলৈ অনুভৱ কৰিব পাৰে, "বাইবেলৰ সকলো কাহিনী একেলগে আলোচনা কৰি শেষ কৰিবলৈ বহুত দীঘলীয়া সময় লব। এটা কাহিনী আছে, যিটো বাইবেলত বহুত পাছলৈ আছে। সেই কাহিনীটোকে ইয়াৰ পাছতে মই কবলৈ বিচাৰিছো। এইটোৱে আমাক মোচি আৰু পিতলৰ সাপটোৰ বিষয়ে অধিক তথ্য আৱিস্কাৰ কৰিবলৈ সহায় কৰিব।"(আপোনাৰ যদি সময় থাকে, আপুনি এটা চমু পৰিচয় দাঙি ধৰিব আৰু তাৰ পাছত যোহন ৩:১-১৬ পদলৈ কওঁক। যদি সময় সীমিত হয়, আপুনি এটা চমু পৰিচয় দিব, লগতে ১-১৩ পদলৈ মূল পদ বিলাকৰ সাৰ অংশৰ কথাও কব। আৰু তাৰ পাছত, যীচুৱে সেই ধাৰ্ম্মিক মানুহজনক কোৱা, ১৪-১৬ পদলৈ, চমু "কাহিনীটো" কওক। মনত ৰাখিব, এইটো কেৱল কাহিনীটোৰ আৰ্হিতেই কব।)

“অৰণ্যত মোচিয়ে যেনেকৈ সাপটো তুলিছিল, তেনেকৈ মানুহৰ পুত্রও উত্তোলিত হব লাগে, যাতে তেওঁত বিশ্বাস কৰা সকলোৱে অনন্ত জীৱন পাব পাৰে। কাৰণ ঈশ্বৰে জগত ইমান প্রেম কৰিলে যে তেওঁ নিজৰ একমাত্র পুত্রকে দান কৰিলে, যাতে যি কোনোৱ তেওঁত বিশ্বাস কৰে, তেওঁ নষ্ট নহয় কিন্তু অনন্ত জীৱন পায়।”

কাহিনীটোৰ শ্রোতাসকলৰ সহাঁৰিলৈ মনোযোগ দি শুনক

লোকবিলাকৰ পৰা পোৱা উত্তৰ সমূহে, তেওঁলোকৰ অভাৱ আৰু প্রশ্নসমূহ বুজি পোৱাত আপোনাক সহায় কৰিব। সেই আত্মিক জ্ঞান সমূহে আপোনাক মৌলিক প্রশ্নসমূহ গঠন কৰিবলৈ সহায় কৰিব। এইটোৱেই “সময়ৰ শিক্ষা” বুলি কোৱা হয়।

সৰহসংখ্যক প্রশ্নই, লোকসমূহে কি কৰিছিল নাইবা ঈশ্বৰে কি কৰিছিল, সেই বিষয়ে হোৱা উচিত

এই প্রশ্ন সমূহে শ্রোতা সকলক আত্মাসম্বন্ধীয় সত্যসমূহ আৱিস্কাৰ কৰিবলৈ আগুৱাই নিব। প্রতিজন চৰিত্রই কোৱা কথাবোৰ আৰু কর্ম্মৰাজি, পুর্নবিবেচনা কৰক। “কিয়” প্রশ্ন সমূহ কৰোতে সাৱধান হব, কিয়নো এনে প্রশ্নই অনুমানৰ ভিত্তিত উত্তৰ সমূহ দিয়ে আৰু ইয়াক শাস্ত্রৰ বাক্যৰ দ্বাৰাই প্রমাণিত কৰিব নোৱাৰে। “কি” বুলি সোধা প্রশ্ন সমূহ সাধাৰণতে আটাইতকৈ ভাল। আমোদজনক ভাৱে, এনে ‘কি’ প্রশ্ন সমূহে মনতে ভাৱি কথা ‘কিয়’ প্রশ্নৰ উত্তৰো আৱিস্কাৰ কৰিবলৈ পৰিচালিত কৰে।

নিৰীক্ষণমূলক প্রশ্ন সোধক

কাহিনীটোৰ প্রথম অংশ পুনৰ কোৱাৰ পাচত, আপুনি হয়তো এইদৰে কব পাৰেঃ “কাহিনীটোৰ এই প্রথম অংশত বিশ্বাসৰ সম্বন্ধে আমাক কিবা জানিবলৈ দিয়েনে?(সেই অংশটোৰ এটা চৰিত্র বাচিলওক)” “সেই ব্যক্তিজনে কি বিষয়ত গুৰুত্ব দিছিল এই কথা কাহিনীটোৱে কেনেকৈ প্রদর্শণ কৰিছে?”

আপুনি কওকঃ “ঈশ্বৰৰ লক্ষণ বা প্রকৃতিৰ বিষয়ে এই অংশৰ পৰা কিবা জানিব পাৰোনে?”বা ইয়াত আমি বিশ্বস্ততা দেখা পাওঁনে?” কাহিনীটোৰ প্রতিটো অংশ অনুসন্ধান কৰোতে, এই কথা লক্ষ্য কৰিব যে কাহিনীত থকা ব্যক্তি সকলৰ কথা বা কর্ম্মই, অনাদৰ বা ভয়, বা দোধোৰ মোধোৰ অৱস্থা, বা লোভ বা দয়া , বা সাহস বা ভাৰসা বা প্রজ্ঞা প্রদর্শণ কৰিছে নেকি। নিশ্চিত কৰক যে, যিবিলাক প্রশ্ন আপুনি সুধিব, তাৰ উত্তৰ কাহিনীটোত থকা বার্ত্তাৰ পৰাই হব লাগিব। সেই প্রশ্ন সমূহৰ ভিতৰত যিবিলাক প্রশ্নৰ উত্তৰ, “হয়” বা “নহয়” বুলি সহাঁৰি আহে, আপুনি “হয়” সঁহাৰি দিয়া প্রশ্ন সমূহৰ কার্য্য কৰক-এইদৰে, “আমাক সহায় কৰক। এই কাহিনীটোৰ কোন অংশত সেইটো দেখা পাইছে?”

ক্রমে ক্রমে শ্রোতাসকলক কাহিনীটোৰ সত্যসমূহ প্রয়োগ কৰিবলৈ সহায় কৰক।

আত্মিক জ্ঞান প্রয়োগৰ বাবে সম্পদ বিচাৰি আলোচনাত আগবাঢি যাওঁতে, অতি সাৱধানতাৰে লোকবিলাকৰ সঁহাৰিলৈ মনোযোগ দিব।সুযোগ লৈ সুধিব, তেওঁলোকে বা তেওঁলোকে জনা কোনো ব্যক্তিৰ জীৱনত, এনেধৰণৰ অনুভৱ বা প্রতিক্রিয়া দেখা পাইছিল নেকি?(সন্দেহ, ভয়, বিশ্বাস, আশা, খেলিমেলি ভাৱ ইত্যাদি)।'হয়' বুলি কলে বা শৰীৰৰ ভঙ্গিমাই যদি তেনে ইঙ্গিত দিয়ে সেইটো প্রশ্নসোধাৰ উত্তম সময়, "কোনোবাই সেই অভিজ্ঞতাৰ কথা কবনে?"

ব্যক্তিগত জীৱনৰ আত্মিক জ্ঞান প্রয়োগৰ কথা বিনিময় কৰক

আত্মিক জ্ঞান প্রয়োগৰ সম্পর্কে আলোচনা সমাপ্ত হলে, যদি ঈশ্বৰে এনে কৰিবলৈ উদগায়, তেন্তে আপুনি কব কেনেকৈ কাহিনীটোৰ কিছু অংশই আপোনাক স্পর্শ কৰিলে। নাইবা আপুনি সুধিব পাৰে কাহিনীটোৰ কোনো বিশেষ অংশই তেওঁলোকৰ জীৱনত কিবা প্রভাৱ পেলাইছে নেকি।

ভাল প্রশ্নৰ মূল উপাদান সমূহ। আপোনাৰ প্রশ্নসমূহৰ উত্তৰ নিশ্চয়েঃ

- কাহিনীটোত থাকিব লাগিব
- কাহিনীটোৰ দ্বাৰা প্রমাণিত হব লাগিব

কাহিনীটোৰ বাহিৰৰ বার্ত্তা। যদিহে এটা অতি গুৰুত্বপূর্ণ আত্মিক জ্ঞান বা প্রয়োগৰ সত্যটো প্রদর্শন কৰিবৰ বাবে কাহিনীটোৰ বাহিৰৰ এটা পদ প্রয়োজন হয়, তেন্তে আপুনি সেই শাস্ত্র সম্মত বার্ত্তাটো, পৰিচয়মূলক আৰম্ভনীটোত সাঙুৰি লব পাৰে। সেই একেদৰে, সকলো আত্মিক জ্ঞান প্রয়োগ সমূহ কাহিনীটোত থকা সত্যৰে প্রমাণিতহৈ উপস্থাপন কৰাৰ পাছত, অতিৰিক্ত শাস্ত্রপদ দিব পাৰিব।

কিন্তু এনেদৰে কাৎচিতহে কৰিব। কাৰণ, কাহিনীটোৰ বাহিৰৰ শাস্ত্রপদ ব্যৱহাৰ কৰিলে, শ্রোতাজনে কাহিনীকওঁতাজনৰ অনুসন্ধানৰ ওপৰতহে নির্ভৰ কৰিব, কাহিনীটোলৈ মনোযোগ নিদিব।মনত ৰাখিব, কাহিনীকওঁতা সকলে বাইবেল বার্ত্তাৰ ওপৰত স্থাপিত, যিবিলাকৰ শিক্ষা শ্রোতা সকলে আগতে লাভকৰিছিল, তাৰ ওপৰতো প্রশ্ন সুধিব পাৰে।

ভাল উত্তৰ দিলে।যেতিয়া লোকবিলাকে গ্রহণযোগ্য উত্তৰ দিয়ে, তেওঁলোকক উদগণি দিয়ক। এনে ধৰণৰ বাক্য কওকঃ "সুন্দৰ উত্তৰ","মই কেতিয়াও সেইটো ভবা নিছিলো," বা "ই বৰ অর্থপূর্ণ।"

সিমান ভাল উত্তৰ নহলে।আপুনি যদি ভাৱে যে শ্রোতা সকলে দিয়া উত্তৰ অশুদ্ধ, তেন্তে আপুনি কব, "আহক আমি আকৌ চাওঁ কাহিনীটোৰ মতে ই হয়নে নহয়?" উত্তৰ যদি ভুল প্রমাণিত হয়, তেন্তে দোষটো নিজেই গাত পাতি লব আৰু কব,

“মই দুখিত, এই অংশটো ভালদৰে আলোচনা কৰিব নোৱাৰিলো” বা “হব পাৰে মোৰ প্ৰশ্নৰ গাঠঁনিটো ঠিক নহল।”

যদিহে শ্ৰোতাৰ প্ৰশ্নটো বা উত্তৰটো বিষয় বস্তুৰ সম্পূৰ্ণ বাহিৰত আপুনি এইদৰে কব পাৰে, “সেইটো এটা বিষয় বস্তু, যিটো আমি আন এটা সময়ত আলোচনা কৰিব পাৰো” বা “হয়তো ইয়াৰ পাছৰ কাহিনীটোত, ইয়াৰ উত্তৰ আমি পাম।” কিছুমান প্ৰশ্ন পদচিহ্নৰ দৰে আৰু ইয়াৰ পৰা একো জানিব নোৱাৰি আৰু গোটেই দলটোৱেই মূল পথৰ পৰা আঁতৰি যায় যদিহে তেনে প্ৰশ্নৰ উত্তৰ দিবলৈ সময় লয়।

যদি দলবোৰ ডাঙৰ হয় বা সময় তাকৰ হয়। প্ৰশ্নসোধা, আৰু শ্ৰোতাসকলৰ উত্তৰ সমূহৰ প্ৰতি সঁহাৰি জনোৱাটোৱেই “কেৱল কাহিনীটো”ৰে ব্যৱহাৰ কৰা মানদণ্ড। যদি সময়ে নুকুলায়, বা দলটো ডাঙৰ হোৱাৰ বাবে যদি উত্তৰ শুনাত অসুবিধা হয়, তেন্তে অন্য উপায়ও আছে। “কেৱল কাহিনীটো” ৰ পদ্ধতি ব্যৱহাৰ কৰা শিক্ষক সকলে আলংকাৰিক প্ৰশ্ন সুধিব পাৰে। (আলংকাৰিক- উত্তৰ আশা নকৰা) শ্ৰোতাসকলক প্ৰশ্নৰ উত্তৰ কি হব ভাৱিবলৈ অনুৰোধ কৰা হয়, কিন্তু তেওঁলোকে উত্তৰটো ডাঙৰকৈ কোৱাটো আশা কৰা নহয়। কাহিনী কওঁতা হিচাবে তিনি বা চাৰি চেকেণ্ড, শ্ৰোতা সকলক উত্তৰৰ বাবে ভাৱিবলৈ সময় দিয়ক।

নিৰ্ভুলতা ৰক্ষা কৰাঃ পূৰ্ণবিবেচনাৰ অন্তনিৰ্হিত গুণ

“কেৱল কাহিনীটো” ৰ আৰ্হিৰে আলোচনা কৰাৰ এটা ডাঙৰ সুবিধা হল- “পুনৰ বিবেচনা কৰিব পৰা” শক্তিশালী আহিলাটো।

“কেৱল কাহিনীটো”ৰ আৰ্হিত পুনবিবেচনা কৰাতো বেচি লাভযুক্ত হয় যদিহে বাইবেলৰ কাহিনীবিলাক কালানুক্ৰমে উপস্থাপন কৰা হয়। পৰিচয়মূলক আৰম্ভণী এটা দিয়াৰ সলনি, শিক্ষক জনে, আগৰ আলোচনা সভাত শুনোতা সকলক, কাহিনী আৰু আৱিস্কাৰ সমূহৰ কথা সুধিব পাৰে বা পুনবিবেচনা কৰিব পাৰে।

কাৰণ, এনে শিক্ষা দিয়া আলোচনা চক্ৰত, নতুন লোক উপস্থিত থাকিব পাৰে, নাইবা আগৰ বৈঠকত উপস্থিত থাকিব পাৰে। আগৰবাৰৰ কাহিনীটো পুনবিবেচনা কৰিলে, আগৰ বৈঠকত অনুপস্থিত থকা সকলেও, এইবাৰ তেওঁলোকে জানিবলৈ পাব। এনে, পুনৰ্বিবেচনাই শিকাৰো সকলক, কাহিনীটো মনৰ পৰা দোহাৰিবলৈ এটা সুযোগ দিয়া হয়।

তাৰোপৰি, যোগদানকাৰী সকলক, আগতে শিকা আৰু আয়ত্ব কৰা কিছু সম্পদ বিনিময় কৰিবলৈ, অনুৰোধ কৰা উচিত। পুনৰ্বিবেচনাই লোকবিলাকক বাৰ্তাসমূহ দৃঢভাৱে মনত ৰাখিবলৈ আৰু আনৰ আগত কবলৈ সম্ভৱ কৰি তোলে। আগৰ সপ্তাহত আহৰণ কৰা কাহিনীটোৰ লাভালাভ কি হল, তাৰ সাক্ষ্য শুনাৰ এইটোৱেই এক সুন্দৰ ঠাই।

লগতে, এই লোকবিলাকক, আগৰ আলোচনাত কি শিকিলে তাক কবলৈ সুযোগ দিলে, শিক্ষক জনেও নিশ্চিত ভাৱে জানিব পাৰে যে আগৰবাৰৰ কাহিনীটো, আৰু ইয়াৰ সম্পদ সমূহ নির্ভুল ভাৱে আৰু ভালদৰে বুজি পাইছে বা বুজি পোৱা নাই।

যদি আগৰ আলোচনা চক্রত যোগদান কৰা লোকবিলাকে তেওঁলোকক শিকোৱা কাহিনীটো কব নোৱাৰে বা শিক্ষাতো অস্পষ্ট হয়, তেন্তে এইটোৱেই শিক্ষকজনলৈ এটা ইঙ্গিত দিয়ে যে, তেওঁ প্রত্যেকৰ বাবেই কাহিনীটো পুনর্বিবেচনা কৰিব লাগিব।

আগৰবাৰৰ কাহিনীটো যদি প্রতিজন ব্যক্তিয়েই বুজি পোৱা নাই, তেন্তে আৰু এটা নতুন কাহিনী শিকোৱাৰ কোনো যুক্তি নাই।

সপ্তম অধ্যায়ঃ নির্ভুল প্রয়োগ হাতীটো আৱিস্কাৰ কৰা

কাহিনীকওঁতা সকলে, তেওঁলোকৰ অনুসন্ধান দক্ষতা বৃদ্ধি কৰাৰ লগে লগে তেওঁলোকে, আগতে অধ্যয়ন কৰা শাস্ত্রাংশৰ বাদপৰি যোৱা কথাবোৰো চকুত পেলাবলৈ আৰম্ভ কৰে। যিমানেই সুক্ষ্ম নহওক, প্রতিটো নতুন আৱিস্কাৰেই আমাক ৰোমাঞ্চিত কৰে। যিকি নহও, সেই সৰু আমোদজনক কথাবোৰ পোৱাৰ পাচত, কাহিনীকওঁতা জনে সম্পূর্ণ কথাখিনি যেন পাহৰি নায়ায় তাৰবাবে, সাৱধান হব লাগিব।কাহিনীকওঁতা সকলে, নিশ্চয়কৈ মনত ৰাখিব লাগিব যে বাইবেলখন কেৱল ইতিহাসেই নহয়, ই তাতোকৈ অধিক ওপৰত।তেওঁলোকে আত্মিক বার্ত্তাটো কেতিয়াও হেৰোৱাব নেলাগিব।

উদাহৰণ স্বৰূপে, লোকে দায়ূদ আৰু গলিয়াথৰ কাহিনীটো কয়, তেওঁলোকে কয়যে দায়ূদ এটা সৰু লৰা আছিল, তেওঁ ৰক্ষকৰ দক্ষতা অর্জ্জন কৰিলে, তাৰোপৰি, তেওঁ সাহসী আৰু আত্মবিশ্বাসী আছিল।আৰু তাৰ দ্বাৰাই এটা দৈত্যকায় লোকক পৰাস্ত কৰি জয়যুক্ততা লাভ কৰিলে। তাৰ পাচত শিক্ষা প্রয়োগ এইদৰে কৰেঃ “তোমালোকেও দায়ুদৰ দৰে, বিপদ ও সঙ্কটৰ সন্মুখত সাহসী হব লাগে।”

নিশ্চিত ভাৱে এইটো সুন্দৰ বার্তা। কিন্তু, এই কাহিনীটোত কেৱল এইটোৱেই শিক্ষানে?

যদিও কাহিনীটোৰ ওপৰত ঘোষনা কৰাৰ দৰে, বার্তাটো অর্ন্তনিহিতহৈ আছে, তথাপিও, ইয়াত সোমাই থকা মহৎ আত্মিক বার্ত্তাটো আওকান কৰা হৈছে কাহিনীটোৰ মতে, দায়ুদে এইটো জানিছিল যে সেই দৈত্যকায় মানুহজনক আৰু শত্রুপক্ষ পলেষ্টীয়া বিলাকক, যিবিলাকে অসাৰ দেৱতাবোৰত ভাৰষা কৰিছিল, তেওঁলোকক পৰাস্ত কাৰিবলৈ ঈশ্বৰ সমর্থ কিন্তু ইস্রায়েল আৰু তেওঁলোকৰ ৰজা চৌলে (যি সকলে একমাত্র সত্য ঈশ্বৰত নির্ভৰ কৰি গলিয়াথ আৰু অসাৰ দেৱতা সকলক পৰাস্ত কৰিবলৈ) সুযোগটো হেৰুৱালে। তেওঁলোকে যুদ্ধত, ঈশ্বৰত ভাৰসা নকৰিলে। কিন্তু পলেষ্টীয়া বিলাক তেওঁলোকৰ গলিয়াথবীৰ আৰু তেওঁলোকৰ অসাৰ দেৱতাবোৰ সকলোবোৰ পৰাস্ত হল, যেতিয়া দেখাত এজন অতি নগন্য ব্যক্তিয়ে বিশ্বাসত আগবাঢি আহিল।

সকলো কাহিনীতেই, আপুনি অনেক লাভজনক, সৰু সৰু সত্যসমূহ বিচাৰি পাব। কিন্তু, আপুনি নিশ্চিত হওক যে আপুনি গোটেই কাহিনীটো মনোযোগ দি যেন শুনে, যাতে কাহিনীত নির্হিত হৈ থকা প্রভুত্বশীল আত্মিক জ্ঞান সমূহ যেন খামোচমাৰি ধৰি লব পাৰে। এই খামোচমাৰি ধৰাটোকে আমি “হাতীটো বিচাৰি পোৱা সূত্র” বুলি অভিহিত কৰো। তলত দিয়া ৰূপক গল্পটোৱে কাহিনীকওঁতা হিচাবে আমাক প্রত্যেককেই সামগ্রিক ভাৱ, কাহিনীটোৰ নির্ভুলতা বজাই ৰাখিবলৈ, সোঁৱৰাই

দিব পাৰে। বিশেষকৈ কাহিনীটোত অন্তর্নিহিত হৈ থকা আত্মিক সম্পদ বিলাক অনুসন্ধান কৰাৰ সময়ত।

প্রথম, **হাতীটো হেৰোৱা কাহিনীঃ**

এনে ধৰণৰ সাধু কথা হয়তো আগতে আপুনি শুনিছে। পাঁচজন অন্ধ মানুহ আছিল। তেওঁলোকে কেতিয়াও হাতীদেখা নাছিল। তেওঁলোকক কোৱা হল, "হেৰা, তোমালোক এটা হাতীৰ কাষত থিয়হৈ আছা. অনুগ্রহ কৰি হাতীটো কেনেকুৱা বর্ণনা কৰক।" হঠাত, চাৰিজন অন্ধই হাতীটোৰ যি যি অংশ হাতেৰে চুইছিল তাক অনুভৱ কৰিবলৈ ধৰিলে।

এজন অন্ধই নেজ ডাল চুই অনুভৱ কৰিলে যে "হাতীটো গছৰ ডাল এটাৰ দৰে।"

আন এজন অন্ধই হাতীৰ কাণ এখন চুই অনুভৱ কৰিলে, আৰু কলে, "হাতীটো নিশ্চয় এখন ডাঙৰ গছ পাতৰ দৰে।"

আন এজন অন্ধই হাতীৰ শুড়টো ধৰিলে আৰু পাছলৈ জাঁপ মাৰি আহিল, আৰু কলে, "এইটো এটা দীঘল সাপ।"

চতুর্থজন অন্ধই হাতীৰ পেটটোৰ চাৰিওফালে ধৰিবলৈ চেষ্টা কৰিলে। কিন্তু নোৱাৰিলে। সেই কাৰণে, তেওঁ কলে, হাতীটো এটা প্রকাণ্ড ঘূৰণীয়া শিলৰ দৰে, কিন্তু ই শিলটোৰ দৰে টান নহয়, আৰু ই লৰচৰ কৰে।"

পঞ্চমজন অন্ধই ইতিকিং কৰি কলে, "অহ, হাতীটো চুই অনুভৱ কৰি বনর্ণা কৰিবৰ প্রয়োজন নাই। মই হাতীৰ ডাঙৰ শুড় ডালৰ শব্দ মই অনেকবাৰ শুনিছো। সকলোৱেই জানে যে হাতীটো এটা ডাঙৰ বাদ্যযন্ত্রৰ দৰে।"

প্রতিজন অন্ধই হাতীটোৰ এটা এটা অংশহে বর্ণনা কৰিলে। কিন্তু কোনো এজনেই অংশ সমূহৰ কথা বুজি নেপালে নাইবা কেনেকৈ সিহঁত খাপ খাই লগহে থাকে, তাকো নাজানিলে। সেইকাৰণে, তেওঁলোকে গোটেই বিষয়টোকেই বুজি নেপালে। তেওঁলোকে হাতীটো কেনেকুৱা জানিবই নোৱাৰিলে।

আমি যেতিয়া বাইবেলৰ কাহিনীত সম্পদ বিচাৰো, আমি মনত ৰাখিব লাগিব যে প্রতিটো কাহিনীতেই সম্পূর্ণতা আছে। এই সম্পূর্ণতাটো আমি "হাতী" বুলি কৈছো। কাহিনীটো দীঘল হলে, কেইবাটাও অংশ থাকে, এখন নাটকৰ দৰে, য'ত এটাতকৈ অধিক দৃশ্য থাকে। এই সকলোবোৰ দীঘলীয়া কাহিনীত, প্রতিটো দৃশ্যতেই নিজাববীয়াকৈ সত্যৰ হাতী থাকে।

কেতিয়াবা আমি যেতিয়া এটা পৰিচিত কাহিনী পঢো, আমাৰ কাহিনীটোৰ প্রতি আমাৰ এটা পূর্ব্বধাৰণা থাকিব পাৰে। তেনে ধাৰণা থাকিলে কাহিনীটো প্রকৃততে আমি শুনিব নোৱাৰো। সেইজন অন্ধব্যক্তিলৈ মনত পেলাব যি জনে হাতীটো

অনুসন্ধান কৰিবলৈ অলপো সময় নললে, কাৰণ তেওঁ ইমানেই নিশ্চিত আছিল যে তেওঁকৈছিল হাতীটো এটা বাদ্যযন্ত্রহে। সেইদৰে আমিও ভাৱিব পাৰো যে এই বাইবেল শাস্ত্রাংশৰ বিষয়ে ইতিমধ্যে আমাৰ জনা আছে, আৰু ফলস্বৰুপে আমি কাহিনীটোৰ সম্পূৰ্ণ সত্যটো হেৰুৱাই পেলাব পাৰো।

সেইদৰে, অন্ধ মানুহ কেইজনৰ দৰে আমিও একেটা ভুলকে কৰিব পাৰো। কাহিনীৰ কোনো কোনো অংশ খামোচ মাৰি ধৰি থাকিলে আৰু আগলৈ জানিবলৈ ইচ্ছা নকৰি সিমানতে সন্তুষ্ট থাকিলে এইটো হব পাৰে। গোটেই কাহিনীটো বিবেচনা নকৰিলে যি ধৰণে বেলেগ বেলেগ অংশ সংলগ্ন কৰিলেহে সম্পূৰ্ণতা হয়-তাক আওকাণ কৰিলে, এনে ভুল হব পাৰে। আৰু আমি সম্পূৰ্ণ হাতীটো হেৰুৱাব পাৰো।

সম্পূৰ্ণ কাহিনীটো নিৰ্ভুল ভাৱে বোধগম্য হবলৈ হলে, প্ৰাৰ্থনাৰে আৰু সতৰ্কতাৰে মনোযোগ দিব লাগিব। আপুনি আৱিস্কাৰ কৰা বেলেগ বেলেগ সত্য সমূহৰ মূল্য আছে। কিন্তু সেই ভিন্ন ভিন্ন অংশবোৰে, নিৰ্ভুলভাৱে, সম্পূৰ্ণ হাতীটোৰ বৰ্ণনা দিব নোৱাৰিব।

বাইবেলৰ কাহিনীত হাতীটো বিচাৰি পোৱা উদাহৰণ

প্ৰথমে মাৰ্ক ১:৪০-৪৫ পদলৈ পঢ়ক। তাৰ পিছত হাতীটো বিচাৰকঃ

আৰু এজন কুষ্ঠৰোগী তেওঁৰ ওচৰলৈ আহি, বিনয় কৰি, তেওঁৰ আগত আঠুলৈ তেওঁক কলে, আপুনি যদি ইচ্ছা কৰে, তেন্তে মোক শুচি কৰিব পাৰে। তাতে তেওঁৰ মৰম লাগি, হাতমেলি তেওঁক চুই কলে, মই ইচ্ছা কৰিছো, শুচি হোৱা। তেতিয়াই তেওঁৰ পৰা কুষ্ঠৰোগ গুছিল, আৰু তেওঁ শুচি হল।

আৰু তেওঁ তেওঁক কঠোৰ আজ্ঞাদি, তেতিয়াই তেওঁক বিদায় দি কলে, সাৱধান হোৱা, কাকো একো নকবা, কিন্তু যোৱা, পুৰোহিতৰ আগত নিজকে দেখুওৱাগৈ, আৰু মোচিৰ যি যি উৎসৰ্গ কৰিবলৈ আজ্ঞা দিলে, লোকক সাক্ষ্যদিবলৈ, তুমি শুচি হবৰ অৰ্থে, সেইবোৰ উৎসৰ্গ কৰাগৈ। কিন্তু তেওঁ ওলাই গৈ, এনেকৈ ঘোষনা কৰিবলৈ, আৰু কথা প্ৰকাশ কৰিবলৈ ধৰিলে যে তেওঁ প্ৰকাশ্য ৰূপে কোনো নগৰত আৰু সোমাব নোৱাৰি বাহিৰে নিৰ্জন ঠাইবোৰও থাকিল, আৰু চাৰিওফালৰ পৰা মানুহবিলাক তেওঁৰ ওচৰলৈ আহিল।

এই কাহিনীটোত অনেক আচৰিত আৰু গুৰত্বপূৰ্ণ সম্পদ সোমাই আছে। কিন্তু হাতীটো দেখা পাইছেনে? প্ৰায়ে শিক্ষক সকল ব্যৰ্থ হয়।

তেওঁলোকে এইবিলাক দেখা পায়, যেনেঃ

১. মানুহজনৰ বিশ্বাসটো যে যীচুৱে তেওঁক সুস্থ কৰিব পাৰে।

২. যীচুৱে তেওঁক শুচি কৰিবলৈ ইচ্ছা কৰিলে।

৩. যীচুৰ শক্তিটো যীচুৱে সুস্থ কৰিবলৈ সমর্থ

৪. যীচুৰ মৰম আৰু দয়া

৫.যীচুৱে এজন কুষ্ঠৰোগী স্পর্শ কৰি প্রেম দেখুৱালে

৬. এজন অস্পৃশ্যৰ লগত যীচুৰ একাত্মতা।

কিন্তু পাছে তেওঁলোকে এই নিৰীক্ষণ সমূহো যোগ দিয়েঃ

১. সুস্থহোৱা মানুহজনক এইকথা কাকো নকবলৈ হাক দিছিল, কিন্তু নিজকে পুৰোহিতৰ ওচৰলৈ গৈ দেখুওৱাবলৈ কৈছিল। কিন্তু এই মানুহজন ইমানেই আনন্দিত হৈছিল যে, তেওঁ নিজকে নিয়ন্ত্রণ কৰিব নোৱাৰিলে, সেই কাৰণে তেওঁ যীচুৱে কি কৰিলে তাৰ সাক্ষ্য দিলে। তাৰ পাছে আত্মিক জ্ঞান প্রয়োগত তেওঁৰ আনন্দ আৰু প্রশংসাৰ কথা কয়

২.সুস্থহোৱা মানুহজনে যদিও যি ঘটিল তাক আনক কব নেলাগিছিল, কিন্তু অতি আনন্দৰ বাবে তেওঁ সাক্ষ্য দিলে। আত্মিক জ্ঞান প্রয়োগ কৰি শিক্ষক সকলে সাক্ষ্যদানৰ গুৰুত্বৰ কথা কয়।

৩. যিহেতু এই মানুহজনে, তেওঁ যে সুস্থ হল এই কথা এনেকৈ কলে যে যীচু নগৰৰ বাহিৰলৈ যাব লগীয়া হল আৰু “চাৰিওফালৰ পৰা মানুহ বিলাক তেওঁৰ ওচৰলৈ আহিল।” মানুহজনে এনেদৰে ঘোষনা কৰা বাবে আগতকৈ অনেক বেচি লোক সুস্থ হবলৈ যীচুৰ ওচৰলৈ আহিবলৈ সক্ষম হল।আত্মিক জ্ঞান প্রয়োগ কৰি কয় যে ঈশ্বৰৰ ইচ্ছা এই সুস্থহোৱা ব্যক্তিজনৰ যোগেদি সিদ্ধ হল।

আহক আমি এই কাহিনীটো এবাৰ চাওঁহক, আৰু চাম কিমান আচৰিত সম্পদ সমূহে গোটেইটো সংলগ্ন কৰি ৰাখিছে।

ওপৰত উল্লেখ কৰা ৯টা সম্পদে কাহিনীটোৰ এক নির্ভুল ছাবি দাঙি ধৰেনে বা কিবা এটা মূল অংশ বাদদিয়া হৈছেনেকি? এইটোও হব পাৰে নেকি যে মাত্র হাতীটোৰ আধাঅংশহে আৱিস্কাৰ কৰা হল?

এই কাহিনীটোত থকা অনেক সম্পদ সমূহৰ আলোচনা কৰাতো প্রয়োজন আছে, যেনে সুস্থতা আৰু কুষ্ঠ ৰোগীৰ বিশ্বাস। আমি যদি কাহিনীটোত থকা কিছুকথা বাদ দিওঁ বা কাহিনীটোত নথকা আন কথা শিকাওঁ, তেন্তে ইয়াৰ পৰা পাবলগীয়া আত্মিক জ্ঞানৰ সম্পূর্ণতাটো নাপাম।

আমি কাহিনীটো মনোযোগ দি শুনো, কেইটামান মূল বাক্যাংশ লওঁ আৰু সেই দিনা কি ঘটিল তাৰ বিষয়ে কথা পাতো। যিহেতু আমি সকলোৱে যীচুৰ বিষয়ে সাহসেৰে সাক্ষ্য দিয়া ধাৰণাটো ভাল পাওঁ, সেইকাৰণে, মানুহজনৰ কর্ম্মটো ভাল দেখা পাইছো। মুঠৰ ওপৰত, অনেক মানুহক, অনেক ঠাইত, যীচুৱে কি কৰিলে, তেওঁ

কলে, লগতে ঈশ্বৰৰ সার্বভৌমত্বৰ বিষয়ে কবলৈ সুযোগ পালে, ভাল পাওঁ। সেইটো কথাও আমি দেখুৱাইছো।

কিন্তু, এতিয়া কাহিনীটোৰ এটা অংশ, ধীৰে সুস্থিৰে পঢিম আৰু চাম ইয়াত আমি কি আৱিস্কাৰ কৰিব পাৰো।

যীচুৱে সুস্থহোৱা কুষ্ঠৰোগী জনক কি কৰিব লাগে, আৰু কি কৰিব নেলাগে বুলি কৈছিল?

নতুনকৈ সুস্থহোৱা ব্যক্তিজনক, এই দুটা পৰামর্শ, ইচ্ছা কৰিলে কৰিব পাৰে বুলি কৈছিল নেকি?

নহয়। প্রকৃততে যীচুৱে কঠোৰ ভাৱে আজ্ঞা কৰিছিল-**নকবা,** এই সুস্থহোৱা অৱস্থা কথা কাকো নকবা বুলি কৈছিল। তেওঁক পুৰোহিতৰ ওচৰলৈ সাক্ষ্যৰ অর্থে যাবলৈ কোৱা হৈছিল। শুচি হবৰ অর্থে মোচিৰ বিধানৰ মতে কার্য্য কৰিবলৈ কৈছিল।

আমি যদি, অতি আনন্দৰ কথা কওঁ, সাক্ষ্যদিয়াৰ প্রশংসাকৰা বা ঈশ্বৰৰ সার্বভৌমত্বৰ কথা কওঁ, তেতিয়া হলে, কাহিনীটোৱে যি কৈছে, তাক কোৱা হবনে? নিশ্চয়ে নহব। ঈশ্বৰে আমাক যথেষ্ঠ বার্ত্তা, এই গোটেই শাস্ত্রাংশত দিছে, যাতে সেই দিনটোত কি ঘটিল তাক যেন আমি বুজিব পাৰো।

আমি যদি কাহিনীটো ভালদৰে মনোযোগ নিদিও, তেন্তে আমি হাতীটো হেৰোৱাম।

ভালদৰে যুগুত হোৱা কাহিনীকওঁতা শিক্ষক সকলে প্রথমে কাহিনীটোৰ প্রসংগটোলৈ মন দিয়ে। এই কাহিনীটোৰ আগৰ বাক্যকেইটাই, যীচুৰ ইচ্ছাৰ কথা, আমাক দেখুৱায়।

"তাতে তেওঁ তেওঁলোকক কলে, আমি ওচৰৰ আন আন গাঁৱলৈ যাওঁহক, তাতো মই ঘোষণা কৰিম, কিয়নো সেই নিমিত্তেই মই ওলাই আহিলো। পাচে তেওঁ গৈ গালীল দেশখনতে, তেওঁ বিলাকৰ নাম ঘৰে নাম ঘৰে প্রচাৰ কৰিলে, আৰু ভুতবোৰক খেদালে।" (মার্ক১:৩৮-৩৯)

৩৮ পদত কৈছে যে যীচুৱে আন গাওঁলৈও যাবলৈ বিচাৰিছিল, এই কথাটো মন কৰিলেনে?

কুষ্ঠৰোগীজনক, পুৰোহিতৰ সম্বন্ধে, যীচুৱে কি কৈছিল?...কাহিনীটোত কৈছে...যীচুৱে কুষ্ঠৰোগী জনক, পুৰোহিতৰ ওচৰলৈ যাবলৈ কঠোৰ আজ্ঞা কৰিছিল। আৰু মোচিৰ বিধানৰ মতে, শুচি হবৰ অর্থে, সেইবোৰ উৎসর্গ কৰিবলৈ আজ্ঞা কৰিছিল। সেইমতে, প্রথমতে আমি দেখা পাইছো যে মোচিৰ ``` পালন কৰিবলৈ দিয়া যীচুৰ আজ্ঞা, সুস্থহোৱা কুষ্ঠৰোগী জনে অৱজ্ঞা কৰিলে। লগতে দেখা পাওঁ যে আইনমতে কুষ্ঠৰোগীজন ব্যৱস্থা অনুযায়ী সুস্থ নহল।

কুষ্ঠৰোগীজনে, সাক্ষ্যৰ অর্থে পুৰোহিতক দেখুৱাবলৈ দিয়া যীচুৰ কঠোৰ আজ্ঞা, পালন কৰিবলৈ বাধ্য নহল। কাহিনীটোৰ দ্বাৰা আমি কব পাৰো নেকি যে যীচুৱে এই কথাতো পুৰোহিত সকলে জনাতো বিচাৰিছিল আৰু বিধিমতে প্ৰমাণিত হোৱাতো বিচাৰিছিল। গতিকে চিন্তা কৰক, সুস্থহোৱা মানুহ জনে কাক সন্মান দেখুৱালে? যীচুকনে? নে পুৰোহিত সকলক? নে পুৰণি নিয়মৰ ঈশ্বৰে দিয়া ব্যৱস্থাক? ... হয়। মানুহজনে কেৱল নিজকেহে সন্মানিত কৰিলে, নিজৰ ইচ্ছাটোকে হে সমাদৰ কৰিলে।

সুস্থ কৰাৰ পাছত, সেই সুস্থহোৱা কুষ্ঠৰোগী জনৰ মইমত স্বভাবৰ বাবে, কাহিনীটোত ঈশ্বৰে কৈছে, যে যীচুৱে প্ৰকাশ্যৰূপে কোনো নগৰত আৰু সোমাব নোৱাৰিলে।

সুস্থ হোৱা, কুষ্ঠৰোগীজনৰ বিশ্বাস, আৰু যীচুৱে কৰা অনেক আচৰিত কার্য্য কৰা দেখা-এই সকলো বিলাক ডাঙৰ সত্য। কিন্তু আমি যদি কুস্থ ৰোগীজনৰ অবাধ্যতা আৰু যীচুৰ প্ৰতি অসন্মান প্ৰদর্শণ কৰা, যি যীচুৱে তেওঁক সুস্থ কৰিলে, এই সত্য যদি বাদ দিওঁ, তেন্তে হাতীটোৰ বাকী আধাডোখৰ নেদেখাৰ দৰে হব।

আমি যদি সুস্থহোৱা বার্ত্তাটো গুৰুত্ব সহকাৰে লওঁ, তেন্তে সুস্থহোৱা কুষ্ঠৰোগীজনৰ অবাধ্যতাৰ কথাত গুৰুত্ব সহকাৰে লব লাগিব। কাহিনীটোৰ শেষৰ অংশত, আনন্দ বা সাক্ষ্যদানৰ বিষয়ে নহয়, ইয়াত মইমত স্বভাৱ বা নিজৰ ইচ্ছা পুৰণৰ কথাহে কোৱা হৈছে। ইয়াত সেইলোক সকলৰ কথা কৈছে, যি সকলে, জীৱন সলনি হোৱা বাবে, ঈশ্বৰৰ পৰা পালে, আৰু তাৰ পাছত তেওঁৰ আজ্ঞা পালন নকৰি অবাধ্যতাত চলে।

কাহিনীটো যত্নেৰে অধ্যয়ন কৰিলে(নিজৰ ধাৰণা কাহিনীত যোগ নিদি) গোটেই সত্যটো, হাতীটো বিচাৰি পোৱা যাবঃ যীচু আচৰিত ধৰণে আৰু তেওঁৰ দয়াৰ গুণেৰে এজন অস্পৃশ্য ব্যক্তি লৈ নতুন জীৱন আনি দিলে। নতুন জীৱন লাভ কৰি সেই মানুহজনে নিজৰ ইচ্ছাৰে চলিলে আৰু ঈশ্বৰৰ অবাধ্য হল যিজন ঈশ্বৰে অলপতে তেওঁক সুস্থ কৰিলে, তেওঁকেই অমান্য কৰিলে। এইটোৱেই হাতীটো, যিটো এই কাহিনীটোত আওকান কৰা হৈছে।

কুষ্ঠৰোগী জনে সুস্থকাৰী জনতকৈ সুস্থতাটোতহে বেছি গুৰুত্ব দিয়া হৈছে গৈছে। গোটেই বাইবেল খনত, অনেক কাহিনীত, লোকবিলাকক সেই একেটা ভুলকে কৰা দেখা যায়।মানুহে 'ধার্মিক' পাপ কৰে। অতি উৎসাহিতহৈ তেওঁলোকে "ঈশ্বৰৰ কাৰণে" কাম কৰে, কিন্তু ঈশ্বৰৰ বাক্য কাণ নিদি নিজৰ ইচ্ছাৰ দৰে কৰে। সাক্ষ্য দিয়াতো ভুলনেকি? নহয়-প্ৰকৃততে আমাক সাক্ষ্য হবলৈয়েই কৈছে। সেই সময়ত আৰু সেই ঠাইৰ সাক্ষ্য দিয়াতো যীচুৰ আঁচনি মতে ভুল আছিল নেকি? সম্পূৰ্ণৰূপে ভুল!

যি সকল ব্যক্তিয়ে দেখাত শুদ্ধযেন লগা আনকি বহুত ধার্মিকতাযুক্ত যেন লগা কোনো কার্য্য কৰে, ঈশ্বৰে তেনে কার্য্যক কিদৰে চায়, তাৰ এটা কালজয়ী উদাহৰণ আছে–প্রথম চমুৱেলৰ পুস্তকত। ইয়াত আমি দেখা পাইছো এজন লোকে ধর্ম্মকার্য্য কৰি আছে, কিন্তু কার্য্য কৰাৰ সময়টো আৰু পৰিবেশটো ঈশ্বৰৰ অবাধ্যতা হোৱাটোহে বুজাইছে। ঈশ্বৰে তেওঁৰ নির্দ্দেশনাৰ বিৰুদ্ধে কৰা কার্য্যক অতি গুৰুত্বৰ পাপ বুলি গণ্য কৰিছে।

তাতে চমুৱেলে কলে, যিহোৱাৰ বাক্য পালন কৰাত যেনেকৈ তেওঁ সন্তোষ পায়, তেনেকৈ হোম আৰু বলিদানত জানো তেওঁ সন্তোষ পায়? চোৱা বলিদানতকৈ আজ্ঞাপালন উত্তম, আৰু মেৰৰ তেলতকৈ বাক্যলৈ কাণদিয়া উত্তম, কিয়নো বিদ্রোহ আচৰণ কৰা, মঙ্গলতি পাপৰ তুল্য। আৰু অৱশহোৱা, দেৱ–পূজা কৰা আৰু গৃহদেৱতা মনাৰ সমান। তুমি যিহোৱাৰ বাক্য অগ্রাহ্য কৰিলা, এই নিমিত্তে তেওঁক তোমাক অগ্রাহ্য কৰি ৰজাবাবৰ পৰা গুচালে।

দোষ ক্ষমা কৰি, বা দোষমুক্ত কৰি কুষ্ঠৰোগীজনৰ অবাধ্যতাই যেতিয়া এই কাহিনীটোৰ ওপৰত আলোচনা চলাওঁ, মানৱ জাতিৰ আটাইতকৈ সদায় কৰি থকা পাপকৰিবলৈ অনুজ্ঞাপত্র দিছে। কেতিয়াবা এই পাপটো সংবেদনশীল কাৰণ আমি ইয়াৰ বিৰুদ্ধে চিঞৰা নাই, “মই ঈশ্বৰৰ পথবাদ দি নিজৰ পথ ললো।” আমি যদি ঈশ্বৰৰ বাক্য আওকাণ কৰো, আৰু যদি নিজৰ ইচ্ছাৰ দৰে চলিব বিচাৰো, তেন্তে এইটো পাপ। বাধ্যহীনতাই অবাধ্যতা।

আমি কাহিনীটোৰ দ্বিতীয় অংশটো কেতিয়াও আওকান কৰিব নোৱাৰো, অবাধ্যতাৰ কর্ম্ম আৰু পৰিনাম। কোনো কাৰণ দর্শাই যদি আমি কুষ্ঠৰোগী জনৰ অবাধ্যতা ক্ষমা কৰো, তেতিয়া হলে সাধাৰণ বুলি ভবা পাপ সমূহ কৰিবলৈ উদগণি দিয়া হব। অর্থাৎ ঈশ্বৰৰ ইচ্ছাক বাদ দি নিজ ইচ্ছা পূৰ কৰা সিদ্ধান্তক উদগণি দিয়া হব। আজি কালি কোনো কোনো বিশ্বাসীৰ মুখত শুনা যায়, “অহ, মই জানো, ঈশ্বৰৰ বাক্যই এই পৰিস্থিতিটোৰ বিষয়ে কি কৈছে, কিন্তু এইটো আন উপায়েৰে কৰাতো মোৰ যুক্তি আছে।” এই দৰে কোৱাতো কি যে দুখলগা কথা! নিজৰ কর্ম্মৰ কথা কাৎচিতহে মানুহ বিলাকে এনে দৰে কয়, “মই ঈশ্বৰৰ বাক্য মানি নচলো, কাৰণ ঈশ্বৰৰ সিদ্ধান্ততকৈ মোৰ সিদ্ধান্ত উত্তম।”

বহুত শিক্ষকেই এই কথাটো ভালদৰে মনোযোগ নিদিয়ে, সেই কাৰণে আমি এই শাস্ত্রাংশটো বাচি ললো।আমি আৰ্হি স্বৰুপে দেখুৱাব খুজিছো যে আমি কিমান সহজে কাহিনীটোৰ পূর্ণতা বাদদিব পাৰো আৰু ইয়াকে কৰি ঈশ্বৰৰ বাক্যৰ সম্পূর্ণ বার্ত্তাটো আওকান কৰো।

ঈশ্বৰৰ বাক্য, আনকি কাহিনী শিকোৱাতো আমাৰ একান্ত দায়িত্ব। এই হাতীটোৰ উদাহৰণ দিয়া হল, যাতে ঈশ্বৰে কি কৈছে, তাক অতি যত্নেৰে আৰু বিশদ ভাৱে যেন শুনে, তাক সোঁৱৰণ কৰাই দিবৰ বাবেই।

‘কৰল কাহিনীটো’ৰ ধৰণাৰে শিক্ষা দিলে আমি গোটেই কাহিনীটো অতি যত্নেৰে শুনিব লাগিব, প্ৰাৰ্থনা কৰিব লাগিব আৰু কাহিনীটোত ঈশ্বৰে যি কয়, তাত ভাৰষা ৰাখিব লাগিব। আমি দেখা পাব বিচাৰিছো কেনেকৈ ভিন্ন ভিন্ন অংশ সংলগ্নহৈ এটা কাহিনীয়ে পূৰ্ণতা লাভ কৰে।

কুষ্ঠৰোগী কাহিনীটোত অবাধ্যতাৰ পৰিনাম কি হব পাৰে, তাক ঈশ্বৰে আমাক দেখুবাইছে। সেয়া যি নহওক, আপুনি লক্ষ্য কৰিব যে বাইবেলৰ বহুত কাহিনীতেই মানুহে কৰা পাপৰ পৰিনাম কি , তাক দেখুউৱা নাই। সেই কাহিনী সমূহৰ পৰাও, ঈশ্বৰৰ বাধ্য হোৱা বিচক্ষণতা সম্পৰ্কেও আমি শিকাব পাৰো, কাৰণ আমি তেওঁৰ নেতৃত্বত ভাৰষা কৰো,কেৱল অবাধ্যতাৰ পৰিনামলৈ ভয় কৰিয়েই নহয়।

মাৰ্কে লিখা শুভবাৰ্ত্তাৰ পৰা এই কাহিনীটো সম্পূৰ্ণ ভাৱে শিকোৱা দ্বাৰাই, ত্ৰাণকৰ্তা যীচুৰ অবাধ্য হোৱাৰ দুখ আৰু পৰিনাম কি লোকবিলাকে তাক জানিব পাৰিব। ত্ৰাণকৰ্তা যীচুৱে আমালৈ জীৱন আনে, আৰু লগতে সুস্থহোৱাৰ আনন্দ আনে। আমি যদি কাহিনীটোত অবাধ্যতা কথাটো ঢাকি ৰাখো বা বাদ দিওঁ, তেন্তে আমি কাহিনীটো বুজিব নোৱাৰিলো আৰু বিশ্বাসী সকলক বিশ্বাসেৰে ঈশ্বৰৰ বাধ্য হবলৈ উদগণি দিবলৈ অপাৰগ হলো।

অষ্টম অধ্যায়ঃ অশিক্ষিত সকল আৰু মৌখিক বাইবেল স্কুল সমূহ

শিক্ষিত আৰু অশিক্ষিতক লৈ যৌথভাৱে কর্ম্মশালা

প্রায়ে পঢিব নজনা সকলেও কেৱল কাহিনীটোৰ কর্ম্মশালাত যোগদান কৰে। সেইকাৰণে এই অশিক্ষিত সকলে শিকিব লগীয়া কাহিনী সমূহ নিশ্চয়ে তেওঁলোকক পঢি শুনাব লাগিব। তেওঁলোকক কব লাগিব, বা শ্ৰৱন ৰেকর্ড বজাই শুনাব লাগিব।

বাণীবদ্ধ কৰা কাহিনীসমূহ কর্ম্মশালাত প্রয়োজন হলে, আমি সৌৰশক্তিৰ দ্বাৰা চালিত শ্রাব্য ৰেকর্ড বিলাক ব্যৱহাৰ কৰো। এইবিলাক ‘মেগা-ভয়েজ’( ) আৰু আনে উৎপাদন কৰা। “ঈশ্বৰৰ কাহিনী” আৰু এখন নতুন নিয়ম যোগদানকাৰী সকলৰ মাতৃভাষাত মেগা ভয়েজ ৰ দ্বাৰাই উৎপাদন কৰা হয়। “ঈশ্বৰৰকাহিনী প্রকল্প” ই বাণীবদ্ধ কৰিয়েই আছে আৰু বাইবেলৰ কাহিনীসমূহ বৃদ্ধি কৰিয়েই আছে।

যেতিয়াই সম্ভৱ হয়, কর্ম্মশালাৰ পাছত, কর্ম্মশালাত প্রতিনিধিত্ব কৰা প্রতিখন গাৱঁৰ বাবে এটা শ্রাব্যৰেকর্ড দিয়া হয়। যিজনে উক্ত ৰেকর্ডটো গ্রহণ কৰে, তেওঁকেই তত্বাবধায়কৰ দায়িত্ব দিয়া হয়। কিন্তু তেওঁ অন্য যোগদানকাৰী সকলৰ লগতো সহভাগিতা কৰে। এই শ্রাব্য ৰেকর্ডৰ যোগেদি প্রতিজনকেই আৰু অধিক কাহিনী আহৰণ কৰিবলৈ সমর্থবান কৰে।

অনেক ক্ষেত্রত, গোটেই গাওঁবাসীয়েই বাইবেলৰ কাহিনী শুনি উপভোগ কৰে। প্রায়ে, কর্ম্মশালাত উপস্থিত থকাকোতা সকলে শ্রাব্যৰেকর্ডটো ইমানেই বহুমূলীয়া বুলি গণ্য কৰে যে তেওঁলোকে সেই মূল্যবান উপহাৰটো নিজৰ মণ্ডলীৰ পালকলৈ হস্থান্তৰ কৰি দিয়ে। পালক সকলে সেই ৰেকর্ডটো তেওঁলোকৰ পৰিচর্যাত ব্যৱহাৰ কৰে। এই শ্রাব্যৰেকর্ডে সেই অঞ্চলৰ অশিক্ষিত সকলৰ বাবে অধিক বাইবেলৰ কাহিনী আহৰণ কৰিবলৈ এক উৎস হিচাবে কাম কৰে। তাৰোপৰি, এই শ্রাব্যৰেকর্ড বিলাকে, বাইবেলৰ কাহিনী সমূহ নির্ভুল ভাবে ৰখাত সহায় কৰে।

আমোদজনকভাৱে, এই “কেৱল কাহিনীটো”ৰ প্রশিক্ষণকেই, এই হাতপুথিত দিয়া বিবৰণিৰ মতেই, গোটেই বিশ্বতেই দিয়া হয়। একেটা কর্ম্মশালাতেই শিক্ষিত আৰু অশিক্ষিত দুয়ো শ্রেনীৰ ব্যক্তিকেই প্রশিক্ষণ দিয়া হয়। এইটো দেখা যায় যে প্রায়ে নিজে কাহিনীটো পঢি শিকা সকলতকৈ, পঢিব নজানা সকলে বেছি ভালদৰে কাহিনীটো শিকিব পাৰে, আৰু ইয়াক ভালদৰে কব পাৰে।

আচৰিত ভাৱে, অশিক্ষিত শিকাৰো সকলে, কাহিনীটোত থকা বহু আত্মিক সম্পদ বিচাৰি উলিওৱাত তীক্ষ্ণ সামর্থ্য দেখুৱায়। কিন্তু প্রতিজন শিকাৰোৱেই, শিক্ষিতেই হওক বা অশিক্ষিতেই হওঁক, প্রথম অৱস্থাত, প্রশ্নসমূহ আনক পৰিচালনা কৰিবলৈ আৰু আলোচনাৰ যোগেদি সম্পদ বিচাৰিবৰ বাবে, প্রশ্নসমূহ প্রস্তুত কৰিবলৈ কষ্ট

কৰিব লগীয়া হয়। মনত ৰাখিব, প্রশ্ন প্রস্তুত কৰাতো এটা আয়ত্ব কৰি লব পৰা দক্ষতা আৰু এইটো শিক্ষিত আৰু অশিক্ষিত সকলোৰে বাবে লভ্য।

এটা অপ্রত্যাশিত (আত্মিক জ্ঞান) প্রয়োগ

দাৱানিউ, ইউগানদাৰ এটা কর্ম্মশালাত, এজন বৃদ্ধলোকে এটা শিক্ষা দিছিল, যিটো আফ্রিকাৰ টি.জি.এচ.পিৰ সঞ্চালক আৰু মই কেতিয়াও নাপাহৰিম।আফ্রিকাৰ সঞ্চালক, যি জনৰ মূল, "গাঁৱত," তেখেতে এই প্রতিবেনদ দিছিল।

"মানুহবিলাক দুখীয়া আৰু কোনো এজন বিশ্বাসীয়েই এই কর্ম্মশালাটোত পঢিব নোৱাৰে। এই ঠাইখন বৰ পুৰণিকলীয়া!

"এজন বিশেষ কাহিনীকওঁতাক, মই লক্ষ্য কৰিলো, এজোপা গছৰ তলত থিয় হল, আৰু তেওঁৰ প্রথম "কেৱল কাহিনীটো"ৰ পদ্ধতিত কাহিনীটো ৫ জনীয়া পুৰুষ দলটোৰ আগত উপস্থাপন কৰিলে। সেই কাহিনীটো তেওঁলোকে অধ্যয়ন কৰা নাছিল। ৬৫ বছৰীয়া এই বৃদ্ধজনে, দ্বিতীয় ৰাজাৱলিৰ পৰা হেৰোৱা কুঠাৰ খনৰ কাহিনীটো কৈছিল। তেওঁ এইলোক বিলাকক কেনেদৰে আলোচনাত আগবঢাই নিছিল, তালৈ লক্ষ্য কৰি আছিলো।

"তাৰ পাছত, কাহিনী কওঁতাজনে, আত্মিক জ্ঞান কি দৰে প্রয়োগ কৰিব লাগে, সেই বিষয়লৈ আহিল। 'তেওঁ কলে, মনত ৰাখিব, ইলীচাৰ শিষ্যজনৰ কিমান চিন্তা হৈছিল, কাৰণ কুঠাৰখন খুজি অনা হৈছিল। দলটোৰ লোকবিলাকে মূৰ দুপিয়ালে। 'আমি আলোচনা কৰি আছিলো, ইলীয়া আৰু ঈশ্বৰে কেনেকৈ এই বিষয়ে আগ্রহ দেখু�ৱাইছিল আৰু শিষ্যজনক কুঠাৰ খন বিচাৰি পোৱাত সহায় কৰিছিল।'

"আনৰ পৰা খুজি অনা কি বস্তু আপোনাৰ ঘৰত আছে? লোকবিলাকে ইজনে সিজনক চাই কান্ধ জোকাৰিলে।

"কাহিনীকওঁতা জনে নেৰানেপেৰাকৈ লাগিয়েই থাকিল। আপোনাৰ ঘৰত নিজৰ নোহোৱা এনে কি বস্তু আছে? আকৌ এই লোক সকলে মূৰ জোকাৰি কলে, "আমাৰ ঘৰত আনৰ পৰা অনা কোনো বস্তুৰেই নাই। কাৰণ তেওঁলোকৰ ঘৰত খুব কম বস্তু আছিল। কাৰণ তেওঁলো দুখীয়া আছিল।

কাহিনীকওঁতাজন অলপ যেন নিৰাশ হল, কাৰণ তেওঁ যি আৱিস্কাৰ কৰি পালে, আন সকলে তাক দেখা নাছিল। সেই কাৰণে তেওঁ ঘপহকৈ আকৌ কলে, 'আপোনালোকৰ ভার্য্যা বিলাক? তেওঁলোকৰ গৰাকী আপোনালোক নেকি?'

"হয়। তেওঁলোক আমাৰ নিজৰ, সকলোৱে কলে, 'আমি চাৰিটাকৈ ছাগলী দিছো– তেওঁলোকক পাবৰ বাবে।'

“মই জানো,” কাহিনী কওঁতাজনে কলে। কিন্তু সেই ছাগলীবোৰক কোনে ‘জীৱন’ দিলে? আৰু সেই ছাগলীবোৰক ডাঙৰ দীঘল কৰিবলৈ কোনে শক্তি দিলে? ঈশ্বৰেহে দিলে! সেইকাৰণে আপোনালোকৰ ভার্য্যাবিলাকৰ গৰাকী ঈশ্বৰহে, আপোনালোক নহয়! মানুহ কেইজনে ইজনে সিজনলৈ আচৰিত হৈ চালে আৰু কাহিনীকওঁতাজনৰ লগত একমত হল।

“হয়, আপোনালোকে নিজৰ ভার্য্যাবিলাকক কেনে ব্যৱহাৰ দিছে- যেন নিজৰহে, যেন ঈশ্বৰৰ পৰা খুজি পোৱা নহয়। মই নিজৰ ভার্য্যাক কোবাইছো, গুৰিয়াইছো যেন তেওঁ মোৰ নিজৰহে বস্তু, মই যি ইচ্ছা তাকে কৰিছো। কিন্তু জানিব তেওঁ মোৰ নহয়। তেওঁক ঈশ্বৰৰ পৰা খুজিহে পাইছো। মই তেওঁক ঈশ্বৰৰ হে বুলি ভাবি ভাল ব্যৱহাৰ দিব লাগিব।লগতে, মোৰ লৰা-ছোৱালী বিলাকৰ গৰাকীও ঈশ্বৰহে মই নহয়।’

সেই মূহুর্ত্তেই তেওঁ কান্দিবলৈ আৰম্ভ কৰিলে, লাজত মুখ ঘুৰাই আঁতৰি গল, আৰু অনুতপ্ত হল আৰু ঈশ্বৰলৈ মন ঘুৰালে। সেইদৰে উপস্থিত আনলোক সকলেও কান্দিবলৈ ধৰিলে। কাৰণ পবিত্র আত্মাই তেওঁলোককো কথা কৈছিল। তেঁওলোকৰো দুগালেদি চকু-লো বাগিৰ গল। এই সময়ছোৱাত উপস্থাপনৰ কার্য্য কিছুসময়ৰ বাবে বন্ধ থাকিল।

এই কাহিনীটো যেতিয়া মোক জনোৱা হল, মই ভাৱিবলৈ ধৰিলো এই বার্তাটো, এই কাহিনীটোত সঁচাকৈয়ে আছেনে? অৱশ্যে মই জানো, খুজি অনা বস্তুৰ ওপৰত মূল্য দিয়া হৈছে কাহিনীটোত। কিন্তু এইটো, সঁচাই জানো ইয়াত প্রয়োগ কৰিব পাৰি? দেখ দেখকৈ সেই লোকসকলৰ বাবে সেইদিনাৰ বাবে ই যুক্তিপূর্ণ আছিল। তাৰ পাছত মই ভাবিলো, অহ, মোৰ! মই মোৰ কর্মচাৰী সকলক কেনে ব্যৱহাৰ দিছো, ময়েই যেন তেওঁলোকৰ মালিক, বুলি তেওঁলোকক, ভুল কৰিলে, গালি পাৰিছোনে? নে তেওঁলোকক ঈশ্বৰৰ পৰা খুজি অনা ব্যক্তি হিচাবে ভাল আচৰণ কৰিছো? মোৰ হদয়লৈও দোষী দোষী ভাৱ আহিল। মই ও নিজকে দোষীযেন অনুভৱ কৰিলো।

(এই অশিক্ষিত বৃদ্ধজনে ঈশ্বৰৰ বাক্য বুজিবলৈ, আৰু আত্মিক জ্ঞান প্রয়োগ কৰিবলৈ, যুক্তি প্রদর্শণ কৰিছিল নে? গুৰুত্বপূর্ণ সত্যটো আৱিস্কাৰ কৰিবলৈ, আন গাঁৱলীয়া ব্যক্তি সকলক সহায় কৰিবৰ বাবে প্রশ্নসমূহ ব্যৱহাৰ কৰিছিলনে? পৰিচর্যাত থকা এজন নেতাক যি জনে ঈশ্বৰৰ বাক্য জানে, তেওঁক এজন অশিক্ষিত আৰু বেলেগ সমাজ ব্যৱস্থাৰ পৰা অহা ব্যক্তিয়ে আত্মিক প্রয়োগৰ শিক্ষা দিবলৈ সমর্থনে? হয়, হয় আৰু হয়।)

মৌখিক বাইবেল স্কুল সমূহ

দকৈ বাইবেল অধ্যয়ন কৰা কর্ম্মশালাত দেখুওৱা যি আগ্রহ দেখা পোৱা গল, তাৰে পৰাই মৌখিক বাইবেল স্কুল সমূহ গা-কৰি উঠিল। স্থানীয় পালক আৰু নেতৃবর্গই

কাহিনীসমূহ জানিবলৈ অধিক সুযোগৰ বাবে অনুৰোধ জনালে। আৰু তাৰে ফলস্বৰূপে এই মৌখিক বাইবেল স্কুলসমূহৰ বাবে এই আৰ্হিৰ জন্ম হল।

মৌখিক বাইবেল স্কুলত যোগদান কৰিবলৈ ইচ্ছুক সকলে এখন দৰ্খাষ্ট জমা দিয়ে, নাইবা স্থানীয় সমাজৰ পালক বিলাকে ইচ্ছুক লোকসকলৰ নাম পঠিয়ায়। ১২ গৰাকী লোক মনোনীত কৰা হয়। ইয়াৰ অধিকাংশই কৰ্ম্মশালাত যোগদান কৰা ব্যক্তি। তাৰ পাছত, মনোনীত লোকসকলক অতিৰিক্ত এক সপ্তাহৰ বাবে ‘কেৱল কাহিনীটো’ৰ পৰামৰ্শদাতা সকলে বিশেষ প্ৰশিক্ষণ দিয়ে। সেই পৰামৰ্শদাতা জনেই মৌখিক বাইবেল স্কুলৰ অধ্যক্ষ হিচাবে কাৰ্য্য কৰে।

অধিকাংশ স্কুলেই এবছৰীয়া আঁচনি। সেই পাঠক্ৰমৰ সন্দৰ্ভত, ছাত্ৰ-ছাত্ৰী সকলে দুসপ্তাহৰ বাবে একেলগ হয়, আৰু তাৰ পাছত, দুসপ্তাহৰ বাবে নিজ ঘৰলৈ যায়। কিছুমানে নিয়মিত ভাৱে স্কুললৈ অহা যোৱা কৰে। অধ্যক্ষজনে প্ৰতি দুসপ্তাহৰ অন্তত, তিনিদিনৰ বাবে স্কুল পৰিদৰ্শণ কৰিবলৈ চেষ্টা কৰে। ছাত্ৰ-ছাত্ৰী সকলে নিজৰ আহাৰ নিজেই স্থানীয় ভাৱে যুগুত কৰি লয় নাইবা ঘৰৰ পৰাও লগত লৈ আহে। স্থানীয় পালক আৰু বিশ্বাসী সকলে, প্ৰয়োজন অনুসৰি থকা মেলাৰ ব্যৱস্থা কৰি দিয়ে।

ছাত্ৰ-ছাত্ৰী সকলৰ পঠ্যক্ৰম হল, ‘কেৱল কহিনীটো’ ৰ পদ্ধতি ব্যৱহাৰ কৰি শিক্ষা আহৰণ কৰা- গোটেই বাইবেলৰ ২৯৬ টা কাহিনী আলোচনা কৰা। পাঠ্যক্ৰমৰ বছৰটোৰ শেষত যদি কোনো ব্যক্তিয়ে গোটেই কাহিনী কেইটা শিকিব পৰা নাই, সেই ব্যক্তিজনে গোটেই কেইটা কাহিনী নিশিকে মানে, ডিগ্ৰী পাবৰ বাবে ৰব লাগিব। ‘কেৱল কাহিনীটো’ৰ পদ্ধতি মতে কৰ্ম্মশালা পৰিচালনা কৰাৰ দক্ষতা অৰ্জন কৰা, আৰু প্ৰচাৰ কাৰ্য্য কৰা, যাক ব্যৱহাৰিক জ্ঞান বুলি কোৱা হয়, এই সকলো বিলাক প্ৰশিক্ষণৰ অন্তভুক্ত।

এগৰাকী ‘অধ্যক্ষই’ এখন আচৰিত স্কুল আয়োজন কৰিলে। তেওঁৰ মণ্ডলীৰ যি সকললোকে ফুলৰ বাগানত কাম কৰে, তেওঁলোকৰ দৈনিক দুপৰীয়া আহাৰৰ সময়ত একেলগে গোট খোৱাবলৈ সিদ্ধান্ত কৰিলে। এই ‘দুপৰীয়া আহাৰ খোৱা সময়ৰ স্কুল’ বিলাক ক্ৰমে বৃদ্ধি পাবলৈ ধৰিলে। চাৰিখন স্কুলৰ বাগানত, লোকবিলাকে, তেওঁলোকৰ সময়টো, শিক্ষা আহৰণ কৰিবলৈ, আৰু ৫টা কাহিনী এটা সপ্তাহত আলোচনা কৰিবলৈ আৰম্ভ কৰিলে। আন আন কৰ্ম্মী সকলেও কাহিনী শুনিবলৈ ইচ্ছা কৰিলে। সেই কাৰণে তেওঁলোকেও যোগদান কৰিলে। প্ৰথম চাৰিমাহৰ ভিতৰতে, অনেক লোকে পৰিত্ৰাণ পালে, আৰু ১৬টা নতুন মণ্ডলী স্থাপিত হল।

নগৰত, আৰু কিছুমান মৌখিক “ব্যৱসায়ী” স্কুলত, তেওঁলোকে সদায়েই দিনটোৰ কামৰ অন্তত গোট খায়। এই দুয়োশ্ৰেনী স্কুলতেই ২৯৬ টা কাহিনী শিকাৰ লক্ষ্য হিচাবে লৈছে।

ভাৰতবৰ্ষত, কিছুমান মৌখিক বাইবেল স্কুল, প্ৰতিসন্ধ্যাই ঘৰত গোট খায়। তিনি বা চাৰিটা পৰিয়াল একেলগহৈ এনে স্কুল গঠিত হয়।

ফিলিপাইনচৰ এজন নেতাই সাপ্তাহিক ৰেডি'অ কাৰ্য্যসূচী এটা চলায়। তেওঁ, 'কেৱল কাহিনীটো'ৰ আৰ্হিত, ষ্টুডিঅ'ত এটা সৰু দলক পোনপতীয়া সম্প্ৰচাৰ কৰে। লোকবিলাকে তেওঁৰ প্ৰশ্নৰ উত্তৰ সমূহ ফোনেৰে দিছিল। কোনো কোনো বাৰ্তা সন্ত্ৰাসবাদী সকলে দখল কৰি ৰখা অঞ্চলৰ পৰাও আহিছিল।

এই কাৰ্য্যসূচীবিলাক আৰম্ভ কৰাৰ পাচত, তেওঁ ৰেডিঅ'ৰ যোগেদি এটা কৰ্ম্মশালা চলাবলৈ সিদ্ধান্ত কৰিলে। ৰেডি'অৰ যোগেদি এটা সৰু দলক পোনপতীয়া সমপ্ৰচাৰ কৰে। লোকবিলাকে তেওঁৰ প্ৰশ্নৰ উত্তৰ সমূহ ফোনেৰে দিছিল। কোনো কোনো বাৰ্তা সন্ত্ৰাসবাদী সকলে দখল কৰি ৰখা অঞ্চলৰ পৰাও আহিছিল।

এই কাৰ্য্যসূচী বিলাক আৰম্ভ কৰাৰ পাচত, তেওঁ ৰেডিঅ' ৰ যোগেদি এটা কৰ্ম্মশালা চলাবলৈ সিদ্ধান্ত কৰিলে। ৰেডি'অ কৰ্ম্মশালাটো কৃতকাৰ্য্যতা প্ৰমাণিত হল যেতিয়া এই কাহিনীকওঁতা নেতা জনে মৌখিক বাইবেল স্কুলৰ সম্পৰ্কে ৰেডি'অত কথা কলে।যি সকল ব্যক্তিয়ে ৰেডি'অ কৰ্মশালাৰ যোগেদি শিক্ষা লাভ কৰিছিল তেওঁলোকে ফোন কৰিছিল আৰু সুধিছিল, "আমাৰ দেশত কিয় আমি এখন স্কুল পাতিব নোৱাৰো?"

সেই অনুৰোধৰ পাছৰ পৰাই 'মোবাইল মৌখিক স্কুল আৰম্ভ হল। তিনিটা স্থানত, ৭, ১৩ আৰু ১৭ জনীয় দলবোৰে নিজ নিজৰ স্থানত একেলগ হৈ গোট খাইছিল আৰু কাহিনী শিকিছিল। সপ্তাহত তিনিবাৰ ছাত্ৰ সকলে 'কেৱল কাহিনীটো'ৰ পৰামৰ্শদাতা সকললৈ ফোন কৰিছিল আৰু কাহিনীত পোৱা আৱিস্কাৰ সমূহৰ বিষয়ে কথা পাতিছিল।

সেই বিলাক স্থাপন হোৱাৰ দুবছৰৰ ভিতৰতে "কেৱল কাহিনীটো" ৰ মৌখিক বাইবেল স্কুলৰ সংখ্যা, ৯ খন দেশত, এটাৰ পৰা ৬০ টালৈ বৃদ্ধি পালে।

মৌখিক বাইবেল স্কুলৰ প্ৰায় ৪০ শতাংশই শিক্ষিত, আৰু বাইবেল স্কুলৰ ডিপ্লমা থকা ব্যক্তি। তেওঁলোকৰ অধিকাংশই পালক বা প্ৰচাৰক ৰূপে পৰিচৰ্যা কৰি আছে।

মৌখিক বাইবেল স্কুলত, ছাত্ৰ-ছাত্ৰীৰ সম্পাদনৰ হাৰ ৯৫ শতাংশ।

মৌখিক বাইবেল স্কুলৰ প্ৰভাৱ-প্ৰচণ্ড আঘাত, বিস্ময়, পাছে মিশ্ৰিত শ্ৰদ্ধা

আমাৰ আফ্ৰিকা সঞ্চালক জনে যেতিয়া এই জৰুৰী প্ৰশ্নটোলৈ ফোন কৰিলে, তেতিয়া তেওঁ যি প্ৰচণ্ড আঘাত পালে, তাক চিন্তা কৰি চাওঁকঃ "লেক ভিক্তৰিয়া আইলেণ্ডত কৰ্ম্মশালাটো আৰম্ভ কৰা কৰ্ম্মচাৰী সকলে অলপতে এটা নতুন সমস্যাৰ সন্মুখীন হল। এই অঞ্চলৰ লোক বিলাকে পুৰুষৰ বহু বিবাহ প্ৰথাত বিশ্বাস কৰে। কেৱল সেয়াই নহয় অতিথি পৰিচাৰক আৰু এই কৰ্ম্মশালাৰ সৰহ সংখ্যক পালক আৰু

নেতাই বহুবিবাহ প্রথাত বিশ্বাসী।আমি কি কৰা উচিত? এই সমস্যা সমাধানৰ বাবে আমি কেইটামান বিশেষ কাহিনী বাচি লমনে?"

যি সকল খ্ৰীষ্টীয়ানক শিকোৱা হৈছিল, সেই সকল যে বহু বিবাহ প্রথাত বিশ্বাসী, এই আচৰিত খবৰ পাই আঘাত পালো, তাৰ পৰা সুস্থ অনুভৱ কৰাৰ পাচত, মই প্রভুক সুধিলো যে আমি কোন বিলাক কাহিনী ব্যৱহাৰ কৰিম। বৰ সোনকালেই তেওঁ মোক সোঁৱৰাই দিলে, যিটো আমি একেৰাহে কৈ আহিছো "তেওঁলোকক শিকাবৰ বাবে তুমি কোনো বিশেষ কাহিনী বাচি লব নেলাগে। পবিত্র আত্মাই, নিয়মিত কর্ম্মশালাত ব্যৱহৃত হোৱা কাহিনী সমূহকেই, ব্যৱহাৰ কৰিব। সেইবিলাকৰ যোগেদিয়েই পবিত্র আত্মাই কাহিনী শুনোতা প্রতিজনেই কথা কব।"

"তুমি নিশ্চিতনে?" আমাৰ সঞ্চালকে সুধিলে। "মনত ৰাখিব কিমান আওহতীয়া এই ঠাই? যি জন প্রশিক্ষকে মোলৈ ফোন কৰিছিল, তেওঁ এজোপা গছৰ ডালত ৰৈ আছে। সেই দ্বীপটোৰ শেষ ভাগত এটাই ঠাই আছে, য'ত তেওঁলোকে ফোনেৰে কথা পাতিব পাৰে সংযোগ পাবলৈ তেওঁলোকে এজোপা গছৰ ওপৰত উঠিব লগীয়া হয়! এইটোৰেই আপোনাৰ নির্ণায়ক উত্তৰনে?"

মই আশ্বাস দি কলো যে প্রভুৱে এইটোৰেই উত্তৰ মোক দিছিল। আমাৰ বাবে এইটো স্পষ্ট আছিল যে বহুবিবাহ খ্ৰীষ্টীয়ান জীৱনৰ বাবে নহয়। মই বিচাৰিছিলো প্রভুৱে তেঁওৰ সময়ত, ইয়াক সমাধান কৰক। সেই কাৰণে, প্রশিক্ষক জন গছৰ পৰা তললৈ নামিল। আৰু আমি সকলোৱে প্রার্থনা কৰিলো।

কর্ম্মশালাটো সমাপ্ত, হোৱাৰ পাছত, দলটো ঘৰলৈ ঘুৰি গল আৰু ঘৰৰ পৰা এই প্রতিবেদনটো আমালৈ পঠালেঃ "প্রশিক্ষণৰ তৃতীয় দিনা, এটা দলে এটা কাহিনী যুগুত কৰি এক শক্তিশালী আলোচনাত বহিল-অনুমান কৰক কি বিষয়ে-বহুবিবাহ! আচার্য্যজনক ভাৱে, কোনো প্রশিক্ষকেই এই বিষয় বস্তুটো অনা নাছিল! একোৱেই সমাধা নহল, কিন্তু স্পষ্ট ভাৱে জানিব পৰা হলযে পবিত্র আত্মাই তেওঁলোকৰ হৃদয়ত এটা বীজ সিঁচিলেঃ

"এই বিশ্বাসী সকল আৰু তেওঁলোকৰ পালক সকলে আমাক আগুৰি ধৰিলে আৰু কলে, 'খ্ৰীষ্টীয়ান শিক্ষক আমাৰ এই দ্বীপলৈ এই প্রথম বাৰ আহিছে। আৰু আপোনালোকে আমালৈ বাইবেল আনিলে আৰু ইয়াক আমি বুজিব পৰাকৈ আনিলে।'তেওঁলোকে এখন মৌলিক বাইবেল স্কুল তেওঁলোকৰ দ্বীপটোত প্রতিষ্ঠা কৰিবলৈ আমাক অনুৰোধ জনালে। আমি কলো, "হয়"।"

দুসপ্তাহৰ পাছত স্কুলখন আৰম্ভ হল। স্কুলত তিনি মাহ থকাৰ পাছত, আমাৰ সঞ্চালকৰ পৰা এক আচৰিত প্রতিবেদন পালো।(তেতিয়ালৈকে সেই ১২ জন ছাত্রই ৬০টা কাহিনী শিকিলে, আৰু আলোচনা কৰিলে।আমাৰ সঞ্চালকে জনালে, "যদিও আমি নাজানো কোনকেইটা কাহিনীৰ দ্বাৰা ঈশ্বৰে ছাত্র সকলক এটা পৰিবর্ত্তন

আনিবলৈ ব্যৱহাৰ কৰিলে, তথাপি এই অঞ্চলৰ পালক সকলে এক সিদ্ধান্তত উপনীত হল যে "বহুবিবাহ প্রথা" ভুল। তেওঁলোকে অনেক ভার্য্যা নলবলৈ এক নিয়ম কৰিলে। লগতে এইটোও সিদ্ধান্ত কৰিলে যে শাস্ত্রক সমাদৰ কৰিবলৈ হলে, এগৰাকীতকৈও বেছি ভার্যা থকা বিলাকে পালক পদৰ পৰা নামিব লাগিব।"

তেতিয়াৰ পৰাই এই বিশ্বাসী সকলে নিজৰ সঙ্কল্প অটুত ৰাখিছে। তেওঁলোকৰ এবছৰীয়া পাঠ্যক্ৰম সমাপ্ত কৰি এই ১২ গৰাকী ছাত্রই ডিগ্রী লৈ, তেওঁলোকে আন এখন মৌখিক বাইবেল স্কুল প্রতিষ্ঠা কৰিবলৈ ওলাই গল।

লগতে, যি জন ব্যক্তিয়ে প্রথমে প্রশিক্ষক সকলক তেওঁলোকৰ প্রথমটো কর্মশালা পৰিচালনা কৰিবলৈ আহ্বান জনাইছিল, তেওঁ স্কুলৰ উপাধি লাভ কৰা দিনা এই স্মৰণীয় সাক্ষ্যটো দিছিল–

'মই তিনিবছৰ ধৰি আফ্রিকাৰ 'কেৱল কাহিনীটো'ৰ সঞ্চালকক প্রভাম্বিত কৰিবলৈ চেষ্টা কৰি আহিছিলো। আমাৰ "অৰফেনেজ" ৰ বাবে টকাৰ প্রয়োজন আছিল, আৰু মই ভাবিআছিলো, যিহেতু তেওঁৰ পশ্চিমীয়া দেশৰ লগত সম্বন্ধ আছে, গতিকে তেওঁ নিশ্চয়ে মোক সহায় কৰিব।'

হয়, যোৱাবছৰ আমি একেলগ হলো, কিন্তু তেওঁ মোক একো টকা নিদিলে। তাৰ সলনি, তেওঁৰ কর্মীৰদলটোৱে, মোক আৰু আমাৰ লগৰীয়া বিশ্বাসী সকলক, ঈশ্বৰৰ বাক্যৰ পৰা কেনেকৈ শিক্ষা আহৰণ কৰিব পাৰি, তাকেহে শিকালে!

মই আজি জনাবলৈ পাই সুখী হৈছো যে যোৱা সপ্তাহলৈকে, আমাৰ মুঠ ৭০ গৰাকী মাউৰাৰ বাবে আর্থিক সাহার্য্য পোৱা হল! এইটো আমাৰ ৰূপান্তৰিত সমাজে, আমি নিজৰ মাউৰা সকলক নিজেই আর্থিক সাহার্য্য আগবঢাওঁ।

(আমি গোটেই সমাজটোৰ এই আমোল পৰিবর্ত্তনলৈ বিস্ময়েৰে চাই আছিলো। লোকবিলাকে, ঈশ্বৰৰ বাক্যলৈ মনোযোগেৰে শুনি বুজি পালে, তেওঁলোকে মন পালটন কৰে, আৰু দকৈ খোপনি পাতি ধৰি থকা পৰম্পৰাক সলনি কৰে। তেওঁলোকে সহায়হীন বিলাকৰ প্রতি প্রেম প্রদর্শণ কৰে, আৰু আনকি নিজৰ নিজ উপার্জনৰ পৰাও সহায় আগবঢায়। প্রকৃত বাক্য পালন কৰোতা জনৰ বিষয়ে, যাকুব ১:২৭ পদত বর্ণনা কৰিছে, "মাউৰা আৰু বিধবা বিলাকক তেওঁবিলাকৰ ক্লেশৰ কালত চাবলৈ যোৱা আৰু সংসাৰৰ পৰা নিজকে নিষ্কলঙ্কৰূপে ৰাখা, এয়েই পিতৃ ঈশ্বৰৰ আঘাত শুদ্ধ আৰু নির্ম্মল ধর্ম্মকর্ম্ম।")

মৌখিক বাইবেল স্কুলৰ উপাধি প্রাপ্ত সকলে কামটো অব্যাহত ৰাখে

পুঁজিয়ে আঁটেমানে, আমি প্রতিগৰাকী উপাধি প্রাপ্তক এটাকৈ সৌৰশক্তিৰ দ্বাৰা চালিত যন্ত্র দিওঁ। অধিক সংখ্যক উপাধি প্রাপ্ত ব্যক্তিয়েই পালক, শিক্ষক আৰু প্রচাৰক হিচাবে পৰিচর্যা কৰি থাকে। তাৰোপৰি, প্রায় শতকৰা ২৫ ভাগেই নতুনকৈ স্থাপিত,

মৌখিক বাইবেল স্কুলৰ অধ্যক্ষ আৰু ‘কেৱল কাহিনীটো’ৰ পdৰশিক্ষক ৰূপে পৰিচর্যা কৰিবলৈ নিজকে নিয়োজিত কৰে। টি.জি.এচ.পি এ কম খৰচৰ যাতায়তৰ ভাড়া আৰু প্রশিক্ষক আৰু অধ্যক্ষক সকলৰ খোৱাবোৱাৰ খৰচ বহন কৰে। কেতিয়াবা অভাৱত থকা প্রশিক্ষক সকলক সামান্য পাৰিশ্রমিক দিয়া হয়।

আঞ্চলিক ক্ষমতা

এজন গাৱলীয়া সঞ্চালকে তেওঁৰ দেশৰ স্কুল সমূহত পৰিচর্যা কৰিবলৈ নিমন্ত্রণ পালে। ইতিমধ্যেই স্কুল-পৰিচর্যাতে জটিত হোৱাৰ উপৰিও ‘কেৱল কাহিনীটো’ৰ কর্ম্মী সকলে, কর্মশালা চলোৱা আৰু মৌখিক বাইবেল স্কুল সমূহ চোৱাচিতা কৰা কার্য্যত সক্রীয় ভাৱে লাগি আছিল।

এই নিয়ন্ত্রণটোৱে “আঞ্চলিক ক্ষমতা” বিকাশ কৰিবলৈ অনুপ্রেৰণা যোগালে। এইটো হল, এখন আঁচনি, যিয়ে দক্ষতাৰে আৰু ফলপ্রসূভাৱে পূজিঁ, সময় আৰু কর্ম্মীক পৰিচালনা কৰে।প্রতিটো অঞ্চলত থকা, এই কৌশলৰ দ্বাৰা পৰিচর্যা, কর্ম্মশালা আৰু এখন মৌখিক বাইবেল স্কুলক সংযোগ কৰা হৈছে। এটা অঞ্চলত গড় হিচাবে ২৫ খন বেলেগ বেলেগ গাওঁ থাকে। এই কামটো সম্পন্ন কৰিবলৈ, তিনিজন প্রশিক্ষক এটা অঞ্চললৈ, তিনিটা বেলেগ বেলেগ সময়ত যায়, আৰু ৯ মাহৰ ভিতৰত এই কামটো কৰে। এই তিনিটা প্রশিক্ষণ কার্য্য সমাপ্ত কৰাৰ পাছত, এজন প্রশিক্ষকে, সেই অঞ্চলৰ নতুনকৈ স্থাপিত মৌখিক বাইবেল স্কুলখন পৰিদর্শন কৰি থাকে।প্রশিক্ষক জনে প্রতিমাহে এবাৰকৈ, মুঠ ১১ মাহ পৰিদর্শণ কৰি উদগণি দিয়ে আৰু মৌখিক বাইবেল স্কুলখন চোৱাচিতা কৰে।

“এই ক্ষমতাৰ” ভিতৰত, ‘ঈশ্বৰৰ কাহিনী’ নামৰ কিতাপ, সৌৰশক্তিৰ দ্বাৰা চালিত যন্ত্রসমূহ, বাইবেলৰ অর্ন্তবস্তু আৰু প্রশিক্ষণ আৰু অন্যান্য উপায় সমূহ অন্তর্ভুক্ত কৰা হয়। কাৰণ প্রতিটো পৰিদর্শনেই বহুঅংশ বিশিষ্ট উদ্দেশ্য সিদ্ধ কৰে, প্রশিক্ষকৰ ভ্রমনৰ খৰচ আৰু খোৱা খৰচ ৰাহি হয়। এটা অঞ্চলত প্রায়ে ২৫০০ শতকৈও অধিকলোক প্রভাৱিত হয়। পৰিদর্শণ সম্পূর্ণ হলে, স্থানীয় নেতা সকল প্রশিক্ষন প্রাপ্ত আৰু সজ্জিত হয়। আৰু তাৰ পাছৰ পৰাই বাইবেলখন ব্যৱহাৰ কৰি, লোক সকলে বুজিব পৰা আৰু প্রয়োগ কৰিব পৰা উপায়েৰে, পৰিচালনা আৰু পৰিচর্যা কৰিবলৈ ক্ষমতা দিয়া হয়।

নৱম অধ্যায়ঃ কেটেলা পহুৰ কাঁইট

উভালা চিন্তাৰ আর্হি সলনি

কেটেলা পহুৰ কাঁইট উভালিদিয়াঃ মৌখিক ৰণনীতি গ্রহণৰ সংগ্রাম

কেটেলা পহুৱে ইয়াৰ গাত লাগি থকা কাঁইট বিলাক দৃঢ ভাৱে আন(শত্রু) জন্তুৰ গাত খুচি নিজকে ৰক্ষা কৰে। ইয়াৰ চোকা কাঁইট বিলাক সহজে আন জন্তুৰ গাত সোমাই যায়, কিন্তু সেই কাইটটোত এটা সৰু হাকোটা থকা বাবে উলিয়াই অনাটো কষ্টকৰ হয়।

“কাইঁটবোৰ টানি উভালি পেলোৱা মানে”, আমি ঘোষণা কৰা আৰু শিক্ষাদিয়াৰ প্রমাণিত কালজয়ী সফল পদ্ধতি আঁতৰাই দিয়াৰ কথা কোৱা নাই।

কেটেলা পহুৰ কাঁইটমানে বদ্ধমূল ধাৰণা বোৰ যেনেঃ

- (লিখিলোৱা) টোকা নোহোৱাকৈ ফলপ্রসূভাৱে আপুনি শিকাব নোৱাৰে।
- শাস্ত্রাংশৰ বাহিৰৰ পৰাও আপুনি বার্তা লব লগীয়া হয়।
- পৰম্পৰা কৌশলৰ বাহিৰত আপুনি দকৈ শিকাব নোৱাৰে।
- অশিক্ষিত সকলে বাইবেল খন নিজে অধ্যয়ন কৰি যুক্তিৰে কথাবিলাক চিন্তা কৰিব নোৱাৰে।

আমি অভিজ্ঞতাৰ পৰা জানিব পাৰিছো যে, প্রথম অৱস্থাত, লোকবিলাকে ‘কেৱল কাহিনীটো’ ভালেমান নীতিৰ লগত যুঁজ দিব লগীয়া হয়। বিশেষকৈ বাইবেল শিক্ষাত প্রশিক্ষন প্রাপ্ত সকল, মৌখিক শিক্ষার্থী সকলতকৈ বেছি যুঁজিব লগা হয়।

‘কেৱল কাহিনীটো’ৰ পূর্ণ সার্থকতা উপভোগ কৰিবলৈ, আমি তেওঁলোকক প্রতিটো উপাদান আন্তৰিকতাৰে চেষ্টা কৰিবলৈ আহ্বান জনাইছো। সম্পূর্ণ পৈণত, শিক্ষিত পালক আৰু নেতা সকলে এই নতুন অভিজ্ঞতা বিলাক চেষ্টা কৰাতো, যেনে, টোকা নিলিখাকৈ শিক্ষা দিয়া, এইটো কৰা মানে কেটেলা পহুৰ গাত দৃঢভাৱে লাগি থকা কাঁইট টানি উঘালি দিয়াৰ দৰে হব। আমি টানো-উভালো। শিকাৰো বিলাকে জোৰেৰ চিঞৰে, ‘উহ’। কিন্তু কাঁইটটো ওলাই যোৱাৰ পাছত, শিকাৰো বিলাকে আর্চর্য্য আৰু আনন্দ প্রদর্শণ কৰে। যিহেতু তেওঁলোকে দেখা পায় যে তেওঁলোকে এক নতুন দক্ষতা লাভ কৰিলে, যিটোৱে সঁচাই কাম কৰে।

পৰম্পৰাগত ভাৱে চলি অহা উপস্থাপনৰ লগত ‘কেৱল কাহিনীটো’ৰ আর্হিৰ তুলনা

কাহিনীৰ পৰা শিক্ষাদিয়াৰ প্রচলিত নিয়ম। ঈশ্বৰৰ বাক্যকোৱা, আৰু শিকোৱাৰ, পৰম্পৰাগত ভাৱে, চলি অহা নিয়ম মতে, এটা শাস্ত্রাংশ লোৱা হয়, ইয়াক পঢা হয়, আৰু এপদ এপদকৈ অর্থ প্রকাশ কৰা হয়। কেতিয়াবা শাস্ত্রাংশ পঢাও নহয়,

শিক্ষকজনে, পোনে পোনেই প্রতিটো পদ শিকাই যায়। তাৰ পাছত সেই পঢা বাক্য বিলাকৰ ওপৰত ভিত্তি কৰি শিক্ষাতো দিয়া হয়। আৰু তেওঁ কোৱা সত্যটোৰ ওপৰত জোৰ দিবলৈ বা প্রমাণিত কৰিবলৈ বাইবেলৰ পৰা আন আন পদবিলাকো দাঙি ধৰা হয়।

কেতিয়াবা কেতিয়াবা, বাইবেলৰ বাহিৰৰ পৰাও বার্তা উপস্থাপন কৰা হয়, পাছত গ্রীক বা হিব্রু ভাষাৰ অর্থও উল্লেখ কৰা হয়। লোকবিলাকক আকর্ষিত কৰি ৰাখিবৰ বাবে, শিক্ষাৰ মাজতে, কেতিয়াবা হাঁহিৰ খোৰাক যোগোৱা হয় বা এটা কাহিনী কোৱা হয়।

শিক্ষাৰ মাজতেই আত্মিক জ্ঞান প্রয়োগ কৰা হয়, নাইবা শিক্ষাৰ শেষত ইয়াক কোৱা হয়। মনত ৰাখিব, শিক্ষকজনৰ দ্বাৰাহে এই প্রয়োগ কৰা হয়। শ্রোতা সকলে কি কৰা উচিত, বা কি কৰা অনুচিত, এনে প্রকাৰেহে দিয়া হয়। এনে দৰে চলি অহা প্রথাৰে শিক্ষা দিয়া, বা উপস্থাপন কৰাতো, নিশ্চয়ে ভুল নহয়। কিন্তু, কোনো শাস্ত্রাংশ, এনে দৰে শিকোৱাটোৰেই এক মাত্র পথ বা উপায় নহয়।

‘কেৱল কাহিনীটো’ৰ পদ্ধতি। ইয়াৰ বিপৰীতে, ‘কেৱল কাহিনীটো’ৰ পদ্ধতি মতে, শ্রোতা সকলক, বাইবেলৰ পৰা আত্মিক জ্ঞান আৱিস্কাৰ কৰিবলৈ সহায়হে কৰা হয়। তেওঁৰ লোকবিলাক সক্রীয় ভাৱে বাইবেল অধ্যয়নত অংশ গ্রহণ কৰি, ঈশ্বৰৰ বাক্যৰ পৰা নিজে নিজেই নতুনত্ব আৱিস্কাৰ কৰি আনন্দ লাভ কৰক, পালক সকলৰ এনে আন্তৰিক ইচ্ছা। এই পদ্ধতিৰে কাম কৰা পালক সকলে, লোকবিলাকে নিজ নিজে অধ্যয়ন কৰি আৱিস্কাৰ কৰাৰ যি আনন্দ, তাক দেখিবলৈ ভাল পায়।

এগৰাকী অতি উচ্চ শিক্ষিত পালক তথা নেতাই যি গৰাকীয়ে আমেৰিকাৰ ছাত্র-ছাত্রী সকলৰ মাজত শুভবার্ত্তাৰ প্রচাৰ কার্য্য কৰে, তেওঁ ‘কেৱল কাহিনীটো’ৰ কর্ম্মশালাত যোগদান কৰিছিল। অতিশয় নিপুন এই লিখক জনে, এতিয়া তেওঁৰ পৰিচর্যাত এই পদ্ধতিটো সাঙুৰি লৈছে। তেওঁ লিখিছেঃ

‘‘কেৱল কাহিনীটো’ৰ পদ্ধতি, আৰু অধিক শিক্ষিত পদ্ধতিৰ পার্থক্যটো হল, এই যে, ‘কেৱল কাহিনীটো’ৰ পদ্ধতিত বাইবেল খনক ইতিহাসৰ গাঁঠনিত, বাণীবদ্ধ কৰা ঘটনাৱলী বুলি গণ্য কৰা হয়, আৰু প্রকৃততে এনেদৰে ঘটিছিল বুলি বিশ্বাস কৰা হয়। কিন্তু, অধিক শিক্ষিত পদ্ধতিত বাইবেলখন এখন কিতাপ-যাৰ সাংকেতিক বার্তাৰ অর্থ উলিয়াব লাগে, আৰু অস্ক্রোপচাৰ কৰা দৰে ভাগ ভাগ কৰিব লাগে- এনে দৰেহে যেন গণ্য কৰা হয়।‘কেৱল কাহিনীটো’ৰ গাঠনিত আমি ঘটনাবিলাক চলন্ত ৰূপত দেখিবলৈ পাওঁ আৰু সমান্তৰাল ভাৱে বাস্তৱ জীৱনত পৰিবর্ত্তনৰ এটা সোঁত, বোৱা দেখা যায়। (যেনে, যোগদানকাৰী সকলৰ আৱেগ-অনুভুতি, আত্মিক যোগা যোগ ইত্যাদি।)

''কেৱল কাহিনীটো' গোটেই বিশ্বজুৰি আৰম্ভ কৰাৰ লাগে লগে, আমি বাৰে বাৰে এই সহাঁৰিটো পাইছোঃ সাধাৰণ উচ্চ শিক্ষিত সকলতকৈ, কমশিক্ষিত সকলে এই পদ্ধতিৰ দক্ষতা সমূহ অধিক সোনকালে আয়ত্ব কৰে। এইটোৱে ইয়াকে বুজায় নেকি যে কম শিক্ষিত সকল উচ্চ শিক্ষিত সকলতকৈ বেছি বুদ্ধিয়ক? অৱশ্যে নহয়!'

আমি এইটো স্বীকাৰ কৰো। কোনোৱে যদি এটা বিশেষ পদ্ধতি অধ্যয়ন কৰে আৰু ইয়াক ব্যৱহাৰ কৰি কিছু পৰিমানে কৃতকার্য্যও হয়, তেওঁলোকে ইতিমধ্যে যিটো জানে, তাৰ বিপৰীত এটা পদ্ধতি শিকাতো ডাঙৰ প্রত্যাহ্বান স্বৰূপ। আগতে কৈ অহাৰ দৰে, উচ্চ শিক্ষিত সকলে সাধাৰণতে, 'কেৱল কাহিনীটো' ৰ সকলো উপাদান সমূহ ব্যৱহাৰ কৰিবলৈ অধিক সংগ্রাম কৰে।

এই অস্থিৰতাৰ মূল্য, কাৰণ বিচাৰি উলিওৱাটো সহজ। 'কেৱল কাহিনীটো'ৰ কর্মশালাত যোগদান কৰা, প্রায় সকলে উচ্চ শিক্ষিত খ্রীষ্টীয়ানেই, যদিও আন্তৰিকতাৰে এই পদ্ধতিত মনদিয়ে, তথাপিও, শাস্ত্র আহৰণ কৰোতে আৰু ইয়াক মৌখিক আর্হিত উপস্থাপন কৰিবলৈ চেষ্টা কৰোতে, এই নতুন পথটো আচৰিত যেন অনুভৱ হয়।কাৰণ তেওঁলোকক যি পদ্ধতি, ইতিমধ্যে শিকোৱা হল, আৰু যাৰ ওপৰত তেওঁলোকৰ পৰিচর্যা নির্মান কৰা হল, সেইটো মৌখিক নহয়। সেই কাৰণে, তেওঁলোকৰ এই পদ্ধতিৰ বহি অংশ বিশিষ্ট নতুন উপাদান সমূহৰ প্রতিক্রিয়া স্বৰূপে, তেওঁলোকে এই প্রক্রিয়াৰ কেইটামান অংশহে নিয়োগ কৰে।

অস্বস্তিৰ দিশ বিলাক এনেধৰণৰঃ

- তুলনামূলক ভাৱে সমান্তৰাল শাস্ত্রাংশ বাদ দিয়া।
- কোনো লিখিত টোকা নোহোৱাকৈ শিক্ষা আহৰণ কৰা।
- কোনো টোকা নোহোৱাকৈ শিক্ষা দিয়া।
- এটা শাস্ত্রাংশতেই আৱদ্ধ থাকি উপস্থাপন কৰা।
- শাস্ত্রাংশৰ বাহিৰৰ কোনো বার্তা সংযোগ নকৰা
- বক্তৃতাৰ সলনি আলোচনাৰ মাধ্যমেৰে সত্যসমূহলৈ আগবঢাই লৈ যোৱা
- কাহিনীটো, ডাঙৰকৈ নপঢাকৈ, শ্রোতাসকলৰ আগত উপস্থাপন কৰা(নাইবা সামান্য ৰূপে পঢা হয়)
- এটা কাহিনী, অলেখ বা নিঃসঙ্গ অৱস্থাত ভাৰষা কৰা
- আলোচনাৰ সময়ছোৱাত বহু বিষয় বস্তু আৱিস্কাৰ কৰিবলৈ দিয়া। বিশ্বাস কৰা হয় যে, শিক্ষকে যি শিকায় আৰু যি আলোচনা হয়, তাৰ পৰাই আৱিস্কাৰ সমূহ হব।

মনকৰিব লগীয়া। আমি নিশ্চয়ে, সেই বক্তৃতা বা ভাষণ দিয়া কৌশল সমূহ ভুল বুলি নকও বা সেইবিলাক বাদ দিব লাগে বুলিও নকওঁ। কিন্তু বিশ্বজুৰি উচ্চহাৰত লোকবিলাকৰ যি সজাগতা বৃদ্ধি পাইছে, যি সকলক মৌখিক কৌশলৰ জড়িয়তে

শুভবার্তা দিব লাগিব, এনে পৰিপ্রেক্ষিতত, এই নতুন আৰু বহল প্রসাৰিত শিক্ষা দিয়া প্রণালী সমূহ, গ্রহণ কৰি লোৱাৰ গুৰুত্ব আমি দেখা পাইছো। আমি, খ্রীষ্টীয়ান পালক আৰু শিক্ষাবিদ সকলে দেখুউৱা আগ্রহক আদৰণি জনাইছো। তেওঁলোকে শাস্ত্র উপস্থাপন কৰোতে তেওঁলোকৰ সংৰক্ষিত পদ্ধতিৰ লগতে 'কৈৰল কাহিনীটো' ৰ মৌখিক ৰণ কৌশলও সাঙুৰি লৈছে।

তলত দিয়া দুয়োখন প্রতিবেদনেই (এখন থাইলেণ্ডৰ পৰা, আন খন নাইজেৰিয়াৰ পৰা) ওপৰত উল্লেখ কৰা অস্বস্তিৰ দিশ বিলাকৰ উত্তৰ প্রদর্শণ কৰিছে। এই প্রতিবেদনে মৌখিক ৰণকৌশল সাঙুৰি লোৱাত গুৰুত্ব আৰোপ কৰে।

থাইলেণ্ডৰ এজন যুব-কর্ম্মীয়ে পর্যবেক্ষণ কৰিছিলঃ

"মই পাঠৰ লক্ষ্য যুগুত কৰাত, আৰু এই স্পষ্ট লক্ষ্যলৈ, পাঠ আৰম্ভকৰাত, সম্পূর্ণ অভ্যস্ত। পাঠটোৰ গোটেই সময়ছোৱাত সেই লক্ষ্যটো সবল কৰিবলৈ মই সদায় নিশ্চিত হওঁ। আৰু মোৰ শ্রোতা সকলে যেন ইয়াক নেহেৰুৱায়, তাৰ বাবে সামৰণিত ইয়াক পুনৰ যোগদি কওঁ। কিন্তু এনেদৰে শিক্ষা দিয়াৰ পাছতো, মোৰ শ্রোতা সকলে, পাঠটো মনত ৰখা দেখা নাযায়।

"কৈৰল কাহিনীটো" ৰ পদ্ধতিত সদায়ে এটা স্পষ্ট লক্ষ্য থাকে, আৰু এইটো, মো আর্হিস্বৰূপ লক্ষ্য সমূহৰ লগত সমান্তৰাল ভাৱে থাকে। কিন্তু ডাঙৰ পার্থক্যটো এই যে এই পদ্ধতিত শ্রোতা সকলে নিজে নিজেই, সিহঁতে মোৰ প্রশ্নৰ উত্তৰ দিয়াৰ যোগেদি, মোৰ লক্ষ্য আৱিস্কাৰ কৰাৰ কাৰণে, এই লক্ষ্য সমূহ তেওঁলোকৰ মন আৰু হৃদয়ত আৱদ্ধ হৈ থাকে। ইয়াৰ পৰিনাম স্বৰূপে তেওঁলোকে বহুত দীঘলীয়া সময়লৈকে মই শিকাবলৈ বিচৰা কথাবিলাক, সোঁৱৰণত ৰাখি থব পাৰে।"

কিছুমান অতি বিবেকবাণ খ্রীষ্টীয়ান নেতাই এটা সময়ত, কৈৰল এটা কাহিনীতে আৱদ্ধ থাকি শিক্ষা দিয়াৰ সংক্রান্তত, বিশেষ চিন্তা ব্যক্ত কৰিছিল। তেওঁলোকে, বিশেষকৈ এটা কাহিনী বা শাস্ত্রাংশ লৈ, শাস্ত্রৰ আন অতিৰিক্ত শাস্ত্র পদ ব্যৱহাৰ নকৰাকৈ, শিক্ষা দিয়াত সতর্ক হৈছিল।তেওঁলোকে সুধিছিল, "শ্রোতাসকলক দেখুৱাব পৰা হবনে কেনেকৈ বাইবেলৰ প্রতিটো কাহিনীয়েই, ঈশ্বৰৰ উদ্ধাৰৰ পৰিকল্পনাৰ এটা অংশ, আৰু কেনেকৈ, যীচুৱে ক্রুচত সিদ্ধ কৰা কর্ম্মলৈ আঙুলিয়াই দেখুৱাব পাৰিব?(তেওঁলোকে লুক ২৮:২৯ আৰু পাচনিকর্ম্ম ৮:৩৫ পদৰ কথা উল্লেখ কৰিছিল।)তেওঁলোকে, তাৰ পাছত কৈছিল, "আমি শাস্ত্রৰ ডাঙৰ ছবিখনৰ কাহিনীটোৰ পৰা (শুভবার্তাৰ) যেতিয়া পৃথক কৰি দিয়া হয়, তেন্তে বাইবেলৰ কাহিনীবিলাক তৎক্ষণাত নৈতিক শিক্ষা দিয়া পাঠলেহে সলনি হয়। সম্পূর্ণ শুভবার্তাখন তেওঁলোকে নেপাব।"

এইবিবেচনা পূর্ণ বিষয়টো আমি কেইবা প্রকাৰে সঁহাৰি জনাব বিচাৰিছো। ক্রুচৰ শত্রুবিলাকে, যীচুক সদায় তললৈ নিবলৈ চেষ্টা কৰিব, মানৱ জাতিৰ নিঃসহায়,

পাপময় অৱস্থাৰ কথা আওকাণ কৰিব, আৰু ঈশ্বৰৰ পৰিকল্পনাৰ আচনিও তুচ্ছজ্ঞান কৰিব। (চয়তানৰ) সেই প্ৰৱঞ্চনাবিলাকৰ প্ৰতি আমি মানসিক ভাৱে অতি সজাগ।

একেটা কাহিনীতে আৱদ্ধ থকা প্ৰশ্নৰ উত্তৰ এয়ে যে আমি পবিত্ৰ আত্মাৰ সামৰ্থ্য আৰু পবিত্ৰ আত্মাৰ ভুমিকাৰ ওপৰত নিৰ্ভৰ কৰিছো। তেৱেঁই কাহিনীটোৰ পৰা তেওঁৰ বাৰ্তা আমাক কব। আনকি, কাহিনী কওঁতাজনে বা শিক্ষক জনে আগতীয়াকৈ বিষয়-বস্তু বাচি নললেও। আমি আলোচনা কৰিলে, আৰু গভীৰ ভাৱে আৰু গুৰুত্বদি কাহিনীৰ টোপালাত বন্ধহৈ সকলোবিলাক কথা মুকলি কৰি দিলে, এনে হোৱা আমি বাৰে বাৰে দেখি আহিছো।

যেতিয়া বক্তৃতা দিয়া আৰ্হিৰে শাস্ত্ৰ বাক্য কোৱা হয়, সেই আৰ্হিটোৱে শিক্ষকক, পৰিত্ৰাণৰ বাৰ্ত্তা শুনিবলৈ যুগুতহৈ থকা জনক বিচাৰি উলিয়াবলৈ অনুমতি নিদিয়ে। কিন্তু "কেৱল কাহিনীটো"ৰ আলোচনা পদ্ধতিৰে দিয়া শিক্ষাই,কাহিনীকওঁতা জনক বা শিক্ষকজনক লোকবিলাকৰ লগত কথা পাতিবলৈ সুযোগ দিয়ে আৰু সমৰ্থবান কৰে। আত্মিক বিষয়ৰ সম্বন্ধে দলটোৱে 'কথোপকথন' কৰিব পাৰে।সেই কথোপকথনৰ সময়ত, কোনোবাই ঈশ্বৰৰ বিষয়ে অধিক জানিবালৈ বিচাৰিলে বা যীচুক কেনেকৈ জানিব পাৰি তাক সুধিলে, কাহিনী কওঁতাজনে সেই বিশেষ অভাৱটো পূৰ কৰি দিব পাৰে।কাহিনীকওঁতা জনে পৰোক্ষভাৱে, শুভবাৰ্ত্তাটো দাঙি ধৰিব পাৰে, আৰু ঈশ্বৰৰ পৰিত্ৰাণৰ পৰিকল্পনাক প্ৰকাশ কৰা শাস্ত্ৰ পদ সমূহ, যেতিয়া প্ৰয়োজন হয়, দিব পাৰে। পবিত্ৰ আত্মাই শাস্ত্ৰপদৰ যোগেদি ব্যক্তি সমূহক কথা কয় আৰু পৰিত্ৰাণলৈ লোকবিলাকক আকৰ্ষণ কৰে। তলত দিয়া প্ৰতিবেদনত এই কথা দেখোৱা হৈছে।

আনকোনোৱে নকৰে, কেৱল ঈশ্বৰেহে সেই কাহিনীটো বুটলি লব- নাইজেৰিয়া।

পাঁচটা "কেৱল কাহিনীটো"ৰ কৰ্মশালা, পূব আৰু পশ্চিম নাইজেৰিয়াত অনুষ্ঠিত কৰা হৈছিল। তিনিমাহৰ পাছত, সেই প্ৰশিক্ষকজন নাইজেৰিয়ালৈ, "তেওঁলোকে পালেনে" তাক চাবলৈ আহিল। যিহেতু সেই প্ৰশিক্ষণৰ সময়ত যি যি শিকোৱা হৈছিল, সেই সকলোবিলাক চাৰিটা ভাষালৈ অনুবাদ কৰা হৈছিল, সেই কৰাণে তেওঁ নিশ্চিত নাছিল।

"তেওঁলোকে কেৱল পোৱাই নহয়," তেওঁ জনালে, "তেওঁলোকে ইয়াক পালনও কৰিছে, আৰু ব্যৱহাৰো কৰিছে!"

'কেৱল কাহিনীটো'ৰ প্ৰশিক্ষক জনক এজন প্ৰচাৰকে কলে যে তেওঁ ৯ জন দুধৰ্ষ মুচলিম লোকক প্ৰভুলৈ আনিলে। প্ৰচাৰক জনে মতবিনিময় কৰি কলে, কিহে এই লোককেইজনক শুভবাৰ্তা পোৱাত সহায় কৰিলে।নতুন বিশ্বাসী কেইজনে তেওঁক কৈছিল, "কাহিনী সমূহত থকা লোকবিলাকৰ বিষয়ে আমি জানিছিলো, কিন্তু

কোৰাণে গোটেই কাহিনীটো আমাক কোৱা নাই আৰু আমাৰ লগত কোনেও আলোচনা কৰা নাছিল।”

কোনটো কাহিনীয়ে তেওঁলোকক স্পর্শ কৰিলে, তাক সোধাত প্রচাৰক জনে কলে, “মোচি আৰু শিলটো।” আপুনি জানেই, যাত্রাপুস্তক ১৭ অধ্যায়।

“কেৱল কাহিনীটো” ৰ এজন চিনিয়ৰ প্রশিক্ষক হিচাবে, এই কথাই মোক আচৰিত কৰিলে। মই সুধিলো, “সেই কাহিনীটোৰ কোনটো কথাইনো তেওঁলোকক স্পর্শ কৰিলে?”

“কেৱল কাহিনীটো”ৰ প্রশিক্ষকে বর্ণনা কৰিলেঃ

প্রচাৰক জনে কৈছিল যে নতুন বিশ্বাসী কেইজনে তেঁওক সুধিছিল, “এই কাহিনীটো শুনাৰ পাছত আৰু আলোচনা কৰাৰ পাছত, আমি দেখিলো যে মোচি এজন বিশ্বাসী নেতা আছিল,কিন্তু লোকবিলাকে মোচিক সন্মান নকৰিছিল।আমি আচৰিত হৈছিলো যে মোচি ঈশ্বৰৰ ওচৰলৈ গল আৰু সুধিলে মানুহবিলাকক কি কৰা উচিত। মোচিয়ে, লোক বিলাকৰ মঙ্গলৰ চিন্তা কৰিছিল। আমাৰ নেতা সকলে আমাৰ কথা চিন্তা নকৰে আৰু ঈশ্বৰে লোকবিলাকক শাস্তি নিদিলে। ঈশ্বৰে তেওঁলোকক পানী দিলে। তেওঁ দয়া দেখুৱালে। আমি সেইজন ঈশ্বৰক জানিব খোজো।”

মই নিজৰ মনতে ভাবিলোঃ প্রচাৰ কার্য্যৰ বাবে সেই কাহিনীটো মই বাচি ললোহেতেন নে? মুচলমান সকলৰ আগত কবলৈ সেইটো ভাল কাহিনী হিচাবে মোৰ তালিকাত থাকিল হেতেন নে? নহয়। মই এইটো বাচি নললোহেতেন-হয়-আগতে বাচি নললেও মই জানিবলৈ আৰম্ভ কৰিলো যে যি বিলাকে ঈশ্বৰক জানিবলৈ হেপাহ কৰে, আৰু ঈশ্বৰে তেওঁৰ গোটেই বাক্যৰ যোগেদি (কাহিনী বিলাককো ধৰি) তেওঁক বিচাৰালোকক আকর্ষণ কৰে।

সেই কাহিনীটো মোৰ তালিকাত থাককেই বা নাথাকক সেইটো পবিত্র আত্মাৰ তালিকাত আছিল। “কেৱল কাহিনীটো” ৰ পদ্ধতি ব্যৱহাৰ কৰিলে, এইটো আমি বাৰে বাৰে দেখিবলৈ পাওঁ। তেওঁ লিখাৰ দৰেই ঈশ্বৰৰ বাক্য সম্পূর্ণ ৰূপে প্রেৰণ কৰিলে, আৰু ইয়াৰ সম্পদ ৰাজি শ্রোতাসকলে আবিস্কাৰ কৰিলে, আৰু আলোচনা কৰিলে, ঈশ্বৰৰ অলৌকিক শক্তি বিৰাজমান হয়।

যাত্রাপুস্তকৰ ১৭ অধ্যায়ৰ কাহিনীটো ব্যৱহাৰ কৰোতা সকলক, এই কাহিনীটোৰ পাছতেই আন এটা কাহিনী কবলৈ উদগণি জনাওঁ। শ্রোতাসকলে হয়তো এটা শিলৰ পৰা কেনেকৈ জীৱন-দায়ক পানী ওলাইছিল, সেইকথা আলোচনা কৰিছিল। সেইকাৰণে, তেওঁলোকৰ চকু বিস্ময়ত ডাঙৰ হৈ যাব, যেতিয়া তেওঁলোকে ১কৰি ১০:১-৬ পদত থকা কাহিনীটো শুনিব। তেওঁলোকে অতীতত ঘটা শিলৰ আৰু পানীৰ ঘটনাটো থকা অংশটোৰ গুৰুত্ব বুজিব পাৰিব। “সকলোৱে সেই একে আত্মিক জল পান কৰিছিল, কাৰণ তেওঁবিলাকৰ পাচে পাচে চলা আত্মিক শিলৰ পৰা

তেওঁবিলাকে পান কৰিছিল, সেই শিলেই খ্ৰীষ্ট!”লোকবিলাকে এই নতুন কাহিনীটোৰ নস্কাটো চিনিব পাৰিব, ইয়াত যীচুৰ ছবিখন তেওঁলোকে দেখিব!

আলোচনা কৰক ‘মুক্তি’ৰ সম্পৰ্কে! ওপৰত দিয়া দুয়োটা কাহিনীয়ে এটাৰ পাছত আন এটা–দুয়োটাই নস্কাসহ ঈশ্বৰ পৰিকল্পনা প্ৰদৰ্শণ কৰে। এই দ্বিতীয় কাহিনীটো নস্কাসহ, মুছলমান সকলক কোৱা হৈছিলনে? নহয়, কোৱা নাছিল। নাইজেৰিয়াৰ প্ৰতিবেদন খনত, আপুনি মন কৰিছিলনে, মোচিৰ কাহিনীটোত কি আছিল যিটোৱে ৯ জন লোকক আকৰ্ষণ কৰিছিল আৰু ঈশ্বৰক কেনেকৈ জানিব পাৰিম বুলি সুধিছিল?হয়। এয়া আছিল ঈশ্বৰৰ দয়াৰ নিশ্চিত প্ৰমান, আৰু লোকবিলাকে সেই দয়াময় ঈশ্বৰক জানিব বিচাৰিছিল। প্ৰচাৰক জনে সেইলোক সকলক বিস্বাসৰ পথৰ সন্ধান দিলে। তেওঁ, তেওঁলোকক কলে কেনেকৈ ঈশ্বৰৰ পুত্ৰ, যীচুৰ যোগেদি একমাত্ৰ ঈশ্বৰক জানিব পাৰি। মোচিৰ কাহিনীটো কোৱা প্ৰচাৰক জনে আনন্দেৰে তেওঁলোকক এই কথা বাখ্যা কৰি বুজাই দিলে।

পত্ৰবিলাকৰ বিষয়ে কি কয়?

বাইবেলৰ কাহিনীবিলাক শিকোৱাৰ আগৰ যি পদ্ধতি তাক সম্পূৰ্ণ সলনি কৰি, মৌখিক পদ্ধতিৰে শিকোৱা কাৰ্য্যক, অনেকে প্ৰশ্ন কৰে। তেওঁলোকে ঈশ্বৰৰ বাক্যক প্ৰেম কৰে, আৰু তেওঁলোকে জানে যে ঈশ্বৰৰ আটাই আলচ প্ৰাসংগিক।তেওঁলোকে এই উত্তম প্ৰশ্নটো সোধেঃ “পত্ৰ বিলাকৰ বিষয়ে কি কয়?”

এটা এইটো। বহুত দিন ধৰি বাইবেলৰ কাহিনীবিলাকক খণ্ড খণ্ড কৰা হৈছিল, ভাগ ভাগ কৰা হৈছিল, আৰু বিষয়-বস্তুৰ ওপৰত দিয়া শিক্ষাক বৰ্ণনা কৰিবৰ বাবে ব্যৱহাৰ কৰা হৈছিল। দুৰ্ভাগ্যক্ৰমে, মৌখিক শিকাৰো সকলে বুজিবৰ বাবে, আৰু সোঁৱৰণত ৰাখিবৰ বাবে, এই কাহিনীবিলাক যেনে দৰে লিখা হৈছিল, তেনেদৰে শুনাতো প্ৰয়োজন হৈ পৰিছে।

নিশ্চয়কৈ, যদি মৌখিক ৰণকৌশল আৰু কাহিনীসমূহৰ ব্যৱহাৰ, সন্নিবিষ্ট কৰি, বিশ্বৰ ৮০ শতাংশ লোকে বাইবেলৰ ৭৫ শতাংশ স্পষ্টভাৱে বুজিব পৰা হয়, তেন্তে এইটোৱে আনন্দ-উৎসৱৰ এটা কাৰণ হব পাৰে। কাৰণ আগতে আমি যি দৰে উপস্থাপন কৰিছিলো তাক তেওঁলোকে নুবুজিছিল।

আমি উদগণি পাইছো কাৰণ খ্ৰীষ্টীয়ান শিক্ষাবিদ, পালক আৰু মিছনেৰী সকলে, বাইবেলৰ কথা শিকোৱা আৰু ঘোষণা কৰাৰ, বাইবেল সম্বন্ধীয়, শক্তিশালী পথটো, আৱিস্কাৰ কৰিছে।“কেৱল কাহিনীটো”ৰ সফলতা অকল তত্ব জনাটোৱেই নহয়। যি সকলে কাহিনী সমূহ, পূৰ্ণৰূপে আৰু গভীৰতাৰে আলোচনাকৰি মৌখিক পদ্ধতিত উপস্থাপন কৰিবলৈ চেষ্টা কৰিছে, তেওঁলোকে সত্যাসত্য নিৰূপন কৰিব পৰা আৰু ইতিবাচক ফল দেখা পাইছে।

“কেৱল কাহিনীটো”ৰ পদ্ধতিৰে বাইবেলৰ কাহিনীবিলাক শিকোৱাৰ, উদ্যমী সহাঁৰি পোৱা দেখা গৈছে। প্ৰথম পাঁচ বছৰৰ ভিতৰতে, ই আৰ্ন্তজাতিক পৰ্যায়লৈ যোৱাৰ পাছত, অনেক অঞ্চলত ইয়াক ব্যৱহাৰ কৰাটোৱেই ইয়াৰ প্ৰমাণ। “কেৱল কাহিনীটো”ৰ পদ্ধতি ৯০ খন দেশত প্ৰচলিতহৈ আছে।

“কেৱল কাহিনীটো”ৰ খৰতকীয়া বৃদ্ধিৰ এটা উদাহৰণ আমালৈ ফিলিপাইনচৰ তিনিটা কৰ্ম-শালা চলোৱাৰ পাছত, আহিল। এজন পৰিচালকে আমালৈ এইদৰে লিখি পঠালেঃ, “কৰ্মশালা হৈ যোৱাৰ চাৰি মাহৰ পাছত, মই ভালেমান যোগদান কাৰীৰ লগত যোগাযোগ কৰিলো, আৰু জানিবলৈ পালো ১৪০০ গৰাকী ব্যক্তি প্ৰশিক্ষণ প্ৰাপ্ত হৈছে, আৰু ২৫ টা ভাষাত শিকোৱা হৈছে।”

আমেৰিকাৰ এগৰাকী ‘উইক্লিফ’ বাইবেল অনুবাদকে “কেৱল কাহিনীটো”ৰ সম্পৰ্কে শিক্ষা আহৰণ কৰিলে। তেওঁ নিজৰ গাৱঁৰ কেইজন মান নেতাক এটা কৰ্ম্মশালালৈ পঠালে। তিনি মাহৰ পাছত, ফিলিপিনচ গাঁৱৰ ৫ গৰাকী ব্যক্তি কৰ্ম্মশালা চলালে।

কিছুদিনৰ পাছত, উইক্লিফ বাইবেল অনুবাদক জনে লিখিলে, “শিক্ষিত পালক কেইগৰাকীয়ে সুধিছিল, আপোনালোকে আকৌ কেতিয়া আহি আমাক অধিক শিকাবহি? পালক কেইগৰাকীয়ে ধৰিবই নোৱাৰিলে যে এই গৰাকী প্ৰশিক্ষকৰ ভিতৰৰে যি সকলে প্ৰশিক্ষণ দিছিল তাৰ ৩ গৰাকী অশিক্ষিত আছিল!”

নতুনকৈ ক্ষমতা প্ৰাপ্তহোৱা মৌখিক শিকাৰো সকলে, তেওঁলোকৰ সৰহ সংখ্যকেই অশিক্ষিত, আনৰ সৈতে, অতি উৎসাহেৰে বাইবেলৰ কাহিনী সমূহ বাৰ্ত্তালাপ কৰি, জ্ঞানৰ পৰিচয় দাঙি ধৰিছে। প্ৰথম বছৰতেই তেওঁবিলাকে লাভ কৰা সফলতাৰ প্ৰতিবেদন সমূহ পাই আমি ৰোমাঞ্চিত হৈ পৰিছিলো!আত্মিক ফল বিলাকেই শিক্ষা দিয়ে যে “ঈশ্বৰৰ বাক্য শক্তিশালী, আৰু এই বাক্যৰ টোপোলাবোৰতে অৰ্থাৎ কাহিনীবিলাকত গুপ্তহৈ আছে।”

অহ, কিন্তু তথাপি...পত্ৰ বিলাকৰ বিষয়ে কি কয়?

“কেৱল কাহিনীটো” ৰ মৌলিক সুত্ৰ সমূহ বাইবেলৰ যি কোনো অংশতেই প্ৰয়োগ কৰিব পাৰি।

“কেৱল কাহিনীটো”ৰ ১০০ শতাংশ পদ্ধতি ব্যৱহাৰ কৰি কেনেকৈ পত্ৰবিলাকৰ কিছুমান শাস্ত্রাংস, উপস্থাপন কৰিব পাৰি, তাক আমি কৰ্ম্মশালা সমূহত প্ৰদৰ্শণ কৰিছো। উপস্থাপন আৰু প্ৰদৰ্শনৰ বাবে আমি প্ৰায়ে এটা কাহিনী পত্ৰবিলাকৰ পৰা আৰু গীতমালা অৰ্ন্তভুক্ত কৰো। বাইবেলৰ এই অংশসমূহ কাহিনী হিচাবে বৰ পৰিচিত নহয়, কিন্তু আমি প্ৰদৰ্শণ কৰি দেখুৱাও যে পত্ৰবিলাকত থকা বহুতো অংশ, গীতমালা আৰু ভাৱবাদী সকলৰ পুস্তক সমূহ দৃষ্টিসম্বন্ধীয় আৰু কাহিনীৰ মৰ্ম বুজিব পৰা বিধৰ। সেইবাবে,এইবিলাকো “কেৱল কাহিনীটো”ৰ প্ৰক্ৰিয়াৰে ফলপ্ৰসুৰূপে উপস্থাপন কৰিব পাৰি।

গীতমালা এক অধ্যায় পঢ়ক বা শুনক, হয়তো সেই পাঁচটা পদ আপোনাৰ নিচেই পৰিচিত। চকু বন্ধ কৰক। *জ্ঞানী পৰামর্শ দাতাজনক প্রশ্ন সোধক* লক্ষ্য কৰক, গীতমালা এক অধ্যায়ত উল্লেখ কৰা দুবিধ মানুহে কি কৰিছে। যত্নেৰে তেওঁলোকৰ কর্ম্মৰাজি, তেওঁলোকে কি মনোনীত কৰিলে, তাৰ পৰিমান, আৰু প্রভাৱ লক্ষ্য কৰক। ঈশ্বৰে তেওঁলোকৰ্ জীৱনত কি দৰে প্রতিক্রিয়া প্রকাশ কৰিছে, তালৈ লক্ষ্য কৰক। লগতে ঈশ্বৰৰ প্রকৃতি বা স্বাভাবৰ সম্পর্কে কি জানিব পাৰি সেই বিষয়েও চাওক।

আকৌ চকু বন্ধ কৰক। আন এটা পৰিচিত শাস্ত্রাংশ বিবেচনা কৰি চাওঁক।আপোনাৰ মনৰ দৃষ্টিৰে চাওঁক, গীতমালা ২৩ অধ্যায়ত মেৰ ৰক্ষক জনৰ বর্ণনা কি দৰে কৰিছে, কেনেকৈ তেওঁ মেৰবিলাকক যত্নেৰে নিজে চলাই নিয়ে। (ৰমেশৰ কাহিনীটোত আৰু গীতমালা ২৩ অধ্যায়ত আমি যি কলো, তাতোকৈ আপুনি অনেক বেছি শুনিব পাৰিব।) সেই মেৰলৈ মনোযোগেৰে শুনক। গোটেই কাহিনীটো চোৱাৰ পাছতহে, আপুনি পুনৰ ঘুৰি যাওক, আৰু কাহিনীটোত কি লক্ষ্য কৰিলে, তাৰ পৰা প্রয়োগ কৰিব পৰা প্রশ্নসমূহ সোধক। মেৰ স্বৰূপ যি আমি, আমাৰ বাবে, আৰু মহান মেৰ ৰক্ষক যীচুৰ সম্পর্কে, কি প্রযোজ্য হব পাৰে?

যিচয়া ১:১০-২০, ৰোমীয়া ১:১৪-২৫ আৰু যাকুব ১:২২-২৭ পদবিলাকলৈ চাওক, আৰু কাহিনীৰ মর্ম বুজিবলৈ চেষ্টা কৰক। স্বীকাৰ কৰো যে এই শাস্ত্রাংশ সমূহ, এটা মানবিশিষ্ট কাহিনীতকৈ ও অধিক প্রত্যাহ্বানমূলক। এই বিলাকত সংলাপ আছে, আৰু লোকবিলাকে বিশিষ্ট ঘটনাৰ অভিজ্ঞতা লাভ কৰিছে। লাহে লাহে পঢ়ক। মন কৰক, উক্ত চৰিত্র বিলাকে কি কৈছে আৰু কি কৰিছে। তেওঁলোকে কিবা মনোনীত কৰিছেনে? তেনেদৰে মনোনীত কৰাৰ, কিবা ফল বা প্রভাৱ দেখা পাইছেনে?

ঈশ্বৰে স্পষ্টভাৱে, প্রতিটো শাস্ত্রাংশতেই তেওঁৰ প্রকৃতি বা স্বাভাৱ, অনেক প্রকাৰে প্রকাশ কৰিছে। "কেৱল কাহিনীটো"ৰ সূত্র সমূহ ব্যৱহাৰ কৰক। আত্মিক নিৰীক্ষণৰ বাবে আপোনাৰ অনুসন্ধান ঠিক সেই শাস্ত্রাংশৰ ওপৰতে কৰক। এইটো সমাপ্ত কৰাৰ পাছত, কাহিনীটোৰ আৰম্ভনলৈ ঘুৰি যাওক, আৰু বিবেচনা কৰক, কেনেকৈ আপুনি বিচাৰি পোৱা নিৰীক্ষণ, আজি আমি আমাৰ জীৱনত প্রয়োগ কৰিব পাৰো।

গোটেই বাইবেলত আমি তিনিধৰণৰ শাস্ত্রাংশ পাঁওঃ

- কাহিনী শাস্ত্রাংশ
- অর্ধ কাহিনী শাস্ত্রাংশ
- কাহিনী নোহোৱা শস্ত্রাংশ

এই তিনিবিধৰ ভিতৰত কাহিনীযুক্ত শাস্ত্রাংশ সমূহ মনত ৰাখিবলৈ আটাইতকৈ সহজ, যিহেতু কাহিনীটোত থকা কর্ম্ম, মানস পটত ভাঁহি থাকে। কাহিনীবিলাক বাস্তৱ জীৱনত ঘটা ঘটনা। সেইবিলাকত চৰিত্র আছে, বার্ত্তালাপ আছে, কর্ম্ম আছে, মতবিনিময় আছে। ইয়াৰ পৰিনাম স্বৰূপে কাহিনী সমূহ, ছবি বিলাকৰ লগতে

উপভোগ কৰিব পৰা হয়, তেওঁলোকক দেখা পোৱা যায়–আৰু –তেওঁলোকৰ মাত শুনা যায় আৰু অনুভৱ কৰিব পৰা হয়।

অৰ্ধকাহিনীযুক্ত শাস্ত্রাংশ সমূহ শিকিবলৈ বেছি প্রত্যাহ্বান মূলক। দেখাত, এই বিলাক সম্পূৰ্ণ কাহিনী নহয় যদিও, এই বিলাকৰো দৃষ্টি সম্বন্ধীয় অংশবোৰ আছে। সেইকাৰণে আমি যি দেখো আৰু যি শুনো, তাক মনত ৰাখিব পাৰো। অৰ্ধকাহিনীযুক্ত শাস্ত্রাংশ বোৰত কম ভাৱবিনিময় থাকে আৰু বেচিকৈ একোক্তি নাইবা ই বৰ্ণনামূলক হয়। ভাৱবাদী সকলৰ কিতাপ সমূহৰ সৰহ সমখ্যকেই অৰ্ধকাহিনীযুক্ত শাস্ত্রাংশৰ ভিতৰত পৰে। অৰ্ধকাহিনীযুক্ত শাস্ত্রাংশৰ উদাহৰণ সমূহ হলঃগীতমালা ১ অধ্যায়, ৰোমীয়া ১১ অধ্যায় আৰু যাকুব পত্র।

মনত ৰাখিবলৈ আটাইতকৈ কষ্টকৰ শাস্ত্রাংশ সমূহ হল কাহিনী নথকা শাস্ত্রাংশ সমূহ, কাৰণ এই তিনিবিধৰ ভিতৰত এইবিলাকেই ছবি নথকা শাস্ত্রাংশ। এইবিলাক নিৰ্দ্দেশৰ্ণা মূলক একোক্তি, বিষয় বস্তু–থকা শাস্ত্রাংশ। পত্রবিলাকৰ বেচি অংশই কাহিনীনথকা শাস্ত্রাংশ। যদিও পত্রবিলাক কাহিনীনথকা শাস্ত্রাংশ সেইবিলাকো “কেৱল কাহিনীটো”ৰ কৌশলেৰে উপস্থাপন আৰু শিকাব পৰা হয়। ভালদৰে কোৱা কাহিনীয়ে শ্রোতাসকলৰ মনজয় কৰিব পাৰে। পত্রবিলাক প্রৱলভাৱে অনুভুতি পূৰ্ণ ঈশ্বৰৰ পৰা অহা। উপস্থাপনৰ সময়ত শিক্ষক সকলে এই অনুভুতি উপলব্ধি কৰিব লাগিব আৰু সেই অনুভুতি উপলব্ধি কৰি পঢিব লাগিব বা আনক কব লাগিব।পৰিচর্যা কৰোতে, মনত ৰাখিবলৈ কষ্টকৰ,কাহিনী নথকা শাস্ত্রাংশ নিয়ন্ত্রণ কৰিবলৈ হলে, সেইবিলাক ডাঙৰকৈ পঢিব লাগে, আৰু তাৰ পাছত, “কেৱল কাহিনীটো”ৰ সূত্র মতে শিকাব লাগে।

কাহিনী নথকা শাস্ত্রাংশ মৌখিক পদ্ধিতৰে শিকাবলৈ যি সমস্যা, তাক সমাধান কৰিবলৈ, এবাৰত কেইটামান পদহে বাচি লব লাগে। এবাৰত কেইটামান পদ বাচিলৈ শিক্ষা দিয়া কামটো, মানবিশিষ্ট বাখ্যামূলক ঘোষণা কৰা পদ্ধতিও ব্যৱহৃত হয়। সেই পদসমূহ, অনুভূতি সহকাৰে যদি কোৱা হয় আৰু কালানুক্রমে আলোচনা কৰা হয় তেন্তে শ্রোতাসকলে তাক মনত ৰাখিব পাৰিব। প্রসংগ সঙ্গতি ৰাখিবলৈ বাইবেল বার্তাটোৰ চমু পৰিচয় দি, বাচিলোৱা পদসমূহৰ ভিতৰতে আৱদ্ধ থাকি বার্তা দিব লাগে। এইটো অৱশ্যে প্রত্যাহ্বান মূলক।

এইটো কৰিব পৰা হবনে? বাইবেলৰ অন্য শাস্ত্রাংশলৈ নগৈ কেৱল বাচি লোৱা পদকেইটাৰ ওপৰতে আলোচনা কৰিলৈ যথেষ্ট হবন? সেই পদৰ ওপৰত অর্থ প্রকাশ কৰিবলৈ বাইবেলৰ বা বাহিৰৰ উৎস ব্যৱহাৰ থাকিবনে?

হয়, এইটো কৰিব পৰা যায়, আৰু এইটো আমি কর্ম্মশালা সমূহত প্রদর্শণ কৰি দেখুৱাইছো।

একোটা চমু পদক লৈ আমি ঈশ্বৰৰ বাক্যৰ উৰ্বৰতা, উদাহৰণ আৰু প্ৰমান সহ, প্ৰদৰ্শণ কৰিছো। প্ৰথমে আমি এটা চমু পৰিচয় শ্ৰোতা সকলক কওঁ। লগতে কাহিনীটো আলোচনা আৰু বিকাশ কৰিবলৈ, প্ৰসঙ্গটো আৰু প্ৰয়োজনীয় বাইবেল সম্বন্ধীয় বাৰ্ত্তা দিওঁ।আমি কওঁ, "যীচুৱে যিৰূচালেমত, তেওঁৰ অন্তিম বাক্য সমূহ শিষ্যসকলক কৈছিল, যি জেৰুচালেমক প্ৰথম মণ্ডলীৰ বাবে প্ৰধান কাৰ্য্যালয় স্বৰূপ হল। তেওঁৰ শিষ্যসকলে যীচুৰ লগত তিনিবছৰ ধৰি একেলগে অনেক ঠাইত ফুৰিছিল। আনকি যিহূদিয়াৰ এক বিস্তৃৰ্ণ অঞ্চলত, আৰু সমাজে হেয় জ্ঞান কৰা লোকৰ বসতি অঞ্চল চমৰিয়াতো ফুৰিছিল।"

তাৰ পাছত আমি পাঁচনিকৰ্ম্ম ১:৮ পদত থকা 'কাহিনীটো' কওঁ। হয়, আমি ১ পদ দীঘলীয়া কাহিনীও "কেৱল কাহিনীটো"ৰ পদ্ধতিৰে কওঁ। তাত কিমান বিচাৰি পাম আৰু আলোচনা কৰিবলগীয়া আছে, আমি সেই পদটোৰ শেষ ভাগহে সামৰি লওঁ। এই কাহিনীটোৱে সহজে ৩০ মিনিট সময় পুৰ কৰিব। ঈশ্বৰৰ বাক্যত অভ্যস্ত, আৰু যিবিলাকৰ বাবে বাইবেল খন নতুন, সেই সকলো লোকেই আন্তৰিকতাৰে আলোচনাত যোগদান কৰে। বিস্ময়কৰ আবিস্কাৰ আৰু আনকি অশ্রুসিক্ত আত্মিক জ্ঞানও প্রয়োগ কৰা হয়। তাতোকৈ ডাঙৰ কথা হল যে তেওঁলোকে শাস্ত্রাংশ বুজি হৃদয়ঙ্গম কৰি আৰু গৰাকী হৈ কৰ্ম্মশালা এৰি যায়, আৰু তেওঁলোকে কাহিনীটো নিজেই আনৰ লগত মনবিনিময় কৰিব পাৰে আৰু সেইদৰে কৰেও।

পালক আৰু খ্রীষ্টীয়ান শিক্ষাবিদ সকলে, গভীৰ ভাবে এই সম্ভাৱনাটো চিন্তা কৰাৰ প্রয়োজন আছেঃ সাধাৰণতে খ্রীষ্টীয়ান সমাজত চলি থকা, বক্তৃতাদি আৰু বাক্য ঘোষণা কৰি উপস্থাপন কৰা নিয়মতো খুওব ফলপ্রসু বুলি কব নোৱাৰি। বিশেষকৈ বাইবেল সম্বন্ধীয় সত্য সমূহ শ্রোতাবিলাকে আহৰণ কৰাতো, আৰু সেইমতে জীৱনত চলাতো, তাক প্রদান কৰিব নোৱাৰিব। যিবিলাকে বাইবেল শিক্ষা দিয়ে তেওঁলোকে এই পদ্ধতিত থকা, মতবিনিময়, শ্রোতাই নিজে আৱিস্কাৰ কৰা, আদি প্রক্রিয়াটোত সন্নিবিষ্ট কৰা উচিত।

যিবিলাকে "কেৱল কাহিনীটো"ৰ পদ্ধতি ব্যৱহাৰ কৰিছে, তেওঁলোকে জ্ঞানেৰে পাচনিকৰ্ম্মৰ কিতাপ খন শিকাওঁতে পত্রবিলাকৰ পৰা শাস্ত্রাংশ পৰিচয় কৰাই দিছে। এই পালক আৰু শিক্ষক সকলে ভাৱবিনিময় কৰি পাচঁনিকৰ্ম্মৰ কাহিনী সমূহ শিকায়, আৰু এনে কৰোতে, "পাচনিকৰ্ম্মত" উল্লেখিত মিছনেৰী যাত্রাৰ লগত খাপ খোৱা, পত্রবিলাকৰ কথাও আলোচনালৈ আনে। মনত ৰাখিব, যি বিলাক সূত্রই "কেৱল কাহিনীটো" ৰ পদ্ধতি ফলপ্রসু কৰেঃ যেনে, প্রশ্নসোধা আৰু ভাৱবিনিময় কৰি আলোচনা কৰা, আত্মিক জ্ঞান নিৰীক্ষণ কৰা আৰু আত্মিক জ্ঞান প্রয়োগ কৰা এই সকলোবিলাক সূত্র পত্রবিলাকৰ ক্ষেত্রতো প্রযোয্য হয়।

কিন্তু শাস্ত্রপদ আখৰে আখৰে মূখষ্ট কৰাৰ বিষয়ে কি কয়?

মুখষ্ট পদৰ কথা কলে দুটা চিন্তা মনলৈ আহেঃ প্রথমটো হল অতি গুৰুত্বপূর্ণ

প্রয়োজনীয়, আৰু বাইবেলৰ নির্দ্দেশ “আমাৰ হৃদয়ত ঈশ্বৰৰ বাক্য লুকুৱাই ৰাখা” বিষয়টো, আৰু দ্বিতীয়তে, মুখষ্টকৰা আৰু ‘সোঁৱৰণত ৰখা’ এই দুয়োটা কথাৰ পার্থক্যটো কি তাক বস্তুনিষ্ট ভাৱে চোৱাৰ প্রয়োজনীয়তা।

ঈশ্বৰৰ অনুগ্রহত, বহুতো বিশ্বাসীয়েই ‘বাইবেল সোঁৱৰণ কার্য্যসূচী’ ত জটিত হৈছে। এই কার্য্যসূচীত আখৰে আখৰে বাক্য মনত ৰখাত জোৰ দিয়ে আৰু লগতে, পদ-অধ্যায়তো উদ্ধৃতি দিয়ে। আমি যিবিলাকে, যুৱ অৱস্থাত, আমাৰ মন সক্রীহৈ থাকোতে অনেক বাক্য মনত ৰাখিলো, সেই সুন্দৰ বিধিৰ বাবে চিৰদিনে কৃতজ্ঞহৈ ৰম।আমি ইয়াৰ পৰা অতিকৈ উপকৃত হলো। বাইবেলৰ বাক্য সোঁৱৰণত ৰখাৰ প্রত্যাহ্বান বিলাক হলঃ অতি কমলোকেহে বুজন সংখ্যক বাক্য মনত ৰাখিব পাৰে, আৰু বহুত দিনলৈ মনত ৰাখি থবলৈ হলে সঘনাই অভ্যাস কৰা দৰকাৰ।কিন্তু এই হাতপুঠিত দেখুৱাই দিয়াৰ দৰে, আপুনি কাহিনী এটা শিকিব পাৰে, আৰু কেইবাৰ মান কোৱাৰ পাছত, আপুনি দেখিব যে ইয়াক পূর্নবিবেচনা কৰাৰ কোনো প্রয়োজন নহয়। কাহিনীটো ছবিৰ দৰে আপোনাৰ সোঁৱৰণত থাকিব, আৰু ই আপোনাৰ মনত দকৈ সোমাই যোৱা বাবে, ইয়াক দোহাৰি কোৱাতো স্বাভাবিক আৰু সহজ হৈ পৰে।

এটা ৩৭ ঘন্টীয়া “কেৱল কাহিনীটো”ৰ কর্ম্মশালাত, যোগদানকাৰী সকলে কমেও ২১ টা বেলেগ বেলেগ কাহিনী শুনে আৰু সক্রীয়ভাৱে আলোচনা কৰে। আগতে কোৱাৰ দৰে, এটা কাহিনী যেতিয়া পূর্ণবিবেচনা কৰা হয় আৰু কেইবাবাৰো কোৱা হয়, ইয়াক নির্ভুল ভাৱে কব পৰা যায় আৰু জীৱনৰ বাবে মনত ৰৈ যায়। কর্ম্মশালাত আলোচনা কৰা এই ২১টা কাহিনীত ১৪৮ টা পদ আছে!

আচৰিত!বিস্ময়কৰ! ১৪৮ টা পদ শিকি ‘হৃদয়ৰ মোনাত’ জমা ৰাখি, স্বাভাৱিকতে, সময়তো আৰু অসময়তো কবলৈ সমর্থবান হলে, আন অনেক খ্রীষ্টীয়ানতকৈ, ই বাইবেল শিক্ষা দিবলৈ, বহুত ওপৰত ৰাখিব।

মুখষ্ট কৰা আৰু সোঁৱৰণত ৰখা। বেলেগ বেলেগ ভাষাত লিখা বাইবেল বিলাকৰ তুলনা কৰক। সেইবিলাক একেই দেখা যায়নে? বাক্যবোৰ সকলো একেই নে? নহয়। প্রকৃততে, ছপা কৰা বাইবেল বিলাকে বেলেগ বেলেগ আখৰ ব্যৱহাৰ কৰিব পাৰে।বাক্যবিলাক সম্পূর্ণ বেলেগ দেখায়। কোৱা কথাবোৰো শুনিবলৈ সম্পূর্ণ বেলেগ। কিন্তু সেইবোৰৰ এটা কথাত মিল আছে আৰু সেই সার্বজনীয় অর্থটো প্রতিখন বাইবেলতেই একে থকা উচিত। সেইটো কি? হয়। সেইটোৱেই হল...ধাৰনটো..বার্তাটোহে....বাক্যবিলাক নহয়। বার্তাটো কেতিয়াও সলনি নহয়, হয়তো, হব পাৰে বাক্যবিলাকৰ সম্পূর্ণৰূপে সলনি।

“কেৱল কাহিনীটো” ত প্রত্যেককেই অতিশয় সাৱধান হবলৈ কওঁ, সেয়া হলঃ ঈশ্বৰৰ বাক্যৰ লগত কোনো কথা যোগ নিদিব, নাইবা বিয়োগ নকৰিব, নাইবা কাহিনীৰ সঠিক অর্ন্তবস্তু সলনি নকৰিব। এইটো, অসাৱধানতাৰে বাক্য বাচিলে বা মূখৰ কথাৰ সুৰ সলনি বা কর্ম্মৰ দ্বাৰাইও হব পাৰে। বাইবেলৰ কাহিনীবিলাক

বার্ত্তালাপৰ দৰে কবলৈ আমি উদগাওঁ। কিন্তু আটাইতকৈ বেছি গুৰুত্ব দিয়া হয়, ধাৰণাটো বা বার্ত্তাটো যেন কেতিয়াও সলনি নহয়, লাগিলে সেই বার্তা বা ধাৰনা যিমানেই দেখাত গুৰুত্বহীন যেন নালাগক কিয়। ঈশ্বৰৰ বাক্য নিজৰ অন্তৰত সাঁচি ৰখাৰ মৌলিক উপায় হল ইয়াক মুখষ্ট কৰা, সোঁৱৰণত ৰখা। কাহিনী আৰু শাস্ত্রাংশ মনত ৰখাত সঠিক, হব লাগে আৰু লগতে বার্তালাপৰ দৰে কলে আমাৰ সোঁৱৰণৰ বাকচত ই সদায় ৰৈ যাব।

অশিক্ষিত সকলে নিজে বাইবেল অধ্যয়ন কৰি অর্থ প্রকাশ কৰিব পাৰেণে?

কেতিয়াবা কেতিয়াবা, লোকে ভাবে যে শিক্ষিত সকলেহে সমালোচনাত্মাক চিন্তা কৰিব পাৰে। কিন্তু ইয়াৰ বিপৰীতে যিবিলাক শিক্ষিত নহয়, আৰু নহব, তেওঁলোকেহে যুক্তিপূর্ণ বা সমালোচনাত্মক চিন্তাবিদ বুলি ধাৰণা কৰা হয়।

নিশ্চয়কৈ, এনেবোৰ যুক্তিৰ ভিত্তি স্বৰূপে ধাৰণাবোৰৰ আলোচনা অব্যাহত থকা ভাল। বোধহয়, সমালোচনাত্মক চিন্তা আৰু যুক্তিপূর্ণ সংজ্ঞা আৰু এইবোৰৰ শিক্ষা আহৰণৰ ক্ষেত্রত থকা ভুমিকা স্পষ্টভাৱে বুজিলোবাৰ প্রয়োজনীতা আছে। বিশেষকৈ মৌখিক শিক্ষার্থীৰ সংক্রান্তত।

বাইবেলৰ দৃষ্টিকোনৰ পৰা আমি এই সিদ্ধান্তত উপনীত হব পাৰোনেকি যে যুক্তিপূর্ণ ভাৱে চিন্তা কৰাৰ শক্তি কেৱল শিক্ষিত সকলক হে প্রদান কৰা হৈছে?

এই সিদ্ধান্ত যে বিশ্বাসযোগ্য নহয় তাক আমি জানিব পাৰো, কাৰণ সকলো মানুহক ঈশ্বৰৰ প্রতিমূর্ত্তিৰে সৃষ্টি কৰা হৈছিল(আদিঃ১:২৬-২৭)।গতিকে সকলো মানুহকেই মুক্তি ও ভালবেয়া বিবিচনা কৰিবলৈ বৰ প্রদান কৰা হৈছে। আৰু মানুহ পাপত পতিত হোৱাৰ পাছতো ভালবেয়া বিচাৰ কৰিবলৈ বিবেচনা শক্তি আছিল। যদিও তেওঁলোকে সেই বিবেচনা শক্তি ত্যাগ কৰিব পাৰে।(ৰোমায়ী ১:১৯-২৩)।

এইটো উল্লেখ কৰাতো আমোদজনক কথা হব (মার্ক ১২:২৪পদত) যে যেতিয়া উচ্চ শিক্ষিত চদুকী বিলাকে যীচুক ফান্দত পেলাবলৈ তেওঁক এটা প্রশ্ন সুধিছিল, তেতিয়া যীচুৱেও তেওঁলোকক এটা প্রশ্ন সুধিলে, “ধর্ম্মশাস্ত্র আৰু ঈশ্বৰৰ পৰাক্রম তোমালোকে নজনাই তোমালোকৰ ভ্রান্তিৰ কাৰণ নহয় নে?”

আমি জানো যে ধার্ম্মিক চদুকী বিলাকে, ধর্ম্মশাস্ত্রৰ কথাবিলাক ‘জানিছিল’। সেই কাৰণে, যীচুৱে চদুকীবিলাকক, ঈশ্বৰৰ বাক্যৰ আত্মিক অর্থ বুজিবলৈ বিবেচনা শক্তিৰ অভাৱ থকাৰ কথাহে উল্লেখ কৰিছে। কাৰণ এই ধর্ম্মীয় নেতা সকলৰ, আত্মাসম্বন্ধীয় কথাবিলাক চিন্তা কৰিবলৈ, বিবেচনা শক্তিৰ, অভাৱ ঘটিছিল। তেওঁলোকে মৌলিক বার্তাটো বুজি পাবলৈ ব্যর্থ হৈছিল। ফলস্বৰূপে, তেওঁলোকৰ সমালোচনাত্মক চিন্তা আৰু যুক্তিৰ দক্ষতাসমূহ সত্যক উদঘাটন কৰাত ব্যার্থ হৈছিল।

আগতে উল্লেখ কৰাৰ দৰে, আমি দেখা পাওঁ যে ধর্ম্মশাস্ত্র হৈছে সমাজ ব্যৱস্থাৰ ওপৰত। "কেৱল কাহিনীটো"ৰ পদ্ধতি ব্যৱহাৰ কৰা কাহিনীকওঁতা সকলে আৱিস্কাৰ কৰিছে যে যেতিয়ালৈকে তেওঁলোকে পৰিচয়মূলক আৰম্ভনীত, প্রয়োজনীয় কথা বিলাক দাঙি ধৰে, তেতিয়ালৈকে বাইবেলৰ কাহিনী সমূহৰ পৰা অসংখ্য সম্পদ শ্রোতা সকলে বিচাৰি উলিয়াব পাৰিব, তেওঁলোকৰ শিক্ষা থাককেই বা নাথাক বা পটিবলৈ সমর্থ হওকেই বা নহওক।

পাচনি কর্ম ৪:১৩ পদত পাওঁ যীচুৱে মনোনীত কৰা কেইজন মান শিষ্যৰ শিক্ষাগত পটভূমিৰ বিষয়ে আমাক মনত পেলাই দিয়ে। ইয়াত দেখা পাওঁ যে পিতৰ আৰু যোহনে, চদুকী আৰু আন ধর্ম্মীয় নেতা সকলক যীচুৰ বিষয়ে সজোৰে বাক্য ঘোষণা কৰি ক্রোধান্বিত কৰিছিল। সেই কাৰণে সেই ধর্ম্মীয় নেতাসকলে তেওঁলোক দুয়োজনকে আটক কৰিবলৈ আদেশ জাৰি কৰিছিল। আৰু তাৰ পাছত মহাসভাৰ আগলৈ প্রশ্নৰ উত্তৰ দিবলৈ আনিছিল। পিতৰে, পবিত্র আত্মাৰ দ্বাৰাই চালিতহৈ এক যুক্তিপূর্ণ আৰু শৃঙ্খলাযুক্ত বাক্য ধর্ম্মীয় নেতা আৰু যীচুৰ বিষয়ে ঘোষণা কৰিলে। আৰু এই বার্ত্তাই উচ্চ শিক্ষিত বন্দী কৰোতা সকলক হতভম্ব কৰিলে।

মহাসভাত থকা লোকবিলাক পিতৰৰ বাক্যৰ দ্বাৰা প্রভাম্বিত হৈছিলঃ "তেতিয়া পিতৰ আৰু যোহনৰ এনে সাহ দেখি আৰু তেওঁলোক অপণ্ডিত সমান মানুহ যেন বুজি, তেওঁলোকে বিস্ময় মানিলে, আৰু তেওঁলোক যীচুৰ সঙ্গী আছিল বুলি তেওঁলোকক চিনি পালে"(পাচনি কর্ম্ম ৪:১৩)

আজিৰ দিনত এনে ঘটেনে? শিক্ষাগত অর্হতা নথকা যীচুৰ শিষ্য সকলে মনোযোগেৰে ঈশ্বৰৰ বাক্য শুনেনে? আৰু তাৰপাছত যুক্তিপূর্ণ ভাৱে নিগূঢ় তত্ব আৱিস্কাৰ কৰি আনক শিকায়নে?

মিছন ক্ষেত্রৰ পৰা প্রতিবেদনে হয়তো এই প্রশ্নৰ উত্তৰ দিব পাৰে

ঈশ্বৰৰ বাক্যই হৃদয়ৰ গোপন অংশত কথা কয়।কেতিয়াবা কেতিয়াবা পশ্চিমীয়া দেশৰ "কেৱল কাহিনীটো"ৰ প্রশিক্ষক সকলে গাৱলীয়া পৰিবেশত প্রশিক্ষন দিয়াৰ সুযোগ পায়, নাইবা এই পদ্ধতি ব্যৱহাৰ হোৱা দেখা পায়। আমি কেইজন মান পশ্চিমীয়া দেশৰ প্রশিক্ষকে, কেনিয়াৰ 'ইকালাকালা'ৰ গাঁৱত পৰিদর্শণ কৰিছিলো। আগতে আফ্রিকাৰ "কেৱল কাহিনীটো"ৰ প্রশিক্ষক সকলে সেই গাঁৱত পৰিচর্যা কৰিছিল, আৰু কাহিনী সমূহ ব্যৱহাৰ কৰিছিল, আৰু "কেৱল কাহিনীটো"ৰ পদ্ধতিৰে বিশ্বাসীসকলক প্রশিক্ষণ দিছিল।

আমাৰ পথদর্শক জনে কৈছিল, "আমি প্রথম যেতিয়া ইয়ালৈ আহিছিলো, "মণ্ডলী" য়ে গান গাইছিল, হাততালি দিছিল, বাক্য কৈছিল আৰু হয়তো এটা শাস্ত্রপদ পটিছিল–বচ ইমানেই!বিশ্বাসী সকলে বাইবেলৰ বিষয়ে খুউব কমহে জানিছিল। এতিয়া এই পালক সকলে, পৰিত্রাণ আৰু বৃদ্ধি, দেখিবলৈ পাইছে।"

আমি যি দেখিলো তাত আমাৰ লগ লওক

ইকালাকালা গাঁৱৰ গির্জাঘৰটো প্ৰবেশ কৰিলো, আপুনি চিমেন্টৰ টুকুৰা, চালত টিন পাত দেখা পাব। আপুনি দেখিব এই গীর্জাঘৰ, কাম্বা গোষ্ঠীৰ ৬০ গৰকী ব্যক্তিয়ে পূৰ হৈ আছে। গীর্জাঘৰৰ বেঞ্চত ১৫ গৰাকী পালক। তেওঁলোকে ১১টা মণ্ডলীক প্ৰতিনিধিত্ব কৰিছে। এওঁলোক সকলোৰেই কার্য্যসূচী আৰম্ভ হোৱালৈ বাট চাই আছে।

আপুনি দেখা পাব, তিৰোতা বিলাকে পিন্ধা ৰঙ-বিৰঙৰ পোচাক সমূহ আৰু টুপী বিলাক, আৰু পুৰুষ বিলাকে পিন্ধা তেওঁলোকৰ আটাইতকৈ সুন্দৰ কোট আৰু টাই সমূহ। আপুনি ভালদৰে লক্ষ্য কৰিলে দেখাপাব সৰহ ভাগ কোটেই বেলেগ বেলেগ জোখৰ, অতি ডাঙৰ আৰু ক্ষীণকায় মানুহবিলাকৰ গাত যেন ওলমি আছে। তাৰ পাচত দেখিব ওৱলি যোৱা হাতৰ কাপোৰ আৰু পায়জামাবোৰ পাতল, ঢিলাহৈ গৈছে। আপুনি ভাৱিছে-"কোনে জানে দেওঁবৰীয়া এই পোচাকবোৰ কিমান জন ব্যক্তিয়ে আগতে ব্যৱহাৰ কৰিলে!"

আপোনাক কোৱা হৈছিল যে এই বৈঠক ৪ বজাৰ লগে লগে সমৰণি পৰিব, যাতে লোকবিলাকে 'হিপপটামাচ' বিলাক ওলাই অহাৰ আগতেই নদীখন পাৰহৈ যাব পাৰে। তাৰোপৰি, অধিক সংখ্যক মণ্ডলীৰ লোকেই ৪ঘন্টা ধৰি খোজকাঢি ঘৰলৈ যাব লগীয়া হয়। তেওঁলোকৰ ঘৰবিলাক ঘূৰণীয়া আৰু মাটিৰে সজা জুপুৰি ঘৰ!

সেই সভাত, এগৰাকী আফ্রিকাৰ দেশৰ লোকে আদিঃ৩৫:১-৫ পদলৈ কবৰ বাবে ও আলোচনা বাবে নিজকে যুগুত কৰিছে। ইয়াক 'স্বাহিলি' ভাষাত উপস্থাপন কৰিব আৰু কাম্বা ভাষালৈ অনুবাদ কৰিব। আপুনি পাছৰ বেঞ্চত বহিছে, আৰু আফ্রিকাৰ অনুবাদকজনে, কি ঘটিছে তাক ইংৰাজীতে আপোনাক কৈছে।

লোকবিলাকে আলোচনা কৰিছিল কেনেকৈ ঈশ্বৰে যাকুবক বহুত দিন ধৰি ৰক্ষনা-বেক্ষণা দিছিল, আৰু এতিয়া ঈশ্বৰে যাকুব আৰু তেওঁৰ পৰিয়ালক 'বেথেললৈ' ঘূৰি যাবলৈ আহ্বান কৰিছে, যি বেথেলত যাকুবে ঈশ্বৰৰ লগত সন্মূখাসন্মূখি হৈছিল।

"এতিয়া সিহঁতে আলোচনা কৰিছে যে যাকুব এজন ভাল আত্মিক নেতা, আৰু তেওঁ নিজৰ পৰিয়ালক পবিত্র কৰিবলৈ মূর্তিবিলাক ত্যাগ কৰিবলৈ কৈছে। তেওঁলোকে যাকুবক "ঈশ্বৰৰ বাধ্য লোক" বুলি কৈছে।

"কাহিনীকওঁতা জনে ঠিক সুধিছে, 'যাকুবে এই কাহিনীটোত এতিয়াহে এজন ভাল নেতা হৈছেনে, আগৰ পৰাই এজন ভক্তিপূর্ণ নেতা আছিল? আৰু তাৰ পাছত তেওঁ সুধিলে, "যাকুবে মূর্ত্তিবিলাক গোটাই লৈ কি কৰিলে? তাৰ পৰা কিবা জানিব পৰা যায়নে?'

লোকবিলাকক নিজৰ মাজতে, যুক্তিতর্ক কৰা দেখা গল।

কিছু সময়ৰ পাছত আপোনাৰ অনুবাদক জনে, আপোনাৰ কাণে কাণে ফুচফুচাই কলে, "তেওঁলোকে এতিয়া কাহিনীটোত, আৰু অধিক কিবা এটা দেখা পাইছে। তেওঁলোকে কৈছিল, যাকুবে তেওঁৰ পৰিয়ালৰ সকলো মূৰ্তিবিলাক গোটাই সেই বিধৰ্মী বস্তুবিলাক এজোপা ওক গছৰ তলত, চিখিমত লুকুৱাই থলে! তেওঁ ঠাইডোখৰ চিন দি ৰাখিলে! এতিয়া লোকবিলাকে যাকুবৰ লুভীয়া স্বভাৱৰ কথা চৰ্চা কৰিছে। তেওঁ, ঈশ্বৰে যে যোগাব, সেই কথাও ভাৰষা নকৰিলে!

"তেওঁ এজন আপোচ কৰোতা, এৰা ধৰা কৰি চলা লোক!কাৰণ তেওঁ পৰিয়ালৰ মূৰ্তিবোৰ ৰাখিবলৈ অনুমতি দিলে" সিহঁতে কৈছে। এজন লোকে এনেদৰে কলে, "তাত থকা বস্তুৰ ভিতৰত কাণফুলিও আছিল। সেই কাৰণে যাকুবে নিশ্চয় তেওঁৰ ঘৰত মূৰ্তিবোৰ ৰখাৰ আগতেই তাক জানিছিল।"

মণ্ডলীৰ সমবেত লোকবিলাকে যাকুবৰ কৰ্ম্মকাণ্ড আলোচনা কৰি থকাৰ সময়তে, এগৰাকী ভদ্ৰ মহিলাই থিয়হৈ আৰু উত্তেজনাৰে অঙ্গি-ভঙ্গি দেখুবাই কান্দা ভাষাতে কিবা এটা কৈ আছিল।

তোমালোকৰ অনুবাদকে ফুচফুচাই কৈছে, "ভদ্ৰ মহিলা গৰাকীয়ে কৈছে,'আমি এতিয়া খ্ৰীষ্টীয়ান, কিন্তু তথাপিও আমাৰ তাবিজ আৰু পূজ্য দেৱতাবোৰ লুকুৱাই ৰাখিছো। আমি সেইবোৰ লুকুৱাই ৰাখিব নেলাগিব। আমি সেইবোৰক নিশ্চয় ধ্বংস কৰিব লাগিব।

তাৰ কেইমিনিটমানৰ পাছত এজন শকত-আৱত মানুহ থিয় হল, আৰু গুম গুম শব্দ কৰি কিবা এটা ডাঙৰকৈ কলে, এই কথাত তাত থকা সকলোৱে সন্মতি প্ৰকাশ কৰিলে।

সিনো কি কলে, তাক জানিবলৈ আপুনি উৎকণ্ঠিত হৈ আছিলে। সেই কাৰণে আপুনি খৰধৰকৈ হাউলি দোভাষীৰ কাণত পৰা সুধিলে, "তেওঁ কি কৈছে? দোভাষী জনে মানুহজনক কোৱা সকলো কথা শুনিবলৈ বাট চাই আছিল, আৰু তাৰ পাছত ফুচফুচাই কলে, "এই মানুহ জনে এই বুলি কৈছে, 'মই'মোৰ পৰিয়াল শাসন কৰো। মই যি কওঁ, সিহঁতে তাকে কৰে। কিন্তু মই যাকুবৰ দৰে তেওঁলোকক আত্মিকৰূপে পৰিচালনা কৰা নাই। মই নিশ্চয়ে পৰিবৰ্তন হব লাগিব।"

(সেই দিনা, সেই বাইবেল কাহিনীটোত, মণ্ডলীৰ সকলোৱেই যাকুবৰ ভণ্ডামি আৱিস্কাৰ কৰিলে। পুৰুষ আৰু তিৰোতা যি কেইজনে থিয়হৈ কথা কৈছিল, দুয়োগৰাকী ব্যক্তিয়েই নিজৰ পাপবিলাক দেখা পালে।

আৰু সেই দিনাই, আমি ঈশ্বৰৰ কাহিনীৰ অলৌকিক শক্তি দেখা পালো। এই অশিক্ষিত মৌখিক আদান-প্ৰদান কৰোতা সকলে গভীৰ সত্য বিচাৰি পালে, আৰু নিজৰ জীৱনত প্ৰয়োগ কৰিলে। এইটো কৰিবলৈ মিছনেৰী সকলক হয়তো বহুবছৰ লাগিল হেতেন।)

কেতিয়াও পলম নহয়, কেতিয়াও নেহেৰুৱায়।নেপালৰ নাৱাল পাৰাচী জিলাত এগৰাকী বেজ আছিল। তেওঁ জীৱনৰ ৬৬ বছৰৰ ভিতৰত কেতিয়াও পটিবলৈ নিশিকিলে-অথচ তেওঁ শ শ লোকক নিয়ন্ত্রণ কৰিছিল, সেই লোক বিলাকে তেওঁলৈ বিস্ময় আৰু ভয়েৰে চাইছিল।৬০ বছৰ বয়সৰ পৰাই তেওঁ যীচুৰ বিষয়ে শুনিছিল, কিন্তু যীচুক যে তেওঁৰ প্রয়োজন আছিল, তাক তেওঁ ভবা নাছিল।নিশ্চিত ভাৱে, তেওঁ যীচুৰ নামত প্রার্থনা কৰা লোকবিলাকৰ কথা আৰু তেওঁলোকৰ প্রার্থনাৰ উত্তৰ পোৱা কথাও শুনিছিল। কিন্তু আত্মাবিলাকে এই বেজক সহায় কৰিছিল, গতিকে যীচুৰ সহায় তেওঁক কিয় লাগে?

এদিন এই লোকজনৰ নাটিটোৰ বেয়াকৈ অসুস্থহৈ পৰিল। প্রায় মৰো মৰো অৱস্থা হল। সেই বেজ জনে মন্ত্র মাতিলে আৰু লৰাটোক সুস্থ কৰিবৰ বাবে আত্মাবোৰক কাকুতি-মিনতি কৰিলে, কিন্তু লৰাটো সুস্থ হৈ নুঠিল, অৱস্থা আৰু বেয়ালৈহে গল। অৱশেষত, হতাশাত ভূগি, সেই বৃদ্ধজন যীচুৰ অনুগামী সকলৰ ওচৰলৈ গল। আৰু লৰাটোৰ বাবে প্রার্থনা কৰিবলৈ অনুৰোধ জনালে। তেওঁলোকে প্রার্থনা কৰিলে, ৰোগ আঁতৰি গল আৰু লৰাটো সুস্থহৈ উঠিল। কিন্তু, তথাপিও সেই বৃদ্ধজন যীচুৰ অনুগামী নহল। বৃদ্ধজনে বেজালি কৰিয়েই জীৱন নিবাস কৰি থাকিল।

তিনিমাহৰ পাছত, এই বৃদ্ধজনৰ ভার্য্যাই, তেৱোঁ এগৰাকী বিশ্বাসী আছিল, "কেৱল কাহিনীটো"ৰ এটা কর্মশালাত যোগদান কৰিছিল। আবেলি তেওঁ ঘৰলৈ ঘূৰি আহি নিজৰ স্বামীক, সেই কর্ম্মশালাত শিকি আহৰণ কৰা এটা কাহিনীৰ কথা কলে।

২ৰাজাৱলি ৫ৰ পৰা নামানৰ কাহিনীটো নেপালীয়ে কৈছিল আৰু যোগদানকাৰী সকলে আলোচনা কৰিছিল। তেওঁলোকে জানিবলৈ পালে যে নামান, চিৰিয়া দেশৰ সৈন্য বাহিনীৰ সেনাধ্যক্ষ আছিল, আৰু তেওঁৰ কুষ্ঠৰোগ আছিল। আৰু যদিও, চিৰিয়া, ইস্রায়েলৰ শত্রু আছিল, তথাপি যেতিয়া নামানে শুনিবলৈ পালে যে ইস্রায়েলৰ এজন ভাৱবাদীৰ দ্বাৰাই তেওঁ সুস্থ হব পাৰে, তেতিয়া নামানে নিজৰ ঘোৰাবোৰ আৰু ৰথে সৈতে ইস্রায়েললৈ আহিল, কিন্তু নামান যেতিয়া ভাৱবাদী ইলীচাৰ ঘৰলৈ গল, ইলীচাই, নামানে শাশা কৰাৰ দৰে কাম নকৰিলে। প্রকৃততে ভাৱবাদী জনে নামানক অভিনন্দন জনাবলৈও ওলাই নাহিল! তাৰ পৰিবর্তে, তেওঁৰ দাস জনহে ওলাই আহিল আৰু ভাৱবাদীজনৰ পৰামর্শ নামানক জনালে যে স্থানীয় এখন নদীত তেওঁ ৭ বাৰ জোবোৰ মাৰিব লাগে,তেতিয়া তেওঁ সুস্থ হব। নামানে ক্রোধত সেই ঠাই এৰি গুচি গল।তেওঁ কলে যে ভাৱবাদী জনে তেওঁৰ বাবে বেলেগ কিবা এটা কৰিব বুলি আশা কৰিছিল, "দম্মেচকত থকা আবামা আৰু ফাৰপা নদী জানো ইস্রায়েলৰ আটাই জলত কৈ উত্তম নহয়? মই জানো সেইবোৰত জোবোৰ মাৰি শুচি হব নোৱাৰিম?"

নামানৰ দাসবিলাকে অনুৰোধ কৰাৰ পাছতহে, নামান সন্মত হল। তেওঁ নদীলৈ গল, সাতবাৰ ভাৱবাদীয়ে কোৱাৰ দৰে জোবোৰ মাৰিলে-আৰু লগে লগেই তেওঁ সুস্থ হল।

এই বেজ জনে এই কাহিনীটো শুনাৰ পাছত, তেওঁৰ ভার্যাক কলে, "ময়েই নামান! মোৰ অহঙ্কাৰেই মোক যীচুৰ অনুগামী হবলৈ বাধা জন্মাইছে।"

পাছদিনা, সেই বেজ জনে, তেওঁৰ ভার্যাৰ সহিত কর্ম্মশালালৈ গল। তাতে তেওঁ এজন প্রশিক্ষকক কলে, "মই যীচুৰ অনুগামী হবলৈ বিচাৰো" তেওঁক পৰামর্শ দিয়া হল, তাৰ পাছত তেওঁ পৰিত্রাণৰ বাবে প্রার্থনা কৰিলে। পাছত, এই অশিক্ষিত বৃদ্ধ লোকজনে, যি জনে অতি প্রাকৃত জগতত জীৱনৰ সৰহ সময় কটালে, তেওঁ সুধিলে, মহাশয় যি অলপতে ঘটিল তাক গোটখোৱা লোকবিলাকৰ আগত কব পৰা হবনে? তেওঁৰ বক্তব্য এনে ধৰণৰ আছিলঃ

"নামান এগৰাকী অহঙ্কাৰী লোক আছিল, আৰু সেই অহঙ্কাৰৰ বাবে তেওঁ, সুস্থতা, প্রায়ে হেৰুৱাৰ উপক্রম হৈছিল। মইও এজন অহঙ্কাৰী লোক। মই বহুত বছৰ আগতেই জানিছিলো যে মই যীচুৰ অনুগামী হব লাগে, কিন্তু তাক মই স্বীকাৰ কৰা নাছিলো। লোকবিলাকে মোক সন্মানেৰে চাইছিল আৰু মই সেই সন্মান হেৰুৱাব খোজা নাছিলো, যদিও ঈশ্বৰে মোৰ নাতি লৰাটোক সুস্থ কৰি দিলে। মোৰ অহঙ্কাৰৰ নিমিত্তে, মই মোৰ পৰিত্রাণ হেৰোৱাব লগা হৈছিল। কিন্তু এতিয়া মই যীচুৰ অনুগামী হলো।"

নিশ্চিত ভাৱে যিকোনোৱে, শিক্ষিত বা অশিক্ষিত হওক, বাইবেলৰ আত্মিক জ্ঞান আৱিস্কাৰ কৰে, তাৰ বাবে পবিত্র আত্মাকেই প্রথমে ধন্যবাদ দিব লাগিব। এই প্রাক্তন বেজ গৰাকীয়ে, বাইবেলৰ কাহিনী শুনাৰ পাছত, নিজৰ যুক্তিৰ দক্ষতা সমূহ দেখা পালে। সেই আবিস্কাৰৰ গভীৰতাই শিক্ষাকো অতিক্রম কৰিলে।

আমোদজনক ভাৱে, এই সকলো প্রচাৰ ক্ষেত্রৰ প্রতিবেদনৰ মতে, যিবিলাক লোকে পৰিচর্যা কৰিছিল, আৰু কর্ম্মশালা সমূহক নেতৃত্ব দিছিল, তেওঁলোক ২য়,৩য় আৰু চতুর্থ পুৰুষৰ, থলুৱা "কেৱল কাহিনীটো"ৰ প্রশিক্ষকহে আছিল। এই সকলোৱেই মৌখিক বার্তালাপ সমাজ ব্যৱস্থাৰ পৰা অহালোক, আৰু তেওঁলোক প্রথম পুৰুষ, গাৱঁলীয়া আছিল।

কমেনটেৰী (Commentary)ব্যৱহাৰৰ ক্ষেত্রত কি কয়?

ধর্ম্মশাস্ত্র অধ্যয়ন কৰোতা সকলৰ বাবে 'গ্রন্থৰ টীকা' এক জ্ঞানৰ সম্ভাৰ। যুগ যুগ ধৰি খ্রীষ্টীয়ান সকলে ইয়াৰ দ্বাৰা লাভান্বিত হৈ আহিছে, কেৱল ভক্তিপূর্ণ পুৰুষ আৰু তিৰোতাৰ কথিত আত্মিক জ্ঞানৰ দ্বাৰাই নহয়, কিন্তু তেওঁলোকে লিখিত ভাৱে এৰি থৈ যোৱা আত্মিক জ্ঞানৰ পৰাও এনেদৰে উপকৃত হৈছে।কিছু কিছু ক্ষেত্রত, গ্রন্থৰ টীকা লিখোতা জনৰ মন্তব্য অনুসন্ধান কৰিলে, কোনো জনে ব্যক্তিগতভাৱে নিজৰ

মনৰ ভাৱ প্ৰকাশ কৰি কৰা কথালৈ, শুনি থকা যেন লাগে। কিন্তু সেই বাৰ্তা গ্ৰহণ কৰাৰ এটা সুক্ষ্ম পাৰ্থক্য এইটো হব পাৰেঃ আমি প্ৰকাশিত লিখিত শিক্ষা বিলাক, বিশেষভাৱে নিৰ্ভুল বুলি ভাবো। এইটো সত্য যে এখন গ্ৰন্থৰ টীকা প্ৰকাশ কৰাৰ আগতে বহুত সময়, দিবলগীয়া হয়, অধ্যয়ন কৰিব লগীয়া হয়, আৰু সাধাৰণতে, কিবা প্ৰকাৰৰ ত্ৰুটিও থাকি যায়। যিকি নহওক, উৎসটো যৰে পৰাই নাহক, ই অনেক লোকৰ মন্তব্য বা লিখিত বাৰ্তা হব পাৰে কোনটো সত্য এই দুয়োকো বাইবেলৰ শাস্ত্ৰৰ বাক্যৰ দ্বাৰাহে প্ৰমাণিত হব লাগিব।

আমাক যি শিকোৱা হয়, তাক তথ্য সহকাৰে প্ৰতিপন্ন কৰিবলৈ প্ৰভুৱে আমাক দেখুৱায় দিয়ে।

"পাছে ভাই বিলাকে পলম নকৰি, ৰাতিয়ে পৌল আৰু চীলক বিৰয়া নগৰলৈ পঠাই দিলে।...থিচলনীকীৰ লোকতকৈ এওঁবিলাকৰ সুমতি আছিল, কিয়নো তেওঁলোকে সম্পূৰ্ণ আগ্ৰহেৰে বাক্য গ্ৰহণ কৰি এয়ে হয় কি নহয়, তাকে জানিবলৈ নিতৌ নিতৌ শাস্ত্ৰ আলোচনা কৰিলে।" (পাচনিঃ১৭:১০,১১)

বিৰয়া নগৰৰ এইলোকবিলাকক প্ৰশংসা কৰা হৈছিল। কাৰণ তেওঁলোকক যি শিক্ষা দিয়া হৈছিল, সেয়ে সত্য হয়নে নহয়, তাক শাস্ত্ৰৰ লগত, সত্যসহকাৰে প্ৰমাণিত কৰিবলৈ শাস্ত্ৰ অধ্যয়ন কৰিছিল। বিৰয়া নগৰৰ বিশ্বাসী সকলে, শাস্ত্ৰত লিখা কথাই, শেষ সিদ্ধান্ত বুলি প্ৰমান কৰিছিল। আপুনি ঠিকেই কৈছে! পাঁচনি পৌলৰ শিক্ষাক!

আজিও আমি, এই উদাহৰণকেই অনুকৰণ কৰি, সকলো বাৰ্তা, বাইবেলৰ বাক্যৰ লগত জুখিব লাগিব-সেয়ে কোনো ব্যক্তিৰ বা কোনো লিখিত টীকাৰ বা আন যিকোনো লিখিত সামগ্ৰীৰ পৰাই হওক, বাইবেলত লিখা কথাই শেষ সিদ্ধান্ত হব লাগিব।

যি বিলাক লোকৰ (লিখিত) শাস্ত্ৰ পাঠিবলৈ উপায় আছে তেনেলোকক কাহিনীৰ যোগেদি পৰিচৰ্যা কৰোতে, আলোচনাৰ শেষত, শ্ৰোতাসকলক, কাহিনীৰ সম্বন্ধ থকা শাস্ত্ৰপদ বিলাক দিবলৈ নাপাহৰিব। শাস্ত্ৰপদবিলাক পালে, শ্ৰোতাসকলে, আপুনি শিকোৱা আৰু আপোনাৰ সৈতে আলোচনা কৰা কথাবিলাকৰ নিৰ্ভুলতা, প্ৰমান কৰিব পাৰিব।

আফ্ৰিকাৰ এখন ডাঙৰ সভাত, প্ৰত্যেকেই কাহিনীসমূহৰ সফলতা আৰু "কেৱল কাহিনীটো"ৰ মৌখিক পদ্ধতিৰ বিষয়ত প্ৰশংসা কৰি আছিল। এজন আগ্ৰহী(অলপ সুবিধাবাদীও)কাহিনী সমূহৰ শিক্ষা আহৰণ কৰি থকা যুৱকে এটা আমোদজনক প্ৰশ্ন সুধিছিল। তেওঁ কৈছিল, "আপোনালোকে আমাক গ্ৰন্থৰ টীকা (Commentary)পঠিয়াব পাৰিবনে?" প্ৰথম অৱস্থাত মই বিস্মিত হৈ চক খাই গলো। পাছে মই সহাঁৰি দি কলো, "সেইটো আয়োজন কৰিব পৰা হব।" মই হাঁহি

কলো, “আপুনি যেতিয়া গোটেই ২১০ টা কাহিনী শিকি শেষ কৰিব, তেতিয়া আমাৰ লগত যোগাযোগ কৰিব। সেই ধৰণেই, আপুনি গ্ৰন্থৰ টীকাত থকা বার্ত্তাৰ সত্যতা নিৰূপন কৰিবলৈ সক্ষম হব। (মৌখিক বাইবেল স্কুলৰ ছাত্ৰ-ছাত্ৰী বিলাকে এতিয়া ২৯৬টা কাহিনী শিকে।)

কোনো কোনো খ্ৰীষ্টীয়ান সমাজত, অভিমত দিওঁতা সকলৰ (commentators) মন্তব্যক, শাস্ত্ৰই সকলভাৱে কোৱা বাক্যতকৈ বহু ওপৰত ৰাখিব খোজে। বহু সময়ত, লোকবিলাকে, বাক্য বুজিবলৈ , অভিমত দিওঁতা সকলৰ ওপৰত নির্ভৰ কৰে। কাৰণ এই শিকাৰো সকলৰ, ঈশ্বৰৰ বাক্য নিজে অধ্যয়ন কৰিবলৈ ইচ্ছা শক্তি নাই বা আত্মবিশ্বাসো নাই। বৰঞ্চ, বাইবেল, অধ্যয়ন কৰি শিকাতকৈ, তেঁওলোকে শিক্ষিত সকলৰ আৰু ঈশ্বৰ তত্ব জনা লোকৰ প্ৰকাশিত দৃষ্টিভঙ্গিকহে সত্যৰূপে সন্নিবিস্ত কৰে।

আমি নিশ্চয়কৈ এই ভুল ধাৰণাৰ স্বীকাৰ হব নেলাগিব যে যদিও বাইবেল খন সাধাৰণ মানুহ বাবেই হয়,ইয়াৰ নিগূঢ় তত্ব আৰু মহামূল্য সম্পদ বিলাক কেৱল শিক্ষিত বাইবেল শিক্ষা থকা লোকেহে বুজিব পাৰে। আমি নিশ্চিত ভাবে এই কথাটো জানিব লাগিব যে ঈশ্বৰৰ বাঞ্চা এইযে সকলোলোকে গভীৰ আত্মা সম্বন্ধীয় সত্যসমূহ জনাৰ অধিকাৰ আছে। কেৱল নিয়মিত ৰূপে শিক্ষা আহৰণ কৰিবলৈ সুযোগ পোৱা এমুঠি বিশেষ শ্ৰেনী লোকৰ বাবে নহয়।

এক অর্থত, বাইবেলৰ কাহিনী এটাৰ বিষয়ে আলোচনাত যোগদান কৰাতো লিখক সকলে ‘গ্ৰন্তৰ টীকা’ত দিয়া বহুমূলীয়া বার্তাসমূহ উপভোগ কৰাৰ নিচিনাই হয়। সেয়ে যি নহওক, আলোচনা চলি থকা সময়ত কোনোৱে যদি কাহিনীটোৰ বিষয়ে কিবা মত আগবঢায়, সেইটো শুদ্ধ হবও পাৰে বা নহবও পাৰে, আমাৰ সুধিবলৈ স্বাধীনতা আছে, “কাহিনীটোৰ কোন অংশত সেইকথাটো আছে চাবলৈ মোক সহায় কৰিব নে?” ঠিক সেই একে দৰে, ‘গ্ৰন্থৰ টীকা’ ত দিয়া বার্তা সমূহৰ বিশুদ্ধতা প্ৰমাণ কৰিবলৈ তেনে স্বাধীনতা অনুভৱ কৰি সেই একে প্ৰশ্নকেই সুধিবলৈ আমি উদগণি দিওঁ।

প্ৰকৃতত্তে, কোনো এটা শাস্ত্ৰাংশৰ অর্থৰ বিষয়ে কোনোবাই যেতিয়া এটা পৰামর্শ দিয়ে, তেওঁলোকে বাস্তৱতে, এগৰাকী অভিমত দাঙি ধৰোতাৰ ভূমিকা পালন কৰে। সেই কাৰণে, যিকোনোৱে কোনো মত আগবঢায়, লাগিলে তেওঁ এজন নবীচ, বা নতুন শিকাৰো হব পাৰে, নাইবা এগৰাকী উচ্চ শিক্ষিত বাইবেল প্ৰশিক্ষণ প্ৰাপ্ত ব্যক্তি হব পাৰে যি গৰাকীয়ে বহুবছৰৰ অধ্যয়নৰ ফল, দাঙি ধৰিব পাৰে, আমাৰ সকলোৰে এটা দায়িত্ব আছে।

দশম অধ্যায়ঃ *কেৱল কাহিনীটোৰ* পদ্ধতিত

কাহিনী কওঁতা সকলৰ শ্রেনীবিভাগ

বৃত্তিধাৰীলোক। সকলো কর্ম্মশালাতেই, যোগদানকাৰী সকলে প্রশিক্ষণ পায় আৰু ব্যক্তিগত প্রশিক্ষকৰ দ্বাৰা প্রশিক্ষণ দিয়া হয়। আমাৰ দায়িত্ব আৰু আনন্দ হল কেনেকৈ "কেৱল কাহিনীটো"ৰ পদ্ধতিত শিক্ষা দিব লাগে, সেই বার্ত্তাটো হস্থান্তৰ কৰাটো। শিকাৰো সকলে "কেৱল কাহিনীটো"ৰ ধাৰণা বিলাক অভ্যাস কৰিব লাগিব আৰু তেওঁলোকৰ দক্ষতা, কার্য্যক্ষমতা সুন্দৰ কৰিব লাগিব।

"কেৱল কাহিনীটো"ৰ কর্ম্মশালাত যোগদান কৰা এজন ব্যক্তি "বৃত্তিধাৰী" লোক আছিল। সেইটো সদৰী হোৱাৰ পাছত, সৰহ সংখ্যক যোগদান কৰিয়েই এই পদ্ধতিৰ 'ধাৰণা' বিলাক ভালদৰে ব্যৱহাৰ কৰিবলৈ সমর্থবান হল, আৰু তেওঁলোকৰ প্রভালশালী সমাজৰ মাজলৈ গৈ তেওঁলোকে আলোচনাৰ জড়িয়তে, সফলতাৰে বাইবেলৰ কাহিনী সমূহ কয়, আৰু সত্যসমূহ সস্থান্তৰ কৰে।

আমি জোৰদি, বৃত্তিধাৰী সকলক ওলাই গৈ বাইবেলৰ কাহিনীসমূহ কবলৈ উদগণি দিওঁ আৰু অনুৰোধ কৰো। আমি, আনকি বেলেগ বেলেগ ধৰণৰ সমল যোগান ধৰো যি বিলাক বৃত্তিধাৰী সকলে ব্যৱহাৰ কৰিব পাৰে। যাতে খৰটকীয়াকৈ "কেৱল কাহিনীটো"ৰ প্রক্রিয়া সমূহ হস্তান্তৰ কৰিব পৰা হয়। সেই বিলাক হলঃ পৰিচর্যা, বৃদ্ধি, ইত্যাদি(The Ministry, The Multiplies booklet)

বৃত্তিধাৰী বিলাকে সক্রীয় কাহিনীকওঁতা হবলৈ নিজকে যুগুত কৰি থকা অৱস্থাত, তেওঁলোকে "কেৱল কাহিনীটো"ৰ কর্ম্মশালা নেতৃত্ব দিবলৈ বা আনুষ্ঠানিক ভাবে আনক "কেৱল কাহিনীটো"ৰ নামত প্রশিক্ষণ দিবলৈ যুগুত নহয়।

কিন্তু কেতিয়াবা কেতিয়াবা অলপতে "কেৱল কাহিনীটো"ৰ শিক্ষা আহৰণ কৰা লোক সকলে কাহিনীসমূহ কোৱাৰ উপৰিও অধিক কিছু কৰিবলৈ বিচাৰে। তেওঁলোকে, কেনেকৈ এই পদ্ধতিৰে আনৰ লগত বার্ত্তালাপ কৰিব পাৰে, সেই বিষয়ে কবলৈ অতি অনুপ্রাণিত হৈ থাকে। আমি তেওঁলোকৰ এই উত্তেজনা দেখি ভাল পাওঁ, আৰু নিশ্চয়ে, আমি বৃদ্ধি দেখিবলৈ বিচাৰো। অনানুষ্ঠানিক ভাৱে, নতুন বৃত্তিধাৰী সকলে সফলতাৰে কাহিনীটোত থকা সম্পদসমূহ কেনেকৈ বিচাৰি উলিয়াব লাগে তাক দেখুৱাব পাৰে।"কেৱল কাহিনীটো" নতুন লোক সকললৈ হস্তান্তৰ কৰাৰ সেয়া প্রথম পদক্ষেপ। "কেৱল কাহিনীটো"লৈ অহা নতুন লোকসকলৰ ঈশ্বৰ ভক্তি, জ্ঞানী পৰামর্শ দাতাজনৰ কিছু প্রশ্ন তেওঁলোকৰ অধ্যয়নৰ সময়ত ব্যৱহাৰ কৰিলে, বৃদ্ধি পাব।

বৃত্তিধাৰী সকলে, "কেৱল কাহিনীটো"ৰ বুক মার্কত এটা কাহিনী প্রদর্শন কৰিব পাৰে, আৰু প্রশ্নবিলাকৰ বাখ্যা দিব পাৰে, আৰু সেই বুকমার্কচ বিলাক শিকাৰো

বিলাকৰ মাজত ভগাই দিব পাৰে। কোনো এটা দলক তেওঁলোকে আমন্ত্রণ জনাব পাৰে আৰু তেওঁলোকক “কেৱল কাহিনীটো”ৰ ‘ইন্টাৰ একটিভ দিচকভাৰি অৱ দি বাইবেল আৰু বৃত্তিধাৰী অডিঅ’ ট্রেইনিংৰ সমল বিলাক ব্যৱহাৰ কৰিবলৈ দিব, আৰু দলটোৱে সেই কাহিনী সমূহ আলোচনা কৰি থকাৰ সময়ত তেওঁলোকৰ কার্য্য বৃত্তিধাৰী সকলে পৰিদর্শণ কৰিব।

সৰহ সংখ্যক বৃত্তিধাৰীয়েই,“কেৱল কাহিনীটো”ৰ অর্ন্তনিহিত গুণ বিলাক, এটা কাহিনীৰ কার্য্ পদ্ধতি প্রদৰ্শনৰ যোগেদি, আনক প্রদান কৰিব পাৰে। ভাৱবিনিময়ক অভিজ্ঞতা আৰু বাইবেলৰ কাহিনীৰ গভীৰ আৱিস্কাৰেই হৈছে, “কেৱল কাহিনীটো”ৰ সম্বন্ধে তেওঁবিলাকৰ উদ্যমী আৰু জ্ঞাত হবলৈ কৰা আটাইতকৈ সফল উপায়। এই নতুন কাহিনীকওঁতা সকলে, তেওঁলোকৰ দর্শণটো দাঙি ধৰা সময়ত, “কেৱল কাহিনীটো” ব্যৱহাৰ কৰি পোৱা অভিজ্ঞতাৰ কথাও বিনিময় কৰিব পাৰে। লগতে কিছুমান লিখিত বার্ত্তাও দিব পৰা যায়।

যি সকল লোকে কেৱল কাহিনীটোৰ পদ্ধতি সমূহ নিয়াৰিকৈ শিকাব বিচাৰে, আমি তেওঁলোকক সতর্ক কৰি কওঁ যে তেওঁলোকে এইকেইটা কথালৈ মন দিবঃ

- তেওঁলোকৰ “কেৱল কাহিনীটো”ৰ, প্রতিটো প্রক্রিয়াৰ সম্বন্ধে বদ্ধমূল ধাৰণা থাকিব লাগিব।
- এটা স্পষ্ট “কেৱল কাহিনীটো”ৰ আর্হি, প্রদর্শণ কৰিবলৈ সমর্থ হব লাগিব।
- “কেৱল কাহিনীটো”ৰ সংজ্ঞা, ইয়াৰ উদ্দেশ্য আৰু ব্যৱহাৰৰ সম্পর্কে জানি লব লাগিব।

কোনো কোনো বৃত্তিধাৰীলোকে, সম্পূর্ণ প্রশিক্ষণ পোৱাৰ আগতেই,আৰু “কেৱল কাহিনীটো”ৰ পৰা প্রশিক্ষক হিচাবে অনুমোদন লাভ কৰাৰ আগতেই, এই সম্পর্কে কর্ম্মশালা আয়োজন কৰি প্রশিক্ষণ দিব বিচাৰে। কাৰণ “তেওঁলোকে ইয়াক সহজ কৰি ৰাখিব খোজে আৰু আনক এই নতুন বার্তাসমূহ খৰতকীয়াকৈ দিব খোজে।”

কেইবা বাৰো আমি দেখা পাইছো যে কিছুমান উদ্যমী, সৎ উদ্দেশ্য পূর্ণ বৃত্তিধাৰী লোকে, অনাধিকাৰ ভাৱে “কেৱল কাহিনীটো”ৰ সম্পর্কে প্রশিক্ষণ দিছে। কিন্তু সেই কর্মশালা নেতৃত্ব দিয়ালোক সকল, সম্পূর্ণৰূপে প্রশিক্ষক হিচাবে প্রশিক্ষণ প্রাপ্তলোক নহয়। সেই কাৰণে, তেওঁলোকে “কেৱল কাহিনীটো”ৰ সম্পর্কে সম্পূর্ণ প্রশিক্ষণ দিব নোৱাৰিলে। তেওঁলোকৰ দ্বাৰা প্রশিক্ষণ পোৱা সকল বিশেষভাৱে লাভবান নহল। কিন্তু আটাইতকৈ বেয়া কথাটো হল, যি সকল ব্যক্তিয়ে এক সফল, ফলপ্রসু আর্হিৰে শিক্ষা দি, কাহিনী সমূহ আলোচনা কৰি, প্রশিক্ষণ পাবলৈ আশাৰে আহিছিল, তেওঁলোকৰ সেই আশা ফলবতী নহল বা সন্তোসজনক অভিজ্ঞতা নাপালে।

সেই কাৰণে, সেই কর্মশালা যোগদানকাৰী সকল, আধা প্রস্তুত হৈ এৰি গল, আৰু তাতোকৈ বেয়া কথাটো হল, তেওঁলোকে এটা ভুল ধাৰণা ললেযে তেওঁলোকে “কেৱল

কাহিনীটো”ৰ সম্পূর্ণ অভিজ্ঞতা লাভ কৰিলে। এই দূৰ্ব্বল প্রদর্শনৰ ফলস্বৰূপে তেওঁলোকে, “কেৱল কাহিনীটো”ৰ অনুমোদিত প্রশিক্ষকৰ দ্বাৰা পৰিচালিত কর্ম্মশালাত যোগদান কৰিবলৈ মুঠেই আগ্রহী নহয়। তেওঁলোকে ভাৱে যে তেওঁলেক এনে কর্ম্মশালাৰ অভিজ্ঞতা ইতিমধ্যে জুতি লৈছে, ই তেওঁলোকৰ জীৱনত কামত নাহিল। দুখৰ কথা এই যে, আমি কেতিয়াও তেওঁলোকক এই “কেৱল কাহিনীটো”ৰ গোটেই দক্ষতা সমূহ শিকাবলৈ সুযোগ নাপালো।

“কেৱল” মানে “সহজ” নহয়।

এক পলকতে, চাবলৈ গলে “কেৱল কাহিনীটো” বুলি কলে কোনো কোনো লোকে ভাৱিব যে ইয়াৰ অর্থ হল, ‘সহজ।’ আৰু ভাৱিব যে ইয়াত মাত্র কাহিনীটোহে কব লাগে। এটা কর্ম্মশালাত যদি অকল কাহিনীকোৱাটোহে হয়, তেন্তে আমি এই প্রশিক্ষণ এদিনতে সম্পন্ন কৰিব পাৰিলোহেতেন। কিন্তু প্রকৃতত্তে, “কেৱল কাহিনীটো”ত শিক্ষা দিয়াত আৰু প্রচাৰৰ ৰণকৌশলত বহু অংশত আৰ্হিৰ বা নক্সাৰ সালসলনি কৰা কথা সন্নিৱিষ্ট কৰা হৈছে।

লগতে, ইয়াত অধিক আৰ্হি, সাল-সলনি অর্ন্তভুক্ত কৰা কথা আছে- ব্যক্তিগত পর্যায়ত তথা পৰিচর্যাত প্রয়োগৰ ক্ষেত্রতো কেনেকৈ লোক সমূহে শিকে, আৰু কেনেকৈ অধিক সফলতাৰে বাইবেলৰ বার্ত্তা সমূহ আনক অৱগত কৰিব পৰা হয়। এই সকলো কথা ইয়াত সন্নিবিষ্ট কৰা হৈছে।

কর্মশালা নেতৃত্ব দিয়া লোক সকলে, বহুতো সময় আৰু অনুশীলন বিনিয়োগ কৰিছে, যাতে বৃত্তিধাৰী সকলক কর্ম্মপ্রেৰণা যোগাব পাৰে। বৃত্তিধাৰী সকলকো, সফলতাৰে শিক্ষা দিবলৈ সমর্থহবৰ বাবে, সেই একে সময় আৰু অনুশীলন বিনিয়োগ কৰিবলৈ আমি অনুৰোধ জনাইছো।

“কেৱল কাহিনীটো”ৰ দ্বাৰা আনক প্রশিক্ষণ দিবলৈ হলে, নিজেও উপযুক্ত প্রশিক্ষণ প্রাপ্ত হব লাগিব। অন্যথাই কাহিনী কওঁতা সকলক উত্তৰ পুৰুষ, পর্যাপ্ত প্রশিক্ষণৰ অভাৱত শেষহৈ যাব। উপযুক্ত প্রশিক্ষণ পাপ্ত নোহোৱাকৈ যি সকলে পৰিচর্যাত কাহিনী সমূহ ব্যৱহাৰ কৰাত সংগ্রাম কৰিব লগীয়া হৈছে, তেওঁলোকে নিৰাশ হৈ ভুল সিদ্ধান্ত লব, আৰু কবযে কাহিনীকোৱা পদ্ধতিটোৱে কাম নকৰে, আৰু ইয়াক সমূলি ত্যাগ কৰিব।

আৰম্ভনিৰ ৩৭ ঘন্টা প্রশিক্ষণে, যোগদানকাৰী সকলক, “কেৱল কাহিনীটো”ৰ পদ্ধতি সমূহ কেনেকৈ ব্যৱহাৰ কৰিব লাগে, তাক প্রদর্শন কৰি দেখুৱায়। তেওঁলোকে আনক প্রশিক্ষণ দিবলৈ বার্তা লাভ কৰে, আৰু সেই দক্ষতা অনুশীলন কৰিবলৈকো সুযোগ সমূহ পায়। কিন্তু সেই বার্ত্তাত, এটা কর্ম্মশালা কেনেকৈ নেতৃত্ব দিব লাগে, প্রশিক্ষণ কেনেকৈ নির্ণয় কৰিব লাগে বা লক্ষ্য সমূহ আৰু “কেৱল কাহিনীটো”ৰ প্রক্রিয়া ও

পদ্ধতি সমূহ কেনেকৈ পৰিবৰ্ত্তন ও ব্যৱহাৰ কৰিব লাগে সেই কথা এই বার্তাত সন্নিবিষ্ট কৰা হোৱা নাই।

এইটোৱে কি বুজায়? বৃত্তিধাৰী সকলে শিষ্যবৃদ্ধি কৰা কার্য্যত জড়িত হব নোৱাৰে আৰু "কেৱল কাহিনীটো"ৰ দক্ষতা সমূহ ব্যৱহাৰ আৰু আনক শিক্ষা আহৰণঁত সহায় কৰিব নোৱাৰা কথাটোকে বুজায় নেকি? সমূলি নহয়। প্রকৃততে, আমি শিষ্য গঢ়াৰ পটভুমিত, "কেৱল কাহিনীটো"ৰ এনে দক্ষতা সমূহ ব্যৱহাৰ কৰিবলৈ, উদগণিহে জনাওঁ। (শিষ্য বৃদ্ধিকৰণর বা অধিক বার্ত্তা পাবলৈ, এই হাতপুথিৰ ১১ অধ্যায় চাওকঃব্যৱহাৰৰ স্থান সমূহ-শিক্ষা আহৰণৰ উপায় সমূহ-"কেৱল কাহিনীটো"ৰ বৃদ্ধি।)

আপোনাৰ দলটো প্রশিক্ষণ হোৱাতো বিচাৰেনে? আমাৰ লগত যোগাযোগ কৰক। আমি আপোনাৰ সহিত কাম কৰিবলৈ পালে আনন্দিত হম। আৰু আপুনি যদি ইচ্ছা কৰে, আমি আপোনাক সম্পূর্ণ সময় দি কাম কৰা প্রশিক্ষক হিচাবে গঢ় দিবলৈ, এক আচনি প্রস্তুত কৰিবৰ বাবে ভাল পাম।

আমাৰ বিশেষত্ব এয়ে যে, আমি খৰচি মাৰি প্রশিক্ষণ দি নেতৃত্ব দিবলৈ আগবঢ়াই দিওঁ। তেওঁলোক অনুমোদিত প্রশিক্ষক হব পাৰে- যিমান সোনকালে তেওঁলোকেঃ

- কর্ম্মশালাৰ সূচীপত্র জানিব
- "কেৱল কাহিনীটো"ৰ কাহিনী সমূহ কোৱাত দক্ষতা দেখুৱাব
- "কেৱল কাহিনীটো"ৰ প্রশিক্ষণৰ প্রতিটো উপাদানৰ কাৰণ আৰু অভিপ্রায় জানিব
- ডায়েগনিচটিক প্রশিক্ষণত সামর্থ্য দেখুৱাব
- এগৰাকী জেষ্ঠ প্রশিক্ষকৰ আগত "কেৱল কাহিনীটো"ৰ নিদের্শাৱলী ব্যৱহাৰ কৰি কর্ম্মশালা নেতৃত্ব দিব পৰা ক্ষমতা প্রদর্শন কৰিব পাৰিব।

প্রশিক্ষক সকলঃ সহকাৰী, অস্থায়ী, অনুমোদিত, জ্যেষ্ঠ

ওপৰত শ্রেনীবিভাগ কৰা প্রশিক্ষকৰ যিকোনো এটাত নিজকে যুগুত কৰিবলৈ, আমি কর্ম্মী সকলক বিশ্বাসৰ সাৰকথা সমূহত এক মন আৰু এক হৃদয় হোৱাতো বিচাৰো।

প্রত্যাশিত প্রশিক্ষক সকলক তলত দিয়া ৰ লগত সন্মত হোৱাটো বিচাৰো(ওৱেবচাইটত আছে)

ধর্ম্মীয় মতবাদৰ বিবৃতি

আমি তলত উল্লেখ কৰা সত্যসমূহত ধৰি থাকোঃ

- পুৰণি নিয়ম আৰু নতুন নিয়ম গোটেই বাইবেল খন ঈশ্বৰ নিশ্বাসিত একমাত্ৰ কিতাপ।
- তিনিজনৰ সমষ্টি-ত্রিমূর্তি
- মনুষ্যৰ পতন, তাৰ পাৰিণাম নৈতিক অৱনমিত, নতুন জন্মৰ প্রয়োজনীয়তা
- যীচু খ্রীষ্ট সম্পূর্ণ মানুহ, কুমাৰীৰ গর্ভত জন্ম, নিস্পাপ জীৱন, আমাৰ সলনি যীচু খ্রীষ্টৰ যাতনা ভোগ আৰু মৃত্যু,পুনৰুত্থান আৰু স্বর্গাৰোহন, তেওঁৰ পুনৰ আগমন এই পৃথিবীলৈ।
- কেৱল বিশ্বাসৰ দ্বাৰাই ধার্মিকতা লাভ। কেৱল খ্রীষ্টত বিশ্বাস কৰাৰ দ্বাৰাইহে পৰিত্রাণ
- ধার্ম্মিক আৰু অধার্ম্মিক দুয়োৰে পুনৰুত্থান হব।
- পৰিত্রাণ প্রাপ্ত সকলৰ অনন্তজীৱন আৰু অবিশ্বাসী হেৰোৱা বিলাকৰ অনন্ত শাস্তি-নৰক।

সহকাৰী প্রশিক্ষক সকল। এটা কর্মশালাত যোগদান কৰাৰ পাছত, সৰহ সংখ্যক বৃত্তিধাৰীয়েই সৰু এটা দলক সহায় কৰিবলৈ যোগ্যতা অর্জন কৰে। "কেৱল কাহিনীটো"ৰ কর্ম্মশালাত 'ফৈদ এটাৰ নেতাৰ দৰে, সহকাৰী প্রশিক্ষক হিচাবে সহায় কৰিব পাৰিব।

অস্থায়ী প্রশিক্ষক সকল। কমেও এটা কর্মশালাত তিনিদিন সহায় কৰাৰ পাছত, সহকাৰী প্রশিক্ষক সকলে, যিবিলাকে আগুৱাই যাবলৈ ইচ্ছা কৰে, তেওঁলোকে, প্রস্তুতি আৰু উপস্থাপনৰ প্রক্রিয়াটো স্পষ্টভাৱে বুজাই দিবলৈ সক্ষম হব লাগিব। তদুপৰি তেওঁলোকে প্রেমেৰে, জ্ঞানেৰে, আৰু বিনম্রতাৰে "কেৱল কাহিনীটো" আনক শিকোৱাত সক্ষমতা দেখুৱাব পাৰিব লাগিব। অনুমোদিত শিক্ষক এজনে, অস্থায়ী প্রশিক্ষকক অনুমোদন জনাব আৰু যিবিলাকে যোগ্যতা অর্জন কৰিব, তেওঁলোকক অস্থায়ী প্রশিক্ষকৰ উপাধি দিব পাৰিব।

অনুমোদিত প্রশিক্ষক সকল।এটা বা তাতোকৈ বেছি কর্মশালাত সহায় কৰাৰ পাছত, অস্থায়ী প্রশিক্ষক সকলে, অনুমোদিত প্রশিক্ষকৰ স্থান পাবৰ বাবে আবেদন কৰিব পাৰে। আবেদনকাৰী সকলে, জ্যেষ্ঠ প্রশিক্ষকৰ আগত, "কেৱল কাহিনীটো"ৰ কর্মশালাৰ সকলো দিশতেই আৰু 'ধাৰণা' সমূহৰ বিশেষ দক্ষতা প্রদর্শণ কৰি দেখুৱাবলৈ সমর্থ হব লাগিব।

অনুমোদিত প্রশিক্ষক সকলে বিভাগীয় "কেৱল কাহিনীটো"ৰ কর্মশালা সমূহ নেতৃত্বদি পৰিচালনা কৰিব পাৰিব। কিন্তু আনক, অনুমোদিত প্রশিক্ষক বুলি, অনুমোদন জনাব নোৱাৰিব।

জ্যেষ্ঠ প্রশিক্ষক সকল। জ্যেষ্ঠ প্রশিক্ষকৰ স্থান পাবলৈ হলে, এগৰাকী অনুমোদিত প্রশিক্ষকে, প্রথমে জ্যেষ্ঠ প্রশিক্ষকৰ লগত শিকাব লাগিব আৰু শিক্ষাত, মূল্যায়ন

কৰাত আৰু নতুন কাহিনী কওঁতা সকলক উদগণি দিয়া কার্যত পার্গতালি দেখুৱাব লাগিব। আৰু কর্মশালা সংগঠিত কৰাত আৰু নেতৃত্ব দিয়াত সমর্থ হব লাগিব।

জোষ্ঠ প্রশিক্ষক সকলে “কেৱল কাহিনীটোৰ কর্মশালা নেতৃত্ব দিয়াৰ উপৰিও অর্হতা সম্পন্ন, অস্থায়ী প্রশিক্ষকক, অনুমোদন জনাই ‘অনুমোদিত প্রশিক্ষকৰ’স্থানলৈ পদোন্নতি দিব পাৰে।

“কেৱল কাহিনীটোৰ” মৌখিক বাইবেল মূল সমূহৰ কাৰণে প্রশিক্ষক সকলক বর্তমান অসংখ্য দেশত নেতৃত্ব ৰখা হৈছে। তেওঁলোক থলুৱা অনুমোদিত প্রশিক্ষকসমূহৰ পৰাই আহিছে।

একাদশ অধ্যায়ঃ ব্যৱহাৰ কৰিব পৰা স্থানসমূহ শিক্ষা আহৰণৰ উপায় সমূহ আৰু “কেৱল কাহিনীটোৰ প্ৰসাৰ

‘কেৱল কাহিনীটো’ ব্যৱহাৰ কৰিব পৰা স্থান সমূহ

আপোনাৰ বৰ্তমানৰ পৰিচৰ্যাত, “কেৱল কাহিনীটো”ৰ পদ্ধতিক সাঙুৰি লওক। আপুনি শিশুবিলাকৰ, ১৩-১৯ বছৰীয়া লৰা-ছোৱালীৰ, যুৱক-যুৱতীৰ বা বয়সপ্ৰাপ্ত সকলৰ বা যিকোনো বয়সৰ ব্যক্তিৰ পৰিচৰ্যাত থাকিব পাৰে “কেৱল কাহিনীটো’ৰ পদ্ধতিৰে আপোনাৰ আলোচনাক উজ্জীৱিত কৰিব আৰু আপোনাৰ লোকবিলাকক, ঈশ্বৰৰ বাক্য অধ্যয়ণত জটিত কৰিব। নিৰীক্ষণ আৰু প্ৰয়োগৰ সংখ্যা, নিয়ন্ত্ৰণত ৰাখি, আপুনি কাহিনীটোৰ উপস্থাপনৰ দীৰ্ঘতা চমু কৰি হাতত থকা সময়ৰ লগত মিলাই ল’ব পাৰে। আগতে আমি উল্লেখ কৰিছো যে, কাহিনীটো পুনৰ ক’বলৈ আপোনাক এজন ইচ্ছুক ব্যক্তিৰ প্ৰয়োজন। যদি আপোনাৰ সময় সীমিত, ধৰক কাহিনীটোৰ জটিয়তে পৰিচৰ্যা কৰিবলৈ 30 মিনিটতকৈ কম সময় হয়, আপুনি উপস্থাপনৰ সেই অংশটো বাদ দিব পাৰে। কাহিনীটো আপুনি নিজে কওক, আৰু পোনে পোনেই কাহিনীটা আগবঢাই লৈ যাওক। এই পদ্ধতিয়ে তেতিয়াও কাম কৰিব।

কথোপকথন আৰু কেৱল কাহিনীটো। কেৱল কাহিনীটোৰ পদ্ধতিত কোনো কাহিনী ক’বলৈ সময়ৰ যদি অভাৱ হয়, তেন্তে আপুনি কিছুমান সৃজনশীল কাম কৰিব পাৰে। প্ৰশিক্ষণ সমূহত লোকবিলাকে কেৱল কাহিনীটোৰ মৌলিক কথা কেইটা ভালদৰে বুজি পোৱাৰ পাছত, এই প্ৰয়োগৰ সম্পৰ্কে আমি প্ৰশিক্ষণ দিওঁ। চমুকৈ, এইটো এনেদৰে কৰোঃ

৭ টা পদ থকা এটা কাহিনী ১ মিনিটতকৈ অলপ সময়লৈ আপুনি ক’ব পাৰে। আৰু ৫-১০ মিনিটৰ ভিতৰত কেইটামান বচা বচা নিৰীক্ষণ আৰু প্ৰয়োগৰ কথা ক’ব পাৰে। কাহিনীটো কওক। এটা এটাকৈ প্ৰতিটো অংশ আকৌ কওক। প্ৰতিবাৰতে, মাত্ৰ কেইটামান নিৰীক্ষণ আৱিষ্কাৰ কৰাৰ পাছত, প্ৰয়োগৰ প্ৰশ্নসমূহ সোধক। প্ৰতিটো প্ৰশ্ন সোধাৰ আগতে কাহিনীটোৰ সেই অংশটো দোহাৰক, যিটো অংশত সম্পদটো সোমাই আছে আৰু যিটো সম্পদ লোকবিলাকে আৱিষ্কাৰ কৰাটো আপুনি বিচাৰে।

আপুনি যদি মাৰ্ক ১:৪০-৪৫ ক’লে, আপুনি প্ৰশ্নটো এইদৰে পাতনি মেলিব পাৰে, কুষ্ঠৰোগীজনে যেতিয়া আঁঠুলৈ যীচুক অনুৰোধ কৰি ক’লে, “আপুনি যদি ইচ্ছা কৰে, তেন্তে, আপুনি মোক সুস্থ কৰিব পাৰে।” এই কথা শুনি যীচুৰ কেনেদৰে তেওঁক প্ৰতি মৰম উপজিল, তাক মনত ৰাখিব।” তাৰ পাছত আপোনাৰ প্ৰশ্ন সোধক। সেইটোৱেই ছাবিকাঠি, কাহিনীটো কওক। যি জানিল, তাৰ ওপৰত ভিত্তি কৰিয়েই প্ৰশ্ন সোধক। তেতিয়া তেওঁলোকে আপোনাৰ প্ৰশ্নৰ উত্তৰ দিব পাৰিব। পালকসকলে খাপ খুৱাই লয়। পুৰুষে পুৰুষে চলি অহা, আৰু ৰক্ষণশীল ধৰ্মীয় সম্প্ৰদায় আৰু সমাজৰ পালক বিলাকে সাধাৰণতে, কেৱল কাহিনীটোৰ পদ্ধতিত,

গীর্জাঘৰত শিক্ষা দিবলৈ দ্বিদ্ধাবোধ কৰে। শিক্ষা দি থকা অৱস্থাত, প্রশ্ন সোধাতো, সৰহ সংখ্যক মণ্ডলীতেই কোনো নিয়ম নহয়। তদুপৰি কাহিনীটো পঢাতকৈ, কাহিনীকৈ শুনোৱাতো, কোনো কোনো সমাজত এটা ডাঙৰ পদক্ষেপ। 'কেৱল কাহিনীটোৰ কর্ম্মশালাত যোগদান কৰা, (পৃথিৱীৰ বিভিন্ন ঠাইত) পালকসকলে এই ধাৰণাটো ভাল পালে আৰু তলত দিয়া দৰে সমাধানৰ সূত্র বিচাৰি পালেঃ

১. বেলেগ বেলেগ পালকসকলে কেৱল কাহিনীটোৰ পদ্ধতি অনানুষ্ঠানিক যুৱ সন্মিলনিত ব্যৱহাৰ কৰা কথা আমাক জনাইছে। যুৱ বিলাকৰ পৰা ইতিবাচক সঁহাৰি পোৱা গৈছে। পাছত পিতৃ-মাতৃসকলে পালক বিলাকৰ ওচৰলৈ আহি সোধে, আপুনি কিয় আমাক এইদৰে নিশিকায়?"

২. আন কিছুমান পালকে কেৱল কাহিনীটোৰক পদ্ধতিতেই গির্জাঘৰত শিক্ষা দিয়ে। কাহিনীটো কোৱাৰ সলনি, তেওঁলোকে কাহিনীটো শাস্ত্রৰ পৰা পঢে। তেওঁলোকেও ৰক্ষণশীল, আনুষ্ঠানিকতাৰে পঢাৰ পৰা, এক প্রাণৱন্ত আমোদজনক পদ্ধতিলৈ আগবাঢি গ'ল! তেওঁলোকে এইটো কাহিনী কোৱা ধৰণে কয়। পাছত, পালক বিলাকে আত্মিক জ্ঞান নিৰীক্ষণ আৰু আত্মিকজ্ঞান প্রয়োগৰ প্রশ্নসমূহ সোধে। কিছুমানে আনে শুনাকৈ ডাঙৰকৈ উত্তৰ দিবলৈ উদগনি দিয়ে, আন কিছুমানে বক্তৃতা দিয়া দৰে মনোগ্রাহী ভাৱে প্রশ্নসোধে যিবিলাক প্রশ্নৰ উত্তৰ ডাঙৰকৈ দিয়াৰ প্রয়োজন নাই। পালকে এটা প্রশ্ন সোধাৰ পাছত, অলপ থমকি ৰৈ যায়। এনেদৰে ৰৈ যোৱাত উত্তৰটো সম্পর্কে ভাবিবলৈ লোকবিলাকে সময় পায়। এইটো দৰকাৰী কথা। অলপ নীৰৱতা বজাই ৰখাৰ দক্ষতাটো বিকাশ হ'বলৈ অৱশ্যে সময় লাগে।

৩. কিছুমানে কেৱল কাহিনীটো এনে দৰে মূলায়ন কৰে, এইটো এটা পথ। আমাৰ পৰা বহুত দূৰৈত থকা পটিব নজনা ব্যক্তিসকলক ইয়াৰ দ্বাৰাই শুভবার্তা দিব পৰা হৈছে।' বাইবেলখন এনেদৰে আনৰ আগত উপস্থাপন কৰি, যি ইতিবাচক সঁহাৰি পোৱা গৈছে, এইটোৱে, কেৱল কাহিনীটোৰ পদ্ধতিত শিক্ষা দিবলৈ মণ্ডলী বিলাকত দুৱাৰ খুলি দিছে।

৪. কোনো কোনো পালকে 'কেৱল কাহিনীটো তেওঁলোকৰ দেওবৰীয়া মূল কার্য্যসূচী পৰিচালনা কৰা নেতা সকলৰ মাজত, প্রচলন কৰিছে। আনবিলাকে, সপ্তাহৰ বাকী দিশকেইটাত, পৰিয়াল গীর্জাত ব্যৱহাৰ কৰিছে।

৫. আন কিছুমানে কেৱল কাহিনীটো নতুন বিশ্বাসী সকলক শিক্ষা দিয়াত ব্যৱস্থাৰ কৰিছে। বিশ্বাসৰ ভেটী স্থাপন কৰিব পৰা কাহিনী সমূহ, পৰিচর্যা বৃদ্ধি কৰা পত্রিকা বিলাকত পোৱা যায়।

সম্পূর্ণৰূপে কেৱল কাহিনীটো চলন্ত অৱস্থাত, কোনো সঁহাৰি নোহোৱাকৈঃ

১. দলটো যদি ডাঙৰ হয় নাইবা সঁহাৰি দিয়াৰ পৰিৱেশ নাই, তেতিয়াহ'লে, কেৱল কাহিনীটোৰ ব্যৱহাৰৰ পদ্ধতিটো সলনি কৰিব লাগিব। এইটো কৰিব পৰা যায়। কেৱল

কাহিনীটোৰ সকলো অংশ (কাহিনীটো পুনৰ কোৱাৰ বাদে) এজন ব্যক্তিৰ দ্বাৰাই কৰিব পৰা যায়, অৱশ্যে শিকাৱো সকলৰ পৰা শুনিব পৰাকৈ কোনো সঁহাৰি আশা কৰিব নেলাগিব। উদ্দেশ্যপূৰ্ণ প্ৰশ্ন সোধক। উত্তৰটো ভাবি উলিয়াবলৈ সময় দিয়ক।

২ . কেৱল কাহিনীটোৰ পদ্ধতিৰে কাহিনীবিলাক ৰেডিঅ' বা টি ভিৰ যোগে উপস্থাপন কৰিব পৰা যায়। কাহিনীটো পুনৰ বাৰ ক'ব পৰা নাযাব, কিন্তু এই প্ৰক্ৰিয়াটোৰ আন আন অংশবিলাক বাদ নপৰিব। ইয়াৰ মূলমন্ত্ৰটো হ'ল যে প্ৰতিটো প্ৰশ্নৰ পাছৰ ৫ ছেকেণ্ড সময়, কিছুমান অৰ্থহীন কথাই পূৰ কৰিব লাগিব, নাইবা, এটা কৰ্ম্ম কৰিব লাগিব যিটোৱে ভাবিবলৈ বাধ্য কৰিব। আমি অৰ্থহীন বুলি কওঁ, কাৰণ আপুনি যদি অৰ্থপূৰ্ণ কথা কৈয়েই থাকে, তেন্তে লোকবিলাকে আপোনাৰ কথালৈহে মনোযোগ দিব, আৰু আপোনাৰ প্ৰশ্নৰ উত্তৰসমূহৰ কথা নাভাবিব। উদাহৰণস্বৰূপে, এইবিলাক অৰ্থপূৰ্ণ কথাঃ আপুনি কি ভাবে? "আপোনাৰ উত্তৰটো?"

অৰ্থহীন কথা মানে কিছুমান শব্দ যি শব্দৰ অৰ্থ নাই বুলি লোকে কয়। কিন্তু এই শব্দই নীৰৱতাৰ সময়খিনি পূৰ কৰে। এনেবোৰ অৰ্থহীন শব্দই শ্ৰোতাসকলৰ মন আঁতৰাই নিনিব। কিন্তু লোকবিলাকে ৰেডিঅ'ৰ পৰা একো শুনা নাই বুলি স্থান সলনি নকৰিব। উদাহৰণ স্বৰূপে, অৰ্থহীন শব্দ এইবিলাক হ'ব পাৰে – "হাস…….. আঁহ……. আহহ…….. উম……।

কেৱল কাহিনীটোৰ ওৱেব ছাইটত মাৰ্থা মৰিয়মৰ ৰেডিঅ'ত দিয়া আৰ্হিটো পাব। ইয়াত অৰ্থহীন কথাৰ ধৰণটো সন্নিৱিষ্ট কৰা হৈছে।

৩. আপুনি যদি কেৱল কাহিনীটোৰ পদ্ধতিৰ এজন দক্ষ ব্যক্তি, আৰু ৩ বা ৪ গৰাকী ব্যক্তিক ৰেডিঅ' ষ্টুডিঅ'ত মাইক্ৰফোনেৰে যোগাযোগ ৰাখিব পাৰে। তেনেহ'লে আপুনি এক আকৰ্ষণীয় ৰেডিঅ' কাৰ্য্যসূচী আয়োজন কৰিব পাৰিব। ফিলিপাইনচত কাহিনী কওঁতা সকলে সম্প্ৰচাৰত ৬৫০ টাতকৈ অধিক শাস্ত্ৰাংশ আৰু ফোন কল পায়! বেলেগ বেলেগ দেশত এই পদ্ধতিটো আৰু অন্য ৰেডিঅ' পদ্ধতিও কৃতকাৰ্যতাৰে ব্যৱহাৰ কৰি আহিছে।

নাটকঃ বিনোদন আৰু শক্তিশালী

নাটক সমূহ উপস্থাপন কৰিবলৈ চাবলৈকো আমোদজনক। ইয়াৰ যোগেদি কাহিনীসমূহ বাস্তৱত ৰূপায়িত কৰি দেখুৱাব পাৰি। প্ৰথমবাৰ কাহিনীটো কোৱাৰ এয়া এক অন্য উপায়। ইয়াক ব্যৱহাৰ কৰক। কাহিনীটোৰ বিভিন্ন চৰিত্ৰসমূহ নীৰৱে অভিনয় কৰিবলৈ সহায়কাৰী সকলক অনুৰোধ কৰক। সহায়কাৰী সকলে অভিনয় কৰি যাওঁতে, কাহিনী কওঁতাজনে বচন বিলাক কৈ যাব লাগিব। যিহেতু শ্ৰোতাসকলে মাত্ৰ এজন কাহিনী কওঁতাই গোটেই কাহিনীটো উপস্থাপন কৰা শুনে সেই কাৰণে তেওঁলোকে কাহিনীটো ঘুৰাই আপোনাক কবলৈ সমৰ্থ হয়। সেইদৰে যিসকল শ্ৰোতাই গোটেই কাহিনীটো এজন ব্যক্তিৰ মুখেদি শুনে, তেওঁলোকে ঘৰলৈ গৈ

কাহিনীটো পৰিয়ালৰ আনলোকক আৰু যিবিলাকে আগতে শুনা নাছিল, তেওঁলোকক কবলৈ সমর্থ হয়।

আমি অভিনয় কৰোতা সহায়কাৰী সকলক চৰিত্ৰ সমূহৰ বচনবিলাক কবলৈ উদগণি নিদিওঁ। সহায়কাৰী সকলক বচন সমূহ কবলৈ দিলে, ই এখন নাটকৰ দৰে হয়। যদিও নাটকৰ জটিয়তে কাহিনী উপস্থাপন কৰাতো আমোদজনক আৰু উপস্থিত জনতাক আনন্দ দিব পাৰে, তথাপি এনে কৰিলে কাহিনীটো পুনৰ কোৱাৰ সামর্থ্য হেৰাই যায়। তদুপৰি বহুতো লোকে বচন মাতিলে, কাহিনীটো নিভূলভাৱে উপস্থাপন কৰাত কষ্ট হয়। কাৰণ অনেকলোকে বচন সমূহ শিকিব লাগিব আৰু তেওঁলোকৰ কব লগীয়া অংশ মনত ৰাখিব লাগিব। উপস্থাপনৰ সময়তে, বচন সমূহ পাহৰি গলে, এটা গুৰুত্বপূর্ণ বাইবেলৰ কাহিনী, কৌতুক অভিনয়লৈ পৰিণত হয়। সর্তক হব লাগিব যাতে কাহিনীৰ গুৰুত্বপূর্ণ বার্ত্তাটো যেন ভেকো –ভাওনালে পৰিণত নহয়।

“ঈশ্বৰৰ কাহিনীটো প্রকল্পই”, শিকিবলৈ আৰু কেৱল কাহিনীটো বিকাশ কৰিবলৈ, লগতে, অসখ্য উৎসও যাচেঃ

১) **কেৱল কাহিনীটোৰ হাতপুথি।** ইয়াক শ্ৰৱনৰ বাবে বাণীবদ্ধ কৰা আৰু পঢিবৰ বাবে কিতাপৰ আকাৰতো পোৱা যায়। যত “কেৱল কাহিনীটোৰ” প্রক্রিয়াটোৰ সর্ম্পকে পুংখানুপুংখভাৱে বর্ণনা কৰা আছে।

২) **কেৱল কাহিনীটোৰ লক্ষ্যস্থিৰ কৰা।** আমি প্রশিক্ষক সকলক উপহাৰ হিচাবে প্রদান কৰো। ই দীর্ঘত্বত দুঘন্টাৰ পৰা দুদিনলৈকে হব পাৰে। ইয়াৰ প্রভাৱৰ সর্ম্পকে মত বিনিময় কৰা হয়। এই লক্ষ্যস্থিৰ আৰু ইয়াৰ প্রভাৱৰ সর্ম্পকে মত বিনিময় কৰা হয়। এই লক্ষ্যস্থিৰ যদি চাৰিঘণ্টা জোৰা বা তাতোকৈ বেচি দীঘলীয়া হয়,আমি নির্দ্দেশনা সমূহৰ যোগান ধৰো.

৩) **কেৱল কাহিনীটোৰ তিনিদিনীয়া কর্ম্মশালা**। এই আর্হিৰ যোগেদি কার্য্য পদ্ধতি প্রদর্শন কৰি দেখুওৱা হয়। এই তিনিদিনীয়া প্রশিক্ষণৰ অন্তত যোগদানকাৰী সকলে যথেষ্ট দক্ষতা অর্জন কৰে, তেওঁলোকে কাহিনীসমূহ ব্যৱহাৰ কৰি, অনুশীলন কৰি, বৃত্তিধাৰী প্রশিক্ষক হব পাৰে।

৪) **কেৱল কাহিনীটোৰ এক বিৰতি কর্ম্মশালা।** আমি দুটা অংশ বিশিষ্ট উপৰা-উপৰি কর্ম্মশালা অনুষ্ঠিত কৰো। কাৰণ ই আলোচনাৰ বাবে এক মঞ্চ দিয়ে আৰু ই উপযুক্ত প্রশিক্ষক যুগুত কৰে। এই প্রশিক্ষক সকলে ইয়াক পাছত, আনকো প্রশিক্ষন দিবলৈ সক্ষম হয়। ই এটা আদর্শগত, উপযুক্ত কর্ম্মশালা ইয়ালৈ দূৰ-দুৰণিৰ পৰা প্রশিক্ষকৰ দল, প্রশিক্ষণ দিবলৈ আহে আৰু অনেক ব্যক্তিয়েই, দুৰ-দূৰণিৰ পৰা আহি ইয়াত যোগদান কৰে।

প্রথম ১৮ ঘন্টাত, এজন প্রশিক্ষক আৰু তিনিগৰাকী যোগদানকাৰীৰে গঠিত এটা সৰু দলক শিকোৱা হয়। এই ১৮ ঘন্টাজোৰা বিস্তৃত শিক্ষা আৰু অনুশীলনৰ পাছত, এই নতুনকৈ প্রশিক্ষণ প্রাপ্ত বৃত্তিধাৰী সকলে, সহকাৰী প্রশিক্ষক হিচাবে ভূমিকা পালন কৰে। তেওঁলোকে, অতিৰিক্ত

১৯ ঘণ্টাৰ বাবে যোগদান কৰা এটা ডাঙৰ দলক, প্ৰশিক্ষণ দিয়া কাৰ্য্যত সহায় কৰে। আদৰ্শগতভাৱে,এই অতিৰিক্ত কৰ্ম্মশালাটো, এজন সহকাৰী প্ৰশিক্ষক আৰু ৫ গৰাকী যোগদান কাৰীকলৈ পৰিচালনা কৰা হয়।

এই ৩৭ ঘণ্টা জোৰা প্ৰশিক্ষণৰ অন্ত সাধাৰণতে ৫ দিনৰ ভিতৰত কৰা হয়, এই সহকাৰী প্ৰশিক্ষক সকলৰ সৰহ সংখ্যকেই অস্থায়ী প্ৰশিক্ষক হব পাৰে। আগতে কোৱাৰ দৰে, আৰু অধিক অনুশীলন আৰু নেতৃত্বৰ অভিজ্ঞতাৰে, এই অস্থায়ী প্ৰশিক্ষক সকলে অনুমোদিত প্ৰশিক্ষক হব পাৰিব।

৫) **কেৱল কাহিনীটোৰ মণ্ডলী বৃদ্ধি কৰ্ম্মশালা।** এই কৰ্ম্মশালাটো শুকুৰবাৰ গধুলি,শনিবাৰ আৰু দেওবাৰে কৰা হয়, নাইবা কেৱল শনিবাৰ আৰু দেওবাৰে কৰা হয়। এইদৰে চাৰি সপ্তাহ প্ৰতিটো সপ্তাহত ১৪ ঘণ্টাকৈ শিক্ষা দিয়াৰ পাছত,মণ্ডলীৰ সকলো লোকেই অৰ্হতাসম্পন্ন বৃত্তিধাৰী লোক হব পাৰে ।পাঁচৰ পৰা সাত সপ্তাহৰ ভিতৰত এই ডাঙৰ মণ্ডলীৰ প্ৰত্যেকেই (৫০,০০০ হাজাৰলৈকে সদস্য-সদস্যা থকা মণ্ডলী) প্ৰশিক্ষণ প্ৰাপ্ত হব পাৰে । লগতে, ইয়াত প্ৰশিক্ষণ প্ৰাপ্ত কিছুমানক , কেৱল কাহিনীটোৰ প্ৰশিক্ষক হিচাৱে অনুমোদন কৰিবলৈ সমৰ্থ হব। আচৰ্য্যজনকভাৱে এনে মণ্ডলীবৃদ্ধিৰ কৰ্ম্মশালা সমূহত, এটা বা দুটা সপ্তাহৰ প্ৰশিক্ষণতহে যোগদান কৰিব ।

৬) কেৱল কাহিনীটোৰ ঘৰুৱা কমৰ্শালা। এজন অনুমোদিত প্ৰশিক্ষকে তিনিজন বিশ্বাসীক এটা ঘৰত অনুষ্ঠিত কমৰ্শালালৈ নিমন্ত্ৰণ কৰে। এই প্ৰশিক্ষক জনে আড়ৈ ঘণ্টাজোৰা বৈঠক অনুষ্ঠিত কৰে। সপ্তাহত এবাৰকৈ। ছয় সপ্তাহত কমৰ্শালাটো সমাপ্ত কৰিব।

এনেধৰণৰ কমৰ্শালাই যিসকল ব্যক্তিয়ে চাকৰি থকা বাবে, বা পৰিয়ালৰ অন্যান্য দায়িত্ব বহন কৰিব লগীয়া হোৱা বাবে, দীঘলীয়াকৈ অনুষ্ঠিত হোৱা কমৰ্শালাত যোগদান কৰিব নোৱাৰে, তেনে ব্যক্তিক যোগদান কৰিবলৈ সুবিধা প্ৰদান কৰে। তাৰোপৰি, ঘৰত নিৰ্ভয়ে আৰামেৰে শিকিবলৈ এটা পৰিৱেশ পোৱা হয়, বিশেষকৈ লাজকুৰীয়া স্বভাৱৰ হোৱাৰ বাবে। প্ৰয়োজনীয় নিৰ্দ্দেশনা আমি যোগান ধৰো, কিছুমান সমল দিওঁ, আৰু প্ৰশিক্ষণৰ সময় সূচী বান্ধি দিওঁ।

ছয়টা বৈঠকৰ পাছত, এই প্ৰশিক্ষকজনে আৰু তিনিজন ব্যক্তিক, কেৱল কাহিনীটোৰ উপযুক্ত বৃত্তিধাৰী লোক হ'বলৈ প্ৰশিক্ষণ দিয়ে। সেই তিনিজন নতুন বৃত্তিধাৰী লোকক, দ্বিতীয়তো ৬ সপ্তাহ জোৰা ঘৰুৱা কৰ্ম্মশালাত যোগদান কৰিবলৈ উদগনি দিয়া হয়। আৰু এই তিনিজনৰ, প্ৰতিজনেই নতুনকৈ তিনিজন তিনিজন ব্যক্তিক নিমন্ত্ৰণ কৰিবলৈ উদগনি দিয়ঁক।

আমাৰ পাঁচদিনীয়া আৰু মণ্ডলী বৃদ্ধি কৰ্ম্মশালাত কৰা নিচিনাকৈ ক্ৰমে ক্ৰমে প্ৰশিক্ষক জনে, নতুনকৈ প্ৰশিক্ষণ প্ৰাপ্ত ব্যক্তিক নেতা পৰ্য্যায়লৈ নেতৃত্ব দি চলাই নিয়ে। ছয়-সপ্তাহ জোৰা প্ৰশিক্ষণ সম্পূৰ্ণ হোৱাৰ পাছত, প্ৰথম তিনিজনে প্ৰতোকেই তিনিজন তিনিজনকৈ প্ৰশিক্ষণত সহায় কৰে। ইয়াৰোপৰি, তেওঁলোকে "কেৱল কাহিনীটো"ৰ দক্ষতা আয়ত্ব কৰে আৰু সহকাৰী প্ৰশিক্ষকৰ অভিজ্ঞতা লাভ কৰে।

এই বাৰজন ব্যক্তিয়ে যদি এইদৰে প্ৰত্যেকেই তিনিজন তিনিজনকৈ নিমন্ত্ৰণ কৰে আৰু প্ৰশিক্ষণৰ এই প্ৰক্ৰিয়াটো চলাই থাকে, তেনেহলে ইয়াৰ পাছৰ ছয় সপ্তাহ জোৰা বৈঠকৰ শেষত, এই দলটো ৩৬ জনলৈ বৃদ্ধি পাব। (লগতে প্ৰথমজন প্ৰশিক্ষকও থাকিব)বেলেগ বেলেগ ঘৰত, এনে সংখ্যক লোকক, ঠাই যুগুত কৰি দিব পাৰে। 'কেৱল বাহিনীটো'ৰ অনেক কৰ্ম্মীক প্ৰশিক্ষণৰ সময়ত সৰু সৰু দলত ভাগ কৰি ৰখা হয়। আৰু সেইদৰে প্ৰশিক্ষণ দিয়ে। এই চাৰিজনীয়া দল বোৰে আন কোঠা বিলাকলৈ ভাগে ভাগে যাব পাৰে – নাইবা তেওঁলোকে ঘৰৰ বাহিৰতো একেলগ হৈ মিলিত হব পাৰে।

'কেৱল কাহিনীটো'ত অৰ্ন্তভূক্ত নতুন প্ৰশিক্ষণ প্ৰাপ্তি ব্যক্তি সকলে তেওঁলোকৰ সংখ্যা অধিক বৃত্তিধাৰী লোকক প্ৰশিক্ষণ দি, বঢাব পাৰে। তেওঁলোকে গৃহ-দল সমূহ আৰম্ভ কৰিব পাৰে, নাইবা তেওঁলোকে বাইবেলৰ কাহিনী কোৱা দক্ষতাটো প্ৰচাৰ কাৰ্য্যত ব্যৱহাৰ কৰিব পাৰে। নাইবা, তেওঁলোকে "কেৱল কাহিনীটো"ৰ পদ্ধতিৰে বাইবেল অধ্যয়ন কৰি প্ৰভুৰ কাষলৈ অধিক ওচৰ চাপি যাব পাৰে।

প্ৰশিক্ষণ প্ৰাপ্ত অধিক সংখ্যকেই যদি আনলোকক প্ৰশিক্ষণ দিবলৈ আৰম্ভ কৰে। দুবছৰৰ ভিতৰতে, সেই এজন অনুমোদিত প্ৰশিক্ষকে আৰম্ভ কৰা "গৃহ কৰ্ম্মশালা"টোৰ দ্বাৰাই আন ৬০০০ হেজাৰ লোকক প্ৰভাম্বিত কৰিব। এইটো শিষ্যগঢা আৰু পৰামৰ্শদাতা গঢাৰ এক স্বাভাৱিক আৰু কাৰ্য্যকৰী আৰ্হি। "কেৱল কাহিনীটোৰ" প্ৰভাৱ কিয় ইমান বেছি আৰু ইয়াৰ দ্বাৰা কিয় ইমান অধিক শিষ্য বৃদ্ধি হয় তাৰ কাৰণ এয়ে যে এই পদ্ধতিত, ঈশ্বৰৰ বাক্যত অধিক মনোযোগ দি শুনা হয় আৰু আত্মিক শিক্ষা ব্যক্তিগত জীৱনত প্ৰয়োগ কৰাৰ ওপৰত গুৰুত্ব দিয়া হয়।

৯. **শিষ্য-বৃদ্ধি।** লোকসমূহ "কেৱল কাহিনীটো'ৰ কৰ্ম্মশালাত প্ৰশিক্ষণ প্ৰাপ্তহৈ, কাহিনী বৃত্তিধাৰী লোক হিচাবে ওলাই যায়, তেওঁলোকৰ নতুন দক্ষতা সমূহ, এজন এজনকৈ, বা দল হিচাবে, ব্যৱহাৰ কৰিবলৈ যুগুতহৈ যায়। বেলেগ বেলেগ গণমাধ্যম আৰু বিষয় সূচীয়ে, যেনে, বৃদ্ধিৰ পৰিচৰ্যা (Minstry that Multiplies)

ই দেখুৱায় কেনেকৈ দক্ষতাসমূহ কাহিনী পৰিচর্যাৰ জটিয়তে আয়ত্ব কৰিব পাৰি। আটাইতকৈ প্রয়োজনীয় কথাটো হ'ল, এই বার্তাই আমাক কম পৰিমাণে হলেও, কেনেকৈ "কেৱল কাহিনীটোৰ" পৰামর্শৱলী শিকাৱো সকলক, এৰি যাব পাৰি, আমাক নিদ্দেৰ্শনা দিয়ে (Top links on web site, "Training Info" and "Resources," lead to the various selections available.)

৮. **সৰু পুস্থিকা**। সাক্ষ্য কেৱল কাহিনীটো আৰু ঈশ্বৰৰ কাহিনী কেনেকৈ মত বিনিময় কৰিব পাৰি তাৰ উপায় আদি বর্ণনা কৰি, তিনি ভাগ কৰি ভাজ কৰা পুস্তিকা।

৯. **বৃত্তিধাৰী লোকৰ শ্রৱণ-প্রশিক্ষণ।** দকৈ 'কেৱল কাহিনীটো' বাইবেলৰ কাহিনী যুগুত কৰা অভিজ্ঞতা এই সকলো বিলাক দলত আলোচনা কৰি ভাৱবিনিময় কৰাৰ বাবে পৰিকল্পনা কৰা হৈছে। দলবিলাকে ২ ঘণ্টাৰ পৰা ৬ ঘণ্টালৈকে আলোচনা কৰে আৰু আত্মিক জ্ঞান আৱিষ্কাৰ কৰে। MP3, CD or Solar players ত সহজলভ্য। বেলেগ বেলেগ ভাষাত পোৱা যায়।

১০. **বাইবেলৰ আত্মিক বার্তা ভাৱবিনিময় কৰি আৱিষ্কাৰ কৰা।** অলঙ্কাৰিক আৰু দলত আলোচ্য প্রশ্ন সমূহৰ সহিত বাইবেলৰ কাহিনী সমূহ। স্কুল সমূহৰ বাবে শ্রেণী বিলাকৰ বাবে আৰু গৃহ দল বিলাকৰ বাবে ব্যৱহাৰ কৰক । বিশ্বাসী আৰু অনুসন্ধানকাৰী সকলে আন্তৰিকতাৰে অংশ গ্রহণ কৰে। আৱিষ্কাৰৰ বাবে গড়ে ৬০-৯০ মিনিট DVD আৰু Audioৰ বাবে খৰচ কৰে। ইয়াক কেইবাটাও ভাষাত পোৱা যায়।

১১. **ইণ্টাৰনেটত শিক্ষাৰ সামগ্রীসমূহ।** কেৱল কাহিনীটো'ৰ ওপৰত লিখিত শ্রাব্য আৰু ভিডিঅ' আর্হিত অনেক সম্পদৰ বার্তা অতি সহজলভ্য – Simply the story.org. ত খবৰ কৰক । 'কেৱল কাহিনীটেৰ' বিস্তৃত বিৱৰণ, ইয়াৰ আৰম্ভনী, FAQs, এপলজেতিক্চ, ডাউনলদেবুল ৰ্বিচ্ছে,বিশ্বজুৰি ব্যৱহৃত সাক্ষ্যসমূহ আহিব লগীয়া প্রশিক্ষণ সমূহ, মৌখিক বাইবেল স্কুল সমূহ, আর্হিস্বৰপ কাহিনীসমূহ আৰু অধিক। ৩ মিনিটৰ ভিডিঅ'টো "কি আৰু কিয়" (what & why) মণ্ডলীত ব্যৱহাৰ কৰক to vision cast sts training for short term mission trips. শিক্ষাৰ সামগ্রী আৰু প্রৱন্ধ নিয়মীয়াকৈ "কেৱল কাহিনীটোৰ ওৱেব-চাইটত যোগদি থকা হৈছে।

১২. **চলন্ত অনুশীলন আৰু দিহা পৰামর্শ দিয়া**। 'কেৱল কাহিনীটো'ৰ সম্প্রসাৰণ ক্লাচ সমূহৰ জটিয়তে, চলন্ত Skype story practice বৈঠক সমূহত আৰু দিহা পৰামর্শ দিওঁতা কার্য্যসূচীত যোগদান কৰাৰ কথা বিবেচনা কৰক।

১৩. **অডিঅ' হাতপুথি**। 'কেৱল কাহিনীটো'ৰ হাতপুথিখন বাণীবদ্ধ কৰি ৰখা CD খন সহজলভ্য। কেৱল কাহিনীটোৰ" প্রশিক্ষণৰ সময়ত DVD খনৰ বাবে অনুসন্ধান কৰক।

১৪. **টুইটাৰ।** 'কেৱল কাহিনীটো'ৰ সর্ম্পকে টুইটাৰত চাওক- http://www.twitter.com/SimplyTheStory

১৫. **আয়োজন আৰু ব্যৱস্থা কৰা।** কর্ম্মশালা আয়োজন কৰিবলৈ ইচ্ছা কৰিলে এই হাত পুথিখনৰ শেষৰ ফালে দিয়া ঠিকনা তালিকাখন চাওক আৰু সঞ্চালকৰ লগত যোগাযোগ কৰক। নাইবা ওৱেব চাইডত 'Hosting' অনুসন্ধান কৰক আৰু এই সম্পর্কে সকলো নিদ্দর্শনা সংগ্রহ কৰক ।

সংযোজন ক প্রশিক্ষণ সমীক্ষা প্র-পত্র

কাহিনী কওঁতা .....প্রশিক্ষক.....তাৰিখ .....

'কৱল কাহিনীটোৰ' পদ্ধতি সম্পর্কে বিস্তত বিবৰণ এই হাতপুথিত দিয়া হৈছে। কাহিনীকওঁতা সকলক সুৱঁৰাই দিয়ক, "মই আপোনালোকক পাছত প্রশিক্ষণ দিম। আপোনাৰ কাহিনী উপস্থাপন কৰাৰ আগতেই এই কথাটো মনত ৰাখিব। আপোনাৰ কর্মশালাত থকা যোগদানকাৰী সকল যিমানেই শিক্ষিত নহওক, আপুনি আপোনাৰ কাহিনীটো শ্রোতা দর্শক সকলৰ আগত উপস্থাপন কৰিব যেন, **তেওঁলোক মৌলিক বার্ত্তালাপ কৰোতা লোকহে** । আৰু তেওঁলোকে কাহিনীটোৰ অন্তর্বস্তুহে জানে। (আৰু আন কাহিনী সমূহৰ উপাদান সমূহ যি বর্তমান প্রশিক্ষণৰ সময়ত কোৱা হৈছে।)

এই কথাখিনিয়ে আপোনাক প্রশিক্ষকজনক ভালকৈ বুজিবলৈ সহায় কৰিব। কাহিনীকওঁতা সকলে.....

(১) পৰিচয়মূলক আৰম্ভনিতে বাইবেলৰ বাহিৰৰ কোনো বার্তা নিদিব ।
(২) প্রয়োজন হলে চমুকৈ দুৱাষাৰ কওক। কাহিনীকোৱাৰ আগতে ।
(৩) বাইবেলৰ কাহিনীটোৰ নির্ভুলতা বজাই ৰাখিব। কোনো বার্তা এৰি নাযাব নাইবা সংযোগ নকৰিব।
(৪) বাইবেলৰ এটা কাহিনীতেই আৱদ্ধ থাকক, বাইবেলৰ একে কাহিনীৰ আন বিৱৰণ তাত সংযোগ নকৰিব।
(৫) ইচ্ছুক ব্যক্তিসকলৰ সঁহাৰি বা প্রশ্নোত্তৰলৈ, বিবেচনাপূণ, উদগিনমূলক প্রতিক্রিয়া প্রকাশ কৰক।
(৬) সহাঁৰি দিওঁতাসকলৰ বিশেষ প্রশ্নসমূহৰ উত্তৰ দিওঁতে, স্বাভাৱিক নমনীয়তা প্রদর্শন কৰক।
(৭) শ্রোতাসকলক জটিত কৰিবলৈ, কাহিনীটো কৈ যাওঁতে, আমোদজনকভাৱে কাহিনীটো আৰম্ভ কৰক।
(৮) প্রশ্নসোধাৰ ধৰণেৰে আত্মিকজ্ঞান নিৰীক্ষণলৈ নেতৃত্ব দি পৰিচালনা কৰক, যাতে মৌখিক শিকাৰো সকলেও যেন সহাঁৰি জনাব পাৰে।
(৯) মৌখিক শিকাৰো সকলেও যেন সহাঁৰি জনাব পাৰে, তাৰবাবে প্রশ্ন সুধি, আত্মিক জ্ঞান প্রয়োগেৰে মত বিনিয়োগ কৰক।
(১০) ধর্ম্মশিক্ষামূলক বক্তৃতা নিদিব।
(১১) নিজৰ পচন্দৰ বিষয়বস্তু এটা শিকাবলৈ, কাহিনীটো ব্যৱহাৰ নকৰিব । বৰঞ্চ, শাস্ত্রবাক্যৰ যোগেদি, ঈশ্বৰে তেওঁলোকক সত্যটো দেখুৱাই দিব, ঈশ্বৰৰ দক্ষতা ওপৰত বিশ্বাস ৰাখিব, কাহিনীটোৱেই তেওঁলোকক বার্তা দিয়ক।
(১২) কেৱল কাহিনীটোৰ উপস্থাপন কৰা যি ৫টা বেলেগ বেলেগ উপাদান আছে তাক বাখ্যা কৰিবলৈ আৰু উদাহৰণ দি প্রদর্শন কৰিবলৈ সমর্থবান হওক।

প্রশিক্ষকৰ মান নির্ণয় পত্রত কাহিনী কওঁতাজনে ৫ টা উপাদান প্রদর্শন কৰিলে নে নাই সেইটো প্রতিফলিত হয়। যি উপাদান বাদপৰি গল বা স্পষ্ট নহল, তেতিয়াহলে NTY (Not there yet) যোগ্যতা অনুসাৰে এতিয়াও ক্রম নিধাৰণ হোৱা নাই, বুলি আখ্যা পাব। যদি কোনো উপাদান বাদ পৰি যোৱা নাই তেতিয়াহলে – 'G' অর্থাৎ (Got it) তেওঁক যোগ্য বুলি নিধাৰণ কৰা হব।

প্রশিক্ষকৰ যোগ্যতা নিধাৰণ কাহিনীকওঁতাজন	তাৰিখ	কাহিনীটোৰ নাম	প্রসঙ্গ	কাহিনী	পুনৰকোৱা	Lead through	নিৰীক্ষণ	প্রয়োগ
সামগ্রিক অনুমোদন সমূহ								

আশাকৰাতকৈ বিশেষ কিবা এটা ভাল কৰিলে, প্রশিক্ষকে তলত দিয়া 'বিভাগমতে' প্রশংসাসূচক মন্তব্য দিব পাৰে। কোনোবা দিশত হয়তো আৰু অধিক অনুশীলনৰ প্রয়োজন আছে বুলি ভাৱে তাকো মন্তব্যত প্রকাশ কৰিব। বাকী 'বিভাগ বিলাক'ত একোৱেই নিলিখিব, যদিহে সেইবোৰ স্বাভাৱিকমতেই হৈছে। এই বিবেচনা কৰা তালিকাখনে প্রশিক্ষকজনক, পাছত কি কব লাগিব, তাক কবলৈ সহায় কৰিব। কাহিনীকওঁতাজনৰ যদি আঁত হেৰাই পেলায়, তেন্তে আকৌ কাহিনী আৰম্ভ কৰিব পাৰে।

প্রশিক্ষকৰ সমীক্ষা তিনিবাৰকৈ কাহিনী উপস্থাপন কৰা -

কাহিনী , মন্তব্য	
(১) আৰম্ভণি	
(২) নিভূলতা	
(৩) শুনাৰ আগ্রহ	
(৪) কাহিনীত (মন দিয়া)	
(৫)কাহিনীতনির্ভৰ কৰা	
(৬)অঙ্গিভঙ্গি,অভিনয়	
	স্বেচ্ছা সেৱা, মন্তব্য
১) স্বেচ্ছা সেৱাৰ বাবে উৎসাহীত কৰা	
২) উৎসাহ যোগোৱা	
৩) সেচ্ছা সেৱক সকলক শুধৰোৱা	
	Lead through, comments ?
(১) তৎপৰতাৰে, সম্পূর্ণ কৰিলে	
(২) বিভিন্ন ধৰণেৰে(৩)	
(৩) অংশ গ্রহণ	
(৪) নির্ভূলতা	

প্ৰশিক্ষকৰ সমীক্ষা দুইবিধৰ আত্মিক সম্পদক

	আত্মিক জ্ঞান নিৰীক্ষণ,মন্তব্য
(১) মূল শব্দ ব্যৱহাৰ	
(২) মৌখিক প্ৰশ্ন সমূহৰ ধৰণ	
(৩) বুজিবলৈ কৰা অঙ্গি ভঙ্গি	
(৪) সঠিক নিৰীক্ষণ	
(৫) পৰস্পৰৰ আলোচনা	
(৬) দলীয় মতবিনিময়	
(৭) বন্ধুত্বপূর্ণ পৰস্পৰৰ মতবিনিময়	
(৮) নিশ্চিতকৰণ	
(৯) কাহিনীত থকা উত্তৰ সমূহ	
(১০) সম্পদ উলিয়াবলৈ কেনেদৰে নেতৃত্ব দিছে	
(১১) মনোযোগেৰে শুনাত	
(১২) কাহিনীয়ে নিজে বার্তা দিয়া	

আত্মজ্ঞান প্ৰয়োগ মন্তব্য

(১) মৌখিক প্ৰশ্নৰ প্ৰকাৰ-ধৰণ	
(২) বুজিবলৈ কৰা অঙ্গি ভঙ্গি	
(৩) নিশ্চিত প্ৰয়োগ সমূহ	
(৪) পৰষ্পৰৰ আলোচনা	
(৫) দলীয় মতবিনিময়	
(৬) বন্ধুত্বপূর্ণ পৰষ্পৰৰ মত বিনিময়	
(৭) নিশ্চিত কৰণ	
(৮) কাহিনীত আত্মিক জ্ঞান প্ৰয়োগ আছে	
(৯) প্ৰয়োগ কৰিবলৈ নেতৃত্ব দি চলাই নিয়া বা প্ৰয়োগ কৰিবলৈ কোৱা হল।	
(১০) উত্তৰ সমূহ পাবলৈ সক্ষম	
(১১) ধর্মমূলক বক্তৃতা বাদ দিয়া হৈছে	

সামগ্ৰিক ভাৱে দলটোক পৰিচালনা কৰা

(1)সমস্যা পৰিচালনা	
(২) কাহিনীৰ বাহিৰৰ প্ৰশ্নৰ উত্তৰৰ সঁহাৰি	
(৩) দলটো বর্ণনা	

সংযোজনা ঃ এটা আৰ্হিমূলক কাহিনীৰ মাজেৰে যাত্রা

প্রশ্নসমূহ কেনেকৈ প্রস্তুত কৰিব লাগে

চক্কেয়, লুক ১৯:১-১০

এই অধ্যায়টোৰ নামটোৱেই ইঙ্গিত দিয়ে যে আমি এতিয়া আন এটা আৰ্হিমুলক কাহিনীৰ মাধ্যমেৰে যাত্রা কৰিম। আমি চক্কেয়ৰ কাহিনীটো বাচি লো। এই কাহিনীটো আমি বাচিলোৱাৰ কাৰণ হল এয়ে যে চক্কেয়ক এটা প্রায় সহজ কাহিনী বুলি গণ্য কৰে, আৰু এই কাহিনীটো কেৱল শিশু সকলৰ বুলিহে ভাৱে। হয়। কিন্তু ইয়াৰো গভীৰ অর্থ আছে।

এই কাহিনীটো প্রায়ে এনেধৰণে কোৱা হয়," চক্কেয় নামৰ এজন চুটি-চাপৰ মানুহে যীচুক চাবলৈ ইচ্ছা কৰিছিল। সেইকাৰণে তেওঁ এজোপা গছৰ ওপৰত উঠিল, যাতে মানুহৰ জুমটোৰ ওপৰেদি তেওঁ যীচুক দেখা পায়। জুমটোৰ মানুহ বিলাকে এই মানুহজন ভাল নেপায়ছিল । কাৰণ তেওঁ এজন কৰতোলা, কিন্তু যীচুৱে এই চুটি চাপৰ মানুহজনক লক্ষ্য কৰিলে আৰু সেই মানুহ জনৰ ঘৰত দুপৰীয়াৰ আহাৰ খাবলৈ আহিল। চক্কেয় বহুত সুখী হল আৰু সম্পতিৰ আধা ভাগ দুখীয়া বিলাকক দান কৰিলে,আমি চক্কেয়ৰ দৰে হব লাগে।

যদিও ওপৰত উল্লেখ কৰাৰ দৰেই এই বার্ত্তাটো কাহিনীটোৰ ভিতৰত সোমাই আছে, ইয়াত তাতোকৈ অধিক কথা বিচাৰিব লগা আছে। আমি কেৱল কাহিনীটোৰ পদ্ধতিৰে গলে, কাহিনীটোৰ অনেক গভীৰ সম্পদ সমূহ আৱিষ্কাৰ কৰিব পৰা হব ।

চক্কেয়ৰ বিষয়ে থকা এই শাস্ত্রাংশ অনুসন্ধান কৰোতে, আমি কেনেদৰে প্রশ্ন প্রস্তুত কৰিব লাগে, সেই বিষয়টোত মনোযোগ দিম। দেখাত মৌখিক পদ্ধতি নহয় যেন লগা ধৰণে আমি মত বিমিময় পদ্ধতি ব্যৱহাৰ কৰিম। আমি সম্ভাব্য নিৰীক্ষণ সমূহ, আত্মিকজ্ঞান প্রয়োগ আৰু প্রশ্নসমূহ লিখিম। আপুনি জানক যে আপুনি মনতে ভাবি যি কৰে, তাকেই আমি লিখিম। কিন্তু প্রস্তুত কৰণৰ বিষয়ে কথা পাতিবলৈ স্বয়ং আমি আপোনাৰ লগত নাই, সেই কাৰণে আমি দ্বিতীয় উত্তম পদ্ধতিটো গ্রহণ কৰিলো। আমি মানসিক প্রক্রিয়াটো আপোনাক নিদি – আমি ইয়াত লিখিলো বেঁকা আখৈৰেৰে লিখা শব্দবিলাক অর্থৰ দৰে আপুনি হয়তো ভাৱিব পাৰে। লিখিত প্রশ্নসমূহ আৰ্হিস্বৰুপে দিয়া হল। আলোচনাত উদগনি দিবলৈ এই প্রশ্নসমূহ আপুনি সুধিব পাৰে ।

সম্পদ বিচাৰি উলিওৱাত আৰু সেই সম্পদ সমূহৰ পৰা প্রশ্নসমূহ প্রস্তুত কৰাত বাইবেলৰ এই কাহিনী প্রস্তুতি কৰণটো এটা বিশেষ অগ্রগতি। এইটো যেতিয়া আপুনি মনত ৰাখিব, কাহিনীটোৱেই আপোনাৰ টোকা হব। কাহিনীটো এটা Clotheslineৰ দৰে। এই Clotheslineৰ কাষে আপুনি মনতে লাহে লাহে খোজ কাটি গলে, আপোনাৰ সম্পদ আৰু প্রশ্নাৱলী সেই শাৰীত ওলমি থকিব।

এই আর্হিস্বৰুপ যাত্রাৰ আকাৰ দেখিলে, আপুনি হয়তো চকখাব আৰু কব, ‘এইটো বৰ দীঘল।” আৰু গৈ থাকিলে আনলোকে কোৱাৰ দৰে, আপুনিও কব,“ইয়াক বহুতবাৰ পুনৰাবৃত্তি কৰা হৈছে।’ সঁচাকথা কবলৈ গল, এই আর্হিটো আপোনাৰ শিক্ষা আহৰণ কৰা পদ্ধতিৰ লগত খাপ নেখাব পাৰে। কিন্তু তথাপিও এই আর্হিটোৰ পৰা শিকিবলৈ চেষ্টা কৰক, আমি উদগনি দিওঁ। আৰু আপুনি চাওক এই প্রশ্নসমুহ প্রস্তুত কৰাত, আপোনাক সহায় কৰিব নে নকৰে।

প্রকৃতত, এই অধ্যায়টোৱেই কিছুলোকক কেনেকৈ প্রশ্নসমূহ প্রস্তুত কৰিব লাগে, তাৰ স্পষ্ট ধাৰণা দিলে।

আপুনি, চক্কেয় কাহিনীটো অনুসন্ধান কৰিলে, প্রথম অৱস্থাত আমি ইয়াত দাঙিধৰা সম্পদ সমূহৰ দৰে, ইমান সম্পদ বিচাৰি নেপালোহেতেন। মনত ৰাখিব, এই বিশেষ কাহিনীটো পৃথিবীৰ বিভিন্ন ঠাইত আমি শিকাইছো। সেই সময়ত, আনৰ লগত আলোচনা কৰোতে, এই কাহিনীটোৰ পৰা অনেক কথা আমি শিকিলো। সময়ৰ লগে লগে আমি অনেক বস্তু আৱিষ্কাৰ কৰি গোটালো। সেইটোৱে আমাক আপোনালোকৰ লগত এই অসংখ্য সম্পদ সমূহ বিনিময় কৰিবলৈ সু-সজ্জিত কৰিছে। বাস্তৱিক, আপুনি অনেক লোকৰ পৰা আত্মিকজ্ঞান বুটলিছে। আৰু এইটো, ‘কেৱল কাহিনটোৰ নিয়মীয়াকৈ ঘটি থকা দলীয় আলোচনীৰ ফল।

আপুনি,‘কেৱল কাহিনীটোৰ পদ্ধতিৰে কাহিনীসমূহ প্রস্তুত আৰু উপস্থাপন কৰি থাকোতে, আপুনিও অধিক অধিককৈ সম্পদসমূহ আৱিষ্কাৰ কৰিব। পাচত আপুনি এই কাহিনীটো পুনৰ ঘুৰি চালে আৰু অতিৰিক্ত সম্পদ বিচাৰি পাব। ঈশ্বৰৰ বাক্য তেনেকুৱা। ইয়াৰ সত্যসমূহ বিচাৰি আপুনি শেষ কৰিব নোৱাৰিব!

এই অধ্যায়টো তলত দিয়া ধৰণে পৰিকল্পনা কৰা হৈছে আপুনি চক্কেয়ৰ কাহিনীটো পটি শিক্ষা আহৰণ কৰাৰ পাছত, কেনেকৈ কাহিনীটোত সম্পদ অনুসন্ধান কৰিব লাগে আমি তাক দেখুৱাইছো। আৰু আনক নেতৃত্ব দি সম্পদ বিচৰাত সহায় কৰিবলৈ প্রশ্নসমূহ প্রস্তুত কৰিছো।

আমি আভাষ দিয়া মতে, কিছুমান আত্মিক জ্ঞান নিৰীক্ষণৰ সৈতে আপুনি সন্মত নহবও পাৰে বা এনেদৰে লক্ষ্য নকৰিবও পাৰে।এইটো অগতানুগতিক নহয়, নাইবা ইয়াক সমস্যা বুলিও গণ্য কৰিব নেলাগে। আনক শিকাবলৈ, “কেৱল কাহিনীটো”ৰ পদ্ধতি ব্যৱহাৰ কৰিলে, আপুনি ব্যক্তিগতভাৱে আৰু স্পষ্টভাৱে কাহিনীটোত যি দেখে, তাকেহে বিনিময় কৰিব।

আমি আপোনালোকলৈ আগবঢোৱা কিছুমান অভিমত বা চিন্তা কেৱল আলোচনাৰ বাবেহে হয়তো হব।এই চিন্তাধাৰা যেতিয়া এক লগহৈ আলোচনা কৰিব, প্ৰভূৱে, প্ৰায়ে আনৰ দ্বাৰা কথা কব। আৰু সেই শাস্ত্ৰাংশৰ পৰাই এক নতুন বোধশক্তি পোহৰলৈ আহিব।

আৱিষ্কাৰ কৰিবলৈ আনক সমৰ্থবান কৰা প্ৰশ্নসমূহ প্ৰস্তুত কৰাতো "কেৱল কাহিনীটো'ৰ বাবে এক ডাঙৰ প্ৰত্যাহ্বান। আমি আশা ৰাখিছো, ইয়াত ব্যৱহাৰ কৰা পুনৰাবৃত্তিৰে এই নতুন দক্ষতা আৰামদায়ক হোৱাত সহায় কৰিব।

এই কাহিনীটো শিকবলৈ যাওঁতে, সময়ৰ অভাবৰ বাবে বা অন্য কাৰণত হলেও,এই সম্পদ সমূহৰ কেইটামান সম্পদ যিকোনো সময়ত উপস্থাপন কৰিব পাৰিব।

আহক আমি আৰম্ভ কৰো-

এই অনুশীলনটো কৰাৰ আগতে, প্ৰথমে এই দহটা পদ থকা কাহিনীটো 'কেৱল কাহিনীটো'ৰ পদ্ধতিৰে শিকি লওক। (কাহিনীটোৰ পদবিলাক তলত দিয়া হৈছে)।

কাহিনীটো,এই হাত পুথিত বৰ্ণনা কৰাৰ দৰে শিকি লওক। কাহিনী কেনেকৈ প্ৰস্তুত কৰিব লাগেঃ

(১) ডাঙৰ ডাঙৰকৈ এই দহটা পদ থকা কাহিনীটো ভালদৰে পঢক।

(২) পঢি যাওঁতে (কথোপকথন কৰোতে) স্বাভাৱিকতে ব্যৱহাৰ কৰা শব্দবোৰকে ব্যৱহাৰ কৰক । কোনো কোনো বাইবেলত 'পাৱিকান' বুলি কৈছে। আপুনি 'কৰতোলা' বুলি কব পাৰে।

(৩) মনতে ভাৱক, গোটেই কাহিনীটোত কি ঘটিছে।

(৪) আপুনি পঢি সম্পূৰ্ণ কৰাৰ ঠিক পাছতেই, চকু বন্ধ কৰক আৰু পুনৰাবৃত্তি কৰক, ডাঙৰকৈ কাহিনীটোৰ যিমানখিনি মনত ৰাখিব পাৰে সিমানখিনি। আপোনাৰ মানসপটত কাহিনীটো চাওক। আপুনি সঠিক কাহিনীটোহে মনত পেলাবলৈ চেষ্ঠা কৰিছে- সঠিক শব্দবোৰ নহয়।

(৫) প্ৰথমৰ পৰা আকৌ পঢক, ডাঙৰকৈ। এইবাৰ আপুনি এৰি থৈ যোৱা অংশ বা দুৰ্ঘটনাক্ৰমে সন্নিবিষ্ট কৰা অংশ দেখা পাব।

(৬) চকু বন্ধ কৰক। আকৌ পুনৰাবৃত্তি কৰক, ডাঙৰকৈ আৰু কৈ যোৱাৰ লগে লগে অঙ্গি-ভঙ্গিৰে অভিনয় কৰি যাওঁক।

এইদৰে চাৰিবাৰ মান পঢাৰ পাছত আৰু পুনৰাবৃত্তি কৰাৰ পাছত, লোক সমূহে লক্ষ্য কৰিব যে সিহঁতে গোটেই কাহিনীটো সুন্দৰকৈ নিৰ্ভুল ভাৱে কবলৈ সক্ষম হৈছে। কাহিনীটোৰ অনুসন্ধান কৰাৰ লগে লগে আপুনি কাহিনীটোৰ লগত অধিক

পৰিচিত হব। পৰিচর্যা কৰাৰ আগতে, আপুনি আৰু অধিকবাৰ পঢাত আৰু পুনৰাবৃত্তিত সময় দিব।এইদৰে কৰিলে সঠিক ভাৱে শুদ্ধকৈ জানিব।

যদি, চাৰিবাৰৰ পৰা ছয়বাৰলৈ এনেদৰে কৰাৰ পাছতো কাহিনীটোৰ অর্ন্তবস্তু মনত পেলাবলৈ যুঁজ কৰিব লগীয়া হৈছে, তেন্তে এইটো হব পাৰে যে আপুনি অনিচ্ছাকৃতভাৱে আগৰ পৰিচিত পদ্ধতিলৈ ঘুৰি গৈছে। আৰু নতুন পদ্ধতিৰে সোৱঁৰণ কৰিবলৈ চেষ্টা কৰা নাই।

অতীতৰ শিক্ষা আহৰণৰ অভিজ্ঞতাটোৰ বাবে,আপুনি আগৰ পৰিচিত পদ্ধতিলৈ ঘুৰি গৈছে। আৰু এইটো কৰি,আপুনি ‘কৱল কাহিনীটো’ৰ কার্য নিদের্শনা সলনি কৰি দিছে।

সেইকাৰণে কাহিনীটো মনত ৰখাত যদি আপোনাৰ বৰ কষ্ট হয়, আপোনাক নিদের্শনা সমূহ পুনৰাবৃত্তি কৰিবলৈ উদগনি দিছো।ওপৰত দিয়া পদক্ষেপ সমূহ অনুকৰণ কৰক আৰু আকৌ এবাৰ ‘চক্কেয় কাহিনীটো– “কেৱল কাহিনীটোৰ পদ্ধতিৰে শিকিবলৈ চেষ্টা কৰক। এইবাৰ লিখিত কাহিনীটো কেতিয়াও গুপুতে জুখি নেচাব। মনত ৰাখিব, ডাঙৰকৈ পঢক আৰু ডাঙৰকৈ পুনৰাবৃত্তি কৰক।

“পাছে তেওঁ যিৰীহো নগৰত সোমাই তাৰ মাজেদি যাবলৈ ধৰিলে। আৰু চোৱা,চক্কেয় নামেৰে এজন মানুহ আছিল, তেওঁ এজন প্রধান কৰতোলা আৰু ধনী আছিল। তেওঁ যাচুক চাবৈল, অর্থাৎ যীচুনো কোনজন, তাক চাবলৈ কাৰ বাৰ কৰিলে, কিন্তু লোকসমূহৰ কাৰণে, তেওঁক দেখা পাব নোৱাৰিলে, কাৰণ তেওঁ চুটি চাপৰ আছিল। তাতে তেওঁ আগহৈ লৰি গৈ, তেওঁক চাবলৈ এজোপা ডিমৰু গছত উঠিল। কিয়নো তেওঁ সেইপিনেই যাবলৈ উদ্যত আছিল। পাছে যীচুৱে সেই ঠাই পালত ওপৰলৈ চাই তেওঁক কলে. হে চক্কেয়, বেগাই নামি আহা, কিয়নো মই আজি তোমাৰ ঘৰত থাকিব লাগে। তাতে তেওঁ বেগাই নামি আহি আনন্দেৰে তেওঁক আলহী কৈ ৰাখিলে. তাকে দেখি সকলোৱে ভোৰভোৰাই কলে, এওঁ পাপী মানুহৰ আলহী হৈছে। তেতিয়া চক্কেয়ই থিয়হৈ প্রভূৰ আগত কলে, হে প্রভূ চাওক, মোৰ যি সম্পত্তি আছে, তাৰ আধাখিনি দৰিদ্র লোকক দান কৰো আৰু মিছা অপবাদ দি কোনো মানুহৰ যদি কিবা লৈছো, তেন্তে তাৰ চাৰিগুণ ওভতাই দিওঁ। তাতে যীচুৱে তেওঁক কলে, আজি এই ঘৰলৈ পৰিত্রাণ আহিল, কিয়নো এৱোঁ আব্রাহামৰ সন্তান। কাৰণ, যি হেৰাল, তাক বিচাৰি ৰক্ষা কৰিবলৈ মানুহৰ পুত্র আহিল’ (লুক ১৯:১-১০)।

অনুগ্রহ কৰি সাৱধানেৰে লক্ষ্য কৰক।

আপোনাৰ কাহিনী প্রস্তুত কৰাৰ পাছত,আপুনি প্রস্তুতকৰণৰ সময়ত পোৱা যিবিলাক ধাৰণা তথ্য সহকাৰে প্রতিপন্ন কৰিবলৈ সমর্থ হোৱা নাই,তেন্তে কাহিনীটো

শিকোৱাৰ সময়ত তেনে ধাৰণা বিলাক আনক নিশিকাব। তেনে ধাৰণা বিলাক একাষৰীয়াকৈ ৰাখক। বোধহয় আন এটা সময়ত তথাসমূহ পোৱাৰ পাছত তাক শিকাব পাৰিব। কোনোবা সময়ত, আপুনি কাহিনীটো উপস্থাপন কৰি থাকোতে প্রশ্নসমূহ সুধি থাকোতে, প্রভূৱে হয়তো অতিৰিক্ত সত্য আপোনাক জানিবলৈ দিব- আৰু এইটো শ্রুতাসকলৰ পৰা সঁহাৰি পোৱাৰ পাছত হব পাৰে। মাজে সময়ে আলোচনাৰ মাধেমেৰে শিকাই যাওঁতে, আপোনাৰ আগত ধাৰণাবিলাক, সত্য বুলি প্রমাণিত হব পাৰে।

আৰু অধিক পঢাৰ আগতে ঃ আমি আপোনাক আৰু কিছুসময় চক্কেয় কাহিনীটোৰ বিষয়ে চিন্তা কৰিবলৈ পৰামর্শ দিওঁ। আৰু চাওক,আপুনি কি আত্মিক সম্পদ আৱিষ্কাৰ কৰিব পাৰে। এই অভ্যাসে আপোনাক,আপোনাৰ দক্ষতাসমূহ অনুশীলন কৰিবলৈ সুযোগ দিব।

তাৰ পাছত, কাহিনীটো মনত সতেজহৈ থাকোতেই,আপোনাৰ নিৰীক্ষণ সমূহৰ লগত আমাৰ খিনি তুলনা কৰিব পাৰে। আমি উল্লেখ কাৰ কিছু সম্পদ হয়তো আপুনি বিচাৰি পাব। সেইদৰে আমি বেঁকা আখৰেৰ,আমি ভবা কিছু নিৰীক্ষণ যিটো আপুনি ভবা নাছিল,এখন তালিকা কৰিব পাৰো। এইদৰে সম্পদ অনুসন্দান কৰি আনন্দ লভক।

আমি চিন্তা কৰা কিছুমান আত্মিক নিৰীক্ষণ।

(১)দেখাত যীচুৰ প্রতি থকা আগ্রহী লোকেই,যীচুৰ ওচৰলৈ অহাত চক্কেয়ক বাধা দিছিল।

(২)চক্কেয় নামৰ এই মানুহজন উচ্চতাত কম কিন্তু পদবীত উচ্চ আছিল। তেওঁ ধনী আছিল আৰু শীর্ষ কৰতোলা বিষয়া আছিল। তথাপিও যীচুক চাবলৈ তেওঁৰ বৰ ইচ্ছা আছিল। সহজ পন্থাই কাম নকৰা বাবে চক্কেয়ই উদ্দেশ্যপূর্ণভাৱে নিজ পথ ত্যাগ কৰিবলৈ সিদ্ধান্ত কৰিলে।

(৩) তেওঁৰ অমর্যদাপূর্ণ কর্মৰ বাবে অর্থাৎ অনেক লোকৰ আগত আলিবাটত দৌৰি যোৱা আৰু গছৰ ওপৰত উঠা কার্যত তেওঁ অপমানিত বোধকৰা নাছিল। এই সন্মানীয় লোকজনক ৰাইজৰ সম্ভাব্য ইতিকিং আৰু সমাজৰ দৃষ্টিত হেয় হব লগীয়া চিন্তা ধাৰণাই,যীচুক চোৱাৰ পৰা ৰখাব নোৱাৰিলে।

(৪) তেওঁৰ চাৰিওফালে আগুৰিথকা এজুম মানুহৰ ভিৰৰ মাজত যীচুৰ কাষ চাপিবলৈ হেঁচা-ঠেলা কৰিছিল। তেওঁ কিন্তু কোনোজনকেই বাছিলোৱা নাছিল। তাৰ পৰিবর্ত্তে, যীচুৱে দূৰত থকা,এজন আচহুৱা গছত উঠি থকা ব্যক্তিহে বাছি ললে।

(৫) যীচুৱে চক্কেয়ক নামধৰি মাতিলে।ইয়াৰ দ্বাৰাই আমি জানিব পাৰো মানুহজনৰ প্রতি যীচুৰ ব্যক্তিগত চিন্তা।

(৬) চক্কেয়ৰ ঘৰলৈ যীচুৱে নিজেই যাম বুৱি কলে। এনেদৰে কোৱাতো বহুত সমাজত অতিমাত্রা সাহস দেখুওৱা বুজাইছে।কি নিশ্চয়কৈ ঘটিব, সেই সম্পর্কে যীচুৱে প্রজ্ঞা আৰু সাহ দেখুৱালে।

(৭)কোনো এজন ব্যক্তিয়ে বিশেষকৈ এজন নেতাই যাৰ পাছত অনেক লোক আহি আছে, সেই লোক সমূহেও, তেওঁলোকৰ নেতাই যি ফালে চায়, সেইফালেই চকু ঘুৰাব। তাৰমানে এইটোকেই বুজায় যে অকল যীচুৱেই চক্কেয়ই চোৱা নাছিল তেওঁৰ লগত অহা গোটেই লোক সমূহেই চাইছিল। তেওঁক যীচুৱে দেখা পোৱাত চক্কেয়ই ভয় কৰা নাছিল বা দোধোৰ-মোধোৰ অৱস্থাত পৰা নাছিল। বৰঞ্চ চক্কেয়ই আনন্দহে প্রদর্শন কৰিলে।

(৮) যীচুৱে তেওঁৰ ঘৰলৈ কিয় যাব লাগে, তাৰ কাৰণ চক্কেয়ক কোৱা নাছিল।এইটো আমোদজনক কথা যে চক্কেয়ই যীচুৰ আহ্বানক সঠিক সঁহাৰি দিবলৈ সংকোচ কৰা নাছিল। তেওঁ খৰধৰ কৰিলে, প্রকৃতত,তেওঁ ভাৰষা ৰাখিলে।

(৯) যীচুৰ বিষয়ে নিজৰ ভিতৰতে ভোৰভোৰাই, লোক সমূহে চক্কেয়ৰ বিৰুদ্ধে কথা কলে, এওঁ পাপী মানুহৰ আলহী হবলৈ গৈছে। "হবলৈ গৈছে" মানে যীচু ইতিমধ্যে সেই ঠাই এৰিছে বা এৰি গল। যীচুৱে তেওঁলোকৰ সমালোচনা জানিছিল । কিন্তু তেওঁ নিজকে ৰক্ষা কৰিবৰ বাবে লোক সমূহৰ সমালোচনাৰ উত্তৰ নিদিলে। আৰু চক্কেয়ৰ ঘৰলৈ যাত্রাত থাকিল।

(১০) লোক সমূহৰ আপত্তিটো আছিল, এওঁ পাপী মানুহৰ আলহী হবলৈ গৈছে। ইয়াৰ অর্থ হল- লোক সমূহে নিজকে পাপী বুলি জ্ঞান কৰা নাছিল।

(১১) লোক সমূহে নিজকে যীচুৰ অনুগামী ৰূপে ভূমিকা পালন কৰিছিল। তেওঁলোক যীচুৰ লগত ফুৰিছিল। তেওঁলোকে যীচুক ঘেৰি ধৰিছিল। লোকসমূহ যীচুৰ ইমানেই ওচৰত আছিল যে, তেওঁলোকৰ বাবেই চক্কেয়ই যীচুক দেখা পোৱা নাছিল। যদিও তেওঁলোকৰ সমালোচনাৰ পৰা জানিব পৰা যায়যে তেওঁলোকে যীচুৰ বিষয়ে চিন্তা কৰিছিল, যীচুৱে কাৰ লগত খাইছিল, তথাপিও এইটো এনে বুজায় যেন চক্কেয়ৰ ঘৰখন নহয়, তেওঁলোকৰ মাজৰ কোনোবা এজনৰ ঘৰখনহে বাছিলোৱাটো সঠিক হলহেতেন। আচলতে লোক সমূহে এইক্ষেত্রত যীচুৰ লগত একমত হব নোৱাৰি, যীচুক সম্পর্ণৰূপে হেয় জ্ঞান কৰা বুজাইছে।

(১২) বিচাৰকর্তাৰূপী এই লোকসমূহৰ নিজাববীয়া কিছুমান বদ্ধমূলধাৰণা আছিল। কিন্তু যীচুৰ মুখৰ আগত প্রশ্ন কৰিবলৈ তেওঁলোকৰ আত্মবিশ্বাস নাছিল।যীচুৰ ক্ষমতাৰ বিষয়ে লোক সমূহৰ কোনো ধাৰণা নাচিল। সেইকাৰণে তেওঁলোকে এনে আচৰণ কৰিছিল যেন, যীচুৱে তেওঁলোকৰ আপত্তিসমূহ শুনাই নেপাইছিল, যিহেতু তেওঁলোকে নিজৰ ভিতৰতেহে কথা পাতিছিল।

(১৩) চক্কেয় এজন ধনীলোক আছিল। তেওঁ তেওঁৰ বহল হৃদয়ৰ পৰিচয় দাঙি ধৰিলে, যেতিয়া তেওঁ কলে যে সম্পত্তিৰ আধাখিনি তেওঁ দৰিদ্রক বিলাই দিব।

(১৪) চক্কেয়ই ঘোষণা কৰিছিল যে তেওঁ যদি মিছা অপবাদ দি কাৰোবাৰ পৰা কিবা লৈছে তেন্তে তেওঁ চাৰিগুণকৈ ওভোটাই দিব। চক্কেয়ই এইটো কোৱা নাছিল যে 'যদিহে মই আইনমতে দণ্ডনীয় হম' তেতিয়াহে মই চাৰিগুণকৈ ওভোতাই দিম। চক্কেয়ই এনে সিদ্ধান্ত নিজৰ বিবেচনাৰে লৈছিল।

কোনোবাই হয়তো কব পাৰে যে চক্কেয়ই ইতিমধ্যেই আগতেই দৰিদ্রক দান দিছিল, কিন্তু লোক সমূহৰ মতামতে সেইটো নকয়। যদি তেওঁ দৰিদ্রক তেওঁৰ আধাখিনি আগতেই দিলে হয়তো সেইটো তেওঁ গুপুতে কৰিছিল। কিন্তু মিছা অপবাদ দি চাৰিগুণ যদি ইতিমধ্যে দিলেই তেন্তে চক্কেয়ক লোকবিলাকে এগৰাকী ধার্মিক ব্যক্তিৰূপে দেখা পালেহেতেন। কাহিনীটোৰ পৰা আমি এইটোৱেই জানো যে – এই ঘটনাই কোনোবা এটা মুহূর্তত চক্কেয়ই নিজকে পাপী বুলি স্বীকাৰ কৰিছিল আৰু নিজেক শুধৰাব বিচাৰিছিল।যীচুৱে কলে যে সেই ঘৰলৈ সেইদিনাই পৰিত্রাণ আহিল । আমি দেখা পাইছো চক্কেয়ই অবিশ্বাস্য মহানুভৱতা প্রদর্শন কৰিছো।

(১৫) প্রথম অৱস্তাত এনেদৰে ভাৱিব পাৰে যে চক্কেয়ই যীচুৰ দৃষ্টিত আত্মিকবাৰে গ্রহণীয় হবলৈ বিচাৰিছিল। কিন্তু আমি জানো চক্কেয়ই যীচুত বিশ্বাস কৰিছিল। কাৰণ যীচুৱে তেওঁক কৈছিল, আজি এই ঘৰলৈ পৰিত্রাণ আহিল। এই কাহিনীটোত চক্কেয়ই একমাত্র এজন ব্যক্তি আছিল, যিজনে পৰিত্রাণ লাভ কৰিলে।

(১৬) কাহিনীটোত যীচুৱে প্রত্যক্ষভাৱে চক্কেয়ক কৈছিল, 'আজি এই ঘৰলৈ পৰিত্রাণ আহিল'। যীচুৱে আৰু কলে, 'কিয়নো এৱোঁ আব্রাহামৰ সন্তান ।ইয়াৰ পৰা আমি জানো যে, চক্কেয়ৰ বাহিৰেও, আনলোক সমূহ তাত উপস্থিত আছিল। আৰু এইটোও জনা যায় যে যীচুৱে যিজনৰ বিষয়ে কৈছিল তেওঁক সলনি কৰিলে আৰু যীচুৱে লোকসমূহৰ আগত চক্কেয়ৰ সপক্ষে কৈছিল।

(১৭) যীচুৱে কৈছিল, কাৰণ যি হেৰাল তাক বিচাৰি ৰক্ষা কৰিবলৈ মানুহৰ পুত্র আহিল।' এই কথাই নিশ্চিতভাৱে চক্কেয়ক সন্মানিত কৰিছিল আৰু এনে বুজা যায় যেন যীচুৱে লোকসমূহৰ ভোৰ ভোৰণিৰ উত্তৰ এই এষাৰ বাক্যৰ দ্বাৰাই দিছিল।

(১৮) এই কাহিনীটোত আমি যীচুক দেখা পাইছো– যি এজন বিশিষ্ট নেতা আছিল, তেওঁ নিজেই সকলোৰে দৃষ্টিত অতি ঘৃণণীয় ব্যক্তি এজনক যত্ন লৈছে। যীচুৱে ব্যক্তিজনৰ নামটোও জানিছিল। সকেলা জনমতৰ বিৰুদ্ধে যীচুৱে কার্য্য কৰিছিল। যীচুৱে জানিছিল লোকসমূহে গোপনে কি কৈছিল। তাৰোপৰি চক্কেয়ই সেইদিনাই পৰিত্রাণ লাভ কৰিলে বুলি কবলৈ যীচুৰ ক্ষমতা আছিল। এই সকেলা কথা চাই আমি কব পাৰো যে যীচু স্বয়ং ঈশ্বৰ।

(১৯) কাহিনীটোৰ প্রথম ভাগতেই স্পষ্টৰূপে দেখা যায় যে চক্কেয়ই যীচুক বিচাৰি আছিল। পাচত এইটো যীচুৱে চক্কেয়ক বিচাৰি পোৱা কাহিনী হল।

আত্মিক নিৰীক্ষণৰ প্রশ্নসমূহৰ প্রস্তুতি কৰণঃ

অনুশীলনৰ বাবে, যিবিলাক প্রশ্নই আনক, ওপৰত উল্লেখ কৰা নিৰীক্ষণ সমূহলৈ পথ দেখুৱাই নিব, তেনেধৰণৰ প্রশ্ন কেনেকৈ প্রস্তুত কৰিব লাগে তাক আমি

দেখুৱাম। আপুনি দেখা পাব যে কেতিয়াবা শ্ৰোতাসকলক এটা নিৰীক্ষণলৈ দৃষ্টি আকষণ কৰিবৰ বাবে কেইবাটাও প্ৰশ্ন ব্যৱহাৰ কৰিব লগীয়া হৈছে।
যিহেতু প্ৰতিটো প্ৰশ্ন শ্ৰোতাসকলক আত্মিক নিৰীক্ষণসমূহলৈ পথ দেখুৱাই নিবৰ বাবে প্ৰস্তুত কৰা হয়, সেইবাবে আমি চিন্তা কৰি উলিওৱা নিৰীক্ষণ সমূহৰ তালিকাখন সহায় হবৰ বাবে পুনৰ দিলো।
আমি 'So' অৰ্থাৎ আত্মিক নিৰীক্ষণ 'আনি' বুলি তালিকাখনত উল্লেখ কৰিছো। তাৰ পাছত আৰ্হি স্বৰূপে কিছুমান প্ৰশ্ন দিয়া হল। এই প্ৰশ্নমূহে আত্মিক নিৰীক্ষণৰ প্ৰশ্ন 'আনিপ্ৰ' বুলি লিখিছো। এইটোৱে আপোনাক, কেনেকৈ 'নিৰীক্ষণ' আৱিষ্কাৰ কৰিবলৈ আনক পথ দেখুৱাব লাগে তাক ভালদৰে বুজাত সহায় কৰিব।
এইটো এজনী চৰাইক সৰু সৰু ৰচীৰ টোকোৰা দি দি সজাটোলৈ চলাই নিয়াৰ দৰে হয়।

এই প্ৰশ্ন সমূহলৈ ভালদৰে লক্ষ্য কৰিল দেখা পাব যে জ্ঞানী পৰামৰ্শ দাতাজনে সোধাপ্ৰশ্নৰ লগত এইটোৰ সম্বন্ধ আছে। কাহিনীটোত থকা ব্যক্তিসকলৰ বিষয়ে,আমি আত্মিকভাৱে কি শিকিব পাৰো, তাক সুধিব পাৰো, তেওঁলোকে কি কৈছিল বা কি কৰিছিল. নাইবা কি সিদ্ধান্ত তেওঁলোকে লৈছিল লব পাৰিলেহেতেন। আৰু ঈশ্বৰৰ লক্ষণ বা প্ৰকৃতিৰ সম্বন্ধে কি জানিব পাৰি, তাকো চাওঁ।
(১) **'আ-নি"** – আত্মিক নিৰীক্ষণ (So – spiritual observations) দেখাত যীচুৰ প্ৰতি আগ্ৰহীলোক বিলাকেই চক্কেয়ক যীচুৰ ওচৰলৈ যোৱাত বাধা স্বৰূপ হৈছিল।
"আনিপ্ৰ" – এই কাহিনীটোত আমি দেখিলো যে চক্কেয়ই যীচুক চাবলৈ বিচাৰিছিল, কিন্তু তেওঁ যীচুৰ ওচৰ চাপিব নোৱাৰিলে। চক্কেয় চুটী –চাপৰ হোৱাৰ ওপৰিও, আমি দেখিলো যে লোকসমূহে চক্কেয়ৰ পথত সোমাই আহিল। লোকসমূহে কি কৰি আছিল যে চক্কেয়ৰ পথটো বন্ধ হল?

আমি যদি কওঁযে যি লোক সমূহে যীচুৰ কাষ চাপিব বিচাৰিছল, তেওঁলোকেই এজন অনুসন্ধান কাৰীক যীচুক চোৱাত বাধা দিলে, এই কথাটোৱে লোক সমূহৰ বিষয়ে কি প্ৰদৰ্শন কৰে ?
(২) **'আ-নি'** – চক্কেয় নামৰ এই মানুহজন চুটী-চাপৰ আছিল, কিন্তু তেওঁৰ পদবী ওথ আছিল। তেওঁ এজন ধনীলোক আচিল। আৰু শীৰ্ষ কৰতোলা বিষয়া আছিল। তথাপিও তেওঁৰ যীচুক চাবলৈ বৰ ইচ্ছা আছিল, সেইবাবে সহজ পথত যেতিয়া চাব নোৱাৰিলে, চক্কেয়ই উদ্দেশ্যপূৰ্ণভাৱে অন্য পথ লবলৈ সিদ্ধান্ত কৰিলে।
'অনিপ্ৰ' – চক্কেয়ৰ সামাজিক, ব্যৱসায়িক আৰু আৰ্থিক মৰ্যাদা কেনেদৰে বৰ্ণনা কৰিব?
* চক্কেয়ই কিছুমান দুৰ্দান্ত লোকক কিছুধন দি, যীচুৰ ওচৰলৈ যাবলৈ পথ মুকলি কৰিলে নেকি? হয়? নহয়?

* ঠিক আছে, আমি ইয়াত কি সিদ্ধান্ত লোৱা দেখিলো? যেতিয়া এই ব্যক্তিজনে সহজ উপায়েৰে যীচুক চাব নাৱাৰিলে, তেতিয়া তেওঁ কিমান চৰম পর্যায়লৈ গল?

(৩) **'আ-নি'** – লোক সমূহে, এই সন্মানীয় ব্যক্তিজনক সমাজৰ আগত মযার্দাহীনভাৱে আলিবাটত দৌৰি যোৱা আৰু গছৰ ওপৰলৈ উঠি যোৱা কার্য্যক ইতিকিং কৰিব পাৰে বুলি ভাবি, চক্কেয়ই যীচুক চাবলৈ শঙ্কাবোধ নকৰিলে।

'অনিপ্ৰ' -

* কাহিনীটোৰ প্রথম অংশত আমি এনে কিবা এটা দেখিছোনে, যিটোৱে সেই অঞ্চলৰ লোকে , চক্কেয়ৰ বিষয়ে কি ভাৱিছিল তাক জানিব পৰা যায়?

* চক্কেয় এজন সন্মানীয় ব্যক্তি আছিল আৰু গছত উঠি গণ্য কৰিছিল। আলিবাটত দৌৰি যোৱা আৰু গছত উঠি যীচুক চাবলৈ যোৱা কার্য্যবিলাক এনেধৰণৰ ব্যক্তিৰ বাবে স্বাভাৱিক যেন লাগেনে? এনে কার্য্য কৰাত চক্কেয়ৰ ব্যক্তিগত জীৱনৰ প্রতি কিবা ভাবুকি আছিলনে ? কেনেকৈ ?

(৪) **আ-নি** – তেওঁৰ চাৰিওফালে আগুৰি থকা মানুহ বিলাকৰ হেঁচা ঠেলাৰ মাজেদি আমি যীচুক আলিবাটত খোজকাটি যোৱা দেখিলো। সকলো মানুহে ঠেলি হেঁচি যীচুৰ কাষলৈ গৈছিল। কিন্তু তেওঁ কোনো এজনকেই বাছি নললে। তাৰ সলনি, যীচুৱে মাত্র এজন ব্যক্তিলৈ লক্ষ্য কৰিলে। তেওঁ কিন্তু দূৰৈৰ আছিল, আচঁহুৱা ধৰণৰ সেই মানুহজন এজোপা গছৰ ওপৰত উঠি আছিল।

'আনিপ্র' –

* যীচুৱে আলিবাটত খোজকাটি যাওঁতে অনেকলোকে তেওঁক আগুৰি ধৰিছিল। সেই লোক সমূহৰ ভিতৰত কোনজন ব্যক্তিক যীচুৱে সঁহাৰি জনাইছিল?

* যীচুৰ আচৰণে আমাক কি প্রদর্শন কৰে?

(৫) **'আ-নি'** – যীচুৱে চক্কেয়ক নামধৰি মাতিলে– এইটোৱে বুজায় যে যীচুৱে মানুহজনৰ কাৰণে চিন্তা কৰিছিল।

'আনিপ্র' – মই চিন্তা কৰো। চক্কেয়ক যীচুৱে যি কৈছিল, তাত এনে কথা আছেনে যিটোৱে চক্কেয়ৰ প্রতি যে যীচৰ চিন্তা আছিল, তাক প্রদর্শন কৰে?

(৬) **আ-নি** – যীচুৱে নিজেই চক্কেয়ৰ ঘৰত থাকিম বুলি কৈছিল। অনেক সমাজত এনে কৰাতো অতিৰিক্ত সাহসৰ পৰিচয়। কি নিশ্চতভাৱে ঘটিব, তাৰ প্রতি যীচুৱে জ্ঞান আৰু সাহ প্রদর্শন কৰিলে। যেন যীচুৱে ভৱিষ্যতটো জানিছিল।

(৭) **আ-নি** – যেতিয়া কোনো ব্যক্তিয়ে বিশেষকৈ এজন নেতাই, যিজনক অনেকলোকে অনুসৰণ কৰে, তেওঁ যদি ওপৰলৈ চায়, তেওঁৰ লগতে লোক বিলাকেও ওপৰলৈ চাব। ইয়াৰ অর্থ এইযে কৱল যীচুৱেইযে চক্কেয়লৈ চাইছিল, এনে নহয়, গোটেই লোক বিলাকেই চাইছিল। চক্কেয়ই কোনো ভয় প্রদর্শন কৰা নাছিল বা তেওঁক যে যীচুৱে 'বিচাৰি' পালে, তাৰ বাবে দোধোৰ মোধোৰ অৱস্থাত পৰা নাছিল। বাস্তৱিক, তেওঁ আনন্দহে প্রদর্শন কৰিছিল।

‘আনি প্র’ –

* আপুনি কেতিয়াবা কোনো মানুহৰ জুমৰ মাজত আৰু সেই জুমৰ পৰা কোনোবা এজনে ওপৰলৈ একেৰাহে কিবা এটা চাই থকা অৱস্থাত পাইছেনে ? সেই জুমটোৰ লোক সকলে তেতিয়া কি কৰি থাকে ?

* যীচুৰ বাহিৰেও চক্কেয়ক গছজোপাত আন কোনোবাই দেখিছিল নেকি?কেনেকৈ? এই কথা কাহিনীটোৰ পৰা আমি জানিব পাৰোনে?

* চক্কেয় নামৰ এই মানুহজনক এক দোধোৰ মোধোৰ অৱস্থাত ধৰা হ’ল আৰু প্ৰত্যেকেই তেওঁক দেখিলে। এজন ধনী আৰু ক্ষমতাশালী ব্যক্তিক,এনে এটা সাধাৰণ ঠাইত, অৰ্থাৎ এজোপা গছৰ ওপৰত দেখা পালে,তেওঁ কেনে অনুভৱ কৰিব?

* চক্কেয়ই নিজকে লুকুৱাই ৰাখিবলৈ চেষ্টা কৰিছিলনে ? বা কিবা ‘বাহানা’ বনাইছিল নেকি?

(৮) **‘আ-নি’** – চক্কেয়ক যীচুৱে তেওঁৰ ঘৰলৈ কিয় আহিব লাগে, তাৰ কাৰণ কোৱা নাছিল। এইটো বৰ আমোদজনক কথা যে চক্কেয়ই যীচুৰ আহ্বানৰ প্ৰতি সঠিক সহাঁৰি জনাবলৈ সংকোচ কৰা নাছিল। চক্কেয়ই খৰখেদাকৈ নামি আহিল। চক্কেয়ই আস্থা ৰাখিলে।

‘আনিপ্র’- যীচুৱে চক্কেয়ক গছৰ পৰা নামি আহিবলৈ কওঁতে তেওঁ কেনে প্ৰতিক্ৰিয়া দেখুৱালে । ঠিক কেনে সহাঁৰি দিলে? ইয়াৰ পৰা চক্কেয়ৰ বিষয়ে আমি কি জানিব পাৰো?

(৯) **‘আ-নি’** – যীচুৰ বিষয়ে লোকসমূহে নিজৰ ভিতৰতে ভোৰ ভোৰাল আৰু চক্কেয়ৰ বিৰুদ্ধে কলে – ‘এওঁ পাপী মানুহৰ আলহী হবলৈ গৈছে।’ ‘হবলৈ ’ এই কথাই বুজায় যে যীচু এই মাত্ৰ সেই ঠাই এৰিলে বা এৰি গল।

চক্কেয়ৰ সন্মুখত যীচুৱে লোক সমূহক যি কলে, তাৰ দ্বাৰা অমি জানো যে যীচুৱে তেওঁলোকক সমালোচনা জানিছিল। যীচুৱে লোকসমূহৰ সমালোচনাৰ পৰা নিজকে ৰক্ষা নকৰিলে, আৰু তেওঁ চক্কেয়ৰ ঘৰলৈ যাত্ৰাত থাকিল।

‘আনিপ্র’ -

* তেওঁলোকৰ ভোৰ-ভোৰণিৰ পৰা বুজা যায় যে লোক সমূহে চক্কেয়তকৈ নিজকে শ্ৰেষ্ঠ জ্ঞান কৰিছিল? লোক সমূহৰ প্ৰভাৱ চক্কেয়ৰ ওপৰত পৰিছিলনে?

* যীচুৱে চক্কেয়ৰ ঘৰলৈ যাত্ৰা কৰিয়েই থাকিল। লোকসমূহৰ সমালোচনাক যীচুৱে কেনে প্ৰতিক্ৰিয়া দেখুৱাব পাৰিলেহেতেন?

* লোকসমূহৰ সমালোচনাৰ প্ৰতি কোনো প্ৰতিক্ৰিয়া যীচুৱে প্ৰকাশ নকৰিলে। ইয়াৰ পৰা আমি কি শিকিব পাৰো?

(১০) **‘আ-নি’** – লোকসমূহৰ আপত্তিটো যে যীচুৱে “পাপী মানুহৰ আলহী হবলৈ গৈছে।’ ইয়াৰ অৰ্থ হ’ল লোকসমূহে ভাৱিছিল যে তেওঁলোক পাপী নহয়।

‘আনিপ্র’ -

* লোকসমূহে নিজৰ ভিতৰতে যি কথা পাতিছিল তাৰ পৰা চক্কেয়ৰ আত্মিক জীৱনৰ বিষয়ে কিবা জানিব পাৰোনে ?

* লোকসমূহে যি কৈছিল, তাৰ পৰা তেওঁলোকৰ আত্মিক জীৱনৰ বিষয়ে কিবা জানিব পাৰোনে ?

(১১) **"আ-নি"** – লোকসমূহে যীচুৰ অনুগামী ৰূপে ভূমিকা পালন কৰিছিল। তেওঁলোকে যীচুৰ সৈতে ফুৰিছিল। তেওঁক ঘেৰি ধৰিছিল। লোকসমূহ যীচুৰ নিচেই কাষত লাগি আছিল। সেইবাবে চক্কেয়ই যীচুক আনকি দেখাই নেপালে। যদিও তেওঁলোকৰ সমালোচনাৰ পৰা জানিব পৰা যায় যে তেওঁলোকে যীচুৰ বিষয়ে চিন্তা কৰিছিল। যীচুৱে কাৰ লগত খাইছিল, তথাপিও এইটো এনে বুজায় যেন চক্কেয়ৰ ঘৰখন নহয়, তেওঁলোকৰ মাজৰ কোনোবা এজনৰ ঘৰখনহে বাচি লোৱাটো সঠিক হলহেতেন। আচলতে এই ক্ষেত্রত লোকসমূহে যীচুৰ লগত একমত হব নোৱাৰি।

যীচুক সম্পৰ্ণৰূপে হেয় জ্ঞান কৰা বুজাইছে।

'আনিপ্র' –

* মই চিন্তা কৰিছো, কাহিনীটোৰ আৰম্ভণীত এনে কিছু কথা আছে নেকি যৰ পৰা আমি ভাৱিব পাৰিম যে লোক সমূহ যীচুৰ 'অনুগামী' আছিল ?

* লোকসমূহ যীচুৰ লগত ফুৰিছিল। তেওঁক ঘেৰি ধৰিছিল। তেওঁলোকৰ শাৰীৰিক কৰ্মৰ পৰা আৰু যীচুৱে কাৰ লগত তেওঁৰ ব্যক্তিগত সময় কটাইছে, সেই কথাত দেখাত চিন্তিত হোৱা কার্য্যই, তেওঁলোকৰ বিষয়ে কি জানিব পৰা যায়?

* কিন্তু, প্রকৃততে তেওঁলোকে যীচুক কি সন্মান দেখুৱাইছে, বিশেষকৈ, যীচুৱে চক্কেয়ৰ ঘৰলৈ যোৱা সম্পর্কত কোৱা কথাৰ দ্বাৰাই?

(১২) '**আ-নি**' – এই বিচাৰকর্তা স্বৰূপ লোক সমূহৰ নিজা কিছুমান বদ্ধমূল ধাৰণা আছিল। কিন্তু যীচুক প্রশ্ন কৰিবলৈ তেওঁলোকৰ আত্মা বিশ্বাস নাছিল। যীচুৰ ক্ষমতা সম্পর্কে লোক সমূহৰ কোনো ধাৰণা নাছিল। নিজৰ ভিতৰতে কথোপকথন কৰি থকা বাবে তেওঁলোকে ভাৱিছিল, যীচুৱে তেওঁলোকৰ আপত্তিসমূহ শুনা নাছিল।

'আনিপ্র' –

* তোমালোকৰ মনত পৰেনে কেনেকৈ লোকসমূহ বিপাঙত পৰিছিল আৰু সেই কাৰণে যীচুক তেওঁলোকে সুধিলে , তেওঁ কেনেকৈ তেওঁক বিচৰা লোকসমূহক এৰি, এজন পাপীৰ ঘৰলৈ যাব? নাই ? আপুনি ঠিক কৈছে। তেওঁলোকে তেনে প্রতিক্রিয়া দেখুৱা নাছিল। তেওঁলোকে কি কৰিলে? * তেওঁলোকৰ আচৰণে আমাক কি দেখুৱায়? তেওঁলোকে সঁচাই যীচুক সমাদৰ কৰিছিলনে?

(১৩) '**আ-নি**'- ধনী ব্যক্তি চক্কেয়ই তেওঁৰ আধাখিনি দৰিদ্রলোকক দান কৰা কথা ঘোষণা কৰাৰ দ্বাৰাই তেওঁৰ হৃদয়ৰ পৰিচয় দাঙি ধৰিলে।

* **'আনিপ্র'**-চক্কেয়ই কি মহান সংকল্প কৰিলে ?

* ইয়াৰ দ্বাৰাই চক্কেয়ৰ প্রমুল্যবোধ সলনি হল বুলি কব পাৰো নেকি?

(১৪) '**আ-নি**'- চক্কেয়ই ঘোষণা কৰিলে যে মিছা অপবাদ দি কোনো মানুহৰ কিবা লৈছো, তেন্তে তাৰ চাৰিগুণ ওভোতাই দিওঁ। চক্কেয়ই কোৱা নাছিল, "যদি মই

আইনমতে দণ্ডনীয় হওঁ, তেন্তে মই চুৰি কৰা ধনৰ চাৰিভাগ ঘুৰাই দিম।" চক্কেয়ই এই সংকল্প তেওঁৰ নিজা ক্ষমতাৰে, খুচি মতে লৈছিল।

কোনোবাই কব পাৰে যে চক্কেয়ই ইতিমধ্যেই দৰিদ্রবিলাকক টকা ঘুৰাই দিছিল, কিন্তু লোক সমূহৰ মন্তব্যই সেইটো নকয়। যদি আধাখিনি টকা তেওঁ দৰিদ্রক দিছিলে, সেইটা কথা গোপনে ৰাখিব পাৰিলোহেতেন। কিন্তু ইতিমধ্যেই যদি, মিছা অপবাদ দি সম্পতিৰ আধাখিনি ওভোতাই দিলে, লোক সমূহৰ দৃষ্টিত তেওঁ এজন ধার্মিক ব্যক্তি বুলি গণিত হল হেতেন।

কাহিনীটোৰ পৰা আমি জানিব পাৰো যে- এই ঘটনাটোৰ কোনোবা এটা মুহূর্ততে চক্কেয়ই, তেওঁ যে এজন পাপী, তাক স্বীকাৰ কৰিছিল আৰু তেওঁ নিজকে শুধৰনিলৈ আনিবলৈ বিচাৰিছিল। যীচুৱে কৈছিল, এই ঘৰলৈ আজি পৰিত্রাণ আহিল।আমি দেখা পাওঁ যে চক্কেয়ই অবিশ্বাস্য উদাৰতা ইয়াত প্রদর্শন কৰিছে।

'আনিপ্র'-

* কাহিনীটোত এনে কথা আছে নেকি যিটোৱে ইঙ্গিত দিয়ে যে চক্কেয়ক বিধানে চোৰ বুলি অভিহিত কৰিছিল বা বিধানমতে তেওঁক দোষী সাব্যস্ত কৰা হৈছিল, সেইকাৰণে এতিয়া আইনৰ হাতো�ৰাৰ পৰা মুক্ত হবৰ বাবে আধাখিনি দৰিদ্রলোকক দান কৰিছে?

* কাহিনীটোৰ পৰা আমি জানিব পাৰো নেকি যে চক্কেয়ই যীচুক লগ পোৱাৰ আগতেই টকা ঘুৰাই দিছিল বা যীচুৱে তেওঁৰ ঘৰলৈ অহাৰ পাছত তেওঁ সিদ্ধান্ত কৰিছিল।

* লোকসমূহৰ ৰায়ৰ ওপৰত ভিত্তি কৰি আমি কব পাৰো নেকি যে চক্কেয় অবিশ্বাস্যৰূপে এজন সাধু কৰতোলা আছিল, আৰু ইতিমধ্যেই তেওঁ আধাখিনি সম্পত্তি দৰিদ্রলোকক দিছিল?

* মিছা অপবাদ দি টকা লোৱা সকলৰ ওচৰলৈ যাবলৈ আৰু নিজে টকা ঘুৰাই দিবলৈ- চক্কেয়ই কাৰণে কিমান কঠিন হল হয়?

* কাহিনীটোৰ পৰা জানিব পাৰো নেকি যে যীচুৰ লগত সাক্ষ্যৎ হোৱোৰ পাছত,চক্কেয়ৰ জীৱন সলনি হৈ গল? আপুনি ইয়াক কেনেকৈ জানিব পাৰে?

(১৫) **'আ-নি'** – প্রথম অৱস্থাত এনেভাৱ হব পাৰে যেন চক্কেয়ই যীচুৰ পৰা আত্মিকতা ক্রয় কৰিবলৈ চেষ্টা কৰিছে। কিন্তু আমি জানো যে চক্কেয়ই সেইদিনাই যীচুত বিশ্বাস কৰিছিল, কাৰণ যীচুৱে নিজেই কৈছিল, এই ঘৰলৈ আজি পৰিত্রাণ আহিল।" এই কাহিনীটোত চক্কেয়ই একমাত্র ব্যক্তি যিজনে নিজে এজন পাপী বুলি স্বীকাৰ কৰিছিল আৰু তেওঁৱেই একমাত্র ব্যক্তি আছিল,যি জনে পৰিত্রাণ লাভ কৰিলে।

'আনিপ্র' –

* আপুনি ভাৱেনে যে চক্কেয়ই যীচুৰ পৰা অনুগ্রহ ক্রয় কৰিবলৈ চেষ্টা কৰিছিল?

* কাহিনীটোত এনে কিবা আছেন, যাৰ পৰা আমি জানিব পাৰিম যে চক্কেয়ই সেই দিনটোত সঁচা অর্থত তেওঁৰ জীৱন এক আত্মিক পৰিবর্তন পাইছিল?
* যীচুৰ বাক্যৰ পৰা আমি জানিব পাৰোনে যে চক্কেয়ই বিশ্বাসত আহিল?
* কাহিনীটোত কোনে, নিজে এজন পাপী বুলি স্বীকাৰ কৰিলে?
* কাহিনীটোত কোনে তেওঁলোকেও যে পাপী তাক জানিব নোৱাৰিলে?বা নিজৰ নিজৰ পাপ দেখা নেপালে?
* কাহিনীটোত কিমান মানুহে যীচুত ভাৰসা ৰাখিলে?
* সিবিলাকে যীচুৰ সানিধ্য লাভ কৰিছিল আৰু বিশ্বাসত আহিল আৰু যিবিলাকে সানিধ্য লাভ কৰিও বিশ্বাসত আহিল আৰু যিবিলাকে সানিধ্য লাভ কৰিও বিশ্বাসত নাহিল- তেওঁবিলাকৰ মাজত প্রার্থনাটো কেনেদৰে বিচাৰি পাব ?

(১৬) **'আ-নি'** – কাহিনীটোত আমি দেখা পাইছো যে যীচুৱে প্রত্যক্ষভাৱে চক্কেয়ক কৈছিল, 'আজি এই ঘৰলৈ পৰিত্রাণ আহিল।' যীচুৱে আৰু কলে, 'কিয়নো এৱোঁ আব্রাহামৰ সন্তান।" ইয়াৰ পৰা আমি জানিব পাৰো যে চক্কেয়ৰ বাহিৰেও আন লোক তাত উপস্থিত আছিল। আৰু দেখা পাইছো যে যিজনৰ লগত তেওঁ কথা পাতিছিল, তেওঁ তেওঁক সলনি কৰিলে আৰু যীচুৱে চক্কেয়ৰ সপক্ষে কথা কৈছিল।

'আনিপ্র' -

* এই কাহিনীটোত, চক্কেয়ই নিজৰ বিশ্বাসৰ কথা যীচুৰ আগত স্বীকাৰ পৰিছিল, এনে ভাৱ হয় যেন তেওঁলোকৰ দুজনৰ মাজতহে কথোপকথন হৈছিল। কিয়নো যীচুৱে কৈছিল, এঁৱো আব্রাহামৰ সন্তান। ইয়াৰ পৰা বুজিব পাৰোনো কি যে তাত আনলোকো উপস্থিত আছিল।
* মই কব খুজিছো, প্রথমতে যীচুৱে চক্কেয়ৰ লগত কথা পাতি আছিল। আৰু তাৰ পাছত যীচুৱে কৈছে 'এঁৱো'। এইকথা যীচুৱে কাক কৈছিল যেন লাগে?
* যীচুৱে চক্কেয়ৰ পক্ষ লৈ কথা কোৱা যেন বুজায়নে?
* যীচুৱে লোকসমূহক নিজৰ বিষয়ে আৰু চক্কেয়ৰ বিষয়ে কি বুজাবলৈ চেষ্টা কৰিছিল?

*১৭)**'আ-নি'** – যীচুৱে কৈছিল, "কাৰণ যি হেৰালে তাক বিচাৰি ৰক্ষা কৰিবলৈ মানুহৰ পুত্র আহিল।" এই কথাই নিশ্চিতভাৱে চক্কেয়ক সন্মানিত কৰিছিল আৰু এইটোৱেই লোক সমূহক সমালোচনা কৰাৰ যেন এটা চমু বিবৃত্তি।

'আনিপ্র' –

* যীচুৱে এই কাহিনীটো এইদৰে সামৰণি মাৰিলে- কাৰণ যি হেৰালে তাক বিচাৰি ৰক্ষা কৰিবলৈ মানুহৰ পুত্র আহিল।' যীচুৰ এই চমু বিবৃতিটোত কি দেখা পাইছে।
* আপুনি ভাৱেনে যে যীচুৱে লোক সমূহক নিজৰ অৱস্থাটো নিজে বুজি পোৱাতো বিচাৰিছিল?
* আপোনাৰ ধাৰণাটো ব্যাখ্যা কৰক।

১৮) **‘আ-নি’** – এই কাহিনীটোত আমি দেখিছো যে সকলোৱে ঘৃণা কৰা এজন ব্যক্তিক এজন বিশেষ নেতা ব্যক্তিগতভাৱে যত্ন লৈছে। যীচুৱে মানুহজনৰ নাম জানিছিল। যীচুৱে জনমতৰ বিৰুদ্ধে গৈছিল। নিজৰ ভিতৰতে লোক সমূহে কি কথা পাতিছিল তাকো জানিছিল। ইয়াৰোপৰি , চক্কেয়ই সেইদিনাই পৰিত্রাণ পালে বুলি কবলৈও তেওঁৰ ক্ষমতা আছিল। এই সকেলা কথা বিবেচনা কৰি চালে আমি কব পাৰো যে যীচু স্বয়ং ঈশ্বৰ আছিল।

‘আনিপ্র’ –

* এই কাহিনীটোও.যীচুৱে কি কি কর্ম কৰা আমি দেখা পাইছো। আৰু সেই কর্ম্মবোৰে কেন প্রকাৰৰ ব্যক্ত হয় তাক জানিব পাৰিনে?
* যীচুৱে কোৱা বা কৰা এনে কিবা আছেনে যাৰ দ্বাৰাই আমি ভাৱি লব পাৰো যে যীচু সাধাৰণ মানুহতকৈ ওপৰ আছিল? উদাহৰণ স্বৰূপে- কেনেধৰণৰ ব্যক্তিয়ে আনৰ মনৰভাৱ জানিব পাৰে আৰু কাৰ পাপ ক্ষমা কৰা হ’ল, তাক তৎক্ষণাত কব পাৰে?

১৯) **‘আ-নি’** – কাহিনীটোৰ প্রথম ভাগত, এইটো স্পষ্ট যে চক্কেয়ই যীচুক বিচাৰিছিল। তাৰ পাছত ই, যীচুৱে চক্কেয়ক বিচাৰি উলিওৱা কাহিনী হ’ল।

‘আনিপ্র’ –

* কাহিনীটোৰ আৰম্ভণিত, চক্কেয়ই যীচুক বিচাৰিছে বুলি কবনে ?
* এইটোৱে আমাক কি দেখুৱায় ?
* কিন্তু, কাহিনীটোৰ ভিতৰ ভাগলৈ সোমাই চাই আপুনি কব নেকি যে চক্কেয়ক বিচাৰিছে?
* কাহিনীটোৰ কত ইয়াক দেখা যায়?
* সেই কাৰেণ এইটো কি ? চক্কেয়ই যীচুক বিচাৰিছেনে বা যীচুৱে চক্কেয়ক বিচাৰিছেনে বা যীচুৱে চক্কেয়ক বিচাৰিছে?
* দুয়োটাই শুদ্ধ হব পাৰেনে? আপুনি কি ভাৱে?

<u>আমি দেখা আত্মিক প্রয়োগসমূহঃ</u>

ইয়াৰ পাছৰ পদক্ষেপ হ’ল আত্মিক প্রয়োগ সমূহ প্রস্তুত কৰা। প্রতিটো প্রয়োগ কেনেকৈ এটা নির্দিষ্ট নিৰীক্ষণৰ ওপৰত ভিত্তি কৰে, ইয়াক দেখুৱাবৰ বাবে, আমি আকৌ এবাৰ নিৰীক্ষণ সমূহৰ তালিকাখন দিম। প্রতিটো নিৰীক্ষণৰ পাছতেই ইয়াৰ আত্মিক প্রয়োগ দেখুওৱা হব।

অৱশেষত নিৰীক্ষণৰ বাবে যেনেদৰে প্রশনসমূহ দিয়া হৈছিল, সেইদৰে আত্মিক প্রয়োগৰ বাবেও প্রশ্নসমূহৰ পৰামর্শ আপোনাক দিম।

এই সকলো পুনৰাবৃত্তি, আমি অন্তভূক্ত কৰিছো যাতে আপুনি প্রশ্নসমূহে প্রয়োগলৈ চলাই নিয়ে আৰু তাৰ পাছত কেনেকৈ প্রশ্নসমূহে শ্রোতাসকলক সেই প্রয়োগ সমূহলৈ চলাই নিয়ে ইয়াক পর্যালোচনা কৰিব পাৰিব।

১. **‘আ-নি’**- যীচুৰ প্ৰতি দেখাত আগ্ৰহী লোক সমূহেই, চক্কেয়ক যীচুৰ কাষলৈ অহাত বাধা স্বৰূপ হৈছিল।

‘আপ্ৰ’ আমি যি সকলে যীচুৰ অনুগামী বুলি দাবী কৰো কেতিয়াবা যীচুৰ কাষ চাপিবলৈ ইমানেই দৃষ্টি নিক্ষেপ কৰো (বা ধৰ্ম্মিক হবলৈ) চেষ্টা কৰো যে আমি অনিচ্ছাকৃত ভাৱে বা অসাবধান ভাৱে যীচুক বিচৰা লোক সমূহক আঁতৰাই ৰাখো।

২. চক্কেয় নামৰ এই মানুহজন শাৰীৰিক ভাৱে চুটি চাপৰ কিন্তু পদমর্যদাত উচ্চ আছিল। তেওঁ এজন ধনী মানুহ আছিল আৰু শীর্ষ কৰতোলা বিষয়া আছিল। কিন্তু তেওঁ যীচুক চাবলৈ ইমানেই হেপাহ কৰিছিলযে, যেতিয়া সহজ ভাৱে তেওঁ চাব নোৱাৰিলে, চক্কেয়ই ইচ্ছাপূৰ্ব্বক ভাৱে অন্য পথ এটা বাচি ললে

‘আ-প্ৰ’- যীচুক চাবলৈ হলে, আমি আমাৰ অহংকাৰ নিশ্চয়ে একাষৰীয়া কৰি থব লাগিব, আৰু তেওঁক পাবৰ বাবে, আৰু তেওঁৰ অনুগামী হবলৈ- যি প্ৰয়োজন তাক কৰিব লাগিব।

৩. **‘আ-নি’**- আলিবাটত দৌৰি যোৱা আৰু গছৰ ওপৰত উঠা এনে মর্য্যদাহীন সাধাৰণ কার্য্য লোক সমূহে ইতিকিং কৰিব পাৰে বুলি ভাৱি, চক্কেয়ই যীচুক চোৱাৰ পৰা বিমূখ নহল।

‘আ-প্ৰ’- আমাৰ অহঙ্কাৰৰ বাবে বা মানুহলৈ ভয় কৰি, বা মানুহে আমাক কি কব, বুলি ভাৱি যীচুক নজনাকৈ থাকিব নেলাগে, হয়তো যীচুৰ বাবে আমি যি কৰিম, তালৈ চাই মানুহে আমাক মূর্খামি কৰিলে বুলি ভাৱিব পাৰে, বা কোন কোনো সমাজৰ দৃষ্টিত ঘৃণনীয় হব পাৰে, তথাপি আমি ইয়াক কৰিবই লাগিব।

৪. **‘আ-নি’**- মানুহৰ ভিৰৰ মাজত হেঁচাঠেলাকৈ যীচুক খোজকাটি যোৱা আমি দেখিবলৈ পাইছিলো। সকলো লোকে হেঁচাঠেলা কৰি যীচুৰ কাষলৈ আহিবলৈ চাইছে, কিন্তু তেওঁলোকৰ মাজৰ কোনো এজনকেই যীচুৱে বাচি নললে। তাৰ সলনি যীচুৱে মাত্র এজন ব্যক্তিলৈ লক্ষ্য কৰিলে, যি জন তেওঁৰ পৰা দূৰৈত আছিল। আৰু আচহুৱাকৈ,এই মানুহ জন এজোপা গছত উঠি আছিল।

‘আ-প্ৰ’- সেইদিনা অনেকলোকে যীচুৰ অনুগ্রহ বিচাৰিছিল। তেওঁলোকে যীচুত বৰ আগ্রহ দেখুৱাইছিল, কিন্তু তেওঁ, তেওঁলোকক আওকান কৰিলে, আৰু এজন ব্যক্তিক মনোনীত কৰিলে। আজি, পৃথিৱীত অনেক লোকে এনে ভাওধৰে যেন তেওঁলোকৰ ঈশ্বৰলৈ বৰ হেপাহ ও ধাউতি আছে, কিন্তু তাৰ ভিতৰত অনেকেই আচল নহয়। যীচুৱে আচল অনুসন্ধান কাৰীজনক মনোনীত কৰিলে। ঈশ্বৰে আমাৰ মন জানে, আৰু জানে সঁচাই আমি তেওঁক বিচাৰিছোনে?

৫. **‘আ-নি’**- যীচুৱে চক্কেয়ক নামধৰি মাতিলে, এইটোৱে ইয়াকে বুজায় যে যীচুৰ, তেওঁৰ প্ৰতি ব্যক্তিগত চিন্তা আছিল।

‘আপ্ৰ’- ইয়াত আমি ঈশ্বৰক এজন ব্যক্তি ৰূপে দেখা পাইছো। যি গৰাকীয়ে ব্যক্তিয়ে আমি কত আছো তাক জানে, আৰু আমাক নামে সৈতে চিনি পায়। যি বিলাকে তেওঁথ বিচাৰে তেওঁলোকৰ প্ৰতি যে ঈশ্বৰ দয়ালু, তেওঁ যেন আমাক নামে

সৈতে জানক-তেওঁ যে আমাক ব্যক্তিগত ভাৱে জানে- এইটো শান্তনাদায়ক কথা। চক্কেয়ই যীচুক চাবলৈ হেপাঁহ কৰিছিল, কিন্তু এইটো আৰু কিমান যে আচৰ্যজনক কথা, যেতিয়া যীচুৱে চক্কেয়ক নামধৰি মাতিলে।

৬. **'আ-নি'**- যীচুৱে নিজেই চক্কেয়ৰ ঘৰত থাকিম বুলি কলে, এনেদৰে কোৱাতো কোনো কোনো সমাজত অতি সাহসীকতাৰ পৰিচয়। কি ঘটিব, এই সম্পৰ্কে যীচুৱে প্ৰজ্ঞা আৰু সাহ দেখুৱাইছিল। যেন তেওঁ ভৱিষ্যতটো জানিছিল।

'আ-প্ৰ'- এইটো বৰ আচৰিত, আৰু অনুপ্ৰেসণামূলক কথা যে যীচুৱে তেওঁক বিচৰা সকলৰ লগত থাকিব খোজে, আৰু যীচুৱে ভৱিষ্যত কি ঘটিব তাক জানে।

৭. **'আ-নি'**- কোনো ব্যক্তায়ে, বিশেকৈ এজন নেতাই যাৰ পাছে পাছে অনেক লোক আহে, তেওঁ যদি ওপৰলৈ চায়, তেন্তে লোক সমূহেও, তেওঁলোকৰ নেতাই কিনো চাইছে বুলি, ওপৰলৈ চাব। তাৰ মানে এইটোৱে বুজায় যে কেৱল যীচৱেই চক্কেয়ক চোৱা নাছিল, গোটেই লোক সমূহেই চাইছিল। তেওঁক চোৱাৰ বাবে চক্কেয়ই কোনো ভয় পোৱা নাছিল বা দোধোৰ মোধোৰ অৱস্থাটো পৰা নাছিল। প্ৰকৃততে, তেওঁ আনন্দ হে প্ৰদৰ্শণ কৰিলে।

'আ-প্ৰ'- আমাক যেতিয়া অখ্ৰীষ্টীয়ান আৰু ঈশ্বৰ আনুগত্যহীন লোকবিলাকে চায়, আৰু ঈশ্বৰক জানিবলৈ বিচৰাবাবে আমাক মূৰ্খ বা নিৰ্বোধ বুলি ভাৱে, তেতিয়া আমি কেতিয়াও তেওঁলোকৰ দ্বাৰা প্ৰভাৱিত হব নেলাগিব। ঈশ্বৰে যে আমাৰ কাৰণে চিন্তা কৰে, এই কথা জনাৰ পাছত আমি আনন্দ প্ৰকাশ কৰিব লাগে।

৮. **'আ-নি'**- যীচুৱে চক্কেয়ৰ ঘৰলৈ কিয় যাব, তাক তেওঁ কোৱা নাছিল। যীচুৱে মাতি পঠোৱাত, চক্কেয়ই সঠিক সঁহাৰি দিবলৈ সংকোচ কৰা নাছিল। এইটো আমোদজনক কথা। তেওঁ খৰখেদা কৰিলে। আচলতে তেওঁ আস্থা ৰাখিলে।

'আ-প্ৰা'- যদি কেতিয়াবা, ঈশ্বৰে আমাক কোনো কাৰ্যৰ নিমিত্তে মাতিছে বুলি আমি জানো, আমি নিশ্চিত ভাৱে সঁহাৰি দিব লাগে। আৰু তেওঁৰ নিদেৰ্শনা মতেই, সঁহাৰি দিব লাগে। লাগে লগেই আজ্ঞা পালন কৰিব লাগে। পলমকৈ আজ্ঞা পালন কৰা মানে অবাধ্য হোৱাই বুজায়।

৯. **'আ-নি'**- লোকসমূহে নিজৰ ভিতৰতে যীচুৰ বিৰুদ্ধে ভোৰ ভোৰাই চক্কেয়ৰ বিৰুদ্ধে কথা কলে। কেনেকৈ "তেওঁ পাপী লোকৰ ঘৰত আলহী হবলৈ গৈছে।" হবলৈ...গৈছে' মানে যীচু এই মাত্ৰ গৈছে বা তেওঁ আগতেই গল।

চক্কেয়ৰ সন্মোখতেই যীচুৱে লোক সমূহক কি কলে, তাৰ দ্বাৰাই আমি জানো যে যীচুৱে তেওঁলোকৰ সমালোচনা জনিছিল। লোকসমূহৰ সমালোচনাৰ পৰা যীচুৱে আত্মাৰক্ষা কৰিবলৈ নিবিচাৰিলে, আৰু চক্কেয়ৰ ঘৰলৈ যাত্ৰাত থাকিল।

‘আ-প্র’- আমাৰ আৱস্তনি সুন্দৰ হব পাৰে। কিন্তু আমি নিশ্চয়কৈ আমাৰ গতিপথত থাকিব লাগিব, যদিও আমাৰ চাৰিওফালে বসবাস কৰা লোক সমূহৰ পৰা কটু মন্তব্য শুনো। এনে মন্তব্য হয়তো ধার্ম্মিক লোক সমূহৰ পৰাও আহিব পাৰে।

১০. **‘আ-নি’**- লোকসমূহৰ আপত্তিটো আছিল, “যীচুৱে পাপীলোকৰ ঘৰত আলহী হবলৈ গৈছে।” তাৰ মানে লোক সমূহে ভাৱিছিল যে তেওঁলোক পাপী নহয়।

‘আ-প্র’- আহঙ্কাৰী লোকে নিজকে কথা ও কর্ম্মৰ দ্বাৰাই প্রকাশ কৰে। সেই গর্ব্বীলোক সমূহৰ দৰে যেন আমি নহও। তেওঁলোকে নিজৰ পাপ স্বীকাৰ নকৰে।

১১. **‘আ-নি’-** লোক সমূহে যীচুৰ ‘অনুগামী’ বুলি ভাও ধৰিছিল। তেওঁলোকে যীচুৰ লগত ফুৰিছিল, তেওঁলোকে তেওঁক ঘেৰি ধৰিছিল। লোক সমূহ যীচুৰ ইমানেই কাষত আছিল যে চক্কেয়ই তেওঁলোকৰ বাবে যীচুক দেখা পাবই নোৱাৰিলে। যদিও তেওঁলোকৰ মন্তব্যত যীচুৰ প্রতি চিন্তা থকা যেন লাগে, যীচুৱে কেনে মানুহৰ লগত খাইছে বুলি, তথাপি, তেওঁলোকে যেন কব খুজিছিল তেওঁলোকৰ মাজৰেই কোনোবা এজনৰ ঘৰখনহে সঠিক হল হয়। প্রকৃততে, যীচুৱে কাৰোবাৰ ঘৰত ফুৰিবলৈ যোৱা সিদ্ধান্তত লোক সমূহে একমত হব নোৱাৰিলে আৰু তাৰ দ্বাৰাই লোক সমূহে যীচুক সম্পূর্ণৰূপে অৱমাননা কৰিলে।

‘আ-প্র’- যীচুৰ অনুগামী বুলি দাবী কৰা সকলোৱেই যীচুক প্রকৃততে নাজানে, নাইবা তেওঁক সমাদৰ নকৰে, নাইবা তেওঁৰ ইচ্ছাকো নামানে। কোনো কোনৱে নিজকে ধার্ম্মিক বুলি ভাও ধৰে, কিন্তু প্রকৃততে তেওঁলোকে ঈশ্বৰৰ বাক্যৰ প্রতি কোনো গুৰুত্ব নিদিয়ে।

১২. **‘আ-নি’-** বিচাৰকর্তাস্বৰূপ লোক সমূহৰ কিছুমান বদ্ধমূল ধাৰণা আছিল, কিন্তু যীচুৰ সন্মোখত প্রশ্ন সুধিবলৈ তেওঁলোকৰ আত্মাবিশ্বাস নাছিল। যীচুৰ ক্ষমতা সম্পর্কে লোক সমূহৰ কোনো ধাৰণা নাছিল। তেওঁলোকে, নিজৰ ভিতৰতে কথা পাতিলে, যীচুৱে, তেওঁলোকৰ আপত্তি শুনি নেপাব বুলি ভাৱিছিল।

‘আ-প্র’- লোকসমূহৰ কার্যকলাপ, বহু পৰিমানে আজিৰ দিনৰ লোকবিলাকৰ দৰেই আছিল। তেওঁলোকে ভাৱে- নিজৰ ভিতৰতে, ইজনে সিজনে, ফুচফুচাই কথা কলে ঈশ্বৰে নুশুনিব, নাইবা আন্ধাৰত বা গুপুত ঠাইত কৰা কর্ম্মবোৰ নেদেখিব।

১৩.**‘আ-নি’-** ধনবান চক্কেয়ই সম্পত্তিৰ আদখিনি দৰিদ্রক দি নিজৰ বহল মনৰ পৰিচয় দিলে।

‘আ-প্র’- যীচুৰ সৈতে মুখামুখি হলে, সেই ব্যক্তিৰ জীৱনৰ দৃষ্টিভঙ্গি আৰু মূল্যবোধ সলনি হবই।

১৪. **‘আ-নি’** চক্কেয়ই ঘোষণা কৰিছিল যে মিছা অপবাদ দি কোন মানুহৰ যদি কিবা লৈছোঁ, তেন্তে তাৰ চাৰিগুন ওভোতাই দিওঁ। এই বুলি কোৱা নাছিল “যদি আইমতে দণ্ডনীয় হও আৰু মিছা অপবাদ দি যদি কিবালৈছো তেন্তে, মই চাৰিগুণ ওভোতাই দিম। চক্কেয়ই এনে সিদ্ধান্ত মুক্ত মনেৰে লৈছিল কাৰোবাৰ হেঁচাত পৰি লোৱা নাছিল।”

কোনোবাই এইটো কব পাৰে যে চক্কেয়ই ইতিমধ্যেই দৰিদ্রক টকা দিছিল। কিন্তু লোক সমূহৰ মন্তব্যই সেইটো নকয়। যদি দৰিদ্রক আদখিনি সম্পত্তি দিলেই, সেইটো তেওঁ গুপু কৰি ৰাখিব পাৰিলেহেতেন। কিন্তু, মিছা অপবাদ দি লোকবিলাকৰ চাৰিগুণ ওভোটাই দিয়া হলে, লোকসমূহে চক্কেয়ক ধর্ম্মিক ব্যক্তি বুলি গণ্য কৰিলে হেতেন।

এই কাহিনীটোৰ পৰা আমি এইটো জানিব পাৰো যে এই ঘটনাটোৰ কোনোবা এটা মূহুর্ত্বত, চক্কেয়ই নিজৰ পাপ স্বীকাৰ কৰিছিল, আৰু নিজকে শুধৰাব বিচাৰিছিল। যীচুৱে কৈছিল যে সেই ঘৰলৈ সেই দিনাই পৰিত্রাণ আহিল। আমি দেখিবলৈ পাইছো যে চক্কেয়ই অবিশ্বাস্য মহানভুৰ প্রদর্শণ কৰিছে।

‘আ-প্ৰ’- চক্কেয় এজন ধনী মানুহ আছিল, এজন শীর্ষ কৰতোলা বিষয়া, যাৰ লুভীয়া পথবোৰ সলনি হৈ গল। তেওঁ সাধু আৰু উদাৰ মনৰ ব্যক্তি হল। এই শীর্ষ কৰতোৱা বিষয়াজনে নিজকে নম্র কৰি কলে যে, “মিছা অপবাদ দি কোনো মানুহৰ যদি কিবা লৈছো, তেন্তে তাৰ চাৰিগুণ ওভোটাই দিওঁ।” আমি যেতিয়া যীচুত বিশ্বাস কৰো, আৰু আমাৰ পাপ স্বীকাৰ কৰো, আমি নম্রতা প্রদর্শণ কৰিব লাগে আৰু ইচ্ছাকৃত ভাৱে অতীতৰ ভুলবোৰ উদাৰতাৰে ঠিক কৰি লব লাগে।

১৫. **‘আ-নি’** – প্রথম অৱস্থাত এইটো ভাৱিব পাৰে যে, চক্কেয়ই যীচুৰ পৰা আত্মিক সন্মতি ক্রয় কৰিব বিচাৰিছিল। কিন্তু আমি জানো যে চক্কেয়ই সেইদিনাই যীচুত বিশ্বাস কৰিছিল, কাৰণ যীচুৱে কৈছিল, “আজি এই ঘৰলৈ পৰিত্রাণ আহিল”। কাহিনীটোত, চক্কেয়ই একমাত্র ব্যক্তি, যিজনে নিজে এজন পাপী বুলি স্বীকাৰ কৰিছিল, আৰু তেৱেঁই একমাত্র ব্যক্তি আছিল, যি জনে পৰিত্রান লাভ কৰিলে।

‘আ-প্র’ – পৰিত্রাণ সেইবিলাকেহে পায় , যিবিলাকে প্রথেমে নিজকে পাপী বুলি স্বীকাৰ কৰে।

১৬) **‘আ-নি’** – কাহিনীটোত, যীচুৱে প্রত্যক্ষভাৱে কলে “আজি এই ঘৰলৈ পৰিত্রাণ আহিল, যীচুৱে আৰু কলে, কিয়নো এৱোঁ আব্রাহমৰ সন্তান। এই কথাৰ পৰা আমি জানিব পাৰো যে চক্কেয়ৰ বাহিৰেও,আনবোৰো তাত উপস্থিত আছিল। আৰু যীচুৰ কথাৰ পৰা জানিব পাৰো যে তেওঁৰে সৈতে কথা পাতি থকা লোকজনৰ জীৱন তেওঁ সলনি কৰিলে আৰু যীচুৱে লোক সমূহৰ আগত চক্কেয়ৰ সপক্ষে কথা কৈ আছিল।

‘আ-প্র’ – আমি যীচুক চক্কেয়ৰ লগত, কর্মৰত অৱস্থাত দেখা পালো। চক্কেয়ই, যীচুলৈ বিশ্বাসেৰ মন পালটন কৰিলে। লগতে দেখা পাইছো সেই গোটেই সময় ছোৱাত সেই ভূল বিচাৰোতা লোক সমূহে, তেওঁলোকলৈ চাই আছিল। যীচুৱে তেতিয়াও সেই নিজকে ধার্মিক বুলি ভাৱোতা লোকসমূহক বুজাবলৈ চেষ্টা কৰিছিল যে তেওঁলোকৰো পৰিত্রাণৰ প্রয়োজন আছে। আৰু চক্কেয়ই ঈশ্বৰৰ মনোযোগ আকর্ষণ কৰিবলৈ এজন যোগ্য ব্যক্ত এই কথা বুজিবলৈ যেন তেওঁলোকৰ মন মুকলি হয়। আজিও নিজকে ধার্মিক বুলি ভবা অনেক লোক আছে, যিবিলাকে যীচুত বিশ্বাস কৰি জীৱন সলনি হোৱা ব্যক্তিসকলক কটু বাক্য কয়।

১৭) **‘আনি’** – যীচুৰ বিবৃত্তি, তেওঁৰ এই পৃথিৱীলৈ অহাৰ অভিপ্রায় হল – “যি হেৰাল, তাক বিচাৰি ৰক্ষা কৰিবলৈ।” ই নিশ্চিতভাৱে , চক্কেয়ই সন্মানিত কৰিলে, আৰু ই এটা চমু বিবৃতি যিটোৱে লোক সমূহক সমালোচনা কৰিলে।?

‘আ-প্রা’ – আমি ঈশ্বৰৰ দৃষ্টিত গ্রহণীয় হবলৈ হলে, নিজৰ পাপময় অৱস্থা আৰু হেৰাই যোৱা অৱস্থাৰ কথা স্বীকাৰ কৰিব লাগিব আৰু ইয়াৰ পৰা উদ্ধাৰ কৰিবলৈ ঈশ্বৰৰ ওচৰত আত্মসমর্পণ কৰিব লাগিব।

১৮) **‘আ-নি’** – এই কাহিনীটোত, আমি এগৰাকী বিশেষ নেতা যীচুক সকলোৱে ঘৃণা কৰা এজন ব্যক্তিক, ব্যক্তিগতভাৱে যত্ন লোৱা দেখা পাইছো। যীচুৱে মানুহজনৰ নামটো জানিছিল, লোকসমূহৰ মতামতৰ বিৰুদ্ধে যীচুৱে গৈছিল। লোক সমূহে নিজৰ ভিতৰতে কি কথা পাতিছিল তাক যীচুৱে জানিছিল। লগতে চক্কেয়ই সেই দিনাই পৰিত্রাণ পালে বুলি কবলৈও যীচুৰ ক্ষমতা আছিল। এই সকলো কথা বিবেচনা কৰি চালে আমি কব পাৰো যে যীচু স্বয়ং ঈশ্বৰ ।

‘আ-প্র’ – ঈশ্বৰে আমাৰ লগতে কেনেকৈ সম্বন্ধ ৰাখিব খোজে তাক জানিবলৈ হলে যীচুৱে লোক সমূহৰ লগত আৰু চক্কেয়ৰ লগত কেনেদৰে মত বিনিময় কৰিছিল, তাক চাব পাৰো।

১৯) **‘আ-নি”** – কাহিনীটোৰ প্রথম ভাগত, এইটো স্পষ্টকৈ জানিব পৰা হয় যে চক্কেয়ই যীচুক বিচাৰি আছিল। তাৰ পাছত ই যীচুৱে চক্কেয়ক বিচাৰি উলিওৱা কাহিনীহৈ পৰে।

“আ-প্র” – আমি কাহিনীটোত দেখা পাইছো যে চক্কেয়ই যীচুক বিচাৰিছিল, আৰু যীচুৱেও চক্কেয়ক বিচাৰিছিল। দুয়োটাই সত্য । আমি নিশ্চয় ঈশ্বৰক বিচাৰিব লাগিব। কিন্তু এটা কথা জানক যে একে সময়তে ঈশ্বৰেও আমাক পাবলৈ বিচাৰে।

আত্মিক প্রয়োগৰ প্রশ্ন সমূহৰ প্রস্তুতিকৰণঃ

শেষতে আত্মিক প্রয়োগৰ প্রশ্নসমূহ চাওঁহক। আত্মিক নিৰীক্ষণসমূহ আৰু আত্মিক প্রয়োগ সমূহৰ তালিকাখন আকৌ দিয়া হৈছে যাতে আপুনি সম্পুর্ণ ঘটনাক্রমে চাব পাৰে । আত্মিক প্রয়োগৰ প্রশ্নবিলাক তলত চমুকৈ “SAQ” অর্থাৎ আত্মিক ৱপ্রয়োগৰ প্রশঅনসমূহ অর্থাৎ **“আ-প্র-প্র”** বুলি নামাকৰণ কৰা হৈছে।

মনত ৰাখিব, বহুত সময়ত আপুনি শিকা শেষৰ দুটা প্ৰশ্ন, আমি তালিকা ভূক্ত নকৰো – প্ৰশ্নকেইটা হল "আপোনাৰ জীৱনত কেতিয়াবা এনে ঘটিছেনে বা আপুনি জনা কোনো ব্যক্তিৰ জীৱনত?" আৰু "এই কাহিনীটোৰ কোনটো কথাই এনে পৰিস্থিতিত, আপোনাক সহায় কৰিব পাৰে ?" কাহিনী কওঁতাজনে এনেবোৰ প্ৰশ্ন প্ৰয়োজন অনুসৰি সুধিব পাৰে ।

'আ-নি' – দেখাত যীচুৰ প্ৰতি আগ্ৰহী লোকসমূহেই, চক্কেয়ক যীচুৰ কাষলৈ যোৱাত বাধা স্বৰূপ হল।

'আ-প্ৰ'- আমি যি সকলে যীচুৰ অনুগামী বুলি দাবী কেৰা, কেতিয়াবা আমি ইমানেই ধৰ্ম্মকৰ্ম্মত ব্যস্তহৈ পৰো যে অনিচ্ছাকৃতভাৱে যীচুৰ অনুসন্ধানকাৰী বিলাক যীচুৰ পৰা আঁতৰ হৈ যায়।

'আ-প্ৰ-প' – ধৰ্ম্মকৰ্ম্ম ব্যস্ত থকা লোক সমূহেই আন্তৰিকতাৰে ঈশ্বৰক বিচৰা লোকৰ আগত বাধা স্বৰূপে থিয় দিয়াটো সম্ভৱনে ?

কেনে ধৰণে সেইটো ঘটিব পাৰে?

২) **আ-নি** – চক্কেয় নামৰ এই মানুহজন চুটী চাপৰ আছিল, কিন্তু পদ মৰ্যাদাত ওখ আছিল। তেওঁ ধনী মানুহ আছিল আৰু তেওঁ শীৰ্ষ কৰতোলা বিষয়া আছিল। তেওঁ যীচুক চাবলৈ ইমানেই ইচ্ছুক আছিল যে সহজভাৱে যেতিয়া চাব নোৱাৰিলে ,চক্কেয়ই ইচ্ছাকৃতভাৱে অন্যপথ লবলৈ সিদ্ধান্ত কৰিলে।

'আ-প্ৰ'- আমি যেতিয়া যীচুক বিচাৰো আমি আমাৰ অহঙ্কাৰ একাষৰীয়া কৰি ৰাখিব লাগিব। আৰু তেওঁক পাবৰ বাবে আৰু তেওঁৰ অনুকৰণ কৰিবলৈ যি প্ৰয়োজন তাক কৰিব লাগিব।

'আ-প্ৰ-প্ৰ' –

* চক্কেয়ৰ দৰে, অহঙ্কাৰক একাষৰীয়াকে থৈ যীচুৰ কাষ চাপিবলৈ লোকসমূহৰ আজি সময় হবনে ?
* সেই সময়টো কেতিয়া হব?
* আপুনি বা আপুনি চিনি পোৱা কোনো ব্যক্তিৰ এনে অভিজ্ঞতাৰ কথা, কব পাৰিবনে?

৩) **'আ-নি'**- আলিবাটত দৌৰি যোৱা আৰু গছত উঠাৰ দৰে সাধাৰণ, লৰামতীয়া কামবোৰ কৰা দেখিলে লোক সমূহে মোক ইতিকিং কৰিব আদি চিন্তাই এই সন্মানীয় ব্যক্তি জনক যীচুক চোৱাত বাধা দিব নোৱাৰিলে।

'আ-প্ৰ'- অহঙ্কাৰক বা মানুহে আমাক কি কব বুলি কৰা ভয়ক আমি কেতিয়াও,যীচুক জনাত বাধা স্বৰূপ হবলৈ দিব নেলাগে। হব পাৰে যীচুৰ বাবে আমি যি কৰিম সেয়া আনৰ দৃষ্টিত মুৰ্খামি বা সমাজৰ দৃষ্টিত তুচ্ছ বিবেচিত হব পাৰে, তথাপি আমি তাক কৰিবই লাগিব।

'আ-প্ৰ-প্ৰ'-

* ঈশ্বৰক বিচাৰোতা লোকক, আজিও লোকসমূহে ইতিকিং কৰাৰ সময় আছেনে?

* ইতিকিং কৰিলে আমাৰ কেনে অনুভৱ হয়?

* ঈশ্বৰক বিচৰা কাৰণে আপুনি বা আপুনি চিনি পোৱা আন কোনোবাই কেতিয়াবা কিবা লঘু বা সমাজৰ দৃষ্টিত হেয় বুলি ভবা কার্য কৰিব লগীয়া হৈছে নেকি?

* ইতিকিং বা উপহাসৰ পৰা এৰাই চলাতো আমাৰ বাবে পৰীক্ষা হব নেকি ?

* চক্কেয়ৰ এই কাহিনীটোত কোনটো আৰ্হিৰে আমাক সঠিক সিদ্ধান্ত লোৱাত সহায় কৰিব?

"আ-নি"-

৪) আমি দেখিলো, যীচুৱে লোকসমূহৰ হেঁচা ঠেলাৰ মাজেদি আলিবাটত খোজ কাঢি গৈছে, লোক সমূহে তেওঁক বেৰি ধৰিছে। যদিও অনেক লোকে তেওঁক ঠেলি হেঁচি কাষলৈ গৈছে, যীচুৱে কাকো বাচি নললে। কিন্তু তাৰ সলনি, যীচুৱে এজন ব্যক্তিলৈ দৃষ্টি নিক্ষেপ কৰিলে, যিজন তেওঁৰ পৰা দূৰৈত আছিল আৰু আচহুৱাকৈ এই ব্যক্তিজন গছত উঠি আছিল।

"আ-প্ৰ"- সেইদিনা অনেকলোকে যীচুৰ অনুগ্ৰহ বিচাৰিছিল তেওঁবিলাকে যীচুত আগ্ৰহ দেখুৱাইছিল, কিন্তু যীচুৱে তেওঁলোকক আওকান কৰিলে আৰু এজন লোকক হে মনোনীত কৰিলে। আজিও অনেক লোকে এনেদৰে ভাও জোৰে যেন তেওঁলোক ঈশ্বৰত বৰ আগ্ৰহী । সেই সকলৰ অনেকেই প্ৰকৃত ভক্ত নহয়। যীচুৱে যিজন আচল, তেওঁক মনোনীত কৰিলে। ঈশ্বৰে আমাৰ মন জানে আৰু জানে সঁচাই আমি তেওঁক বিচাৰিছোনে নাই ।

'আ-প্ৰ-প্ৰ'- কিমান শতাংশ লোক আজি পৃথিৱীত, কোনোবা ধৰ্ম্মৰ অংশীদাৰ?

আপুনি কেতিয়াবা কোনো ধাৰ্মিক লোকক লগ পাইছেনে, যি প্ৰকৃততে ঈশ্বৰৰ অনুগামী নহয়?

* এই কথাটো মনত ৰাখি আৰু কাহিনীটোত যি দেখিলো সেই কথা বিবেচনা কৰি, এইটোলৈ চাওঁ আহক। পৃথিৱীত যিমান ধাৰ্মিক লোক আছে, সেই বিলাকলৈ চাই আপুনি ভাৱেনে যে তাৰে কিছুমানে কৱল ধৰ্মৰ ৰীতি-নীতিহে মানি চলে আৰু তাৰে কিছুমান লোকহে ঈশ্বৰৰ প্ৰকৃত অনুসন্ধানকাৰী ।

* এই কাহিনীটোত প্ৰকৃত অনুসন্ধানকাৰীজনৰ কি হল?

* আপোনাৰ বাবে আজি সেইটোৱে কি বুজায়?

৫) **'আ-নি'**- যীচুৱে চক্কেয়ক নামধৰি মাতিলে, এইটোৱে যীচুৰ মানুহজনৰ প্ৰতি থকা চিন্তাৰ কথাকে সূচায়।

'আ-প্ৰ'- ইয়াত ঈশ্বৰক এজন ব্যক্তিৰূপে দেখা পাইছো, যি জনে আমি কত আছো তাক জানে আৰু আমাক নামে সৈতে জানে । তেওঁক বিচৰা লোকৰ প্ৰতি যে ঈশ্বৰ দয়ালু এইটো যদি আমি বুজো, তেওঁ আমাক নামে সৈতে জানোযে বিচাৰো- তেওঁযে আমাক নাম সৈতে জানে – এই কথাটো বৰ সন্তুষজনক।চক্কেয়ই

যীচুক জানিবলৈ আগ্রহ কৰি আছিল।যীচুৱে যেতিয়া চক্কেয়ক নাম ধৰি মাতিলে, এইটো আৰু কিমান যে আচৰিত কথা হ'ল।

"আ-প্ৰ-প্ৰ' -

- যীচুৱে যি ধৰণে চক্কেয়ক কথা কৈছিল, সেইটোৱে আপোনালৈ আশাৰ সঞ্চাৰ কটিয়াই আনেনে?
- কিয় তাক বুজাই দিব পাৰিবনে ?
- কোনটো উত্তম যেন লাগে। এজন অনুভূতিবৰ্জিত ঈশ্বৰ, নে আপোনাক জানোতা এজন ঈশ্বৰ?
- আপোনাক জানোতা এজন ঈশ্বৰ যদি হয়, তেন্তে ভাল কি হব, বেয়া কি হব।
- ঈশ্বৰে ব্যক্তিগতভাৱে আপোনাৰ কথা কৈছেনে?

৬) **'আ-নি'** – যীচুৱে চক্কেয়ৰ ঘৰত নিজেই থাকিম বুলি কলে । এনেদৰে কোৱাতো বহুত সমাজত সাহকিতাৰ পৰিচয় ভৱিষ্যত কি নিশ্চয়কৈ ঘটিব, সেই সম্পৰ্কে যীচুৱে জ্ঞান আৰু সাহসৰ পৰিচয় দিলে, যেন তেওঁ ভৱিষ্যতো জানিছিল।

'আ-প্ৰ'- তেওঁক বিচৰালোকৰ লগত যীচুৱে থাকিবলৈ ইচ্ছা কৰে আৰু তেওঁযে ভৱিষ্যত কি ঘটিব তাকো জানে, এই কথা আচৰিত আৰু অনুপ্ৰেৰণা মূলক ।

'আ-প্ৰ-প্ৰ' –

- আমি দেখিলো যে যীচুৱে জানিছিল পৰিদৰ্শনটো নিশ্চয়ে হব। সেই কথাটোৱে আপোনাক যীচুত সাহ ৰাখিবলৈ উদগনি দিয়েনে? ব্যাখ্যা কৰক।
- কাহিনীটোত পাওঁ, যীচুৱে নিজেই চক্কেয়ৰ ঘৰত থাকিম বুলি কলে। তেওঁক বিচাৰি থকাজনৰ লগত থাকিম বুলি তেওঁ মনস্থ কৰিলে। আজি আমাৰ বাবে সেই কথাটোৱে কি জানিবলৈ দিয়ে?

৭. **'আ-নি'** – কোনা ব্যক্তিয়ে বিশেষকৈ এজন নেতাই যেতিয়া ওপৰলৈ চায়, তেওঁৰ লগত অহা বা তেওঁৰ অনুগামী সকলেও নিশ্চয়ে ওপৰলৈ চাব। তাৰ মানে এইটোৱেই বুজায় যে অকল যীচুৱেই চক্কেয়ক চোৱা নাছিল গোটেই লোক সমূহেও চাইছিল। চক্কেয়ই ভয় প্ৰদৰ্শন কৰা নাছিল নাইবা তেওঁক যে বিচাৰি পালে সেই কথাত তেওঁ দোধোৰ-মোধোৰ নহৈছিল। বাস্তৱিকতে তেওঁ আনন্দহে প্ৰদৰ্শন কৰিলে।

'আ-প্ৰ' – আমাক যেতিয়া আনুগত্যহীন বিশ্বাসী বিলাকে বা অখ্ৰীষ্টীয়ান লোক সকলে চাই থাকে আৰু ঈশ্বৰক জানিবলৈ বিচৰা বাবে আমাক মুৰ্খ বুলি কয় বা বুধিয়ক নহয় বুলি ভাৱে, আমি তেওঁলোকৰ দ্বাৰা কেতিয়াও প্ৰভাৱিত হব নেলাগিব। আমি যেতিয়া জানো যে ঈশ্বৰে আমাৰ কাৰণে ব্যক্তিগত ভাৱে চিন্তা কৰো, তেতিয়া আমি আনন্দেৰে সঁহাৰি জনাব লাগে।

'আ-প্ৰ-প্ৰ' – ঈশ্বৰক জানিবলৈ অনুসন্ধান কৰা লোকে তেওঁলোকৰ পৰিয়ালৰ বা সমাজৰ বা সমাজ ব্যৱস্থাৰ পৰা বেলেগ হব লগীয়া অৱস্থা হয় নেকি ?

* আপুনি এনে হোৱা কেতিয়াবা দেখিছেনে?
* চক্কেয়ৰ আচৰণত আৰু তেওঁ যি মনোনীত কৰিলে, তাৰ পৰিনামত এনে কিবা এটা দেখা পাইছেনে । যিটোৱে কোনো ব্যক্তি বা বিশেষ গুৰুত্বপূৰ্ণ বিষয়ৰ পৰা পৃথকে থাকিবলৈ আমাক আজি অনুপ্ৰাণিত কৰিব পাৰে?
* ঈশ্বৰৰ আহ্বানক আমি আনন্দেৰে সঁহাৰি জনাব পাৰোনে?

৮)**'আ-নি'**- যীচুৱে চক্কেয়ক তেওঁৰ ঘৰলৈ যোৱাৰ কাৰণ কোৱা নাছিল। যীচুৰ আহ্বানক সঠিক সঁহাৰি দিয়াত চক্কেয়ই সংকোচ কৰা নাছিল। তেওঁ খৰখেদা কৰিলে। বাস্তৱিকতে তেওঁ আস্থা দেখুৱালে।

'আ-প্ৰ' - কেতিয়াবা যদি ঈশ্বৰে আমাক কিবা কাৰ্যৰ বাবে আহ্বান কৰিছে বুলি আমি জানো,আমি নিশ্চয়কৈ সঁহাৰি জনাব লাগিব আৰু তেওঁৰ নিদেৰ্শনাৰ মতেই সঁহাৰি জনাব লাগিব। খৰখেদাকৈ আজ্ঞা পালন কৰাটোৱে আস্থা প্ৰদৰ্শন কৰে। পলমকৈ আজ্ঞা পালন কৰা মানে অবাধ্য হোৱা বুজায়।

'আ-প্ৰ-প্ৰ'- আমি কাহিনীটোত দেখিলো যে যীচুৱে লোকসমূহৰ ব্যক্তিগত কথাও জানিছিল আৰু তেওঁ এজন ব্যক্তিক নাম ধৰি মাতিলে।আজিও যদি যীচুৱে কোনো লোকক মাতে, তেওঁলোকে কেনেদৰে সহাঁৰি দিব পাৰে?

কোনোবা এটা সময়ত যদি আমি জানোযে যীচুৱে আমাক পৰিচৰ্যাৰ বাবে মাতিছে, এই কাহিনীটোৱে আমাক কেনেদৰে সদায় কৰিব পাৰে?

আমি দেখিলো চক্কেয়ই খৰখেদাকৈ আৰু আনন্দেৰে সহাঁৰি জনালো। ঈশ্বৰক সহাঁৰি জনোৱা ক্ষেত্ৰত, কি কি নিৰ্বাচন ক্ষমতা আমাৰ থাকিব পাৰে? পলমকৈ আজ্ঞা পালন কৰা কথাটো আপুনি কেনেদৰে শ্ৰেণীবিভক্ত কৰিব?

৯) **'আ-নি'**- যীচুৰ বিপক্ষে নিজৰ ভিতৰতে ভোৰ ভোৰাই লোক সমূহে চক্কেয়ৰ বিপক্ষে কথা কলে, কেনেকৈ তেওঁ পাপী মানুহৰ আলহী হবলৈ গল।' হবলৈ গল মানে যীচুৱে এইমাত্ৰ গল নাইবা কিছু সময়ৰ আগতেই গল।

চক্কেয়ৰ সম্পূৰ্ণ কোৱা কোন কথাৰ পৰা আমি জানো যে যীচুৱে তেওঁলোকৰ কটু সমালোচনাৰ কথা জানিছিল? লোকসমূহৰ কটু সমালোচনাক তেওঁ কোনো গুৰুত্ব নিদিলে আৰু নিজৰ সপক্ষে কথা নকলে আৰু চক্কেয় ঘৰলৈ বুলি যাত্ৰাত থাকিল।

'আ-প্ৰ' – আমাৰ আৰম্ভন সুন্দৰ হব পাৰে। কিন্তু গতিপথত থাকিবলৈকো আমি সক্ষম হব লাগিব। আনকি আমাক চাৰি ফালৰ লোকসমূহৰ পৰা কটু বাক্য আহিব পাৰে বা ধাৰ্মিক বুলি ভবা লোক সমূহৰ পৰাও এনে কু-সমালোচনা আহিব পাৰে, তথাপি আমি আমাৰ যাত্ৰাত অলৰ হৈ থিৰে থাকিব লাগিব।

'আ-প্ৰ-প্ৰ'- লোক সমূহে দেখদেখাকৈ যীচুৰ বিষয়ে পৰচৰ্চা কৰিছিল আৰু চক্কেয়ক কু-সমালোচনা কৰিছিল। আজিও মানুহে এক সুন্দৰ সিদ্ধান্ত লোৱাৰ বাবে নিজকে শ্ৰেষ্ঠ বুলি ভবালোক সকলে তেওঁক হেয় জ্ঞান কৰেনে?

* কি প্ৰকাৰে সেইটো ঘটিব পাৰে?

* আনে আমাক গ্রহণ নকৰিলে তেওঁলোকক কেনে সহাঁৰি দিব লাগে বা আমি কেনে প্রতিক্রিয়া প্রকাশ কৰিব লাগে এই সম্পকে এই কাহিনীটোৰ পৰা কি শিকিব পাৰো?

১০) **'আ-নি'** – লোক সমূহৰ আপত্তিটো আছিল যে যীচুৱে "পাপীলোকৰ ঘৰত আলহী হবলৈ গৈছে।" ইয়াৰ দ্বাৰা এইটো বুজিব পাৰিযে লোক সমূহে নিজকে পাপী জ্ঞান কৰা নাছিল।

'আ-প্র' - কোনোলোকে নিজকে কথা আৰু কর্ম্মৰ দ্বাৰাই প্রকাশ কৰে। সেই অহংকাৰী লোক বিলাকৰ দৰে আমি নহওঁক যিসকলে পাপ কৰিছো বুলি কেতিয়াও স্বীকাৰ নকৰে।

'আ-প্র-প্র'-

- আজি, মানুহ বিলাকে যেতিয়া ঈশ্বৰক বিচাৰে, তেতিয়া সেই সকল লোক যি সকলে নিজকে সিদ্ধ আৰু পবিত্র বুলি প্রকাশ কৰে তেওঁবিলাকে কোনো উপদেশ দিয়েনে?
- নিজকে ধার্ম্মিক বুলি গণ্য কৰা জনক তুমি কি বুলিবা?
- নিজকে ধার্ম্মিক গণ্য কৰা স্বাভাৱটো এজন প্রকৃত ঈশ্বৰৰ বিশ্বাসীৰ হব লাগে বা হবই লাগে- আপুনি কি ভাবে।

১১) **"আ-নি"-** লোক সমূহে যীচুৰ 'অনুগামীৰূপে ভূমিকা পালন কৰিছিল। তেওঁলোকে যীচুৰ সৈতে ফুৰিছিল আৰু তেওঁক বেৰি ধৰিছিল। লোকসমূহ যীচুৰ ইমানেই কাষত আছিল যে তেওঁলোকৰ বাবে চক্কেয়ই যীচুক চাবই নোৱাৰিলে। তেওঁলোকৰ সমালোচনাই যীচুৰ প্রতি থকা চিন্তাৰ কথা চাবই নোৱাৰিলে। তেওঁলোকৰ সমালোচনাই যীচুৰ প্রতি থকা চিন্তাৰ কথা বুজায় কাৰণ তেওঁলোকে যীচুৱে কাৰ লগত খাব সেইকথা কৈছিল। তথাপিও, তেওঁলোকে যেন কব খুজিছিল, তেওঁলোকৰে মাজৰ কোনোবা এঘৰত যীচুৱে যোৱা কোৱা কৰা হলে বেচি বাল আছিল যীচুৱে কাৰঘৰলৈ যাব, এই কথাত একমত হব নোৱাৰ দ্বাৰাই বাস্তৱিকে লোক সমূহে যীচুৰ প্রতি সম্পূর্ণ অৱমাননা প্রদর্শন কৰিছিল।

'আ-প্র' – যীচুৰ অনুগামী বুলি দাবী কৰা সকেলাৱেই যে যীচুক প্রকৃততে জানে এনে নহয় নাই বা তেওঁক যে সমাদৰ কৰে বা তেওঁৰ ইচ্ছাক সমাদৰ কৰে এনে নহয়। ধার্মিক ৰূপে কার্য কৰা অনেক লোকৰ বাস্তৱিকে ঈশ্বৰৰ বাক্যৰ প্রতি সন্মান নাই।

'আ-প্র-প্র'-

- আপোনাৰ মনত আছেনে কেনেকৈ লোকসমূহে যীচুক প্রেম কৰাৰ ভাও ধৰিছিল, কিন্তু তেওঁলোকে যীচুৱে কাৰ ঘৰত আলহী হব, যীচুৰ এই সিদ্ধান্ত একমত হব নোৱাৰি যীচুক সমালোচনা কৰিছিল, ইয়াতে তেওঁলোকৰ মনৰ কথা প্রকাশ হৈ পৰিল।

- আজিও মানুহে ঈশ্বৰৰ অনুগামী বুলি আচৰণ কৰেনে, কিন্তু প্ৰকৃততে তেওঁলোকে ঈশ্বৰতকৈ নিজকেহে বেছি সমাদৰ কৰে?
- সেইটো কেনে দেখাব?

১২) **'আ-নি'**- এই বিচাৰ কৰ্ত্তাৰূপী লোক সমূহৰ কিছুমান বদ্ধমূল ধাৰণা আছিল । কিন্তু যীচুৰ যথোযত প্ৰশ্ন কৰিবলৈ তেওঁলোকৰ আত্মবিশ্বাস নাছিল। লোকসমূহৰ, যীচুৰ ক্ষমতাৰ সম্বন্ধে কোনো ধাৰণা নাছিল। তেওঁলোকৰ আপত্তি সমূহ নিজৰ ভিতৰতে আলোচনা কৰিলে, যীচুৱে তেওঁলোকৰ কথা নুশুনিব বুলি ভাৱিছিল- ঠিক তেনে আচৰণ তেওঁলোকে কৰিছিল।

'আ-প্ৰ' – লোকসমূহৰ কৰ্মৰাজি আজিৰ দিনৰ লোক বিলাকৰ দৰেই, তেওঁলোকে ভাৱে যে তেওঁলোকে নিজৰ ভিতৰতে ফুচ-ফুচাই কথা পাতিলে, ঈশ্বৰে নুশুনে বা তেওঁলোকে আন্ধাৰত আৰু গুপুতে যি কৰে তাক নেদেখে।

'আ-প্ৰ-প্ৰ' –

* আমি কাহিনীটোত দেখিলো যে লোকবিলাকে নিজৰ ভিতৰতে যি কথা পাতিছিল, তাক যীচুৱে জানিছিল।

* তেওঁবিলাকে যি কৰি আছে, তাক কোনেও নাজানে আনকি, ঈশ্বৰেও নাজানে বুলি ভাৱি তেওঁলোকে গুপুতে কথা কয় আৰু আন্ধাৰত কৰ্ম্ম কৰে, বুলি আপুনি ভাৱে নেকি?

* কি প্ৰকাৰে লোকবিলাকে তেনে কৰিব পাৰে?

* ঈশ্বৰে সকলোকে দেখে এই সত্যটোৱে আমি গোপনে যি কওঁ বা কৰো তাৰ ওপৰত কেনেদৰে প্ৰভাৱ পেলায়?

১৩) **'আ-নি'** – তেওঁৰ সম্পত্তিৰ আধাখিনি দৰিদ্ৰক দিওঁ বুলি কোৱাৰ দ্বাৰাই, ধনী ব্যক্তি চক্কেয়ই নিজৰ মনৰ পৰিচয় প্ৰদৰ্শন কৰিলে।

'আ-প্ৰ'- যীচুৰ লগত সাক্ষাত হলে, ব্যক্তিৰ জীৱনৰ দৃষ্টিভঙ্গি আৰু প্ৰমূল্যবোধৰ সলনি হয়।

'আ-প্ৰ-প্ৰ' – আজি, কেনেকৈ সচাঁ অৰ্থত যীচুৰ লগত সাক্ষাত হলে এজন ব্যক্তিৰ জীৱনৰ দৃষ্টি ভঙ্গি আৰু প্ৰমূল্যবোধৰ সলনি হব পাৰে?

*কেনেকৈ যীচুৰ লগত হোৱা সাক্ষাতে আমাক প্ৰভাম্বিত কৰে তাৰ কি কি উদাহৰণ হব পাৰে? **'আ-নি'** – চক্কেয়ই ঘোষণা কৰিছিল যে মিছা অপবাদ দি যদি কাৰোবাৰ পৰা কিবা লৈছিল তাৰ চাৰিগুণ ওভোটাই দিব। চক্কেয়ই কোৱা নাছিল যে "যদিহে আইনে তেওঁক দূষী সাব্যস্ত কৰে" তেতিয়া হলে তেওঁ মিছা অপবাদ দি যি আনিছিল তাৰ চাৰিগুণ ওভোটাই দিব।চক্কেয়ই নিজৰ মনতে এনে কৰিবলৈ সিদ্ধান্ত কৰিলে।

'আ-প্ৰ' কোনোবাই ইয়াক কব পাৰে যে চক্কেয়ই ইয়াৰ আগতেই দৰিদ্ৰক ধন দিছিল, কিন্তু লোকসমূহৰ মতামতৰপৰা জানিব পৰা হয়যে তেওঁ সেইটো কৰা নাছিল। যদি দৰিদ্ৰক আধাখিনি ধন দিছিলেই, তেন্তে তেওঁ তাক গুপুতেহে কৰিছিল।

মিছা অপবাদ দি লোৱা ধনৰ চাৰিগুণ যদি ওভোটাই দিলে হয়, তেন্তে চক্কেয় লোক সমূহৰ দৃষ্টিত এজন ধার্মিক ব্যক্তি বুলি গণ্য হলহেতেন।

'আ-নি' কাহিনীটোৰ পৰা আমি জানিব পাৰো যে এই ঘটনাটোৰ কোনোবা এটা মুহূর্তত চক্কেয়ই নিজৰ পাপ স্বীকাৰ কৰিছিল আৰু নিজৰ জীৱনটো ঈশ্বৰৰ দৃষ্টিত গ্রহণীয় হোৱাতো বিচাৰিছিল। তেতিয়া যীচুৱে কলে যে সেইদিনাই পৰিত্রাণ আহিল। আমি দেখা পাইছো চক্কেয়ই অবিশ্বাস্য উদাৰতা প্রদর্শন কৰিছিল।

'আ-প্র'- চক্কেয় এজন ধনী মানুহ আছিল, এজন শীর্ষ কৰতোলা বিষয়া আছিল যিজনৰ লুভীয়া স্বভাৱ সলনিহৈ গল। তেওঁ সৎ আৰু উদাৰ ব্যক্তি হল এই শীর্ষ কৰতোলা বিষয়াজনে আনকি ইমানেই নিজকে নম্র কৰিলে যে মিছা অপবাদ দি কাৰোবাৰ পৰা যদি কিবা লৈছিল তাৰ চাৰিগুণ ওভোতাই দিবলৈ স্বীকাৰ কৰিলে। আমি যীচুত বিশ্বাস কৰিলে আৰু আমাৰ পাপসমূহ স্বীকাৰ কৰিলে আমি নম্রতা প্রদর্শন কৰি অতীতত কৰা ভূলৰ শুধৰণি কৰিবলৈও ইচ্ছুক হব লাগিব।

'আ-প্র-প্র'-

- যীচুলৈ অহাৰ পাছত, চক্কেয়ৰ জীৱন সম্পর্ণৰূপে সলনিহৈ গল। আপুনি কেনাবাই যীচুত জীৱন সম্পন কৰাৰ পাচত তেওঁলোকৰ জীৱন সম্পূর্ণৰূপে সলনি হৈ যোৱা এনেলোক দেখা পাইছেনে?
- যদি দেখিছে, তেন্তে কি কি বিশেষ দিশত তেওঁলোকৰ আচৰণৰ সলনি হৈছে?
- তেওঁলোকে ভূল কৰা ব্যক্তি সকলৰ ওচৰলৈ গৈ,ভূল শুধৰাবলৈ কেনে ধৰণৰ অনুভূক্তি আৰু দৃষ্টিভঙ্গি তেওঁলোকৰ হৃদয়ত থাকিব লাগিব?
- যীচুৰ অনুগামী হোৱাৰ পাছত কোনো ব্যক্তিক, লোক সমূহৰ বিৰুদ্ধে কৰা অতীতৰ পাপৰ শুধৰণি কৰা আপুনি কেতিয়াবা দেখা পাইছেনে? তাৰ পৰিণাম কি হল?

১৫) **"আ-নি"-** প্রথম অৱস্থাত এইটো ভাবিব পাৰে যে চক্কেয়ই যীচুৰ পৰা অনুগ্রহ ক্রয় কৰিবলৈ বিচাৰিছিল। কিন্তু আমি জানো যে চক্কেয়ই সেই দিনাই যীচুত বিশ্বাস কৰিলে কাৰণ যীচুৱে তেওঁক কৈছিল, "আজি এই ঘৰলৈ পৰিত্রাণ আহিল।" কাহিনীটোত, চক্কেয়ই একমাত্র ব্যক্তি,যিজনে পাপ স্বীকাৰ কৰিলে আৰু তেওঁৱেই একমাত্র ব্যক্তি, যি জনে পৰিত্রান লাভ কৰিলে।

'আ-প্র'- পৰিত্রান পাবলৈ হলে প্রথমে নিজৰ পাপ স্বীকাৰ কৰিব লাগিব।

'আ-প্র-প্র'-

- চক্কেয়ই যীচুৰ পৰা অনুগ্রহ কিনিবলৈ চেষ্টা কৰিছিল নে নাই, সেই বিষয়ে আমি কথা পাতিছিলো। আজিও মানুহে ভাল কর্ম্ম কৰি বা ধন দি ঈশ্বৰক সুখী কৰিবলৈ বিচাৰে নেকি? আৰু তাৰ দ্বাৰাই ঈশ্বৰৰ অনুগ্রহ ক্রয় কৰিবলৈ বিচাৰে নেকি ?
- কি কি উপায়েৰে এইটো তেওঁলোকে কৰিব পাৰে?

- আপুনি এনেদৰে কৰাটো ভাৱিছিলনেকি নাইবা তেনে কোনে লোকক জানে নেকি?
- আমি দেখিলো যে কাহিনীটোত চক্কেয়ই একমাত্র ব্যক্তি যি নিজে এজন পাপী বুলি স্বীকাৰ কৰিছিল। ধন আৰু আন লোকৰ প্রতি থকা দৃষ্টি ভঙ্গি সলনি কৰি, চক্কেয়ই প্রকৃত মন সলনিৰ পৰিচয় দাঙি ধৰিলে আৰু যীচুৱেও চক্কেয়ৰ ঈশ্বৰলৈ মন পালটন কৰা সত্যাসত্য নিৰূপণ কৰিলে।
- আজি নিজে নিজৰ পাপ স্বীকাৰ কৰিবলৈ মানুহে মানসিক যুঁজ কৰিব লগীয়া হয়নে ?
- এই কাহিনীটোৰ ভিত্তিত, পাপ স্বীকাৰ কৰাতো মানুহৰ বাবে কিমান গুৰুত্বপূর্ণ বুলি আপুনি চিন্তা কৰে?

১৬) **'আ-নি'-** কাহিনীটোত যীচুৱে পৰোক্ষভাৱে চক্কেয়ক কৈছিল, 'আজি এই ঘৰলৈ পৰিত্রাণ আহিল।"

যীচুৱে কথা কৈ আছিল আৰু কলে, "কিয়নো এৱোঁ আব্রাহামৰ সন্তান।" ইয়াৰ পৰা আমি জানিব পাৰো যে চক্কেয়ৰ বাহিৰেও তাত আনলোকো উপস্থিত আছিল আৰু আমি দেখা পাইছো যে তেওঁ যিজনৰ লগত কথোপকথন কৰিছিল, তেওঁক সলনি কৰিলে আৰু যীচুৱে লোক সমূহৰ আগত চক্কেয়ৰ সপক্ষে কথা কৈছিল

'আ-প্র'-আমি দেখিলো, যীচুৱে চক্কেয়ৰ লগত কর্মৰত অৱস্থাত আছিল আৰু চক্কেয়ই বিশ্বাসত যীচুলৈ .....কৰিলে। সেই সময়ছোৱাত কটুমন্তব্য কৰোতা লোক সমূহে তেওঁলোকলেই চাই আছিল। তেতিয়াও যীচুৱে নিজকে ধার্মিক বুলি গণ্য কৰোতা সেই লোক সকলক পাবলৈ বিচাৰিছিল, তেওঁলোকৰো যে যীচুক প্রয়োজন আছে, আৰু চক্কেয়ও যে ঈশ্বৰৰ দয়াপাবলৈ যোগ্য এই কথাটো দেখিবলৈ যেন চকু মুকলি হয় তাৰ কাৰণে তেওঁ চেষ্টা কৰিছিল। আজিও নিজকে ধার্মিক বুলি গণ্য কৰোতা লোক সমূহ আছে আৰু তেওঁলোকেই যীচুৰ অনুগামী সকলৰ সলনি হোৱা জীৱন দেখি কটু সমালোচনা কৰে।

'আ-প্র-প্র'-

- চক্কেয়ই যীচুত বিশ্বাস কৰিলে। যদিও কোনেও চক্কেয়ক ভাল নাপাইছিল, তথাপিও নিজকে ধার্মিক বুলি গণ্য কৰোতা লোক সমূহৰ আগত, যীচুৱে অৱহেলিত চক্কেয়ৰ সপক্ষে কথা কৈছিল। জীৱন নির্বাহৰ ৰীতি আৰু বৃত্তিৰ বাবেই অনেকে লোক সমূহক হেয়জ্ঞান কৰেনে?
- কেনেধৰণৰ লোকক আনে পাপী বুলি গণ্য কৰে?বিশেষকৈ নিজকে ধার্মিক বুলি গণ্য কৰা লোক সমূহে ?
- এনে ঘটনা ঘটা আপুনি কেতিয়াবা দেখিছেনে?
- আপুনি যদি এনে দেখিছে, নিজকে ধার্মিক বুলি গণ্য কৰোতা লোক সমূহে পাপীজনে আত্মিক সহায় বিচাৰি, যীচুক লগ কৰাতো চাবলৈ বিচাৰে নে?

- লোক সমূহৰ ওপৰত যীচুৱে এৰি নিদিলে। এইটোৱে কি বুজায়?

১৭) **'আ-নি'** - যীচুৰ বিবৃতি তেওঁৰ অহাৰ উদ্দেশ্য আছিল, 'যি হেৰাল তাক বিচাৰি ৰক্ষা কৰিবলৈ মানুহৰ পুত্ৰ আহিল.' যীচুৰ এই বিবৃতিটোৰ দ্বাৰাই লোকমূহৰ ওপৰত দোষটো জাপি দিয়া হৈছিল।

'আ-প্ৰ'- আমি ঈশ্বৰৰ অনুগ্ৰহ পাবলৈ হলে,আমি নিজৰ হেৰোৱা অৱস্থাটো আৰু পাপময় অৱস্থাটোৰ কথা স্বীকাৰ কৰিব লাগিব আৰু উদ্ধাৰৰ বাবে ঈশ্বৰৰ ওচৰত সমৰ্পিত হব লাগিব।

'আ-প্ৰ-প্ৰ"-

- কাহিনীটোৰ শেষত যীচুৰ চমু বক্তব্যত এনে কোনো কথা আছে নে যিটোৱে ঈশ্বৰে আমাৰ পৰা কি বিচাৰে তাক দেখুৱায়?
- সেই লক্ষ্যত উপনীত হবলৈ এই জগতৰ কিমান লোক সমৰ্থবান?
- আমাৰ পাপময় আৰু হেৰোৱা অৱস্থা স্বীকাৰ কৰাতো সহজ নে টান?
- যীচুৰ বিষয়ে শুনাৰ পাছতো কিছুমান মানুহে যীচুত বিশ্বাস নকৰে কিয়? এই কাহিনীটোৰ পৰা তাক জানিব পাৰোনে?
- এই কাহিনীটোৱে আপোনাক কি কথা কয়?

১৮) এই কাহিনীটোত আমি এগৰাকী বিশেষ গুৰুত্বপূৰ্ণ নেতাই, সকলোৱে ঘৃণা কৰা এজন ব্যক্তিক নিজেই যত্ন লোৱা দেখা পাইছো।যীচুৱে মানুহজনৰ নামটো জানিছিল। যীচুৱে সকলো লোকৰ মতামতৰ বিৰুদ্ধে গল।

নিজৰ ভিতৰতে লোক সমূহে কি কথা পাতিছিল তাক যীচুৱে জানিছিল। আৰু চক্কেয়ই সেইদিনাই পৰিত্ৰাণ পালে বুলি কবলৈও যীচুৰ ক্ষমতা আছিল। কাহিনীটোত থকা কবলৈও যীচুৰ ক্ষমতা আছিল।কাহিনীটোত থকা এই সকলো কথা বিবেচনা কৰি আমি কব পাৰো যে যীচু ঈশ্বৰ হয়।

'আ-প্ৰ' – ঈশ্বৰে আমাক কেনেদৰে কথা কব পাৰে, তাক জানিবলৈ হলে, যীচুৱে লোক সমূহৰ আৰু চক্কেয়ৰ সৈতে কেনেদেৰ মত বিনিময় কৰিছিল তালৈ আমি চাব পাৰো।

'আ-প্ৰ-প্ৰ'-

- আজি ঈশ্বৰে কেনেকৈ তেওঁলোকৰ লগত কথা পাতিব পাৰে বুলি জানিবলৈ বিচৰা লোক আছে বুলি আপুনি ভাৱেনে?
- কি কি বিষয় লোক সমূহে জানিবলৈ বিচাৰে?
- আপোনাৰ আৰু আনলোকৰ প্ৰশ্নসমূহৰ উত্তৰ কেনেকৈ পাব?

১৯) **'আ-নি'-** কাহিনীটোৰ প্ৰথম ভাগত,এইটো স্পষ্ট যে চক্কেয়ই যীচুক বিচাৰিছিল। পাছত ই,যীচুৱে চক্কেয়ক বিচৰা এটা কাহিনী হয়।

'আ-প্ৰ'- আমি কাহিনীটোত দেখিলো যে চক্কেয়ই যীচুক বিচাৰিছিল আৰু যীচুৱেও চক্কেয়ক বিচাৰিছিল।দুয়োটাই সত্য।আমি নিশ্চয়ে ঈশ্বৰক বিচাৰিব লাগিব।কিন্তু জানিব লগীয়া আৰু আমোদজনক কথা যে ঈশ্বৰেও আমাক বিচাৰে।

‘আ-প্র-প্র’ – আজি লোক সমূহে ঈশ্বৰক বিচাৰাৰ প্রয়োজন আছে বুলি আপুনি ভাৱেনে ?

- ঈশ্বৰে মানুহক বিচৰা বিষয়ে কাহিনীটোও আপুনি দেখা পাইছেনে?
- এইটো বিৰোধ চিন্তানে? কোনটো হব লাগে বুলি আপুনি ভাৱে।
- ঈশ্বৰে মানুহক বিচাৰেনে? মানুহে ঈশ্বৰক বিচাৰে?
- দুয়োটাই হব পাৰেনেকি? কেনেকৈ বাখ্যা কৰিব?
- এইটোৱে আমাক কি কব খোজে?

সংযোজন - গঃ ব্যৱহাৰ কৰোতাৰ প্ৰভাৱৰ প্ৰতিবেদনসমূহ
দিহা পৰামৰ্শ আৰু সংখ্যাবৃদ্ধি

“মই অশিক্ষিত যদিও যোৱা পাঁচ বছৰ ধৰি পালক আৰু প্ৰচাৰক হিচাবে প্ৰভূক পালো। প্ৰভূৰ পৰিচৰ্যা কৰিবলৈ মই বিচাৰিছিলো আৰু যি কোনো এখন বাইবেল কলেজত বাইবেলৰ জ্ঞান পাবলৈ বিচাৰিছিলো। মই যিহেতু অশিক্ষিত আছিলো, বাইবেল কলেজত মোক গ্ৰহণ নকৰিলে। গির্জাঘৰত দিয়া শিক্ষাও মোৰ বাবে বুজিবলৈ টান পাইছিলো, কাৰণ সেই শিক্ষা শিক্ষিত সকলক দিয়া ধৰণে দিছিল।

“শুভবার্তা খন মোৰ পৰিয়াল ও বন্ধুবৰ্গৰ আগত ঘোষণা কৰিবলৈ মই যুঁজ কৰিব লগীয়া হৈছিল। এনে এটা পৰিস্থিতত প্ৰভূৱে আমাৰ জীৱনলৈ আৰু পৰিচৰ্যা কৰিবলৈ TGSP আনি দিলে। তাৰ বাবে মই ঈশ্বৰক ধন্যবাদ দিওঁ।

ওৱাইবাবু – প্ৰচাৰক/পালকএম. এম. বি.চি –কর্ণাটকা, ভাৰত

“মনতে ভাৱি লওক – এটা মানুহৰ দিন। বেলেগ সমাজৰ পৰা অহা, বিভিন্ন বয়সৰ বিশ্বাসী আৰু অবিশ্বাসী, সক্ৰীয়ভাৱে ব্যস্তহৈ প্ৰভূক বিচাৰিছে আৰু ঈশ্বৰৰ বাক্যত সম্পদ আৱিষ্কাৰ কৰিছে। “কেৱল কাহিনীটোৰ”কর্মশালত ঘটি থকা এয়া এখন ছবি আপুনি পালে।

আমি “কেৱল কাহিনীটোৰ পদ্ধতি প্ৰচাৰ ক্ষেত্ৰত, বয়স প্ৰাপ্তসকলৰ বাইবেল অধ্যয়নত আৰু আমাৰ শিশু আৰু যুৱক-যুৱতীসকলৰ পৰিচৰ্যা ইয়াক প্ৰয়োগ কৰিছো। কেৱল কাহিনীটোৰ ধাৰণাটোৱে মোৰ বাইবেল শিক্ষাত প্ৰভাম্বিত কৰিছে।

পালক ক্ৰীট জনচন কালবাৰীচাপেল আমেৰিকা

কেৱল কাহিনীটো আমাৰ সময়তেই আৰু এই যুগুতেই ঈশ্বৰৰ মহান আওতা পূর্ণ কৰিবৰ বাবে মণ্ডলীলৈ দিয়া ঈশ্বৰৰ এক কৌশল। ঈশ্বৰৰ বাক্য ব্যাখ্যা কৰি বুজাই দিয়া পদ্ধতিটোতেই যদিও আমি কেইবা শতিকা ধৰি থাকিলো ইয়াত আমি কিছু সীমাবদ্ধতা দেখিলো।

“এতিয়া এই হাতপুথিৰ যোগেদি কেৱল কাহিনীটোৰ পদ্ধতিটো শিকাৰ পাছত. মই সাহসেৰে কব পাৰো যে এটা তাতোকৈ উত্তম, পথ শিষ্য প্ৰস্তুতিকৰণৰ বাবে আছে। কেৱল কাহিনীটোৱে মোৰ বস্তুবাদী দৃষ্টিভঙ্গি সলনি কৰি দিলে আৰু বাইবেল শাস্ত্ৰ গভীৰভাৱে বুজিবলৈ চকু মুকলি কৰি দিলে। অশিক্ষিত লোকেৰে পৰিপূর্ণ মোৰ দেশ দক্ষিণ চুদানত “কেৱল কাহিনী” টোৰ যি গুৰুত্ব তাক মই দেখা পাইছো। কিন্তু ইয়াৰ প্ৰভাৱ ,আনকি মোৰ দৰে শিক্ষিত লোকৰ ওপৰতো পৰা দেখা পাইছো।

“গোটেই বিশ্বজুৰি থকা খ্ৰীষ্টীয়ান নেতা সকলৰ বাবে মই এই শিক্ষাৰ সামগ্ৰী সজোৰে অনুমোদন জনাইছো। মই প্ৰাৰ্থনা কৰিম যেন TGSP য়ে এই প্ৰশিক্ষণ লবলৈ , এই হাতপুথি খনেই আৰম্ভণৰ উত্তম উপায়।

ৰেভা দানিয়েল ছাগাই গেক এংলিকান মণ্ডলী, চুদান

“মই এজন পণ্ডিত আৰু” প্ৰচাৰ সম্পৰ্কে অধ্যয়ন কৰোতা ধৰ্ম্মতত্ব জানোতা লোক আৰু মই Fuller Theoloxical Seminerৰ পৰা পি.এইচ.দি.ডিগ্ৰীদাৰী লোক আৰু বহু বছৰ ধৰি অতি উচ্চশিশিত লোকৰ মাজত কাম কৰি আছো। আধুনিক পশ্চিমীয়া শিক্ষা ব্যৱস্থাই কিমান পৰিমানে মোক ব্যাখ্যা কৰি ৰাখিলে, তাৰ প্ৰতি মই সম্পূৰ্ণ সজাগ হৈ পৰিলো।

বিকশিত আন্দোলনৰ নেতৃত্ব দিয়া আৰু প্ৰতিষ্ঠাপক দৰদীৰ “কেৱল কাহিনীটো”ৰ অফুৰন্ত কৰ্মশক্তিৰ জড়িয়তে এটা কথা মই জানিলো যে আমাৰ মহান শিক্ষক যীচুৱে কাহিনীৰ যোগেদিহে শিক্ষা দিছিল, আনকি তেওঁৰ দিনৰ উচ্চ শিক্ষিতটোৰা (Torah) পণ্ডিত সকলকো । কেৱল কাহিনীটোৰ বৃত্তিধাৰী কাহিনীকওঁতা হোৱা বাবে মোৰ যিহুদী সকলৰ প্ৰতি থকা পৰিচৰ্যাৰ পদ্ধতিয়েই সলনি হৈ গল।
মই প্ৰকৃততে সলনি কৰিব লগীয়া হ’ল, পুনৰ শিকিব লগীয়া হ’ল আৰু উৱলি যোৱা মানসিক চিন্তাধাৰাৰ পৰা ওলাই আহিব লগীয়া হ’ল।

“কেৱল কাহিনীটো”ৱে অতি আধুনিক পশ্চিমীয়া দেশত, কাহিনীকোৱা এটা পথ বিচাৰি উলিওৱাত সহায় কৰিছে আৰু আন আন দেশবিলাকতো মৌলিক শিকাৱো সকলৰ মাজত মণ্ডলী গঠনত সহায়ক হৈছে। কাহিনীৰ যোগেদি প্ৰতিগৰাকী শিক্ষকেই তেওঁৰ পৰিচৰ্যাৰ বৃদ্ধি হোৱা দেখিবলৈ পাব। সেই লক্ষ্যত উপনীত হবলৈ, “কেৱল কাহিনীটো”এটা পথ হিচাবে মই অনুমোদন জনাইছো।

বিল যৰাকাৰ, পি.এইচ.দি, প্ৰফেচৰ অৱ যুদীয় খ্ৰীষ্টীয়ান
উলিয়াম কেৰী ইণ্টাৰনেচনেল ষ্টাডিচ ইউনিভাৰচিটি, আমেৰিকা।

যিটো সময়ত বিশ্বৰ সমগ্ৰ সম্প্ৰদায়ৰ অধিক সংখ্যক লোকেই বিভিন্ন প্ৰকাৰৰ সামাজিক ন্যায়ৰ সূযোগৰ পাছত দেখি গৈছে, একশ্ৰেণীলোকে ধাৰ্মিকতাৰ বাবে ভোক আৰু পিয়াঁহত আছে। সেই ভোক আৰু পিয়াঁহত তৃপ্ত হব পাৰিব একমাত্ৰ ঈশ্বৰৰ বাক্য যীচু খ্ৰীষ্টৰ দ্বাৰাইহে।

“কেৱল কাহিনীটো শিষ্য গঢাৰ যি গভীৰ অভিগমন, ই যীচুৰ আচৰিত শক্তি বিশ্বাস উজ্বলাই তোলে।” ভক্তি উপাসনাৰ সময়ত “কেৱল কাহিনীটো’’ আমি আমাৰ নাতি-নীতিনী বিলাকৰ বাবে ব্যৱহাৰ কৰো। “কেৱল কাহিনী”ত প্ৰশিক্ষণপ্ৰাপ্ত আমাৰ মণ্ডলীৰ পালক সকল, সৰু সৰু দলত বিভক্ত কৰি যুৱক বিলাকক শিক্ষা দিয়াত ব্যৱহাৰ কৰে।

আমাৰ মিছনৰ পালক সকলে আৰু কমিটীয়ে অন্য শিতানৰ পৰা আনি “কেৱল কাহিনী”টোৰ কার্য্যসুচী আৰু মৌলিক বাইবেল মূল সমূহৰ বিকাশৰ বাবে পূঁজি খৰচ কৰিছে। এনেদৰে কৰা বাইবেল অধ্যয়নৰ সুযোগ বিলাকে প্রচাৰ কার্য্য আৰু শিষ্য গড়া কার্য্য বৃদ্ধি কৰি আহিছে। কল্যানকাৰী ৰাষ্ট্রই আৰু মানুহক কেন্দ্র কৰি গঢি উঠা ধর্মীয় ৰীতি নীতিয়ে সংৰক্ষণ কৰি ৰখা ভূৱা মুক্তি দাতা আৰু ভূৱা শুভবার্ত্তাৰ বাবে নিৰাশাই আগুৰি ৰাখা আমেৰিকান ইন্টাৰচিটিলৈ আমাক অলপতে আমন্ত্রণ জনাইছে। নির্ভুল শুভবার্তাখনহে অকমাত্র আশা। কাৰণ, প্রভূৱে কাহিনীটো”ৰ দৰে যি সম্ভাৰ আমাৰ আছে তাৰে,আমি বিশ্বাস কৰো, থান-বান হৈ যোৱা সমাজখনক উদ্ধাৰ আৰু পুনসমংস্থাপন কৰাত প্রভূৱে সহায় কৰিব।

মার্ক চেণ্ডচ্- সভাপতি, চার্চ বিল্ডাৰ ফাউন্ডেছন, গ্লৱেল

দিহা পৰামর্শ আৰু সংখ্যা বৃদ্ধি

এই প্রথম তিনিটা সাক্ষ্য TG-SP কার্য নির্বাহক সমিতিৰ দ্বাৰা দিহা-পৰামর্শ দিয়া লোকৰ পৰা আহিছিল। যি সকলক দিহা-পৰামর্শ দি প্রশিক্ষণ প্রাপ্ত কৰা হৈছিল, তেওঁলোকেও আনলোকক প্রশিক্ষণ দিছে আৰু তেওঁলোকৰ পৰা প্রশিক্ষণ প্রাপ্ত সকলেও আনলোকক প্রশিক্ষণ দিছে।এইটোৱেই ঈশ্বৰৰ পথ নহয় জানো?

ইম্বুৰ এজন পালকে থিয় হল আৰু মোক কলে, "মণ্ডলীটো এৰিয়া সংকটত, কাৰণ বাইবেল জনা আমাৰ অভাৱ.....যি সকলে আপোনাক প্রশিক্ষণ দিলে, তেওঁলোকক অনুগ্রহ কৰি কওঁক, "ব্রামুৱেলক বিচপসকলৰ পিতৃ হবলৈ ক্ষমতা দিয়া বাবে আপোনাক ধন্যবাদ।"

ব্রামুৱেল মুচিয়া – চিই অ ইষ্ট্রেত পাঠ ৰিচৰছেচ, কেনিয়া

"কেৱল কাহিনীটো"ৰ পদ্ধতিয়ে আৰু অধিক আত্মিক নেতা প্রশিক্ষণ দিয়াত আমাক সহায় কৰিছে। আৰু সংখ্যা বৃদ্ধি হৈছে, অধিক আত্মিক নেতা গটি উঠিছে। তেওঁলোকে মণ্ডলী চোৱা চিতা কৰিছে আৰু প্রচাৰ কার্য্যতো তেওঁলোক গৈছে। তেওঁৰ বাক্য শিক্ষিত –অশিক্ষিত শিশু বৃদ্ধ সকলোৰে বাবে । পিতৃ-পুত্র পৱিত্র আত্মাৰ সহভাগিতা পোৱা মানে এক সম্পর্ণ পুষ্টিকৰ আহাৰ খোৱাৰ দৰে।

ড০ মার্ক মুনীয়াপ্পা অলইন্দিয়া কাউন্সিল / টিজিএচপি-ইণ্ডিয়া

কি ভাষাৰে মই আপোনালোকলৈ কৃতজ্ঞতা প্রকাশ কৰিম? মই প্রভূক ধন্যবাদ দিওঁ, আৰু হাতিয়াৰ স্বৰুপ কেৱল কাহিনীটো'ৰ বাবেও ধন্যবাদ দিওঁ। মোৰ বিশ বছৰীয়া পৰিচর্যাত, ইয়েই আটাইতকৈ বেছি ব্যৱহাৰৰ উপযোগী হ'ল। "কেৱল কাহিনীটো"ৰে নিশ্চিতভাৱে ঈশ্বৰৰ বাক্যৰ গভীৰতালৈ আৰু বহলভাৱে বুজিবলৈ মোক সহায় কৰিলে। তদুপৰি মোৰ সাংগঠনিক জীৱনতে ইয়াক প্রয়াগ কৰিব পৰা হল। ইয়াৰ পৰা পোৱা শিক্ষাই কোনো সিদ্ধান্ত লোৱাৰ আগতে, মোক ভাবিবলৈ দিয়ে। তদুপৰি ই মোৰ দলটোক দুৰদর্শিতা সম্পন্ন কৰিলে আৰু কার্য্যত ইয়াৰ প্রভাৱ দেখা পাইছে?

ৰমেশ চাপকোটা – চিইঅ' কিংদম ইনভেষ্টমেণ্ট নেপাল
অ'ৰগেনাইজেচ'ন ফাইটিং এগেইনষ্ট হিউমেন ট্রেফিকিং

পোন প্রথমে মই সকলো গৌৰৱ আৰু আন্তৰিক ধন্যবাদ সর্ব্বশক্তিমান প্রভূ যীচুলৈ উছর্গা কৰিলো মোৰ প্রার্থনাৰ সঙ্গী, মণ্ডলীৰ বৃদ্ধজন, ভাই ৰমেশলৈও ধন্যবাদ।
মই যেতিয়া তেওঁক লগ পাইছিলো, মই খ্রীষ্টত নতুন বিশ্বাসী আছিলো আৰু মোৰ পৰিচর্যাত এটি নতুনকৈ জন্মা শিশুৰ দৰে আছিল। পুষ্টিকৰ আহাৰ খুৱাই ডাঙৰ-

দীঘল কৰিবলৈ মোক এগৰাকী আত্মিক মাতৃৰ প্ৰয়োজন হৈছিল। ৰমেশে মোক “কেৱল কাহিনীটো”ৰ প্ৰশিক্ষণ দিলে। এইটোৱেই আছিল আৰম্ভণ। সেই সময়ত খ্ৰীষ্টত বিশ্বাসী লোক তেনেই কম আছিল। মাত্ৰ এটাই সহভাগিতাৰ দল আছিল আৰু সেইটোও অতি দুৰ্ব্বল আছিল। তেওঁ আমাৰ মণ্ডলীতেই “কেৱল কাহিনীটো”ৰ প্ৰশিক্ষণ চলাই থাকিল।

এতিয়া অতি কম সময়ৰ ভিতৰতে “কেৱল কাহিনীটো”ৰ প্ৰশিক্ষণৰ জড়িয়তে ঈশ্বৰে আঠটা মণ্ডলী স্থাপন কৰিলে আৰু এই বছৰ আমি আৰু দুটা নতুন মণ্ডলী প্ৰতিষ্ঠা কৰিবলৈ আচঁনি লৈছো।

মই “কেৱল কাহিনীটো”ৰ পদ্ধিতিটো মণ্ডলী বৃদ্ধিকৰণ কাৰ্য্যত ব্যৱহাৰ কৰিছিলো। আৰু এইটো কাৰণতেই আচৰিত ধৰণে মই “কেৱল কাহিনীটো”ৰ প্ৰশিক্ষণত যোগদান কৰিবলৈ নিমন্ত্ৰণ পালো।

ধন্যবাদ, ভাই ৰমেশ। মই মাত্ৰ পথিলাজনীৰ শৰীৰটোহে আছিলো, আৰু এতিয়া আপুনি মোক সম্পূৰ্ণ পথিলাজনী কৰিবলৈ প্ৰস্তুত কৰিছে। তেওঁৰ নাম মহিমান্বিত কৰিবলৈ আৰু মোক আৰু মোৰ পৰিচৰ্য্যাত আশীৰ্বাদ কৰিবলৈ যি সকলে “কেৱল কাহিনীটো” প্ৰস্তুত কৰিলে, প্ৰভূৰ সেই দাস সকললৈ ধন্যবাদ।

পি.এচ.কৃষ্ণা পি, যিমায়াৰ- সহঃ সাধাৰণ সম্পাদক, নেচনেল ছাচেচ ফেলশ্বিপ, অৱ নেপাল।

সংযোজন ঘঃ এজন নেতাৰ আৰিষ্কাৰ
নিষিদ্ধ দেশত খ্ৰীষ্টক নজনা লোকৰ মাজত এগৰাকী মিছনেৰী

মই যেতিয়া প্ৰথমবাৰ মৌখিক বাইবেল শিক্ষাৰ বিষয়ে শুনিছিলো ,মই অকণো ইচ্ছুক নাছিলো। মই কাৰণ দৰ্শাইছিলো যে শিশু সকলৰ বাইবেল কাহিনীবিলাক কৈ, আমি কেতিয়াও শাস্ত্ৰৰ বাক্যত প্ৰতিষ্ঠিত, এটা আমেৰিকাত এখন "মিছন কনফাৰেন্স"ত উপস্থিত আছিলো, তেতিয়া মই গোটেই পৃথিৱীতে মৌখিক বাইবেলৰ দক্ষতা সম্পকে শিক্ষা দিয়া,এহাল দম্পতীৰ লগত একেলগে আছিলো। মই তেওঁলোকক সকলো ধৰণৰ প্ৰশ্ন নিক্ষেপ কৰিলো। আনকি, তেওঁলোকৰ লগত ভ্ৰমণো কৰিলো আৰু সেই কাৰণে প্ৰশিক্ষণৰ এটা বৈঠকৰ ভিডিঅ' ৰেৰ্কডিং কৰিব পাৰিলো।

মই দৃঢতাৰে অঙ্গিকাৰবদ্ধ যে মণ্ডলীয়েই হওক বা প্ৰতিগৰাকী বিশ্বাসীয়েই হওক, ঈশ্বৰৰ বাক্যৰ ওপৰতহে প্ৰতিষ্ঠিত হব লাগে।কোনেও শাস্ত্ৰৰ সত্য সমূহৰ লগত এনেয়ে পৰিচিত হব নোৱাৰে, তেওঁ নিজেই ঈশ্বৰৰ বাক্য অধ্যয়ন কৰিব লাগিব, ব্যাখ্যা দাঙি ধৰিব লাগিব আৰু সত্যৰ বাক্য সঠিকভাৱে বিভাগ কৰাত নিপুন হব লাগিব। এইটো যদি কৰিব নোৱাৰি তেন্তে বিশ্বাসীসকল সকলো ধৰ্ম্মৰ মুল মন্ত্ৰত বিশ্বাস কৰিব আৰু ইয়ে মহা সমস্যাৰ সৃষ্টি কৰিব।
মই নিজে বাইবেল অধ্যয়ন কৰি, অৰ্থ ভাঙি,ব্যাখ্যা দাঙি ধৰি ঈশ্বৰৰ বাক্য বুজিবলৈ কৰা হেপাহ কমি যোৱা নাই, বৰঞ্চ বাঢিহে গৈছে। মৌখিক বাইবেল শিক্ষাৰ ধাৰণাই ইয়াক ম্লান কৰা নাই, বৰঞ্চ বৃদ্ধিহে কৰিছে।মৌখিক বাইবেল শিক্ষা দিয়া এনে কৰাত মই শঙ্কাবোধ কৰিছিলো। এইটো সম্ভৱ হৱনে? আৰু এনে কৰাটো কিয় প্ৰয়োজন হব?

প্ৰথম কথা, এইটো কিয় প্ৰয়োজন? মৌখিক বাইবেল শিক্ষাৰ দক্ষতা সমূহ শিকাওঁতা প্ৰতিজনেই যদি আৰু সাক্ষ্য থকা ক্লিপ সমূহৰ যোগান ধৰে। মই পোৱাতকৈ এই বিলাকেই ভালদৰে ইয়াৰ প্ৰয়োজনীয়তা সম্পৰ্কে কব।
এটা ডাঙৰ নিৰ্ণায়ক মূহুৰ্ত আহিল, ২০০৪ চনত লুচানা কমিটী ফৰ ওৱৰ্ল্ড ইভানজেলিমৰ মিটিংৰ এটা প্ৰতিবেদনত তথ্য সহকাৰে দাঙি ধৰিছিলো যে ইংলেণ্ড বা আমেৰিকা আদি উচ্চ শিক্ষিত দেশতো মৌখিক শিকাৰো সকলৰ শতকৰা হাৰ ভাৱিব নোৱাৰাকৈ বেচি। যত উচ্চ শিক্ষিত লোকৰ সংখ্যা কম, তেনে ঠাইত ই অধিক জটিল।
১৭ বছৰ ধৰি আমাৰ দলটোৱে মিচল ফিল্ডত কাম কৰি আহিছে। আমি একেবাৰে মৌখিক পদ্ধতিৰে প্ৰচাৰ কাৰ্য্য কৰিছো – আমি কোনো লিখিত সামগ্ৰী ব্যৱহাৰ

নকৰো- আমাৰ দলটোৰ উপস্থাপন কৰে। তাৰ ফলত আমি উল্লেখনীয় ফল দেখিবলৈ পাইছো, অনেক লোকে প্রভূযীচুত বিশ্বাস স্থাপন কৰিলে।

আমি পুনৰায় উক্ত কার্য্যত চকু ফুৰাওঁতে আমি তৎক্ষণাত শিক্ষিত লোকক শিকোৱা পদ্ধিতিলৈ সলনি কৰিলো। আমি বিশ্বাসী সকলক প্রত্যেককেই একোখনকৈ বাইবেল দিলো, তেওঁলোকক লগ কৰি পঢিবলৈ অধ্যয়ন কৰিবলৈ আৰু কেনেকৈ বাইবেল পঢি ব্যাখ্যা কৰিব লাগে – এই সকলো শিকাইছিলো। এনে ধৰণৰ পদ্ধতি গ্রহণ কৰাত, আমি যেন এখন পকাদেৱালত মুৰটো খুন্দিয়াই লোৱাৰ দৰে হ'ল। নতুন বিশ্বাসী সকল নিশকটীয়া হল। তেওঁলোক বিশ্বাসত বৃদ্ধি নেপালে। চেঁচা হৈ পৰিল আৰু বিশ্বাসৰ পৰা পিছ হুহঁকি গল।
আমি এখন গাঁৱত প্রৱেশ কৰিলো, প্রায় ২০ গৰাকীলোকে হৃদয়েৰে খ্রীষ্টক গ্রহণ কৰিবলৈ সংকল্পবদ্ধ হল। বাইবেল শাস্ত্র পঢাত আমি গুৰুত্ব দিলো, নিজে কেনেকৈ পঢিব লাগে, লগতে ব্যক্তিগতভাৱে তেওঁলোকক সময় দিলে আৰু নিজৰ সাক্ষ্যও দিলো।

আজি সেইবিলাকৰ এজনেও খ্রীষ্টত দৃঢ বিশ্বাসী হৈ থকা নাই। তাৰে ভিতৰত কিছুমানে হয়তো বিচাৰিছিল। কিন্তু ইমান দিনৰ পাছত এইটো এনে দেখা গল যেন তেওঁলোকে কেতিয়াও ঈশ্বৰৰ বাক্য পোৱাই নাছিল। বাক্য হৃদয়ত নোসোমাল । তেওঁলোকৰ পঢা আৰু অধ্যয়নো কোনো কামত নাহিল।

তাতোকৈ ডাঙৰ কথা হল- তেওঁলোকে **কেতিয়াও শাস্ত্র গ্রহণ নকৰিলে আৰু মত বিনিময়ো নকৰিলে।** আমি যিবিলাকক পৰিচর্যা কলো, তেওঁবিলাকেও যদি আনক পৰিচর্যা নকৰে, তেন্তে খ্রীষ্টক নজনা বিলাকে কেনেকৈ প্রভুৰ বার্তা শুনিব?

মৌখিকভাৱে বাইবেল শিক্ষা দিলে কেইটামান মৌলিক সুবিধা আছে। প্রথম, অনেকে বাইবেলৰ সত্যসমূহ হৃদয়ঙ্গম কৰিব পাৰিব, যিটো বাইবেল পঢিবলৈ দিয়াৰ দ্বাৰাই তেওঁলোকে কৰিব নোৱাৰিব। দ্বিতীয়তে লোকসমূহে এই সত্যসমূহ আনৰ আগত কবলৈ, ইচ্ছুক হব- এইটোৱেই অন্তিম "প্রজনন পৰিচর্যা"। অর্থাৎ এক পুৰুষৰ পৰা আন পুৰুষলৈ ঈশ্বৰৰ বাক্য দি যাব পৰা ব্যৱস্থা বা অনুকৰণ কৰা কার্য্য।

আন এটা সুবিধা হল – পৃথিৱীত নিষিদ্ধ অঞ্চল সমূহত, লোক সমূহে কতৃপক্ষৰ লগত সংঘাতৰ সন্মুখীন নহব। মই এইদৰে কৈ যাব পাৰো। কিন্তু চিদি আৰু ভিডিঅ' ক্লিপবিলাক প্রস্তুত কৰা হৈছে আৰু ইয়াৰ যোগেদি এই পদ্ধতিটোৰ ৰণকৌশলৰ সম্পকে জানিব পাৰিব।
দ্বিতীয় প্রশ্নটো মোৰ কাৰণে অতি গুৰুত্বপূর্ণ, "মৌখিকভাৱে ঈশ্বৰৰ বাক্য অধ্যয়ন আৰু সমালোচনা মূলক ব্যাখ্যা কৰি শিক্ষা দিয়াতো সম্ভৱনে?

বহুত সংগঠনতেই কিছুমান বিভাগ আছে যিবিলাকে মৌকিক পদ্ধতিৰে বাইবেল শিক্ষা দিয়ে আৰু ইয়াৰ বিকাশ সাধন কৰে।ইয়াৰ সৰহ সংখ্যকেই ইণ্টাৰনেচনেল অৱেলিটি নেটওৱৰক(ION)ৰ সদস্য। কিছুমান সংগঠন আছে যিবিলাকৰ মৌলিক বাইবেল শিক্ষা দিয়াত বিশেষ প্রশিক্ষণ আছে।মই ভালেকেইখন সংগঠনৰ অনুসন্ধান কৰিলো। তেওঁবিলাকৰ লিখিত সামগ্রী সমূহ ললো আৰু ভি.ডি.অ' সমূহো চালো। তেওঁলোকৰ গৃহ কার্যালয়লৈ মই গলো আৰু সুধিলো, "গোটেই সংগঠন বিলাকৰ ভিতৰত, মৌলিক ভাৱে বাইবেল শিক্ষা দিয়াত, কোনটো আটাইতকৈ ভাল?" উত্তৰত তেওঁলোকে কলে যে "কেৱল কাহিনীটো" নামৰ সংগঠন টোৱেই আটাইতকৈ ভাল। মই তেতিয়া ওৱেবচাইটটো চালো, সামগ্রী সমূহ সংগ্রাহ কৰিলো, আৰু চাই দেখিলো যে সঁচাই এটা পার্থক্য আছে।

তেওঁলোকৰ এটা কথা মোৰ আটাইতকৈ ভাল লাগিল যে তেওঁলোকে মৌলিক ভাৱে নিজে নিজে শিক্ষা লাভ কৰিবলৈ শিকায়। ব্যাখ্যা কৰাত, মৌলিকতাত, বাইবেল অধ্যয়নত আপুনি যিমান পাৰে সিমানেই কাষলৈ যাব পাৰে।

মই জানিলো যে মই যি বিচাৰিছিলো তাক পালো। SKY ৰ যোগেদি তেওঁলোকৰ লগত যোগাযোগ কৰিলো।

নৱেম্বৰৰ প্রথম ভাগত, "কেৱল কাহিনীটো"ৰ পৰা দুজন প্রশিক্ষক আহিল আৰু তেওঁলোকে ৫ দিন ধৰি এটা প্রশিক্ষণ শিবিৰ পাতিলে। প্রথম দুদিন প্রশিক্ষক সকলৰ বাবে আছিল(যিবিলাকক আমাৰ দলৰ পৰাই মনোনীত কৰা হৈছিল।) আৰু তাৰ পাছৰ তিনিদিন অকপতে পোৱা প্রশিক্ষণ প্রাপ্ত সকলৰ বাবে। আমাৰ দলটোৰ বাকী সকলক "কেৱল কাহিনীটোৰ প্রশিক্ষক সকলৰ সহায়লৈ প্রশিক্ষণ দিয়া হল। আৰু আমাৰ মিচনৰ কার্য্যত এই পদ্ধতিটো সংযোজন কৰিবলৈ আৰম্ভ কৰিলো আৰু এইটোৱে আমাৰ মিছনত সাংঘাটিক ভাৱে সফলতা আনি দিছে।

আমি ইয়াক তৎক্ষণাত ব্যৱহাৰ কৰিলো আৰু যি হিচাবে ই চলি আছে তাৰ প্রতিবেদন পাই মই প্রকৃততে সুখী হৈছো। ইয়াৰ মানে এইটো নুবুজায় যে আমি বাইবেল নপঢো । ঈশ্বৰৰ লিখিত বাক্য ব্যাখ্যা কৰি বুজাই নিদিও। হা । ই দূৰ হওক। এইটোৱে এতিয়াও নির্ণায়ক ভূমিকা পালন কৰে।

আমি মোলিক ভাৱে কি কৰিছো

(১) ঈশ্বৰৰ লিখিত বাক্যত আমাৰ অধ্যয়নৰ লগত মিলাই লওঁ বা খাপ খুৱাই লওঁ। এই পদ্ধতিয়ে আমাৰ অধ্যয়নক বাদ নিদিয়ে

(২) পঢিব নজনা বা পঢিব নোখোজা লোকৰ মাজত এই পদ্ধতিয়ে কাম কৰে।

(৩) ই এনে এটা পদ্ধতি যিটো মানুহে অতি সুন্দৰভাৱে কৰিব পাৰে। আমি সর্বসাধারণক এইক্ষেত্রত যোগদান কৰিবলৈ আহ্বান জনাইছো।

(৪) আনৰ লগত মতবিনিময় কৰিবলৈ ই অতি সহজ কৰি দিয়ে। আমি যিবিলাকক পৰিচর্যা কৰো, তেওঁ বিলাকৰ যোগেদি ই বৃদ্ধি পায়।

(৫)নিষিদ্ধদেশত ঈশ্বৰৰ বাক্য ফলদায়ক হবলৈ ই অতি উত্তম উপায়।

(৬)ই বাহিৰৰ কোনো পুঁজি, কৌশল বা অন্য শিক্ষা সামগ্রীৰ ওপৰত নির্ভৰ নকৰে। এইটোৱেই আটাইতকৈ বেছি প্রজনন কৰিব পৰা মিছনৰ ৰণকৌশল।

আকৌ মই বেলেগ বেলেগ সংগঠনৰ পৃথক পৃথক ৰাপ দেখিলো, কিন্তু তেওঁবিলাকৰ বহুতেই প্রকৃততে বাইবেলখন মৌখিক ৰূপত কোৱা হোৱা নাই। "কেৱল কাহিনীটো"ৰে প্রকৃততেই বাইবেলখন নির্ভুলভাৱে কোৱাত গুৰুত্ব দিয়ে শাস্ত্রৰ এটা অংশ লয়, ইয়াক মুখস্থ কৰে, সঠিক আখৰে আখৰে নহয়, কিন্তু আপুনি যি কব, সেইয়া বাইবেলৰ বাক্যৰ পৰাহে কব যিদৰে, লিখিত ঈশ্বৰৰ বাক্য আমি পঢো,ঠিক তাৰ অনুৰূপ।

ঈশ্বৰৰ (লিখিত) বাক্যই হৈছে আইন।এইটোৱেই হল উৎস। আমি এই বাক্য নিশ্চয়ে শিকাব লাগিব আৰু নির্ভূলভাৱে ইয়াৰ অর্থ ভাঙনি কৰিব লাগিব।কিন্তু এই লিখিত বাক্যৰ পৰাই আমি মৌখিক বাক্য পাওঁ। যেতিয়া আমি বাইবেলখন মৌখিক বাৱে শিকাও, আমাৰ আগত বাইবেলখন খোলা হৈ থাকে,ইয়াৰ অর্থ এইযে আমি শিকোৱা বাক্য বাইবেলৰ পৰাইহে – লিখিত বাক্যৰ পৰাই লোৱা হৈছে।আৰু ইয়াৰ দ্বাৰা আমি প্রদর্শন কৰো যে বাইবেল শাস্ত্রইহে আমাৰ উৎস।

আদিম মণ্ডলীত মানুহে শাস্ত্রৰ পৰা পঢিছিল আৰু লোকবিলাক মনোযোগদি শুনিছিল। পৌলে পত্র সমূহ পঠিয়াইছিল আৰু অনুৰোধ কৰিছিল যে এই পত্রবিলাক সকলোৱে শুনাকৈ ডাঙৰকৈ পঢিব লাগে। এটা 'চিদি'ত মই এটা প্রশ্ন পালো আৰু এই প্রশ্ন পাই মই আচৰিত হলো – প্রথম শতিকাত শতকৰা কিমানজন লোকে পঢিব বা লিখিব জানিছিল–যিটো সময়ত একেদিনাই ৩০০০ হেজাৰ লোক মণ্ডলীৰ অন্তভূক্ত হৈছিল? উত্তৰত মোক কোৱা হল যে কেৱল শতকৰা ৫ জন ব্যক্তিয়েহে লিখিব বা পঢিব জানিছিল।

"কেৱল কাহিনীটো" মই পচন্দ কৰাৰ এটা কাৰণ হল যে এই পদ্ধতিত বাইবেলখন নির্ভুলভাৱে কোৱা হয়। আনটো কাৰণ হল যে প্রশিক্ষক সকলে লোক বিলাকক কেনেকৈ বাইবেল নিজে অধ্যয়ন কৰি ব্যাখ্যা কৰিব লাগে, তাকো শিকায় কাহিনীটো কোৱাৰ পাছত, তেওঁলোকে যি শুনিল, তাৰ পৰাই লোকবিলাকক প্রশ্ন সোধে যাতে নির্ভূল ব্যাখ্যা দিব পাৰে, আৰু ইয়াৰ শিক্ষা নিজৰ জীৱনত কেনেকৈ প্রয়োগ কৰিব পাৰে তালৈও চকু দিয়ে।

এইটো প্রকৃতেত পূর্ণবিকাশত, কৌশলপূর্ণভাৱে শিকোৱা এক গুৰুত্বপূর্ণ অস্ত্র।

ঈশ্বৰৰ কাহিনীঃ সৃষ্টিৰ পৰা অনন্ত কাললৈ

“কেৱল কাহিনীটোৰ” পিতৃস্বৰূপ ঈশ্বৰৰ কাহিনীটোৰ, বিশ্বজুৰি যি শক্তিশালী প্ৰভাৱ তাৰ ফলস্বৰূপেই আমি “কেৱল কাহিনী”ৰ পূৰ্ণবিকাশ কৰিব পাৰিলো। ৮০ মিনিট জোৰা বাইবেলৰ এই “প্ৰশস্ত দৃশ্য’ত পুৱণি আৰু নতুন নিয়মৰ পৰা গুৰুত্বপূৰ্ণ কাহিনীসমূহ সাঙুৰি লোৱা হৈছে। আৰু শ্ৰাব্য আৰু দৃশ্য এই দুয়োটা আকাৰতেই কেছেটবোৰ সহজলভ্য। ২০১১ চনলৈকে“ঈশ্বৰৰ কাহিনীটো” ৩০০ টাতকৈ অধিক ভাষাত উলিওৱা হল।

ঈশ্বৰৰ কাহিনীটোৰ এটা ভাললগা কথা এইযে ইয়াক সৌৰশক্তিৰ দ্বাৰা চালিত শ্ৰাব্য কেছেটত বাণীবদ্ধ কৰা হৈছে।

> চুদানত এজন কিশোৰে, তেওঁৰ সহপাঠীৰ ওপৰত বৰ ক্ৰোধ ৰাখিছিল। সেই কাৰণে তেওঁ, সেই লৰাটোক বধ কৰিবৰ বাবে লগত এখন চুৰীলৈ ফুৰিছিল। সেই শ্ৰেণীৰ শিক্ষকজনে অলপতে তেওঁলোকৰ ভাষাত থকা, সৌৰশক্তিৰ দ্বাৰা চালিত,‘ঈশ্বৰৰ কাহিনীটো”ৰ এটা কেছেট লাভ কৰিছিল। সেই অমঙ্গলীয়া দিনটোত শিক্ষকজনে কয়িন আৰু হেবলৰ কাহিনীটো বজাই শুনালে।
>
> সেই খঙাল লৰাজনে যেতিয়া বাইবেলৰ কাহিনীটো শুনিলে, তেওঁৰ মনত কিবা এটা ঘটিল। তেওঁ ছুৰীখন উলিয়াই ললে–আৰু সেই ছুৰীখন শিক্ষকজনক দিলে। তেওঁ নিজৰ কু–কল্পনা কথা স্বীকাৰ কৰিলে। ঈশ্বৰে তেওঁৰ হৃদয়খন চুলে। সেইদিনাই লৰাজনে ঈশ্বৰৰ ওচৰত তেওঁৰ পাপৰ ক্ষমা বিচাৰিলে আৰু যীচুক ত্ৰাণকৰ্তাৰূপে গ্ৰহণ কৰিলে।

ঈশ্বৰৰ বাক্যই কথা কয়। যি সকলে“কেৱল কাহিনীটো” ব্যৱহাৰ কৰে, তেওঁলোকক ঈশ্বৰৰ কাহিনী নিজৰ ভাষাত ব্যৱহাৰ কৰিবলৈ আমি উদগনি জনাওঁ।

“ঈশ্বৰৰ কাহিনী” চিদি আৰু এমপিত সৌৰশক্তি ব্যৱহাৰ কৰি শুনিব পাৰে। ভিদিঅ’ত শ শ টা চৰিত্ৰ ৰূপায়ণ কৰা হৈছে আৰু এইবিলাকে বাইবেলৰ কাহিনী বিলাক সজীৱ কৰি তোলে।

ঈশ্বৰৰ কাহিনী, ব্যক্তিগত ভাৱে আৰু টিভিত চোৱা বহু লক্ষ লোকে, ইতিবাচক সহাঁৰি জনাইছে আৰু যীচু ভক্ত হৈছে।হাজাৰ হাজাৰ মিচনে ও পৰিচৰ্যা বিভাগে ‘ঈশ্বৰৰ কাহিনী’ ব্যৱহাৰ কৰিছে।

এগৰাকী কাহিনী কওঁতাৰ আৰ্হিত নিৰ্মিত ‘ঈশ্বৰৰ কাহিনী’য়ে শ্ৰোতাসকলক বাইবেলৰ অৰ্ন্তবস্তু পুনৰ কবলৈ সমৰ্থবান কৰে। আটাইতকৈ গুৰুত্বপূৰ্ণ কথা হল, মৌখিক সমাজ ব্যৱস্থাৰ পৰা লোক সমূহে ‘কেৱল কাহিনীটো’ শুনি বিশ্বাসেৰে সহাঁৰি জনায়। সৃষ্টিৰ পৰা আৰম্ভকৰি, মনুষ্যৰ পতন আৰু ঈশ্বৰৰ অঙ্গীকাৰ যে

এজন ত্রাণকর্ত্তা আহিব, ইয়াৰ দ্বাৰাই শুভবার্তা বুজিবলৈ এক ভেটি স্থাপন কৰা হয়। ‘ঈশ্বৰৰ কাহিনী’ৰ প্রভাৱ ও শক্তি আমি প্রচাৰ কার্য্যত ও শিষ্য গঢা কার্য্যত দেখিবলৈ পাইছো।

ঈশ্বৰৰ কাহিনী,ফ্লিপ চার্ট সহ, সৌৰ শক্তিৰ দ্বাৰা চালিত যন্ত্রত ব্যৱহাৰ কৰি, গাঁৱলীয়া প্রচাৰক সকলক চলন্ত চিনেমা হললৈ সলনি কৰি দিছে। অতিৰিক্ত হাথিয়াৰ যেনে– আলোচনা, পুস্তিকা আৰু ৰেডিঅ’ লিখনি আদিয়ে বহুল ভাৱে ঈশ্বৰৰ কাহিনীটো সজীৱ কৰি তোলাত অৰিহনা যোগায়।

www.Gods-Story.org/Info@Gods-Story.org

World Contacts

Africa: Eafrica@Gods-Story.org

Ethiopia: Ethiopia@SimplyTheStory.org

West Africa "French & English":

STSWestAfrica@SimplyTheStory.org

West Africa "French":

STSWestAfrica@SimplyTheStory.org

Europe: BT@SimplyTheStory.org

India: IndiaDirector@Gods-Story.org

Nepal: Nepal@SimplyTheStory.org

South East Asia: Thailand@SimplyTheStory.org

"Spanish": LatinAmerica@SimplyTheStory.org

Oceania: Oceania@SimplyTheStory.org

Philippines: eb@SimplyTheStory.org

USA: info@SimplyTheStory.org